# কানৈয়ান



ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ
ষষ্ঠ সপ্ততি সংখ্যক বাৰ্ষিক মুখপত্ৰ, ২০২২-২৩ বৰ্ষ

সম্পাদক
লক্ষ্মীপ্ৰিয়া কলিতা

# শ্ৰদ্ধাৰ্ঘ্য...

**ॐ पूर्णमदः पूर्णमिदं पूर्णात्पूर्णमुदच्यते ।**
**पूर्णस्य पूर्णमादाय पूर्णमेवावशिष्यते ॥**

**ॐ शान्तिः शान्तिः शान्तिः ॥**



কাব্যঋষি নীলমণি ফুকন
জ্ঞানপীঠ বিজয়ী, বিশিষ্ট কবি-সাহিত্যিক
(১৯৩৩- ৯ জানুৱাৰী,২০২৩)



**ভীমকান্ত কোঁৱৰ**, শিক্ষাবিদ
(১৯৪০-২৭ ডিচেম্বৰ,২০২২)



**জয়ন্ত দাস**, বিশিষ্ট অভিনেতা
(১৯৬৯-১৬ ডিচেম্বৰ, ২০২৩)



**বীৰেন্দ্ৰনাথ দত্ত**, বিশিষ্ট সাহিত্যিক
(১৯৩৫-২৩ অক্টোবৰ,২০২৩)



**ভাৰতৰত্ন লতা মংগেশকাৰ**
(১৯২৯-৬ ফেব্ৰুৱাৰী,২০২২)



**পণ্ডিত বিৰজু মহাৰাজ**, বিশিষ্ট কথক নৃত্যশিল্পী,
(১৯৩৮-১৭ জানুৱাৰী,২০২২)



**গৰিমা হাজৰিকা**, বিশিষ্ট সত্ৰীয়া নৃত্যশিল্পী
(১৯৩৯-৫ আগষ্ট, ২০২২)



**দেৱেন দত্ত**, বিশিষ্ট শিক্ষাবিদ
(১৯৪৪-১৮ আগষ্ট, ২০২৩)



**এম.এচ. স্বামীনাথন**, বিশিষ্ট বিজ্ঞানী
(১৯২৫-২৮ চেপ্তেম্বৰ, ২০২৩)



**টাইটাচ ভেংৰা**, প্ৰাধ্যাপক ৰাজনীতি
বিজ্ঞান বিভাগ, ডিঃহঃসুঃ কানৈ মহাবিদ্যালয়
(মৃত্যু তিথি ২১ এপ্ৰিল, ২০২৩)

# Kanoian

Dibrugarh Hanumanbax Surajmall Kanoi college student's union's annual magazine, edited by Lakshmi Priya Kalita, printed at kaustabh prakashan, Dibrugarh-786003.
76th Issue, 2022-23

## স ম্পা দ না স মি তি

| | |
|---|---|
| ড° শশীকান্ত শইকীয়া, মুখ্য উপদেষ্টা | Dr. Sashikanta Saikia, Chief Advisor |
| ড° প্ৰিয়দেৱ গোস্বামী, উপদেষ্টা | Dr. Priyadev Goswami, Advisor |
| ড° মৃদুল শৰ্মা, তত্ত্বাৱধায়ক | Dr. Mridul Sarmah, Prof.in charge |
| ড° অনন্ত কুমাৰ দত্ত, উপদেষ্টা | Dr. Ananta Kumar Dutta, Advisor |
| ড° মিতালী চলিহা, উপদেষ্টা | Dr. Mitali Chaliha, Advisor |
| ড° সুনন্দা চাহু, উপদেষ্টা | Dr. Sunanda Sahu, Advisor |
| শ্ৰীযুত অৰ্জুন শ্বাহ, উপদেষ্টা | Dr. Arjun Sah, Advisor |
| শ্ৰীযুত প্ৰতাপ সেনাপতি, উপদেষ্টা | Mr. Pratap Senapoti, Advisor |
| লক্ষ্মীপ্ৰিয়া কলিতা, সম্পাদক | Lakshmipriya Kalita, Editor |
| চিৰঞ্জীৱ সন্দিকৈ, সদস্য | Chiranjib Handique, Member |
| প্ৰিন্সী কলিতা, সদস্য | Princy Kalita, Member |
| অনন্যা দত্ত, সদস্য | Anannya Dutta, Member |
| স্মিতা চক্ৰৱৰ্তী, সদস্য | Smita Chakraborti, Member |

.............................................

বেটুপাত ঃ চিৰঞ্জীৱ সন্দিকৈ
অলংকৰণ ঃ দিপক বৰুৱা
ডি.টিপি. ঃ দীপ গগৈ, চিত্ৰা সোনোৱাল
প্ৰকাশক ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২২-২৩
মুদ্ৰণ ঃ কৌস্তুভ প্ৰকাশন, মিলন নগৰ, ডিব্ৰুগড় ৭৮৬০০৩
দূৰভাষ ঃ ৯৪৩৫০৫১৫৪৭ • Email : kaustubhprakashan@gamil.com

(আলোচনীখনত ব্যৱহাৰ কৰা আলোকচিত্ৰসমূহ ইণ্টাৰনেটৰপৰা সংগ্ৰহ কৰা হৈছে।)

# উছৰ্গা

কানৈয়ান উছৰ্গা কৰা হ'ল প্ৰতিজন সেউজীয়া মানুহৰ হাতত যিয়ে
পৃথিৱীক শান্তিৰ সুৰেৰে, করুণাৰ ফুলেৰে, সপোনৰ পোহৰেৰে সজাবলৈ যত্নৰত...
যুদ্ধৰ বিভীষকাত প্ৰাণ হেৰুওৱা প্ৰত্যেক নিৰীহ নৰ-নাৰী, নিষ্পাপ দেৱশিশুৰ আত্মাৰ
চিৰ-শান্তিৰ কামনাৰে তেওঁলোকৰ পৱিত্ৰ আত্মাৰ ওচৰত কানৈয়ান উছৰ্গা কৰা হ'ল...
নিজৰ সমগ্ৰ জীৱন মানুহক উপহাৰ দিয়া, মানৱতাৰ বাবে নিৰন্তৰ নীৰৱ সাধনাত
ব্ৰতী পোহৰ প্ৰয়াসীসকলৰ বাবে কানৈয়ান উছৰ্গা কৰিলোঁ।

—সমূহ কানৈয়ান

राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

**NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL**

*An Autonomous Institution of the University Grants Commission*

# Quality Profile

***Name of the Institution*** : Dibrugarh Hanumanbax Surajmall Kanoi College

***Place*** : K. C. Gogoi Path, Dist. Dibrugarh, Assam

| *Criteria* | *Weightage* ($W_i$) | *Criterion-wise Weighted Grade Point* ($Cr\ WGP_i$) | *Criterion-wise Grade Point Averages* ($Cr\ WGP_i / W_i$) |
|---|---|---|---|
| I. *Curricular Aspects* | 100 | 230 | 2.30 |
| II. *Teaching-Learning and Evaluation* | 350 | 1157 | 3.31 |
| III. *Research, Innovations and Extension* | 120 | 285 | 2.38 |
| IV. *Infrastructure and Learning Resources* | 100 | 364 | 3.64 |
| V. *Student Support and Progression* | 120 | 345 | 2.88 |
| VI. *Governance, Leadership & Management* | 092 | 268 | 2.91 |
| VII. *Institutional Values and Best Practices* | 100 | 331 | 3.31 |
| **Total** | $\sum_{i=1}^{7} w_i = 982$ | $\sum_{i=1}^{7}(Cr\ WGP_i) = 2980$ | |

***Institutional CGPA*** $= \dfrac{\sum_{i=1}^{7}(Cr\ WGP_i)}{\sum_{i=1}^{7} W_i} = \dfrac{2980}{982} = \boxed{3.03}$

***Grade*** = A

S. C...

*Director*

*Date : February 07, 2023*

- This certification is valid for a period of Five years with effect from February 07, 2023
- An institutional CGPA on four point scale in the range of 3.51 - 4.00 denotes A++ grade, 3.26 - 3.50 denotes A+ grade, 3.01 - 3.25 denotes A grade, 2.76 - 3.00 denotes B++ grade, 2.51 - 2.75 denotes B+ grade, 2.01 - 2.50 denotes B grade, 1.51 - 2.00 denotes C grade
- Scores rounded off to the nearest integer

EC(SC)/143/3rd Cycle/ASCOGN10506


DIBRUGARH UNIVERSITY SPORTS BOARD, DIBRUGARH, ASSAM

INTER COLLEGE YOUTH FESTIVAL

2022 - 2023

*Certificate of Merit*

Awarded to ~~Sri / Smti~~ D. H. S. K. ....................

College ..., Dibrugarh ....................

Position 2nd Runner-up Event Youth Festival,

2022-23 .............. in Inter College Music / Dance / Theater / Literary / Fine Arts Competition held at Digboi Mahila Mahavidyalaya from 1st February to 4th February, 2023.

Secretary
D. U. Sports Board

Chairman
Organizing Committee

~~President~~/Vice-President
D. U. Sports Board






ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ
(ডিগবৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত, ২০২২-২৩ বৰ্ষ)ত তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়।

# সম্পাদনা সমিতি



ড° শশীকান্ত শইকীয়া
মুখ্য উপদেষ্টা



ড° প্ৰিয়দেৱ গোস্বামী
উপদেষ্টা



ড° মৃদুল শৰ্মা
তত্বাৱধায়ক



ড° অনন্ত কুমাৰ দত্ত
উপদেষ্টা



ড° মিতালী চলিহা
উপদেষ্টা



ড° সুনন্দা চাহু
উপদেষ্টা



শ্ৰীযুত অৰ্জুন শ্বাহ
উপদেষ্টা



শ্ৰীযুত প্ৰতাপ সেনাপতি
উপদেষ্টা



লক্ষ্মীপ্ৰিয়া কলিতা
সম্পাদক



চিৰঞ্জীৱ সন্দিকৈ
সদস্য



প্ৰিন্সী কলিতা
সদস্য



অনন্যা দত্ত
সদস্য



স্মিতা চক্ৰৱৰ্তী
সদস্য

দনা সমিতি









কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া
অধ্যক্ষ

# ২০২২-২৩ বৰ্ষৰ ডি.হ.সু.কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা



পাৰ্থ প্ৰতীম গোহাঁই
সভাপতি



দিৰাজ বৰুৱা
সাধাৰণ সম্পাদক



চাণক্য নেওগ
উপ-সভাপতি



কৌশিক ৰঞ্জন চেতিয়া
সহঃ সাধাৰণ সম্পাদক



লক্ষ্মীপ্ৰিয়া কলিতা
সাহিত্য সম্পাদক



পংকজ দত্ত
সাংস্কৃতিক সম্পাদক



নিহাৰ বৰুৱা
সংগীত সম্পাদক



বল্লভজ্যেতি দত্ত
তৰ্ক সম্পাদক



আব্দুল ৰাজাক
শৰীৰ-চৰ্চা সম্পাদক



প্ৰিন্সী কলিতা
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদক



কৃষ্ণ চেত্ৰী
গুৰু ক্ৰীড়া সম্পাদক



প্ৰিয়াঙ্কী দুৱৰা
লঘু ক্ৰীড়া সম্পাদক



ধনিষ্ঠা দলে
সমাজ সেৱা সম্পাদক



শিৰম সূত্ৰধৰ
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক



জ্ঞানী দলে
সুকুমাৰ কলা সম্পাদক



গৌৰৱ জ্যোতি নেওগ
ছাত্ৰ প্ৰতিনিধি



মানস প্ৰতীম হাজৰিকা
পৰিৱেশ্য কলা সম্পাদক



অনামিকা পাল
শ্ৰেণী প্ৰতিনিধি



নিমিষা গগৈ
শ্ৰেণী প্ৰতিনিধি



বিশ্বজিৎ বিশ্বাস
শ্ৰেণী প্ৰতিনিধি



জাভেদ আখতাৰ
শ্ৰেণী প্ৰতিনিধি



মৈত্ৰী বৰুৱা
তথ্য-প্ৰযুক্তি সম্পাদক

ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ উপলক্ষ্যে
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত

## আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতা

### প্ৰশংসা পত্ৰ

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২২-২৩ৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা

আন্তঃ মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সম্পাদকীয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ বঁটা

প্ৰাপ্ত ....কাঁনৈয়ান.... ৰ

সম্পাদক ....লক্ষ্মীপ্ৰিয়া কলিতা.... ক এই মানপত্ৰ প্ৰদান কৰা হ'ল।

| চৈয়দ ৰোহিত ৰহমান | অৰ্চিতা গোস্বামী | হিমাংশু শংকৰ গগৈ |
|---|---|---|
| সভাপতি | আলোচনী সম্পাদক | সাধাৰণ সম্পাদক |

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২৩-২৪ বৰ্ষ

ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ উপলক্ষ্যে
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত

## আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতা

### প্ৰশংসা পত্ৰ

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২২-২৩ৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা

আন্তঃ মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত ....তৃতীয়.... স্থান প্ৰাপ্ত ....ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়.... ক এই মানপত্ৰ প্ৰদান কৰা হ'ল।

| চৈয়দ ৰোহিত ৰহমান | অৰ্চিতা গোস্বামী | হিমাংশু শংকৰ গগৈ |
|---|---|---|
| সভাপতি | আলোচনী সম্পাদক | সাধাৰণ সম্পাদক |

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা ২০২৩-২৪ বৰ্ষ


Log

**অধ্যাপক জাহ্নৱী গগৈ,** পিএইচ.ডি.
অধ্যাপক, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ আসন
ভাৰপ্ৰাপ্ত অধ্যাপক, চ্যু-কা-ফা আসন, বুৰঞ্জী বিভাগ
ভাৰপ্ৰাপ্ত উপাচাৰ্য

**ডিব্ৰুগড় বিশ্ববিদ্যালয়**
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in

## শুভেচ্ছা বাণী

বিগত ১৯৪৫ খ্ৰীষ্টাব্দত ডিব্ৰুগড় নগৰৰ মাজমজিয়াত প্ৰতিষ্ঠিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ে সমগ্ৰ ৰাজ্যখনৰ ভিতৰতে এখন অন্যতম পুৰণি তথা গুণগত দিশেৰে উৎকৃষ্ট মানৰ উচ্চ শিক্ষানুষ্ঠানৰূপে পৰিচিতি লভিবলৈ সক্ষম হৈছে। বিগত বৰ্ষসমূহৰ দৰে মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'খন প্ৰকাশ কৰি উলিওৱাৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে বুলি বাৰ্তা লাভ কৰি আমিও স্বাভাৱিকতে আনন্দিত হৈছোঁ।

আমি আশাবাদী যে নতুন প্ৰজন্মৰ ভালেকেইগৰাকী লেখক সৃষ্টি কৰাত এই বৰ্ষৰ 'কানৈয়ান'খন সফল হ'ব আৰু পাঠকবৃন্দক উপকৃত কৰিব পৰাকৈ গুণগত দিশেৰে উৎকৃষ্ট মানৰ তথা সময়োপযোগী অন্যান্য ভালেমান লেখা আদিৰে সু-সমৃদ্ধ হৈ আলোচনীখন অতি সুন্দৰকৈ প্ৰকাশ পাব।

প্ৰয়াসটিৰ সৈতে প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে জড়িত হৈ থকা সদৌটিলৈকে আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা থাকিল। তদুপৰি, এই সুযোগতে আমি সকলোলৈকে আগন্তুক ইংৰাজী নতুন বৰ্ষৰ ওলগ জনাইছোঁ।

দিনাংক ঃ ২৮ ডিচেম্বৰ, ২০২৩

(জাহ্নৱী গগৈ)

মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়
MAJULI UNIVERSITY OF CULTURE

Dr. Binud Ch. Borah
Registrar
borahbinod@gmail.com

Office of the Registrar
Garamur, Majuli District
Assam, PIN 785 104

প্ৰতি,

শ্ৰীমতী লক্ষ্মীপ্ৰিয়া কলিতা
সম্পাদক, কানৈয়ান
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়।

উজনি অসমৰ উচ্চ শিক্ষাৰ এক অন্যতম প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়তেই মোৰ জীৱনৰ আটাইতকৈ প্ৰেৰণাময় আৰু সৃজনীশীল সময়খিনি পাৰ হৈছে। এইখনেই সেই মহাবিদ্যালয়, য'ত ড° যোগীৰাজ বসুৰ পৰা আদি কৰি আজিলৈকে অনেক কৃতবিদ্য মণিষীয়ে নিজৰ প্ৰজ্ঞাৰ সাধনাৰে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ সহস্ৰজন মানৰ সম্পদৰ সৃষ্টি কৰি বিশ্ব সভ্যতালৈ নিজৰ গৰিমাময় অৱদান আগবঢ়াইছে। গৰিমাময় ঐতিহ্যৰ লগতে সমসাময়িক বিশ্বমুখী দৃষ্টিভংগীৰে মহাবিদ্যালয়খনে অনাগত সময়ৰ স্বপ্নদ্ৰষ্টা হৈ সমাজক বলিষ্ঠ ইতিবাচক নেতৃত্ব প্ৰদান কৰিবলৈ সক্ষম হৈছে। আভ্যন্তৰীণ আৰু বাহ্যিক, বিদ্যায়তনিক, প্ৰশাসনিক আৰু সামাজিক- উভয় ক্ষেত্ৰতে স্বচ্ছ আৰু পৰিচ্ছন্ন ব্যক্তিত্বৰে উজ্বলি উঠি দেশৰ এক আগশাৰীৰ উচ্চশিক্ষানুষ্ঠানস্বৰূপে নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিছে। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী 'কানৈয়ান'ৰো এক সুদীৰ্ঘ আৰু গৌৰৱময় ইতিহাস আছে। 'কানৈয়ান'ৰ পাততে জীৱনৰ প্ৰথমটো লেখা প্ৰকাশিত হোৱা সেই সময়বোৰৰ বহু নবীন লেখক এতিয়া একোজন বিশিষ্ট কথাশিল্পী হৈ সমাজত জিলিকি আছে।

এই ঐতিহ্যসম্পন্ন 'কানৈয়ান'ৰ প্ৰকাশিতব্য সংখ্যাটিৰ বাবে আমাৰ শুভকামনা আহ্বান কৰাটোক মই ব্যক্তিগতভাৱে প্ৰীতিভৰা সন্মানস্বৰূপে গ্ৰহণ কৰিছোঁ আৰু সম্পাদক শ্ৰীমতী লক্ষ্মীপ্ৰিয়া কলিতাৰ লগতে সংশ্লিষ্ট আটাইলৈ মোৰ আদৰ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ। ইতিমধ্যে বহুকেইটা দশকৰ পৰিক্ৰমা অতিক্ৰম কৰা 'কানৈয়ান'ৰ এক স্বকীয় গৰিমা আৰু ঐতিহ্য আছে। আমি আন্তৰিকতাৰে আশা কৰিম, আপোনাৰ সুসম্পাদনাত আৰু গুৰুজনৰ সঠিক দিক-দৰ্শনত 'কানৈয়ান'ৰ অনাগত সংখ্যাটি বিচিত্ৰ বৌদ্ধিক উপাদানেৰে সমৃদ্ধ হৈ প্ৰকাশিত হৈ ওলাব আৰু পাঠকৰ জ্ঞানতৃষ্ণা পূৰণ কৰিবলৈ সক্ষম হ'ব।

আন্তৰিক শুভকামনাৰে-

(ড° বিনোদ চন্দ্ৰ বড়া)
১৭ ডিচেম্বৰ, ২০২৩
মাজুলী, অসম

জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

দিনাংক ১৯-১২-২০২৩

প্ৰসঙ্গ ..............................

# শুভেচ্ছা-বাৰ্তা

উজনি অসমৰ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ স্বৰূপ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়। উচ্চ শিক্ষাৰ লক্ষ্যৰে ১৯৪৫ চনতে স্থাপিত ডিব্ৰুগড় জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খন অসমৰ ভিতৰতে এখন উল্লেখযোগ্য মহাবিদ্যালয়। মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা দিনৰেপৰা বৃহত্তৰ অঞ্চলটোৰ লগতে সমগ্ৰ উজনি অসমৰ ছাত্ৰ ছাত্ৰীক গুণগত শিক্ষাৰ পোহৰ বিলাই আহিছে। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ লগত জড়িত প্ৰতিজন স্বনামধন্য ব্যক্তি আৰু বৰ্তমান মহাবিদ্যালয় পৰিয়ালৰ সকলোলৈ আমাৰ শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। বিগত বৰ্ষৰ দৰে এই বৰ্ষটো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কানৈয়ান (২০২২-২৩) প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ। আলোচনীখনৰ জৰিয়তে শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব। ইয়াৰ জৰিয়তে সমগ্ৰ অসমৰ শিক্ষা ব্যৱস্থালৈ এক অনবদ্য অৱদান আগবঢ়াব।

আলোচনীখনৰ সম্পাদকৰ লগতে সম্পাদনা সমিতিৰ লগত জড়িত সদৌটিলৈকে সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা আৰু সেৱা জনালোঁ।

"জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়"
"জয় আই অসম"

শ্ৰদ্ধাৰে —

(উৎপল শৰ্মা)
সভাপতি

(শংকৰজ্যোতি বৰুৱা)
সাধাৰণ সম্পাদক

সদৌ অসম ছাত্ৰ সন্থা



# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী
# ৭৬তম সংখ্যা ঃ ২০২২-২৩

## অনুক্ৰমণিকা


*সম্পাদকীয়*

**যুদ্ধ আৰু শান্তি ঃ এক মানৱীয় সংকটৰ প্ৰতিকাৰৰ সন্ধানত...** ।। ১

### *প্ৰবন্ধ আৰু ভিন্ন গদ্য*

**Green Movement of DHSK College**
Dr. Sashi Kanta Saikia ।। ৩

**D.H.S.K. College, Dibrugarh : Chronicle of some of the important events**
Dr. Pallabi Gogoi ।। ৭

**সাম্প্ৰতিক বিশ্বত মহাত্মা গান্ধীৰ নীতিৰ প্ৰাসংগিকতা**
কমল নয়ন দত্ত ।। ১০

**Enemy of Open Society : Popper's Critique on Plato**
Madhujya Chetia ।। ১৩

**ভাৰতীয় অস্কাৰ ইতিহাস**
আশাস্মিতা শৰ্মা ।। ১৬

**মাজুলীৰ বাৰেৰহনীয়া সংস্কৃতিৰ অন্যতম 'সত্ৰীয়া নৃত্য'**
মামণি গগৈ ।। ১৮

**আদিবাসী চাহ জনগোষ্ঠী লোকসকলৰ কৰম পৰব**
নয়নজ্যোতি কুৰ্মি ।। ১৯

**বিশ্বশান্তি ৰক্ষাত ভাৰত কিমানদূৰ সফল**
জ্যোতিষ্মান বৰুৱা ।। ২০

**বিজ্ঞান বৰদান নে অভিশাপ?**
ছুনামি ধনদিয়া ।। ২২

**Today's Women**
Dharmamoy Gogoi ।। ২৪

**The Dream of Developing Assam as the Most Developed State in India**
Monashminee Dutta ।। ২৫

**Navigating Societal Seas : The vital Relevance of Political Science**
Ritisha Bhadra ।। ২৭

**Beautiful Mind Helter than a Fair Complexion**
Kangkon Chetia ।। ২৮

**Deadly weapons that Originated in India**
Chayanika Gogoi ।। ২৯

**G-20**
নিকিতা মৰাণ ।। ৩০

**ছাত্ৰ ৰাজনীতি আৰু সামাজিক দায়বদ্ধতা**
লোপামুদ্ৰা দুৱৰা ।। ৩৩

**The dream of developed Assam**
Tonmoy Jyoti Dowarah ।। ৩৫

**দৈনন্দিন জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ**
পূজাশ্ৰী দেব ।। ৩৭

**অসমক ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে প্ৰতিষ্ঠাৰ সপোন**
জাহ্নৱী দত্ত ।। ৩৯

**ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে অসমক গঢ়ি তোলাৰ সপোন**
চিন্ময় কুমাৰ সন্দিকৈ ।। ৪১

**পৰিৱেশ সুৰক্ষাত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা**
দৃষ্টি হাজৰিকা ।। ৪৩

**Impact of Artificial Intelligence in our daily life**
Pallavi Gupta ।। ৪৪

**Unveiling the Excellence of DHSK College : A Legacy of Education**
Sahil Anseri ।। ৪৬

**নাৰী আৰু বৰ্তমান সমাজ**
লক্ষ্মীপ্ৰিয়া কলিতা ।। ৪৮

**সুন্দৰ আৰু শৃংখলিত সমাজ গঠনত সৃষ্টিশীল সাহিত্যৰ ভূমিকা**
আশাস্মিতা শৰ্মা ।। ৪৯

**ৰমেচৌ**
ভিতালী চিৰিং ।। ৫১

**হে মহান গণিতজ্ঞ, আপোনালোক ধন্য**
প্ৰণামী সন্দিকৈ ।। ৫২

**অৰ্থনৈতিক উন্নয়নত ক্ষুদ্ৰ চাহ খেতিয়কৰ ভূমিকা**
সৃষ্টি কোঁৱৰ।। ৫৩
**মৰাণ জনগোষ্ঠীৰ ৰাতি বিহু**
জ্যোতিস্মৃতা মৰাণ।। ৫৫
**মৰাণ সমাজত এভুমুকি**
নিকিতা মৰাণ।। ৫৭
**ASSAM : Its Culture and Tradition**
Amrita Gogoi।। ৫৯
**The MISHING Community North East India**
Rishma Padun।। ৬১
**दैनिक जीवन मे कृत्रिम बुद्धिमता का प्रभाव**
बिशाल चाह।। ৬৩

## ক.বি.তা.ৰ. কুঁ.কি

**পিতায়ে সহিব নোৱাৰে ডাঙৰীৰ বোজা**
ভাৰতী কলিতা ।। ৬৬
**এজন নিষিদ্ধ মানুহৰ কথাৰে**
চিৰঞ্জীৱ সন্দিকৈ ।। ৬৭
**অগ্নিগড়ৰ উষা তুমি**
পৱন শৰ্মা ।। ৬৭
**বাস্তৱ**
চয়নিকা গগৈ ।। ৬৮
**সময় সলনি হ'ল**
প্ৰিঞ্চি কলিতা ।। ৬৮
**বুকুৰ মাজৰ নাৰী**
নিতুৰাণী গগৈ ।। ৬৯
**জীৱন**
অংকিতা কোঁৱৰ ।। ৬৯
**প্ৰত্যয়**
অনুপ ৰঞ্জন দত্ত ।। ৭০
**শব্দ**
পপী বুঢ়াগোহাঁই।। ৭০
**ফাগুনৰ ধূলিত মোৰ ঠিকনা**
কাঞ্চন মেছ।। ৭১
**হেঁপাহ**
গৌৰভজ্যোতি নেওগ।। ৭১
**এজাক বৰষুণৰ কথা**
কল্লোল দত্ত।। ৭২
**কানৈ কলেজ**
গীতাঞ্জলী চেতিয়া।। ৭২
**বাস্তৱ**
দীপশিখা শইকীয়া।। ৭৩
**চকুলো**
স্নিগ্ধা বৰঠাকুৰ।। ৭৩
**ফাগুন বিলাস আৰু তাইৰ কথাবোৰ**
হিমাশ্ৰী সোনোৱাল।। ৭৪
**কৈ থকা ভাল**
বৰষা ঠাকুৰ।। ৭৫
**নকৰিবি ভয়**
নয়নিকা দত্ত।। ৭৫
**শব্দ**
চায়া বৰুৱা।। ৭৬
**ছবিয়ে কথা কয়**
অংকিতা ভট্টাচাৰ্য।। ৭৬
**তোৰ কোনো অধিকাৰ নাই**
হিমাশ্ৰী গগৈ।। ৭৭
**ৰাধাৰ চকুলো**
প্ৰিঞ্চি কলিতা।। ৭৭
**ক্ষোভ**
শতাব্দী শইকীয়া।। ৭৮
**মা**
স্নিগ্ধা বৰঠাকুৰ।। ৭৮
**আকাশ শুনিছানে...**
নিতুৰাণী গগৈ।। ৭৯
**দিগন্তত বিয়লি**
জাহ্নৱী দত্ত।। ৭৯
**অনাথ**
প্ৰেৰণা গগৈ।। ৮০
**প্ৰজনিকা**
হিমাশ্ৰী গগৈ।। ৮০
**ৰং বিহীন মন**
চায়া বৰুৱা।। ৮১
**ভালপোৱাৰ এজাক বতাহ হৈ**
গৌৰৱ চুতীয়া।। ৮১
**মানুহক মানুহ লাগে**
বৰষা ঠাকুৰ।। ৮২
**নাৰীৰ গান**
চিৰঞ্জীৱ সন্দিকৈ।। ৮২
**বৰ্ণনাতীত অনুৰাগ**
পৱন শৰ্মা।। ৮৩
**জীৰ্ণ**
কল্লোল দত্ত।। ৮৩
**নীৰৱ নিশ্বাস**
জাহ্নৱী দত্ত।। ৮৪
**जिदंगी एक पहेली है**
कविता कोरि।। ৮৪
**हम चाय की वादियो से आते है**
किरण यादव।। ৮৫
**সান্ত্বনাৰ চিঠি**
প্ৰণামী সন্দিকৈ।। ৮৬
**আজিৰ নাৰী**
নীলোৎপল ভূঞা।। ৮৬
**জীৱন্ত-মৰাশ**
দৰ্শনা বড়া।। ৮৭
**বৃদ্ধ বৃদ্ধাৰ কৰুণ কাহিনী**
ৰাজদ্বীপ চক্ৰৱৰ্তী।। ৮৭
**Otherwordly Tales**
Aastha Sinha।। ৮৮
**Morning Delight**
Akash Chetia।। ৮৮
**Society Chains**
Parikhit Saikia।। ৮৮
**Imperfections**
Rashmita Ghosh।। ৮৯
**Mi Amor**
Ritisha Bhadra।। ৮৯
**Frost kissed whispers : A winter's ache for you**
Vargov Saikia।। ৯০
**Our own : Kanoi**
Jyotishman Baruah।। ৯০
**ধৰণী ধুনীয়া**
অদিতি চুঁড়ী।। ৯১

## গ্ৰ • ন্থ • সু • বা • স


**বৰণহীন, আকাৰহীন বৰষুণে বিধৌত কৰা নিকা অন্তৰৰ দলিল ঃ 'চাহেবপুৰাৰ বৰষুণ'**
জাহ্নৱী দত্ত।। ৯২
**"জলছবি"**
নীলোৎপল ভূঞা।। ৯৪
**দেউল**
কৌশিক ৰঞ্জন চেতিয়া।। ৯৬
**মামণি বাইদেউৰ "আধালেখা দস্তাবেজ"**
চিন্ময় কুমাৰ সন্দিকৈ।। ৯৮
**বকুল ফুলৰ দৰে**
নিতুৰাণী গগৈ।। ১০১
**ভোক**
অংকিতা ভট্টাচাৰ্য্য।। ১০৩
**The Alchemist**
Tonmoy Jyoti Dowarah।। ১০৫
**Normal People**
Ritisha Bhandra।। ১০৬
**Book Review on Caste in Indian Politics by Rajni Kothari**
Madhujya Chetia।। ১০৭
**Pride and Prejudice–Jane Austen**
Smita Chakraborty।। ১১০


## গ • ল্প • উ • দ্যা • ন


**দৈনন্দিন**
কল্লোল দত্ত।। ১১৩
**কলেজ এড্‌মিচন**
নয়নজ্যোতি কুৰ্মি।। ১১৫
**অত্যাচাৰ**
নিয়ৰ বৰা।। ১১৭
**এটা সাহসী বীজৰ অঙ্কুৰণ...**
ভাৰতী কলিতা।। ১১৮
**তোমালৈ মোৰ প্ৰথমখন চিঠি**
নিশিতা কোঁৱৰ।। ১২১
**ন-বোৱাৰী**
বৰষা ঠাকুৰ।। ১২২
**সংগ্ৰাম জীৱনৰ মূলমন্ত্ৰ**
শতাব্দী শইকীয়া।। ১২৪
**ৰহস্যৰ আখলত জীয়া বাস্তৱ**
বৰষা দত্ত।। ১২৭
বাস্তৱো এক সপোন
হিমাশ্ৰী গগৈ।। ১৩০
ধনৰ মাক
চিৰঞ্জীৱ সন্দিকৈ।। ১৩২
বিশ্বাসঘাতক
কিশোৰ বৰ্মন।। ১৩৪
বজ্ৰপাত
চানদ্বীপ গগৈ।। ১৩৭
আধা লিখা সপোনবোৰ
লোপামুদ্ৰা দুৱৰা।। ১৪০
ঘড়ীতো ক'লৈ গ'ল?
কবিতা কৈৰি।। ১৪২
দৃষ্টি
চায়া বৰুৱা।। ১৪৩
নিলাঞ্জনা
গীতাঞ্জলী চেতিয়া।। ১৪৫
**Illusion or Gospel**
Smita Chakraborty।। ১৪৭


## জী • ৱ • নু • বৃ • ত্ত


শিক্ষাবিদ ভীমকান্ত কোঁৱৰৰ জীৱনপঞ্জী
সংগ্ৰাহক ঃ লক্ষ্মীপ্ৰিয়া কলিতা।। ১৫০
**Padmashri Indira Miri : A visionary and Changemaker from Assam**
Ananya Dutta।। ১৫২


## চলচ্চিত্ৰ সমালোচনা


**The Namesake Movie** –Director- Mira Nair
Smita Chakraborty।। ১৫৫


## অ • নু • গ • ল্প


**পৰিভাষা**
আকাশ উদয়।। ১৫৮
**উপদেশ**
বৰষা দত্ত।। ১৫৮

চেলফী
কৌশিক ৰঞ্জন চেতিয়া।। ১৫৯
সপোন
ভাৰতী কলিতা।। ১৫৯
এটা কাল্পনিক চিত্ৰ
বৰষা ঠাকুৰ।। ১৬০
তৰাৰ দেশলৈ বুলি...
পপী বুঢ়াগোহাঁই।। ১৬০
প্ৰতিবিম্ব
বিপ্লৱ খনিকৰ।। ১৬১
মানুহ
অনুপৰঞ্জন দত্ত।। ১৬১
বুলিমিয়া
অংকিতা ভট্টাচাৰ্য্য।। ১৬২
অন্তিম
চিৰঞ্জীৱ সন্দিকৈ।। ১৬২
এটি সৰু সপোন
লোপামুদ্ৰা দুৱৰা।। ১৬৩
সন্ধান
নয়না সোনোৱাল।। ১৬৩
**Traveler Finds Cursed Relic**
Parikhit Saikia।। ১৬৪
**To Love Again**
Ritisha Bhadra।। ১৬৪
**A Nordic Unfathered**
Akash Chetia।। ১৬৫
উচিত নহয়
শতাব্দী শইকীয়া।। ১৬৫
**The Girl Next Door**
Smita Chakraborty।। ১৬৬
**She is Sane**
Rashmita Ghosh।। ১৬৭

## না . ট . ক

তমোঘ্নৰ সিটো পাৰে
মন্মথ ভূএগ্ৰা।। ১৬৮
তেখাও লেইমা
নাট্যকাৰ ঃ চিৰঞ্জীৱ সন্দিকৈ।। ১৭৩

## ভ্ৰমণ বিলাস

যুৱ মহোৎসৱলৈ গৈছিলোঁ
পংকজ দত্ত।। ১৮০

## সাক্ষাৎকাৰ

বিশিষ্ট সত্ৰীয়া শিল্পী তথা গৱেষক
শ্ৰীযুতা মীনাক্ষী গগৈৰ সৈতে এক চমু বাৰ্তালাপ
সাক্ষাৎকাৰ গ্ৰহণকৰোঁতা ঃ চিৰঞ্জীৱ সন্দিকৈ।। ১৮৩

## নীলা খামৰ চিঠি

প্ৰিন্সী কলিতা।। ১৮৬
অভিলাষা বৰা।। ১৮৭
স্নেহা কলিতা।। ১৮৮
দৰ্শনা বড়া।। ১৮৯
লিজা খনিকৰ।। ১৯০
অনন্যা দত্ত।। ১৯১

## অতিথি লেখকৰ একলম

মানৱতা, সংহতি আৰু সুস্থ চেতনাৰ প্ৰতীক হাচান ছৰিফ আহমদ
ড° বিনোদ চন্দ্ৰ বড়া।। ১৯২
কৱিতা শিক্ষাদান ঃ লক্ষ্য-উদ্দেশ্য আৰু শিক্ষণ পদ্ধতি সম্পৰ্কে যৎকিঞ্চিত আলোচনা
বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই।। ১৯৬

সামাজিক মাধ্যম আৰু যুৱ-প্ৰজন্ম
কৰবী গগৈ।। ২০২
**Legend, Legitimization and the Varman Dynasty**
Jugal Kishor Gogoi।। ২০৪
**Is AI being used ethically?**
Sulangki Gogoi।। ২০৭



# সম্পাদকীয়

## যুদ্ধ আৰু শান্তি ঃ এক মানৱীয় সংকটৰ প্ৰতিকাৰৰ সন্ধানত...



War is neither glamorous nor attractive. It is monstrous. Its very nature is one of tragedy and suffering. War is like a fire in the human community, one whose fuel is living beings.

*–Dalai Lama*

মানৱ সভ্যতাৰ উত্তৰণৰ লগে লগে মানুহে নিজৰ সৃজনশীলতা আৰু বুদ্ধিমত্তাৰ সহায়ত জগতত মহান পৰিৱৰ্তন সাধনৰ বাবে নানা বিস্ময়কৰ বস্তুৰ আৱিষ্কাৰ কৰিলে আৰু তাৰেই সুবাদত আমি এখন আধুনিক পৃথিৱীত সভ্য নাগৰিক হিচাপে জীয়াই থাকিবলৈ সক্ষম হৈছোঁ। কিন্তু মানুহে এই আৱিষ্কাৰ আৰু উত্তৰণৰ পথত এনে কিছুমান বস্তুৰ আৱিষ্কাৰ কৰিলে, যিবোৰ মানৱতাৰ বাবে মংগলজনক কদাপিও নহয়। তাৰেই অন্যতম হ'ল যুদ্ধ আৰু অপমৃত্যু। ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা মানৱ সভ্যতাত যুদ্ধৰ সাক্ষ্য পোৱা গৈছে। সেয়া লাগিলে প্ৰাচীন গুহাচিত্ৰত অংকিত আদিম মানৱৰ সংঘাত কিম্বা ৰামায়ণ-মহাভাৰতত বৰ্ণিত মহাকাব্যিক যুদ্ধ অথবা ইলিয়াডত উল্লেখিত বিখ্যাত ট্ৰয়ৰ যুদ্ধই হওক। সুৰক্ষা, লোভ, প্ৰতিহিংসা, প্ৰতিৰোধ বা বিৰোধ অনেক কাৰণত যুদ্ধ সংঘটিত হোৱাৰ কথা ইতিহাসৰ পাতে পাতে লিপিৱদ্ধ হৈ আছে আৰু দুৰ্ভাগ্যজনকভাৱে সাম্প্ৰতিক কালতো আমি এই যুদ্ধৰ বিভীষিকাক স্বচক্ষে পৰ্যবেক্ষণ কৰিছোঁ। যুদ্ধ যিকোনো কাৰণতে নহওক কিয়, যুদ্ধই সদায় কঢ়িয়াই আনে বিভীষিকা, মৃত্যু, আৰ্তনাদ, ভয়-শংকা, সন্ত্ৰাস, অত্যাচাৰ আৰু পতন ঘটাই মানৱীয় মূল্যবোধৰ। প্ৰাগ-ঐতিহাসিক, প্ৰাচীন অথবা মধ্যযুগত হোৱা যুদ্ধসমূহৰ কথা আমি আলোচনা কৰোঁতে এক শিথিল দৃষ্টিভংগী অৱলম্বন কৰো, কাৰণ এই সময়ত মানৱ সমাজে এক বিকাশৰ পথত আছিল আৰু মানৱ অধিকাৰ, ন্যায়, সমতা আদি বিষয়সমূহ ভালদৰে বিকশিত হোৱা নাছিল। তথাপিও আমি কোনো কাৰণতে কোনো কালতে সংঘটিত হোৱা হিংসাত্মক ঘটনাৱলী যুক্তিসংগত বা উচিত বুলি ক'ব নোৱাৰো বা ক'ব নোখোজো। ঠিক তেনেদৰেই আজিৰ সমাজত,আজিৰ আধুনিক পৃথিৱীত যিসমূহ



যুদ্ধৰ সূত্ৰপাত ঘটিছে অথবা হিংসাত্মক ঘটনাৱলীৰ উন্মেষ হ'বলৈ লৈছে সেয়া মানৱীয় দৃষ্টিভংগীৰে বা ন্যায় আৰু সমতা আদি মূল্যবোধৰ দৃষ্টিভংগীৰে আমি যিকোনো কাৰণতে উচিত বুলি ক'ব নোৱাৰো আৰু ইয়াক প্ৰযোজ্য বুলিও বিবেচনা কৰিব নোৱাৰি।

ধনতন্ত্ৰবাদৰ উত্থানৰ লগে লগে যুদ্ধ হৈ পৰিছে এক ব্যৱসায়ৰ দৰে। পৃথিৱীৰ আটাইতকৈ লাভজনক ব্যৱসায়টোৰে হৈ পৰিছে যুদ্ধ আৰু ইয়াৰ সন্ত্ৰাস। আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ইজৰাইল, ফ্ৰান্স, চীন আদি দেশে অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ কৰি তাৰ বেপাৰ বাণিজ্যৰ দ্বাৰা বিশাল অৰ্থনীতি গঢ়ি তুলিছে। আমাৰ দেশ ভাৰতবৰ্ষৰ লগতে বহুতো উন্নয়নশীল আৰু অনুন্নত দেশে নিজৰ সুৰক্ষাৰ স্বাৰ্থত দিনক দিনে নিজৰ সামৰিক শক্তি বৃদ্ধি আৰু অস্ত্ৰ-শস্ত্ৰৰ আমদানিকৰণ কৰিছে।

তদুপৰি দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তীকালত পাৰমাণৱিক শক্তিৰ অধিকাৰী হ'বৰ বাবেও এক অঘোষিত প্ৰতিযোগিতা শক্তিশালী ৰূপত চলি আহিছে। যুদ্ধৰ নেপথ্যৰ কাৰণবোৰ ফঁহিয়াই বিশ্লেষণ কৰিলে হয়তো এখন বিয়াগোম গ্ৰন্থৰ ৰচনা কৰিব পৰা যাব আৰু লিপিৱদ্ধ হৈ ৰ'ব মানৱতাৰ পতনৰ কৰুণ গাঁথা। যুদ্ধত প্ৰকৃততে জয়-পৰাজয় নাথাকেই, থাকে কেৱল মৃত্যু আৰু আৰ্তনাদ। যি পক্ষৰ ভাগত মৃত্যুৰ সংখ্যা কম সেই পক্ষই মিছাতে পাতে বিজয়োল্লাস, কাৰণ জয়ী পক্ষৰতো সৈনিক শ্বহীদ হয় যুদ্ধৰ নামত, মচি দিয়ে সধৱাৰ শিৰৰ সেন্দূৰ, অনাথ হয় শিশু, আঘাতপ্ৰাপ্ত হয় দেশৰ অৰ্থনীতি আৰু থাকি যায় পাহৰিব নোৱাৰা তেজেৰে লিখা কিছু ইতিহাস!

কিন্তু প্ৰশ্ন হয় যুদ্ধৰ কি অন্ত নাই? অন্ত নাই নেকি ধ্বংসমুখী শক্তিবাহিনীৰ? হয়তো আছে, নিশ্চয় আছে সেইবাবে যুদ্ধৰ বিপৰীতে আছে শান্তিৰ পথ, সমৃদ্ধিৰ পথ। ভগৱান বুদ্ধ, যীশুখ্ৰীষ্ট, মহাত্মা গান্ধী, নেলচন মেণ্ডেলা আদিয়ে প্ৰমাণ কৰি থৈ গৈছে হিংসাৰ যৱনিকাৰ সিপাৰে আছে অহিংসাৰ পোহৰ আৰু বিধ্বস্ততাৰ বিপৰীতে শান্তিৰ সুবাস। কেৱল প্ৰয়োজন আত্মমন্থনৰ। যেতিয়াই ব্যক্তিয়ে অবিশ্বাস, অহংকাৰ আৰু লোভ সামৰিব পাৰিব তেতিয়াই ব্যক্তিৰে গঠিত ৰাষ্ট্ৰযন্ত্ৰও হৈ পৰিব শান্তিময়। আজি ভাৰতে বিশ্বজনীন নিৰস্ত্ৰীকৰণৰ যি পথ বিশ্ববাসীক দেখুৱাবলৈ বিচাৰিছে সেই পথ বাস্তৱায়িত কৰিব পাৰিলে নিশ্চয় যুদ্ধৰ বিভীষিকাৰ অন্ত পৰিব। ৰাষ্ট্ৰসংঘৰ দৰে বহুৰাষ্ট্ৰীয় সংস্থাসমূহৰ যোগেদি যদি ৰাষ্ট্ৰসমূহে একত্ৰিত হৈ বিকাশ আৰু সৰ্বাংগীণ উন্নতিৰ পথেৰে আগুৱাই যাই যুদ্ধ সম্পূৰ্ণৰূপে নিৰ্মূল নহ'লেও তাৰ ভয়ংকৰী প্ৰভাৱৰ পৰা মানৱতাই ক্ষণিক হ'লেও সকাহ পাব আৰু অংকুৰিত হ'ব এখন নতুন পোহৰৰ পৃথিৱীৰ বীজ। যি বীজক নৱপ্ৰজন্মই ৰূপ দিব ঐক্যতাৰ মহান বটবৃক্ষৰ আৰু তাৰ ছাঁতেই জিৰণি ল'ব সভ্যতা, সংস্কৃতি আৰু মানৱতাই। আমাৰ যুদ্ধ হওক ক্ষুধাৰ বিৰুদ্ধে, দৰিদ্ৰতাৰ বিৰুদ্ধে নতুবা অশিক্ষা অথবা পুৰণিকলীয়া কুসংস্কাৰ আৰু বৈষম্যৰ বিৰুদ্ধে। শেষত পৃথিৱীৰ প্ৰতি কোণে কোণে শান্তিৰ চৰাইযুৰি উৰি যাওক আৰু বিলাওক ভালপোৱাৰ, কৰুণাৰ সুৰ তাৰেই কামনাৰে এফাঁকি বেদমন্ত্ৰেৰে কলম সামৰিছোঁ—

ওঁ সহনাববতু, সহনৌ ভুনক্তু, সহ বীৰ্যং কৰবাবহৈ।
তেজস্বীনাবধীতমস্তু, মা বিদ্বিষাবহৈ ।।
ওঁ শান্তিঃ, ওঁ শান্তিঃ, ওঁ শান্তিঃ।।—তৈত্তিৰীয় উপনিষদ

**লক্ষ্মীপ্ৰিয়া কলিতা**
সম্পাদক, কানৈয়ান।

# Green Movement of DHSK College

**Dr. Sashi Kanta Saikia**
Principal

*"Dibrugarh Hanumanbax Surajmall Kanoi College (A grade by NAAC) cleans the college premises daily from 5 am. The college has been conducting this cleanliness campaign continuously for the last 8 years. This cleanliness campaign is very commendable and I would like to congratulate the DHSK College family for it."*

–**Dr. Ranoj Pegu**
Education Minister, Assam
(29.06.2023)

With its glorious existence of 78 years DHSK College has already earned fame NAAC 'A' Grade College with the full cooperation of the President and the members of the Governing Body, faculty members, staff and students, Green Audited College, Clean College, Best Disciplined College and Clean College of Assam. DHSK College has received the 2nd Best Clean College award in the country from the Ministry of Drinking Water and Sanitation in Rashtriya Swachhwa Bharat Puraskaar -2017 and Swachhata Award from Dibrugarh District Administration in 2018 and consecutive three times Best Disciplined College Award in Dibrugarh University Youth Festival in 2020, 2022 and 2023 and 'Clean College of Assam' award from Dibrugarh Nagarik Mancha. Honour of 'Clean College' by Nehru Yuva Kendra, Dibrugarh Branch felicitated the college for its contribution to the field of Swacchata and along with that the college has also received the ISO-9001: 2015 certificate for high quality education. Dibrugarh district administration organised Dibrugarh District Day on 2nd October 2022 after 51 years. On that occasion the Deputy Commissioner Mr. Biswajit Pegu in the presence of Rameswar Teli, Minister of State in the Ministry of Petroleum and Natural Gas of India, distinguished litterateur Dr. Nagen Saikia, Prasanta Phukan, MLA, Dibrugarh LAC and other distinguished personalities felicited me, for the upgradation of administrative, academic and technological sectors along with maintaining green and clean environment. I feel proud for that unpredictable achievement. To create green energy college family save the electricity as a part of green energy 40-kilowatt solar energy electricity is used. In addition to that 600-watt solar energy electricity is used in the front side of the college. Work is in progress towards 100 % green energy in phased manner.

DHS Kanoi College is a college in which the nature comes to life in the 5.00 clock early or sometimes before 5 am in the morning. The boarders of girls' and boys' hostels are cleaning the campus in the early morning, which is a rare picture to be seen in the colleges of Assam. NCC & NSS is also equally involved in the cleanliness

drive. This cleanliness movement started with the formation of Green Club at the college campus in June 2015. The process of cleanliness and green environment inside the college campus is so systematically brought forward that this movement of cleanliness is now rooted in the minds of all the students of DHS Kanoi College.

Green Club is one of *'Sanjivani Sakti'* for the college. The main purpose of Green club is - to clean the campus and all toilets of the campus, to maintain cleanliness everywhere, to plant varieties of trees inside the campus and maintain greenery, beautification of the campus by planting various flower plants, to protect the environment inside the campus by means of green audit, to educate each and every visitor about the green environment and to organise lectures, talks on environment protection, to keep the campus clean by systematic cutting and trimming of trees. Specially along with other activities the members of green club feels very satisfied by cleaning the faculty and student toilets of the campus. Others probably would not be able to feel this joy and inner satisfaction. At this point it is necessary to mention the names of members of green club. As a Principal of the college myself reach college at 5.00 'O' clock in the morning. The other members are - Debaru Bhuyan, Ranjit Bairagi, Anupam Dutta, Nitul Dutta, Krishna Kanta Pao, Chandra Handique Sanjay Baishya, Manoj Sharma Deepjyoti Phukan, Chandreswar Dutta, Hemanta Das, Purneswar Das. Jyoti Chetia, Putali Borah, Khagen Phukan, Bonjit Deka, Milinda Mann, Anil Singh, Meetali Chetia, Sewali Phukan, Siva Tanti, Jyoti Gogoi, Jesima, Dimpi Haloi. Sometimes come to this college railway officers Anupam Mahanta, ex student Dilip Singh, Socially active person Uma Sharma early morning and participate with cleaning activity. They all involved to cleaning the college campus. I as a Principal of this college appreciate all of them for their devoted and hard work. Under the initiative of green club along with other plants and trees a beautiful lemon garden is also being developed. Along with this, fish and duck farming is also being done. Chicken farming is also under process.

With the sole purpose of maintaining greenery and cleanliness within the college campus Green Club was formed in 2015 and in the past years this club is working towards the development and beautification of the campus. In this connection two books have already been published by the names of 'DHSK College Green Campus' and 'Handbook of Plant Species Diversity of DHSK College' (published by the department of botany, DHSK College). In the history of Assam DHS Kanoi college is definitely setting an example by publishing such kind of books. This is probably the first time when DHS Kanoi College is receiving awards for its activities towards Swachhata. The college is being able to receive the second-best award from the Ministry of Drinking Water and Sanitation by making a short film on swacchata by the NCC team of the college. In this regard the NCC members of the college definitely deserves big salute. NCC cadets are like flowers of the college garden. They have worked hard to achieve an award at national level, which was not an easy task. Along with the NCC cadets, all the students of the college are working hard to bring name and fame to the college. As a part of this effort, Nalbari Regional Students Union has felicitated the DHSK College with Best Disciplined College, and also the efforts of the students brought three times best disciplined college Award to DHSK College in Dibrugarh University Yuva Mahotsav. Actually this is the result of hard work, painstaking labour of a group of meritorious and visionary students along with perfect planning. As a Principal of

with
ollege
leanliness
e college
rward that
rooted in
HS Kanoi

vani Sakti'
Green club
ilets of the
rywhere, to
ampus and
the campus
protect the
means of
very visitor
to organise
tection, to
cutting and
with other
ib feels very
and student
bably would
satisfaction.
on the names
incipal of the
00 'O' clock
are - Debaru
Dutta, Nitul
dra Handique
a Deepjyoti
emanta Das,
Putali Borah,
Milinda Mann,
ewali Phukan,
Dimpi Haloi,
ailway officers
Dilip Singh,
Sharma early
aning activity.
the college

campus. I as a Principal of this college appreciate all of them for their devoted and hard work. Under the initiative of green club along with other plants and trees a beautiful lemon garden is also being developed. Along with this, fish and duck farming is also being done. Chicken farming is also under process.

With the sole purpose of maintaining greenery and cleanliness within the college campus Green Club was formed in 2015 and in the past years this club is working towards the development and beautification of the campus. In this connection two books have already been published by the names of 'DHSK College Green Campus' and 'Handbook of Plant Species Diversity of DHSK College' (published by the department of botany, DHSK College). In the history of Assam DHS Kanoi college is definitely setting an example by publishing such kind of books. This is probably the first time when DHS Kanoi College is receiving awards for its activities towards Swachhata. The college is being able to receive the second-best award from the Ministry of Drinking Water and Sanitation by making a short film on swacchata by the NCC team of the college. In this regard the NCC members of the college definitely deserves big salute. NCC cadets are like flowers of the college garden. They have worked hard to achieve an award at national level, which was not an easy task. Along with the NCC cadets, all the students of the college are working hard to bring name and fame to the college. As a part of this effort, Nalbari Regional Students Union has felicitated the DHSK College with Best Disciplined College, and also the efforts of the students brought three times best disciplined college Award to DHSK College in Dibrugarh University Yuva Mahotsav. Actually this is the result of hard work, painstaking labour of a group of meritorious and visionary students along with perfect planning. As a Principal of





this college I guided by all the stockholders and all are doing with responsibility and dedication.

Along with the members of the green club and the students associated with green club, the SOFEC; an association formed with the teachers of the college is also contributing their part towards the activities of Green Club. Again, the Dibrugarh District Administration must be thanked for encouraging the college in its efforts towards maintaining swacchata by awards and honours to the college. The Director of Secondary Education Dr Phanindra Jidung himself inspired the members of green club with his presence and a number of district magistrates and sub-divisional magistrates gave inspiration to the members of green club which will always be written in golden letters in the history of DHSK College. Green club is silently involved in this swacchhata movement and it is supported by the members of DC boys' hostel and DHSK College Girls' Hostel. Since 5 am in the morning the members of green club and the boarders of two hostels are contributing towards cleanliness of the college; without their support it would have never been possible to maintain the green movement in the campus. Now everyone has started praising the swacchata activities of the college and this fragrance of good work is not confined to the nation only but has spread to the corners of the world. Green club is the *'Sanjivani Sakti'* behind this fame that has spread to the world.

There is no Holidays, Sundays, Corona, Summer or Winter for the members of green club and for the boarders of the hostels when it comes to the cleaning of the campus. Leaving aside all the holidays and vacations green club members reach the college campus at 5 am in the morning and start their daily routine of maintaining the greenery and cleanliness of the college campus. The main motto of the green club is "No Sunday, No holiday, No summer, No winter, No December, No January, No Hot, No Cold, No Rain, and No



...There is no Holidays, Sundays, Corona, Summer or Winter for the members of green club and for the boarders of the hostels when it comes to the cleaning of the campus. Leaving aside all the holidays and vacations green club members reach the college campus at 5 am in the morning and start their daily routine of maintaining the greenery and cleanliness of the college campus....

Corona." No one has any regrets, envy or anger for anyone, only everyone is busy in doing their job. The green club has already completed more than 3500 days. Probably we would not be able to find such spirit anywhere in the entire country. Due to such great works a healthy environment of learning is being developed among the students of the college. Due to this huge awareness developed among the students regarding maintaining cleanliness, they are now well aware of their responsibilities towards society along with doing their regular studies. We believe that only formal education is not enough to develop a person as a good human being, there are other things in life, knowledge of which is very necessary to build a good human being. It is a matter of great pride for the institution that the students learn here the lessons of cleanliness, health and environment along with their regular studies. Every year more than three thousand students admitted in this institution and able to spread this good work to different parts of the world. After being a part of the swacchata activities of the college, the students start working on their own in this field and they seem to be very active in social media to develop awareness on cleanliness, which proofs their positive attitude towards this issue.

Due to such positive efforts the Dibrugarh District Employees Association honoured me the title 'Karmasurrya', presented by then Chief Minister of Assam Sarbadnanda Sonowal. For various Social activity More than 100 organisations from in and outside of the country felicited along with title of 'Dibru Hitoishi', 'Dinabandhu', 'Paramananda Manab Sewa Ratna Award', Hasan Sarif Ahmed Sammanoy Award, Best Principal Performance Award, Best Rural Journalist Award, Best Educationist Award, Education Excellency Award, Peace Ambassador Award, Seuji Pragjyotish Sanman, Seuj Ratna Award, Academic Leadership Award-2023, 'Asom Gaurav Bota-2023', Dr. B. R. Ambedkar National Award. This felicitation and awrad inspired me to do the best work in future. Basically inspiration is a power to work more and more. I thanked who gave me such type of awards and honours and inspiration.

DHS Kanoi College has adopted five villages namely-Lahowal Bebejia Gaon, Tengakhat Borbam, Borbari Gaon, Charaibahi Mishing Gaon, Borbill Chawlkhowa Mishing Gaon and Bogibeel Nepali Gaon. Hilodhari Chandopathar Gaon is adopted by the NSS Unit of the college; and the college is working towards maintaining greenery and cleanliness in these villages. Already NSS unit has planted more than three hundred trees in the Hilodhari Chandoipathar village. Parallelly to the silent movement of Green Club, the other clubs and centres of the college such as Eco Club, Yoga Club, environment cell etc. are also contributing to this cleanliness movement by creating mass awareness in and outside the campus towards maintaining greenery, cleanliness and pollution free environment. These clubs are playing important role in making this environment movement more vibrant, dynamic and strong. Green Club has presented 'Dimbeswar Chaliha Memorial Green Club Award' to 'Orchid Man of Assam' Khyanjit Gogoi and prominent nature lover Gautam Bordoloi. A Memorandum of Understanding has been signed with the Orchid Society of Eastern Himalayas for the conservation of orchids in the college campus.

Let us join hands together to spread this unique movement of love for nature, green environment and environment safety from the campus of DHSK College to different parts of the world. I again thanked to all devoted Green Club members, Girls' & Boys' Hostel boarders and active public too.●●




# D.H.S.K. College, Dibrugarh

## Chronicle of some of the important events

**Dr. Pallabi Gogoi**

Establishing a college at Dibrugarh before 77 years was a herculean task. Overcoming all the odds the strong will power and efforts of Educationists like Ashwini Charan Choudhury and the visionary leaders Dr Jogiraj Basu and Dr Lakhi Prasad Dutta a college in Dibrugarh became a reality in the year 1945 . Some of the important events form the history of opening of prestigious DHSK College (originally Dibrugarh College) is summarised below–

The first news regarding preparation towards opening a college in Dibrugarh was published in Times of Assam in 19th May 1945.

On 28th May 1945 a public meeting was held at George Institute under the presidentship of Raisaheb B Rajkhowa to establish an intermediate Arts College. One of the convenors Ashwini Charan Choudhury strongly demanded for establishing such a college in Dibrugarh. The distinguished members of the society the then principal of Earle Law College S K Dutta and N Bordoloi, D Mukherjee, J R Basu, G R Phukon etc. supported the idea and appealed for everyone's cooperate in establishing a college in Dibrugarh. The relentless efforts of Ashwini Charan Choudhury with the cooperation of a group of selfless, philomath youth the idea of opening a college in Dibrugarh became a reality in 15th June 1945.

In the meeting of 28th May 1945 the first governing Body for the college was formed and the meeting nominated Sri I Majid, ICS, DC as president and Raibahadur S Duwarah , Raibahadur Phanindra Nath Ghosh, former minister Naba Kumar Dutta, retired EAC Raisaheb Benudhar Rajkhowa, Raibahadur Rameswar Lal Saharia, ex member of APSC Faiznur Ali, president of Dibrugarh Municipality Jalaluddin Ahmed, Jogiraj Basu, Muzibur Rahman, D P Das, Ganesh Ram Phukon, tea planter Nandeswar Chakraborty, Prasanna Kumar Boruah, Gobinda Chandra Sarmah, Murulidhar Jalan, and Ashwini Charan Choudhury as members of the body. Ashwini Charan Choudhury was entrusted the responsibility of the secretary of College Governing Body. That governing body decided to fix the rules and regulations of the college. All total six resolutions were taken in the meeting.

The first sitting of College Governing Body was held in 14th June 1945 at 5pm at the George Institute. Raisaheb B Rajkhowa was the

president of the first meeting. In that meeting total nine resolutions were adopted and the first of them was to appoint Raisaheb Sadananda Duwarah as president of Governing Body. A subcommittee was formed with Jogiraj Basu, G.C. Sarmah and G.R. Phukon to formulate the policies related to the college.

The second governing Body meeting held on 23rd June 1945 formed the first fund collection committee with Rai Bahadur S Duwarah, Raibahadur Dr. P N Ghosh, Raisaheb B Kadwa and Babu Ranglal Khemani as the members of the committee. In the same meeting tea planter Nandeswar Chakraborty was appointed as treasurer.

In the next meeting Hanumanbax Kanoi offered 10 thousand rupees for the construction of college library. The president and the treasurer decided to maintain the account by opening an account by the name of Dibrugarh College Library Fund in Dibrugarh Imperial Bank.

The meeting held on 7th August 1945 entrusted the responsibility of affiliation of the college under Calcutta University to principal Jogiral Basu and S. K Dutta, principal Earle Law College. As the examination for the first batch was to be conducted by 1947, Ashwini Charan Choudhury was given additional responsibility in this regard.

The meeting held on 7th September 1945 decided to write a letter to the Chairman, Dibrugarh Municipality Board requesting for a plot of land (the land where the college is now situated) in the name of college. The land was then waste land of the Dibrugarh Municipality.

In the meeting of 25th April 1946, it was decided to advertise in the newspaper for the teachers in the subjects English, logic. Civix, History, Maths, Parsi and Arabic.

In the governing Body meeting of 28th June 1946, the following teachers were given appointment:

Jogiraj Basu(Triple MA) as the Principal of the college, Nirmal Kumar Basu(MA. BL) for Civix, Umaprasanna Dey (MA) for English, Lakhiprasad Dutta (MA, BL) for History, M. K. Chakraborty (MA) for Logic, Benudhar Rajkhowa (BA) for Assamese, K L Ramakrishnan for Maths and Nekibur Rahman (MA) for Parsi. It was decided to give 100 rupees per month remuneration to the teachers and 150 rupees for the principal. The principal Jogiraj Basu took the responsibility to teach English and Sanskrit.

Sarbeswar Goswami was appointed as Mathematics teachers with effect from 1st September as per the resolution of Governing Body held on 7th September 1946.

The Governing body meeting of 18th June 1947 took a decision to open Commerce stream. The meeting also discussed the matter of using the Berry White Medical School building for science stream.

The governing body of 21st September 1960 placed the proposal of transforming the commerce section to an independent commerce college.

The governing Body meeting held on 3rd July 1947 appointed Ashwini Charan Choudhury as Librarian w.e.f. 1st August 1947.

In the meeting of 11th September 1949, a committee was formed with L Boruah, J R Phukon, S Duwarah (President), J R Basu (Principal), P N Ghosh and Faiznur Ali to approach District Commissioner for cooperation regarding a building for opening the science stream.

The governing body meeting of 15th October 1960, under the presidentship of Sri Hanumanbax adopted a resolution for seeking

permission from government of Assam as well as the UGC for starting a university. Such this Institution had a major hand in establishment of Dibrugarh University in 1965.

**Departments and Courses:**

Since 1959-60 all the classes for arts, science and commerce started commencing in the new building. There was an evening shift for the arts section. Initially, Commerce classes were being conducted in the evening shift only. Degree course for science stream were started from 1960-61session only. Physics, Chemistry and Mathematics departments were started first. After that in 1964-65 Botany and Zoology and later on Anthropology degree course started. A Condensed Biology Course was conducted in evening shift for the medical students, those who did not study biology in the intermediate course. With the request of Assam Medical College a pharmacy course was also conducted for 50 students. In 1962 the Economics department was split into Economics and Political science department.

Now the college has 20 departments. Post Graduate course in English is being provided since 2016-17 session under Dibrugarh University. Since 2020 Mathematics and Anthropology departments are also offering master degree courses with the affiliation from Assam Science and Technology University(ASTU). In the year 2022 another three departments Assamese, Zoology/Botany (Life Science) and Physics departments got affiliation under Dibrugarh University for opening PG Courses. Considering the demands of present generation the college is also offering Bachelor of Computer Science (BCA) course under Dibrugarh University.

**NCC Building and Auditorium**

The college celebrated its Silver Jubilee during 1970-71 academic session. Some days after the silver jubilee celebration an **NCC building** was constructed with a fund of fifty thousand received from the state government and some fund of the college of its own.

In 1975-76 Surajmall Kanoi constructed an **auditorium** in memory of his deceased son Lalchand, which was inaugurated by then Central Education minister Nurul Hasan on 5th July 1975.

In 1954 a branch of National Cadet Corps was opened in Kanoi College, which was named as Armoured Squadron. At that time Kanoi college was first among the North Eastern states to open a branch of NCC.

**Hostels:**

Since 1948-49 hostel facility was made available for students from far flung areas in rented house. In that same year Jatindranath Duwarah joined as a teacher of Assamese and he was also appointed as the hostel superintendent. The construction of the present building of girls' hostel was completed on 3rd April 1958. The fund for the girls' hostel was collected from 46 different organizations and individuals. The vice principal Lakhiprasad Dutta became the first superintendent of the hostel. But after some time, teacher Lakhida Dutta was appointed as the superintendent of girls' hostel. Maya Dutta was the first matron of Girls' Hostel. With the aim of providing comfortable stay with all the modern facilities, under the initiative of present principal Dr. Sashi Kanta Saikia the college has started construction of an ultra-modern hostel building for the girls' and the foundation stone of the building was laid by the MLA of Dibrugarh Mr Prasanta Phukon on 10th December 2020.

(The above write up is a compilation of data and information from various articles published in- 1. Anirvan: the souvenir of DHSK College Alumni Association, published on the occasion of the Alumni Meet-2013. 2. "Adhyakhyar Akolom" from principal Dr. Sashi Kanta Saikia in Kanoian 2018-19, the annual publication of DHSK College. ●●

# সাম্প্ৰতিক বিশ্বত মহাত্মা গান্ধীৰ নীতিৰ প্ৰাসংগিকতা

## (Relevance of Mahatma Gandhi's Principles in today's world)

কমল নয়ন দত্ত

**অৱতৰণিকা ঃ** দৈনিক বাতৰি কাকতখন মেলি চালেই আমাৰ ৰাজ্যখনত, দেশখনত নতুবা বিশ্বৰ বিভিন্ন কোণত সংঘটিত হৈ থকা ঘটনাসমূহৰ আমি এটা ধাৰণা কৰি ল'ব পাৰোঁ। কিন্তু দুখৰ বিষয় এইয়ে যে সাম্প্ৰতিক বিশ্বত ঘটি থকা ঘটনাসমূহে সভ্য সমাজক বৰ বেছি আনন্দিত কৰিব নোৱাৰে। কাৰণ, দুৰ্ভাগ্যজনকভাৱে আজি মানৱ সমাজত ভাল ঘটনাতকৈ বেয়া ঘটনাৰ, আদৰণীয় কামতকৈ নিন্দনীয় কামৰহে পয়োভৰ ঘটা দেখিবলৈ পোৱা গৈছে—সেয়া লাগিলে আমাৰ দেশতেই হওক নতুবা বিশ্বৰ আন কোনো প্ৰান্ততেই হওঁক। অৱশ্যে বিশ্বৰ বিভিন্ন কোণত হৈ থকা সৃষ্টিশীল কৰ্মবোৰক আমি যদিও নুই কৰিব নোৱাৰোঁ, তথাপি পাৰিসাংখ্যিকভাৱে বিশ্লেষণ কৰিলে আমাক হতাশ কৰা ঘটনাবোৰেই বেছি। অৰ্থাৎ, প্ৰযুক্তিৰ উচ্চ শিখৰত আৰোহণ কৰা বুলি আত্মগৌৰৱত বিভোৰ হৈ থকা মানৱে আজি নিজৰ সামাজিক পৰিস্থিতি ধৰি ৰখাত ক'ৰবাত নহয় ক'ৰবাত যেন বিফল হৈছে।

আজি আমাৰ চাৰিওফালে ঘটনা প্ৰৱাহলৈ মন কৰিলে, আমাৰ চকুত কি পৰে? ধৰ্মৰ নামত ৰাজনীতি, ক্ষমতাৰ লোভত ৰাজনীতি, তথাকথিত ধৰ্ম প্ৰতিষ্ঠাৰ নামত বিভিন্ন ধৰ্মৰ মাজত হিংসা-সংঘাতৰ চূড়ান্ত ৰূপ, স্বাধীনতা (?)ৰ নামত নিৰীহ জনতাৰ তেজেৰে ফাকু খেল, তৃতীয় এখন বিশ্বযুদ্ধক হাত বাউলি দি আধিপত্য বিস্তাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত মাথোঁ যুঁজ-বাগৰ, স্বাৰ্থান্বেষী ৰাজনৈতিক নেতাৰ বিদ্বেষমূলক মন্তব্য—বিশ্বৰ যিকোনো এটা প্ৰান্তলৈ মন কৰিলেই যিকোনো এজন সচেতন ব্যক্তিৰ চকুত এইবোৰেই ধৰা দিয়ে। দিনৰ পাছত দিন, বছৰৰ পাছত বছৰ যেতিয়া কেৱল এইবোৰ বাতৰিয়েই সংবাদ শিৰোনাম দখল কৰিবলৈ ধৰে তেতিয়া সকলোৰে মনলৈ এটাই প্ৰশ্ন আহে—এইবোৰৰ পৰা মুক্তি পোৱা সম্ভৱনে? মুক্তি পামেই বা কেতিয়া? ভালদৰে চিন্তা কৰিলে তেতিয়াই আমাৰ মনত কিছুমান সমাধান সূত্ৰই খুন্দিয়াবলৈ ধৰে—অহিংসা, সত্য, প্ৰেম, কৰুণা, ধৰ্ম সহিষ্ণুতা ভাব হয় এইবোৰেই যেন আমাক এই অৱস্থাৰ পৰা উদ্ধাৰ কৰিব। এই অহিংসা, সত্যৰ প্ৰতি আগ্ৰহ, ধৰ্ম সহিষ্ণুতা ইত্যাদি ধাৰণাবোৰ আলোচিত হ'লেই এজন ব্যক্তিৰ নীতি-আদৰ্শৰ প্ৰাসংগিকতা বৰকৈ অনুভৱ হয়। বিশেষ কোনো কথাৰ অৱতাৰণা নকৰাকৈ তেখেতৰ নাম উল্লেখ কৰিলেই ব্যক্তব্যাটো পৰিষ্কাৰ হৈ পৰিব। তেখেত আন কোনো নহয়—তেৱেঁই মহামানৱ মহাত্মা গান্ধী। একবিংশ শতিকাৰ এই হিংসা জৰ্জৰ বিশ্বৰ বিশ্বৰ যিকোনো এটা কোণত বৈ এখন্তেক নিৰলে ভাবিলেই অনুভৱ হয়। গান্ধীজীয়ে সঁচাই কৈছিল—"মোৰ নশ্বৰ দেহা যেতিয়া ভস্মীভূত হ'ব, তেতিয়াহে মোৰ কামৰ বিচাৰ কৰা সম্ভৱ হ'ব।"

**গান্ধীজীৰ নীতি-আদৰ্শ ঃ** মহাত্মা গান্ধীয়ে প্ৰায় ৩২ বছৰ কাল ইংৰাজৰ বিৰুদ্ধে যুঁজি ভাৰতৰ স্বাধীনতা আজুঁৰি আনিছিল। গান্ধীজীৰ অহিংস আন্দোলনে নে দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-১৯৪৫)ত ব্ৰিটিছৰ শক্তি হ্ৰাস হোৱাত নে অন্য কিবা কাৰকে ভাৰতবৰ্ষক স্বাধীন হোৱাত সহায় কৰিলে তাক লৈ ভিন্ন বিতৰ্কৰ অৱতাৰণা প্ৰায়েই হয়। অৱশ্যে এই আলোচনাৰ পৰিসৰৰ পৰা এনেবোৰ কথাক বাদ দি কেৱল গান্ধীজীৰ নীতি-আদৰ্শ আৰু সাম্প্ৰতিক বিশ্বত তাৰ প্ৰাসংগিকতাৰ কথাহে ইয়াত আলোচনা কৰা হ'ব। (কিন্তু এই কথা অতি স্পষ্ট যে, গান্ধীজীৰ আদৰ্শই ভাৰতৰ স্বাধীনতা আন্দোলনত যিয়েই প্ৰভাৱ নেপেলাওক কিয় তেখেতৰ নীতি-আদৰ্শ কিন্তু সমগ্ৰ বিশ্বতেই চৰ্চিত আৰু বন্দিত।)

'High Thinking Simple living' —ই আছিল গান্ধীৰ ব্যক্তিগত জীৱনৰ আদৰ্শ। তেওঁৰ এই আদৰ্শৰ বাবেই

সাধাৰণ লোকে তেওঁৰ জীৱনশৈলীত নিজৰ জীৱনশৈলী প্ৰতিবিম্বিত হোৱা দেখা পাইছিল। বিশেষকৈ ভাৰতলৈ অহাৰ পাছত আঁঠুৰ মূৰলৈ ধুতি পিন্ধা, সাধাৰণ চপ্পল পিন্ধি খোজকঢ়া ৰে'ল যাত্ৰাত তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰা, নিঃস্বজনৰ লগতো একেই সমান ব্যৱহাৰ কৰা আদি কাম তেওঁৰ স্বভাৱজাত আছিল—আজিকালিৰ ৰাজনৈতিক নেতাৰ দৰে মানুহৰ মন মুহিবলৈ কৰা অভিনয় নহয়। তদুপৰি গান্ধীজীৰ অহিংসা আৰু সত্যাগ্ৰহ নীতি সৰ্বজনবিদিত। তেওঁ হিংসাক ঘৃণা কৰিছিল। সেইবাবেই তেওঁ অহিংসাৰ পথ বাছি লৈছিল। অহিংসাবাদ যে ভীৰুতা নহয় সেই কথাও গান্ধীজীয়ে স্পষ্ট কৰি গৈছে—"Cowardice is a thing even more heateful than violence."। "অহিংসা আৰু সত্যৰ প্ৰতি আগ্ৰহেই-সত্যাগ্ৰহ"। গান্ধীৰ এই দৰ্শনৰ প্ৰভাৱ পৰিছিল মাৰ্কিন লুথাৰ কিং (কনিষ্ঠ)ৰ ওপৰতো। গান্ধীজীৰ ধৰ্মীয় আদৰ্শও অতিকৈ মন কৰিবলগীয়া। গান্ধীজীয়ে ধৰ্ম মানে কোনো সাম্প্ৰদায়িক মত বুলি মানি ল'ব নোখোজে; যি মত নৈতিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত, সত্যৰ ওপৰত প্ৰতিষ্ঠিত গান্ধীজীৰ কাৰণে সেয়েই হ'ল ধৰ্ম। গান্ধীজীৰ এই মতবাদে বিশ্বৰ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে আকৰ্ষণ কৰিব পাৰে। তদুপৰি গান্ধীজীৰ সৰ্বোদয়া, গণতন্ত্ৰৰ প্ৰতি থকা তেখেতৰ ধাৰণা, স্বাস্থ্যৰ প্ৰতি থকা আচৰিত সচেতনতা ইত্যাদি সকলোবোৰ নীতি-আদৰ্শই সকলোৰে বাবে আজি অতিকৈ প্ৰাসংগিক। এই ক্ষেত্ৰত আটাইতকৈ মন কৰিবলগীয়া কথা এইয়ে যে গান্ধীজীয়ে তেখেতৰ এই আদৰ্শসমূহ কেৱল তত্ত্বগতভাৱেই দি যোৱা নাই, ইয়াৰ বিপৰীতে তেখেতে নিজৰ জীৱনতেই এইসমূহ প্ৰয়োগ কৰি কাললৈ দৃষ্টান্ত ৰাখি থৈ গ'ল।

**গান্ধীজীৰ নীতি-আদৰ্শৰ প্ৰাসংগিকতা ঃ** আজি প্ৰতিটো ক্ষণত, প্ৰতিটো খোজত কেৱল অনুভৱ হয় গান্ধীৰ আদৰ্শৰ প্ৰাসংগিকতা। কাৰণ আজি যদি আমি ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, শিক্ষা নতুবা ক্ৰীড়া—যিকোনো এখন ক্ষেত্ৰলৈ মন কৰোঁ তেতিয়া আমাৰ চকুত পৰে মাথোঁ ভণ্ডামি আৰু ভ্ৰষ্টাচাৰ। "ধৰ্ম হ'ল এটা বিশ্বাস বা নীতি, যাৰ দ্বাৰা ব্যক্তি ৰাজনীতিত আগবাঢ়ি যাব পাৰিব"—গান্ধীজীয়ে এইবুলি কৈছিল ঠিকেই, কিন্তু তেওঁ ইয়াৰ লগতে আন এটা কথাও স্পষ্ট কৰি থৈ গৈছে যে, ধৰ্ম আৰু ৰাজনীতিৰ ওচৰ সম্বন্ধৰ অৰ্থ এইটো নহয় যে কোনো ৰাষ্ট্ৰ ধৰ্মীয় নীতি-অনুষ্ঠানৰ অধীন হ'ব লাগিব। কিন্তু দুৰ্ভাগ্যজনকভাৱে সম্প্ৰাতিক সময়ত আমাৰ চকুৰ আগত কি ঘটি আছে? বেলেগলৈ যোৱাৰ প্ৰয়োজন নাই, নিজ দেশতেই দৃষ্টিগোচৰ হয়—ধৰ্ম যেন



ৰাজনৈতিক ক্ষমতা লাভৰ এক সহজ অস্ত্ৰ, ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ বাবে ধৰ্মীয় প্ৰৰোচনামূলক মন্তব্য, এক বিশেষ ধৰ্মৰ ৰাজনৈতিক নেতৰা আন ধৰ্মৰ প্ৰতি বিদ্বেষমূলক মন্তব্য। গতিকে এনে এক পৰিস্থিতিত গান্ধীজীৰ ধৰ্মীয় আদৰ্শৰ আলোচনা অতি প্ৰাসংগকি হৈ পৰিছে। তেখেতৰ মতে প্ৰকৃত নৈতিকতা আৰু প্ৰকৃত ধৰ্ম বিচ্ছিন্ন নহয়, বৰং পৰস্পৰ সংযুক্ত। গান্ধীয়ে কৈছিল—"নৈতিকতাৰ বীজটোত ধৰ্মৰ পানী নাঢালিলে ই কেতিয়াও গজি উঠিব নোৱাৰে।" ভাগৱত গীতা আৰু নিজৰ ধৰ্মৰ অধ্যয়ন আৰু অভিজ্ঞতাৰ পৰা গান্ধীয়ে ৰাজনীতিক ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত কৰিব খুজিছিল আৰু ধৰ্মক ব্যৱহাৰিক উপযোগিতাৰ বাবে প্ৰয়োগ কৰিব খুজিছিল।

উপৰোক্ত কথাখিনিৰ লগতে আন এটি প্ৰাসংগিক বিষয়ৰ আলোচনা অতিকৈ গুৰুত্বপূৰ্ণ। একাংশ গোড়া হিন্দুৰ 'গো-মাতা'ৰ প্ৰীতি ইমান বৃদ্ধি পাইছে যে—সেইটো অতি আশ্চৰ্যজনক। নিশ্চয়, কোন ব্যক্তিয়ে কাক পূজা কৰিব, কাক দেৱ-দেৱী হিচাপে মানিব সেইটো ব্যক্তিজনৰ সম্পূৰ্ণ নিজস্ব কথা, কিন্তু সেই বুলিয়েই যে এই স্বাধীনতা (ধৰ্মীয় স্বাধীনতা)ৰ

গইনা লৈ আনক হাৰাশাস্তি কৰিব তেনেকুৰাতো একো কথা নাই। প্ৰায় এশ বছৰৰ পিছত কেতবোৰ হিন্দুৱে গো-হত্যা বন্ধ কৰাবলৈ মুছলিম বা খ্ৰীষ্টিয়ান লোকক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰা পৰিস্থিতি এটাৰ কথা ভাবিয়েই হয়তো গান্ধীয়ে দৃঢ়তাৰে কৈছিল—"এটি জন্তুৰ জীৱন ৰক্ষাৰ নামত এজন লোকক হত্যা কৰাৰ দৰে জঘন্যতা, মূৰ্খামি আৰু অমানৱীয়তা আন একো হ'ব নোৱাৰে।" সঁচাই, জীৱশ্ৰেষ্ঠ মানুহৰ জীৱনৰ লগত অন্য জীৱ-জন্তুৰ জীৱনৰ তুলনা কৰা যায় জানো? হিন্দু-মুছলমানৰ ঐক্যৰ কথা কৈ কৈ মৃত্যুক আকোঁৱালি লোৱা গান্ধীৰ ধৰ্ম সহিষ্ণুতাৰ নীতিক পুনৰবাৰ বিবেচনা কৰি আদৰি লোৱাৰ প্ৰয়োজনীয়তা আজিৰ তাৰিখত অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে।

গান্ধীজীৰ প্ৰতিবাদ আৰু আন্দোলনৰ ভাষা আছিল—অহিংসা। অহিংসাৰ প্ৰথম প্ৰচাৰক গান্ধীজী নহয়। বুদ্ধ, যীশু আৰু বহুতেই পৃথিৱীত অহিংসাৰ বাণী বিলাইছিল। কিন্তু অহিংসাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি ৰণভূমিত নমা তেৱেঁই প্ৰথম সেনা। কিন্তু ভাব হয়, আজিৰ তাৰিখত হোৱা প্ৰতিবাদ আন্দোলনবোৰে যেন গান্ধীৰ অহিংস নীতিক প্ৰতিফলিত কৰিব পৰা নাই। অলপ মন কৰিলেই দেখা যায় যে, প্ৰথমাৱস্থাত অহিংস নীতিৰে আৰম্ভ হোৱা বহু প্ৰতিবাদ-আন্দোলনৰ শেষ পৰ্যায়ত গৈ ছন্দপতন ঘটে। গান্ধীজীৰ অহিংস আন্দোলনৰ প্ৰাসংগিকতা তেতিয়া মৰ্মে মৰ্মে উপলব্ধি হয় যেতিয়া দুৰ্বৃত্তৰ গুলীত নিৰীহৰ তেজেৰে ৰাজপথ ৰাঙলী হয়—সেইয়া লাগিলে অসমৰ কোনো ৰাজপথেই হওক নতুবা লণ্ডন মহানগৰীৰ কোনো ৰাজপথেই হওক।

আশ্চৰ্যজনকভাৱে সম্প্ৰতি এনেকুৱা কিছুমান যুক্তিও শুনিবলৈ পোৱা যায় যে অহিংস আন্দোলনে কোনো ধৰণৰ সমাধান সূত্ৰ আনিব নোৱাৰে, যুদ্ধৰ পাছতহে শান্তি সম্ভৱ—এনেকুৱা ধৰণৰ কিছুমান কথা-বতৰা। কিন্তু বাস্তৱ ক্ষেত্ৰত এনেকুৱা যুক্তিসমূহ অমূলক বুলিহে প্ৰমাণিত হৈ আহিছে—ইতিহাসেও এনে কথা স্বীকাৰ নকৰে। আমি যদি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত চাওঁ তেন্তে দেখিম যে, ইউক্ৰেইন আৰু ৰাছিয়াৰ যুদ্ধই ডেৰ বছৰ অতিক্ৰম কৰাৰ পাছতো এতিয়াও দেশ দুখনে শান্তিৰ মুখ দেখা নাই (প্ৰকৃততে ৰাছিয়া-ইউক্ৰেইনৰ সংঘাত ২০১৪ চনতে আৰম্ভ হৈছিল)। অন্যহাতে, আমাৰ চুবুৰীয়া ৰাজ্য মণিপুৰৰ ক্ষেত্ৰতো সেই একেই কথা—প্ৰায় ৫ মাহ ধৰি হৈ থকা হিংসাত্মক প্ৰতিবাদে মণিপুৰলৈ কোনো শান্তিৰ বতৰা আনিব পৰা নাই, বৰং পৰিস্থিতি দিনে দিনে বেয়াৰ ফাললৈ হে ঢাল খাইছে। গতিকে, এনে ধৰণৰ কথা-বতৰাবিলাকে মহাত্মা গান্ধীৰ অহিংস নীতি তেওঁৰ মৃত্যুৰ ৭৫ বছৰৰ পাছতো যে প্ৰাসংগিক হৈ আছে তাকেই প্ৰমাণ কৰে।

মুঠৰ ওপৰত, মহাত্মা গান্ধীৰ নীতি-আদৰ্শৰ প্ৰাসংগিকতা তেওঁৰ সময়ত যিদৰে আছিল, সেই প্ৰাসংগিকতা এতিয়াও আছে, বৰং সেইয়া বাঢ়িছেহে।

**সামৰণিঃ** চিন্তা হয়, গান্ধীজীক যেন আমি লাহে লাহে পাহৰিবলৈ ধৰিছোঁ। যিজনা ব্যক্তিৰ জীৱনজোৰা ত্যাগ আৰু নিৰলস সাধনাৰ অন্তত আমি স্বাধীনতা লাভ কৰিলোঁ, সেইজনা ব্যক্তিক আমি স্বাধীনতা দিৱসৰ দিনা মনত পেলোৱাৰ বৰ বিশেষ যেন প্ৰয়োজন অনুভৱ নকৰোঁ। আজি আমি স্বাধীনতা আন্দোলন 'Unsung Heroes' সকলক সুঁৱৰিছো। নিশ্চয় সেইসকল ব্যক্তিৰ অৱদানক আমি সঁচাকৈয়ে নুই কৰিব নোৱাৰোঁ, কিন্তু তাৰ সমান্তৰালভাৱে এই কথাও মনত ৰাখিব লাগিব যে 'Unsung Heroes'ৰ ভিৰৰ মাজত যাতে গান্ধীৰ অস্তিত্বৰ মৃত্যু নহয়। প্ৰশ্ন হয়, গান্ধীজীৰ শৰীৰটোক যিদৰে এজন ধৰ্মান্ধই হত্যা কৰিলে ঠিক সেইদৰে গান্ধীজীৰ আত্মাক আজি আমি সকলোৱে মিলি হত্যা কৰি থকা নাইনে? তেওঁৰ নীতি—আদৰ্শক আমি ভৰিৰে গছকি মোহাৰি পেলোৱা নাইনে? কেৱল গান্ধী জয়ন্তীৰ দিনটোত এগছি বন্তি জ্বলাইয়েই আমাৰ দায়িত্ব শেষ হয় নে? অৰ্থাৎ গান্ধীজীৰ প্ৰাসংগিকতাক আমি আজিও অন্তৰেৰে উপলব্ধি কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু গান্ধীৰ নীতি-আদৰ্শৰ প্ৰাসংগিকতাক আমি স্বীকাৰ কৰিবই লাগিব। কাৰণ তেখেতৰ এই প্ৰাংসগিকতা তেখেতৰ নিজৰ দাবী নহয়, কোনো ব্যক্তি বিশেষৰ দাবী নহয়—ই সময়ৰ আহ্বান, ই পৰিস্থিতিৰ আহ্বান।●●

**সহায়ক প্ৰবন্ধ ঃ**

১। ড° পৰমানন্দ মহন্ত, একমাত্ৰিক দৃষ্টিৰে মহাত্মা গান্ধী, অসমীয়া প্ৰতিদিন (শৰৎ সমগ্ৰ)
২। বীণা শৰ্মা; গান্ধীৰ ৰাজনৈতিক দৰ্শন, প্ৰান্তিক (অক্টোবৰ, ২০২২)
৩। ভৱেশ চন্দ্ৰ শইকীয়া; গান্ধীজীৰ দুটি ধাৰা ৰাজনীতি আৰু অৰ্থনীতি; বাৰ্ষিক আলোচনী, জগন্নাথ বৰুৱা মহাবিদ্যালয় (১৯৫৬)




# Enemy of Open Society: Popper's Critique on Plato

**Madhujya Chetia**

Karl Popper, widely known for his theory of falsification has criticized Plato as a enemy of open society in his book 'The Open Society and Its Enemies'. According to popper Plato's theories based on historicism where Plato believes that social and cultural phenomenon are determined by history. Plato's theory of forms also criticized by Popper on the basis of falsification. Karl popper find Plato as a supporter of totalitarianism and he compared his philosopher King with autocrats . Plato advocate for strict division of classes in society and that society there is no voting right for common people. Plato's theory of justice and idea of ideal state is also very utopian and has lack of clarity. Karl Popper find these factors undemocratic, authoritarian and not suitable for a liberal society. That's why he heavily criticized Plato as a enemy of open society .

Karl Popper (1902-1994) is best recognized among philosophers for his contributions to the philosophy of science and epistemology. Most of his published work dealt with philosophical issues in the scientific sciences, particularly physics, and Popper himself admitted that nature was his major interest rather than politics. However, his political ideas have probably had as much influence as his philosophy of science. This is undoubtedly true outside of academia. Popper is most recognized among educated people for his critique of authoritarianism and his defense of freedom, individualism, democracy, and a "open society." His political views are firmly rooted in Enlightenment rationalism and humanism. He was a staunch opponent of authoritarianism, nationalism, fascism, romanticism, collectivism, and other retrograde and irrational notions.

Popper's rejection of these notions was based on a critique of the philosophical beliefs that he claimed underlie them, particularly a faulty interpretation of the scientific method. This approach is what lends Popper's political philosophy its unique philosophical interest and originality-as well as its controversy, given that he finds the origins of totalitarianism in the views of some of the West's most illustrious philosophers, both ancient and modern. His defense of a free and democratic society is largely based on his beliefs about the scientific method and how it should be applied to politics, history, and social science. Indeed, his two most major political works, The Poverty of Historicism (1944) and The Open Society and Its Enemies (1945), present a unified picture of science and politics. As stated below, the individuals and institutions of Popper's envisioned open society would be imbued with the same critical spirit that

characterizes natural science, an attitude Popper referred to as critical rationalism. This openness to analysis and inquiry was supposed to create social and political advancement, as well as to provide a political environment in which the sciences could thrive.

**Popper's basic Theses regarding Plato**

1. His politics are "purely totalitarian," he is against open society, and his Socrates is "the embodiment of an unmitigated authoritarianism."

2. Plato, like Hegel and Marx before him, was a "historicist," someone who believes that the future course of events is fixed in its fundamentals by immutable rules of historical development.

3. Plato held that all social and political change is degradation, and so evil. This attitude was linked to his Theory of Forms and his broader antipathy to change as inherently entail imperfection. Yet he yearned for the lost tribal togetherness of Greece's past, when everyone lived in harmony and unthinking acceptance of established norm. Despite his historicism, one of his most powerful incentives for philosophizing was to impede political change. His totalitarianism was more than just excessive authoritarianism in all aspects of life; it was a complete subordination of the individual to the good of the state. It should go without saying that Plato's theories make him a vehement opponent of open society.

For starters, historians now concur that Greek culture never went through a tribal phase. More to the point, Popper highlights Plato's rationalistic passion for theoretical central planning in politics, a trait of his thought that is not consistent with the prospect of returning to a primal tribal past of unreflective unity in the 20th century.

The account of regime change in Republic VIII-IX could be interpreted as positing general laws of political change (as Aristotle did in the Politics), the Statesman presents an argument strongly opposed to political change in the absence of political expertise, and the Laws presents a cyclical theory of civilization with the ring of inevitability. Even so, these passages do not add up to anything resembling inverted Hegelian historicism or the thesis that all political change is bad. In fact, they are incompatible with the concept of cyclical development and the possibility of political expertise.

**Karl Popper's criticism of Plato as an enemy of open society.**

Plato's principle was that citizens should sacrifice themselves for the greater good of the state. The roles of Justice, Wisdom, Truth, and Beauty were discovered to be important, but they did not lead Plato beyond totalitarianism and racialism. Plato's belief system was founded on the administration of justice to the people and the victimization of society to casteism. Plato's intention with this method was not to bring happiness to an individual or a specific class, but to the society as a whole.

One of the central claims of Republic is that this is nothing more than the result of the rule of justice, which Popper had demonstrated to be totalitarian in nature. Popper believed that Plato's claim that the state and its people should be happy was more than just propaganda. Plato's profound sociological understanding revealed that his contemporaries were experiencing extreme stress as a result of the social revolution that started with the advent of democracy and individualism.

Plato observed society and believed that medico-political treatment, tribalism, and the arrest of change could bring people back to their roots of unhappiness, even though he was mistaken in his fundamental claim that returning to tribalism could not alleviate the strain and

restore their happiness. Popper criticized Plato in his book "Open Society and it's Enemies" as an anti-democratic forerunner of totalitarianism.

Karl Popper's theory was of a society in which people had freedom of speech and expression, as well as the freedom to live according to their preferences, rather than an arbitrary dictatorship. Popper claimed that Plato's ideas were anti-democratic and even fascistic, and thus that Plato was an enemy of open society. He also criticized Plato for his Holism. Popper, a proponent of piecemeal social engineering, advocated for gradual reforms to allow time to correct one's mistakes.

Plato's theory, according to Karl Popper, could not be falsified. Popper's assessment of Plato's theory clearly shows that Plato claims his theories are completely based on absolute wisdom and cannot be refuted by anyone because he was considered an idol during his time period.

Popper contended that Plato was a thinker incapable of dealing with the ever-changing political structure. He saw Plato as an impractical visionary in terms of societal change, and he desired an elitist class-based society. Popper criticized Plato's method of authoritarianism, which included communism, justice, education, and polity in a way that only benefited a subset of society's citizens. Simply emphasizing Plato's fundamental insecurities was insufficient for Popper to abandon his view of Plato as a healer of the sick social body.

**Retaining the Republic of Plato**

Plato, according to Karl Popper, is politically dangerous, an enemy of "the open society." Of course, Popper is referring to the Plato of the Republic. Popper sees Socrates' and his friends' imaginatively constructed city in the Republic as a totalitarian monstrosity. Popper wants you to know that whatever you look for in the Republic should not be political theory.

Popper is well known for his critique of the Republic's "city in speech." However, I suspect that most readers of the Republic in the twenty-first century are already unnerved by some of its proposals and don't need

Popper's assistance to do so. If you have read the Republic, you are aware that some of its proposals were unsettling even to Athenians in the fourth century B.C.

I read a blog post at The Huffington Post last summer that I think Sir Karl would have approved of. The entire post, "Plato On The 'Dead White Man' Chopping Block," is a critique of the Republic. The title alone should give you an idea of the author's distaste for Plato's greatest work. And he has a lot of the same justifications as Popper. ●●

**Citations and References:**

(Cloete 2004; Hildebrand 1951; Kierstead 2019; Ryle 1947)

Cloete, Michael. 2004. "Is Plato an Enemy of the Open Society? A Critique of Popper's Critique of Plato." Politeia 23(2): 36-50.

Hildebrand, George H. 1951. "The Open Society and Its Enemies." https://www.jstor.org/stable/1815989 (November 30, 2023).

Kierstead, James. 2019. "Karl Popper's' the Open Society and Its Enemies', and Its Enemies." Journal of New Zealand Studies (28): 2-28.

Ryle, Gilbert. 1947. "The Open Society and Its Enemies." https://www.jstor.org/stable/2250518 (November 30, 2023).





# ভাৰতীয় অস্কাৰ ইতিহাস

**আশাস্মিতা শৰ্মা**

অস্কাৰ নামেৰে জনাজাত একাডেমী বঁটাক বিশ্বৰ ছবিজগতৰ আটাইতকৈ সন্মানীয় বঁটা হিচাপে গণ্য কৰা হয়। এই অস্কাৰ বঁটা বা একাডেমী বঁটা হৈছে চলচিত্ৰ জগতৰ বিভিন্ন ক্ষেত্ৰৰ পাৰদৰ্শিতাক সন্মান জনাই প্ৰদান কৰা আমেৰিকাৰ এক বাৰ্ষিক বঁটা। এই বঁটা প্ৰাপকে চৰকাৰীভাৱে "Academy Award of Merit" হিচাপে গণ্য কৰা এটা প্ৰতিমূৰ্তি লাভ কৰে। অস্কাৰ বঁটা প্ৰদান অনুষ্ঠান সৰ্বপ্ৰথমে ১৯২৯ চনত হলিউড ৰ'জভেল্ট হোটেলত অনুষ্ঠিত হৈছিল। অস্কাৰত শ্ৰেষ্ঠ ছবি, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী আৰু শ্ৰেষ্ঠ মূল চিত্ৰনাট্যকে ধৰি বিভিন্ন শ্ৰেণী বা শাখাত স্বীকৃতি দিয়া হয়। ছবি উদ্যোগত কাম কৰা ৯০০০ ৰো অধিক সদস্যৰ পেছাদাৰী সংগঠন "Academy of Motion picture Arts and Science"ৰ উদ্যোগত প্ৰদান কৰা হয়।

ভাৰত হৈছে বিশ্বৰ দ্বিতীয় পুৰণি ছবি উদ্যোগ। অন্য দেশৰ সমানে ভাৰতবৰ্ষ অতীজৰে পৰা বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈ বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মান আৰ্জিবলৈ সক্ষম হৈছে। ভাৰত আৰু ভাৰতীয়ই বিগত বছৰসমূহত ছবি জগতৰ বিভিন্ন ক্ষেত্ৰত অস্কাৰ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তলত অস্কাৰ বঁটা বিজয়ী ভাৰতীয়সকলৰ বিষয়ে কিছু তথ্য উল্লেখ কৰা হ'ল—ভানু আথাইয়া ঃ অস্কাৰ বঁটা লাভ কৰা প্ৰথম গৰাকী ভাৰতীয় হৈছে ভানু আথাইয়া। ১৯৮৩ চনত তেওঁ 'গান্ধী' নামৰ ছবিখনৰ বাবে অস্কাৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। মহাত্মা গান্ধীৰ জীৱনৰ ওপৰত আধাৰিত এই ছবিখন ৰিচাৰ্ড এটেনবৰো আৰু ভাৰতীয় ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ দ্বাৰা যুটীয়াভাৱে প্ৰযোজনা কৰা হৈছিল। তেওঁ "শ্ৰেষ্ঠ পোচাক ডিজাইন" শিতানত এই সন্মান লাভ কৰিছিল।

**সত্যজিৎ ৰায় ঃ** অস্কাৰ বঁটা লাভ কৰা দ্বিতীয়জন ভাৰতীয় হৈছে সত্যজিৎ ৰায়। প্ৰখ্যাত পৰিচালক, চিত্ৰনাট্যকাৰ, তথ্যচিত্ৰ নিৰ্মাতা, লেখক, প্ৰবন্ধকাৰ, গীতিকাৰ, আলোচনী সম্পাদক সত্যজিৎ ৰায়ক ১৯৯২ চনত 'লাইফ টাইম এচিভমেণ্ট'ৰ বাবে এই অস্কাৰ বঁটা প্ৰদান কৰা হৈছিল।

**এ.আৰ. ৰহমান ঃ** অস্কাৰ বঁটা লাভ কৰা তৃতীয়জন ভাৰতীয় হৈছে এ.আৰ. ৰহমান। তেওঁ ২০০৯ চনত 'স্লামডগ মিলিয়নেয়াৰ' ছবিখনৰ বাবে দুটাকৈ শিতানত অস্কাৰ সন্মান লাভ কৰি ইতিহাস সৃষ্টি কৰিছিল। এ.আৰ. ৰহমানে 'স্লামডগ মিলয়নেয়াৰ'ৰ শ্ৰেষ্ঠ মূল গীত 'জয় হো'ৰ বাবে অস্কাৰ সন্মান লাভ কৰিছিল। আৰু দ্বিতীয় বঁটাটো শ্ৰেষ্ঠ মূল স্ক'ৰৰ বাবে এ.আৰ. ৰহমানক প্ৰদান কৰা হৈছিল। এয়া আছিল অস্কাৰত ভাৰতীয়ৰ বাবে এক ঐতিহাসিক জয়।

**গুলজাৰ ঃ** অস্কাৰ বঁটা লাভ কৰা চতুৰ্থ জন ভাৰতীয় ব্যক্তি হৈছে গুলজাৰ চাহাব। তেখেতে ২০০৯ চনত তেনি বয়লৰ 'স্লামডগ মিলিয়নেৰ' ছবিখনৰ 'জয় হো' গীতটিৰ

বাবে শ্রেষ্ঠ মূল গীতৰ কথা শিতানত অস্কাৰ বঁটা লাভ কৰিছিল।

**ৰেছুল পুকুডি ঃ** অস্কাৰ বঁটা লাভ কৰা পঞ্চমজন ভাৰতীয় ব্যক্তি হৈছে ৰেছুল পুকুডি। ৰেছুল পুকুডিয়ে ২০০৯ চনত 'স্লামডগ মিলিয়নেয়াৰ' ছবিখনৰ বাবে শ্রেষ্ঠ ধ্বনি মিক্সিং শিতানত অস্কাৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল।

উপৰোক্ত ব্যক্তিসকলৰ উপৰিও ২০১৬ চনত ৰাহুল চন্দ্ৰকান্ত থক্কৰ, ক'টা লাংগো লিঅ'ন আৰু ২০১৬ চনত বিকাশ সাথাএ নামৰ তিনিজন ব্যক্তিয়ে 'Scientific and Technical support' ৰ বাবে অস্কাৰ সন্মান লাভ কৰিছিল।

শেহতীয়াকৈ অৰ্থাৎ ২০২৩ বৰ্ষৰ অস্কাৰ বঁটা "আৰ আৰ আৰ (RRR)" শীৰ্ষক ভাৰতীয় ছবিখনৰ 'নাটু নাটু' শীৰ্ষক গীতটোৱে শ্রেষ্ঠ মৌলিক সংগীত'ৰ অস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। লগতে ২০২৩ চনৰ গোল্ডেন গ্ৰোৰ বঁটাও লাভ কৰিবলৈ এই গীতটি সক্ষম হৈছে। ২০২৩ বৰ্ষত "দ্য এলিফেণ্ট হুই ছপাৰ" নামৰ তথ্য চিত্ৰখনে এই বৰ্ষৰ "শ্রেষ্ঠ চুটি তথ্যচিত্ৰ"ৰ অস্কাৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে।

ইতিমধ্যে আমি জানিব পাৰিছো যে ভাৰতীয় কেইবাগৰাকী ব্যক্তিয়ে অস্কাৰ বঁটা লাভ কৰিছে। তদুপৰি বহু সংখ্যক ব্যক্তি আৰু ছবি অস্কাৰৰ বাবে মনোনীত হৈছে যদিও বঁটা লাভ কৰিবলৈ সক্ষম হোৱা নাই। চলচ্চিত্ৰৰ গুণগত মানৰ প্ৰসাৰ ঘটোৱা, চলচ্চিত্ৰ বাণিজ্যৰ খ্যাতি বৃদ্ধি কৰা এই অস্কাৰ বঁটাৰ ধাৰা সদা অক্ষুণ্ণ থাকক।●●







# মাজুলীৰ বাৰেৰহনীয়া সংস্কৃতিৰ অন্যতম 'সত্ৰীয়া নৃত্য'

মামণি গগৈ

অসমীয়া কলা সংস্কৃতিৰ অন্যতম উপাদান ভাওনা, বৰগীত, ৰাস, পালনাম, সত্ৰীয়া নৃত্য, গীত, ওজাপালি, ধৰ্মীয় চৰ্চা আদিৰ কথা উল্লেখ কৰিলেই প্ৰথমেই আমাৰ মনত অংকিত হয় মাজুলীৰ চিত্ৰখন। মাজুলী বিভিন্ন কলা-সংস্কৃতিৰ সংগমস্থল তথা উৎপত্তি স্থল। সত্ৰ নগৰী মাজুলীৰ নামনিৰ ধূৱাহাট বেলগুৰিত জগত গুৰু শ্ৰী শ্ৰী শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মাধৱদেৱৰ মণিকাঞ্চন সংযোগ ঘটিছিল আৰু তাৰ পাছতেই এক শৰণ বৈষ্ণৱ ধৰ্মৰ চৰ্চাৰ আৰম্ভণি ঘটিল। দুয়োজনা গুৰুৱে মাজুলীত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সত্ৰ, নামঘৰ আদিৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰৰ বাবে সত্ৰীয়া নৃত্য, গীত, ভাওনা আদিৰ আৰম্ভণি কৰিছিল। যিয়ে অসমীয়া সংস্কৃতিৰ ভঁৰাল চিৰদিনৰ বাবে উজ্বলাই ৰাখিছে। দুয়োজনা গুৰুৰ দ্বাৰা প্ৰতিষ্ঠিত মাজুলীৰ সত্ৰসমূহৰ ভিতৰত অনবদ্য সত্ৰীয়া সংস্কৃতি চৰ্চাৰ বাবে বিশেষকৈ আউনীআটি সত্ৰ, গড়মূৰ সত্ৰ, কমলাবাৰী সত্ৰ, শ্যামগুৰি সত্ৰ ইত্যাদি উল্লেখযোগ্য।

শংকৰী আৰ্হিত আৰু হৰি ভক্তিৰ লগত সুসম্পৰ্কিত ৰূপত যি নৃত্যৰ সৃষ্টি কৰা হৈছিল, তাকে সত্ৰীয়া নৃত্য বুলি কোৱা হয়। শ্ৰীশ্ৰী শংকৰদেৱে ৰচনা কৰা চিহ্নযাত্ৰা নাট্যভিনয়খনৰ দ্বাৰাই এই নৃত্যৰ ধাৰাটি আৰম্ভ হৈছিল। এই নাটকত নৃত্য-গীতৰ প্ৰাধান্য বেছি আৰু সেয়েহে অংকীয়া নাটৰ আধাৰতেই সত্ৰীয়া নৃত্যৰ উৎপত্তি হয়। সত্ৰীয়া নৃত্যত মুখ্য ভূমিকা লয় বাদ্যযন্ত্ৰই। সেইসমূহৰ ভিতৰত খোল, তাল, বাঁহী ইত্যাদি।

সত্ৰীয়া নৃত্যৰ প্ৰথম পৰ্যায় হৈছে মাটি আখৰা। আচলতে শৰীটোক নৃত্যৰ বাবে উপযোগী কৰি তুলিবলৈ মাটিক আশ্ৰয় কৰি যি ব্যায়াম কৰা হয়, তাকে মাটিআখৰা বোলে। মাটি আখৰাৰ বৰ্ণনাৰ পাছতে ক্ৰমে কৃষ্ণনাচ, ঝুমুৰা নাচ, চালিনাচ, ভোজনবেহাৰ, সূত্ৰধাৰী, ৰাসনাচ আদিৰ শিক্ষা দিয়া হয়। এই নাচসমূহ প্ৰদৰ্শন কৰিবলৈ লাগিব মাটিআখৰাৰ লগতে হস্তৰ শিক্ষা। তদুপৰি সত্ৰীয়া নৃত্যৰ পৰিৱেশনত লাগিব উপযুক্ত তালসমূহৰ শিক্ষা। আনহাতে বিভিন্ন নাচসমূহৰ পৰিৱেশত বিভিন্ন সাজ-পোচাক, আ-অলংকাৰ, সাজসজ্জা আদিৰ প্ৰয়োজন হয়।

নাচখনৰ প্ৰথম অংশ, য'ত ভগৱান ৰাম, কৃষ্ণ অৰ্চনা তথা বন্দনা জনাই নাচখনৰ আৰম্ভ কৰা অংশই হ'ল ৰামদানি অংশ। ৰামদানি অংশত নৃত্য কৰোঁতে কোনো ধৰণৰ গীতৰ ব্যৱহাৰ নহয়। কেৱল হস্ত আৰু বিভিন্ন ভংগিমাৰে নাচখন প্ৰদৰ্শন কৰা হয়।

গীতৰ অংশত সাধাৰণতে শংকৰদেৱ, মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীত বা অংকীয়া নাটৰ গীতসমূহ পৰিৱেশন কৰি গীতত অভিনয় অৰ্থাৎ গীতাভিনয় কৰা হয়। এই অংশত অভিনয়ক মুখ্য স্থান দিয়া হয়।

সত্ৰীয়া নৃত্যত গীতৰ নাচৰ শেষত মেলা নাচ আৰম্ভ হয়। এই অংশত গীত ব্যৱহাৰ নহয় কেৱল বাজনাত নৃত্য সম্পন্ন হয়। সাধাৰণতে মেলা অংশ নৃত্যৰ একতাল বা চুততালত আৰম্ভ হয়।

সত্ৰীয়া নাচত নিৰ্দিষ্ট তালসমূহত প্ৰৱেশ, প্ৰস্থান কৰি দেখাব লাগে। যেনে—ৰজা, ঋষি, মুনি, ৰাক্ষস আদিৰ ভিন্ন প্ৰৱেশৰ প্ৰস্থান দেখা যায়।

এইসমূহৰ উপৰিও সত্ৰীয়া নৃত্যত বহুতো বৈশিষ্ট্য সন্নিৱিষ্ট হৈ আছে। যি সমূহে নৃত্যৰ ধাৰাত ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ পৰা পৃথক বা নিজস্ব বৈশিষ্ট্যৰ শাস্ত্ৰীয় নৃত্য হিচাপে মৰ্যাদা প্ৰদান কৰে। মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা সৃষ্ট অসমৰ সংস্কৃতি সত্ৰীয়া নৃত্য সমূহ এনেদৰেই নিৰৱচ্ছিন্নভাৱে চলি আহিছে আৰু অনাগত দিনটো অক্ষুণ্ণভাৱে প্ৰচলিত হৈ মহাপুৰুষীয়া ধৰ্ম, সংস্কৃতি তথা পৰম্পৰাক সজীৱ কৰি ৰাখিব।●●

# আদিবাসী চাহ জনগোষ্ঠী লোকসকলৰ
# কৰম পৰব

নয়নজ্যোতি কুৰ্মি

কৰম পৰব হ'ল আদিবাসী চাহ জনগোষ্ঠী লোকসকলে পালন কৰা উৎসৱবোৰৰ ভিতৰত সকলোতকৈ জনপ্ৰিয় উৎসৱ যিয়ে অসমৰ উৎসৱবোৰৰ ভিতৰতো এক বিশেষ মৰ্যাদা লাভ কৰিছে। কৰম পৰৱ এক কৃষিভিত্তিক উৎসৱ। কৰম পৰৱ কেইবা প্ৰকাৰৰ তাৰে ভিতৰত ভাদ মাহৰ একাদশী তিথিত পালন কৰা একাদশী কৰম, আহিন মাহৰ জিতাষ্টমীত পালন কৰা জিতিয়া কৰম, বিজয়া দশমী তিথিত পালন কৰা বুঢ়ী কৰম আদি।



এই কৰমবোৰৰ ভিতৰত ভাদ মাহৰ একাদশী তিথিত পালন কৰা কৰম পৰৱৰ প্ৰাধান্য বেছি হোৱাৰ লগতে সৰ্বাধিক জনপ্ৰিয়। পৱিত্ৰ ভাদ মাহৰ একাদশী তিথিত পালন কৰা কৰম পৰৱ অতি ভাল ধৰণে আনন্দ ফূৰ্তিৰে উদ্‌যাপন কৰা হয়। যি সময়ত নৈ বা পুখুৰীৰ পাৰত গজি উঠে কাশি ফুল (কহুৱা), বাৰীৰ ঝিঙা (জিকা) ফুল আদিয়ে সকলোৰে মনলৈ আনন্দৰ বতাহ বলাই আনে। কৰম পৰৱৰ প্ৰথম এটা কাৰ্যসূচী হৈছে জাৱা উঠোৱা। পাচঁ, সাত বা ন দিন উপবাসে থাকি তিনি, পাচঁ, সাত বা ন গৰাকী কৰমতীয়ে 'জাৱা' জগোৱা অনুষ্ঠানত মহিলাসকলে শস্যৰ বৃদ্ধি তথা সংৰক্ষণৰ লগত সংগতি ৰাখি কিছুমান গীত পৰিৱেশন কৰি জাৱা জাগৰণ কৰে। পাঁচ, সাত, বা ন দিন উপবাসে থাকি বিভিন্ন নীতি-নিয়মৰ মাজেৰে জাৱা জগোৱাৰ অন্তত একাদশীৰ নিশা কৰম (চিকামৰলীয়া) গছৰ ডাল আনি চোতালত পুতি ফুল ফল মূলেৰে সজাই তোলা হয় তাৰ পিছতেই 'কহনী বুঢ়া'ই কৰম পৰৱৰ জন্মৰ কাহিনী শুনায়। কাহিনী শেষ হোৱাৰ পিছত কহনী বুঢ়াই কৰমতীসকলৰ মনোবাঞ্ছা পূৰণৰ হকে আশীৰ্বাদ কৰে। তাৰ পিছতেই আৰম্ভ হয় কৰমথলীত ঝুমইৰ নৃত্য, য'ত ডেকা-জীয়ৰী, বুঢ়া-বুঢ়ী, বোৱাৰী সকলোৱে একেলগে নৃত্য-গীতৰ মাজেৰে ৰাতিটোৰ উদ্‌যাপন কৰে। আৰু পিছদিনা ৰাতিপুৱা কৰম ডাল (চিকামৰলীয়া) ডাল আনন্দ ফূৰ্তিৰ মাজেৰে বিসৰ্জন দিয়া হয়। আৰু অহা বৰ্যত পুনৰ বাৰ ঘূৰাই আনিম বুলি প্ৰতিজ্ঞ হয়।

কৰম পূজা এতিয়া চোতালত আবদ্ধ হৈ থকা নাই কৰম পৰৱ এতিয়া মঞ্চত ঠাই লোৱাৰ লগে লগে লগে কৰম পূজা উদ্‌যাপন কৰি একতাৰ ডোলেৰে বান্ধ খোৱাৰ উপৰিও অসমৰ আন আন জাতি জনগোষ্ঠীৰ মাজতো সমন্বয়ৰ বান্ধোন গঢ়ি তুলিছে।●●

# বিশ্বশান্তি ৰক্ষাত ভাৰত কিমানদূৰ সফল

জ্যোতিষ্মান বৰুৱা



Peace, ho gentle peace,
Softness hearts and tensions cease
A balm to soothe our troubled minds.
In unity, true harmony we find.

শান্তি হৈছে মানৱ জাতিৰ কামনা। বিশ্ব উন্নতিৰ এক অন্যতম কাৰক হৈছে শান্তি। যিয়ে মানৱ জাতিৰ সমন্বয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

সাধাৰণ অৰ্থত যুদ্ধ-বিগ্ৰহ, হিংসা অবিহনে সমাজ এখন অথবা দেশ এখন সুকলমে পৰিচালিত হোৱা প্ৰক্ৰিয়াটোকেই শান্তি বুলি ক'ব পৰা যায়। দৰাচলতে 'শান্তি'ক একপ্ৰকাৰৰ প্ৰক্ৰিয়া বোলাতকৈ এটা স্থিতি বুলি ক'লেহে খাপ খাব। সভ্যতাৰ আদিৰ পৰা সমাজত বিভিন্ন ধৰণৰ যুদ্ধ-বিগ্ৰহ, হিংসাত্মক পৰিস্থিতি আদিসমূহে গা কৰি উঠিছিল। তাৰ মাজতো বহুতো সজাগ আৰু শান্তিপ্ৰিয় ব্যক্তি তথা সংগঠনসমূহে সমাজত শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিল। সময়ৰ অন্তৰালত সমাজ এখনত যুদ্ধ-বিগ্ৰহ, অশান্তিকৰ পৰিৱেশ সৃষ্টি হোৱাটো স্বাভাৱিক। কিন্তু তেনে অশান্তিসমূহ সমাজৰপৰা আঁতৰ কৰি শান্তি স্থাপনৰ প্ৰচেষ্টা কৰি সমাজখন পুনৰ শান্তিময় কৰি তুলিব পৰা যায়। অতীত কালৰে পৰাই অৰ্থাৎ ৰজা-মহাৰজাৰ দিনৰে পৰাই বা তাতোতকৈও পুৰণি কালৰ পৰাই বিভিন্ন কাৰণত সমাজত অশান্তিকৰ পৰিৱেশৰ সৃষ্টি হৈছিল। তাৰ মাজতো একাংশই শান্তি প্ৰতিষ্ঠাৰ প্ৰচেষ্টা চলাই বহুক্ষেত্ৰত সফলতাও লাভ কৰিছিল। সাধাৰণতে সীমা বিবাদ বা অন্যান্য বহুতো কাৰণত হোৱা অমানৱীয় পৰিৱেশ/যুদ্ধ-বিগ্ৰহ আদিসমূহ ৰোধ কৰাৰ উদ্দেশ্য বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠন যেনে UNO, NATO, WB আদিসমূহৰ উপৰিও দক্ষিণ-পূব এছিয়াত ASEAN, ইউৰোপত EU আদি বিভিন্ন সংগঠনসমূহ গঠন হৈ উঠিছিল।

বিশ্বশান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বহুতো দেশৰ দৰে ভাৰতবৰ্ষৰ ভূমিকাও অতুলনীয়। অতি প্ৰাচীন কালৰ পৰাই

বিশ্বত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অৱদান দেখিবলৈ পোৱা যায়। ভাৰতবৰ্ষতে জন্ম লাভ কৰা বুদ্ধদেৱ, গুৰুনানক আদি মহান ধৰ্মগুৰুসকলে সমগ্ৰ বিশ্বকেই শান্তিৰ বাৰ্তা প্ৰেৰণ কৰিছিল। তেওঁলোকে জনসাধাৰণৰ মাজত সত্য তথা ধৰ্মৰক্ষাৰ উদ্দেশ্যেৰে সমবেত কৰি শান্তি প্ৰতিষ্ঠাৰ বাবে বাৰ্তা বিলাইছিল। তেওঁলোকে শান্তিৰ বাৰ্তা বিলাবলৈ বহুতো দেশ ভ্ৰমণ কৰিছিল আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে কাম কৰিছিল। সময়ৰ গতিত বিভিন্ন কাৰণত সৃষ্টি হোৱা নব্য নব্য ৰাষ্ট্ৰসমূহৰ মাজতো বহুতো কাৰণত সৃষ্টি হোৱা অশান্তিকৰ পৰিৱেশত ভাৰতবৰ্ষই নিজৰ প্ৰচেষ্টাৰে তেনে দেশসমূহৰ মাজতো শান্তিময় পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰা সময়তে শীতল যুদ্ধৰো ইতিমধ্যে সূচনা হৈছিল আৰু বিশ্বখন দুটা শিবিৰত বিভক্ত হৈছিল। কিন্তু ভাৰতবৰ্ষই কোনো শক্তিগোষ্ঠীত যোগদান নকৰাকৈ দুয়োটা শক্তিগোষ্ঠীৰ মাজত সদ্ভাৱ ৰাখি দেশৰ জাতীয় স্বাৰ্থ পূৰণ কৰাৰ লগতে ন্যায় আৰু শান্তিৰ ওপৰত প্ৰতিষ্ঠিত এক আন্তৰ্জাতিক ব্যৱস্থা গঢ়ি তোলাৰ স্বাৰ্থত সক্ৰিয় ভূমিকা পালন কৰি গোষ্ঠী নিৰপেক্ষ নীতি গ্ৰহণ কৰিছিল আৰু আন্তৰ্জাতিক ৰাজনীতিত সৃষ্টি হোৱা উত্তেজনা ৰোধ কৰি শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে এক সক্ৰিয় ভূমিকা পালন কৰিছিল। তিব্বত সম্পৰ্কত ভাৰত আৰু চীন দেশৰ মাজত শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে ১৯৫৪ চনত পঞ্চশীল নীতিৰ চুক্তি কৰা হৈছিল যিয়ে দুয়োখন দেশৰ মাজত শান্তি প্ৰতিষ্ঠাত অৰিহণা যোগাইছিল। এই 'গোষ্ঠীনিৰেপক্ষ' আৰু 'পঞ্চশীল' নীতি দুটাক ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ ভেটি হিচাপে বিবেচনা কৰা হৈছিল। এই বৈদেশিক নীতিৰ ভেটি হিচাপে বিবেচনা কৰা হৈছিল। এই বৈদেশিক নীতিৰ এটা গুৰুত্বপূৰ্ণ মৌলিক কাৰক হ'ল বিশ্বশান্তি প্ৰতিষ্ঠা কৰা। ভাৰতে বৈদেশিক নীতি প্ৰণয়ণৰ ক্ষেত্ৰত বিশ্ব শান্তিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। ভাৰতে সদায় বিশ্বৰ আন ৰাষ্ট্ৰৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। পঞ্চশীল নীতি স্বাক্ষৰৰ জৰিয়তে এছিয়াৰ দেশসমূহৰ লগতে বিশ্বৰ অন্য প্ৰান্তৰ দেশসমূহৰ লগতো শান্তিপূৰ্ণ সম্পৰ্ক স্থাপন কৰি আহিছে। ভাৰতবৰ্ষই ইয়াৰ বৈদেশিক নীতিসমূহৰ জৰিয়তে এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ মাজতো শান্তিপূৰ্ণ সহযোগিতা সৃষ্টি কৰাত অৰিহণা যোগাইছিল। ভাৰতবৰ্ষই ৰাষ্ট্ৰসংঘৰ লগত শান্তিপূৰ্ণভাৱে আলোচনাৰ জৰিয়তে আন্তৰ্জাতিক সমস্যাসমূহ মীমাংসা কৰি বিশ্বৰ শান্তি প্ৰতিষ্ঠাৰ চেষ্টা কৰি আহিছে। ভাৰতবৰ্ষই নিৰস্ত্ৰীকৰণত বিশ্বাসৰ যোগেদি অস্ত্ৰক বিশ্বশান্তি পৰিপন্থী হিচাপে অভিহিত কৰি মুকলিকৈ যুদ্ধৰ বিৰোধীতা কৰিছে আৰু শান্তি বৰ্তি থকাত ভূমিকা গ্ৰহণ কৰিছে।

তেনেদৰে ব্যক্তিগতভাৱেও বিভিন্ন দেশৰ সৈতে পাৰস্পৰিক চুক্তি স্বাক্ষৰৰ যোগেদি শান্তি প্ৰতিষ্ঠাৰ বাবে ভাৰতবৰ্ষই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। যেনে ১৯৫৪ চনত চীনৰ সৈতে কৰা পঞ্চশীল নীতি, ১৯৬৬ চনত পাকিস্তানৰ সৈতে কৰা টাচকান চুক্তি (Tachkent Agremend) আমেৰিকাৰ লগত হোৱা Delhi Declaration of frindship and joind strategic vision for pacific and Indian ocean, 1972 চনত পাকিস্তানৰ লগত হোৱা চিমনা চুক্তি, ৰাছিয়াৰ লগত হোৱা India Russia stratagic Agrement ৰ আধাৰত ৬০ ত. কৈ অধিক চুক্তি আদিসমূহে শক্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াইছে। আন্তৰ্জাতিক সন্ত্ৰাসবাদৰ বিৰুদ্ধেও ভাৰতে বহুতো ব্যৱস্থা হাতত লোৱা দেখা যায়।

বৰ্তমান সময়তো ভাৰতবৰ্ষই বিশ্বত শান্তি বৰ্তি থকাত কাৰ্য প্ৰণালী হাতত লৈ আহিছে। শেহতীয়াকৈ ক'ৰনা মহামাৰীৰ ভয়াবহতাৰ সময়ত ভাৰতে অন্যান্য দেশসমূহলৈ ভেক্সিন প্ৰদান কৰি যি মানসিক শান্তি প্ৰদান কৰিলে, সেই বিষয়টোকো শান্তি প্ৰতিষ্ঠাৰ অন্যতম কাৰণ হিচাপে ধৰিব পৰা যায়।

ভাৰত চৰকাৰে নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষাৰ কেন্দ্ৰ স্থাপন কৰি শান্তি অব্যাহত ৰখাৰ প্ৰচেষ্টা হাতত লৈছে। য'ত শান্তিৰক্ষাৰ বিষয়ত প্ৰশিক্ষণ আৰু গৱেষণা কৰা হয়। এনে ব্যৱস্থাই সমাজত এক ধনাত্মক প্ৰভাৱ পেলাব যিয়ে দেশসমূহক শান্তিপ্ৰিয় হ'বলৈ উৎসাহ জনাব।

এনেদৰে ভাৰতবৰ্ষই পাৰ্যমানে কাৰ্যপ্ৰণালী হাতত লৈ বছৰ বছৰ ধৰি মানৱ জাতিৰ শান্তিৰ উদ্দেশ্যে প্ৰচেষ্টা অব্যাহত ৰাখি সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিছে। আন্তঃৰাষ্ট্ৰীয় শান্তিৰ সমান্তৰালভাৱে নিৰাপত্তা প্ৰসাৰৰ ক্ষেত্ৰত দেশখনে গ্ৰহণ কৰা ভূমিকাই দেশখনক এখন শান্তিপূৰ্ণ ৰাষ্ট্ৰ হিচাপে পৰিচয় গঢ়ি তোলাত যথেষ্ট সহায়ক কৰি তুলিছে।●●

# বিজ্ঞান বৰদান নে অভিশাপ?

ছুনামি ধনদিয়া

"অভাৱেই আৱিষ্কাৰৰ মূল।" পূৰ্বৰে পৰা মানুহে নিজৰ অভাৱবোৰ পূৰণ কৰাৰ প্ৰচেষ্টা আৰু জিজ্ঞাসু মনোভাৱে বিজ্ঞান জগতত নিতৌ নতুন আৱিষ্কাৰ, নিতৌ একোটা প্ৰকৃতিৰ ৰহস্যভেদ কৰিবলৈ প্ৰয়াস কৰি আহিছে যাৰ ফল আজি আমাৰ সন্মুখত দেখা পাইছো। বৰ্তমান বিজ্ঞানৰ অবিহনে জীৱন যাপন কৰাৰ কথা মানুহে ভাবিবই নোৱাৰে আৰু এইয়া অসম্ভৱ। জল-স্থল, আকাশ-বতাহ সকলোবোৰতে আজি বিজ্ঞানৰে ৰাজত্ব। ৰাতিপুৱা শুই উঠাৰে পৰা নিশা টোপনি যোৱালৈকে আমাৰ প্ৰত্যেক কামতে বিজ্ঞানৰ সহায়তো অপৰিহাৰ্য। বিজ্ঞান এতিয়া আমাৰ হাতৰ লাখুটিস্বৰূপ হৈ পৰিছে। বিজ্ঞান অবিহনে আমি আজি অন্ধ হোৱাৰ উপক্ৰম হৈছো।

বিজ্ঞানে আজি আমাৰ পৃথিৱীখনক এখন ক্ষুদ্ৰ গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিশ্বৰ যিকোনো প্ৰান্ততে ঘটা ঘটনা বা বাতৰি আমি মুহূৰ্ততে লাভ কৰিব পাৰোঁ। আজি বিজ্ঞানে আমাক কি দিয়া নাই? ছপাশাল, ৰে'ল ইঞ্জিন, যানবাহন, উৰাজাহাজ, ফ্ৰীজ, ফেন, এ.চি, বিজুলী বাতি, কম্পিউটাৰ, ম'বাইল টেলিভিছন আদিকে ধৰি আমাৰ প্ৰয়োজনীয় সকলো সামগ্ৰী বিজ্ঞানৰ সৃষ্টি। পূৰ্বতে মানুহে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাবলৈ হ'লে নানা বাধা-বিঘিনি অতিক্ৰম কৰি দুৰ্গম পথেৰে খোজকাঢ়ি যাব লগা হৈছিল। আজি কালি পলকতে যানবাহন, ৰেলগাড়ী, উৰাজাহাজ আদিৰ সহায়ত এখন দেশৰ পৰা আন এখন দেশলৈ যাব পৰা যায়। চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত বিজ্ঞানে বিশেষ অৰিহণা আগবঢ়াই মানুহৰ গড় আয়ুস বৃদ্ধি কৰিছে। পুৰণিকলীয়া অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আঁতৰাই তাৰ ঠাইত বৈজ্ঞানিক দৃষ্টিভংগী প্ৰয়োগ কৰাত অৰিহণা আগবঢ়াইছে বিজ্ঞানে। তদুপৰি বৈজ্ঞানিক আৱিষ্কাৰে আমাক সৃষ্টিৰ তত্ত্ব নৃতাত্ত্বিত ঐতিহাসিক জ্ঞান, বিশ্ববিধান, দিন-ৰাতি হোৱাৰ কাৰণ, গ্ৰহ-নক্ষত্ৰৰ ৰহস্যৰ সন্ধান আদিৰ বিষয়ে জনাটোও সম্ভৱ কৰি তুলিছে। আজি মানুহে চন্দ্ৰত অৱতাৰণ কৰিছে কেৱল বিজ্ঞানৰ বলতে। তদুপৰি বিজ্ঞানে কৃষি, শিল্প, বাণিজ্য, যাতায়াত এই সকলোবোৰৰে পৰিৱৰ্তন সাধন কৰিছে। বিজ্ঞানৰ এটা প্ৰধান আৰু অদ্ভুত আৱিষ্কাৰ হ'ল ইণ্টাৰনেট। এই আৱিষ্কাৰে পৃথিৱীখনক এখন সৰু গোলকীয় গাঁৱত পৰিণত কৰি সকলো সা-সুবিধা ঘৰত বহিয়ে লাভ কৰাত খুব কম সময়ৰ ভিতৰতে যিমানেই কঠিন কাম নহওঁক কিয় নিমিষতে সম্পূৰ্ণ কৰাত সহায় কৰিছে। যেনে—অফিচত তথ্য সংগ্ৰহ কৰা, দেশৰ তথা পৃথিৱীৰ যিকোনো ঠাইলৈ পঠোৱা পলকতে সম্ভৱ হৈছে।



বিজ্ঞানে আমাক বহুত আৰাম আৰু নিৰাপত্তা দিয়াৰ লগতে মূল্যৱান সময়ৰ অপচয় হোৱাত সুৰক্ষা প্ৰদান কৰিছে।

কিন্তু যিকোনো বস্তুৰ অতিমাত্ৰা প্ৰয়োগৰ ফলত বেয়া ফলাফল দিয়াটো সাধাৰণ কথা। বিজ্ঞানে এহাতে যিদৰে আমাক সভ্যতাৰ চৰম শিখৰলৈ লৈ গৈছে আনফালে ই মানৱজাতিৰ ধ্বংসৰ কাৰণ হৈ পৰিছে। পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ, বোমা-বাৰুদ আদিৰ আৱিষ্কাৰে মানুহৰ জীৱনলৈ কঢ়িয়াই আনিছে চৰম হতাশা আৰু বিপৰ্যয়ৰ বাৰ্তা। পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ, বোমা-বাৰুদ আদিৰ আৱিষ্কাৰে মানুহৰ জীৱন নিমিষতে শেষ কৰি দিব পাৰে। উদাহৰণস্বৰূপে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিৰোছিমা আৰু নাগাচাকিত পাৰমাণৱিক বোমা বিস্ফোৰণ ঘটোৱাৰ ফলত বহুতো লোকৰ প্ৰাণ নাশ হয়। তদুপৰি জৈৱিক বোমাৰ আৱিষ্কাৰ হৈছে বিজ্ঞানৰ মানৱজাতিলৈ এক অন্যতম অভিশাপ। কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰে মাটিৰ উৰ্বৰতা বঢ়াই শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ সমান্তৰালভাৱে মাটিৰ প্ৰদূষণ কৰি ভৱিষ্যত জীৱনলৈ অন্ধকাৰ কঢ়িয়াই আনিছে। কল-কাৰখানাৰ আৱৰ্জনাই বায়ু প্ৰদূষণ কৰি আমাৰ যোগ্য ভোগ্য বসুন্ধৰালৈ চৰম বিপৰ্যয়ৰ সৃষ্টি কৰিছে। বিজ্ঞানৰ অন্যতম সৃষ্টি ইণ্টাৰনেটৰ কু-ব্যৱহাৰৰ ফলত ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মই এক অন্ধকাৰ পৃথিৱীৰ দিশে গতি কৰিছে। তদুপৰি নিতৌ নতুন আৱিষ্কাৰ আৰু ৰহস্য উদ্‌ঘাটনৰ কৰাৰ মনোবৃত্তিৰে আমি প্ৰকৃতিৰ ওপৰত বহুত বেছি অত্যাচাৰ কৰিবলৈ ধৰিছো। ক'বলৈ গ'লে নিজৰ সা-সুবিধা পূৰণ কৰাৰ নিমিত্তে প্ৰকৃতি জগতত ধ্বংসৰ যজ্ঞ কৰিবলৈ লৈছো। এচাম স্বাৰ্থপৰ মানুহে নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ গৈ আনৰ হিত অহিতৰ কথা চিন্তা নকৰি প্ৰকৃতিক বিপুল পৰিমাণে নিঃশেষ কৰাত লাগিছে। যাৰ ফলত আমি নিতৌ নতুন বিপদৰ সন্মুখীন হ'বলগীয়াত পৰিছো। তাৰে এটা জ্বলন্ত উদাহৰণ হ'ল—বিশ্বৰ বুকুত মৃত্যুৰ মেলা পতা এক ভয়াৱহ আতংকৰ সৃষ্টি কৰা 'ক'ৰনা ভাইৰাছ'। যাৰ নাম শুনিলেই মানুহ ভয়ত পেপুৰা লাগে যি মহামাৰীৰ কবলত পৰি সমগ্ৰ বিশ্ব সৰ্বহাৰা হৈ পৰিছিল। এই সকলোবোৰৰ মূলতে হৈছে বিজ্ঞান।

সকলো বস্তুৰে ভাল বেয়া দুটা দিশ থকাৰ দৰে বিজ্ঞানৰ ভাল-বেয়া দুটা দিশ আছে। আমি বেয়াটো গ্ৰহণ নকৰি ভালটো গ্ৰহণ কৰিব লাগে। মানৱজাতিৰ কল্যাণৰ




কাৰণে বিজ্ঞানক ব্যৱহাৰ কৰি মানৱ জাতিৰ সমস্যা দূৰ কৰাৰ বাবে যত্ন কৰিব লাগে। অদূৰ ভৱিষ্যতে হ'ব পৰা সমস্যা সমাধানৰ বাবে বৈজ্ঞানিকসকলে চেষ্টা কৰাটো প্ৰয়োজনীয়। তদুপৰি পৰিৱেশক নিয়ন্ত্ৰণত ৰাখি জনকল্যাণ কৰিবলৈ ব্ৰতী হ'ব লাগে। বিজ্ঞানে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিছে। মুঠতে বিজ্ঞান মানৱ সভ্যতাৰ অগ্ৰগতিৰ অনবদ্য আহিলা যাৰ সুব্যৱহাৰৰ বাবে মানুহে নিজৰ ইচ্ছা মনোবাঞ্ছা, জিজ্ঞাসাৰ পৰিমাণ কমোৱা উচিত। নিজৰ ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি প্ৰয়োজন অনুসাৰে আৰু প্ৰকৃতিৰ অনিষ্ট নকৰাকৈ কাম কৰিব লাগে। সেয়ে নকৰিলে এদিন এই পৃথিৱীৰ পৰা মানৱ সভ্যতাৰ সূৰ্য অস্ত যাব।●●

# Today's Women

**Dharmamoy Gogoi**



When we talk about today's women we imagine, them to be strong, independent, bold and so on. Women today are half the world's population, two-thirds of the world's work hours, receive a tenth of the world's income, and own less than a hundredth of the world's property.

But why do we imagine today's women to be strong and bold. There are a lot of reasons to support this. Women who is someone's wife, daughter, mother, sister has really worked hard to achieve the status of today's women. They had to fight so many discrimination in order to gain their dignity.

Today's women is no less than any men. They compete equally with men, be it any field. Today's women don't just serve as a housewife but they equally compete with man in the economic field as well. Infect, women are proven to be better in many areas and sometimes even better than men.

So, it is our sheer duty to support them in all ways possible. We should make people aware that women can contribute in a country's development and can bring revolutionary changes life men. So, there should awareness programmes in remote areas where women are seen as a burden for the family and are treated as exchange products among families.

Women should be respected and belive that when we educate a man we educate a person but when we educate a women, we educate an entire family.●●

# The Dream of Developing Assam as the Most Developed State in India

**Monashminee Dutta**

Assam is the largest economy in the north lost region. Assam has the largest tea growing area in the world, constituting around one seventh of the Global tea production. Assam has 20 industrial estates, three industrial growth centers, 11 integrated infrastructure development reports, 17 industrial areas, 12 growth centres, 8 mini industrial estates, one export promotion park and one food processing industrial park. Assam has also the most popular tourist destination among the northeast state.




We live in an age of unprecedented prosperity, but also unspeakable deprivation around the world. The citizens of Assam is pleased that elimination of poverty in all farms everywhere is at the tap of our goals. Addressing the needs of 1.3 billion poor people in the world's which is not merely a question of their survival and dignity an our moral responsibility. It is a vital necessity for ensuring peaceful, sustainable and just world wide view and representation of Assam. In the light of above, it may be stated that government of Assam has a 3600 vision of the development of the state, emerging from intensive engagement and extensive dialogue with the citizens; and serious and systematic consideration of different issues like agriculture, industry, infrastructure, governance, social issues, regional divide, security concerns etc. spread across the varied geography of the state. We will actively shape the future to transform Assam into a sustainably developed state by 2030 with future ready good




governance innovatively applying world's lalest technologies and management techniques to ensure full utilization of her invaluable natural and human resources. We believe that the state must be culturally socially and physically secure for enabling the kind of historic transformation to the people of Assam. We see economic development as the foundation of this transformation, covering a wide spectrum of activities like employment generation, poverty alleviation, youth development, infrastructure development, industrial development, agricultural development, rural development and urban development.

No poverty goal envisions eradication of poverty in all its manifestations like Economic, Geographical, educational etc and to provide every citizen adequate social security and sustainable decent livelihood, by ensuring rights over land, poverty and other Economic resources everywhere. The goal lays down targets for eradication of extreme poverty for all people everywhere, at least by half the proportion of men, women and children of all ages, through necessary/appropriate social protections system. This is the beginning of an exciting journey for the government and people of Assam. This is the path as we see today in developing Assam as the most development state in India. We would be touring this path together with commitment and dedication, but would by very sensitive to the dynamic nature of the world we live in, and ever-willing to face new challenges and grasp new opportunities. Our eyes, minds and hearts are focused on our destination and we will continue to adapt the best strategies and walk on the best path to reach our destination.

Hence, I would like to conclude the fact that, its not that late we are lacking behind or our country is developing too fast. I see my state, Assam as the most developing state over the coming years.●●

# Navigating Societal Seas: The vital Relevance of Political Science

**Ritisha Bhadra**

"The only constant in life is change"– Heracleties. In a world driven by the relentless currents of change, the study of Political Science stands as a guiding star, illuminating the complex labyrinth of power dynamics, governance and human intenations. As Heraclitus wisely noted, change is the sole constant and in no realm is this truer. Than in the mealm of polities. Today, as societies grapple with intricate challenges the importance of political science becomes ever more pronounced.

From plato's "Republic" to Machiavellies. "The prince" history reverberates with the wisdom of political phiosophess who dissected the anatomy of governance. These luminaries understood that politics is not merely the pursuits of power, but a nuanced interplay of ideologies, institutions and values. The evolving landscape of international relations, socio economic disparities and climate crisis necessitates a profound comprehension of these intricacies. A Aristotle posited, "Man is by nature a political animal". In the tumultuous sea of politics, we are the sailors of our destiny. Political science equips us with the tools to Decipher the levicen of diplomacy, sovereignty, and human rights. Terms like 'realolities", "democratic deficit", and "soft power" hold the key to understanding global interactions. As the great Miccolo Machiavelli cautioned, "The ends justify the means". In a world where leaders must balance which with pragmatism, grasping this aphorism is essential to navigating the ethereal balance of power.

In an are marked by information proliferation political literacy is a shield against manipulation. Recognizing logical fallacies and understanding the nuances of rhetoric are vital to discerning truth from deception. As Socrates proclaimed, "An unexamined life is not worth living". Similar, an unexamined political climate is not worth accepting.

The cannas of Political science stretches beyond borders and its influence permeates dimerse fields. Economics, sociology and low entwine with polities to shape the trafectory of nations. John Locke's concept of the "social contract" echoes in constitutional frameworks across the globe. "Government of the people, by the people, for the people", as Abraham Lincoln envisioned, underscores the essence of democracy, itself a cornerstone of political science. As we sail through this intricate tapestry of ideologies, it is imperative to heed the words of Hannah Arendt, "The sad truth is that most evil is done by people who never make up their minds to be good or evil." The path to a just society is paved by those who understand and engage with the principles of justice, liberty and equality.

The study of political science is not an archaic pursuit, it is a beacon guiding us through the tumultuous waters of change. Today's complexities demand more than just a surface-level understanding of political dynamics. Just as Thucydides chronicled the Peloponnesian war, we must chronicle our times for as plato stated, "One of the penalties for refusing to participate in politics is that you end up being governed by your inferiors."

In the symphony of human civilization, the orchestra of politics plays a resonating tune. Let us not be mere listeners; let us be the composers the conductors and the performers shaping the harmonious cadence of a better world.●●

# Beautiful Mind Helter than a Fair Complexion

**Kangkon Chetia**

A beautiful mind is more important than beautiful fair skin. Physical beauty fades amay with time but inner beauty remains forever. One with a beautiful mind should remember that they are rare as the moon and always for more beautiful and attractive than a person with a fair complexion "Beauty is not in the face, it lies in the gleam of our hear." Intelligence, creativity and emotional intelligence are qualities that transcend physical appearances and contributes to the essence of true beauty. A person with a beautiful mind can inspire, educate and make the world a better place through their ideas and actions.



Society's fixation on fair complexion as the ultimate standard of beauty has detrimental consequences. It perpetuates harmful stereotypes and reinforces the idea that same individuals are more valuable than other basely solely on their appearance. This can bad to discrimination low-esteem and a series of inadequacy particularly among those who do not comp form to these narrow standards.

By raving a beautiful mind our fair complexion, we create a more inclusive and accepting society. This shift in perspective allows individuals from various backgrounds to feel valued and seen for their unique qualities rather than their skin color.

In confusion, It is high time we shift our focus from fair complexion as the measure of beauty to the rich and profound qualities of a beautiful mind. Intelligence creativity empathy and kindness are attributes that truly define a person's beauty. By embracing this perspective and advocating for change, we can create a world that values individuals for who they are not how they look. It is a world where she beauty of a beautiful mind shines fighter than any fair complexion ever could.

# Deadly weapons that Originated in India

**Chayanika Gogoi**

India has a rich history of impressive weapons that showcase the high level of craftsmanship and the martial traditions of the subcontinent.

In the ancient and the medieval period. India had many successful dynasties that set camp on the India subcontinent. That led to a lots of wars. Wars mean military expenditure and innovation and in this process. Many original designs of some deadly weapons were conceptualized and created in India.

Some of the deadliest indigenous weapons developed by India are as the following.

**1.Chakram :**

The Chakram is a circular throwing weapon used by warrior sikha. Known for its precise and swift throws.

It would be thrown from a horse top and there is basically no defense from it. It would chop and fatally cut down anything in its path.

**2. Talwar :**

The Talwar a curved sword gained popularity during the Mugral era and represented the might of the empire. The talwar curves at the end and even thickens in comparison to a classic western sward. This gives it more momentum and slicing ability. Expert wielders could chop a bead off clean.

**3. Bagh Nakha :**

Emperor shivaji's Bagh Nakha was renowned for its lethal disembowelment techniques. Reflecting the strategic cunning of the Marathas. It was the weapon that shivaji used to kill Afzal Khan.

This lethal weapon was used with poison to assassinate too. It could be casily conceled under the plams.

**4. Qatari :**

The Qatari originating from southeast Asia but prominent among Rajput warriors featured a multilayered strike zone for close combat advantage.

**5. Katar:**

Katars were small stabbing knives that were forged from broken blades of swards. These were unbreakable blades that would out through armor and mail easily. Multiple swards shards were melded together to form a very strong knife, that shred the flesh it was sunk into

**6. Dandpatta :**

The dandpatta was the proud Maratha weapon that can cut through multiple soldiers at once.

**7. Khukuri :**

The khukuri was the signature weapon of the brave Gorkha soldiers. The blade is curved and hence is effective in slicing without a lot of force.

All these weapons offer insights into India's martial tradition and the impressive craftsmanship behind its awe-inspiring weapons.

Even at the present time India has worked



to develop an autonomus military industry since independence was gained.

India first test a unclear device in 1974, code-named "Smilling Buddha", under prime Minister Indira Gandhi as a peaceful unclear explosion.

India performed further nuclear tests in 1998, code-named "Operation shakti" under Prime. Minsister A.B.Vajpayee. At present, India estimate has 164 unclear weapons.

India has also developed some of its modern deadliest weapons such as

**KALI :**

The kali (Kilo Ampere linear injector) is a one of its kind anti-missile technology that can zap missiles mid-air. It is a linear particle accelerator that can fire heavy microwave beams to fry enemy missile circuitry mid-air so that it cannot even detonate.

**Brah Mas:**

The Brah Mos missile is the fastest missile on the planet. It can fly up to speeds of Mach 3 that is three times the speed of sound-essentially 1 km per scond!

In the 14th Republic Day parade. Indian military showcased its major weapons including 105 mm Indian field Guns. LCH Prachand. K-9 vajra bewitzers. MBT Arjun. Nag anti-tank guided missiles. Akash air defence missile, and the quick Reaction fighting vehicles.

All these weapons highlight the mastery and artistry of Indian weapon-smiths. It also clearly shows India's strong military power and the strong defense system.●●

# G-20

নিকিতা মৰাণ




G20 বা Group of 20 হৈছে বিশ্বৰ ২০ খন বৃহৎ দেশৰ অৰ্থনীতিৰ মঞ্চ যি বিশ্ব অৰ্থনীতিত সন্মুখীন হোৱা সমস্যাকে ধৰি গোলকীয় উষ্ণতা বৃদ্ধি, সন্ত্ৰাসবাদ নিৰ্মূলকৰণ, বহনক্ষম উন্নয়ন আদি বিষয়ৰ ওপৰত আলোচনা কৰে। G20ৰ অন্তৰ্গত সদস্য ২০ খন দেশ হ'ল—আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ব্ৰাজিল, কানাডা, চীন, ফ্ৰান্স, জাৰ্মানী, ভাৰত, ইণ্ডোনেছিয়া, ইটালী, জাপান, দক্ষিণ কোৰিয়া, মেক্সিকো, ৰাছিয়া, চৌদি আৰৱ, দক্ষিণ আফ্ৰিকা, তুৰ্কী, বৃটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগতে ইউৰোপীয়ান ইউনিয়ন। তদুপৰি G20 ৰ অতিথি ৰাষ্ট্ৰসমূহ হৈছে বাংলাদেশ, ইজিপ্ত, নেদাৰলেণ্ড, নাইজেৰিয়া, ওমান, মৰিচাছ, চিংগাপুৰ, স্পেইন আৰু ইউ এ ই (UAE)।

বিশ্বৰ অৰ্থনৈতিক সংকটৰ সৈতে মোকাবিলা কৰিবলৈ বিশেষকৈ এছিয়া মহাদেশৰ বিত্তীয় সংকটৰ পিছত ১৯৯৯ চনত G20 গঠন কৰা হৈছিল। ২০০৮ চনৰপৰা প্ৰতিবছৰে অতি কমেও এবাৰকৈ সদস্য দেশসমূহত G20 সন্মিলন অনুষ্ঠিত হৈ আহিছে। এই সন্মিলনত প্ৰতিখন সদস্য ৰাষ্ট্ৰৰ বিত্ত মন্ত্ৰীকে ধৰি অন্যান্য উচ্চ পদস্থ বিষয়াসকলে অংশ গ্ৰহণ কৰে। আনহাতে ইউৰোপীয়ান ইউনিয়নৰ অন্তৰ্গত দেশসমূহক প্ৰতিনিধিত্ব কৰে ইউৰোপীয় কেন্দ্ৰীয় বেংকে। উল্লেখ্য যে, প্ৰতিবছৰেই G20ৰ সভাপতিৰ দায়িত্ব হস্তান্তৰ কৰা হয়। G20ৰ সদস্য ৰাষ্ট্ৰসমূহে গোলকীয় জি ডি পি ৰ ৮৫ শতাংশ, গোলকীয় বাণিজ্যৰ ৭৫ শতাংশ আৰু বিশ্বৰ মুঠ জনসংখ্যাৰ দুই-তৃতীয়াংশক প্ৰতিনিধিত্ব কৰে। G20ৰ মূল উদ্দেশ্য হৈছে—বিশ্বব্যাপী অৰ্থনৈতিক স্থিৰতা আৰু বহনক্ষম

বিকাশৰ বাবে ইয়াৰ সদস্যসকলৰ মাজত সমন্বয় স্থাপন কৰা, অৰ্থনৈতিক বিপদাশংকা হ্ৰাস কৰা আৰু ভৱিষ্যতৰ বিত্তীয় সংকট প্ৰতিৰোধ কৰিবলৈ বিত্তীয় নিয়মাৱলীৰ প্ৰচাৰ কৰা আৰু বিশ্বৰ অৰ্থব্যৱস্থাৰ আধুনিকীকৰণ কৰা। প্ৰতিবছৰে G20ৰ সভাপতিত্ব হস্তান্তৰ কৰা হয় আৰু ২০২৩ বৰ্ষ ইয়াত দায়িত্ব লাভ কৰিছে ভাৰতে। এই বৰ্ষৰ ডিচেম্বৰ মাহত নতুন দিল্লীত অনুষ্ঠিত হ'ব G20ৰ ১৮ সংখ্যক সন্মিলন। যাৰ বাবে ইতিমধ্যেই দেশৰ বিভিন্ন স্থানত G20ৰ বাবে অনুষ্ঠিত হৈছে বৈঠক তাৰ অংশস্বৰূপে গুৱাহাটী আৰু ডিব্ৰুগড়তো অনুষ্ঠিত কৰা হৈছে G20 বৈঠক। 2022 বৰ্ষৰ ডিচেম্বৰ আৰু 2023 বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ মাজত বৈঠক অনুষ্ঠিত হোৱা বা হ'ব লগা স্থানসমূহ হ'ল—বেংগালুৰু, চণ্ডিগড়, চেন্নাই, গুৱাহাটী, ইন্দোৰ, যোধপুৰ, খাজুৰাহো, কলকাতা, লক্ষ্ণৌ, মুম্বাই, পুনে, চুৰাট, তিৰুৱন্তপুৰম আৰু উদয়পুৰ। নতুন দিল্লীত G20ৰ মূল বৈঠক অনুষ্ঠিত হোৱাৰ বিপৰীতে শ্ৰীনগৰ, গোৱা, শিলিগুৰি, খাজুৰাহো, হাম্পি, ভুৱনেশ্বৰ, আগ্ৰা, অমৃতসৰতো অনুষ্ঠিত হ'ব কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠক।

২০২২ বৰ্ষত ইণ্ডোনেছিয়াৰ বালিত G20 সন্মিলন অনুষ্ঠিত হয়। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি জেকো ৱাইড' ডে আনুষ্ঠানিকভাৱে সভাপতিৰ দায়িত্ব ভাৰতক অৰ্পণ কৰাৰ পিছত ১ ডিচেম্বৰৰ পৰা ভাৰতে G20 গোটৰ অধ্যক্ষ হিচাপে কাম আৰম্ভ কৰাৰ দায়িত্ব গ্ৰহণ কৰে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দায়িত্ব লাভ কৰাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰ বাবে গৌৰৱ আৰু সন্মানৰ বিষয়। ২০২৩ ৰ G20 সন্মিলনৰ বিষয়বস্তু হ'ব 'বসুধৈৱ কুটুম্বকম' অৰ্থাৎ এক পৃথিৱী এক পৰিয়াল, এক ভৱিষ্যত। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ দৰে কঠিন




সময়ত G20ৰ সভাপতিত্ব লাভ কৰাটো ভাৰতৰ বাবে প্ৰত্যাহ্বানৰ লগতে আনন্দ আৰু গৌৰৱৰ বিষয়। G20 ত মুঠ ৩২ টা বিষয় সামৰি ২০০ খন বৈঠক অনুষ্ঠিত হ'ব সমগ্ৰ ভাৰতবৰ্ষত। G20 সন্মিলনৰ জৰিয়তে দেশৰ কূটনৈতিক, অৰ্থনৈতিক, স্বাস্থ্য আৰু পৰ্যটন বিভাগৰ যথেষ্ট উন্নতি সাধন হ'ব। বৰ্তমান বিশ্ব বেংক, বিশ্ব বাণিজ্য সংস্থা আদিৰ দৰে বিশ্ব সংস্থাসমূহৰ গাঁথনি পৰিৱৰ্তনৰ কিছু প্ৰয়োজনীয়তা আছে। G20 সন্মিলনৰ জৰিয়তে এয়াও সম্ভৱ হৈ উঠিব। এই সন্মিলনত শিক্ষা সংক্ৰান্তীয় বৈঠকে ভাৰতৰ শিক্ষা ব্যৱস্থা উন্নত কৰিব। G20 সন্মিলনত মুঠ ৩২ টা বিষয় সামৰি ২০০ খন বৈঠক অনুষ্ঠিত হ'ব সমগ্ৰ ভাৰতবৰ্ষত। ইয়াৰে ৫ খন বৈঠক অনুষ্ঠিত হ'ব অসমত। অসমৰ ডিব্ৰুগড়ত এখন আৰু গুৱাহাটীত ৪ খন বৈঠক অনুষ্ঠিত হ'ব। ১২০০ তকৈ অধিক বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিব G20 সন্মিলনত।

G20 সন্মিলনৰ যোগেদি ভাৰতবৰ্ষই বিশ্বৰ বুকুত গুৰুত্ব লাভ কৰিব আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে বিভিন্ন দিশ সহজ হ'ব বুলি ধাৰণা কৰা হৈছে।●●

# ছাত্ৰ ৰাজনীতি আৰু সামাজিক দায়বদ্ধতা

লোপামুদ্ৰা দুৱৰা

*"আজি আমাৰ ছাত্ৰ সমাজেও তেওঁলোকৰ স্থান বুজিবলৈ আৰু তেওঁলোকৰ ছাত্ৰ হিচাপে যে এটা মৰ্যাদা আছে, সেই কথাটো বুজিবলৈ ইচ্ছা কৰিছে। সেই কাৰণেই তেওঁলোকে ৰাজনীতি আলোচনা সমাজনীতি আলোচনা আৰু জাতীয় আন্দোলনৰ অলপ-অচৰপ সংশ্ৰৱত থাকিব খুজিছে। এই বিষয়ে আমাৰ ৰাইজৰ একো আপত্তি থাকিব নালাগে।"*

*—কৃষ্ণকান্ত সন্দিকৈ*

বিদ্যা লাভেই ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। গতিকে ছাত্ৰসকলে অধ্যয়নৰ বাহিৰে অন্য একো কথাতে চকু দিব নালাগে। শিক্ষা অবিহনে এখন সুন্দৰ সুস্থ-সবল সমাজ পাব নোৱাৰো। এইফালৰ পৰা চাবলৈ গ'লে অধ্যয়নৰ বাহিৰে অন্য কোনো কথাতেই চকু দিব নালাগে। কিন্তু বৰ্তমানৰ যুগত একমাত্ৰ পাঠ্যপুথি অধ্যয়ন কৰি এজন ছাত্ৰই প্ৰকৃত শিক্ষিত লোক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব নোৱাৰে। আজিৰ ছাত্ৰ কালিলৈ দেশৰ ধৰণী। এই কথাষাৰ সৰ্বজনবিদিত। এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে ছাত্ৰ সমাজৰ ওপৰত। ভাল শিক্ষাৰে শিক্ষিত ছাত্ৰইহে দেশৰ বাবে ভাল কাম কৰিব পাৰে। সেই ক্ষেত্ৰতে প্ৰয়োজন ভাল শিক্ষা ব্যৱস্থা। ভাল শিক্ষা ব্যৱস্থাইহে ছাত্ৰ-ছাত্ৰীক সুশিক্ষা প্ৰদান কৰাত প্ৰভূত পৰিমাণে অৰিহণা যোগায়।

আৰ্তজনক সেৱা কৰাই সমাজ সেৱাৰ মূল উদ্দেশ্য। যুগে যুগে নানা জনে সমাজ সেৱাক জীৱনৰ ব্ৰত হিচাপে লৈ আহিছে। বৰ্তমান যুগ প্ৰতিযোগিতাৰে ভৰা যুগ। এই সময়ত মানুহে মানুহৰ বাবে ভাবিবলৈ বৈ যায় নে? বৈ যায় মাথোঁ কিছুমান বেদনা গধুৰ স্মৃতি, সকলোৰে অকলশৰীয়া অনুভৱ কৰে।

আমাৰ ভূপেনদাই সেয়ে গাইছে
"আকাশী গংগা বিচৰা নাই
নাই বিচৰা স্বৰ্ণ অলংকাৰ
নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত
বিচাৰো মৰমৰ মাত এষাৰ।"

গতিকে প্ৰত্যেক মানুহে নিয়াৰি আৰু সততাৰে নিজৰ কৰণীয়খিনি সময়মতে কৰি গ'লে সমাজলৈ সুস্থিৰতা আহিব। বৰ্তমান ছাত্ৰ সাজ এই ক্ষেত্ৰত খুবেই সতৰ্ক। ভাৰত তথা অসমত ছাত্ৰ সংগঠনসমূহৰ জনপ্ৰিয়তা থকাৰ লগতে সামাজিক মৰ্যাদাও আছে। আশীৰ দশকত অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত AASU (All Assam student's Union) বা সদৌ অসম ছাত্ৰ সন্থাই বিশ্ব ইতিহাসত এক মাইলৰ খুঁটি স্থাপন কৰিছিল। ইয়াৰ পিছতে বিভিন্ন ধৰণৰ ছাত্ৰ সংগঠনসমূহৰ জন্ম হ'বলৈ

ধৰিলে। ABSU, TMPK আদি ছাত্ৰ সংগঠনসমূহে অৰাজনৈতিক চৰিত্ৰ বহন কৰি সংগঠনটোৰ নিকা ভাবমূৰ্তি বৰ্তাই ৰখাতো অতিশয় আৱশ্যকীয়।

ছাত্ৰসকলে হৈছে সমাজৰ অংশ। মানুহৰ ব্যক্তিগত জীৱনত অহাৰ দৰে সামাজিক জীৱনলৈও সময়ে সময়ে বিভিন্ন বিপদ, বিভিন্ন দুৰ্যোগ আহে। সমাজৰ অস্থিৰতাৰ সময়ত ছাত্ৰ ৰাজনীতিলৈ বাৰুকৈয়ে প্ৰভাৱ পেলায়। যিসকলে সমাজৰ সেৱাৰ বাবে নিজকে উছৰ্গা কৰি ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰে তেওঁলোকে সমাজৰ বাবে সদায়ে দায়বদ্ধ। দেশৰ ভৱিষ্যতৰ নেতাৰ উদ্ভৱ এই ছাত্ৰসকলৰ পৰাই জন্ম হয়।

সমাজ সেৱা এক মহান কাৰ্য। বৃক্ষৰোপণ, বন্যপ্ৰাণী সংৰক্ষণ পৰিৱেশ সংৰক্ষণ, প্ৰদূৰ্ষণ ৰোধ আদি কাৰ্যত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ উপৰিও জনসাধাৰণক এইবোৰৰ সুফলৰ বিষয়ে অৱগত কৰোৱা আদি কাৰ্যও সমাজ সেৱাৰ অন্তৰ্গত। সমাজসেৱাৰ কাৰ্যবোৰ বহুমুখী হ'লে তাৰ দ্বাৰা ছাত্ৰৰ জ্ঞান বৃদ্ধি হয়। তদুপৰি সমাজৰ বিভিন্ন পৰিৱেশ আৰু বিভিন্ন সমস্যাৰ প্ৰত্যক্ষ অভিজ্ঞতা আৰু জ্ঞানৰ পৰিসৰ বৃদ্ধি হয়। বৰ্তমান কালত ভাৰতীয় শিক্ষাৰ্থী বাহিনী (এন.চি.চি.), স্কাউট-গাইড, ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন.এন.এছ.) নেহৰু যুৱকেন্দ্ৰ আদি সংগঠনৰ জৰিয়তেও ছাত্ৰসকলক সৃষ্টিমূলক সাংগঠনিকমূলক সমাজ সেৱাৰ কামৰ প্ৰণালীবদ্ধভাৱে শিক্ষা দিয়াৰ ব্যৱস্থা আছে। তদুপৰি বহুধৰণৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন, যিবিলাকেও প্ৰণালীবদ্ধভাৱে সমাজ সেৱাৰ কাম হাতত লয়।

ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল অধ্যয়ন। নিজৰ পঢ়া-শুনাৰ লগতে প্ৰতিজন ছাত্ৰই দেশৰ জনগণৰ সুখ-দুখৰ প্ৰতি চকু দিয়াটো স্বাভাৱিক। প্ৰয়োজন অনুসাৰে তেওঁলোকে ৰাজপথলৈ ওলাই আহিব লগা হ'ব পাৰে। কিন্তু যেতিয়া কোনো জাতীয় সংগঠনে এটা ৰাজনৈতিক দলৰ বহতীয়া হৈ পৰে তেন্তে সেই ছাত্ৰ সংগঠনটোৰ প্ৰতি জনসাধাৰণৰ আস্থা নাইকিয়া হয়। যেতিয়া ছাত্ৰ সংগঠনত কোনো ৰাজনৈতিক দলৰ মুখপাত্ৰই ভূমিকা লয় তেতিয়াই ছাত্ৰ সংগঠনটোৱে নিজৰ নৈতিক চৰিত্ৰ হেৰুৱাই পেলাব আৰু বাইজেও সন্দেহৰ চকুৰে চাবলৈ লয় ছাত্ৰ সংগঠনটোক যিটো অতিশয় লজ্জাজনক স্থিতি আৰু দুৰ্ভাগ্যজনক কথা ছাত্ৰসমাজৰ বাবে। ছাত্ৰ সমাজ যদি ৰাজনীতিৰ পাশা হৈ পৰে তেন্তে জানিব লাগিব যে সমাজ ৰসাতলে গ'ল।

গতিকে ছাত্ৰসমাজে সমাজৰ বাবে কৰ্তব্য আৰু দায়িত্বৰ মূল্যবোধ বুজি পাব লাগিব আৰু ৰাজনৈতিক অসুস্থতাই মষিমূৰ কৰাৰ পৰা বিৰত ৰাখিব লাগিব ছাত্ৰ সমাজৰ ৰাজনীতিক। সংস্কাৰমুখী মনোভাৱেৰে প্ৰত্যেকেই আগুৱাই আহি নিজৰ কৰ্মখিনি নিষ্ঠা, সততা আৰু সৎ সাহসেৰে কৰি গ'লেই এক নতুন দিগন্তৰ সূচনা হ'ব। যুৱ সমাজৰ সুস্থ সবল চিন্তা, নেতৃত্ব আৰু কৰ্মৰ মাজেৰে অসমী আই উন্নতি তথা শান্তিৰ মুকুট পৰিধান কৰি জিলিকি উঠক তাৰে কামনাৰে অম্বিকাগিৰীৰ ভাষাৰে এই লেখা সামৰিছোঁ—

"জাগ ডেকা তেজ জাগ
আজি জাগ আগ্নেয়গিৰি উদ্গীৰণ
জাগ
জাগ ডেকা তেজ জাগ।।"●●

# The dream of developed Assam

**Tonmoy Jyoti Dowarah**

Assam is the largest state in India's north east with the added greenery of the state's forest tea gardens and paddy fields. Assam boasts on unparallel natural beauty. However in contrast to the abundant natural serenity, the state has often witnesse social and political turbulence post independence which have disrupted economic growth this is one of the reason why Assam, despite its strategic geographic locations as India's gateway to south-east Asia has failed to exploit its full potential. However there is a growing movement in Assam to build the state into India's most developed state, with a long term vision an multipronged approach to achieving this goal.

One of the key areas that the state needs to focus on to achieve it's dream is infrastructure development Assam has made significant progress in recent years with projects like the Bogibeel Bridge, Dhola-sadiya bridge, which have helped the state ot stay connected to the rest of country. However, more needs to be done to improve the quality and connectivity of the state's infrastructure. The government can consider investing more in highways. Arport, Railways and waterways to promote economic growth and attract more investment. Industry development is another critical arca that needs more attention. Assam immense potential in the arcas of agriculture, tea, tourism and oil and gas. The government needs to promote these industries and attract investment to create more jobs and increase economic growth. It necessary to provide incentive to entrepreneurs to set up businession the state and promote the growth of small and medium sized enterprises. The





government can also consider developing startup ecosystem to encourage innovation and entrepreneurship in the stali Education is another key driver of development Assam needs to focus on improving the quality of education more in the state. This includes upgrading infrastructure, hiring and training quality teachers and promoting research and innovation. The government can consider providing scholarships and financial assistance to students to encourage them to perove higher education especially to these of economically weaker sections. It is also necessary to promote vocational training and skill development programs to create a skilled workforce. Assam has found itself among the top to best performing states and among the top five most-improved states in the past four years.

Healthcare is also an essential aspect that requires more atlention. Access to quality healthcare is crucial for the well-being of the people and the development of the state. Assam needs to focus on improving healthcare infrastructure, promoting preventive healthcare and providing access to attordable heathcare services. Morever government can consider in future investing more in hospitals, clinics and healthcare centers in rural areas to ensure that all residents have acces quality healthcare to the people of Assam.

Lastly, a good governance is critical for the development of any state. The government needs to focus on promoting transparency, accountability and efficient service delivery to create a conducive environment for development of the stali. The government can consider promoting e-governance and digitalization to make government services more accessible and efficient for residents. It is also necessary to promote the participation of civil society and the private sector in governance and decision making processes.

In the end, "Rome was not built in a day". So building Assam or developing Assam as India's most developed stali requires along term vision and commitment from the government, private sector and the people of the state. By focusing on the key arcas mentioned above and working together, it is possible to achi this dream and transform Assam into a model for development in India. The state has the state has the potential to become a leader in various sectors and contribute significantly to India's growth story. The dream that every people of Assam dreamed of will become a reality soon.●●

# দৈনন্দিন জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ

পূজাশ্ৰী দেব

**আৰম্ভণি ঃ** কৃত্ৰিম বুদ্ধিমত্তা হৈছে মানুহৰ দৰে চিন্তা, কাম কৰিবলৈ মেচিনবোৰক প্ৰগ্ৰেম কৰি সক্ষম কৰি তোলা। কৃত্ৰিম বুদ্ধিমত্তায়ে সমস্যা সমাধান। বিভিন্ন পৰিকল্পনা চিনাক্তকৰণৰ লগতে বিভিন্ন বিষয়বস্তু চিনাক্ত কৰাত সহায় কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ পিতৃজন হৈছে জন মেককাৰ্থি। মানুহে কৃত্ৰিম বুদ্ধিমত্তাৰ কেতবোৰ কাম যেতিয়া ডিজিটেল কম্পিউটাৰ নাইবা কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সম্পন্ন কৰে, তেতিয়া তাক কৃত্ৰিম বুদ্ধিমত্তা বুলি ক'ব পাৰি।

**কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰকাৰ ঃ** কৃত্ৰিম বুদ্ধিমত্তাক চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল—(১) প্ৰতিক্ৰিয়াশীল যন্ত্ৰ, (২) সীমিত স্মৃতিৰ যন্ত্ৰ, (৩) মনৰ তত্ত্ব আৰু (৪) আত্ম সচেতন কৃত্ৰিম বুদ্ধিমত্তা।



**প্ৰতিক্ৰিয়াশীল যন্ত্ৰ ঃ** এই প্ৰণালীৰ মেচিনসমূহে কেৱল সীমিত ছেটৰ প্ৰতি স্বয়ংক্ৰিয়ভাৱে সঁহাৰি দিয়াৰ বাবে ব্যৱহাৰ কৰা হয়। এই যন্ত্ৰসমূহ স্মৃতিৰ আধাৰত কোনো কাৰ্য নকৰে।

**সীমিত স্মৃতিৰ যন্ত্ৰ ঃ** এই প্ৰকাৰৰ যন্ত্ৰসমূহ প্ৰতিক্ৰিয়াশীলভাৱে কাম কৰে আৰু সিদ্ধান্ত ল'বলৈ পূৰ্বৰ তথ্যৰ পৰা শিকিবলৈ সক্ষম হয়।

**মনৰ তত্ত্ব ঃ** এই মনৰ তত্ত্বৰ ক্ষেত্ৰত বিজ্ঞানীসকলে এতিয়াও নৱীকৰণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। মনৰ তত্ত্বয়ে বিশ্বাস, আৱেগ আৰু চিন্তা-প্ৰক্ৰিয়াবোৰ নিৰীক্ষণ কৰি বুজাত সক্ষম কৰি তোলে।

**আত্ম-সচেতন কৃত্ৰিম বুদ্ধিমত্তা ঃ** এই প্ৰকাৰৰ কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ মস্তিষ্কৰ দৰে কাৰ্যক্ষম কৰিবলৈ সক্ষম হয়। যন্ত্ৰ এটাক অতি বুদ্ধিয়ক, মনোযোগ সম্পন্ন আৰু সচেতন হিচাপে গঢ় দিয়াত এই কৃত্ৰিম বুদ্ধিমত্তাই যথেষ্ট সহায় কৰে।

**দৈনন্দিন জীৱনত ইয়াৰ প্ৰভাৱ ঃ** প্ৰযুক্তিয়ে মানৱ সমাজৰ উন্নতি সাধন কৰি আহিছে লগতে কিছু কিছু ক্ষেত্ৰত মানুহ বিপদতো নপৰা নহয়। বৰ্তমান পৃথিৱী মানুহৰ সলনি যন্ত্ৰৰ দ্বাৰা পৰিচালিত হ'বলৈ গৈ আছে। কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ কথা মনত ৰাখিব পাৰে। যিকোনো ৰোগ নিৰ্ণয় কৰিব পাৰে, যিকোনো ভাষা অনুবাদ কৰিব পাৰে, ক'ব পাৰে, আইনী বিষয়ক সিদ্ধান্ত ইত্যাদিও ল'ব পাৰে। এনেদৰে লাহে লাহে সকলো কাম মানুহৰ সলনি কৃত্ৰিম বুদ্ধিমত্তাই কৰিবলৈ সক্ষম হৈছে। দৈনন্দিন জীৱনত ইয়াৰ দুই ধৰণৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। এটা হ'ল ইতিবাচক দিশ আৰু আনটো হ'ল নেতিবাচক দিশ।

**(১) ইতিবাচক দিশত প্ৰভাৱ ঃ** কৃত্ৰিম বুদ্ধিমত্তাই ইতিবাচক দিশত বহুতো প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। যেনে—(১) কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ সলনি যিকোনো বিপদৰ সময়ত কাম কৰিব পাৰে।

(২) কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ দৰে ভুল নকৰে। সঠিকভাৱে আৰু নিয়াৰিকৈ কাৰ্য সম্পাদন কৰে।

(৩) কৃত্ৰিম বুদ্ধিমত্তাই পুনৰাবৃত্তিৰ কামত সহায় কৰে। যিবিলাক কাম মানুহে দৈনন্দিন জীৱনত বাৰে বাৰে কৰিবলৈ বেয়া পাই সেইবোৰ কৃত্ৰিম বুদ্ধিমত্তাই সুন্দৰ ৰূপত কৰে।

**নেতিবাচক দিশত প্ৰভাৱ ঃ** কৃত্ৰিম বুদ্ধিমত্তাই নেতিবাচক দিশতো বহুতো প্ৰভাৱ পেলাইছে। সেইবোৰ হ'ল—

(১) কৃত্ৰিম বুদ্ধিমত্তাৰ কোনো আৱেগ নাই। এই বুদ্ধিমত্তাই যদিও কামসমূহ সূচাৰুৰূপে কৰে যদিও তাৰ বিপৰীতে মানুহৰ সৈতে সকলো কথা ভাগ-বতৰা বা বুজিবলৈ সমৰ্থ নহয়।

(২) কৃত্ৰিম বুদ্ধিমত্তাৰ যোগেদি সকলো কাম কম্পিউটাৰৰ সহায়ত কৰাৰ ফলত মানুহৰ প্ৰয়োজন নোহোৱা হৈ পৰিছে।

(৩) যদিও কৃত্ৰিম বুদ্ধিমত্তাই মানুহক যথেষ্ট সহায় কৰে তথাপিও ইয়াত যথেষ্ট টকাৰ প্ৰয়োজন হয়।

**সামৰণি ঃ** কৃত্ৰিম বুদ্ধিমত্তা মানুহৰ দৈনন্দিন জীৱনৰ এটা এৰাব নোৱৰা অংগ। আমি যিমান যি ক'লেও দৈনন্দিন জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ অবিহনে একো কামেই সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰো।

গতিকে আমি যিদৰে এই কৃত্ৰিম বুদ্ধিমত্তাক ব্যৱহাৰ কৰি আহিছো তাৰ ফলাফল বৰ বিষময় হ'বওঁ পাৰে। সেই গতিকে আমি এইবোৰ কমকৈ ব্যৱহাৰ কৰাৰ চেষ্টা কৰিব লাগে।●●



# অসমক ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে প্ৰতিষ্ঠাৰ সপোন

জাহ্নৱী দত্ত

"নোৱোলো তোক সোণৰ অসম
মাটিৰ অসম আই
সোণতকৈও যে চৰা
এই মাটিৰ এয়ে মোৰ উপজা ঠাই
মাটিৰ অসম আই।"

—পাৰ্বতী প্ৰসাদ বৰুৱা

সোণতকৈও সুৰগা মাটিৰ আই অসমী আকৰ্ষণীয় আৰু বৰ্ণনামূলক প্ৰাকৃতিক সৌন্দৰ্যৰে সুশোভিত ভাৰতৰ পূৰ্বোত্তম প্ৰহৰী। সুজলা-সুফলা, শস্য-শ্যামলা অসম হৈছে নদী মাতৃক ৰাজ্য। ইয়াৰ দুখন প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি বিভিন্ন নৈ আৰু উপনৈসমূহে অসমক এক অনন্য সৌন্দৰ্য প্ৰদান কৰিছে। অনাদিকালৰ পৰা ইয়াত বিভিন্ন জন-জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ লোকে বাস কৰি আহিছে। সকলোৰে সংশ্লেষণ গতিবিদ্যা আৰু আত্মীয়কৰণে অসমৰ প্ৰতিটো স্তৰ অধিক মহিমামণ্ডিত আৰু চহকী কৰি তুলিছে।

অসমক ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ সপোন হৈছে অসমবাসীৰ এক মহান আকাংক্ষা। চিৰকাম্য এই সপোন প্ৰতিষ্ঠাৰ দিশে অগ্ৰসৰ হোৱাৰ পূৰ্বে আমি ৰাজ্যখনৰ সাম্প্ৰতিক স্বৰূপটোৰ সৈতে পৰিচয় হোৱাটো নিতান্তই আৱশ্যক।

অসমৰ ঘৰ-বাৰী, পথাৰ হ'ল ইয়াৰ মানুহৰ জীৱন ধাৰণৰ মূল শৈলী। অসমীয়াই আত্ম নিৰ্ভৰশীল নীতিৰে প্ৰতিখন সমাজ প্ৰচুৰ উৎপাদনমুখী কৰাৰ মনোভাব পোষণ কৰে। আহোম যুগৰ পাইক প্ৰথাই আছিল ইয়াৰ জলন্ত উদাহৰণ। পাইক প্ৰথাৰ জৰিয়তে আহোমৰজাই প্ৰতিঘৰ অসমীয়া মানুহক অৰ্থনৈতিক দিশত টনকিয়াল কৰিবলৈ চেষ্টা কৰিছিল। অসম মাতৃৰ বুকুত পোৱা সম্পদেৰে আহোম যুগৰ অৰ্থনৈতিক ভেটি সৰল হৈছিল।

অসম ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্যৰূপে প্ৰতিষ্ঠিত হ'বৰ বাবে প্ৰথম গুৰুত্ব দিবলগীয়া দিশটোৱে হ'ল অৰ্থনীতি। অৰ্থনৈতিক পৰিকাঠামো টনকিয়াল হ'বৰ বাবে অসম হ'ল প্ৰচুৰ সম্ভাৱনাৰ থলী। অসমৰ আমদানিকৃত বিভিন্ন সামগ্ৰীৰ বিকল্পস্বৰূপে অসমতে পাব পৰা অনেক সামগ্ৰী আছে যাৰ জৰিয়তে অসমীয়া মানুহৰ চাহিদা পূৰণ কৰিব পৰা যাব। উদাহৰণস্বৰূপে বাহিৰৰ পৰা আমদানি কৰা গুটখা, পাণ মচলাৰ সলনি বাৰীৰ তামোল আৰু গান্ধপাণৰ জৰিয়তে এখন ভাল বজাৰ দখল কৰিব পাৰে। অসমতে পোৱা সম্পদৰ চাহিদা বৃদ্ধি কৰি অসম আৰু অসমীয়া নিঃসন্দেহে বিশ্ববাসীৰ যুগস্ৰষ্টা হ'ব পাৰে। ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে কুটীৰ শিল্প, পৰ্যটন ক্ষেত্ৰ, শিক্ষাখণ্ড, কৃষিক্ষেত্ৰ ইত্যাদিৰ উন্নতিৰ সাধন কৰি অসমক এক উন্নত ৰাজ্যৰূপে বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিব পৰা যাব।

অতীজৰে পৰা প্ৰকৃতিৰ বিভিন্ন উপাদানৰ ওপৰত ভিত্তি কৰি অসমত বিভিন্ন ধৰণৰ কুটীৰ শিল্পৰ প্ৰচলন হৈ আহিছে। অসমৰ কুটীৰ শিল্পসমূহৰ ভিতৰত এৰী, মুগা, কপাহী আদি বয়ন শিল্প, স্বৰ্ণশিল্প, বাঁহ-বেতৰ শিল্প, কাঁহ শিল্প, মৃৎ শিল্প আদি উল্লেখযোগ্য। অসমত বিকশিত এই কুটীৰ শিল্পসমূহ অতুলনীয় আৰু গৌৰৱোজ্জ্বল। অসমীয়া মানুহ যে কৰ্মোদ্যমী আৰু প্ৰচুৰ উদ্ভাৱনী ক্ষমতাৰ অধিকাৰী এই কথাৰ প্ৰমাণ আমি অসমীয়া কুটীৰ শিল্পৰ ইতিহাসৰ

পাতত সোণালী আখৰেৰে খোদিত ৰূপত পাইছো। এই উদ্যোগসমূহৰ বিকাশে যুৱক আৰু যুৱতীসকলৰ বাবে আত্মসংস্থাপনৰ বাট মুকলি কৰে। এনে শিল্পসমূহে অসমৰ স্বকীয় পৰিচয় বহন কৰাৰ লগতে আৰ্থিক দিশতো সহায় কৰি বিশ্বত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে।

প্ৰকৃতিৰ অপূৰ্ব নান্দনিক শোভা, জনগোষ্ঠীগত বৈশিষ্ট্য আৰু বিভিন্ন জীৱ-জন্তুৰ কাৰণে অসম বিশ্বৰ যিকোনো ঠাইৰ পৰ্যটনৰ বাবে বিশেষভাৱে আকৰ্ষণীয় ৰম্যভূমি হিচাপে পৰিগণিত হ'ব পাৰে। পৰ্যটন উদ্যোগৰ প্ৰচুৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য কৰি পৰ্যটনৰ ক্ষেত্ৰখন অধিক প্ৰসাৰিত কৰাৰ বাবে পৰ্যটন থলী গঢ়ি তোলা তথা উন্নয়ন সাধন অতীৱ প্ৰয়োজন। অসমৰ অৰ্থনীতিৰ জলন্ত সমস্যাৱাজিৰ অন্যতম নিবনুৱা সমস্যাটো সমাধানৰ উপযুক্ত সম্ভাৱনাময় ক্ষেত্ৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বন্যপ্ৰাণী পৰ্যটন, সাংস্কৃতিক পৰ্যটন আদি খণ্ডসমূহে নিবনুৱা যুৱক-যুৱতীসকলৰ প্ৰতি আশাৰ বতৰা কঢ়িয়াই আনিছে। তদুপৰি সম্প্ৰতি পৰ্যটন ক্ষেত্ৰখন এক উদ্যোগলৈ বিকশিত হোৱাৰ সময়ত গ্ৰাম্য পৰ্যটন এক লাভজনক ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। অসমত গ্ৰাম্য পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা দেখা যায়। বৈচিত্ৰ্যপূৰ্ণ জনসমষ্টিৰ সমাহাৰ অসমত প্ৰতিটো জনগোষ্ঠীৰ স্বকীয় গীত-মাত, নৃত্য, উৎসৱ-পাৰ্বন, সাজপাৰ, কথনশৈলী, খাদ্যপ্ৰণালী আছে। এওঁলোকৰ নিজৰ জীৱন নিৰ্বাহ প্ৰণালীৰে অসমৰ জনজীৱন বৈচিত্ৰ্যপূৰ্ণ। অসমৰ সম্পদসমূহ ব্যৱহাৰ কৰি এই বৈচিত্ৰ্যপূৰ্ণ জীৱনশৈলীক এক নতুন মাত্ৰা প্ৰদান কৰি গাঁওসমূহক পৰ্যটনৰস্থল হিচাপে গঢ়ি তুলিব পৰা যায়।

তদুপৰি উন্নতমানৰ বিজ্ঞান প্ৰযুক্তিৰ প্ৰয়োগে শিক্ষাখণ্ড কৃষিখণ্ডতো উপকাৰ সাধন কৰিব পাৰে। পৰম্পৰাগত নাঙলৰ সলনি মাটি চহাবলৈ ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ, শস্যত পানী দিবলৈ পাৱাৰ পাম্প, শস্য কটা যন্ত্ৰ, মৰণা মৰা যন্ত্ৰ আদি প্ৰযুক্তিৰ প্ৰয়োগে কৃষকসকলক বহু পৰিমাণে সকাহ প্ৰদান কৰিছে।

প্ৰয়াত ৰাষ্ট্ৰপতি ড° আব্দুল কালামে কৈছিল—"সপোন দেখা যাক সাকাৰ ৰূপ দিব পাৰি।"

ৰত্নগৰ্ভা অসমক ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ সপোন প্ৰত্যেকজন অসমীয়াৰে চিৰকাম্য আৰু এই সপোনক বাস্তৱত পৰিণত কৰিবৰ বাবে সকলোৰে নিজ কৰ্তব্যত অগ্ৰসৰ হোৱা উচিত। সময় আৰু সুযোগৰ সদ্ব্যৱহাৰ কৰি আমি পৰিশ্ৰমী হোৱাটো অত্যন্ত জৰুৰী। ইয়াৰ দ্বাৰা পৰ্বতময় প্ৰত্যাহ্বানৰ জোৱাৰ প্ৰতিহত কৰি আমি ৰাজ্যখনৰ সৰ্বাংগীন দিশত উন্নয়ন কৰাৰ লগতে নিজ লক্ষ্য প্ৰাপ্তিৰ পথত আৰু এখোজ আগুৱাই যাব পাৰিম।

অসমে ইয়াৰ বাবে জাপানৰ আদৰ্শ অনুসৰণ কৰিব পাৰে। জাপান দেশখন ভাৰততকৈ যথেষ্ট সৰু এখন দেশ, প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰটো জাপানৰ পৰিৱেশ অনুকূল নহয়। তথাপিও জাপানৰ মানুহৰ দেশপ্ৰেম, কৰ্মদক্ষতা, প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ, কৌশলী মনোভাৱৰ বাবে পৃথিৱীৰ উন্নত দেশসমূহৰ সমানে ফেৰ মাৰিব পৰা হৈছে। জাপানী লোকসকলে 'ইকিগাই'ৰ দৰে জীৱন কলা অনুসৰণ কৰি কাম আৰু ব্যস্ততাৰ মাজেৰে জীৱনটোক অৱসাদগ্ৰস্ত, অসন্তুষ্ট, অতৃপ্তিকৰ কৰি নুতুলি এক আনন্দময় জীৱন যাপন কৰিবলৈ সক্ষম হৈছে।

অসমেও নিজৰ সম্ভাৱনীয়তাক উদ্ভাসিত কৰি জাপানৰ দৰে উন্নত আৰু কলাসুলভ জীৱন যাপন কৰি ভাৰতৰ এখন শ্ৰেষ্ঠতম ৰাজ্যৰূপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হ'ব।●●

# ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে অসমক গঢ়ি তোলাৰ সপোন

চিন্ময় কুমাৰ সন্দিকৈ

"অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।
গোটেই জীৱন বিচাৰিলেও অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নাপাও ইমান ৰসাল মাটি...।"
—ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা

ভাৰতবৰ্ষৰ একেবাৰে পূব প্ৰান্তৰত অৱস্থিত ৰঙা নদী আৰু নীলা পাহাৰৰ দেশ আমাৰ অসম। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা সভ্যতাৰ পোহৰেৰে আলোকিত অসমৰ কথা মহাভাৰত, ৰামায়ণ আদি মহাকাব্যয়ো বৰ্ণনা কৰিছে। এই অসমতে আহোম, বৰ্মন, কোঁচ কছাৰী আদিয়ে প্ৰৱল প্ৰতাপেৰে শাসন কৰিছিল আৰু সোতৰ বাৰকৈ আহোমক পৰাভূত কৰা লোকসকলো আছিল অসমৰ মাটিৰে গঢ়া, লুইতে সাৰ-পানী যোগোৱা মানুহ। প্ৰচুৰ প্ৰাকৃতিক সম্পদৰাজিৰে পৰিপূৰ্ণ অসম হৈছে নানা জাতি-উপজাতি, ধৰ্ম-বৰ্ণ, পাহাৰ-ভৈয়ামৰ এক অপূৰ্ব মিলনভূমি। শিল্প সাহিত্য, অৰ্থনীতি, শিল্প উদ্যোগ আদি সকলো ক্ষেত্ৰতে যথেষ্ট আগবঢ়া অসম প্ৰতিজন অসমীয়া তথা অসমবাসীৰ বাবে এক গৌৰৱ কৰিব পৰা বিষয়।

কিন্তু ভাৰতবৰ্ষৰ বহুকেইখন ৰাজ্যৰ তুলনাত অসম ৰাজ্য, এতিয়াও বহু পিছ পৰি ৰোৱা যেন অনুভূত হয়। সেইবাবেই অসমক ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ সপোনৰ প্ৰাসংগিকতা আজি বৃদ্ধি পাইছে। সকলো দিশতে আগৰণুৱা এখন ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ, সেই সপোনক বাস্তৱায়িত কৰিবলৈ আমি আমাৰ সমুখত থকা প্ৰত্যাহ্বান, সম্ভাৱনা আৰু উপায়সমূহ খুউব সাৱধানতাৰে তথা পুংখানুপুংখভাৱে বিবেচনা তথা অধ্যয়ন কৰাটো প্ৰয়োজনীয়। তাৰ পূৰ্বে আমি অসমৰ ঐতিহাসিক প্ৰেক্ষাপটটোক প্ৰথমে কিছু বুজি ল'ব লাগিব। ১৮২৬ খ্ৰীষ্টাব্দৰ পূৰ্বলৈকে অসমত আহোম তথা অন্যান্য ৰাজ্যতন্ত্ৰৰ শাসন আছিল, তাৰ পাছত অসমত কোম্পানী শাসন আৰম্ভ হ'ল। ইয়াৰ পিছতেই অসমত কিছু অৰ্থনৈতিক, প্ৰশাসনিক সংস্কাৰ আৰু উন্নয়ন সাধন হ'ল যিয়ে ৰাজ্যখনক বিকাশৰ দিশলৈ লৈ গ'ল। ১৯৪৭ চনত অসমে ভাৰতৰ সৈতে বৃটিছ শাসনৰ পৰা স্বাধীন আৰু সাংবিধানিক বিধিৰে অসম ভাৰতৰ অংগৰাজ্য হিচাপে একত্ৰিত হ'ল। পৰৱৰ্তী কালত অসমৰ পৰা বিচ্ছিন্ন হৈ মেঘালয়, মিজোৰাম, অৰুণাচল আদি ৰাজ্যৰ গঠন হ'ল আৰু অসমৰ আকাৰ কিছু সংকুচিত হ'ল। প্ৰচুৰ প্ৰাকৃতিক তথা মানৱ সম্পদেৰে ভৰা সত্ত্বেও অসমে স্বাধীনতাৰ পাছতো দ্ৰুত উন্নয়নৰ দিশে অগ্ৰসৰ হ'ব নোৱাৰিলে তাৰ কাৰক হিচাপে আমি বিচ্ছিন্নতাবাদী সংগ্ৰাম, আতংকবাদ বিভিন্ন আন্দোলন, চীনা আক্ৰমণ, দুৰ্বল আঞ্চলিকতাবাদ, প্ৰাকৃতিক দুৰ্যোগ, কেন্দ্ৰ চৰকাৰৰ বৈষম্যমূলক নীতি আদিৰ কথা ক'ব পাৰোঁ। এই কথা ক'লে নিশ্চয় ভুল হ'ব যে অসমৰ উন্নয়ন সাধন হোৱা নাই কিন্তু আজি যি পৰ্যায়ত আছে তাতকৈয়ো উচ্চ পৰ্যায়ত অসম থাকিব পাৰিলেহেঁতেন। ওপৰত উল্লেখ কৰা সমস্যাবোৰৰ প্ৰায়বোৰৰে অস্তিত্ব এতিয়াও বিদ্যমান, গতিকে ক'ব পাৰি যে যদিহে এইসমূহ সমস্যা দূৰ কৰাত আমি সফল হওঁ তেন্তে অসমৰ উন্নয়নৰ গতি ত্বৰিত হ'ব। তলত তাৰে কিছুমান সমস্যা তথা উপায় আলোচনা কৰিবলৈ যত্ন কৰা হ'ল।

(ক) ৰাজনৈতিক সমস্যা আৰু সমাধান ঃ অসমৰ ৰাজনৈতিক সমস্যাবোৰৰ ভিতৰত বিদেশী সমস্যা, আন্তঃৰাজ্যিক সীমা বিবাদ, দুৰ্বল আঞ্চলিক ৰাজনৈতিক শক্তি, স্পষ্টিকৰণৰ ৰাজনীতিয়েই হৈছে প্ৰধান। বিদেশী সমস্যাক আৰু সীমাবিবাদসমূহক কেন্দ্ৰৰ তত্ত্বাৱধানত নতুবা উচ্চতম ন্যায়ালয়ৰ অধীনত সমাধান কৰিবলৈ যত্ন কৰাৰ প্ৰয়োজন আছে। ইয়াৰ লগতে দুৰ্বল হৈ পৰা আঞ্চলিক শক্তিয়ে নিজক সবল কৰিবলৈ ৰাইজক ৰাজনৈতিক শিক্ষাৰে শিক্ষিত কৰিব লাগে। তদুপৰি ৰাইজেও তুষ্টীকৰণৰ ৰাজনীতিত ভুল যাব

নালাগে তথা অসমত বাঢ়ি অহা ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি, জাতিগত ৰাজনীতি আদিৰ প্ৰতি সজাগ হোৱাৰ প্ৰয়োজন অতি বেছি।

(খ) অৰ্থনৈতিক সমস্যা আৰু সমাধান ঃ অসমত বৰ্তমানৰ দুটা ডাঙৰ সমস্যা হ'ল দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা। অসমৰ অৰ্থনীতিৰ মূল ভেটি হ'ল কৃষি। ২০১৭-২০১৮ ত প্ৰকাশিত এক তথ্যমতে অসম ৩২ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। ইয়াৰ লগতে অসমৰ নিবনুৱাৰ সংখ্যা ২০২৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে ৮.৬ শতাংশলৈ বৃদ্ধি পাইছে। গতিকে চৰকাৰে এই ক্ষেত্ৰত দৃষ্টি নিক্ষেপ কৰাৰ প্ৰয়োজন আছে। তদুপৰি ক্ষুদ্ৰ উদ্যোগসমূহৰ বিকাশৰ জৰিয়তে স্বাৱলম্বিতাৰ পথ মুকলি কৰাৰ দৰকাৰ। অসমৰ পৰ্যটন ক্ষেত্ৰখনৰ লগতে স্থানীয় বস্ত্ৰশিল্প কুটীৰ শিল্প আদিৰ পৰ্যাপ্ত বিকাশৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ন সম্ভৱপৰ। আনহাতে কেৱল কৃষি বা চৰকাৰী চাকৰিতে জীৱিকা বুলি নভাবি অন্যান্য উদ্যোগ প্ৰতিষ্ঠাৰ প্ৰয়োজন আছে। চৰকাৰেও অৰোণদয়, অৰুন্ধতী, বিনামূলীয়া সেৱা (চাউল, তেল) আদিৰ ক্ষেত্ৰত কিছু সংখ্যক সংশোধন কৰাৰ প্ৰয়োজন আছে। কিয়নো দেখা গৈছে চৰকাৰে বৃহৎ পৰিমাণ অৰ্থ অবাবত ব্যয় কৰিছে আৰু ধাৰুৱা হৈ পৰিছে।

(গ) সামাজিক, সাংস্কৃতিক সমস্যা আৰু সমাধান ঃ শিক্ষাৰ ক্ষেত্ৰত অসমৰ স্থিতি খুউব এটা ভাল নহয় আৰু শিক্ষাৰ হৈছে এখন দেশৰ উন্নয়নৰ মূল চাবি-কাঠি। গতিকে চৰকাৰে নিয়মীয়া শিক্ষকৰ ব্যৱস্থা কৰি আৰু শিক্ষাৰ পৰিকাঠামো শক্তিশালী কৰি শিক্ষা বিভাগটো আগুৱাই নিব লাগে। সদ্যহতে HSLCৰ পেপাৰ লিক হোৱা ঘটনাই শিক্ষা বিভাগৰ দুৰ্বলতা প্ৰকাশ কৰিছে। তদুপৰি শিক্ষকে দৰমহা নোপোৱা ঘটনাবোৰো অতি দুখজনক। চৰকাৰে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যৰ উন্নতিৰ স্বাৰ্থত কিছু বিশেষ সুবিধা তথা আৱশ্যকীয় সুবিধা প্ৰদান কৰাৰ প্ৰয়োজন অনুভূত হয়।

ইয়াৰ লগতে অসমত বাঢ়ি অহা সাংস্কৃতিক আগ্ৰাসনে অপসংস্কৃতিক দলিচা পাৰি দিছে। যিৰে যুৱ সমাজত উচ্ছৃংখলতা জন্ম দিয়াৰ লগতে থলুৱা সংস্কৃতিৰ বিস্তৰ ক্ষতি সাধন কৰিছে। সাংস্কৃতিক আদান-প্ৰদানৰ গোলকীয় পৃথিৱীৰ এক নসাৎ কৰিব নোৱৰা সত্য, কিন্তু আমি তাৰ বাবে কোলাৰটো পেলাই বোকাৰটো তুলি লোৱাৰ অভ্যাস আমি গঢ়ি ক্ষতি সাধন হ'ব। সেইবাবে নতুন প্ৰজন্মক সমাজত নিজ মাটিৰ সংস্কৃতি, সাহিত্য আৰু পৰম্পৰাৰ প্ৰতি ভালপোৱাৰ ভাবনা জগাই তোলাৰ প্ৰয়োজন। এইক্ষেত্ৰত সমাজৰ আগৰণুৱা সাহিত্যিক, বুদ্ধিজীৱী তথা সচেতন নাগৰিকসকলে আগভাগ লোৱাৰ দৰকাৰ আছে আৰু কাকত-পত্ৰ, আলোচনীবোৰো ইয়াৰ সমভাগী হ'ব পাৰে।

(ঘ) অন্যান্য ঃ তদুপৰি অসমত সঘনাই হৈ থকা প্ৰাকৃতিক দুৰ্যোগসমূহো বৈজ্ঞানিক পদ্ধতি আৰু উপায়েৰে সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ ইয়াৰ বাবে আমাৰ শিক্ষা, বেপাৰ-বাণিজ্য আদিত ব্যাপক প্ৰভাৱ পৰিছে। বানপানীৰ ফলত খেতি-বাতি জনধনৰো বৃহত্তৰ ক্ষতি সাধন হয়। আনহাতে অসমত চলি থকা বন্ধ সংস্কৃতিকো নিৰ্মূল কৰিব লাগে আৰু কিছুমান পাবত গজা ছাত্ৰ অনুষ্ঠান, হওঁক বা ৰাজনৈতিক অনুষ্ঠান সেইবোৰক প্ৰশ্ৰয় দিয়া অনুচিত। অসমত যিমান সম্ভৱ কাৰিকৰী শিক্ষাৰ ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগিব আৰু মহিলাসবলীকৰণ, আত্মনিৰ্ভৰশীল অৰ্জন কৰিবলৈ চেষ্টা চলোৱা উচিত। অসমত বৰ্তমানে দেখা পোৱা ড্ৰাগছ আৰু নিচা জাতীয় দ্ৰব্যৰ ৰমৰমীয়া চোৰাং বেহা যিকোনো প্ৰকাৰে বন্ধ কৰিব লাগিব। নহ'লে ই আমাৰ উঠি অহা প্ৰজন্মটোক ধ্বংস কৰি পেলাব।

উপৰোক্ত সমস্যাবোৰৰ সমাধানৰ যোগেদি আমি অসমখনক আগুৱাই লৈ যাব পাৰো। এই সমস্যাবোৰ গুৰিতে নিৰ্মূল কৰিব নোৱাৰিলে আমাৰ সপোনবোৰ দিঠকত পৰিণত কৰাটো দুৰূহ। অসমত প্ৰতিভাৰ অভাৱ নাই; চাহ, খাৰুৱা তেল, বনজ সম্পদেৰে আমাৰ অসম ৰাজ্য ভৰপূৰ। নদীমাতৃকদেশ অসমৰ পৰসুৱা মাটিত যি গুটি ৰুলেও গজি উঠে সেউজী শস্য। এই সুজলা-সুফলা দেশখনক ভাৰতৰ শ্ৰেষ্ঠতম ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ সপোন ইমান কঠিন নহয়, মাথো আমি ঐক্যবদ্ধ হৈ কাম কৰাৰহে প্ৰয়োজন তথা ইয়াৰ সামগ্ৰিক বিকাশৰ বাবে ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো দিশ সবল কৰি তুলিব লাগিব। শেষত এই সপোনৰ কল্লোলিত ধ্বনিক এটি গীতৰ কলিৰে প্ৰকাশ কৰি আজিলৈ কলমৰ মুখনি মাৰিব বিচাৰিছো।

"শ্ৰীময়ী অসমীৰ
শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন,
জাগে গম্ভীৰ গিৰিবৰ
প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপবন ...।"

# পৰিৱেশ সুৰক্ষাত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

দৃষ্টি হাজৰিকা

পৰিৱেশ বুলিলে বায়ুমণ্ডল, জলমণ্ডল আৰু ভূমণ্ডলক সামৰি জীৱ আৰু উদ্ভিদসমূহ পৰিৱেষ্টিত কৰি ৰখা বিভিন্ন উপাদানৰ সমষ্টি আৰু সিহঁতৰ মাজৰ সম্পৰ্কক বুজা হয়। পৰিৱেশ সংৰক্ষণ হৈছে প্ৰাকৃতিক সম্পদ তথা পৰিৱেশৰ উপাদানসমূহৰ বহনক্ষম ব্যৱহাৰ। জীৱশ্ৰেষ্ঠ হিচাপে মানুহে পৰিৱেশ সংৰক্ষণ কৰাটো নৈতিক দায়িত্বৰ ভিতৰত পৰে। বিশেষভাৱে বৰ্তমান পৰিৱেশ সন্মুখীন হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখিয়েই ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ গ্ৰহৰ ভৱিষ্যতৰ নেতা আৰু অংশীদাৰ হিচাপে ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সংৰক্ষণৰ বাবে সাধাৰণ জনসাধাৰণক সজাগ কৰিব লাগে। প্ৰাকৃতিক সম্পদসমূহৰ বহনক্ষম ব্যৱহাৰ কৰি আনকো এই ক্ষেত্ৰত আকৰ্ষিত কৰিব লাগে। আমি জ্ঞাত যে বহনক্ষম সংৰক্ষণ মানে হ'ল ভৱিষ্যত প্ৰজন্মৰ উন্নয়ন বিঘ্নিত নকৰাকৈ বৰ্তমান প্ৰজন্মই কৰা উন্নয়ন। পানী, বায়ু, বনাঞ্চলৰ দৰে প্ৰাকৃতিক সম্পদ আমাৰ অস্তিত্ব আৰু মংগলৰ বাবে যে অতি প্ৰয়োজনীয় সেই কথা ছাত্ৰ-ছাত্ৰীসকলে বুজাবলৈ চেষ্টা কৰিব লাগিব। ইয়াৰ ভিতৰত পানীৰ ব্যৱহাৰ হ্ৰাস কৰা, গছ-গছনি ৰোপণ কৰা আৰু বহনক্ষম কৃষিক সমৰ্থন কৰা আদি অন্তৰ্ভুক্ত।



কোৱা হয় যে, আজিৰ ছাত্ৰ কালিলৈ দেশৰ ভৱিষ্যত। অৰ্থাৎ সমাজৰ পৰিৱৰ্তনত ছাত্ৰ-ছাত্ৰীৰো ভূমিকা আছে। ইচ্ছা কৰিলে ছাত্ৰ-ছাত্ৰীসকলে ঐক্যভাৱে পৰিৱেশ সংৰক্ষণত হাত উজান দিব পাৰে। উদাহৰণস্বৰূপে প্ৰতিবছৰে শিক্ষানুষ্ঠানলৈ অহা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বাধ্যতামূলকভাৱে বৃক্ষ ৰোপণ কৰা আৰু মহাবিদ্যালয়ত পঢ়ি থকালৈকে তাৰ চোৱা-চিতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইদৰেই ছাত্ৰ-ছাত্ৰীসকলে লাখ লাখ গছ প্ৰকৃতিৰ বুকুত দান দিব পাৰিব। সদিচ্ছা থাকিলে কৰিব নোৱৰা কাম একোৱেই নাই।

সামৰণিত ক'ব পাৰি যে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। নিজকে শিক্ষিত কৰি পৰিৱৰ্তনৰ পোষকতা কৰি বহনক্ষম পদ্ধতি গ্ৰহণ কৰি উদ্ভাৱনীমূলক সমাধান বিকশিত কৰি নিজৰ সম্প্ৰদায়ৰ সৈতে জড়িত হৈ গৱেষণা কৰি ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সুৰক্ষা আৰু সকলোৰে বাবে বহনক্ষম ভৱিষ্যত নিশ্চিত কৰাত অৰিহণা যোগাব পাৰে।●●

# Impact of Artificial Intelligence in our daily life

**Pallavi Gupta**

Artificial intelligence is a system where the intelligence of human in used in a computerized way or in a technological way. It is also popular by other as computer intelligence or a technological knowledge. So, this may also be said by others that many people usually used this intelligence to complete their unwanted work which they are unable to complete due to their busy life. Mainly in various cities and states artificial intelligence are used in a very popular way like they or used in various high technological companies to complete the work in a few minutes or second. Therefore, at last we can predict or make an assumes ion that artificial intelligence are very useful for the country as well as various states of the world.

Before predicting the qualities of or beauty of artificial intelligence, we should first know the impact of artificial intelligence in our daily liver so that we can make a perfect assassin that it would be perfect for the works of companies within the state as all over the world.



Usually artificial intelligence had a good impact in the daily life of the people because of the follow reassigns.

**(i) Help to finish the work in a few minutes :** Artificial intelligence help people to complete or finish their work in a few minutes as hours. For e.gt the people can complete their office work in a few hours by taking the help of computer which is a category of artificial intelligent

**(ii) Prove knowledge:** Artificial intelligence like computer, internet, etc usually help to for knowledge at a very short period of time.

**(iii) Easy to operate :** Now a days, maximum people use phone to operate their life so it become familiar to every people to get knowledge or to do any work from phone which is a

substance of artificial intelligent.

**(iv) Make life simple and easy :** Artificial intelligent like alarm, phone, cores etc. make life simple for each and every people because due to the use of all these artificial intelligent materials one can make their life in a very punctual and routine way and can travel or contact anyone in a very few points of hours.

Therefore, artificial intelligent can be assume or said to be a very helpful substance which human can use in this day to day life which make their life easy and simple.

Though artificial intelligent or very product in peoples everyday life. But it also have some bad impact of on daily life of people which cause problem to various humans. So, somi of the bad impact of artificial intelligent in people's daily life are.

**(i) Slow down the minds of human :** But to the use of artificial intelligence like inbred, mobile, etc, people are becoming lazey to do their own work because they usually depend on internal or calculator to do a simple research or calculation respectively. Due to these their mind or become dule and unproductive.

**(ii) People are becoming lazy :** Artificial intelligent help the people to compete their work at a very short period of time which make people slow and lazy as well as unproductive.

**(iii) Unproductive for future :** People now a days, use artificial intelligent at a maximum point of time in their daily life which bring them in the stage of unproductively for their upcoming future.

**(iv) Dangerous for health :** Maximum use of artificial intelligent make people addicted to it which bring them at a stage where they become the hear of their daily work but also become the villen of their own health.

Therefore, we can also say that artificial intelligent sometime also reats danger or problem to people by making them lazy and unproductive which may destroy the upcoming generation in a various way. These may also create a bad impact on the net generation of the people of the world.

Despite all the above negative impact, artificial intelligent help people to operate their daily life in a very useful way and this method of technique is used by maximum number of people in the world.●●



# Unveiling the Excellence of DHSK College : A Legacy of Education

**Sahil Anseri**

Dibrugarh Hanumanbaux Surajmall Kanoi College, which is located in the Tea city of Assam, Dibrugarh. stands mainly as a testament to the power of education in shaping minds, transforming lives, and fostering a culture of empowerment. With a rich history spanning decades, the college has consistently upheld its commitment to academic excellence, community engagement and holistic development. This article mainly delves into the reasons why our DHSK College holds a special place in the hearts of its students, alumni, and the wider community.

**Academic Excellence :**

DHSK College has consistently maintained a high standard of academic excellence, which offers a diverse range of Undergraduate (UG) and Postgraduate ( PG) courses across disciplines. The dedicated faculty members, many of whom are renowned experts in their fields, They provide students with a comprehensive and rigorous education. The college's emphasis on research, critical thinking, and also in practical application which ensures that graduates are well-prepared for their future careers.

**Holistic Development :**

Beyond academics, DHSK College places a strong emphasis on holistic development. The college recognizes that education extends beyond the classroom, and it offers a plethora of extracurricular activities, clubs, and events that allow students to explore their interests, talents, and passions. From cultural festivals to sports competitions, these opportunities foster a well-rounded growth that goes beyond textbooks.

**Cultural Diversity and Inclusivity :**

DHSK College takes pride in its diverse student body, which mainly represents a wide array of cultures and backgrounds. This diversity enriches the learning environment and also promotes cross-cultural understanding. The college's commitment to inclusivity ensures that each and every student feels respected and valued , creating an atmosphere conducive to learning and personal development.

**Strong Alumni Network :**

The success stories of DHSK College alumni are a testament to the institution's quality education and nurturing environment. Many alumni have gone on to excel in various fields, like research, entrepreneurship, academia, public service, Social workers and great leaders. The college's alumni network mainly serves as a source of inspiration and mentorship for us, as we are current students, providing us with valuable insights and guidance to embark on our own journeys.

**Community Engagement and Social Responsibility :**

DHSK College firmly believes in giving




back to the community that supports it. The college actively engages in social outreach programs, community service initiatives, and awareness campaigns to address pressing social issues. By instilling a sense of social responsibility in its students, DHSK College cultivates compassionate and socially conscious individuals who are committed to making a positive impact on society.

**Infrastructure and Facilities :**

The college's has modern infrastructure and state-of-the-art facilities which creates an optimal learning environment. Well-equipped laboratories, libraries, and latest technology-enabled classrooms facilitate effective teaching and learning. The college's commitment to maintaining and upgrading its facilities mainly reflects its dedication to providing students with the best possible educational experience.

**Conclusion :**

DHSK College's legacy is one of educational excellence, holistic development, and community engagement. Its commitment to nurturing well-rounded individuals who are academically proficient, culturally aware, and socially responsible sets it apart as an institution of higher learning that truly makes a difference. As DHSK College continues to shape the lives of countless students, its impact on education and empowerment remains enduring and inspiring. ●



# নাৰী আৰু বৰ্তমান সমাজ

লক্ষ্মীপ্ৰিয়া কলিতা

নাৰী শব্দটোতেই নিহিত হৈ আছে সাহস, মমতা, সৌন্দৰ্য আৰু আগৰ চানেকি। এগৰাকী নাৰীক পুৰুষৰ অৰ্ধাংগিনী বুলি পৰিচয় দিয়া হয়। কিয়নো বাইবেলৰ পৃষ্ঠাত জিলিকি আছে যে, আদম'ক ঈশ্বৰে প্ৰথম সৃষ্টি কৰাৰ পাছত তেওঁ নিসংগতা দূৰ কৰিবলৈ আদমৰ বুকুৰ কামিহাড় এডালৰপৰা ইভ'ক সৃষ্টি কৰিছিল। ব্যক্তিৰ সমষ্টিৰে গঠিত এখন সমাজৰ মেৰুদণ্ডডালেই হৈছে নাৰী।

হিন্দু ধৰ্মত নাৰীক দেৱীৰূপে পূজাও কৰা হয়, যাৰ কাৰণে গোৱা যায় যে,

"যা দেৱী সৰ্বভূতেষু বিষ্ণুৰূপেনি সংস্থিতা নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।"

নাৰী মানৱ জাতিৰ আয়ুস ৰেখা। নাৰীৰ অবিহনে পৃথিৱীত সৃষ্টিৰ গতিশীলতা কোন দিশে ধাৱমান হ'ব, তাক অনুমান কৰিব নোৱাৰি। নাৰী অবিহনে নাথাকিব জীৱন অথবা নাথাকিব কোনো সমাজ। মানৱ জাতিৰ সৃষ্টিৰ ঘাই শিপাডালেই হৈছে নাৰী। নাৰী অবিহনে সকলো অস্তিত্বহীন, আমি জানো যে বিনন্দীয়া পৃথিৱীত বাস কৰা জীৱৰ ভিতৰত মানুহ নামৰ জীৱবিধেই দাবী কৰে আমি শ্ৰেষ্ঠ জীৱ বুলি। আদিম কালৰে পৰাই বিশ্বব্ৰহ্মাণ্ডত নাৰীৰ প্ৰভাৱ অপৰিসীম। কন্যা, বোৱাৰী, মাতৃৰূপে নাৰীয়ে সমাজৰ বাবে অনেক ত্যাগ কৰিছে। অন্যান্য ক্ষেত্ৰত বহু দিশত নাৰী আগবাঢ়ি আহিছে যদিও বিভিন্ন সময়ত কিছুমান সমাজ ব্যৱস্থাৰ ফলত নাৰীৰ প্ৰতিভা, কলা-কৌশলী মন এটা সুপ্ত হৈ থাকি যায়। আজিৰ ভদ্ৰ সমাজে কয় যে, 'নাৰীৰ স্থান পুৰুষৰ সমান', কিন্তু তাৰ মাজতে কিছুমান ক্ষেত্ৰত যেন নাৰীসকল সমানে আগবাঢ়ি যোৱাত বাধা ৰৈ গৈছে।

পৃথিৱীখনৰ লগত পৰিচয় কৰাই দিয়া মূল মানুহগৰাকী হ'ল মা অৰ্থাৎ এগৰাকী নাৰী। এগৰাকী নাৰীৰ কোষৰ পৰা জন্ম হোৱাৰ পাছত সেই পুত্ৰই ভৱিষ্যতে পুত্ৰ সন্তানৰ দাবী কৰা নিম্ন মানসিকতাৰ মানুহো নথকা নহয়। মানসিকতা কেৱল পুৰুষৰ চিন্তা শক্তিতহে দৃষ্টিগোচৰ হয়, তেনে নহয়। কেতিয়াবা নাৰীও নাৰীৰ শত্ৰু হৈ পৰে। এচামে আকৌ এটি পুত্ৰ সন্তানৰ আশাত কন্যা সন্তান ভ্ৰূণতে হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে, যিটো আইনৰ দৃষ্টিত দণ্ডনীয়। এখন দেশ বা সমাজৰ উন্নতিৰ অথবা অতৱনতি বহুলাংশে নিৰ্ভৰ কৰে, সেই দেশৰ নাৰীৰ প্ৰতি প্ৰগতি বা শিক্ষিত হাৰৰ ওপৰত। আজিৰ কন্যা ভৱিষ্যতৰ মাতৃ। প্ৰকৃততে এটা জাতিৰ অন্তৰাত্মাক আৱিষ্কাৰ কৰিবলৈ হ'লে পুৰুষ সমাজৰ লগতে নাৰীৰ শৈক্ষিক, ৰাজনীতি, অৰ্থনৈতিক মৰ্যাদাৰ ওপৰত গুৰুত্ব দিব লাগিব। তাৰ কাৰণে লাগিব শিক্ষা। আজিৰ প্ৰযুক্তি বিজ্ঞানৰ দিনত পুৰুষৰ খোজে খোজে নাৰীও আগবাঢ়ি গৈছে। কোনোগৰাকীয়ে যদি মাতৃ হিচাপে পুত্ৰক বা সন্তানক সকলো দিশে আগবঢ়াই নিছে, কোনোগৰাকীয়ে শিক্ষয়িত্ৰী হৈ দেশৰ মানৱ সম্পদসমূহক গঢ় দিছে। কোনোগৰাকীয়ে যদি নৃত্য বা কণ্ঠেৰে জনগণৰ মন জয় কৰিছে, আনগৰাকীয়ে আৰক্ষী হৈ দেশ সেৱাৰ কামত নিজকে নিয়োজিত কৰিছে বা সৈনিক হৈ নিজৰ জাতি-মাটি-দেশৰ স্বাৰ্থত আহুতি দিছে। এগৰাকীয়ে যদি সুউচ্চ পৰ্বতৰ শীৰ্ষত দেশৰ পতাকা সগৌৰৱেৰে উৰুৱাইছে, আনগৰাকীয়ে চন্দ্ৰত খোজ দিছে। এই সকলোবোৰৰ লগতে নিজৰ কৃষ্টি-সংস্কৃতি ধৰি ৰাখি বিশ্ব দৰবাৰত জিলিকাই ৰখা গৰাকীও নাৰী।

গতিকে, কন্যা সন্তান বা নাৰীৰ প্ৰতি নীচ মানসিকতা ৰখাসকলে নিজ মানসিকতাক হত্যা কৰা উচিত। আজিৰ দিনৰ ল'ৰাৰ সমৰ্যাদাৰ পৰিচয় ছোৱালীয়ে নিজ কৰ্মৰ জৰিয়তে দাঙি ধৰিছে। নাৰীৰ পাৰদৰ্শিতা সীমিত নহয়, বৰঞ্চ নাৰী সকলো দিশতে আগৰণুৱা।●●

# সুন্দৰ আৰু শৃংখলিত সমাজ গঠনত সৃষ্টিশীল সাহিত্যৰ ভূমিকা

আশাস্মিতা শৰ্মা

সাহিত্য আৰু সমাজৰ মাজত এটি অতি নিবিড় সম্পৰ্ক আছে। সাহিত্য হৈছে ভাষাত প্ৰকাশ কৰা কোনো অৰ্থপূৰ্ণ বক্তব্য। সাহিত্য মৌখিক আৰু লিখিতৰূপত ৰচিত হ'ব পাৰে। কিন্তু সমাজক বাদ দি কোনো সাহিত্যই ৰচনা হ'ব নোৱাৰে। সাহিত্যৰ প্ৰধান বাহক হৈছে ভাষা। ভাষাৰ মাধ্যমেদি লিখকৰ বক্তব্য প্ৰকাশ পায়। সেই ভাগ দুটা হৈছে—'সৃষ্টিশীল সাহিত্য' আৰু 'যৌগিক সাহিত্য'। সৃষ্টিশীল সাহিত্য বুলিলে প্ৰবন্ধ, গল্প, উপন্যাস, নাটক আদিক বুজোৱা হয়। এই সাহিত্যত লিখকৰ নিজস্ব দৰ্শন, জীৱনৰ প্ৰতি দৃষ্টিভংগী, লিখকৰ বাস্তৱ অভিজ্ঞতা, মতামত আদি প্ৰকাশ পায়। যৌগিক সাহিত্যৰ ক্ষেত্ৰত তেনে সাহিত্যক বুজোৱা হয়, যিবোৰ সাহিত্যত লিখকৰ নিজস্ব কোনো দৰ্শন বা জীৱনৰ প্ৰতি দৃষ্টিভংগী প্ৰতিফলিত নহৈ। বিভিন্ন লিখকৰ দৃষ্টিভংগী বা দৰ্শন সংকলিত হয়। উদাহৰণস্বৰূপে—ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰদান কৰা পাঠ্যপুথি সহায়িকা পুথি ইত্যাদি।

লিখক এজন সমাজত বাস কৰে আৰু সমাজত বাস কৰা মানুহৰ বাবেই সাহিত্য ৰচনা কৰে। লিখকজনে সমাজৰ পৰাই তেওঁৰ লেখাৰ সমল সংগ্ৰহ কৰে। লিখকে সমাজত ঘটা ঘটনা সমাজত বাস কৰা মানুহৰ জীৱনশৈলী, তেওঁলোকৰ আশা-আকাংক্ষা, চিন্তা-চৰ্চা আদি সাহিত্যৰ মাজেদি মূৰ্ত কৰি তোলে। সেয়ে সাহিত্যক সমাজৰ দাপোণ বুলিও কোৱা হয়। ইংৰাজ সাহিত্যিক এজনে কৈছিল, "মোক এখন কিতাপ দিয়া, মই সেই জাতিটোৰ সম্পূৰ্ণ বুৰঞ্জী কৈ দিম"। কথাষাৰ অলপ অদ্ভুত যেন লাগিলেও ইয়াৰ সত্যতা নুই কৰিব নোৱাৰি। উদাহৰণস্বৰূপে—মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা সাহিত্যসমূহ অধ্যয়নৰ যোগেদি পঞ্চদশ আৰু ষষ্ঠদৰ্শ শতিকাৰ অসমৰ বিষয়ে বহু তথ্য আহৰণ কৰাৰ উপৰি সেই সময়ৰ মানুহৰ সামাজিক স্থিতি ধৰ্মীয় বিশৃংখলতা, সামাজিক অস্থিৰতা, মানসিক প্ৰয়োজনীয়তা আদিৰ সম্যক জ্ঞান লাভ কৰিব পাৰি। ঠিক তেনেদৰেই সেই যুগত ৰচনা কৰা



সাহিত্যসমূহ সেই যুগটোৰ সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় জীৱনৰ দলিল স্বৰূপ অৰ্থাৎ সাহিত্য হৈছে সমাজৰ কলাত্ম প্ৰতিচ্ছৱি।

সমাজৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত সৃষ্টিশীল সাহিত্যৰ ভূমিকা অনস্বীকাৰ্য। কিয়নো সাহিত্যিকসকলে সমাজৰ বাবে সাহিত্য ৰচনা কৰে আৰু সাহিত্য সৃষ্টি জৰিয়তেই সমাজৰ প্ৰতি থকা সামাজিক দায়বদ্ধতা পালন কৰে। যি সাহিত্যত সামাজিক দায়বদ্ধতা নাথাকে, তেনে সাহিত্যই পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰে আৰু কালৰ সোঁতত ৰেহাই যায়। সাহিত্যিকসকলে তেওঁলোকৰ সাহিত্যৰাজিত কেৱল সমাজৰ প্ৰতিচ্ছবিয়ে দাঙি নধৰে। বৰঞ্চ তেওঁলোকে জীৱন দৰ্শন, দৃষ্টিভংগীৰ আদিও দাঙি ধৰে। গল্প, উপন্যাস, নাটক আদিত সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ সামাজিক বৈষম্য আৰু সংঘাত আদি প্ৰতিফলিত হয়। যেনে—লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সাহিত্যৰাজিৰ কথা উনুকিয়াব পাৰি। তেখেতৰ সাহিত্যত অসমীয়া সমাজৰ কেৰোণসমূহ হাস্য-ব্যংগৰ ৰূপত অংকিত কৰিছে। ইয়াৰ জৰিয়তে লিখকে পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰি সমাজ সংস্কাৰৰ ভূমিকা গ্ৰহণ কৰিছে। সেইদৰে ইংৰাজৰ বিৰুদ্ধে জনজাগৰণৰ সৃষ্টি কৰাত বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীত আৰু কবিতাসমূহে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল।

বিশ্ব ইতিহাস অধ্যয়ন কৰিলে আমি দেখা পাম যে কোনো জাতি বা ৰাষ্ট্ৰৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ আমূল পৰিৱৰ্তন কৰাত সৃষ্টিশীল সাহিত্যই প্ৰধান ভূমিকা হৈছিল। উদাহৰণস্বৰূপে—অষ্টাদশ শতিকাৰ শেষৰফালে ফ্ৰান্সত স্বেচ্ছাচাৰী ৰাজতন্ত্ৰ ওফৰাই গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাত ভল্টেয়াৰ মণ্টেস্ক ৰুচো আদিৰ লেখাই যথেষ্ট সহায় কৰিছিল। সেইদৰে ৰাছিয়াত স্বেচ্ছাচাৰী ৰাজতন্ত্ৰক উৎখাত কৰি গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাত মেক্সিম গৰ্কী, ডষ্টভয়েস্কি, লেনিন, টলষ্টয়, টুৰ্গেনিভ আদিৰ সাহিত্যই বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। সাহিত্যই যে কেৱল ৰাজনৈতিক দৃষ্টিভংগী সলনি কৰাত ভূমিকা গ্ৰহণ কৰে, তেনে নহয়। সাহিত্যই মানুহৰ চিন্তা, দৰ্শনৰো আমূল পৰিৱৰ্তন ঘটাব পাৰে। পোন্ধৰ শতিকাৰ মাজভাগত ইউৰোপত হোৱা নৱজাগৰণৰ বাবেই বিশ্বত প্ৰগতিবাদী চিন্তা-চৰ্চা, বিচাৰ-বিশ্লেষণ দৃষ্টিভংগীৰ অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা হয়। সেইদৰে ভাৰতবৰ্ষত ভাৰতীয়সকলৰ দৰ্শন, জীৱনশৈলী, চিন্তা-চৰ্চা আদিত বেদ আৰু উপনিষদসমূহৰ প্ৰভাৱ চিৰন্তন। সেইদৰে ইছলাম ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰ পুথি কোৰাণে বেদুইন আৰবসকলৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৌদ্ধিক জগতক ইমানেই প্ৰভাৱিত কৰিছিল যে ইছলাম ধৰ্মৰ আৱিৰ্ভাৱৰ এশ এবছৰৰ ভিতৰতে সমগ্ৰ ইউৰোপৰ মানচিত্ৰ সলনি হৈছিল। ইয়াৰ প্ৰভাৱ আজিলৈকে বিদ্যমান। বৰ্তমান সকলোৱে স্বীকাৰ কৰে যে আধুনিক জাপান, জাৰ্মান আৰু জীৱনৰ উন্নয়নৰ মূলতে হৈছে সাহিত্য। দুখীয়া বা উন্নয়নশীল দেশসমূহৰ তুলনাত উন্নত দেশৰ জনসাধাৰণে অধিক কিতাপ অধ্যয়ন কৰে যাৰ ফলস্বৰূপে তেওঁলোকৰ চিন্তা জগতৰ লগতে ৰাষ্ট্ৰত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সুস্থিৰতা প্ৰতিষ্ঠিত হৈছে। ইংৰাজী প্ৰবচন এটিত কোৱা হয়। "The pen mightier than the sword" অৰ্থাৎ তৰোৱালতকৈ কলম বেছি শক্তিশালী। কলমৰ দ্বাৰা যি কাম কৰিব পাৰি, তৰোৱালৰ দ্বাৰা সেয়া কৰিব নোৱাৰি। উদাহৰণস্বৰূপে মহাবীৰ আলেকজেণ্ডাৰৰ গ্ৰীক সাম্ৰাজ্য। চেংগিজ খানৰ মোগল সাম্ৰাজ্য, খ্ৰীষ্টানসকলৰ ৰোমান সাম্ৰাজ্য আদি কেতিয়াবাই ধ্বংস হৈ গৈছিল, কিন্তু পুথি তথা সাহিত্যৰ জৰিয়তে প্ৰতিষ্ঠিত হোৱা ভাৰতীয় সভ্যতা হজৰত মহম্মদৰ ইছলামীয় সভ্যতা নিউটনৰ 'Principia' গ্ৰন্থৰ জৰিয়তে সূচনা হোৱা মহাকাশ বিজ্ঞানৰ বিজয় যাত্ৰা আজিও অব্যাহত আছে।

উক্ত আলোচনাৰ পৰা ক'ব পাৰি যে সুন্দৰ আৰু শৃংখলিত সমাজ গঠনত সৃষ্টিশীল সাহিত্যৰ বিকল্প ভূমিকা নাই। সেয়ে আমি সকলোৱে সাহিত্য অধ্যয়নৰ অভ্যাস লাহে লাহে গঠন কৰা উচিত। লগতে বৰ্তমানৰ নৱপ্ৰজন্মক সাহিত্য অধ্যয়নৰ প্ৰতি উৎসাহ দিয়াৰ লগেত সাহিত্য অধ্যয়নৰ বাবে উপযুক্ত পৰিৱেশ গঠন হোৱাত মনোযোগ দিয়া উচিত।●

# ৰমেচৌ

ভিতালী চিৰিং

সংস্কৃত আলংকাৰিকসকলৰ মতে ৰসেই কাব্যৰ আত্মা 'বাক্যং ৰসাত্মকং কাব্যম'। যি গ্ৰন্থ পাঠকৰ মনত বিশিষ্ট ৰসোদ্ৰেক কৰাত ব্যৰ্থ হয়, যি কাব্য বা সাহিত্য নামৰ পদবাচ্য হ'ব নোৱাৰে। সংস্কৃত পণ্ডিত আনন্দ বৰ্ধনৰ মতে কাব্যৰ আখ্যান ভাগ আৰু অলংকাৰতকৈও ৰসৰ গুৰুত্ব বেছি। ভৰতৰ মতে ৰসেই হ'ল কাব্যৰ বীৰ। সাহিত্যৰ তিনিটা মুখ্য উদ্দেশ্য আছে। সেই তিনিটা হ'ল—পাঠকৰ আনন্দ, সৌন্দৰ্য আৰু ৰস প্ৰদান কৰা। ইংৰাজ সাহিত্যিক শ্বুইৱান, হুইটলাৰ, অস্কাৰ ৱাইল্ড আদিৰ মতেও সাহিত্যৰ উদ্দেশ্য হ'ব লাগে একমাত্ৰ ৰস সৃষ্টি (Art for art's sake)। কাৰণ সাহিত্য জীৱনৰ প্ৰতিবিম্ব, সেই কাৰণে মানৱ জীৱনৰ নগ্নতা, মানুহৰ হীনতা, নীচতা, স্বাৰ্থপৰতা, দুৰ্বলতা, কামনা, আসক্তি, যৌন-তৃষ্ণা আদি সকলো যথাযথভাৱে ৰূপায়িত কৰাৰ অধিকাৰ আছে।

সাহিত্যত নৱৰস আছে। শৃংগাৰ, বীৰ, ৰৌদ্ৰ, বীভৎস, হাস্য, অদ্ভূত, কৰুণ, ভয়ানক আৰু শান্ত। এই নৱৰসৰ অন্যতম হৈছে। হাস্যৰস। মনস্তাত্তিকসকলৰ মতে হাস্যৰস সকলো ৰসৰ ভিতৰত শ্ৰেষ্ঠ। একমাত্ৰ বুদ্ধিজীৱীসকলৰ এই হাস্যৰসৰ প্ৰবাদ বোৱাব পাৰে। কাৰণ হাস্যৰসৰ সৃষ্টি কৰিবলৈ হ'লে হাস্যৰসৰ বোধ থকাটো প্ৰয়োজনীয় আৰু হাস্যৰস মানে বহুৱামী নহয়। অকল সেইটোৱেই নহয় হাস্যৰস বুজিবলৈ হ'লে হাস্যৰস সম্পৰ্কে জ্ঞান থকাটো প্ৰয়োজন। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেওঁৰ ৰচনাত হাস্যৰসৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। কাৰণ অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ পৰিপূৰ্ণ অসমীয়া সমাজৰ মানুহে হাঁহিব নেজানিছিল। কেনেবাকৈ হাঁহিলেও সামাজিক জগৰ লাগে। সৰুৱে ডাঙৰ লোকৰ আগত হাঁহিব নাপায়। বোৱাৰীয়ে বৰজনাৰ আগত বগা দাঁত উলিয়াই হঁহাটো অপৰাধ। সেয়েহে বোৱাৰীয়ে বিয়াৰ পাছত বগা দাঁতৰ লা-জাতীয় বস্তু লগাই ক'লা কৰি লৈছিল। হাঁহিলে হেনো মানুহ পাতল হয়, চেলেপু হয়। হাঁহি থকা মানুহৰ গাত গুৰু-গোসাঁই নেথাকে ইত্যাদি। ৰসৰাজ বেজবৰুৱাদেৱে তেওঁৰ গল্প, নাটক সাধুকথা, কবিতা আদিৰ মাজেৰে হাস্যৰস বিলাই নিবোকা অসমীয়া মানুহক হাঁহিবলৈ শিকালে। সেয়েহে বেজবৰুৱাদেৱ আমাৰ সকলোৰে চিৰনমস্য হৈ থাকিব।

আপোনালোকে আৰু হাঁহিব জানেনে? হাঁহক, সুবিধা পালেই হাঁহক, হাঁহিব জানেনে? হাঁহিলে আমাৰ স্বাস্থ্য ভালে থাকে। আমি নজনাকৈ বহুত কিবা কিবি উপকাৰ হয়। মনৰ বেদনা, খং-ৰাগ নিমিষতে পলাই পত্ৰং দিয়ে। হাঁহিলে মানুহৰ আয়ুস বৃদ্ধি হয়। বিজ্ঞানীসকলেও প্ৰমাণ কৰি দেখুৱাইছে যে অন্তৰ খোলা হাঁহিৰে ফৰকাল হৈ থকা লোকসকলৰ আয়ুস যথেষ্ট বেছি। এটা সুন্দৰ হাঁহিৰে সকলোকে আকৰ্ষিত কৰক। খোলা হাঁহিৰ লোকসকল অন্তৰ সতেজ আৰু শক্তিশালী হয়। মনত জড়তা, হতাশা, বেমাৰ-আজাৰ আদি দূৰ কৰে। হাঁহিয়ে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে। হাঁহি থকা সময়ত মানুহে সংসাৰৰ সকলো দুখ-যান্ত্ৰণা পাহৰি থাকিব পাৰে। বৈজ্ঞানিকসকলে কয়—হাঁহিলে মুখৰ পেশীবোৰত ৰক্ত সঞ্চালন বৃদ্ধি হয়। ফলত মুখৰ ব্যায়াম হয় আৰু ছালখন সতেজ কৰি বয়সৰ চাপ পৰাৰ পৰা ৰক্ষা কৰে। আমাৰ শৰীৰৰ কোষবোৰ কাৰ্যক্ষম হয়, শক্তিশালী হয়। মনটো ফৰকাল হৈ থাকে। ভাগৰ নালাগে। হাঁহিলে হেনো হৃদয় সক্ৰিয় হৈ থাকে। দেশলৈ সতেজতা আহে। সেয়েহে আপোনালোকেও হাঁহক। প্ৰাণ খুলি হাঁহক। যিমান পাৰে হাঁহক। বেজবৰুৱাদেৱৰ ভাষাতে—শুকান জেওৰাখনি চেপি হ'লেও ৰস পান কৰক।●●

# হে মহান গণিতজ্ঞ, আপোনালোক ধন্য

প্ৰণামী সন্দিকৈ




সাহিত্য, সংগীত, কলা, ক্ৰীড়া, ৰাজনীতি আদি বিভিন্ন ক্ষেত্ৰত যুগজয়ী কীৰ্তি ৰাখি থৈ যাবলৈ সমৰ্থ হোৱা পৰম প্ৰতিভাশালী ব্যক্তিসকলৰ জীৱন কাহিনীবোৰ সাধাৰণতে বৈচিত্ৰপূৰ্ণ আৰু চমকপদ হোৱাৰ লক্ষ্য কৰা যায়। মহান বিজ্ঞানীসকলো ইয়াৰ ব্যতিক্ৰম নহয়। খুব সম্ভৱ বিজ্ঞানীৰ জীৱনৰ লগত বিজ্ঞানৰ জটিল তত্ত্ব জড়িত হৈ থকাৰ বাবে বিজ্ঞানৰ পৰা আঁতৰত অৰ্থাৎ বিজ্ঞানৰ জটিল তত্ত্বক সহজ লভ্যভাৱে আঁকোৱালি লোৱাৰ পৰা বিৰত থাকে। বিজ্ঞানীৰ মাজেৰে এটা গোট, গণিতজ্ঞৰ ক্ষেত্ৰত যেন এটা কথা বেছিকৈহে প্ৰযোজ্য হয়, তেনে অনুমান হয়।

বৰ্তমানৰ সময়ৰ বিজ্ঞানৰ জয়জয়কাৰৰ নেপথ্যত গণিতৰ অৱদান নুই কৰিব নোৱাৰি। গণিতক বিজ্ঞানৰ ৰাণী বুলি কোৱা হয়। ইয়াৰ অন্তৰ্নিৰ্হিত সৌন্দৰ্য-সুষমাৰ লগতে সৃষ্টিশীলতাৰ কথাও নিশ্চয়কৈ কথাযাৰত জড়িত হৈ আছে। এই কথা ঠিক যে যি এবাৰ গণিতৰ সৌন্দৰ্য আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে, তেওঁক কোনোধৰণৰ পাৰ্থিৱ অথবা শাৰীৰিক আহুকালে গণিতৰ পৰা আঁতৰ কৰি ৰাখিব নোৱাৰে। সেইবাবেই সকলো বাধা-বিঘিনি নেওচি গণিতৰ কাৰণে জীৱন উছৰ্গা কৰা গণিতজ্ঞৰ জীৱন-কথাই কাল্পনিক কাহিনীকো চেৰ পেলাই যোৱাৰ উদাহৰণ গণিতৰ ইতিহাসৰ পাতে পাতে পোৱা যায়।

পাইথাগৰাছ, ইউক্লিড, আৰ্কিমিডিছ, আলেকজেণ্ড্ৰিয়াৰ ডায় ফেণ্টাছ, আমভট, বৰাহমিহি, ব্ৰহ্মগুপ্ত, মহাবীৰাচাৰ্য, শ্ৰীধৰাচাৰ্য, ভাস্কৰাচাৰ্য (দ্বিতীয়) আদিয়ে মানৱ সভ্যতাৰ বিকাশলৈ অনবদ্য অৱদান আগবঢ়াই থৈ যোৱা গণিতজ্ঞৰ জীৱন কথা জনাৰ লগতে তেওঁলোকৰ প্ৰতি কৃতজ্ঞ নহৈ নোৱাৰে। তেওঁলোকৰ মহান প্ৰচেষ্টাৰ বাবেই আজি গণিতক বাদ দি বিজ্ঞানক চমকিত কৰিব নোৱাৰে। মহান গণিতজ্ঞসকলৰ সুদীৰ্ঘ তালিকাখন অতি দীঘলীয়া। এই সুদীৰ্ঘ তালিকাখনৰ মহান গণিতজ্ঞসকল, আপোনালোকৰ মহান প্ৰচেষ্টাৰ মহানত্বক সহস্ৰবাৰ প্ৰণাম জনালোঁ।●●

# অৰ্থনৈতিক উন্নয়নত ক্ষুদ্ৰ চাহ খেতিয়কৰ ভূমিকা

সৃষ্টি কোঁৱৰ

অসমৰ চাহ উদ্যোগটো প্ৰায় ১৭২ বছৰ পুৰণি। এই উদ্যোগটোৱে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰে। ১৮২৩ চনত ৰবাৰ্ট ব্ৰুছে উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত বনৰীয়াকৈ গজি থকা চাহ গছ আৱিষ্কাৰ কৰিছিল।

১৮৩৩ চনত চৰকাৰে পূৰ্বৰ লক্ষীমপুৰ জিলাত এখন চাহ বাগিচাৰ আৰম্ভ কৰিছিল। ১৯৩৮ চনত এই বাগিচাৰ পৰা সূক্ষ্ম মানৰ চাহ লৈ লণ্ডনত উপস্থিত হোৱাৰ লগে লগে চহৰখনৰ বাণিজ্যিক চক্ৰই অসমৰ চাহ খেতিৰ প্ৰতি তীব্ৰ আগ্ৰহ প্ৰদৰ্শন কৰে আৰু ১৯৩৯ চনত অসমত স্থাপিত চাহ বাগিচাৰ ওপৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসনৰ পৰীক্ষামূলক সম্পত্তিৰ দায়িত্ব লোৱাৰ বাবে অসম কোম্পানী নামেৰে জনাজাত এটা কোম্পানী গঠন কৰা হয়। চাহৰ বাণিজ্যিক উৎপাদন কৰা এইটো ভাৰতৰ প্ৰথম কোম্পানী আছিল আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰত্যক্ষ উত্তৰাধিকাৰী আছিল। নাজিৰাৰ জংঘলৰ পৰা এটা স্থান পৰিষ্কাৰ কৰা হৈছিল, যিটো ১৯৬৫ চনত কলিকতালৈ স্থানান্তৰিত নোহোৱালৈকে এটা কোম্পানীৰ মুখ্য কাৰ্যালয় হিচাপে পৰিগণিত হৈছিল। ১৮৫৯ চনত দ্বিতীয় গুৰুত্বপূৰ্ণ চাহ কোম্পানী জ্যোতি চাহ কোম্পানী গঠন কৰা হয়। ১৯১১ চনত চাহ খেতি আৰু নিৰ্মাণ ওপৰত কৰাৰ লক্ষ্যৰে যোৰহাটৰ ওচৰত টোকলাই গৱেষণা কেন্দ্ৰ স্থাপন কৰা হৈছিল। এই গৱেষণা কেন্দ্ৰটো উদ্যোগটোৰ বাবে উৎপাদন বৃদ্ধিৰ বাবে জ্ঞান প্ৰচাৰ কৰাত অতি উপযোগী। চাহ উদ্যোগটোৱে প্ৰথম বিশ্বযুদ্ধৰ সময়ত মুখ্যতঃ মূল্যৰ বাবে আন এক সংকটৰ সন্মুখীন হৈছিল। ত্ৰিছৰ দশকৰ আৰম্ভণিতে উদ্যোগটোৱে পুনৰ এক তীব্ৰ সংকটৰ সন্মুখীন হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত উদ্যোগটো পুনৰ এক বেয়া সময়ৰ মাজেৰে পাৰ হৈছিল। তাৰ পাছত ১৯৫২ চনত এক গুৰুত্বৰ সংকটৰ পাছত যেতিয়া চাহৰ মূল উৎপাদন ব্যয়তকৈ প্ৰায়ে কম পৰিমাণে হ্ৰাস পাইছিল। ১৯৭০ চনৰ ২৫ ছেপ্টেম্বৰত গুৱাহাটী চাহ নিলাম কেন্দ্ৰ মুকলি কৰা, অসমৰ চাহ উদ্যোগৰ বাবে এক নতুন যুগৰ শুভাৰম্ভ কৰে।



অসমত চাহৰ আনুমানিক বাৰ্ষিক গড় উৎপাদন প্ৰায় ৬৩০-৭০০ নিযুত কিঃগ্ৰাঃ! তথ্য আৰু পৰিসংখ্যা উদ্যোগ আৰু বাণিজ্য বিভাগৰ দ্বাৰা শেহতীয়াকৈ ঘৰে ঘৰে কৰা জৰীপ অনুসৰি, কিছুমান তথ্য তলত দিয়া হ'ল—

**১। ক্ষুদ্ৰ খেতিয়কৰ বিতৰণ ঃ**

উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত উল্লেখযোগ্য ক্ষুদ্ৰ খেতিয়ক আছে আৰু তেওঁলোকৰ সংখ্যা হৈছে ৩৭.৭৫৫ (৫৫%)

ওদালগুৰি, শোণিতপুৰ, নগাঁও আৰু কাৰ্বি আংলং জিলাত বৰ্ধিত প্ৰৱণতা আছে। উজনি অসমৰ জিলাৰ বাহিৰে আন জিলাবোৰ স্থিৰ হৈ থকা দেখা গৈছে।



**২। ক্ষুদ্ৰ চাহ খেতিয়কৰ দ্বাৰা চাহ খেতিৰ অধীনত ভূমি ঃ**

ক্ষুদ্ৰ খেতিয়কসকলৰ চাহ খেতিৰ অধীনত মুঠ মাটিৰ এলেকা হৈছে ১১৭ হাজাৰ একৰ। উচ্চ ভূমিত ধামৰ পৰা চাহলৈ পৰিৱৰ্তন হৈছে। ক্ষুদ্ৰ খেতিয়কসকলে চাহ খেতিৰ বাবে চৰকাৰী মাটি ব্যৱহাৰ কৰিছিল।

**৩। সেউজীয়া পাত উৎপাদন ঃ**

ক্ষুদ্ৰ খেতিয়কসকলে ৪০০ নিযুত কিলোগ্ৰাম সেউজীয়া পাত উৎপাদন কৰিছিল।

**৪। সেউজীয়া পাত সৈতে ক্ৰেতাৰ সম্পৰ্ক ঃ**

কেৱল ৪৯২০ জন খেতিয়কৰ কাৰখানাবোৰৰ সৈতে পোনপটীয়া সম্পৰ্ক আছে। ৯৩% উৎপাদকে এজেণ্টৰ জৰিয়তে সেউজীয়া পাত বিক্ৰী কৰে।

ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বৃদ্ধিৰ দ্বাৰা উৎসাহিত হৈ ভাৰত চৰকাৰৰ বাণিজ্য মণন্ত্ৰালয়ে শেহতীয়াকৈ অসমৰ পৰা কেনিয়া আৰু শ্ৰীলংকাৰ যুৱ চাহ খেতিয়কৰ এটা দল লৈ গৈ তেওঁলোকক এই দুখন দেশত ক্ষুদ্ৰ চাহ খেতিৰ সফলতাৰ বিষয়ে প্ৰত্যেক্ষ জ্ঞান লাভ কৰাত সহায় কৰে। ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বৃদ্ধি বিশেষকৈ উজনি অসমৰ যথেষ্ট সংখ্যক ক্ষুদ্ৰ কৃষকে যোৱা ১৫ বছৰত চাহ খেতি কৰিছে। ডাঙৰ বাগিচাবোৰৰ তুলনাত তেওঁলোকৰ আপেক্ষিক অৱদান ২০% তকৈ অধিক আৰু বাগিচাবোৰে তেওঁলোকৰ সেউজীয়া পাত উৎপাদনৰ এক মুখ্য অংশ ক্ৰয় কৰে। সৰু সৰু হোল্ডিংত কোন প্ৰকাৰৰ চাহ পুলি ব্যৱহাৰ কৰি এই ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকসকলে উপাৰ্জনৰ মুখ্য উৎস হিচাপে তেওঁলোকৰ শস্যৰ ওপৰত নিৰ্ভৰশীল।●●

# মৰাণ জনগোষ্ঠীৰ ৰাতি বিহু

জ্যোতিস্মৃতা মৰাণ

মৰাণ জনগোষ্ঠীৰ ৰাতিবিহু আৰু চহকী কলা-সংস্কৃতিৰ অধিকাৰী। ৰাতি বিহু মৰাণ জনগোষ্ঠীয়ে অতীজৰে পৰা পালন কৰি অহা বসন্ত উৎসৱৰ এক আকৰ্ষণীয় ব্যতিক্ৰম পৰম্পৰা। অন্যান্য অসমীয়াসকলৰ দৰেই মৰাণসকলৰ মূল জাতীয় উৎসৱ ব'হাগ বিহু বা ৰঙালী বিহু। ৰঙালী বিহুত ৰাতি বিহু, গছ তলৰ বিহু আৰু ধৰ্ম হুঁচৰি গোৱা প্ৰথা প্ৰচলন আছে। ইয়াৰ লগতে ব'হাগ বিহুৰ আনুষংগিক প্ৰথা পৰম্পৰা কিছুমানো তেওঁলোকে পালন কৰি আহিছে।

মৰাণ জনগোষ্ঠীটো অসমৰ অন্যতম খিলঞ্জীয়া ভূমিপুত্ৰ। বৰ্তমান উজনি অসমৰ তিনিচুকীয়া জিলাতেই অধিক সংখ্যক মৰাণ জনগোষ্ঠীৰ লোকে বাস কৰে।

**ৰাতি বিহুৰ সবিশেষ ঃ** মৰাণসকলৰ বিহুৰ এটা প্ৰধান অংশ হৈছে ৰাতিবিহু। মৰাণসকলৰ জাতীয় উৎসৱ ৰঙালী বিহুক ৰাতি বিহুৱে অনন্য মাত্ৰা প্ৰদান কৰিছে বুলি ক'ব পাৰি। মৰাণসকলৰ ৰাতি বিহু সঁচাকৈয়ে লেখত ল'বলগীয়া অৱদান। গাঁৱৰ ডেকাসকলে চ'ত মাহতেই গাঁৱৰ আছুতীয়া আই বা গাঁৱৰ মূৰত বাঁহ, কাঠ, জেঙুপাত, টকৌপাত, আদিৰে দুই কুঠলীয়া এটা বেৰহীন অস্থায়ী ঘৰ সাজি উলিয়ায়। সেইটোক বিহুঘৰ বুলি কোৱা হয়। বিহুঘৰটোক পবিত্ৰ গৃহ নিৰ্মাণ গণ্য কৰা হয়। দুই কুঠলীয়া বিহুঘৰটোৰ মাজক চতিটোৰ ভিত্তিতে ইয়াক দুটা ভাগত ভাগ কৰে, সোঁফালৰ কোঠাটো ডেকাসকলৰ বাবে আৰু বাওঁফালৰ কোঠাটো গাভৰুসকলৰ বাবে নিৰ্ধাৰণ কৰা হয়। তাত ডেকাসকলে বৃত্তাকাৰে ঘূৰি ঘূৰি সুকীয়া সুকীয়াকৈ ৰাতিবিহু মাৰে। ৰাতিবিহু গোৱাৰ সময়ত ডেকা আৰু গাভৰুসকলে পৰস্পৰৰ অংশত প্ৰৱেশ নকৰে। ৰাতিবিহু গাবৰ বাবে বিহুলৈ এক সপ্তাহমান বাকী থাকোতেই এজন বয়সস্থ ব্যক্তিক লগত লৈ ডেকাসকলে তামোল-পাণৰ টোপোলা দি অভিভাৱকৰ পৰা গাভৰুসকলক খুজিবলৈ যায়। ডেকাসকলে অভিভাৱকৰ গাভৰুগৰাকীৰ নিৰাপত্তা তথা সম্পূৰ্ণ সুৰক্ষাৰ আশ্বাস দিয়াৰ পাছতহে অভিভাৱকে নিজৰ



গাভৰু ছোৱালীক ৰাতি বিহু মাৰিবলৈ এৰি দিয়ে। প্ৰতিদিনে ৰাতিবিহু মাৰি থোৱাৰ পাছত ডেকাসকলে গাভৰুসকলক ঘৰত চমজাই থৈ আহে। এই বিহু সাতদিন, ন-দিন, এঘাৰ দিন, পোন্ধৰ দিনলৈকে মৰা হয়। পোহৰত গীত, বাদ্য আৰু নৃত্যৰ আকৰ্ষণীয় সমাহাৰেৰে ৰাতি বিহু মায়াময় হৈ পৰে।



নিশা আঠমান বজাৰ পৰা আৰম্ভ হৈ পুৱতি নিশালৈকে এই বিহু চলি থাকে। আন গাঁৱৰ ডেকা বিহুখোলালৈ আহিলে গাভৰুসকলে ডেকাসকলক টকা চমজাই দিয়ে। কেৱল গাঁৱৰ পৰা অহা ডেকাবোৰে তেতিয়া প্ৰেম-প্ৰণয়, ব্যঞ্জনধৰ্মী শালীনতাপূৰ্ণ বিহুগীত গায়। চাকচনি মাৰিবে গাভৰুসকলক নচুৱায়। অৰ্থাৎ আন গাঁৱৰ পৰা অহা ডেকাসকলেও নাচনীবিলাকক নচুৱায়। একে গাঁৱৰ ডেকাসকলে অৰ্থাৎ নিজৰ গাঁৱৰ ডেকাই নিজৰ গাঁৱৰ ছোৱালীক ননচুৱায়।

ধেমালি, ৰং-ৰহইচৰ মাজেৰে বিহু কৰি থাকিলেও এই বিহুত কোনো অশ্লীলতা নাথাকে। বৰঞ্চ ৰাতি বিহু অতি মাৰ্জিত আৰু পৰিশীলিত।

**অতীতৰ পৰা বৰ্তমানলৈ ৰাতিবিহু ঃ** বুৰঞ্জীয়ে ঢুকি নোপোৱা সময়ৰ পৰাই অৰ্থাৎ প্ৰাক্ ঐতিহাসিক কালৰ পৰাই মৰাণসকলে ৰাতিবিহু পালন কৰি আহিছে। অতীজত ৰাতি বিহু দীঘলীয়াকৈ কেইবাদিনৰ পৰা পালন কৰা হৈছিল। সময়, আধুনিকতা তথা ব্যস্ত জীৱনশৈলীয়ে এই পৰম্পৰালৈ কিছু কিছু পৰিৱৰ্তন অনাটো অনস্বীকাৰ্য। মৰাণসকলে চ'তৰ সংক্ৰান্তিত বিহু পালন কৰে। তাৰ পৰিৱৰ্তে প্ৰাক্ বৈষ্ণৱ কালৰ পৰাই ব'হাগৰ প্ৰথম বুধবাৰটোত নীতি-নিয়মৰ মাজেৰে বিহু নমাই সাতৰ পৰা পোন্ধৰ ৰাতিলৈকে ডেকা-গাভৰুৱে বিহু মাৰিছিল। উত্তৰ বৈষ্ণৱ কালতো গুৰু পৰামৰ্শ অনুসৰি মৰাণসকলে ব'হাগৰ প্ৰথম মংগলবাৰটোক উৰুকা আৰু বুধবাৰটোক গৰু বিহু হিচাপে লৈ বিহু নমাই পালন কৰে। পূৰ্বৰ দৰে ব্যাপকভাৱে ৰাতি বিহু নামাৰিলে কেইখনমান গাঁৱত এতিয়াও ৰাতিবিহু মৰা প্ৰথাটো প্ৰচলন হৈ আছে। আনন্দৰ কথা—অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ জনগোষ্ঠীয় তথা কাকপথাৰবাসী ৰাইজৰ ঐকান্তিক প্ৰচেষ্টাত ৰাতিবিহু পালন কৰা হয় বা পতা হয়।

**বিহুৱাৰ কাপোৰ ঃ** ৰাতি বিহুৰ বিহুৱাসকলে ধূতি-গামোচা পৰিধান কৰে।

**নাচনীৰ সাজ ঃ** ৰাতি বিহুৰ নাচনীসকলে বুকুত মেঠনি মাৰি মেখেলা-চাদৰ, কলীয়া ৰিহা পৰিধান কৰে। গহনাৰ ভিতৰত গামখাৰু, ডিঙিত ফুটিমনিৰ সৈতে মাদলি, কাণত থুৰিয়া, জাংফাই, খোপাত বতৰৰ ফুল লগায়।

**বিহুৱান ঃ** ৰাতি বিহুৰ পদ ঘোষা আৰু গীতবোৰ সম্পূৰ্ণ সুকীয়া। তদুপৰি ডেকা আৰু গাভৰুৱে গোৱা পদবোৰ পৃথক হয়। মৰাণসকলৰ বিহুনামৰ সুৰ-লয়বোৰ লেহেতীয়া। সুৰ-লয়বোৰ ধীৰ বা লেহেতীয়া থোৱাৰ বাবে সুদীৰ্ঘ সময় ধৰি নাচি থাকিলেও ডেকা-গাভৰুসকল ভাগৰুৱা নহয়। লেহেতীয়া সুৰৰ বাবে বিহু নামেৰে স্পষ্ট আৰু অৰ্থময় হৈ পৰে বুলি কোৱা হয়।

**বিহুৰ বাদ্য ঃ** ৰাতি বিহুত ব্যৱহৃত বাদ্যবোৰ হৈছে—ঢোল, তাল, পেঁপা, বাঁহী, সুতুলি, ঢোক্ৰ, টকা, গগনা আদি।

**নৃত্য ঃ** ৰাতি বিহুৰ নাচবোৰ ধীৰ-স্থিৰ। নাচৰ মুদ্ৰাবোৰ হৈছে—কালত হাত থৈ কঁকাল ভাহি নচা, ওপৰলৈ হাত মেলি হাতৰ সৰু গাঠি ভাঙি হাতখন ইফাল-সিফাল কৰি ঘূৰি ঘূৰি নচা আৰু আৰু যোজনাত হালি জালি মৰা নাচেই প্ৰধান নাচ। সাধাৰণ বিহুত খোপাত ধৰি নচা, ম'হৰ শিঙৰ দৰে হাত মেলি নচা, আগফালে হাত মেলি নচা আদি ভংগিমা মৰাণৰ বিহু নাচত নাই।

**মৰাণ গামোচা ঃ** মৰাণসকলৰ গামোচাখনত জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় এটা পোৱা যায়। বগা সূতাৰ গামোচাখনত সোণালী বা মুগা সূতাৰ ফুল থাকে।●●



# মৰাণ সমাজত এভুমুকি

নিকিতা মৰাণ




বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বিভিন্ন প্ৰাচীন জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত বৰ্তমান উজনি অসমৰ ডিব্ৰুগড়, লক্ষীমপুৰ, ধেমাজি, ঢকুৱাখানা, শিৱসাগৰ, তিনিচুকীয়া জিলা আৰু ইয়াৰ সংলগ্ন অৰুণাচল প্ৰদেশৰ কিছু অংশত বসবাস কৰা মৰাণ জনগোষ্ঠীও অন্যতম। ইতিহাসে ঢুকি পোৱা দিনৰে পৰা 'ভূমিপুত্ৰ' মৰাণসকলে উজনি অসমৰ এক নিৰ্দিষ্ট ভূ-খণ্ডত বসবাস কৰি অসমৰ ঐতিহাসিক পৰিক্ৰমাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। 'মৰাণ' নামটোৰ উৎপত্তি সন্দৰ্ভত বহুতো জনপ্ৰবাদ আছে। কোনো কোনোৰ মতে মৰাণ শব্দটোৰ অৰ্থ হ'ল—'ম' মানে অতি উদ্যমী, বলবান, সুদক্ষ তথা দুঃসাহসী আৰু 'ৰাণ' শব্দটোৱে অৰ্থাৎ ৰূপ গা আকৃতিয়ে যুঁজাৰু তথা সৈনিক জাতিক বুজাইছে। গতিকে মৰাণ শব্দটোৰ অৰ্থ হ'ল—সুদক্ষ তথা সুঃসাহসী যুঁজাৰু জাতি। ১২২৮ খ্ৰীষ্টাব্দত চাউলুং চ্যুকাফাই অসমত প্ৰৱেশ কৰাৰ সময়ত বদৌচাৰ অধীনত উত্তৰে বুঢ়ীদিহিং, দক্ষিণে দিচাং, পূবে চফ্ৰাই আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ মহানদীৰ মাজৰ ভূখণ্ডত এখন সমৃদ্ধিশালী মৰাণ ৰাজ্য আছিল, সেই সময়ত মৰাণসকলৰ ৰজা আছিল বদৌছা। বদৌছা শব্দৰ অৰ্থ হ'ল বড়োৰ সন্তান। মৰাণসকলে যে বড়ো জনগোষ্ঠীয় লোক এই কথাটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু ক্ষীণ ৰূপত আজি কোপতি জীয়াই থকা তথ্যটো হৈছে—মৰাণসকলৰ ভাষা। মৰাণসকলৰ নিজা এক জনজাতীয় ভাষা আছে, যিটো ভাষাক পণ্ডিতসকলে বড়োমূলীয় বুলি চিনাক্ত কৰিছে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে শতিকাজুৰি হোৱা সামাজিক সংমিশ্ৰণ, বিশেষকৈ কাষৰীয়া জনজাতিসকলৰ লগত হোৱা সামাজিক, সাংস্কৃতিক তথা ভাষাগত আদান-প্ৰদান বৈষ্ণৱ ধৰ্ম গ্ৰহণ আধুনিক সংস্কৃতিৰ প্ৰভাৱ, মান্য অসমীয়া ভাষাৰ প্ৰভাৱ আদিয়ে মৰাণ ভাষালৈও পৰিৱৰ্তন আনিলে আৰু বৰ্তমান মৰাণসকলে যিটো ভাষাত কথোপকথন কৰে, সেয়া মান্য অসমীয়া ভাষা নহয়। এই ভাষাকৈ নিজৰ শৈলীৰে পৰিপূৰ্ণ আৰু ধ্বনি আৰু ৰূপতত্ত্বৰ দিশৰ পৰা মান্য অসমীয়া ভাষাৰ লগত যথেষ্ট বৈসাদৃশ্য থকা দেখা যায়।

একেদৰে মৰাণসকলৰ সাজপাৰৰ বিষয়ে ক'বলৈ গ'লে মহিলাৰ পৰিধেয় সাজপাৰৰ ভিতৰত মেখেলা, পাৰকানি আৰু কঁকালমৰা এই তিনিখনীয়া বস্ত্ৰই প্ৰধান। মৰাণ বিহুৱাসকলে সাধাৰণতে বুকুত মেথনি মাৰি মেখেলা, কঁকালৰ অংশত কঁকালমৰা আৰু তাৰ ওপৰত চাদৰ নাইবা ৰিহা পৰিধান কৰে। ভিন ভিন ৰিহাৰ উপৰি মৰাণৰ জাতীয় সম্পদস্বৰূপ কলীয়া ৰিহাও মৰাণ মহিলাৰ অন্যতম অংগবস্ত্ৰ। ইয়াত বিশেষভাৱে মন কৰিবলগীয়া বিষয়টো হ'ল, অধিকাংশ মৰাণ মহিলাই তেওঁলোকৰ প্ৰয়োজনীয় বস্ত্ৰসমূহে নিজে প্ৰস্তুত কৰি লয়। আনহাতে, পুৰুষসকলে তেওঁলোকৰ সাজপাৰ হিচাপে জেমা, টঙালী, চেলেং কাপোৰ পৰিধান কৰে। মৰাণ সমাজৰ বয়োজ্যেষ্ঠসকলে মূৰত পাগুৰি পৰিধান কৰে। অৱশ্যে বিহুৰ সময়ত পৰিধান কৰা সাজপাৰসমূহ অলপ সুকীয়া। মৰাণ বিহুৱাসকলে বিহুৰ সময়ত চুৰীয়া, মুগাৰ চোলা, মৰাণ গামোচা পৰিধান কৰে। মৰাণসকলৰ গামোচাখনত জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় এটা পোৱা যায়। এই গামোচাখন বগা সূতাৰে বৈ সোণালী ৰঙৰ সূতাৰ ফুল বচা হয়। গামোচাখনৰ বিশেষত্ব হ'ল যে এই গামোচাখন পাৰি দি বোৱা নহয়। আনহাতে গাভৰুসকলে ৰাতি বিহুত নৃত্য পৰিৱেশন কৰোঁতে বুকুত মেথনি মুগাৰ মেখেলা, কলীয়া ৰিহা আৰু ৰঙা ব্লাউজ পৰিধান কৰে।

সাংস্কৃতিকভাৱেও মৰাণসকল অতি চহকী। উল্লেখযোগ্য যে মৰাণ সমাজত মাঘ বিহু আৰু কাতি বিহু উদ্‌যাপনৰ ধৰাবন্ধা নাই যদিও ব'হাগ বিহু বা ৰঙালী বিহুৰ ক্ষেত্ৰত এক সুকীয়া বৈশিষ্ট্য বিদ্যমান। বেদ আৰু গোসাঁই বিহুক প্ৰাধান্য দি অহা ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীয়ে ব'হাগ মাহৰ প্ৰথম মংগলবাৰে উৰুকা, বুধবাৰে গৰু বিহু আৰু বৃহস্পতিবাৰে মানুহ বিহু হিচাপে পালন কৰি আহিছে।

মৰাণসকলে ব'হাগ বিহুটো প্ৰায় এসপ্তাহজুৰি পালন কৰে। মানুহ বিহুৰ দিনাৰে পৰা এসপ্তাহজুৰি অৰ্থাৎ বিহু শেষ নোহোৱা পৰ্যন্ত আবেলিপৰত গাঁৱৰ নিৰ্দিষ্ট স্থানৰ গছ তলত



এখন গাঁৱৰ ডেকাসকলে আন এখন গাঁৱৰ গাভৰুসকলৰ লগত বিহু মৰাৰ পৰম্পৰা আছে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল মৰাণ সমাজত একেখন গাঁৱৰ অৰ্থাৎ আত্মীয় ডেকা-গাভৰুৰ মাজত একেলগে বিহু মৰাৰ পৰম্পৰা নাই। মৰাণসকলে অন্যান্য সংস্কৃতি সম্ভাৰসমূহৰ ভিতৰত কুলাবুঢ়ী নৃত্য, যঁজা নৃত্য, গৰখীয়া গীত ইত্যাদি উল্লেখযোগ্য। ইফালে মৰাণসকলৰ মাজত ৰাতি বিহুও বিদ্যমান। মৰাণ জনগোষ্ঠীৰ ৰাতি বিহুৰ দৰে অনুষ্ঠান আন কোনো জনগোষ্ঠীতে দেখা নাযায়। বিহু সামৰণি মৰাৰ দিনটোক 'বিহু উৰুৱা' বুলি কয়। সেই নিৰ্দিষ্ট দিনটোত সকলোৱে নামঘৰত সেৱা ধৰি বিহু উৰুওৱা পৰ্ব সম্পন্ন কৰে।

এটা জাতিৰ সবিশেষ লিখাটো এক অন্তহীন প্ৰি... মুঠৰ ওপৰত মৰাণ জনগোষ্ঠীয়ে সামাজিক, ৰাজনৈ..., শৈক্ষিক, সাংস্কৃতিক আদি সকলো দিশতে নিজস্ব প্ৰতিভাশৈলীৰে জাতিটোৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ প্ৰয়াস কৰি আহিছে। ২০২২ চনৰ ১৩ আগষ্টত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে ডিব্ৰুগড়ৰ জনতা ভৱনত আয়োজিত মৰাণ জনগোষ্ঠীয় লোকসকলৰ ইতিহাস সম্পৰ্কত ৰচনা কৰা 'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী' নামৰ গ্ৰন্থখন উন্মোচন কৰি কয় যে 'কিতাপখনত মৰাণ লোকসকলৰ বিষয়ে সকলো উপলব্ধ তথা আছে। তেওঁলোক চীন-তিব্বতীয় জনগোষ্ঠী কিৰাট লোকসকলৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। তেওঁলোক অসমৰ গঠনৰ ইতিহাসৰ এক অংশ আছিল।" ●●

একেদৰে মৰাণসকলৰ সাজপাৰৰ বিষয়ে ক'বলৈ গ'লে মহিলাৰ পৰিধেয় সাজপাৰৰ ভিতৰত মেখেলা, পাৰকানি আৰু কঁকালমৰা এই তিনিখনীয়া বস্ত্ৰই প্ৰধান। মৰাণ বিহুৱাসকলে সাধাৰণতে বুকুত মেথনি মাৰি মেখেলা, কঁকালৰ অংশত কঁকালমৰা আৰু তাৰ ওপৰত চাদৰ নাইবা ৰিহা পৰিধান কৰে। ভিন ভিন ৰিহাৰ উপৰি মৰাণৰ জাতীয় সম্পদস্বৰূপ কলীয়া ৰিহাও মৰাণ মহিলাৰ অন্যতম অংগবস্ত্ৰ। ইয়াত বিশেষভাৱে মন কৰিবলগীয়া বিষয়টো হ'ল, অধিকাংশ মৰাণ মহিলাই তেওঁলোকৰ প্ৰয়োজনীয় বস্ত্ৰসমূহে নিজে প্ৰস্তুত কৰি লয়। আনহাতে, পুৰুষসকলে তেওঁলোকৰ সাজপাৰ হিচাপে জেমা, টঙালী, চেলেং কাপোৰ পৰিধান কৰে। মৰাণ সমাজৰ বয়োজ্যেষ্ঠসকলে মূৰত পাগুৰি পৰিধান কৰে। অৱশ্যে বিহুৰ সময়ত পৰিধান কৰা সাজপাৰসমূহ অলপ সুকীয়া। মৰাণ বিহুৱাসকলে বিহুৰ সময়ত চুৰীয়া, মুগাৰ চোলা, মৰাণ গামোচা পৰিধান কৰে। মৰাণসকলৰ গামোচাখনত জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় এটা পোৱা যায়। এই গামোচাখন বগা সূতাৰে বৈ সোণালী ৰঙৰ সূতাৰ ফুল বচা হয়। গামোচাখনৰ বিশেষত্ব হ'ল যে এই গামোচাখন পাৰি দি বোৱা নহয়। আনহাতে গাভৰুসকলে ৰাতি বিহুত নৃত্য পৰিৱেশন কৰোঁতে বুকুত মেথনি মুগাৰ মেখেলা, কলীয়া ৰিহা আৰু ৰঙা ব্লাউজ পৰিধান কৰে।

সাংস্কৃতিকভাৱেও মৰাণসকল অতি চহকী। উল্লেখযোগ্য যে মৰাণ সমাজত মাঘ বিহু আৰু কাতি বিহু উদ্‌যাপনৰ ধৰাবন্ধা নাই যদিও ব'হাগ বিহু বা ৰঙালী বিহুৰ ক্ষেত্ৰত এক সুকীয়া বৈশিষ্ট্য বিদ্যমান। বেদ আৰু গোসাঁই বিহুক প্ৰাধান্য দি অহা ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীয়ে ব'হাগ মাহৰ প্ৰথম মংগলবাৰে উৰুকা, বুধবাৰে গৰু বিহু আৰু বৃহস্পতিবাৰে মানুহ বিহু হিচাপে পালন কৰি আহিছে।

মৰাণসকলে ব'হাগ বিহুটো প্ৰায় এসপ্তাহজুৰি পালন কৰে। মানুহ বিহুৰ দিনাৰে পৰা এসপ্তাহজুৰি অৰ্থাৎ বিহু শেষ নোহোৱা পৰ্যন্ত আবেলিপৰত গাঁৱৰ নিৰ্দিষ্ট স্থানৰ গছ তলত



এখন গাঁৱৰ ডেকাসকলে আন এখন গাঁৱৰ গাভৰুসকলৰ লগত বিহু মৰাৰ পৰম্পৰা আছে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল মৰাণ সমাজত একেখন গাঁৱৰ অৰ্থাৎ আত্মীয় ডেকা-গাভৰুৰ মাজত একেলগে বিহু মৰাৰ পৰম্পৰা নাই। মৰাণসকলে অন্যান্য সংস্কৃতি সম্ভাৰসমূহৰ ভিতৰত কুলাবুঢ়ী নৃত্য, যঁজা নৃত্য, গৰখীয়া গীত ইত্যাদি উল্লেখযোগ্য। ইফালে মৰাণসকলৰ মাজত ৰাতি বিহুও বিদ্যমান। মৰাণ জনগোষ্ঠীৰ ৰাতি বিহুৰ দৰে অনুষ্ঠান আন কোনো জনগোষ্ঠীতে দেখা নাযায়। বিহু সামৰণি মৰাৰ দিনটোক 'বিহু উৰুৱা' বুলি কয়। সেই নিৰ্দিষ্ট দিনটোত সকলোৱে নামঘৰত সেৱা ধৰি বিহু উৰুওৱা পৰ্ব সম্পন্ন কৰে।

এটা জাতিৰ সবিশেষ লিখাটো এক অন্তহীন প্ৰক্ৰিয়া। মুঠৰ ওপৰত মৰাণ জনগোষ্ঠীয়ে সামাজিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি সকলো দিশতে নিজস্ব প্ৰতিভাশৈলীৰে জাতিটোৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ প্ৰয়াস কৰি আহিছে। ২০২২ চনৰ ১৩ আগষ্টত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে দিছপুৰৰ জনতা ভৱনত আয়োজিত মৰাণ জনগোষ্ঠীয় লোকসকলৰ ইতিহাস সম্পৰ্কত ৰচনা কৰা 'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী' নামৰ গ্ৰন্থখন উন্মোচন কৰি কয় যে 'কিতাপখনত মৰাণ লোকসকলৰ বিষয়ে সকলো উপলব্ধ তথা আছে। তেওঁলোক চীন-তিব্বতীয় জনগোষ্ঠী কিৰাট লোকসকলৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। তেওঁলোক অসমৰ গঠনৰ ইতিহাসৰ এক অংশ আছিল।" ●●

# ASSAM : Its Culture and Tradition

**Amrita Gogoi**

Assam, being home to many ethnic groups and different in folk music. The culture of Assam is a fusion of Indo Burmese, Mongolian and Aryan influences. Assam is a state located in India's northeastern part. This state is known for its lush green landscapes, mighty rivers and vibrant traditions. The culture of Assam is often referred to as hybrid culture. The native peope of Assam are called Asomiya (Assamese). The Assamese people are a mixture of Mongoloid, Indo-Burmese, Indo-Iranian and Aryan. The Assamese people speak the Assamese language, which belongs to the Indo-Aryan language family. The Assamese language forms an integral part of the Assamese identity.

Assam is a rich cultural state which has a variety of festivals. This state celebrates a myriad of festivals throughout the year. The main festival of Assam is Bihu, the most important and widely celebrated festival of Assam, which is a set of three festivals: Rongali Bihu, KongaJi Bihu and Bhogali Bihu. Rongali Bihu (Spring festival) is the main Bihu. Assamese people has a great bonding with these all from a very long period Rongali Bihu is celebrated in mid-April. It marks the beginning of the Assamese New year and the onset of the agricultural season. People clean their houses, wear new clothes and prepare special dishes. Traditional music & dance performances which is called "Bihu Naas" is an integral part of Rongali Bihu. The people uses different kind of instruments like the 'Dhol Pepa, Taal Toka, Hutuli etc. The first day of Rongali Bihu which is called 'Goru Bihu' is a significant part of Bihu in Assam, India. On this day, cows are bathed and worshiped as a way of showing gratitude for their contribution to the agricultural lifestyle of the Assamese people. In addition to the rituals associated with the cows, Goru Bihu also involves various cultural activities and celebrations. The rituals of Goru Bihu symbolize the close



relationship between human and animals.

The traditional attire of Assamese people reflects the cultural heritage and diversity of the region. The 'Mekhela Sador' is the traditional attire worn by Assamese women. The 'Gamocha' is a traditional Assamese attire made of cotton or silk. The colours and patterns used in Assamese traditional attire are vibrant and reflect the cultural identity of the Assamese culture. Assam silk, particularly the Muga silk is very costly and used for special occasions.

Assam has a rich folklore tradition with many stories and legends, passed down through generations. The traditional art form of 'Bhaona' is a bend of theatre and religious storytelling that is performed in various parts of the state. Bhaona has a deep cultural and religious Significance in Assam. Bhaona not only entertains the audience but also educates them about religious scriptures and ethical values.

Assam is renowned worldwide for it's tea production. The tea of Assam is kown for its robust and multiflavour. Assam is the home to vast tea gardens that stretched across the landscape. The tea of Assam has become an integral part of life of many peope. The tea culture in Assam goes beyond more consumption and extends the social and cultural aspects of the region. It has become an integral part of the culture symbolizing hospitality, social bonding and economic prosperity.

Assamese culture and tradition has evolved over the centuries, blending indigenous practices with influences from neighbouring regions. It is a vibrant tapestry that reflects the unique identity and spirit of the Assamese people. The Assamese tradition is deeply rooted in the cultural religious and social aspects of the region. It is a reflection of the people's close connection to the nature, their vibrant artistic expressions and the values they hold dear. The value of the culture and tradition has been passed down through generations in the state of Assam, India.●●



# The MISHING Community North East India

**Rishma Padun**

Keywords : Mishing system, Agriculture, Socio-Cultural organization and Religious life.

**Introduction** : The mishing people or mishing are an ethnic group, the second largest tribal group in North-East India (Bhandari, 1992). They were earlier called "miris" in historical clays and the Constitution of India still refers to them as miris" They are in the list of Scheduled Tribes of India under constitutional order 1960.

The 'miris' ethnically belong to the Tibeto-Burmese group of Mongoloid stock and originally they belonged to the same group of tribe comprising of Nishi, Monuongs, Paiclams, Pasis etc. who are found in the districts of Siyang and Suvanshiri of present clay Arunachal Pradesh.

The Mishing who were originally a hill community of Arunachal Pradesh, migrated down to the plains of Assam in search of a peaceful and better economic life in comparatively early times. It is believed that the first group of Mishings landed in the upper region of valley somewhere between 13th and 14th century A. D. When the area around Sadiya was ruled by the Chutia Kings (Dole, 1978). The Mishing have been living mostly along the banks of the river Brahamaputra and its tributaries.

**Family structure of the Mishing People :**

The Mishing follow the patriarchal system of family structure. The eldest male member in the family becomes its head The head of family including his unmarried son and daughters and married son live under the same roof. In terms of family authority, next to Father comes the eldest son. Both the man and woman of the family accept the division of labour unquestioningly. After the Father's death, the property as equally divided amongst the sons and daughters.

**Marriage System :**

There are three types of marriage systems in the Mishing society.

1. Da:romidang -This form of marriage is settled by parents or guardians according to society.

2. Dugla la:nam- This is a form of marriage by elopement at the consent of bride.

3. Kumna sola la:nam-This is also a type of settle marriage. But the performance is not gorgeously done. This type of marriage is performed only after receiving consent from both the parents and guardians of the bride and bridegroom.

**Agriculture:**

By occupation the mishings are traditionally agriculturist They have been following agriculture as the main source of subsistence. Their old habit of jhum in the hills and to a certain extent, shifting in revering belts



of the plains is no longer there. The agricultural economy is based on production of rice, mustard seeds and black purse and vegetables. Rice is produced mainly for domestic consumption and mustard seeds and black pulses are produced for commercial purpose. There are ceremonies and festivals associated with agriculture such as Ali-Aye, ligang, po:rag etc.

Ali-Aye-Ligang - The literal meaning of Ali-Aye Ligang stands for first sowing of roots and fruits in which Ali' stands for seeds, 'Aye' for fruits and ligang for sowing. Roots and fruits were staple food of live hood in the hills. At the advent of the monsoon and before ploughing the field they observe Ali-Aye-ligang. 'Apong' and 'purang' are essential items of Lapang.

**Socio-Cultural Organization:**

Murang : Murang is the most important and traditional socio-cultural institution of the Mishing people. In the mishing society murang is a symbol of village unity. The murang house serves the purpose of annual 'po:rag and village 'gams' to give sudgmat of different cases.

**Do:lungkébang :**

It is supreme social body of a village. It is constituted by elderly people of the village who assemble in the murang under the village head man. Membership is open to all will join the 'Kébang' the apex administrative unit.

**Religious Life:**

In respect of religion they regard themselves as Hindu but maintain some of their traditional rituals beliefs and practices which can simply be called tribal form religion. Firstly about the Geator of the universe, Secondly, existence of spirits around human habits and thirdly about the human soul Although the Mishing people maintain many of their traditional socio-cultural traits, yet modernism has been gradually penetrating into their culture.

**Conclusion :**

From the point of view of Socio-Cultural System, the Mishing people have become very rich during the recent years, the Mishing society has undergone transformation and changes. The mishings have now come forward to accept the development schemes of different sector with a view to changing their own destiny.

But at the same time, they are maintaining their culture which distinguishes them as a separate ethnic group.●●

# दैनिक जीवन मे कृत्रिम बुद्धिमता का प्रभाव

बिशाल चाह

**प्रस्तावना** : कृत्रिम बुद्धिमता का मतलव होता है कि हमारे दैनिक जीवन में होने वाकी कार्य को आसान बनाना। कृत्रिम बुद्धिमता के आने से मनुष्य का जीवन पहले की तुलना में बहुत सरल बना दिया है। हमे सिकी भी प्रकार के काम करने में बस चंद मिनत का समय लगता है। इसकी मदद से सभी प्रकार के कार्य कहना बहुत सरल हो गया है। कृत्रिम बुद्धिमता के चलते हम चाँद पर कृत्रिम उपग्रह भज सकते है एवं इतने दूर में हीते हुए भी उनसे सरल रुप मेसंवर्क कर सकते है। कृत्रिम बुद्धिमता के पलते आज हम घर बैठे ही दुनिया के किसी भी कोने की जानकारी आसानी से पा सकते है। कृत्रिम बुद्धिमता के जरिए हम बड़े से बड़े काम की बहुत ही कम समय में कर सकते है।

**कृत्रिम बुद्धिमता का प्रभाव** : कृत्रिम बुद्धिमता ने आज मुनुष्य को इतना उपर तक पहुँचा दिया है कि ऐसा कोई भी काम नहीं हो सकता जो कृत्रिम भुद्धिमता कर सकता। मनेही कृत्रिम बुद्धिमता को मनुष्य ने ही बनाया है लेकिन



आज की दुनिया में कृत्रिम बुद्धिमता ने काम करने की क्षमता मे मनुष्य को भी पीछे छोड़ दिया है। कृत्रिम बुद्धिमता के चलते लोग आजक बड़े से बड़े कार्य जैसे : 5G नेतवर्क, नई पीढ़ी के लड़ाकु बिमान, नई प्रकार की डीजितल पुस्तकें आदि घर बैठे ही पा सकते है। हाल में एक नई प्रकार की कृत्रिम बुद्धिमता का निर्णि किया गया है जिसे "चार्ट जीपीटी" के नाम से जाना जाता है। "चार्ट जीपीती" निर्माणि एसलिए किया गया है कि मनुष्य जीवन को सरल से और सरल बनाना। ईसकी मदद से मनुष्य को सिकी भी प्रकार जानकारी प्रस्त करने में बस चंद मिनट का

समय लगता है। इस प्रकार कृत्रिम बुद्धिमता ने मानव जीवन को पहले की तुलना अत्यधिक सरल बना दिया है।

**कृत्रिम बुद्धिमता के लाभ** : कृत्रिम बुद्धिमता के लाभ निम्नप्रकार है-

क) कृत्रिम बुद्धिमता के आने से किसी भी प्रकार के काम जैसे - न्युज देश-विदेश की, नई प्रकार की इलेक्ट्रोनिक वस्तुएँ, आदि सभी हम भस अति समय बना सकते है।

ख) कृत्रिम बुद्धिमता के जरिए दुर बैठे हुए लोगो से बात आसानी से कर सकते बिना किसी भी प्रकार की कठिनाई से।

ग) कृत्रिम बुद्धिमता के जरिए लेग आज चाँद पर बैठे हुए आदमी से बात कर सकते है।

**कृत्रिम बुद्धिमता की हानियाँ** : कृत्रिम बुद्धिमता की हानियां निम्म प्रकार है-

क) कृत्रिम बुद्धिमता के आने से लोग इसका बुरा कायदा उठा रहे है। लोग अपेन पायदे के लिए अन्य लोगों को तकलीफ दे रहे है।

ख) कृत्रिम बुद्धिमता के उपयोग करके लोग अन्य देश की आर्थिक अवस्था को गिलाना चा रहे है।

ग) कृत्रिम बुद्धिमता का उपयोग करके लोग चोरी कर रहे है बड़े-बड़े बैको में।

**निष्कर्ष** : कृत्रिम बुद्धिमता के आने मनुष्य का जीवन सरल बन गया है परंतु कुछ मनुष्य ऐसे भी है जो ईसका सही उपयोग नही कर रहे है। कृत्रिम बुद्धिमता मानव जीवन को सरल बनाने के लिए निर्माण किया गया है। हमे इसका इस्तेमाल अच्छे कामो के लिए करना चाहिए न की अपने फायदे के लिए जिस दिन हम उसका उपयोग अच्छे कामो के लिए करेंगे तब ही असल मायनी में इसका विकास अच्छा होगा। अत: इस प्रकार कृत्रिम बुद्धिमता ने मानव जीवन महत्वपूर्ण भूमिका अदा की है।●●

# ক.বি.তা.ৰ.কুঁ.কি

## পিতায়ে সহিব নোৱাৰে ডাঙৰীৰ বোজা

ভাৰতী কলিতা



হাতৰ তলুৱাখন কাঁচিয়ে চুমিছে
দাগলগা তলুৱাখনত নিমখে আলিংগন কৰিছে।
সহিব নোৰৱা
ডাঙৰীৰ ভাৰ।
ভৰিৰ গোৰোহা চকলাচকল হৈছে,
ৰ'দে পুৰা দেহাটোৱে নামানে বৈ যাবলৈ
পিছুৱাই আহিবলৈ।
এচপৰা দুচপৰাকৈ স্বপ্নৰ মৰণা মাৰিছে
ক'ত যে কষ্ট সহিবলগীয়া হৈছে পিতায়ে।
মুমূৰ্খ
মানুহে নুবুজে তেজৰ দাম
কোঙা কৰে
সুযোগ লয় মিশ্ৰিত হয় ঘামৰ লগত।
কিয়নো,
মানুহে সম্পৰ্ক গঢ়ে?
সৰাপাতেও উচুপে সৰি যোৱাৰ মুহূৰ্তত।
জয়াল শব্দই
আলিংগন কৰে মৌনতাৰ লগত
দুখ সকলোৰে থাকে
মাথোঁ,
পাৰ্থক্য প্ৰকাশ আৰ অপ্ৰকাশত থাকে।
এটা সিদ্ধান্তই,
বৈ যোৱা নৈখনক ৰুদ্ধ কৰাৰ ক্ষমতা ৰাখে,
ৰুদ্ধ নৈখনক প্ৰৱাল হৈ বৈ যোৱাৰ আদেশ দিব পাৰে।
হাতৰ আঙুলিত গণিছে জীৱনৰ হিচাপ
হেৰুৱাৰ সংখ্যা!
পায়ো নোপোৱাৰ নেওঁতা!...

আশ্বাস শেষ নিশ্বাসৰ
এতিয়া এখন ভৰি নামঘৰত আৰু আনখন মৰিশালিত।

নোৱাৰে সহিব ডাঙৰীৰ ভৰুণ বোজা
বঢ়া পিঠিয়ে ছাল কামুৰে।
এয়াই জীৱন
উদয় হোৱা সূৰ্য আকৌ অস্ত যায়
মাথোঁ,
সিঁচি যায় তেজ সদৃশ তেজাল ৰং।●●

# এজন নিষিদ্ধ মানুহৰ কথাৰে

চিৰঞ্জীৱ সন্দিকৈ



লাহে লাহে এন্ধাৰ মোৰ প্ৰিয় হৈ উঠিছে
পোহৰত থকা এন্ধাৰ মুখৰ মানুহবোৰলৈ মোৰ বৰ ভয় লাগে
মই মোৰ কঠিন আত্ম পৰিচয়ৰ সংগ্ৰামত জয়ী হৈছো
নিজকে স্বীকাৰ কৰিছো আজি অন্তঃকৰণেৰে
আৰু সেইবাবেই হৈ পৰিছো সভ্যতাৰ কলংক,
মানুহৰ মাজত অমানুহ নিষিদ্ধতাৰ পথৰ পথিক।
লাহে লাহে মই অহল্যাৰ অভিশাপ কামনা কৰিবলৈ
লৈছো।
অহল্যাৰ দৰেই অদৃশ্য হৈ পৰিব খুজিছো
কোনেও মোক নেদেখক,
নুশুনক,
নাজানক।
এই সভ্যতাৰ নামত শেষ হৈ যোৱাতকৈ
মই শিল হৈ যাবলৈ ভাল পাম,
এই সভ্যতাত মোৰ দৰে অনেক মানুহৰ পৰিচয়
সীমাৱদ্ধ হৈ পৰিছে যৌনাংগ নামৰ মাংসপিণ্ডত।
মই জানো পোহৰত থকা আন্ধাৰ মানুহবোৰে
পুৰুষ আৰু পুৰুষৰ মাজৰ প্ৰেমক
কোনোদিন নকৰে গণ্য মানুহ আৰু মানুহৰ মাজৰ প্ৰেম বুলি।
মই আকৌ বুৰ গৈছো এক অচিন গৰলত
হেৰাই যাব ধৰিছো এক অচিন জগতত
বিচৰণ কৰিবলৈ ধৰিছো এক অভিশপ্ত অশৰীৰী
আত্মাৰ দৰে।
মই বন্ধ কৰি দিছো গান, ফালি পেলাইছো কবিতাৰ
পৃষ্ঠা জৰাজীৰ্ণ দূৰ্গত মূৰ থৈ মই নিৰ্বিকাৰ
ভাৱে চাই আছো নিষিদ্ধ প্ৰেমৰ কাল্পনিক মন্দিৰবোৰৰ
ভগ্নাৱশেষ।
আকৌ অস্তিত্বৰ সংকটৰ মোৰ বিধ্বংসী প্ৰেম আৰু মোৰ পৰিচয়
নৃশংসতাত ভোগা মই এজন অযুক্তিকৰ নিষিদ্ধ মানুহ এজন সমকামী।●●

# অগ্নিগড়ৰ ঊষা তুমি

পৱন শৰ্মা

অগ্নিগড়ৰ ঊষা তুমি
মই যে নহও অনিৰুদ্ধ
মোৰ লগত নাই যে বীৰ যোদ্ধা
শ্ৰীকৃষ্ণ আৰু নাই চিত্ৰলেখা
গড় ভেদী তোমাক আনিবলৈ।
এতিয়াও তুমি দূৰণিৰ পৰা
আঁৰে আঁৰে মোলৈ চোৱা
মই জানো তুমিও মোক
পাহৰিব পৰা নাই আৰু মই তোমাক ...
এৰা ! তুমি মোৰ নহ'লেও
নাই দিয়া, মই অলপো খেদ নকৰোঁ
অথবা তুমি দুখত থাকা বুলি অভিশাপো নিদিওঁ।
মই তোমাক কলিযুগৰ চিত্ৰলেখাৰ হতুৱাই
ভালপোৱাৰ প্ৰস্তাৱ দিছিলোঁ
তুমি বোলে অভিমান কৰি কৈছিলা— ইমান সৰু কথা এটাও
তেওঁ মোক ক'বলৈ সাহস নাই নে?
মানুহে ধুনীয়া ফুল এপাহ বিচাৰেই এইটো কোনো
অপৰাধ নহয়—তুমি হেনো কৈছিলা।
মই ইয়াতে সুখী।
তুমি মোৰ নহ'লেও মই সুখী
কাৰণ তোমাক ভালপোৱাৰ বাবে মোক তুমি অপৰাধী
বুলি তোমাৰ তালিকাত নামটো লিখি ৰখা নাই,
হয়তো অনিৰুদ্ধ বুলিয়ে লিখি থৈছা।
এৰা ! নিদিবই দিয়া তোমাৰ মা-দেউতাৰাই মোলৈ
কাৰণ, ৰাজঘৰৰ টকাৰে মই চহকী নহয়।
মই চহকী মোৰ কৰ্মৰে,
ৰাজঘৰৰ টকাৰে যিখিনি



কৰিছে তোমাৰ অচিনা কোনোবা দৰাই ময়ো কৰিছোঁ। তথাপি
তোমাৰ মা-দেউতাৰ দৃষ্টিত মই দুখীয়া মানুহ সৰু মানুহ।
ভয় নকৰিবা
আমি সৰু মানুহ হ'লেও
হিন্দী চিনেমাৰ গুণ্ডাৰ দৰে
গুণ্ডাগিৰি কৰি তোমাক উঠাই নানো।
অগ্নিগড়ৰ ঊষা তুমি
মই যে নহও অনিৰুদ্ধ
মোৰ লগত নাই শ্ৰীকৃষ্ণ।●●



# বাস্তৱ

চয়নিকা গগৈ

কিছু কথা
এনেকৈয়ে শেষ হয়
এনেকৈয়ে ৰৈ যায়।
বাস্তৱতাৰ তিক্ততাৰ কবলত
সপোনৰ মধুৰতা ক'ৰবাত হেৰাই যায়।
যৌৱনৰ ধুমুহাত
শৈশৱৰ বতাহজাকে ধৰাশায়ী হয়।
কেতিয়াবা আকৌ কক্‌বকাই ফুৰে
হেৰুৱা সপোনৰ ঠিকনা বিচাৰি।
এটুকুৰা কাগজৰ মোটা অংকৰ
পিছে পিছে দৌৰে সপোন
জীৱনৰ চাকনৈয়াত টুকুৰাবোৰ উটি যায়।
মিচিকি হাঁহিৰে সপোনে সোঁৱৰাই
জীৱন এনেকুৱাই
জীৱন এনেকুৱাই।●●

# সময় সলনি হ'ল

প্রিঞ্চি কলিতা

সময় সলনি হ'ল,
সলনি হ'লা তুমি, সলনি হ'লো মই।
সলনি হ'ল, এটা পৃষ্ঠাপূৰ্ণ দুটিমান শব্দৰ আঁৰত,
হাজাৰটা অনুভৱৰ দুৱাৰ খোলা
সেই চিঠিৰ দিনবোৰ।
দুটা সম্পূৰ্ণ বছৰ,
লিখিবলৈ পাহৰিয়েই গৈছিলো ...
ভাগৰুৱা কলমটোৱে বগা পৃষ্ঠাখনত এটা দাগও লগাব পৰা নাই,
কাগজখনৰ বা ইমান গধূৰ প্ৰশ্নবোৰ,
সহ্য কৰাৰ মাদকতা আছেনে নাই ...।
কি কৰিবা, জোৰ কৰিব নোৱাৰো
মইও যে ভাগৰুৱা, সলনি হোৱা সময়ৰ আগত।
আজি তুমি নাই, আমাৰ সময়বোৰ নাই
মনত পৰিলে দুটা বছৰৰ পাছতো,
আজিও চকুত অশ্ৰুৰ টোপাল নিগৰে,
কেনেকৈ? কেনেকৈ সেই বগা কাপোৰখন গোচাই,
কঁপা কঁপা আঙুলিৰ মাথোঁ দুটামান স্পৰ্শই,
তোমাৰ মুখখন শেষবাৰৰ বাবে দেখিছিলোঁ।
কেনেকৈ মুহূৰ্ততে উকা হৈছিল
মোৰ চল্লিছটা বছৰৰ সেন্দূৰীয়া কপাল উম।
আকাশ ফালি অহা বৰষুণজাকেও, তোমাক জগাব নোৱাৰিলে,
যাৰ টোপালৰ স্পৰ্শত তোমাৰ মনটোৱে এদিন নাচিছিল।
মচিব নোৱাৰিলে স্মৃতিৰ এটাও শব্দ,
যাৰ ধ্বনি আজিও মোৰ কাণত বাজে,
প্ৰতিজাক প্ৰাণহীন বৰষুণৰ প্ৰতিটো টোপালও।●●

# বুকুৰ মাজৰ নাৰী

নিতুৰাণী গগৈ

মোৰ বুকুৰ মাজত
এজনী নাৰী আছে,
নীৰৱে, অতি সংগোপনে।

বুকু বিহ্বল কৰা আন্ধাৰ
যেতিয়া দোকোল-টকাৰি আহে,
তেতিয়া তেওঁ জ্যোতিষ্মান হৈ তমশা নাশে।
মোৰ যে বুকুৰ মাজত এজনী নাৰী আছে।

তেওঁ হাঁহি থাকে আমাৰ বাবে,
তেওঁ জীয়াই থাকে আমাৰ বাবে
এই যে তেওঁ, তেওঁ মোৰ বৰ মৰমৰ।

তেওঁ যে নদীৰ দৰেই চিৰপ্ৰৱহমান।
নদীৰ দৰে প্ৰৱাহিত হ'লেও
তেওঁ কেতিয়াও ৰুদ্ৰ হৈ পাৰ ভঙাৰ চেষ্টা নকৰে।

জন অৰণ্যৰ মাজতো যেতিয়া
শূন্যতাৰ অৱসাদে আগুৰি ধৰে,
তেতিয়া তেওঁ নিজ কোলাত শুৱাই আশ্বাস দিয়ে।
আশ্বাস দিয়ে, হতাশাই বেৰি ধৰিলেও
কেতিয়াও নিজৰ আশা নেৰিববলৈ।

মই যে কৈছিলো মোৰ বুকুৰ মাজত
এজনী নাৰী আছে, নীৰৱে আৰু অতি সংগোপনে,
পৃথিৱীয়ে তেওঁক মোৰ মা বুলি জানে।●●



# জীৱন

অংকিতা কোঁৱৰ

বৰ হেঁপাহেৰে ৰুইছিলো
সপোন নামৰ পুলিটো
সাৰ পানীও দিছিলো বৰ হেঁপাহেৰে
ডাঙৰ হৈছিল লাহে লাহে
ফুলবোৰও ফুলিছিল হালি জালি।
লাহে লাহে ফলবোৰ কলিয়াইছিল। কিন্তু ...
আত্ম সন্দেহ নামৰ ৰঘুমলা এজোপাই
গছজোপাক আবৰি ধৰিল
ৰঘুমলাজোপাই লাহে লাহে
গছজোপাৰ সাৰ পানী শুহি
লেৰেলা কৰিছিল।
সৌভাগ্য ...
এজন অভিজ্ঞ ব্যক্তিয়ে
চলে চতুৰে ৰঘুমলাজোপাক
আজুৰি আনিলে ...
এতিয়া ...
এতিয়া গছজোপাই নকৈ পুখাইছে;
এতিয়া দুগুণ হেঁপাহৰে যত্ন লৈছো ...
সেই অভিজ্ঞনৰ তৎপৰত ...।
এতিয়া আৰু হেঁপাহবোৰ অকল হেঁপাহ হৈ থকা নাই।
ফুলবোৰ থুপি থুপি হৈ ফুলিছে,
ডাল ভৰি ফলবোৰও কলিয়াইছে,
এদিন কলিবোৰ ফল হ'ব, পূৰঠ হ'ব।●●

# প্ৰত্যয়

অনুপ ৰঞ্জন দত্ত

সময়ৰ পেৰাটোত মোৰ মুহূৰ্তবোৰ আবদ্ধ।
অতীতৰ দুৱাৰদলি পাৰ হৈ,
উভতিব পৰা দুৱাৰখন সম্প্ৰতি বন্ধ।
বিশৃংখল স্তৱকৰ টুকুৰাৰ দৰে
সোঁৱৰণিবোৰে ধৰা দিয়ে
পাহৰণিৰ জালখন ঠেলি হেঁচি অথবা ফালি।
এসময়ৰ হাঁহিৰে তেজাল মোৰ ল'ৰালি
আজি ব্যস্ততাৰ কক্ষপথত।
এক অস্পষ্ট লক্ষ্যক ঘূৰিব ধৰিছে জীৱন
আৰু দৌৰিছো মই,
অবিৰাম, অহৰহ।
গছবোৰ তাত তেতিয়াও আছিল এতিয়াও আছে।
আকাশখন তেতিয়াও নীলা আছিল, এতিয়া নীলা।
নৈখনিও তাতেই আছিল, এতিয়াও আছে।
মাথোঁ সুখৰ খলখলনিবোৰ গুচি
এতিয়া ধুমুহাৰ কোলাহল।
ঘড়ীৰ কাঁটাৰ সৈতে সমানে দৌৰিছে জীৱন।
সিপাৰত কি আছে
দেখা পোৱা নাই।
চৰম সত্যৰ উজ্জ্বলতা নে শূন্যতা
সেয়া জনা নাই এতিয়াও।
কোনোবাই কোৱা মনত পৰে মোৰ
মৃত্যুওতো এক ছন্দময় কবিতা
দুখবোৰ যদি ধুমুহা
সুখেই শলিতা।●●



# শব্দ

পপী বুঢ়াগোহাঁই

লিখো বুলি লিখিব নোৱাৰোঁ
হৃদয়ত আমনি কৰি থকা
শব্দবোৰৰ এটি মাথোঁ কবিতা।
ক'লা ডাৱৰৰ মাজত শব্দবোৰে যেতিয়া
লুকা-ভাকু খেলে,
তেতিয়া মন দাপোণত সৃষ্টি হয়
এক অসহনীয় যাতনা।
বন্দুকৰ গুলি এটা ফুটিল
শব্দ হ'ল মৃত্যু ...।
ক'ৰবাত দুৰ্ঘটনা হ'ল
শব্দ হ'ল মৃত্যু।
ক'ৰবাত জুই লাগিল
আকৌ, শব্দ হ'ল মৃত্যু।
ক'ৰবাত বানপানী হ'ল,
শব্দ হ'ল হাহাকাৰ।
পৃথিৱীখন কঁপি উঠিল।
মই আৰু ঘূৰিছো শব্দৰ সন্ধানত
মাথোঁ এটি শব্দৰ।●●

# ফাগুনৰ ধূলিত মোৰ ঠিকনা

কাঞ্চন মেছ

ধূলিভৰা বাটৰ সৰাপাতৰ বুকুত বিষাদৰ ভায়লিন বজাই ফাগুন
আহে এই বাটেৰে
নৰা ছিগা পথাৰত বাজি থাকে ৰিনিকি ৰিনিকি
হেঁপাহভৰা হাজাৰটা বাখৰুৱা সুৰ
ধূলিৰ বাটত আঁচল উৰুৱাই নিলাজ ফাগুনে।
ৰস্তা ছিঙা লাজৰ ওৰণি
একো নোসোধাকৈয়ে
তেওঁ আহি সোমালহি
বুকুৰ কোঠালিত
প্ৰেমৰ থাপনা সজাবলৈ।
লঠঙা গছবোৰৰ ডালে ডালে
পচোৱাই সিঁচিছে তোমাৰেই ৰং।
সৰাপাতৰ শুকান আলিবাটত
চিনাকি সুৰৰ মাজত তুমি ফাগুনৰ পলাশ,
উন্মনা প্ৰেমিকৰ কবিতাৰ শাৰী।
হৃদয়ৰ ৰং
তুমি এবাৰলে ফাগুন হোৱা
মই শিমলু হৈ তোমাৰ বুকুত ফুলিম
তুমি ফাগুনৰ লঠঙা গছবোৰ হৈ চোৱাচোন
মই পচোৱা হৈ তোমাৰ সতে উমলিল।
সৰাপাতৰ বিননি মই শুনিম
তুমি মাথোঁ
কুঁহিপাতক আদৰাৰ প্ৰস্তুতি কৰিবা।
আকৌ কৈছো তুমি ফাগুন হোৱা
মোৰ হেঁপাহৰ ৰঙা প্ৰিয় ফাগুন
তোমাৰ ধূলিত লিখিম মোৰ যাযাবৰী ঠিকনা।●●

# হেঁপাহ

গৌৰভজ্যোতি নেওগ

তাৰ হেঁপাহবোৰে জানে তাক কিহৰ প্ৰয়োজন।
তাৰ প্ৰয়োজনবোৰে জানে
তাৰ হেঁপাহবোৰৰ হাবিয়াস কিমান।

হেঁপাহবোৰ বৰ অজলা।
বগাই যায় সিহঁত মৰীচিকা খেদি খেদি
ইডালৰ পিছত সিডাল জখলা।
জখলাবোৰ ভাগে, সিহঁত আহি তলত পৰে।

এটা প্ৰতিবিম্ব।
তাৰ মানসপটত এটা প্ৰতিবিম্বৰ ধূসৰতাবোৰ ক্ৰমশঃ
কমিবলৈ ধৰে।
প্ৰতিবিম্বটো লাহে লাহে স্পষ্ট হয়।

পকা চুলি, দাড়িয়াল মুখ
উভতনি যাত্ৰাৰ এটা আদহীয়া দেহা।
কিন্তু এটা শক্তিশালী মন
'দেউতা?' ... হয়, তেঁৱেই।

বহু স্বপ্নৰ ব্যৰ্থতাৰ পিছত
হতাশ হৈ পৰা হেঁপাহবোৰে হঠাৎ শুনিবলৈ পায় ...
মোৰ ল'ৰা হয় সি, সি পাৰিব। পাৰিবই লাগিব।

সিহঁতে প্ৰাণ পায়।
সিহঁতে আকৌ পোখা মেলে।
বেছি দূৰলৈ নহয়
কাৰণ

(তাৰ) হেঁপাহবোৰে জানে তাক কিহৰ প্ৰয়োজন।
তাৰ প্ৰয়োজনবোৰে জানে
সেই হেঁপাহবোৰৰ হাবিয়াস কিমান।●●

# এজাক বৰষুণৰ কথা

কল্লোল দত্ত

এজাক বৰষুণ,
সকলোৰে বাবে প্ৰিয়
এই বৰষুণজাক।
চকুৰে নমনা
সিপাৰৰ পৰা অহা
বৰষুণ জাকে লৈ আহে
শান্তিৰ বতৰা
কবিৰ বাবে অলেখ কবিতা,
আৰু লৈ আহে
কৃষকৰ বাবে সোণৰ টোপোলা।
পথাৰত শুকাই মৰহি যোৱা,
ঘাঁহ বোৰেও
বৰষুণৰ পৰশত
পুনৰ জীপাল হৈ উঠে।
এই বৰষুণ জাকতেই
কোনোৱে পদপথত বহি
এডোখৰৰ চালিৰ
বাবে কান্দে।
উঠি অহা এটি জীৱনৰ
পৰিসমাপ্তি ঘটিবলৈ আৰম্ভ কৰে।●●



# কানৈ কলেজ

গীতাঞ্জলী চেতিয়া

কৃষ্ণচূড়া আৰু দেৱদাৰুৰ মায়া নগৰী হিচাপে
যাৰ নামেই পৰিচিত
কিমান শিক্ষাৰ্থীক যে জ্ঞান বিলাই
জীৱনবোৰ পোহৰাই তুলিলা ...
তথাপিতো দেখোন তুমি অলপো ভাগৰা নাই,
সঁচাকৈ কানৈ ...
এই বিদায় ক্ষণত
তোমাৰ স'তে কটোৱা
প্ৰতিটো পল-অনুপল আকৌ, ...
সজীৱ হৈ উঠিব
স্মৃতিৰ কোবোখিনিত
সঁচায়ে, কানৈ আমাৰ আৱেগ,
কানৈ আমাৰ গৌৰৱ আৰু
প্ৰতিগৰাকী কানৈয়ানৰ হৃদয়ত
সদায়ে তুমি ৰৈ যাবা।।●●

# বাস্তৱ

দীপশিখা শইকীয়া

এতিয়া সংগ্ৰাম কৰিব শিকিছোঁ
প্ৰতিদিন, প্ৰতিপুৱা, প্ৰতিনিশাই
কুঁৱলীফালি ফালি ফালি গৈ আছোঁ
বৈ গৈ আছো
কিমাননো আৰু আনৰ পিঠিত উঠি আগবাঢ়িম
এতিয়া যেন নিজেই খোজকাঢ়িব লাগিব।
বাৰ্গাৰ, পিজ্জা লৈ বহা বন্ধুৰ সন্মুখত
পেটিছ লৈ হাঁহিমুখে কম্প্ৰমাইজ কৰিছো
ভাবি লৈছো, জুতিত যে আমাৰ
তেনে কোনো প্ৰভেদ নাই
হেৰৌ,
জিভাৰ সপোন পূৰাবলৈ গ'লে
পেটলৈ টনাটনি
এনেদৰে কিমান দূৰ চলিব জীৱন
সকলোবোৰ টকাতেই ওলমি আছে
টকা নহ'লে সপোনৰ ভগ্নাৱশেষ কঢ়িওৱাৰ বাদে
আন একো উপায় নাই

জীৱনত আগটো গাধও বাঢ়ে
কিন্তু পিঠিত থাকে অসহ্যজনক বোজা
বৈ নলাৰ পানীও যায়
কিন্তু কঢ়িয়াই কি?
জীৱনতচোন চাগালৰ অভাৱেই নাই
সকলোৱে যেন উঠি পৰি লাগিছে
তোমাক মোক জীৱিতে জ্বলাবলৈ

আৰু কিমান সময়?
জীৱনে চাগে এয়াই বিচাৰে!●●

# চকুলো

স্নিগ্ধা বৰঠাকুৰ

গোটেই ৰাতি উজাগৰে থাকি
তুমি মাথোঁ চকুলো টুকিছা
আৰু কৈছা,
কি কৰিবা আমি হৈছো মিলিটাৰীৰ মানুহ।
বেছি দিনলৈ ঘৰত থাকিব নাপাওঁ
আদেশ আহিলেই যাব লাগে।
চাওঁ আমাৰ পোনাটিক চুমা এটা খাওঁ
আৰু বা এনেদৰে
চুমা খাবলৈ পাওঁ নে নাপাওঁ কি ঠিকনা।
তোমাৰ কথাত মই চকুলো ৰখাব নোৱাৰি
তোমাৰ ওচৰৰ পৰা উঠি আহি
খিৰিকীৰে বাহিৰৰ জোনটোলৈ চাই
মই মাথোঁ চকুলো টুকিছো।
পিছদিনা পুৱাই তুমি
দেশৰ হকে যুঁজ দিবলৈ গুচি গ'লা।
তোমাক বাধা দিছিলো মই যাবলৈ
কিন্তু তুমি গুচি গ'লা।

কিছুদিনৰ পিছত খবৰ পালো যে,
তুমি দেশৰ হকে যুঁজ দি প্ৰাণ আহুতি দিলা।
আমাৰ পোনা তেতিয়া সৰু আছিল যদিও
সি বুজিছিল যে,
তাৰ দেউতাক আৰু এই পৃথিৱীত নাই।
সি চিঞৰি চিঞৰি কান্দিছিল।
সেইদিনা জ্বলা তোমাৰ চিতাৰ জুইকুৰা
আজিও মোৰ বুকুত দপ্‌দপাই জ্বলি আছে।
এতিয়াও মোৰ এনে লাগে যেন,
তুমি উভতি আহিবা,
আৰু মোক মাতিবা।
মই তোমাৰ পত্নী হৈ গৌৰৱ কৰিব পাৰো যে
মই এজন শ্বহীদৰ বিধবা।●●

# ফাগুন বিলাস আৰু তাইৰ কথাবোৰ

হিমাশ্ৰী সোনোৱাল



ফাগুনবোৰ যে বৰ চঞ্চল জানা ?
কেতিয়াবা তাইৰো মন যায়,
ফাগুনৰ দৰে উন্মাদ হ'বলৈ।
কিন্তু থমকি ৰয় তাই।
কিজানিবা তাইৰ সৰু পৃথিৱীখনত
আউল-বাউল লাগে।
মুক্ত পক্ষীৰ দৰে,
তাইও কেতিয়াবা উৰিব বিচাৰে।
হঠাৎ তাইৰ ডেউকাবোৰ যেন,
ভগ্ন হৈ পৰে।
তাইৰো মন যায়,
কাৰোবাক হিয়া উজাৰি ভালপাবলৈ।
সৰু সৰু কথাত অভিমান কৰিবলৈ।
কিন্তু তাই আকৌ থমকি ৰয়।
কিজানিবা তাইৰ হৃদয়ৰ পজাঁটি,
কোনোবাই চিঙি-ভাগি থৈ গুচি যায়।
দূৰ-দিগন্তৰ উচ্চ শিখৰত
জিলিকি উঠা সূৰুযৰ
সোণালী কিৰণৰ দৰে
তাইৰো মন যায় জিলিকি উঠিবলৈ।
তাই যে নিজৰ সপোনবোৰক,
বৰ সযতনে ৰাখিছে।
তাইজনী এতিয়া লাহে লাহে
ডাঙৰ হৈছে।
নিজৰ সৰু পৃথিৱীখনৰ লগত
তাই এতিয়া ব্যস্ত।
তাই এতিয়া বুজে।
হেৰাই যোৱা স্মৃতিৰ কাঁইটবোৰৰ,
বিষাদ কিমান ?
যান্ত্ৰিকতাৰে ভৰা পৃথিৱীখনত,
তাই খোজত খোজ মিলাই,
চলিব জনা হৈছে।
ব্যস্ততা ভৰা কাঁইটীয়া জীৱনৰ
খিৰিকীৰ সুৰুঙাইদি
তাই এতিয়া পুৰণিৰ স্মৃতিবোৰ
ফঁহিয়াই চাবও পৰা হ'ল।
তাইজনী যে এতিয়া বৰ অভিমানী হৈ পৰিছে।
পুৰণি পৃষ্ঠাবোৰ সামৰি
তাই নতুন পৃষ্ঠাৰ আৰম্ভণি কৰিছে।
তাইজনী তাই হৈয়ে থাকক।
তাইৰ অকণমানি পৃথিৱীখনত
নিজক লৈ জীয়াই থাকক।●●

# কৈ থকা ভাল

বৰষা ঠাকুৰ



কথাবোৰ কৈ থকা ভাল
বুকুৰ মাজত সোমাই
বিষাদ হৈ থকাতকৈ
কৈ মুকলি হৈ থকাই ভাল।

বৰষুণ জাক অহালৈ অপেক্ষাত থকাতকৈ
বতাহৰ লগত, ৰ'দৰ লগতো বন্ধুত্ব কৰি ল'ব লাগে
অপেক্ষাৰ অন্তত সিহঁতেও কামত দিয়ে।

মানুহবোৰক বেছি ভিতৰলৈ
শিপাবলৈ বাধা দিব লাগে
কিয়নো আঘাতবোৰোটো সিহঁতেহে
বেছিকৈ দিয়ে।

মৌন হৈ থকাতকৈ
মাজে মাজে উগ্রত্ত হ'ব লাগে
মানুহে কথা কোৱাৰ আগত ভাবিবলগীয়া হোৱাকৈ।

কথাবোৰ কৈ থাকিলে ভাল
বুকুৰ বিষাদো হয় হ্রাস।

কৈ থাকিব
মানুহে যি ভাবক
আপুনি ক'ব
শুনোতাই শুনিব
উপলুঙা কৰাই কৰিব
আপুনি কৈ থাকিব
মনটো পাতল হোৱালৈ
কৈ থকা ভাল
কৈ থাকক।●●

# নকৰিবি ভয়

নয়নিকা দত্ত

একবিংশ শতিকাৰ
মহীয়সী নাৰী তই ...।
কাক লৈ ভয় তোৰ?
কিহৰ ভয়?
যোৱাৰে ...।
দখল নির্যাতনে
তোৰ সপোনক বশ কৰিব
নকৰিবি ভয়।।
আন্ধাৰ বিনাশী সাবটি ধৰ
তোৰ এচিকুটা আৱেগ
নোৱাৰে।
শোষণ শাসনে
তোৰ হেঁপাহবোৰক নাশ কৰিব
নিদিও তোক
ভোকাতুৰ জন্তুৰ জলত পৰি
কক্‌বকাবলৈ
নকৰিবি ভয়
আকোৰ গুজাৰি ল হেংদাং
শেষ কৰি দে কোংশাবোধ
সোঁৱৰাই ল
ইতিহাসৰ আকাশ পোহৰাই তোলা
মূলা লতাৰ বীৰাংগনাৰ কথা
সোঁৱৰাই ল
সতীৰ তেজৰ প্ৰতাৰণাৰ কথা
নকৰিবি ভয়।
একবিংশ শতিকাৰ
মহিয়সী নাৰী তই।●●



## শব্দ

চায়া বৰুৱা

শুনিছো শব্দও বোলে এক চোকা অস্ত্ৰ
কেতিয়াবা আৱেগ, কেতিয়াবা উত্তেজিত মনৰ
বেলিকাত প্ৰাণ পাই
কাৰোবাক হুহুৱাই
কাৰোবাক কন্দুৱাই ...।
আপুনি জানো বুজি পাব
শব্দৰ আঁৰৰ কাহিনীবোৰ ...?
বুকু ভেদী যোৱাৰ কঠিন শব্দবোৰ জানো
আপোনাৰ ভাল লাগে?
এৰা, আপোনাৰটো মৌ-মিঠা শব্দই প্ৰিয়!
মোৰ কলমৰ আগত শব্দ যেন
প্ৰাণ নোপোৱা এক অলিখিত কাহিনী
যি মৌন হৈয়ে ৰয়।
শব্দৰ মিঠা বৰষুণজাকত তিতিলে ভয় হয়
জানোচা আকৌ হেৰুৱাই পেলাম নিজক ...
বুকু ভেদা শব্দই যে মোৰ
কিমান চকুলো সৰাই
সেইয়া আপুনি নুবুজিব।
মোৰ নিমাখিত শব্দৰ আঁৰৰ কাহিনীবোৰ
অপ্ৰকাশিত হৈয়ে ৰওক আপোনাৰ বাবে আজীৱন
প্ৰতিপল ...।●●

## ছবিয়ে কথা কয়

অংকিতা ভট্টাচাৰ্য

ছবিয়ে কথা কয় নে নকয়?
মনত সঘনে হয় নে
বাৰে বিং কৰা প্ৰশ্ন উদয়?
ৰং তুলিকাৰে উকা কেনভাচত
হয় প্ৰস্ফুটিত ভাৱৰ কিশলয়।
ছবিয়ে অনৰ্গল কথা কয়।
স্কুলীয়া দিনত পঢ়া
সাৰুৱা কবিতাটিৰ দফাবোৰ
মনলৈ আজিও জুৰিটিৰ দৰে বয়।
মাইলছ জনষ্টনৰ "কাউণ্টাৰকাৰেণ্ট"খনে
মনৰ যন্ত্ৰণাৰ কথা কিনো যায় কৈ?
ভিনচেণ্ট ভেন গমৰ "দ্যা ষ্টাৰি নাইটচ"খন দেখি
তোমাৰ মনলৈও কি হতাশাৰ নৈ বয়?
মন যায় নেকি তোমাৰো,
ভিটাৰিঅ' জিআৰডিন'ৰ 'চামাৰ'খনৰ
কিশোৰীজনীৰ দৰেই গ্ৰীষ্মকালটিক উপভোগ কৰিবলৈ?
হাতত প্ৰিয়া গ্ৰন্থখনি লৈ
আস!! ছবিয়ে বিনা বাক্য ব্যয়ে কি যে কথা কয়।।●●

# তোৰ কোনো অধিকাৰ নাই

হিমাশ্ৰী গগৈ

নিষ্ঠুৰ সময়ৰ জটিল ঠাইত
তোৰ জীৱনে মানিছে নেকি হাৰ?
যদি মানিছে, তেন্তে তই নিচেই অজ্ঞান
জীৱনে কেতিয়াও হাৰ নামানে
মানিচ মাথোঁ তই
জীৱনে সদায় জীয়াব খোজে।
জীৱনৰ কষ্ট কিয় সহিব নাইপৰা তই?
তেন্তে কেনেকৈ সহিছিল তোৰ মাৰে
তোৰ উপজাৰ কষ্ট?
যদি তই তোৰ প্ৰেমত
বিচলিত হৈ জীৱন হেৰাব খুজিছ
তেন্তে তোৰ কত থাকিব তোক
আয়ে কৰা নিস্বাৰ্থ প্ৰেমৰ মূল্য?
এইটো জানিবি জীৱনটো কেৱল আইৰ
উপহাৰিত এক যাত্ৰা।
এই যাত্ৰা তই শূন্যৰ পৰা
সুউচ্চলৈ কঢ়িয়াব পাৰ;
সেয়া নিৰ্ভৰিত তোৰ ওপৰত
কিন্তু প্ৰেমত তই তোৰ জীৱন
বলিদান দিয়াৰ কোনো অধিকাৰ নাই।
কাৰণ এই জীৱন আইৰ
উপহাৰিত এক জীৱন
ইয়াক তই অৱহেলিত নকৰিবি।●●



# ৰাধাৰ চকুলো

প্ৰিঞ্চি কলিতা

কানাইৰ বাঁহীৰ সুৰত আজিও কঁপে
আজলি ৰাধাৰ মন ...
ৰাধাৰ বুকুৰ মাজেদি বয়,
অনন্ত প্ৰেমৰ সুদীৰ্ঘ যমুনা নৈ ...
কিন্তু, কেৱল ৰাধাইনে,
শতজনী গোপীনিৰ কানাই বুকুৰ কুটুম।
শতজনীৰ লগত খেলা কৰা কানাইৰ প্ৰতি
আক্ষেপেৰে ভৰে ৰাধাৰ মন ...
তথাপি তথাপি তাই নিস্তব্ধ!
কৰ্তব্যৰ অজুহাতত আঁতৰি যায় চতুৰ প্ৰেমিক,
প্ৰথমে মথুৰা তাৰ পাছত দ্বাৰকাৰ নৃপতি।
শত দূৰৈৰ ৰুক্মিণী আজি কানাইৰ আপোন
কিন্তু ৰাধা ... ?
তৰাটোৰ দৰে জোনৰূপী কানাইৰ লগত
মাথোঁ উচ্চাৰিত হয় তাইৰ নাম।
আছে জানো তাত প্ৰেমৰ পূৰ্ণতা?
শূন্য আজি বৃন্দাবন, শূন্য যমুনাৰ পাৰ,
শূন্য ৰাধাৰ মন ...।
যমুনাৰ পাৰত বহি আজিও কান্দে
ৰাধাই নীৰৱে, নিসংগে ...।
আজি বৈ যায় যমুনা,
ৰাধাৰ চকুলো লৈ ...।।●●

# আকাশ শুনিছানে ...

নিতুৰাণী গগৈ

বাস্তৱ আৰু কল্পনাৰ পৃথিৱীৰ সংঘৰ্ষত
জৰাজীৰ্ণ হৈ খহি পৰে জীৱন,
সমাধিস্থ হয় এপাহ এপাহকৈ বহুনিশা সজোৱা সপোন
স্বপ্নৰ ভগ্নাৱশেষে বুকুত গঢ়ি উঠে
এখন এখনকৈ কেইবাখনো মহেঞ্জোদাৰো।

জোনাক নিশা হৈ অহা কোনোবাই হঠাতেই দুহাতত
অমানিশা গুজি দি আঁতৰি গ'লে মানি ল'ব
পাৰি জানো সহজে?
যাৰ সান্নিধ্যত সকলো সহজ হৈ পৰিছিল
তেওঁৰ অনুপস্থিতিয়েটো আজি বাৰে বাৰে
অসহজ কৰি তোলে,
অথচ, তেওঁক জনাব পৰাকৈ মই ঢুকি পোৱালৈও
যে কেৱল শূন্যতাহে থাকে।

অসীমত যাৰ হেৰাল সীমাৰ চম্পাৰ দৰে মই নহয়,
অসহজ হৈ পৰা মুহূৰ্তবোৰটো সহজ হৈ থাকিব পৰাকৈ,
উহো, মইটো শ্বেক্সপীয়েৰো নহয়, অথবা জীৱনটোও
কোনো নাটকৰ স্ক্ৰিপ্ট নহয়, বিচৰা ধৰণেই সজাই ল'ব পৰাকৈ।
জীৱনটোও কি যে সাংঘাতিক নহ!
সম্পূৰ্ণ নিজৰ হোৱাৰ সত্বেও
জীৱনটোক নিজেই বুজিব নোৱৰাকৈ।

হেৰ' আকাশ! তেওঁক যদি লগ পোৱা
তেনে ক'বা যে আজিও তেওঁৰ অপেক্ষাত
বিচ্ছেদৰ কেঁকুৰিত ৰৈ আছো বুলি।
আৰু ক'বা আজিও যে প্ৰতিটো বাৰিষা ঋতুৱে
তেওঁৰ অনুপস্থিতিত মোৰ বুকুত বানৰ সৃষ্টি কৰে
ফাগুনৰ সৰাপাতেওঁ যেন তেওঁৰ বাবেই
বাৰে বাৰে উচুপি উঠে।
কেনেকৈ যে বুজাও তেওঁক,
কি বেদনাত ডাকত কেতিয়াও যে
দিয়া নহ'ল মাজৰাতিবোৰ উজাগতে পাৰ কৰি
বহু আশাৰে তেওঁলৈ লিখা চিঠিকেইখন।
শুনিছা আকাশ, তেওঁক যদি কেতিয়াবা
লগ পোৱা, তেতিয়া কিন্তু তেওঁক
মোৰ অপেক্ষাৰ কথা ক'বলৈ একদম নাপাহৰিবা।●●



# দিগন্তত বিয়লি

জাহ্নৱী দত্ত

দূৰ দিগন্তৰ সীমনাত
দীপ্ত সূৰুযৰ সুপ্ত শিখাত
জিলিকি উঠা হেঙুলীয়াৰ সোণালী ৰহণ।
আপোন পাহৰা হৈ
স্বচ্ছন্দে বৈ যোৱা স্ৰোতস্বিনীত,
স্ৰৱণৰ মধুৰ আলোড়ন।
ধূসৰ পদুলিমুখত পূবৰ পছোৱাজাকে,
সুখৰ পৰাণ ঢালি
সিক্ত আৱেগৰ মাদকতা সিঁচি
মন-প্ৰাণ কৰিছে চঞ্চল।
আপোন মনৰ মাধুৰী সনা,
নীলিম আকাশৰ বিশালতাত
নীড়মুখী পক্ষীজাকে
হঠাৎ জগাই তোলে
এক বুজাব নোৱৰা শিহৰণ।●●

# প্ৰজনিকা

**হিমাশ্ৰী গগৈ**

অসীম ধৰাৰ অন্তহীন বুকুত
হেৰাব খোজা সোণৰ সফুঁৰা লৈ,
কেনেকৈ জিলিকিম
মণি-মুকুতা হৈ।
জীৱনত বহু আশা আহিছো লৈ
সৃষ্টিশীল কৰিব খোজো আশা বাস্তৱলৈ,
সকলো দুখ আওঁকাণ কৰি
জগত জিনিম এদিন আইৰ কষ্টক সোঁৱৰী।
নিৰবে নিষ্ঠুৰ হৈ
দুচকুৰ অশ্ৰু নিগৰাই
আয়ে দিলে হেঁপাহ
পৃথিৱীখন চোৱাৰ।
পহিলা কৰিছো মই
প্ৰসূতিক প্ৰণাম
আইৰ প্ৰেৰণা লৈ
জীৱন আগুৱাম।
প্ৰজায়িনীৰ হাঁহিত মোৰ সুখ
তোমাৰ মৰম পালে ভৰে সুখ,
প্ৰজায়িনীৰ দুখত মোৰ দুখ
তোমাৰ কষ্টত নালাগে সন্তোষ।
এদিন যেতিয়া সুখৰ ক্ষণত
আইৰ চকুৰে নিগৰিব চকুলো,
স্বতস্ফূৰ্ত হ'ব আইৰ মুখত
সুখৰ সমাৰোহ।
কেনেকৈ মই নিজক বুজাম
তোমাৰ অবিহনে জীৱন জীয়াম?
নিষ্ঠুৰ পৃথিৱীৰ সকলো দেও
তোমাতকৈ প্ৰিয় নাই মোৰ কেওঁ।।●●



# অনাথ

**প্ৰেৰণা গগৈ**

'মা' ক'ত এৰি গ'লা মোক
এক অচিন ঠাইত
যদি সন্তান বুলি স্বীকৃতি দিব নোৱৰা
তেন্তে কিয় দিছিলা জানো তোমাৰ গৰ্ভত।
নিবিচাৰো মই পিতৃৰ পৰিচয়
মাথোঁ মোক আশ্ৰয় দিয়া
তোমাৰ কোমল কোলাত।

তোমাৰ দুহাতৰ পৰশ বিচাৰো মা
তোমাৰ বুকুত মূৰ গুজি
হেঁপাহ পলুৱাই টোপনি যাব বিচাৰো।
মোৰ কণমানি অন্তৰখনে হাহাকাৰ কৰি উঠে
তোমাৰ অলপ মৰমৰ অভাৱত।
তোমাৰ চৰণ পূজিব বিচাৰো মা
তোমাৰ সংস্কাৰে সংস্কাৰী হ'ব বিচাৰো
এগৰাকী আদৰ্শৱান সন্তান হ'ব বিচাৰো
মোক নিথৰুৱা, দুৰ্ভগীয়া নকৰিবা মা।●●



# ভালপোৱাৰ এজাক বতাহ হৈ

গৌৰৱ চুতীয়া

ভালপোৱা এজাক বতাহ
নামি আহিছে হৃদয়ৰ একোণত
তুমি নামৰ এই ফাগুনী বতাহজাকে
যেন এজাক প্ৰেমৰ অনুৰণ তুলিছে
বাউলী তোমাৰ চুলিটাৰি
মোৰ হৃদয়ৰ নিভাঁজ কোণত
তুমি তুমি অনুভৱৰ জোৱাৰ তুলিছে

প্ৰেমৰ উন্মনা বতৰত তোমাৰ মুখৰ
সেই মিচিকিয়া হাঁহিটো যে...!
মই চোন সেই হাঁহিৰ মূৰ্ছনাত
প্ৰেমৰ ৰাগিনীত মতলীয়া হৈ পৰিছো

সেই যে কৃষ্ণচূড়াৰ তলে তলে তোমাৰ
মিচিকিয়া হাঁহিটো আৰু দোপাত্তাখনৰ সৈতে
তুমিজনী যে উফ
যেন মোৰ মনৰ তুমি প্ৰেমৰ আল্পনা
তোমাৰ প্ৰেমৰ চহৰৰ মই যে আজীৱন চহকী
ৰ'দ বতাহেৰে জুখিব নোৱৰা মোৰ ভাল পোৱাখিনি
মোৰ ভালপোৱাখিনিৰ অনুভৱৰ আগত
নগণ্য শব্দৰ এইয়া ময়ো এক প্ৰতিধ্বনি
পৃষ্ঠা ভৰাই লিখিলেও সামৰিব নোৱাৰি
মোৰ প্ৰেমৰ মৰমৰ এধানি
সেইয়ে হয়তো মই চহকী।●●

# ৰং বিহীন মন

চায়া বৰুৱা

এইয়া কোনো কবিতা নহয়
উকা কাগজত নিগৰি পৰা
ৰং বিহীন মনৰ এক অবুজ বেদনা
এৰা, ৰংবোৰৰ কথানো কি কম
আজি কালি চোন ৰংবোৰো
কিবা ভাল নলগা হ'ল ...
উকা উকা লগা সময়বোৰে চোন
ভাল লগা হ'ল।
ভাবিলে আচৰিত লাগে
পোহৰ বিচাৰি যোৱা মনটোৱে যে আজি
আন্ধাৰ বিচাৰে
নিসংগতাক ভয় কৰা মনটোৱে যে
নিঃসংগতাৰে সংগী হ'ব বিচাৰে।
পোহৰ মোক আৰু নালাগে
আন্ধাৰবোৰে ভাল ...
হাঁহিৰ আঁৰত থকা
চকুলোবোৰে ভাল ...।
আজি যে অপ্ৰাপ্তিৰ এটা অধ্যায়ৰ সমাপ্তি হ'ল
ৰংবোৰ মোৰ জীৱনত থাকিব
কিন্তু ই আবিৰ নাসানে
কিছুমান অধ্যায় আধৰুৱা হৈয়ে থাকক
মাথোঁ ইমানটো বুজক
এইয়া কোনো কবিতা নহয়।●●

# মানুহক মানুহ লাগে

**বৰষা ঠাকুৰ**

মানুহক মানুহ লাগে,
থমকি ৰ'বলৈ
আগুৱাই যাবলৈ
আমাক মানুহৰ প্ৰয়োজন।

বিশ্বাসৰ এখন হাত লাগে
খোজত খোজ মিলাব পৰাকৈ এজন লাগে
নির্ভয়ে বিশ্বাস কৰিব পৰাকৈ
আশ্বাসৰ, বিশ্বাসৰ এজন মানুহ লাগে
মানুহ হিচাপে এজন সংগীৰ খুবেই প্ৰয়োজন।

এখন বুকুৰ প্ৰয়োজন
নিসংকোচে সোমাই পৰিবলৈ
মনৰ সকলো দুখবোৰ পাহৰি পেলাব পৰাকৈ
এখন বুকু লাগে
য'ত সোমাই খন্তেক হেৰাই যাবলৈ
খন্তেকৰ বাবে দুখবোৰ পাতলাবলৈ
খন্তেকৰ বাবে কাৰোবাৰ বুকুত মূৰ থৈ জিৰাবলৈ।

লাগে লগতে এখন সঁচা হৃদয়
মৰম, ভালপোৱাৰে উপচি থকা

মানুহে মানুহৰ বাবে
সেয়ে মানুহ লাগে
জীৱনৰ জখলাডাল আগুৱাই যাবলৈ
মানুহ লাগে কাৰণ
নির্জনতা ভালপাওঁ
আৰু নিসংগতালৈ ভয় কৰো
জীৱনত আগুৱাবলৈ এজন হ'লেও মানুহ লাগে।●●



# নাৰীৰ গান

**চিৰঞ্জীৱ সন্দিকৈ**

ৰামক নবৰিবা জানেকী ৰামক নবৰিবা
সোণেৰে সাজি তোমাৰ মুৰুতি অশ্বমেধ যজ্ঞ সমাপন কৰা
পুৰুষোত্তমে তোমাক আজন্ম দুখ আৰু বনবাসৰ বাহিৰে
দিব নোৱাৰে একোকে।
দেখিছা জানো মৈথিলী কোনোদিন ক'ৰবাত
পুৰুষ কৰে পাতাল গমন?
অহল্যা কি কৰিবা পতিব্ৰতা হৈ?
যুগে যুগে দিবা সতীত্বৰ পৰীক্ষা?
মুক্তি পাবা কেৱল লোকলজ্জালৈ ভয় কৰা অৰতাৰী
চুলি বান্ধি থোৱা যাজ্ঞসেনী
তোমাৰ পৱিত্ৰতা শত-সহস্ৰ পুৰুষৰ বুকুৰ তেজতকৈও
প্ৰৱল,
তাৰ প্ৰতাপত সকলোবোৰেই নিস্তেজ।
সেইবাবেইতো নোৱাৰে কৰিব পিতৃতন্ত্ৰই পুৰুষৰ বস্ত্ৰহৰণ!
ত্যাগ আজি কৰা তুমি পৰিত্যাগ।
নহ'বা কদাপি তুমি পাশাৰ পণ
নালাগে হ'ব তুমি দেৱী কিম্বা সতী
সীতাৰ স্পৰ্শত জী উঠা নাৰী
তুমি হৈ পৰা চিৰ প্ৰতিবাদী।
তুমি হোৱা চিৰন্তন মানুহ।
তুমি হোৱা পৃথিৱীৰ অমিয়া গান
বাজি থাকে সৃষ্টিত অহৰহ অবিৰাম।●●

# বৰ্ণনাতীত অনুৰাগ

পৱন শৰ্মা

কেতিয়াও ভবা নাছিলো
তোমাৰ সৈতে এনেদৰে সংযোগ হৈ যাম
দূৰৰ হৈও তোমাৰ কাষ চাপি গ'লোঁ
তোমাৰ সৈতে ভালপোৱা অভিপ্ৰায় নাছিল
তোমাক পাবলৈ তেতিয়া কোনো প্ৰতিশ্ৰুতি নাছিল
কিন্তু তুমি কেনেকুৱা প্ৰভাৱিত কৰিলা নাজানোঁ
প্ৰতি ছবিটো দেখা পাইছিলোঁ তোমাক
মোৰ হৃদয় তোমাৰ সান্নিধ্যত নিজৰ ঘৰ বনালে
তোমাৰ বাৰ্তাৰ অপেক্ষা হ'বলৈ ধৰিলে
মই কোনো দিনে জনা নাছিলোঁ যে
তোমাৰ সৈতে ভালপোৱা হৈ যাব বুলি
তোমাৰ সৈতে কথা-বাৰ্তা কৰা আজৰি সময়ত
তোমাৰ লগত অতিবাহিত কৰা মুহূৰ্তবোৰ
মই বহুবাৰ জী আছিলোঁ
নিসংগতাতো হাঁহিছিলো
ভালপোৱাৰ কবিতা আবৃত্তি কৰিছিলোঁ
এই সময়ৰ হাতত হাত ধৰি
ভালপোৱাৰ যাত্ৰাত ক'লৈ আহিলোঁ
জীৱনভৰ লগত অতিবাহিত কৰা আশা আছিল
কিন্তু চোৰাচোন ৰাতিৰ সৈতে বিচ্ছেদে খুন্দা খালে
যি সপোন দেখিছিলোঁ তোমাৰ সম্বন্ধ
এতিয়া সিঁচৰতি হ'বলৈ ধৰিছে
পৰিস্থিতিৰ লগত মই মাৰ যাবলৈ ধৰিছোঁ
কি হ'ব যদিহে মই
হিন্দু হিচাপে মুছলমানৰ
সৈতে ভালপোৱাৰ উপাসনা কৰিছোঁ
তথাপিও কিয় মই সফল নহ'লো
যিদৰে তেওঁ লগত মিলন হ'ল
এতিয়া বিচ্ছেদ স্বীকাৰ কৰিব লাগিব
কেনেকৈ কও অভ্যাসত পৰিণত হ'লা তুমি
তোমাৰে অবিহনে প্ৰতিটো মুহূৰ্ত অজ্ঞাত যেন লাগে
তোমাৰ পৰা দূৰত আছো এতিয়া মই
কিন্তু তুমি এক শক্তি মোৰ কাষত আছা
হৃদয়ৰ খামত তোমাক বন্দী কৰিছোঁ মই
তুমি সেই বৰ্ণনাতীত
এক সুগন্ধি অনুৰাগ হয়।●●

# জীৰ্ণ

কল্লোল দত্ত

সাধু শুনি টোপনি যোৱা সৰু ল'ৰাটো
এতিয়া ডাঙৰ হ'ল,
ফাগুনৰ বতাহ জাকত হেৰাই পোৱা
ফুল পাহিও এতিয়া সৰি পৰিল।
বৰষুণে ধোৱা সেই কেঁচা মাটিৰ
মিঠা মিঠা লগা সুবাস।
এতিয়া নোহোৱা হ'ল।
গাঁৱৰ আলিবাটৰ সেই ধূলি
উৰুৱাই থৈ যোৱা গাড়ীখনো
আৰু উভতি নহাৰ বাটেৰে
গুচি গ'ল।
পোৱা গধূলি বুঢ়ী আইৰ
মৰমৰ মাতষাৰ নোহোৱা হ'ল।
খেৰী ঘৰত বাহ সজা,
চতিআ চৰাইবোৰো
গুচি গ'ল কোনোবা
অজান পুলুকলৈ।
এই সকলোবোৰে এৰি থৈ গ'ল
এক শুকান আৰু জীৰ্ণ,
অথচ মধুৰ স্মৃতি।●●



# নীৰৱ নিশ্বাস

জাহ্নৱী দত্ত

নীৰৱ নিশাৰ নিস্তব্ধতা ভাঙি
সমীৰে কঢ়িয়াই আনিছে স্নিগ্ধ সুৰভি
যেন নিৰ্জনতাই গ্ৰাস কৰা
মায়াময়ী কালৰাত্ৰিৰ বুকুত
এয়া এক দীঘলীয়া আৰম্ভণি।
ৰিক্ত হিয়াৰ সিক্ত আৱেগত
সুপ্ত অবিৰত অনাখৰী স্পন্দন,
নিৰলাত ৰঞ্জিত কাহিনীৰ
সেই স্মৃতিমধুৰ অনুৰণন।
মৰমৰ মিঠা অনুভূতিৰ প্ৰতিশ্ৰুতিৰে
সিঁচিছিলা সূৰুযৰ সোণালী ৰহণ
উজাগৰী তমস্বিনীৰ বুকুত আজি কিয়
সন্ধানহীন সেই পণ?
ক্ৰমাৎ ধূলিস্যাৎ সময়ৰ সুবিমল সুবাস
য'ত আছা তুমি আৰু তোমাৰ বিশ্বাস
আজি মোৰ সংগী কেৱল
ভাষাহীন মৌনতাৰ গহীন নিশ্বাস।●●

# जिदंगी एक पहेली है

कविता कोरि

जिदंगी एक पहेली है
हमें इसे सुलझाना है
कभी गम, कभी खुशी
एसे ही इसको जीना है।

जिदंगी एक पहेली है
हमें इसे सूलझाना है
कभी हार कभी जीत
एमे ही इसको जीना है।

जिदंगी एक पहेली है
हमें इसे सूचझाना है
कभी हँसके, कभी रोके
एसे ही इसको जीना है।

जिदंगी एक पहेली है
हमें इसे सूलझाना है
मुसकिलो से भागना नही
अपने जीत हासिल करना है।

जिदंगी एक पहेली है
हमें इसे सूलझाना है
बिखरे हुए को समेत कर
सही टंग से जीना है।●●

# हम चाय की वादियो से आते है



**किरण यादव**

कितनी खूबसूरत है वह वादियाँ
जहाँ पहाड़ों में से उगता सूरज है
फिर डूब जाता है उनकी आँचल में
बहती है वहां ठंडी ठंडी मखमली हवाएं
उन्में उड़ती है हजारों यादे और लाखों दुआएं
बहती है उनके बीच में से शीतल नदियाँ
झरने बहते है उन्चट्टानें में से
अनेक फूलों के बगीचे और हरे सोने की डालियाँ
हर बृक्ष लहराता है साँसों से यह पूछता
क्या खूबसूरती इसे ही कहते है?
में उन्हाड़ों की वादियों से नहीं आता हूँ
लेकिन चाय की वादियों में घर है मेरा।
लेबर क्वार्टर कहते है उसे
हचारों लाखों परिवार जीते है उन्ही पौधों की देन से
नाज है हमें कि हम उन्वादियों से आते है
में खूबसूरत असम से आता हूँ
चाहे अंग्रेजों की गुलामी में आये यहाँ
या उनकी वेदनीति से बँटकर
फिर भी हमें नाज है
हम असम की उन्वदियों से आते हैं।
मजदूरी हमें 167 रूपए की मिलती है
लेकिन महीने का गुचारा 3500 में निपट जाता है
अमीर शायद ही कोई हो यहाँ
लेकिन नाज है हमें हम वहाँ से आते है
जहाँ सब अनेक में भी एक है
छोटे छोटे दुकाड़ों में
लाइन के नाम से रहते है हम
यहाँ मालिक से ज्यादा मेनेजर और
कम्पाउण्डर डॉक्टर से बड़ा देवता है
लेकिन हमे नाज है
सव कुछ तो नहीं मिलता सव को यहाँ
लेकिन जो कुछ है चाय की बगानोसे आता है यहाँ
चावल और सब्ची की कमाई तो कुछ घरों में ही होता है
लेकिन खुश है कि रोटी, कपड़ा
और मकान वहीं बख्शाता है खुदा
चाहे ज्यादातर लोगो का रंग हो काला
चाहो आदमी पीते है बीड़ी
चाहे पीते है शराब के नाम में चुलाई
चाहे जीते है आधे दिनकी जिंतगानी
लेकिन सर उठाकर फख्र से कहते है
हम भारत की उन्प्रांतों में रहते है
जहाँ हरियाली भर पूर है और खुशहाली
बरना दूसरा तो शायद्ही हो यहाँ
असम में बाढ़ को आम बात नहीं
लेकिन औरों की तरह यहाँ बह जींदगी बिशेरती है
डूब जाते है घर और बगीचे
बहते हुए पानी मे
लोगों का पढ़ना जरुरी है
हमे नाज है हम बहाँ से आते है
हमे गर्ब है हम असम की वासी है
जो पूवाँचल झूमर गीत की सुरीली
ढोल पे नाचते है
हम उन्हीं चाय की वादियों में
जिंदगी जीते है
हम असम की चाय की वादियों से आते है।●●



# সান্ত্বনাৰ চিঠি

প্ৰণামী সন্দিকৈ

ৰংচঙীয়া প্ৰেমৰ চিঠি লৈ বৰযুণত অহা
হে মোৰ বিৰহী প্ৰিয়তম।
তোমাৰ ৰোমন্থন পুৰণি চিঠিয়ে লৈ গৈছে মোক
নষ্টালজিয়া স্মৃতিৰ দেশলৈ।
পুৰাৰ নিয়ৰৰ দুৰৰি গচকিলেও পাইছোঁ আজি
তোমাৰ ৰোমন্থন আমেজৰ প্ৰতিধ্বনি।
সৰা শেৱালীৰ সুবাস আজি যেন সুগন্ধিত কৈ সুগন্ধি।

বিচাৰি ফুৰিছো বহুদিন ধৰি, হে' মোৰ প্ৰিয়তম।
তোমাৰ মায়াবী ছবিৰ অনুপম প্ৰতিচ্ছবি।
পুৰণি চিঠিৰ খামবোৰ এবাৰ খুলি চালোঁ
থৰ লাগি ৰ'লো, যেন দেখা পালো
ছয় বছৰ আগৰ তোমাৰ মুখৰ
মিঠা মিঠা, এটি এটি, শব্দ।
উস্; নাই নাই আৰু মোৰ ক্লান্ত উশাহত
ৰংচঙীয়া আনখন চিঠি
হাতত তুলি লোৱাৰ হাবিয়াস।
বহুদিন ধৰি সাঁচি ৰখা ৰোমন্থন চিঠিয়ে
দি গ'ল আজি, ভাৱাক্ৰান্ত মনত সান্ত্বনাৰ সুবাস।●●

# আজিৰ নাৰী

নীলোৎপল ভূঞা

ৰণডংকাত বাজি উঠে,
আজিৰ নাৰীৰ তীব্ৰ গান।
বুকুত লৈ হাজাৰ হেঁপাহ,
মুক্তমনে দিবলৈ সাজু প্ৰাণ।

ক'ত শক্তি বুকুত বান্ধি,
আকাশক সুধে তেওঁ,
"ক'ত মোৰ অস্তিত্ব?"
আপোন বুকুৰ পৰাই গৰজি উঠে,
'তয়েই সত্ত্বা', তয়েই বৰদান।

নীলাভ আকাশৰ আবেষ্টনীত,
আজি নাৰীৰেই জয়গান।
মা, আই দুৰ্গাৰ ৰূপত
তেঁৱেই 'সৰ্বমান'।

তুমি নাৰী
তুমি শক্তি,
তুমি অনন্য,
তোমাতেই সৃষ্টি পৃথিৱীৰ
আৰু তোমাতেই আদি অন্ত।●●





## জীৱন্ত-মৰাশ

দৰ্শনা বড়া

মন যায় তাইৰ, আকাশ চুবলৈ
মন যায় তাইৰ, উমলি ফুৰিবলৈ
তথাপি সপোনবোৰ যে এতিয়া সামৰি সুঁতৰি
আকোঁৰগোজ ৰঙা ফাগুনখিনিৰ মাজত।
তাই কৈছিল, "আই মই উৰিব খোজোঁ।"
"পিতাই, মোক উলিয়াই নিদিবিচোন।"
নাই, ... আজি যেন কোনো নাই
তাইৰ নিস্তেজ মাতৰ সঁহাৰি দিবলৈ।
কোনো নাই, তাইৰ তপত চকুলোৰ বুজ ল'বলৈ।
সপোনবোৰ এতিয়া মৰহিল,
চকুলোবোৰো শুকাল ...
পৰিণত এতিয়া তাই,
এটি জীৱন্ত মৰাশলৈ।●●

## বৃদ্ধ বৃদ্ধাৰ কৰুণ কাহিনী

ৰাজদ্বীপ চক্ৰৱৰ্তী

হয় আমি বয়সিয়াল
আমি আশ্ৰিতা,
কিন্তু, সেইবুলি আমাক অপমান কৰাটো
উচিত হয় জানো?
এসময়ত আমিও একোজন পাহোৱাল
ডেকা; গাভৰু আছিলোঁ।
নিমিষতে সকলো কাম তোমালোকৰ
তুলনাত খৰকৈ শেষ কৰিছিলোঁ।
এসময়ত মাতৃত্ব; পিতৃত্বৰ সোৱাদ লৈ
তোমালোকক
অজস্ৰ ভালপোৱা, মৰম, চেনেহ প্ৰাণভৰি
ঢালি দিছিলোঁ।
তাৰ পৰিৱৰ্তে তোমালোকে এয়া কি কৰিছা?
আমাক কিয় অপমান কৰি উলিয়াই দিছা?
আমিতো একো দোষ কৰা নাই।
আমিতো কোনো ধৰণৰ স্বাৰ্থ সিদ্ধিৰে
উদ্দেশ্য তোমালোকক জন্ম দিয়া নাই!
তেন্তে তোমালোকে কিয়
স্বাৰ্থ পূৰণ হোৱাত আমাক এনেদৰে বহিষ্কৃত কৰিছা
মাক দেউতাক হোৱা হেতুকে আমি
তোমালোকক অভিশাপ দি অমংগল কামনা কৰিব নোৱাৰোঁ।
কিন্তু এয়া সতৰ্কবাণী কৰোঁ যে
তোমালোকেও একো একোজন সন্তানৰ পিতৃ-মাতৃ;
ভৱিষ্যতে তেওঁলোকে যাতে
তোমালোকৰ সৈতে এনে নিষ্ঠুৰ আচৰণ
নকৰে তাৰ বাবে ঈশ্বৰৰ সমীপত অজস্ৰ স্তুতি কৰিলোঁ।
শেষত সুখত থাকা বুলি আশা কৰিলোঁ।।●●

# Otherwordly Tales

**Aastha Sinha**

Forever I wish my heart
To be in that paze.
I read with so much passion
That reality sums like a cage.

The hearth my heart sound
Was fulfilled by the otherworldly tale
My earnest wish was
In life's hardest time I prevail.

The hardest time, in my opinion
Was the styli's completion.
For wish I waited
With so much of desperation.
New I struggle to suruim
And to exist in reality.
My heart deeply winds
To sepses the activity.●●

# Morning Delight

**Akash Chetia**

At the break of down
The twilight twilights;
Green laminas glow in amber
Beyond approaches the horizon
Lighting the earth in divine graces.

Morning mist room about,
Adhering dong fine clouds
Beholding a luxuriant sight
Of pearls of sizes various
Heaven forbids a moments slight.●●



# Society Chains

**Parikhit Saikia**

A society that claims to be just.
But in reality is nothing but dust.
Built an foundations of lies and deuit,
A place where injustice and inequality meet.
Where the rich get richer and the paar get
paarer.
A society that cares not far the meeker,
Where power and status are the only goals,
And empathy and compassion have no roles
Where the colour of skin or the religion we
follow,
Determines our worth and our future so hollow.
A society that claims to be diverse.
But in reality is a facade a curse.
Where men are couled more than moment.
And their rights are after dismissed and hidden.
A society that preaches equality.
But in reality is just a mere formality.
Where the .... of the oppressed are silenced.
And the naives of the powerful are amplified.
A society that claims to be free.
But in reality, is nothing but chains that me
can't see.

So let us break these chains of society.
And fight far justice and equality.
Far a world that is fair and just.
Where empathy and love are must.●●





# Imperfections

**Rashmita Ghosh**

I am in love with your imperfections
I had been falling for your voice
The way you caress and the butterflies in my stomach flutters.
Your hands twirling along the locks of by hair
The way you make my mind fly higher.
Your presence had been always been enough to drive me crazy.
I had been crawing since the day you left.
Isn't there anyway for you to come back?
Yes I have follen for your imperfections.
Coz you is all I ever need.
My "I rate you's" has turned into bears.
Weeping the crinkles of the sheets met.
Forever was always heard
But why is it running out of time?
A not love, maybe more of my hates
Can't anything bring you back?●●

# Mi Amor

**Ritisha Bhadra**

In twilight's tender embrace, you stand.
My heart dances to your whispered, command.
Oh, how your eyes shimmer like stars above,
Guiding me through a world painted with love.
Your laughter, a melody that's pure delight.
In your presence, everything feels so right.
Hand in hand, we walk this path unknown,
Two souls entwined, forever grown.
A love like ours, a story untold,
In your arms, my heart finds its stronghold.
The winds may change, the seasons may turn,
But for you, my love will forever burn.
Like a Taylor swift song, our tale shall weave,
A symphony of emotions, impossible to leave.
In every glance, every touch, every words we share,
I find a love that's genuine and rare.
Let our love be like a cmebss song,
Playing in our hearts, where we belong.
With you, mi amor, life's a wondrous art,
Forever entangled, never to part.●●

# Frost kissed whispers : A winter's ache for you

**Vargov Saikia**

With the onset of winter's frosty bite
And wind so dry, that makes my skin hurt
I miss you more than cuer;
Miss you in moments when
I hold light the blanket, in search of some warmth
How dyingly I wish it was your arms,
And me in between,
And my cracked lips.
I wonder if you could mosten them up
Maybe with a deep long kiss
And then I'll enjoy winter, not for, it's cold
But the warmth that you'd ignite in me
Aaah, amor in invierno!●●



# Our own : Kanoi

**Jyotishman Baruah**

Kanoi, oh kanoi, how lovely
Thou art,
A place that steals the beat of
Every heart.

Kanoi, oh kanoi
Where knowledge and beauty to joy
The campus so serene, the trees
So green,
Where learning is an experience,
A dream,
With every step, a new discovery
Is made,
And every path leads to a
Different shade.

The library, the park, the
Classrooms so grand,
A place where student's
Minds are nurtured and fanned.
Kanoi, a place of growth and change
A beautiful journey, that we shall arrange
Oh kanoi, you are a gem, a
Treasure to beheld.
A place, where stories are written
And memories are told ...●●

# ধৰণী ধুনীয়া

অদিতি চুঁড়ী



(১)
শীতৰ শীৰ্ণ এখন নদী
যেন এজনী
ক্ষীণাংগী গাভৰুৰ লাহী দেহ
ফাগুনৰ প্ৰথম জাক বৰষুণে
শীতক
বাট ভেটি কৰিছে আমনি
ন দৰা-কইনাক
আশীৰ্বাদ দি যোৱাৰ আহ্বান

(২)
শীতত কলম দিয়া
নঙঠা চাহ গছবোৰে
চিপচিপীয়া
বৰষুণ জাকত তিতি তিতি
নগ্নতাৰ পোচাক সলাই
সেউজীয়া চাদৰ এখনেৰে
বুকু ঢাকি লৈছে।

(৩)
ফাগুনৰ প্ৰথম জাক বৰষুণত
মাদলৰ সুৰ এটিৰ স'তে
নীল আকাশেদি
কিন কিন এছাটি পোহৰত
উজলি উজলি উঠে
হীৰাৰ আঙঠি।

(৪)
ফাগুনৰ
প্ৰথম জাক বৰষুণত
উদং বুকু সেউজীয়াৰে ঢকা
চিনাকি গীতৰ সুৰে কঁপাই তুলিছে।

আশাৰ পানচৈ ...
সেউজী সেউজী সেউজী অ'
সেউজী ধৰণী ধুনীয়া ...।●●

# বৰণহীন, আকাৰহীন বৰষুণে বিধৌত কৰা নিকা অন্তৰৰ দলিল ঃ 'চাহেবপুৰাৰ বৰষুণ'

জাহ্নৱী দত্ত

"জীৱন এক অনন্ত ৰহস্য। নদীৰ দৰে কেতিয়াবা চঞ্চল, কেতিয়াবা গম্ভীৰ। কেতিয়াবা ৰুক্ষ এই মেছুৰ দৰে, কেতিয়াবা কোমল। অজান ইয়াৰ চৰিত্ৰ। কিন্তু নদীৰ দৰে জীৱনে নিজে নিজৰ বাট উলিয়াই গৈ থাকে তাত কাৰো হাত নাথাকে। আপেক্ষিকভাৱে কেৱল দুখ আৰু দুখৰ আঁচ থাকি যায় জীৱনত।"—(চাহেবপুৰাৰ বৰষুণ, অনুৰাধা শৰ্মা পূজাৰী)




অসমীয়া সাহিত্য জগতৰ প্ৰতিভাশালী উপন্যাসিকসকলৰ ভিতৰত অনুৰাধা শৰ্মা পূজাৰীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অপৰিসীম সাহিত্য প্ৰতিভাৰ গৰাকী অনুৰাধা শৰ্মা পূজাৰী একেধাৰে এগৰাকী কবি আৰু সু-সাংবাদিক। তেওঁৰ ৰচনাৱলীসমূহ হ'ল—'হৃদয় এক বিজ্ঞাপন', 'এজন ঈশ্বৰৰ সন্ধানত', 'কাঞ্চন', 'নাহৰৰ নিৰিবিলি ছাঁ', 'জলছবি', 'সোণ হৰিণৰ চেঁকুৰ', 'নীল প্ৰজাপতি', 'মেৰেং', 'বসন্তৰ গান', 'ন' মেনছ লেণ্ড' ইত্যাদি। 'কলিকতাৰ চিঠি', 'ডায়েৰি', 'অট'গ্ৰাফ' ইত্যাদি হৈছে তেখেতৰ অন্যতম প্ৰধান আত্মজীৱনীমূলক প্ৰবন্ধ সংকলন। ২০১১ চনত ইয়াত এখন অৰণ্য আছিল' শীৰ্ষক গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা অনুৰাধা শৰ্মা পূজাৰীৰ জন্ম হৈছিল ১৯৬৪ চনত যোৰহাটত। কিশোৰৰ পৰা আদহীয়া, বৃদ্ধ ব্যক্তি সকলোৰে উপযোগীকৈ ৰচনা কৰা অনুৰাধা শৰ্মা পূজাৰীৰ লেখাসমূহ অত্যন্ত প্ৰেৰণাদায়ক আৰু হৃদয়স্পৰ্শীক। সূক্ষ্ম বিশ্লেষণেৰে সত্য ঘটনাৰ ওপৰত নিৰ্ভৰ কৰি ৰচনা কৰা তেওঁৰ লেখনিসমূহে বাস্তৱ সমাজ তথা জীৱনৰ সৈতে পৰিচয় কৰাই দিয়ে।

সাহিত্যৰ মুকুতাবুলীয়া সৃষ্টিৰাজিসমূহে পাঠকৰ মন দেউলত এক অমৃতময় টৌৰ সৃষ্টি কৰে। অসমীয়া সাহিত্য জগতলৈ আশাৰ জেউতিৰ অনুৰণত তোলা তেনে এখন উপন্যাস হ'ল—'চাহেবপুৰাৰ' বৰষুণ। মানুহৰ বাস্তৱ জীৱনৰ ছবি প্ৰতিফলিত হোৱা উপন্যাসখনত প্ৰকাশ পাই উঠিছে দুখ-যন্ত্ৰণা, জীৱন সংগ্ৰাম, সংঘাত, প্ৰেম আৰু আনন্দ আৰু জীয়াই থকাৰ হেঁপাহ। উপন্যাসখনিত বিহাৰ ৰাজ্যৰ দৰিদ্ৰতা শোষণ-নিষ্পেষণেৰে জৰ্জৰিত খৰাংপীড়িত অঞ্চলৰ লগতে অসমৰ ঐতিহ্যমণ্ডিত ইতিহাস প্ৰসিদ্ধ নদীদ্বীপ মাজুলী আৰু ইয়াৰ অন্তৰ্গত বৰ্ণিল সংস্কৃতিৰ সোণসেৰীয়া বিৱৰণ সমান্তৰালভাৱে উপলব্ধ হয়। প্ৰকৃতাৰ্থতেই সমাজ আৰু মানুহৰ বাবে কাম

কৰি থকা আৰু প্ৰাণ বিসৰ্জন দিয়া স্বেচ্ছাসেৱকসকলৰ আধাৰত ৰচনা কৰা এই গ্ৰন্থখনৰ পাতনিতে লেখিকাই উল্লেখ কৰিছে এনেদৰে—

"হিংসা-বিভেদ, সাম্প্ৰদায়িকতাই মানুহক মনৰ পৰা আঁতৰাই নিয়া ক্ষণত। এমুঠি মানুহে হৃদয়ৰ তাড়নাৰে ভৌগোলিক সীমা শ্ৰেণী, জাত-পাত সকলোকে সমন্বয় কৰিবলৈ অহৰহ চেষ্টা কৰি থকা মই দেখিছোঁ। তেওঁলোক দেশ নেতা নহয় অথচ তেওঁলোক বিভিন্ন অঞ্চলত হৈ পৰিছে মানুহৰ হৃদয়ৰ নেতা।"

চাহেবপুৰাৰ বৰষুণৰ মুখ্য চৰিত্ৰ হৈছে—বৰ্ষা। অসমৰ ছোৱালী বৰ্ষাই তেওঁৰ প্ৰেমিক প্ৰান্তিকৰ সৈতে ৰেলেৰে যাত্ৰা কৰোঁতে ৰেলখন দূৰ্ঘটনাত পতিত হোৱাৰ বাবে বিহাৰৰ চাহেবপুৰা নামৰ ঠাইত ৰ'ব লগা হয় আৰু সেই মুহূৰ্তত বৰ্ষাই লগ পাইছিল চাহেবপুৰাত থকা 'ইনছাইট' নামৰ এটা স্বেচ্ছাসেৱী সংস্থাৰ মুখ্য ব্যক্তি শেখৰ হুছেইনক। এই সংস্থাৰ বিভিন্ন উন্নয়মূলক কামৰ বিষয়ে জানি বৰ্ষাইও এই সংস্থাৰ এজন সদস্য হিচাপে জড়িত হ'বলৈ আগ্ৰহী হৈ পৰে। ঘটনাৰ পাকচক্ৰত দুই প্ৰেমিক যুগলৰ মাজত বিচ্ছেদ হোৱাৰ পিছতো নতুন উদ্যমেৰে চাহেবপুৰাতে থাকি সমাজৰ নিপীড়িত জনগণৰ স্বাৰ্থৰ হকে যুঁজাৰ প্ৰবল মানসিকতা বৰ্ষাৰ মনত জাগি উঠে, য'ত তাই লাভ কৰে জীৱনৰ এক নিত্য নতুন অভিজ্ঞতাৰ সোৱাদ। জীৱনৰ চৰম সত্য "মানুহে মানুহক ভাল হোৱা"ৰ মাজেৰে বৰষুণৰ দৰেই আশাবাদী হৈ বৰ্ষাই জীয়াই থকাৰ তীব্ৰ তাড়নাত জীৱনটো উদ্‌যাপন কৰিবলৈ বিচৰাৰ কথাৰেই কাহিনীটোৰ যৱনিকা পেলোৱা হৈছে।

বৰ্তমান যুগত সময়ৰ শিকলিৰে বান্ধি ৰখা প্ৰতিজন মানুহে ব্যস্ততাৰ ধামখুমীয়াত নিজৰ অস্তিত্ব হেৰুৱাই পেলোৱা দেখা যায় কিন্তু ইয়াৰ মাজতো এনে বহুতো লোক আছে যিয়ে দৰিদ্ৰ, নিচলা, আৰ্তজন অথবা বিভিন্ন শাৰীৰিক, মানসিক সমস্যাৰে ভাৰাক্ৰান্ত লোকসকলক সহায়ৰ হাত আগবঢ়োৱা পৰিলক্ষিত হয়। তেনে এক আশ্বাস আৰু বিশ্বাসৰ ভেঁটিত প্ৰতিষ্ঠিত হোৱা অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান হৈছে চাহেবপুৰাৰ 'ইনছাইট'। এই অনুষ্ঠানৰ লক্ষ্য আছিল সমাজৰ সকলো শ্ৰেণীৰ লোকক বিশেষকৈ গ্ৰাম্যাঞ্চল বা পিছপৰা অঞ্চলৰ লোকক সজাগতা প্ৰদান কৰি প্ৰশিক্ষণ ইত্যাদিৰ জৰিয়তে অৰ্থনৈতিক ব্যৱস্থাৰ উন্নতি সাধন কৰা। তদুপৰি সমাজত দেখা দিয়া অন্যান্য অত্যাচাৰ নিৰ্মূল কৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ মাজত সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে আৱশ্যকীয় ব্যৱস্থা লোৱাই আছিল অনুষ্ঠানটোৰ অন্যতম মূল লক্ষ্য। ইয়াত বৰ্ণিত প্ৰতিটো চৰিত্ৰই কঢ়িয়াই ফুৰিছে একো একোটা কাহিনী, য'ত আছে জীৱনৰ সংঘাত, প্ৰতাৰণা, বিফলতা, দুৰ্যোগ কিন্তু তাৰ মাজতো বিৰাজমান প্ৰেম, আশা, অনুভূতি, প্ৰতিশ্ৰুতি আৰু জীৱন।

'চাহেব পুৰাৰ বৰষুণ' গ্ৰন্থখনৰ ভাষাশৈলী অত্যন্ত হৃদয়স্পৰ্শী আৰু গুণমুগ্ধ। গ্ৰন্থখনৰ প্ৰতিটো লেখনিতেই লেখিকাই নিজৰ ৰচনাশৈলীৰে নিৰ্মাণ কৰা গদ্যশৈলীয়ে সোণত সোৱগা চৰাইছে সহজ-সৰল অসমীয়া ভাষাতে ৰচিত গ্ৰন্থখনৰ লেখনিসমূহ সৰ্বসাধাৰণ লোকৰ বাবে বোধগম্য। সূক্ষ্ম বিন্দুবোৰৰ সুন্দৰ উপস্থাপনেৰে গ্ৰন্থখনক প্ৰথমৰ পৰা শেষলৈকে যি সাৱলীল গতি প্ৰদান কৰিছে, সেয়া অতুলনীয়। উদাহৰণস্বৰূপে বৰষুণক নতুন আশাৰ ৰেঙনিৰ লগত তুলনা কৰি শুৱলা ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে এনেদৰে—

"বৰষুণৰ বৰণ নাই, আকাৰ নাই, নদীত পৰিলে নদী সাগৰত পৰিলে সাগৰ। বৰষুণ ভালপোৱা মানুহে মলিনতা ভাল পাব নোৱাৰে।"

তদুপৰি ইয়াত সন্নিৱিষ্ট থকা সামাজিক আৰু অৰ্থনৈতিক দিশসমূহৰ উপযুক্ত বিশ্লেষণৰ যোগেদি পাঠকে শাশ্বত আৰু নিজৰ জীৱনৰ লগত খাপ খোৱা চিৰন্তন সত্যৰ সৈতে পৰিচয় হ'বলৈ সক্ষম হ'ব। সুকীয়া বিষয় বস্তুৰে সকলো শ্ৰেণীৰ পাঠকৰ মনত খোৰাক যোগাব পৰাকৈ লিখি উলিওৱা 'চাহেবপুৰাৰ বৰষুণ' লেখিকাৰ এক মনোগ্ৰাহী সৃষ্টি।

মানুহৰ মনৰ দিগন্ত প্ৰসাৰিত কৰি মননশীল চিন্তাৰ উন্মেষ ঘটোৱাৰ ক্ষেত্ৰত 'চাহেবপুৰাৰ বৰষুণ' শীৰ্ষক গ্ৰন্থখনিৰ অৱদান অনস্বীকাৰ্য। এই উপন্যাসখনৰ জৰিয়তে দৃঢ়তা, নাৰীৰ সবলীকৰণৰ লগতে মানৱীয় প্ৰমূল্যবোধৰ বীজ প্ৰস্ফুটিত হৈছে। সমাজৰ বিভিন্ন দিশ স্পৰ্শ কৰা এনে এখন জীৱন আৰু জগতমুখী চিন্তাধাৰাৰে সন্নিৱিষ্ট গ্ৰন্থই পাঠক সমাজত যথেষ্ট বিস্তাৰ লাভ কৰিব বুলি মই আশা পোষণ কৰিছোঁ।●●

# “জলছবি”

**নীলোৎপল ভূঞা**




লেখিকা ঃ **অনুৰাধা শৰ্মা পূজাৰী**
গ্ৰন্থৰ প্ৰকাৰ ঃ উপন্যাস
প্ৰকাশক ঃ অনন্ত হাজৰিকা, বনলতা
প্ৰকাশৰ সময় ঃ সপ্তম সংস্কৰণ, ডিচেম্বৰ, ২০১৮

অসমীয়া সাহিত্য জগতৰ প্ৰভাৱশালী লেখিকাসকলৰ ভিতৰত অনুৰাধা শৰ্মা পূজাৰী এটি পৰিচিত নাম। 'নাহৰৰ নিৰিবিলি ছাঁ, 'সোণ হৰিণৰ চেকুৰ', 'নীল প্ৰজাপতি', 'মেৰেং' আদি গ্ৰন্থৰে প্ৰতিভাৰ প্ৰমাণ দিয়া অনুৰাধা শৰ্মা পূজাৰীৰ জন্ম হৈছিল ১৯৬৪ চনত যোৰহাটত। ২০১১ চনত 'ইয়াত এখন অৰণ্য আছিল' শীৰ্ষক উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা পূজাৰী এগৰাকী কবি, ঔপন্যাসিক আৰু সু-সাংবাদিক। তেখেতৰ ৰচনাৰাজিত প্ৰকাশ পায় ব্যক্তিসত্ত্বা আৰু নাৰীত্ব। এই দুই অলংকাৰৰ পৰশতে জন্মগ্ৰহণ কৰিছিল 'জলছবি'য়ে য'ত প্ৰকাশিত হৈছে মানৱ তথা নাৰীজীৱনৰ ঘাত-প্ৰতিঘাত আৰু জীৱন জীয়াৰ হেঁপাহ।

'জলছবি'ৰ কাহিনীভাগ আগবাঢ়ে সুৱৰ্ণজ্যোতি নামৰ এগৰাকী বৃদ্ধাক কেন্দ্ৰ কৰি। এই ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰা সুৱৰ্ণজ্যোতি দেৱীয়ে পঢ়াৰ প্ৰতি থকা আগ্ৰহৰ স্বত্বেও পুষ্পিতা হোৱাৰ আগতেই বিয়াত বহিব লগা হৈছিল। সামাজিক বান্ধোনেৰে বান্ধ খাই থকা সুৱৰ্ণজ্যোতিৰ প্ৰতিবাদী কণ্ঠস্বৰেও এই ক্ষেত্ৰত হাৰ মানিবলৈ বাধ্য হৈছিল। বিবাহৰ গুৰু-গম্ভীৰ শিতানসমূহৰ সৈতে চিনাকি হোৱাৰ আগেয়ে তাই 'ৰমেশ' নামৰ বাগানৰ মেনেজাৰজনৰ পৰিয়ালৰ দায়িত্ব ল'ব লগা হৈছিল। প্ৰথমাৱস্থাত এটা নতুন পৰিৱেশ পাই তাই ভয় কৰিছিল যদিও শাহু আইৰ আদৰ-যতন আৰু ৰমেশৰ প্ৰেম-ভালপোৱাই সুৱৰ্ণজ্যোতিৰ জীৱনৰ গতিপথ সলনি কৰি দিছিল। তাইও পাৰ্যমানে ৰমেশৰ সুখ-দুখৰ লগৰী হ'বলৈ যত্ন কৰিছিল। দুই পুত্ৰসন্তান সোণমইনা আৰু তুমন আৰু একমাত্ৰ কন্যা সন্তান মানিৰ সৈতে ৰমেশ আৰু সুৱৰ্ণজ্যোতিৰ সুখৰ সংসাৰ গঢ় লৈ উঠিছিল। কিন্তু হঠাতে হোৱা এক দুৰ্ঘটনাই সুৱৰ্ণজ্যোতিৰ জীৱনলৈ অমানিশা মাতি আনিছিল। সন্তানৰ মায়ামোহ ত্যাগ কৰি ৰমেশক সুস্থ কৰাৰ মানসেৰে তাই দেশ-বিদেশ ঘূৰিছিল। কিছু পৰিমাণে সুস্থ হোৱাৰ পাছত ৰমেশক কোম্পানীৰ ফালৰ পৰা শকত পৰিমাণৰ ধন দি জিৰণি ল'বলৈ কৈছিল। ইয়াৰ পাছতে সুৱৰ্ণজ্যোতিয়ে দেখিছিল মুখাৰ আঁৰৰ মুখবোৰ। ৰমেশৰ মাক-দেউতাক আৰু ককায়েকহঁতৰ প্ৰতি থকা দুৰ্বলতাৰ সুযোগ লৈ ঘৰৰ মানুহে আৰ্থিক দিশৰ পৰা ৰমেশক সৰ্বস্বান্ত কৰি পেলাইছিল। নিজৰ সহোদৰ ভ্ৰাতৃয়ে ৰমেশৰ জীৱন পৰ্যন্ত কাঢ়ি ল'বলৈ চেষ্টা কৰিছিল। এনেবোৰ দৃশ্যই সুৱৰ্ণজ্যোতিৰ বুকুত ঘাঁ লগাবলৈ ধৰিছিল। এই সকলোবোৰ নেওঁচি সুৱৰ্ণজ্যোতিয়ে নিজকে এগৰাকী শক্তিশালী নাৰীৰূপে সমাজত স্থাপন কৰিছিল।

জীৱনক উপভোগ কৰাৰ হেঁপাহ বন্ধা সেই সুৱৰ্ণজ্যোতি ভাটিবেলাত যেন অদৃশ্য হৈ গৈছিল; তাৰ পৰিৱৰ্তে সুৱৰ্ণজ্যোতি হৈ পৰিছিল এগৰাকী মানসিক ৰোগী, এগৰাকী 'বৃদ্ধা'। বৰপুত্ৰ সোণমইনাৰ মৃত্যুৰ পাছত মানিয়ে তেওঁক নিজ ঘৰলৈ লৈ আহিছিল শুশ্ৰূষা কৰাৰ স্বাৰ্থত। জীৱনত দেখা ঘটনাবোৰ আৰু বৰপুত্ৰৰ মৃত্যুৰ যন্ত্ৰণাই তেওঁক অসহায় শিশু সদৃশ কৰি পেলাইছিল। প্ৰকৃতাৰ্থত অসহায় নহয়, জী-জোঁৱাই সকলো আছিল তেওঁৰ ওচৰত, কিন্তু তেওঁৰ মনেহে মনা নাছিল। সন্দেহপৰায়ণা হৈ উঠিছিল তেওঁ, নিজা জী মানিয়ে তেওঁক হত্যাৰ ষড়যন্ত্ৰ কৰা বুলিও ভাবিবলৈ আৰম্ভ কৰিছিল। তেওঁ কৈছিল— "মোৰ বয়স মাত্ৰ আশী বছৰ, অনাগত দহটা বছৰত বহুত কৰিবলৈ আছে, এয়া মোৰ ভৱিষ্যত।"

মানুহৰ জীৱনৰ গতিপথ ওখোৰা-মোখোৰা। দিনে বিভিন্ন সমস্যাই মানুহৰ জীৱনক প্ৰত্যাহ্বান জনায়, জোঁকাৰণি তোলে; তথাপি জানো জীৱন জীয়াই থকাৰ হেঁপাহে মেলানি মাগে? এই কথাষাৰ উপন্যাসখনৰ পাতত সাৱলীলভাৱে প্ৰকাশ পাইছে। প্ৰৱল সাহসৰ গৰাকী সুৱৰ্ণজ্যোতিয়ে অকলে থাকিবলৈ ভয় কৰিছিল। প্ৰতিমুহূৰ্ততে তেওঁক মৃত্যুৰ ভয়ে খেদি ফুৰছিল; তথাপি তেওঁ হাৰ মানিবলৈ সাজু হোৱা নাছিল। জীৱনক ন-ৰূপেৰে চোৱাৰ অদম্য হেঁপাহ আছিল সুৱৰ্ণজ্যোতিৰ।

উপন্যাসখনত কেইবাটাও আকৰ্ষণীয় দিশে এজন পাঠক হিচাপে মোৰ মনত সাঁচ বহুৱাই থৈ গ'ল। দিশকেইটা এনেধৰণৰ—

(১) উপন্যাসখনত নাৰীৰ সাহস আৰু দৃঢ়তা খুব সুন্দৰভাৱে প্ৰতিফলিত হৈছে। মাতৃ, পত্নী, জী আদি নানা ৰূপত নাৰীৰ সাৰ্থক চিত্ৰ অংকিত হৈছে।

(২) অসমৰ থলুৱা গছ-গছনি, গীত-মাতৰ লগতে জয়মতী, গদাপাণি, বদন বৰফুকন আদিৰ উল্লেখ কৰা হৈছে। মানৰ অসম আক্ৰমণৰ বৰ্ণনা অতি সুন্দৰভাৱে উপস্থাপন কৰা হৈছে।

(৩) চাহ বাগিচা আৰু বাগিচা জীৱনৰ আকৰ্ষণীয় বৰ্ণনা কৰা হৈছে।

(৪) দাম্পত্য জীৱনৰ প্ৰেম তথা বুজাবুজিৰ সুন্দৰ বৰ্ণনা দাঙি ধৰা হৈছে।

(৫) উপন্যাসখনত আলজাইমাৰ ডিমেনচিয়া ৰোগীৰ কাৰ্যকালাপৰ সুন্দৰ বৰ্ণনা ফুটাই তুলিছে।

উপন্যাসখনৰ মোৰ ভাল লগা কিছু অংশ এনেধৰণৰ—

— এই পৃথিৱীৰ একো কথাই স্থায়ী নহয়। আজিৰ দিনটোৱেই কালিৰ দৰে নহয়। কালি সূৰ্যটোৱেই আকাশত নেদেখিলো, আজি চোৱা কি উজ্বল চমক তাৰ।

— মৃত্যুৰ খিৰিকী ক'ত? যিখন খিৰিকী খোল খালেই সুৱৰ্ণজ্যোতি নাম বিলীন হৈ যাব। আৰু কোনো যন্ত্ৰণা নাথাকিব! ক'ত সেই খিৰিকী! কেনেকৈ খুলিব পৰা যায় খিৰিকীখন? ইও এক মৰীচিকা। জীৱন যন্ত্ৰণাৰ পিছত মৃত্যুৰ যন্ত্ৰণা কিয়? উত্তৰ কোনে দিব।

— পৃথিৱী কাহানিও নিঃসংগ নাছিল। মানুহো নিঃসংগ কোনো কালে হ'ব খোজা নাছিল। প্ৰতি মানুহেই বুকুত মাৰিশালী পাতি মানুহৰ সৈতেই জীয়াই থাকিব খোজে চিৰকাল।

বৰ্তমান মানৱ জীৱনত বাৰ্দ্ধক্য এক অভিশাপ হৈ পৰিছে। সেই সোঁতত মানৱীয় মূল্যবোধ ক্ষয় যোৱা যেনো অনুভৱ হয়। অনুৰাধ শৰ্ম পূজাৰীয়ে 'জলছবি'ত কেৱল মানিৰ মাকৰ কথাই কোৱা নাই, কৈছে আমাৰ সমাজখনৰ কথা, আমাৰ সমাজৰ হাজাৰ হাজাৰ সুৱৰ্ণজ্যোতিৰ কথা। মানৱীয়তাৰ এই অৱক্ষয়ৰ সময়ত জলছবি নিঃসন্দেহে এখন উপযুক্ত গ্ৰন্থ।●●

# দেউল

কৌশিক ৰঞ্জন চেতিয়া

সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত "স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহদ্বাৰ হৈছে নিজ মাতৃভাষা" অসম আৰু অসমীয়াৰ চিনাকি মাতৃভাষা। বৰ্তমান অসমতে এলাগী কৰা দেখা যায় অসমীয়া মাতৃভাষাক। অথচ অসম আৰু অসমীয়া ভাষাৰ ৰক্ষাৰ্থে খ্ৰীষ্টান মিছনেৰীসকলৰ সহায়ত এমুঠি অসমীয়া মানুহে কেনেকৈ যুঁজিছিল সেই ভয়াবহ দিনবোৰৰ সোঁৱৰণ আৰু দলিল 'দেউল'।

অসমত মানে ১৮১৬ চনত প্ৰথম আৰু দুবছৰৰ আক্ৰমণ দুবছৰৰ পিছত দ্বিতীয়টি আক্ৰমণ কৰে। ইয়াৰ ফলত অসম মৰিশালী লৈ পৰিণত হয়। তেজৰ নৈ বৈ যায় চকুৰ সন্মুখতে। আপোন মানুহৰ সন্মুখতে আপোনজন, পিতৃ-মাতৃ, বাই-ভনী, ককাই সকলোকে মান সেনাই এফালৰ পৰা মাথোঁ ধ্বংস যজ্ঞ। মান সেনাৰ নিষ্ঠুৰতাই মোহাৰি পেলাইছিল অসমৰ সকলো ঐশ্বৰ্য্য, কলা-কৃষ্টি।




গ্ৰন্থ ঃ দেউল (উপন্যাস)
লেখক ঃ জয়ন্ত মাধৱ বৰা
প্ৰকাশক ঃ বনলতা

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ মতে অসম ইংৰাজৰ অধীন হয়। ইংৰাজ আৰু মান সেনাৰ মাজত ইৰাৱতী নদীৰ পাৰত সন্ধি হয় অসমীয়া মানুহৰ অজ্ঞাতে। ইংৰাজ আহিল লগতে আহিল বেপ্তিষ্ট মিছনেৰী। আহিয়েই ইংৰাজে নিজৰ অধিপত্য খটুৱাবলৈ ধৰিলে। অসমলৈ নিতৌ বংগৰ মানুহৰ আগমণ হ'ল আৰু বিভিন্ন কাম কাজ আদিত ইংৰাজে বহিৰাগত মানুহক নিয়োগ কৰিবলৈ ধৰিলে। অসমীয়া মানুহবোৰ আছিল নিজৰ মাটিত খামুচি ধৰি থাকিব পৰা বিধৰ। কাৰো বহতীয়া নহয়। নিজৰ মাটিত খেতি কৰি যোৱাৰ মানসেৰে খামিডাঠ। সেই সময়তে অসমীয়া সমাজখন কানিৰ কবলত পৰিছিল। যাৰবাবে অসমত আধিপত্য চলোৱা ইংৰাজসকলৰ কাম-কাজৰ প্ৰতি সমূলি জ্ঞান নাছিল মানুহবোৰৰ। ১৮৩৬ চন অসমৰ বাবে আকৌ দুৰ্যোগৰ সময় হৈ পৰিল। ইংৰাজসকলে অসমীয়া ভাষাৰ ঠাইত অসমতে বাংলা ভাষা চলাবলৈ ধৰিলে। বিদ্যালয়, কাছাৰী আদিত বাংলা ভাষা প্ৰবৰ্তন কৰি অসমীয়া ভাষা বাংলা ভাষাৰ অপভ্ৰংশ বুলিহে প্ৰচাৰ কৰি দিলে। অসম আৰু অসমীয়া ভাষালৈ নামি আহিল ঘোৰ অমানিশা। নিজৰ মাতৃভূমিতে নিজৰ অস্তিত্বৰ সংকটৰ সময়ছোৱাতে বেপ্তিষ্ট মিছনেৰীসকলৰ বাবেই অসমত কথিত হ'লেও অসমীয়া ভাষাত

কিতাপ-পত্ৰ প্ৰকাশ পাবলৈ ধৰিলে। যদিও বেপ্তিষ্ট মিছনেৰীসকলৰ উদ্দেশ্য খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰা আছিল হ'লেও অসম আৰু অসমীয়াৰ বাবে ই এক এচমকা পোহৰ হৈ আহিল। তাতেই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰি নিধিৰামহঁতে কাম কৰিবলৈ সুযোগ লৈছিল আৰু অসমীয়া ভাষাটোৰ প্ৰতি অনুভৱ কৰা টানে অসমীয়া মানুহক আকৃষ্ট কৰিবলৈ সক্ষম হৈছিল। হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে স্বনামধন্য ব্যক্তিসকলে কথাবোৰত গুৰুত্ব দিবলৈ ধৰিলে। ১৮৪৬ চনত 'অৰুণোদই' প্ৰকাশ পায়। এমুঠি অসমীয়া মানুহ আৰু মিছনেৰীসকলৰ অহোপুৰুষাৰ্থৰ বাবেই ১৮৭৩ চনত অসমীয়া ভাষাই নিজৰ হেৰুওৱা স্বকীয়তা ঘূৰাই পাবলৈ সক্ষম হয়। কথিত ভাষাকে লিখিত ৰূপ দিয়াৰ প্ৰতিবাদ কৰি হেমচন্দ্ৰ বৰুৱাই 'অৰুণোদয়' কৰে।

১৮৭৩ চনত অসমীয়া ভাষা অসমত পুনৰ প্ৰতিষ্ঠা হয়। সংগ্ৰামৰ অন্তত অসমত বিদ্যালয় আৰু কাছাৰী আদিত পুনৰ অসমীয়া ভাষা চলিবলৈ ধৰে। হেমচন্দ্ৰ বৰুৱাৰ আশাশুধীয়া প্ৰচেষ্টাৰ বাবেই অসমীয়া ভাষাই বিকৃত ৰূপ লোৱাৰ পৰা সৌভাগ্যক্ৰমে বাচিল আৰু মান্যভাষা ৰূপে স্বীকৃতি পালে। মিছনেৰীসকলৰ সহযোগতে এমুঠি অসমীয়াই অসমীয়া জাতি আৰু ভাষাৰ বাবে যি দেউল বান্ধিলে। 'দেউল' অসমীয়া ভাষা প্ৰতিষ্ঠাৰ সংগ্ৰামৰ ইতিহাস।

সত্যৰ ভেটিত প্ৰতিষ্ঠিত 'দেউল'ত বগী, সুভদ্ৰা আদি কাল্পনিক চৰিত্ৰসমূহে কাহিনীৰ গতি আগুৱাই লৈ যোৱাত যথেষ্ট সহায় কৰিছে। মহানন্দ চৰিত্ৰটো এই দিশৰ পৰা উজ্জ্বল। সেই সময়ৰ সমাজ ব্যৱস্থা, ৰীতি-নীতি, কু-সংস্কাৰ আদিৰ তুলনাত অসমীয়া সমাজ বৰ্তমান মুক্ত। কাহিনীৰ সৰল প্ৰকাশভংগী। কথোপকথনশৈলী আৰু সহজ ভাষা 'দেউল'ৰ অলংকাৰ। 'দেউল' অসমীয়া ভাষা-সাহিত্যৰ এক দলিল হৈ ৰ'ব তাত সন্দেহ নাই। লেখক হিচাপে জয়ন্ত মাধৱ বৰা সাৰ্থক।●●




...হেমচন্দ্ৰ বৰুৱাৰ আশাশুধীয়া প্ৰচেষ্টাৰ বাবেই অসমীয়া ভাষাই বিকৃত ৰূপ লোৱাৰ পৰা সৌভাগ্যক্ৰমে বাচিল আৰু মান্যভাষা ৰূপে স্বীকৃতি পালে। মিছনেৰীসকলৰ সহযোগতে এমুঠি অসমীয়াই অসমীয়া জাতি আৰু ভাষাৰ বাবে যি দেউল বান্ধিলে। 'দেউল' অসমীয়া ভাষা প্ৰতিষ্ঠাৰ সংগ্ৰামৰ ইতিহাস।...

# মামণি বাইদেউৰ "আধালেখা দস্তাবেজ"

চিন্ময় কুমাৰ সন্দিকৈ

"মানুহেই মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে— মানুহেই মানুহক নতুন জীৱন দিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই এই কাম কৰিব পাৰে।"—*আধালেখা দস্তাবেজ*




এজন ছাত্ৰ আৰু কিতাপ ভালপোৱা মানুহ হিচাপে কিতাপ আৰু কিতাপ পঢ়াৰ সম্পৰ্কে অনেক কথাই লেখিব পৰা যায়, কিন্তু একান্ত ব্যক্তিগত অনুভৱ হিচাপে গ্ৰন্থ অধ্যয়নৰ লক্ষ্য-উদ্দেশ্য মোৰ বাবে সচৰাচৰ দেখা পোৱা চিন্তা-চৰ্চা বা প্ৰবৃত্তিতকৈ কিছু পৃথক (হয়তো মোৰ দৰে আন বহুতৰ বাবেও)। কিতাপ পঢ়াটো কেৱল জ্ঞান, অৰ্জন, বৌদ্ধিকতা আহৰণ বা আজৰি সময়ৰ কাম বুলি এটা নিৰ্দিষ্ট সীমাত আৱদ্ধ মই কোনোদিনে কৰিব পৰা নাই, কৰাটো অনুচিত। কাৰণ বহু মানুহৰ দৰেই কিতাপে মোক উদ্ধাৰ কৰিছে নিৰাশাৰ পৰা, তুলি আনিছে মোক গভীৰ হীনাত্মিকতাভাৰৰ গৰলৰ পৰা। মানসিক যন্ত্ৰণাত চট্‌ফটাই থকা মুহূৰ্ততেই হওক অথবা এক বুজাব নোৱাৰা নিঃসংগতাৰ মুহূৰ্তত কিতাপেই মোৰ একমাত্ৰ বিশ্বাসী সাৰথি। প্ৰকৃত অৰ্থত মোৰ দৰে অনেক মানুহৰ বাবে কিতাপ জীৱনৰ সঞ্জীৱনী সুধা।

আজি আমি যিখন কিতাপৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো সেইখন হ'ল প্ৰখ্যাত ৰামায়ণী সাহিত্যৰ সাধক আৰু অসমীয়া সাহিত্যৰ এগৰাকী শক্তিশালী সাহিত্যিক ড° মামণি ৰয়চম গোস্বামীৰ আত্মজীৱনী "আধালেখা দস্তাবেজ"। প্ৰয়াত মামণি ৰয়চম গোস্বামীৰ জন্ম হৈছিল ১৯৪২ চনৰ ১৪ নৱেম্বৰ তাৰিখে গুৱাহাটীত আৰু তেওঁৰ প্ৰকৃত নাম আছিল ইন্দিৰা গোস্বামী। উমাকান্ত গোস্বামী আৰু অম্বিকা দেৱীৰ ঘৰত জন্ম গ্ৰহণ কৰা গোস্বামী একশৰণ নামধৰ্মৰ প্ৰতি গভীৰভাৱে সমৰ্পিত এটা পৰিয়ালৰ সদস্য আছিল আৰু তেওঁ শিক্ষা গ্ৰহণ কৰিছিল শ্বিলং, গুৱাহাটী আৰু বৃন্দাবনত। শিক্ষক, গৱেষক, কবি আৰু উপন্যাসিক গোস্বামীৰ কমলৰ পৰা সৃষ্টি হয় নীলকণ্ঠী ব্ৰজ, ছিন্নমস্তাৰ মানুহটো, দঁতাল হাতীৰ উঁইয়ে খোৱা হাওদা, মামৰে

ধৰা তৰোৱাল, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, আহিৰণ, দাশৰথীৰ খোজ আদিৰ অমূল্য সাহিত্যপঞ্জীৰ। অকালতে বৈধব্য ধাৰণ কৰিব লগা হোৱা আৰু মানসিক চাপত ভোগা গোস্বামীয়ে মানৱসেৱাত অতি উচ্চ স্থান দিছিল। জ্ঞানপীঠ বঁটা, সাহিত্য অকাডেমী, পদ্মশ্ৰী আদি সন্মানেৰে বিভূষিত এই গৰাকী মহান সাহিত্য সাধিকাৰ ইহলীলা সম্বৰণ হয় ২০১০ চনৰ ২৯ নৱেম্বৰত।

আত্মজীৱনীমূলক সাহিত্য সাহিত্য ধাৰাৰ এক অন্যতম মুখ্য ধাৰা। য'ত এগৰাকী লেখকে জীৱনৰ সকলো দিশ পাঠকৰ ওচৰত দাঙি ধৰিবলৈ চেষ্টা কৰে আৰু নিজৰ ব্যক্তিগত জীৱনত বৃহত্তৰ মানুহৰ বাবে এবাৰ অনুভৱ কৰি চাবলৈ মুকলি কৰি দিয়ে। "আধা লেখা দস্তাবেজ" এখন আত্মজীৱনীমূলক গ্ৰন্থ, য'ত মামণি বাইদেৱে নিজৰ জীৱনৰ এক বিশাল অংশক আমাৰ বাবে শব্দৰ ৰূপত এৰি থৈ গৈছে। এই গ্ৰন্থখনৰ প্ৰথম আকৰ্ষণ হ'ল গ্ৰন্থখনৰ শীৰ্ষক, "আধালেখা দস্তাবেজ" নামটোৱে আমাৰ মনত প্ৰশ্নৰ উদয় কৰিবলৈ সক্ষম হৈছে আৰু আমি এয়া জানিবলৈ উৎসুক হৈ পৰো যে এই আধালেখা দস্তাবেজখনত কি আছে, কিয় লেখিকাই আত্মজীৱনীখনক "দস্তাবেজ" ৰূপত প্ৰদান কৰিছে আৰু দস্তাবেজ কিয় আধালেখা অথবা দস্তাবেজ কিয় আধৰুৱা হৈ ৰ'ল ইত্যাদি।

"আধালেখা দস্তাবেজ"ৰ মূল কাহিনীভাগত লেখিকাই শ্বিলঙৰ নিজৰ বাল্যকালৰ পৰা আৰম্ভ কৰি বৃন্দাবনত থাকি বিচিত্ৰ অনুভৱৰ টোপোলা গোটোৱাৰ সময়খিনিলৈকে এক মনোগ্ৰাহী বিৱৰণ প্ৰদান কৰিছে। লেখিকাৰ ৰূপকথাৰ দৰে জীৱন কাহিনীয়ে এক অনুপম উপন্যাসক গতি ধাৰণ কৰিছে যি এখন সুন্দৰ আত্মজীৱনীত পৰিণত হৈছে। উপন্যাসখনৰ ভাষা অতি সংযমী আৰু কাব্যিক সৌন্দৰ্যৰে পৰিপূৰ্ণ। গ্ৰন্থখনত লেখিকাই বৰ্ণনা কৰিছে যে তেওঁ সৰুৰে পৰা কেনেদৰে এক গভীৰ নৈৰাশ্য আৰু শূন্যতাত ভুগিছিল আৰু যাৰ বাবে তেওঁ আত্মহত্যাৰ চেষ্টা পৰ্যন্ত কৰিছিল। তেওঁ পঢ়াত প্ৰচণ্ড মেধাৱী নাছিল যদিও সৰুৰে পৰাই লেখা-মেলা কৰিছিল আৰু কোনোদিনে এগৰাকী লেখিকা হ'বগৈ বুলি ভবা নাছিল। তেওঁ উল্লেখ কৰিছে যে পৰীক্ষা ব্যৱস্থাটোৰ প্ৰতি তেওঁৰ কোনো অনুৰাগ নাছিল। গ্ৰন্থখনত লেখিকাই মুক্তভাৱে নিজৰ প্ৰেম প্ৰসংগৰ কথাও উল্লেখ কৰিছে আৰু কিছুমান সূক্ষ্মাতিসূক্ষ্ম অনুভৱ, মুহূৰ্ত আৰু অভিজ্ঞতাৰ ওপৰত বিস্তৃত পৰ্যবেক্ষণ আগবঢ়াইছে। মাধৱেন আয়েংগাৰৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ তেওঁ জীৱন এক নতুন আশা আৰু সপোনৰ সন্ধান লাভ কৰিছিল, কিন্তু নিয়তিৰ নিষ্ঠুৰতাত বিয়াৰ দুবছৰ সম্পূৰ্ণ নহওঁতেই মাধৱেনৰ দুৰ্ঘটনাত মৃত্যু হয়। ইয়াৰ পিছতেই তেওঁৰ জীৱনলৈ ঘূৰি আহে গভীৰ নৈৰাশ্য আৰু নিজকে শেষৰ প্ৰৱণতা, যাৰ বাবে তেওঁ নিজৰ ভেনিটি বেগত গোটাবলৈ আৰম্ভ কৰিছিল মাৰাত্মক নিদ্ৰাৰ বড়ি। ইয়াৰ পিছতে তেওঁ বৰ্ণনা প্ৰদান কৰিছে গোৱালপাৰাৰ সৈনিক স্কুলত লাভ কৰা বিচিত্ৰ অভিজ্ঞতা আৰু বৃন্দাবনৰ জীৱনৰ কঠিন, বেদনাক্লিষ্ট অথচ সুন্দৰ এক আলেখ্য।

গ্ৰন্থখনৰ প্ৰায়বোৰ চৰিত্ৰই জীৱন্ত আৰু প্ৰকৃত অস্তিত্ব থকা। মামণি বাইদেউৰ পিছতেই যিটো চৰিত্ৰই মোক প্ৰবলভাৱে আকৰ্ষিত কৰিছে সেয়া হ'ল অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু চাৰ। লেখিকাৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱা এই ব্যক্তিজন আছিল গভীৰ প্ৰেৰণা বিশ্বাস আৰু সাহসৰ প্ৰতিভূস্বৰূপ। বৃন্দাবনৰ জীৱনচোৱাত মামণি বাইদেউক প্ৰতিটো কামত সহায় কৰা, তেওঁক নৈৰাশ্যবাদৰ পৰা আঁতৰাই অনাৰ বাবে তেওঁৰ প্ৰতিপন্ন চেষ্টা কৰিছিল আৰু প্ৰতিটো ক্ষেত্ৰতে (গৱেষণাৰ কামেই হওঁক অথবা সাক্ষাৎকাৰৰ সময়ত) তেওঁৰ সতে ছাঁৰ দৰে, এজন পিতৃৰ দৰে লাগি ফুৰিছিল। তেওঁৰ বিষয়ে পঢ়ি মই এই কথাত পতিয়ন গৈছিলো যেন এজন সফল বিদ্যাৰ্থীৰ আঁৰত এগৰাকী মহান শিক্ষক থাকে, যিয়ে আমাক প্ৰতিটো সময়ত সহযোগ কৰে আৰু অনুপ্ৰেৰণা যোগায়। এই গ্ৰন্থখনৰ আন আন কিছুমান ভাল দিশ হ'ল—(ক) মানুহৰ জীৱনৰ সূক্ষ্ম পৰ্যবেষণ ঃ লেখিকাই নিজৰ জীৱনৰ লগত জড়িত প্ৰতিজন মানুহক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিছিল আৰু তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ মনত ৰাখিছিল। সেয়ে হয়তো তেওঁ নিজৰ শিক্ষক-শিক্ষয়িত্ৰী, বন্ধু-বান্ধৱীসকলৰ সুন্দৰ তথা স্পষ্ট বৰ্ণনা প্ৰদান কৰাত সম্পূৰ্ণ সফল হৈছে। ইয়াৰ লগতে তেওঁ পুৰুষৰ চৰিত্ৰও অধ্যয়ন কৰিছে আৰু কোনোবাখিনিত নাৰীৰ তুলনাত পুৰুষৰ চৰিত্ৰত বিচাৰি পাইছে অধিক পশুত্বভাব। কিন্তু এগৰাকী মানৱতাবাদী হিচাপে প্ৰত্যেকজন মানুহৰ প্ৰতি তেওঁ হৈ পৰিছে গভীৰ সহানুভূতিশীল।

(খ) প্ৰকৃতিৰ অপ্ৰতীম সুন্দৰতাৰ বৰ্ণন ঃ মামণি বাইদেউ যে প্ৰকৃতিৰ প্ৰতি খুউব অনুৰাগী আছিল সেয়া

দস্তাবেজখন পঢ়িলেই বুজা যায়। শ্বিলং আৰু গোৱালপাৰাৰ স্কুলৰ মনোৰম অৰণ্য আৰু গছ-গছনিৰ বৰ্ণনা আৰু ব্ৰহ্মপুত্ৰৰ পৰা গংগালৈ নদীৰ বিষয়ে তেওঁ লিখা কথাবোৰে তাৰ সাক্ষ্য বহন কৰে। তদুপৰি বৃন্দাবনত যমুনাৰ নৈসৰ্গিক সৌন্দৰ্য, অস্তমিত সূৰ্যৰ গধূলিৰ মুহূৰ্তবোৰ, পুৱাৰ বেলিৰ হীৰণ কিৰণৰ এক সুন্দৰ স্বৰ্গীয় ৰূপ তেওঁ কোনো কোনো সময়ত গভীৰভাৱে উপভোগ কৰিছে।

(গ) নাৰীৰ মনস্তত্ব আৰু নাৰীবাদ ঃ দস্তাবেজত তেওঁ নাৰী মনস্তত্বৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰিছে। বিশেষকৈ বৃন্দাবনত থকা কালছোৱাত তেওঁ বিধবা তিৰোতা তথা ৰাধে শ্যামীসকলৰ দুৰ্বিসহ জীৱন নিজ চকুৰে দেখা পাইছিল। এই তিৰোতাবিলাকে একে সময়তে দাৰিদ্ৰতা, জীৱন যন্ত্ৰণা, বাৰ্ধক্য, পুৰুষৰ লোলুপ দৃষ্টি আৰু অন্ন-বস্ত্ৰ-বাসস্থানৰ বাবে অহৰহ সংগ্ৰাম কৰিছিল। আনহাতে মই লেখিকাৰ ব্যক্তিত মই দেখা পাওঁ এক অনন্য নাৰীবাদ। যি নাৰীয়ে নিজৰ ভৰিত থিয় দি মহৎ সফলতা লাভ কৰিছে, যি নাৰীয়ে আত্মহত্যাৰ পথ বাচিও জীৱনৰ দিশে পোহৰৰ পথেৰে আগবাঢ়িছে, নিজৰ কৰ্মৰ দ্বাৰা জিলিকি উঠিছে আৰু স্বামীৰ মৃত্যুৰ পিছতো অনেক সংঘাতক নেওচি একাকীত্বৰ জীৱন ধাৰণ কৰিবলৈ অকণো ভয় শংকা কৰা নাই। আনকি পুনৰ বিবাহৰ পথ মুকলি হৈ থকা সত্ত্বেও তেওঁ এক স্বাধীন আৰু আত্মনিৰ্ভৰশীল জীৱনক অনায়াসে নিৰ্বাচন কৰিছে।

(ঘ) সত্যতা আৰু বাস্তৱিক জীৱনৰ প্ৰতিফলন ঃ যিহেতু দস্তাবেজখন এখন আত্মজীৱনী, তাত প্ৰতিফলিত হৈছে লেখিকাৰ বাস্তৱিক জীৱন। তেওঁ জীৱনৰ সত্যক স্বীকাৰ কৰিছে আৰু বহু কঠিন সত্যৰ সন্মুখীন হৈছে। এই সত্যবোৰক তেওঁ অকপটে প্ৰকাশ কৰিছে। কোনো লুক-ঢাক নোহোৱাকৈ প্ৰকাশ কৰিছে জীৱনৰ বিভিন্ন দিশ। প্ৰেম, সংঘাত, মানসিক চাপ আনন্দৰ দৰে কথাবোৰো সংযমী ভাষাৰ প্ৰকাশ কৰিছে। মুঠৰ ওপৰত সত্যতা হৈছে গ্ৰন্থখনৰ মূল চালিকা শক্তি।

ইয়াৰ উপৰিও গ্ৰন্থখনৰ ভাষাশৈলী খুউব প্ৰাঞ্জল আৰু বোধগম্য। কোনো জটিলতা ধাৰণ নকৰি শব্দ আৰু বাক্যবোৰে সৰল শিশুৰ দৰে আমাক অন্তৰ জয় কৰিবলৈ সক্ষম হৈছে, যিয়ে ইয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰি তুলিছে। লেখিকাৰ কাহিনী কথকতাৰ প্ৰতিভাই আমাক মন্ত্ৰমুগ্ধ কৰিব পাৰে অতি সহজে আৰু লৈ যাব পাৰে বৰ্ণনা কৰি থকা মুহূৰ্তটোলৈ। গ্ৰন্থখনত প্ৰকাশ পোৱা অনুভূতি, মানৱীয় আশা-আকাংক্ষা, মানসিক অন্তৰ্দ্বন্দ্ব, আপোনজনক হেৰুৱাৰ দুখ, ভালপোৱা আদি সকলোবোৰেই অন্তস্পৰ্শী। তদুপৰি মানসিক চাপ বা Depression ৰ দৰে বিষয় এটাকো তেওঁ স্পষ্টভাৱে আৰু গুৰুত্বতাৰে দাঙি ধৰিছে। একেবাৰে শেষত আমি দস্তাবেজখননো কিয় আধালেখা সেয়া কিছু বুজি পাওঁ। কিন্তু এয়া পাঠকসকলৰ মনস্তত্ব আৰু বুজাৰ ওপৰত ভিত্তি কৰি ভিন ভিন হ'ব পাৰে। মোৰ মানত মামণি বাইদেৱে জীৱনৰ এটা খণ্ডলৈকেহে দস্তাবেজখনত লিপিৱদ্ধ কৰিছে আৰু বহুক্ষেত্ৰত তেওঁ নিজৰ কিছু অভিজ্ঞতা, দুখ-বেদনা বিৱৰণসমূহ চমুৱাই আনিবলৈ চেষ্টা কৰিছে, সেই বাবেই হয়তো দস্তাবেজখন আধালেখা। কিন্তু এই কথাও সিমানেই সত্য যে দস্তাবেজখন আধৰুৱা হৈ সম্পূৰ্ণ আৰু এখন প্ৰেৰণাদায়ক গ্ৰন্থ। যিবোৰ আত্মজীৱনীমূলক সাহিত্যই বিশ্বসাহিত্যৰ মাজত উল্লেখনীয় স্থান লাভ কৰাৰ যোগ্যতাৰে এখন মামণি ৰয়চম গোস্বামীৰ "আধালেখা দস্তাবেজ"। দস্তাবেজৰ প্ৰস্তাৱনাতে বাইদেৱে হোমেন বৰগোহাঞিৰ পৰা লাভ কৰা চিঠিৰ এক অংশ উল্লেখ কৰিছে, যাৰ উদ্ধৃতিৰে এই কলম সামৰিব খুজিছো—"...শিল্পসৃষ্টিৰ দাবী ইমান নিষ্ঠুৰ যে সি কাৰো ব্যক্তিগত দুখ-বেদনাৰ কথা বিবেচনা নকৰে। সাধাৰণ নৰ-নাৰীৰ এই অন্তলান্ত দুখত নিমৰ্জ্জিত হৈ মৃতপ্ৰায় হৈ থকাৰ অধিকাৰ আছে, কিন্তু আপোনাৰ নাই অধিকাৰ নাই। কাৰণ আপুনি লিখিকা, জাত শিল্পী ...।"●●


মৃণাল কলিতা
বকুল ফুলৰ দৰে
পঞ্চম সংস্কৰণ

# বকুল ফুলৰ দৰে

নিতুৰাণী গগৈ




**লেখক ঃ মৃণাল কলিতা (ড° মৃণালচন্দ্ৰ কলিতা)**
গ্ৰন্থৰ প্ৰকাৰ ঃ উপন্যাস
(ৰচনাকাল- ১২।০১।১৪-০৩।০৮।১৫)
প্ৰকাশক ঃ ৰঞ্জন শৰ্মা আৰু আংগিক প্ৰেছৰ দ্বাৰা প্ৰকাশিত
প্ৰকাশ কাল ঃ প্ৰথম সংস্কৰণ নৱেম্বৰ ২০১৫
ঊনবিংশ মুদ্ৰণ, মাৰ্চ, ২০২২
মুঠ পৃষ্ঠা ঃ ১৯২ ● মূল্য ঃ ২০০ টকা

**সমালোচনা কৰিবৰ বাবে নিৰ্বাচন কৰা গ্ৰন্থৰ পৰিচয় ঃ** বকুল ফুল। প্ৰকৃতিৰ এক অপৰূপ সৃষ্টি বকুল ফুল। আজি মই সমালোচিত কৰিবলৈ ওলোৱা গ্ৰন্থখনৰ নামো 'বকুল ফুলৰ দৰে'। গ্ৰন্থখনৰ ৰচক হৈ ড° মৃণাল কলিতাদেৱ। বকুল ফুলৰ সুৱাস যিদৰে শব্দৰে বৰ্ণনা কৰিব নোৱাৰি ঠিক তেনেদৰে এখন ভাল গ্ৰন্থৰ বিষয়ে সমালোচনা বা কৈ শেষ কৰিব নোৱাৰি। কলিতাদেৱৰ 'বকুল ফুলৰ দৰে' কিতাপখন সমালোচনা কৰিবৰ বাবে নিৰ্বাচন কৰাৰ মূল লক্ষ্যই হৈছে সমাজ আৰু শিক্ষা ব্যৱস্থাৰ বহুতো দিশ নিজৰ কথাৰে ফুটাই তোলাৰ। "বকুল ফুলৰ দৰে" কিতাপখনৰ নামটো "সুগন্ধি পখিলা"ৰ কবি হীৰেণ ভট্টাচাৰ্যদেৱৰ দ্বাৰা ৰচিত এটা গানৰ পৰা লোৱা হৈছে।

**উপন্যাসখনৰ ৰচকৰ পৰিচয় ঃ** "বকুল ফুলৰ দৰে"ৰ কলিতাদেৱৰ জন্ম হয় কামৰূপৰ বামুণ্ডিত। তেওঁৰ পিতৃৰ নাম আছিল ধীৰেন্দ্ৰ চন্দ্ৰ কলিতা আৰু মাতৃৰ নাম কুসুম কলিতা। ড° কলিতাদেৱ এজন অতি সু-প্ৰতিভাৱান লেখক। তেওঁৰ ৰচনাৰাজিত সাধাৰণতে মানুহৰ সূক্ষ্ম মনোভাৱসমূহ আৰু শিশু উপযোগিতাৰ সমৃদ্ধিৰ লগতে মনোভাৱসমূহ আৰু সমাজৰ বিভিন্ন দিশৰ প্ৰকাশ ইত্যাদি গুণ দেখিবলৈ পোৱা যায়। কলিতাদেৱৰ বৰ্তমানলৈকে মুঠ সাতখন গ্ৰন্থ প্ৰকাশ পাইছে। তেওঁৰ গল্পসমূহৰ ইতিমধ্যে বঙালী, ইংৰাজী, উড়িয়া, হিন্দী আদি ভাষালৈও অনূদিত হৈছে। ২০২১ চনত তেওঁ 'ৰিবৰিম মুনমীহঁতৰ শেষ নোহোৱা কাহিনী" গ্ৰন্থৰ বাবে "মৃগনয়না শইকীয়া সোঁৱৰণী বৰ্ষ শ্ৰেষ্ঠ শিশু গ্ৰন্থ ২০২১" বঁটা লাভ কৰে। "বকুল ফুলৰ দৰে" শিশু উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাডেমীৰ "বাল সাহিত্য পুৰস্কাৰ" প্ৰদান কৰিছে। বৰ্তমান পাণ্ডু কলেজত গণিত বিভাগৰ সহযোগী অধ্যাপক ৰূপে কৰ্মৰত ড° কলিতাৰ গণিতৰ কেইবাখনো গৱেষণা পত্ৰ ভাৰতৰ আন ঠাই, নেদাৰলেণ্ড, বুলগেৰিয়া আদি দেশৰ ৰিছাৰ্চ জাৰ্নালত প্ৰকাশ পাইছে।

সৌ তাহানিতে যেতিয়া "বাৰ-ওঠৰ"ৰ পৃষ্ঠাত প্ৰথম 'বকুল ফুলৰ দৰে পঢ়িব পাইছিলো তেতিয়াৰ পৰাই এতিয়ালৈকে "বকুল ফুলৰ দৰে" মোৰ অন্যতম প্ৰিয় উপন্যাস। ড° মৃণাল কলিতাদেৱৰ আন কেইখনমান মূল্যৱান গ্ৰন্থ হৈছে— অকপটে, অনুশীলন, গণিতৰ বৰ্ণিল জগত, মৃত্যুৰ সিপাৰে ইত্যাদি।

**"বকুল ফুলক দৰে" গ্ৰন্থখনৰ সমালোচনা ঃ** মিলান কুন্দেৰাৰ মতে উপন্যাস এখনৰ প্ৰথম আৰু প্ৰধান গুণ হৈছে সুখপাঠ্যতা। সমালোচনা কৰিব পৰাকৈ মই তেনে কোনো সমালোচক বা জ্ঞানী ব্যক্তি তেনে নহয়। গ্ৰন্থখনৰ প্ৰতিখন পৃষ্ঠাই মোক এনেধৰণে আকৰ্ষণ কৰে নহয়, যাৰ বাবে কিতাপখনৰ

বিষয়ে দুআষাৰ মান নোকোৱাকৈ থাকিব নোৱাৰিলো।

সৰ্বপ্ৰথমে ক'ব যাওঁ আৰ্থিক অৱস্থাৰ কথা। উপন্যাসখনত 'অসীম'ৰ চৰিত্ৰটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আৰ্থিক অৱস্থাৰ বাবে কেনে কঠিন পৰিস্থিতি আৰু সংগ্ৰাম কৰিবলগীয়া হয় লগতে কেনেকৈ পঢ়াৰ ইচ্ছা থকাৰ সত্ত্বেও বিদ্যালয় এৰিবলৈ বাধ্য হয় সেই দিশটো সুন্দৰকৈ ফুটাই তুলিছে।

"বন্ধুত্ব" এটা কি যে অমৃতময় শব্দ নহয়নে? কৃষ্ণ আৰু অৰ্জুনৰ বন্ধুত্বৰ দৰেই এক নিৰ্মল আৰু প্ৰকৃত বন্ধত্বৰ নিদৰ্শন হৈছে অসমী আৰু নিৰ্মল ৰ মাজৰ বন্ধুত্ব। নিৰ্মলে কেনেকৈ নিজৰ বন্ধু অসীমক বিদ্যালয়লৈ উভতাই আনিছিল আৰু কেনেকৈ বন্ধুৰ মনত আত্মবিশ্বাসৰ সঞ্চাৰ কৰিছিল। সেই দৃশ্যখিনিয়ে মোৰ মন বাৰুকৈয়ে স্পৰ্শ কৰি যায়। জীৱন যুঁজত কেতিয়াও হাৰ নামানিবলৈ এনে এজন বন্ধুৰ সাহসৰ খুবেই প্ৰয়োজন।

ইয়াৰ পিছতেই আহে অসীমৰ দেউতাক মাক আৰু আজলীৰ কথা। দেউতাক, যি এজন মদপী ব্যক্তি আছিল যাৰ ফলত যি উপাৰ্জন কৰিছিল তাকো মদ খাই শেষ কৰি ঘৰৰ ফালে অমনোযোগী হৈ পৰিছিল আৰু উপাই নাপায় অসীমে ঘৰ চলাবলৈ পঢ়া এৰি উপাৰ্জন কৰিবলৈ কাম কৰিবলগীয়া হৈছিল। ইয়াত অসীমৰ দেউতাকৰ হঠাতে মৰমিয়াল পৰা ক্ৰমাত সুৰাপায়ী হোৱা কথাষাৰে অসীমৰ মনত বাৰে বাৰে আঘাত দিছিল। কিয়নো অসীমৰ বয়সৰ স্তৰ অনুসৰি যিহেতু কৈশোৰ, এই কালছোৱাক জীৱনৰ "ধুমুহা আৰু পীড়ন"ৰ সময় বুলিও কোৱা হয়। ইয়াতো অসীমৰ দেউতাকক দেখি মনলৈ অহা হঠাতে ক্ষোভে তাৰ মনটো অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰে। কিয়নো "নিজৰ বাপেকক অন্তৰেৰে শ্ৰদ্ধা কৰিব নোপোৱাটো সন্তানৰ বাবে এটা ডাঙৰ দুখ অসীমৰ ভনীয়েক আজলী, যি ফূৰ্তি কৰি থাকিবলৈ ভাল পাইছিল, তাইয়ো দেউতাকৰ কৰ্ম-কাণ্ডবোৰ দেখি এটা সময়ত মন মাৰি থকা হৈছিল। ইয়াৰ পৰা আমি এইটো লক্ষ্য কৰিব পাৰো যে কেনেকৈ পৰিস্থিতিৰ সলনিয়ে মানুহৰ মনত কেনেদৰে সাঁচ বহুৱায়।

মহেন্দ্ৰ মাষ্টৰ, যাৰ ভয়ত সকলোৱেই কঁপি থাকে বা তেওঁৰ ক্লাচত মাত মাতিবলৈ ভয় কৰে। মহেন্দ্ৰ মাষ্টৰে অসীম যেতিয়া শ্ৰেণীত প্ৰথম আছিল তেতিয়া তাক 'জুৱেল' নাম দিছিল আৰু যেতিয়া অসীমৰ বিভিন্ন কাৰণত স্কুল নহাত আৰু পৰীক্ষাৰ স্থান তললৈ যোৱাৰ বাবে বেয়াকৈ কোবাইছিল, যাৰ ফলত বহুদিনৰ মূৰত নিৰ্মলৰ বুজনিত স্কুললৈ আহিবলৈ মন মেলা অসীম পুনৰ নহা হৈছিল।

অভিনৱ মাষ্টৰ, স্কুলত তেওঁ নতুনকৈ যোগদান কৰিছিল। নতুনকৈ যোগদান কৰা মাষ্টৰজনে যেন শ্ৰেণীকোঠাৰ প্ৰত্যেকৰে মন বুজিবলৈ চেষ্টা কৰিছিল এক বন্ধুত্ব সুলভ আচৰণেৰে। অভিনৱক ওচৰত পাই যেন নিৰ্মলৰ মনত পুনৰ অসীমক ঘূৰাই আনিব স্কুললৈ সেই আশাৰ ৰেঙনি দেখিছিল। আৰু শেষত অভিনৱ মাষ্টৰ আৰু নিৰ্মলে মিলি অসীমক পুনৰ বিদ্যালয়লৈ উভতাই আনিবলৈ সক্ষম হৈছিল।

অভিনৱ মাষ্টৰ আৰু মহেন্দ্ৰ মাষ্টৰ যেন সম্পূৰ্ণই বেলেগ বেলেগ ব্যক্তিত্বৰ। মহেন্দ্ৰ মাষ্টৰ যিহেতু অলপ বয়সী সেইবাবেই তেওঁ ছাত্ৰসকলৰ লগত বন্ধুসুলভ হ'ব নোৱাৰিছিল। কঠোৰ অনুশাসনেৰে তেওঁ শিক্ষাৰ্থীক আগবঢ়াই নিব খুজিছিল।

আনহাতে অভিনৱ মাষ্টৰ, অভিনৱ মাষ্টৰে যেন সকলোৰে মনৰ কথাই বুজিব পাৰিছিল। শেষত মহেন্দ্ৰ মাষ্টৰে উপলব্ধি কৰে যে এই পুৰণিকলীয়া ধাৰণা ছাত্ৰৰ কাৰণে যে কেতিয়াবা কিমান ক্ষতিকাৰক হ'ব পাৰে।

কৈশোৰ মনক আলোড়িত কৰিব পৰা উপন্যাসখন সঁচাই বৰ ব্যতিক্ৰমী। উপন্যাসখনৰ স্থাপনশৈলী তেনেই সহজ আৰু স্পৰ্শকাতৰ আৰু সকলোৱেই সহজতে বুজিব পৰা ধৰণৰ। যেতিয়া কোনোবা এট কাহিনীয়ে শেষ হোৱাৰ পিছতো পাঠকৰ মনত দোলা দি থাকে, যেতিয়া কাহিনীটোৰ চৰিত্ৰসমূহৰ দুখবোৰ পাঠকৰ চকুপানী হৈ বৈ আহে আৰু আৱেগবোৰ অনুভৱ কৰিব পৰা যায় তেতিয়া যেন মনৰ ভিতৰত অনাবিল বুজাব নোৱৰা কিবা এটাই জোকাৰি থৈ যায়।

**সামৰণি ঃ** "বকুল ফুলৰ দৰে" এখন সৰ্বাংগ সুন্দৰ উপন্যাস। "বকুল ফুলৰ দৰে" উপন্যাসখনত কিশোৰ মনৰ স্থিতি, মানসিক দ্বন্দ্ব, সংঘাত আদি গভীৰভাৱে অংকন কৰিছে। উপন্যাসখনত যেন শিক্ষাব্যৱস্থাৰ বাস্তৱিক ছবিও বৰ সুন্দৰকৈ ফুটি উঠিছে। অসমীয়া সাহিত্য জগতৰ অন্যতম সম্পদ "বকুল ফুলৰ দৰে" উপন্যাসখন মই ভাবো প্ৰত্যেকেই এবাৰ পঢ়া উচিত। কিয়নো কথাতে কয় "এখন ভাল কিতাপৰ কাৰোবাৰ জীৱনৰ গতি সলাই দিবৰ পৰাও ক্ষমতা থাকে।"●●




# ভোক

অংকিতা ভট্টাচাৰ্য্য

**০.০০ প্ৰস্তাৱনা ঃ**

**০.০১ পুথি অধ্যয়নৰ গুৰুত্ব ঃ**

ব্যাকৰণবিদ, সাহিত্যিক, সমালোচক, প্ৰবন্ধকাৰ সত্যনাথ বৰাদেৱে তেওঁৰ দ্বাৰা ৰচিত অমূল্য গ্ৰন্থ 'সাৰথি' অন্তৰ্গত 'পুথি অধ্যয়নৰ' নামৰ প্ৰবন্ধটিত উল্লেখ কৰিছিল যে, "পুথি অধ্যয়নবিদ্যা উপাৰ্জনৰ এটি ঘাই উপায়। পুথি নপঢ়াকৈ কোনেও ক'তো বিদ্যা লাভ কৰিব নোৱাৰে। পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। আনে থুপাই থোৱা ধন হাতত পৰিলে ধন আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থুপাই থোৱা বিদ্যা হাতত পৰিলে বিদ্যা আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি।"

**০.০২ গ্ৰন্থ সমালোচনাৰ বাবে নিৰ্বাচিত পুথিখনৰ পৰিচয় ঃ**

গ্ৰন্থ সমালোচনাৰ বাবে যিখন গ্ৰন্থ মই নিৰ্বাচিত কৰিছো সেইখন হৈছে, ঔপন্যাসিক জুৰী বৰা বৰগোহাঞিৰ দ্বাৰা ৰচিত ২০১৪ চনত প্ৰকাশিত 'ভোক'। এই উপন্যাসখনৰ প্ৰকাশক বনলতা। এই উপন্যাসখনত মাজত প্ৰতিস্ফূৰ্ত হৈছে সমাজৰ বাবে নিষিদ্ধ কিন্তু "সমাজৰ ডাষ্টবিন" হিচাপে কৰ্মৰত এচাম নাৰী কিশোৰীৰ জীৱন যন্ত্ৰণা।

কিতাপখন পঢ়ি মোৰ মনত কিছুমান প্ৰশ্ন আৰু চিন্তাৰ উদ্গীৰণ হয়, মানুহ বাৰু এনেকৈয়ো জীয়াই থাকে নে? জীৱন ইমান ভয়াবহ নে? যি শৰীৰত মনৰ অৱস্থিতিয়েই নাই সেই শৰীৰৰ প্ৰতিটো অংগ আকৰ্ষণৰ ওপৰত নিৰ্ধাৰিত।

কিতাপখনৰ ভিতৰলৈ ক্ৰমাৎ গতি কৰিলে ৰহস্যবোৰ এটা এটাকৈ খোল খাই পৰে। সকলোৰে মূল কাৰণ কিন্তু একেটাই 'ভোক'। এই ভোক কিছুমান প্ৰত্যেক্ষ আন কিছুমান পৰোক্ষ। কোনোবা যদি নিজৰ পেটৰ ভোকত আন কোনোবা পৰিয়ালৰ পেটৰ ভোকত আৰু কোনোবা শৰীৰৰ ভোকত এইখন পৃথিৱীৰে নিষিদ্ধ নৰকত তেওঁলোক কৰ্মৰত। যন্ত্ৰণাৰ খতিয়ান দাঙি খৰিছে। সেয়েহে, অতি জনপ্ৰিয় তথা বহুলভাৱে চৰ্চিত তথা বৌদ্ধিক মহলৰ দ্বাৰা সমাদৃত উক্ত গ্ৰন্থখন সমালোচনাৰ বাবে নিৰ্বাচন কৰি লৈছো।

**০.০৩ ঔপন্যাসিকৰ পৰিচয় ঃ**

অসমীয়া সাহিত্য জগতৰ এগৰাকী ঔপন্যাসিকৰ জুৰী বৰা বৰগোহাঞিৰ জন্ম হয় ১৯৭৮ চনৰ অসমৰ মাজুলিত। তেখেতৰ পিতৃৰ নাম মৰেন্দ্ৰ বৰা আৰু মাতৃৰ নাম বীণা বৰা। তেওঁ মাতৃৰ নাম বীণা বৰা। তেওঁৰ দ্বাৰা ৰচিত কেইখনমান উপন্যাস হৈছে—'নাংফাং', 'সিহঁত', 'আংকুশ', 'চিঞৰ' আদি। তেখেতৰ লাভ কৰা কেতবোৰ বঁটা হৈছে—হৰেন্দ্ৰ চন্দ্ৰ বৰকাকতী উপন্যাসৰ বঁটা, যুৱ প্ৰেৰণা বঁটা আদি।

**১.০. গ্ৰন্থখনৰ বিষয় বস্তু ঃ**

ভোক কিমান যে এটা অৰ্থপূৰ্ণ শব্দ। বিচাৰিলে কিমান যে অৰ্থ নোলাব শব্দটিৰ। পেটৰ পৰা, যৌনতাৰ ক্ষুধাৰ পৰা আদি কৰি কোনো এটা বস্তু পোৱাৰ হাবিয়াসলৈকে, সকলোতে আমাৰ ভোগ লাগে।

ভোক উপন্যাসখন এখন যৌনতা, বেশ্যাকেন্দ্ৰীক কিতাপ। কিতাপখনৰ বিষয়ে কাকো জ্ঞাত কৰাৰ হয়তো প্ৰয়োজন নাই। বেশ্যাসকলৰ দুদৰ্শাগ্ৰস্ত জীৱনৰ ওপৰত কেন্দ্ৰ কৰি লিখা কিতাপ। প্ৰতিটো পৃষ্ঠা এটাৰ পৰা আন এটালৈ যাওঁতে বুকুত হৃদযন্ত্ৰৰ তীব্ৰ শব্দৰ ধ্বনি শুনা পাইছিলোঁ। ধপ্ ধপ্ ধপ্। কিছু পৃষ্ঠাত চকুলো ওলাই আহিও বৈ যায়, কাৰণ প্ৰতিটো বাক্যৰ আঁৰৰ লুকাই থকা বাস্তৱবোৰ মই উপলব্ধি

কৰিব পাৰিছিলোঁ, ভাবিছিলোঁ ইয়াৰ বাবে চকুপানীয়েই যথেষ্ট হ'বই নোৱাৰে। হয়, মই বেশ্যাৰ কাৰণে কান্দিছিলো। ভাবিবলৈ, বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। এনেকুৱা এখন পৃথিৱীও আছে, এনেকুৱা মানুহো আছে। ইমান দুৰ্দশাগ্ৰস্ত জীৱনো থাকিব পাৰেনে কাৰোবাৰ। হাজাৰ জন লোকক সংগ দিওঁ কিমান নিসংগ তেওঁলোক।

আমি এটা স্মাৰ্ট ফোনৰ বাবে কান্দো, বিলাসী বস্তুবোৰ নোপোৱাৰ বাবে নিজকে ধিক্কাৰ দিওঁ, এটা সামান্য বস্তু দিবলৈ অলপ অসমৰ্থ হ'লেই ঘৰৰ লগতে উখোন পাতো। আৰু তেওঁলোক! কেইটামান চাউলৰ তাগিদাত, এখন মাথোঁ মূৰৰ ওপৰত চালিৰ আশাত নিজৰ গাৰ মঙহ বিক্ৰী কৰিও, শৰীৰৰ তীব্ৰ যন্ত্ৰণা সহ্য কৰিও সামান্য সেই প্ৰয়োজনকেইটা পূৰণ কৰিবলৈ অসমৰ্থ। কিমান নিঃসংগ তেওঁলোক! কোনো আত্মীয় নাই, নাই কোনো নিজস্বতা। তথাপি তেওঁলোক হাঁহি থাকে, সৰু সৰু সুখবোৰৰ মাজতে সুখী তেওঁলোক।

**১.০.১. গ্ৰন্থখনত মোৰ প্ৰিয় চৰিত্ৰ ঃ**

সুবাসা উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ। সুবালাৰ মাতৃ চৰিত্ৰটি গ্ৰন্থখন খুব সুন্দৰকৈ উপস্থাপন কৰিছে। সুবালাই কিদৰে নিজ দেহাক বিক্ৰীৰ দৰে কঠিনতম সিদ্ধান্ত ল'বলৈ বাধ্য হৈছে উপন্যাসখনত সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। সংগ্ৰামৰ মাজেৰে জীৱন জীয়াব জনা এগৰাকী নিঠৰুৱা মহিলা। সেয়েহে এই চৰিত্ৰটো মোৰ প্ৰিয়।

**১.০.২ গ্ৰন্থখনৰ প্ৰিয় বাক্যকেইশাৰী ঃ**

"বজাৰত প্ৰচণ্ড ভিৰ। দোকানবোৰ জাকজমক ৰঙীন। ইমান ডাঙৰ বজাৰ বিচিত্ৰ দোকান, ভিৰ আমি দেখাই নাই। সাজি-কাচি প্ৰেমা, চাংলা, চিৰিংহতৰ বয়সৰ ছোৱালীবোৰ ঘূৰি ফুৰিছে। লগত ল'ৰা দুটামানো আছে। সিহঁতৰ হাঁহিয়ে বজাৰখন উজলাই তুলিছে। আৰু আমাৰ বয়সবোৰে গাম্ভীৰ্যৰে ইফালে সিফালে খোজ কাঢ়িছে। সাজ-পোচাক পৰিপাটি। কাষে কাষে সৌৱা চাগে তেওঁলোকৰ সন্তান, স্বামী। মুখৰ তৃপ্তিৰ হাঁহি। এখন নিৰাপদ ঘৰলৈ সুখী হৈ যাত্ৰা।"

**২.০ গ্ৰন্থখনৰ সমালোচনা ঃ**

গ্ৰন্থ সমালোচনা কৰিবলৈ সাহিত্যৰ প্ৰতিটো দিশৰ বিশদ্ধ জ্ঞান থকা অতি গুৰুত্বপূৰ্ণ। সেই জ্ঞান মই এতিয়াও লাভ কৰা নাই। সেয়েহে, এগৰাকী পাঠিকা, স্নাতকৰ ছাত্ৰী হিচাপে নিজৰ মানোভাব দাঙি ধৰিবলৈ চেষ্টা কৰিছো। গ্ৰন্থখন সমালোচনাৰ বাবে মই ভাব কেতবোৰ নেতিবাচক আৰু ইতিবাচক দিশ তলত দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

**২.০.১ গ্ৰন্থখনৰ কেতবোৰ নেতিবাচক দিশ**

(ক) এটা পটভূমিৰ পৰা আন এটা পটভূমিলৈ যাওঁতে মসৃণতা কম পৰিমাণলৈ দেখিবলৈ পোৱা গৈছে।

(খ) মুখ্য চৰিত্ৰ, গৌণ চৰিত্ৰৰ মাজৰ স্পষ্টতা নাই যেন বোধ হ'ল।

(গ) নাৰী চৰিত্ৰবোৰৰ মনৰ কথা যথেষ্ট পোহৰলৈ অহাৰ বিপৰীতে পুৰুষৰ চৰিত্ৰসমূহ আন্ধাৰতেই ৰ'ল।

(ঘ) চৰিত্ৰৰ মুখৰ সংলাপ পৰিৱেশ, পৰিস্থিতি অনুযায়ী কোনো কোনো ঠাইত খাপ খোৱা পৰিলক্ষিত হোৱা নাই।

**২.০.২ গ্ৰন্থখনৰ কেতবোৰ ইতিবাচক দিশ ঃ**

(ক) গ্ৰন্থখনত নাৰী মন ঃ স্তত্ব প্ৰকাশ হৈছে।

(খ) গ্ৰন্থখনৰ পৰা নাৰী সৰ্বহাৰাৰ কেন্দ্ৰ, নাৰী সৰ্বহাৰাৰ যি প্ৰক্ৰিয়াৰ তাৰ বিষয়ে সূক্ষ্মভাৱে আলোচনা কৰিছে।

(গ) বেশ্যা বৃত্তিৰ লগত জড়িত নাৰীৰ জীৱনৰ সম্পূৰ্ণ গাথা এই উপন্যাসখনৰ মাজত প্ৰকাশ পায়।

(ঘ) কেতবোৰ বিশ্বজনীন আৱেগৰ অতি মনোৰম বৰ্ণনা গ্ৰন্থখনত দেখিবলৈ পোৱা যায়। যেনে দৰিদ্ৰতা, নাৰীৰ নিৰ্যাতন।

**২.০.৩. পৰামৰ্শ ঃ**

মই এগৰাকী ন-পাঠিকা হিচাপে প্ৰতিষ্ঠিত লেখিকা জুৰী বৰা বৰগোহাঞিৰ দ্বাৰা ৰচিত উপন্যাস 'ভোক'ৰ বিষয়ে পৰামৰ্শ দিবলৈ মই অপাৰগত কিন্তু এগৰাকী ছাত্ৰী হিচাপে মই এই অনুৰোধ কৰিব বিচাৰোঁ যে এটা পটভূমিৰ পৰা আন এটা পটভূমিলৈ যাওঁতে যাতে মসৃণতা দেখিবলৈ পাও।

**৩.০. সামৰণি ঃ**

উপন্যাস একোখন সমাজৰ দাপোন। হৈ একোটা সামাজিক অৱস্থা প্ৰকট কৰে কল্পনা আৰু বাস্তৱৰ সাজ-সজ্জাৰে বিভূষিত কৰি। উক্ত উপন্যাসখন লেখিকাৰ বৰ্ণনাশৈলী, স্পষ্টবাদীতা, সাহসিকতাৰ প্ৰতিভূ। কালিকা লগা অসমৰ এছোৱা সময়ক দৰ্শোৱা এক দুখৰ দস্তাবেজ।●●




# The Alchemist

**Tonmoy Jyoti Dowarah**

*... a fable about following your dream*
*... when we strive to become*
*Better than we are, everything*
*Around us becomes better, too ...*
*The Alchemist –Paulo Coelho*

With several best selling novels translated into dozens of languages. Brazilian author Paulo Coelho is one of the world's most popular spiritual writers. His books including. The Alchemist, Manual of the warrior of Light and veronica decides to Die-tackle everything from love to magic to suicide to the meaning of life. Paulo Coelho was born in Rio de Janeiro in 1947, the son of an engineer and a house wife. And from young age Coelho dreamed of becoming a writer. Inspired by his journey to Santiago de compostela, Coelho wrote 'The pilgrimage : Diary to Magnus, about extraordinary events that happen to ordinary people. The following year. The Alchemist was published. The novel sold only nine hundred copies initially and was not reprinted. But Coelho's next book. Brida, was well received, however as a result, both the pilgrimage and the Alchemist became best-sellers.

The Alchemist is a fascinating read with beautiful storytelling. The word choice is flawless, full of wisdom and philosophy. It gives us a sense of inspiration the story is indenting and brimming with optimism. Which is essential in our lives. The book demonstrates that the path to our destiny is just as critical as the destination itself.

The book tells the story of Santiago, a young shepherd boy from Spain who embarks on a journey to the Egyptian pyramids to fulfill his personal legend, which he believes is the reason for his existence. "When you really want something, the whole universe wnspires to help you achieve it". The whole fable is circumnavigated in the vicinity of the above-mentioned adduce. Santiago unaware of all the contingencies he takes the risk and travel in search of the treasure in the Egyptian desert, where a fortunate encounter with the alchemist awaits him. Paulo Coelho has embellished the story with many provocative thoughts through minus cub incidents that Santiago encounters in his struggle.

The book is a beautiful tribute to the human spirit and the power of universe. The narrative is driven by a since of wonder and priority, and the characters are engaging and relatable Santiago's journey is a of metaphor for the journey of life, and the book encourages readers to think deeply about their personal legend and purpose in life. The themes of the book are universal and timeless, making it a must read for all ages and backgrounds. One of the most compelling aspects of the Alchemist is its emphasis of following one's heart and persuing one's dreams, even in the face of fear and uncertainty. Santiago's journey is not an easy one, and he faces many obstacles along the way, However, he persist in his pursuit of his personal legend, and rewards he receive at the end of his journey are all the more meaningfully for it.

Overall, the Alchemist is a beautifully written and inspiring book that deserves its place as a modern classic. Coelhos ability to convey deep and meaningful ideas in a simple and accessible way is tnely impressive. The book is a timeless meditation on the meaning of life, and it is sure to inspire and empower readers for generations to come.●●




**Book : Normal People**
**Author : Sally Rooney**
Publisher : Taber and Taber
Publication Date : 30th August, 2018
Pages : 266

# Normal People

**Ritisha Bhandra**

Sally Rooney is an Irish author born in 1991 she gained international recognition with her debut novel, "Conversations with Friends", published in 2017. However, it was her second novel, "Normal people" published in 2018, that made her a literary sensation. Rooney was included in the Forbes 30 under 30 Europe list in 2019, and "Normal people" was languished for the Man Booker Prize that same year.

"Normal People" is a captivating novel that follows the complicated relationship between two teenagers, Connell and Marianne, from their high school years in a small town in Ireland to their collage years in Dublin. Connell is a popular athlete who struggles with his working-class background, while Marianne is an outcast who comes from a wealthy family but is subjected to emotional and physical abuse at home. Despite their difference, they share a deep connection and a secret intimacy that transcends their social statue. The novel explores themes of love, class, power dynamics and mental health, as the characters variegate their way through their tumultuous relationship and personal struggles. Rooney's writing is sparse, yet powerful, with a keen understanding of the complexities of human emotion and behavior. The novel has been praised for its realize, its portrayal of modern relationships, and its ability to capture the essence of contemporary youth culture.

As the novel progresses, the reader is drawn into the intense and it times painful relationship between Connell and Morianne. The two characters are both flexed and complex, with their own personal demons battle. Their love story is at once beautiful and heartbreaking with the moments of tenderness interspersed with moments of cruelty and neglect.

Overall, "Normal People" is a stunning work of literary fiction that captures the complexities of human relationships and the difficulties of navigating of human relationships and the difficulties of navigating the world as a young person in the 21st century. Sally Rooney's writing is a tour de force, and her ability to capture the essence of contemporary youth culture is unparalleled.●●

# Book Review on Caste in Indian Politics by Rajni Kothari

**Madhujya Chetia**

**About the Author :**

Among the most outstanding thinkers in India. The field of political science has seen significant transformation thanks to Rajni Kothari. His work has enabled Indian political science to mature by pushing political analysis beyond the conventional format and providing his readers with some groundbreaking and seminal works. He started a movement that aimed to transform the discipline from conceptual statements to a real-time, participatory engagement in democratic politics and an appreciation of democracy's function in Indian society.




**Introduction :**

A highly conducive environment was created in India with the emergence of electoral democracy. Though closed, the caste system is still changing today. In order to comprehend India's social reality-the "White man's burden"-the British used caste as a prism.

In his book ' Caste in Indian politics ' Rajni Kothari asserts that the development of party politics in India was significantly influenced by the politicisation of caste. He demonstrated the dual nature of the caste politics. Politics needs caste just as much as caste needs caste. When political activity becomes the domain of caste groupings. Then, caste groups have an opportunity to claim their identity and compete for status. MN Srinivas made use of the idea of the dominant caste as well. A dominant caste is one that has a numerical preponderance and, as a result, enjoys political power. Caste is a useful tool that politicians find easy to use in electoral campaigns. In Indian states, politics was also perceived as a struggle for political dominance between the main caste groups. There is also a claim that caste divides national politics. Political leaders who had been kept out now join the fray. Srinivas also discussed the concept of the "dominant caste," which emerged as a political and economic force after Sanskritization. As a result of the development of adult franchise and the Panchayati Raj System, the intermediate castes also strive for dominance in all spheres of society. Granted, all of these have strengthened the caste system rather than weakened it.

**Review of the Book :**

There is a curious cognitive pause between society and polity in both ideological thinking and a large portion of social science theorizing as a result of the prevalent dichotomy between tradition and modernity.

While politics is viewed as "modern" and "developing," society is frequently seen as "traditional."

However, given the interdependence of political and developmental institutions with society, this approach is faulty, particularly in the context of democratic politics.

Everyone is aware that caste identities and structures formed the basis of India's traditional social structure. However, the doctrinaire moderniser exhibits severe xenophobia when discussing the connection between politics and caste. Is caste vanishing? Is the first question he poses. Undoubtedly, no social structure vanishes in that manner.

What form politics is taking in a caste-oriented society, and what form caste is taking under the influence of modern politics, would be a more fruitful place to start. People who bemoan "casteism in politics" in

India are actually seeking a form of politics that has no place in society. Additionally, it's likely that they have no clear understanding of the nature of the caste system or politics itself.

In order to mobilise and solidify positions, politics is a competitive endeavor with the aim of gaining power for the accomplishment of specific objectives. Its method involves recognising and influencing both new and existing allegiances. In politics, where the masses are the source of power, the crucial aspect is organising and communicating support through the organisations that house the masses.

The author explains that in the early phases of political mobilisation, areas with pre-existing vertical inter-caste ties were favourable to politics. Because of this, rival caste chains' upper echelons were drawn into politics, creating vertical factional networks of mobilisation and rivalry.

Politics finds material for its articulation and shapes it to fit its own pattern by incorporating the caste system into its web of organisation. However, caste and kin groups have the opportunity to claim their identities and advance through the political system when they turn politics into their field of interest. The real players, the new power-seekers, are drawing on both of the Interacting structures.

To organise their power, politicians mobilise identities and caste groups. They see in it a highly flexible and well-articulated basis for organisation, one that is grounded in consciousness and may have been structured according to a status hierarchy, but it is also open to political manipulation. Politicians also approach different groups and bases of association where they exist. Additionally, just as they alter these kinds of organisations everywhere they go, they alter caste systems as well.

India's politics and caste system are intricately linked. Politicians use caste identities to bolster their positions of power, and caste structures serve as a foundation for political organisation. There is some interaction between caste and politics that influences both, but no absolute polarisation.

The authors concentrate on how politics and caste interact to plan public events. Analysis should take into consideration the political participation of networks, social reform movements, and caste organisations.

Social mobility, factionalism, and caste cleavages are all significant aspects of the caste system, which is not just based on inflexible stratification. From a developmental standpoint, these elements are very important. Studying the

relationship between caste and politics in India needs to be done with more nuance because of the prevalent dichotomy between tradition and modernity. In a caste-divided society, the organisation of public life and politics should be the main focus, with both aspects' interactions and changes taken into account.

The caste system that was in place in India had an impact on the political mobilisation process. Wherever there were pre-existing vertical ties between castes because of economic ties, customary relationships, or regional differences, politics found an easy place to mobilise support.

Networks of vertical functional mobilisation and competition were articulated as a result of politics. To further broaden the mobilisation process, the higher ranks of competing caste systems were drawn into politics.

Lower castes were drawn into politics in the second round of political mobilisation in order to back rival politicians. A major factor influencing political participation was caste identities.

With the growth of politics came new kinds of leadership. Leaders with experience in legal issues and ideological debate were needed in the early stages; these individuals were frequently from Brahminic and conventional administrative classes. Subsequent phases required leaders with practical abilities who could unite disparate castes.

India's modernization process involved a move away from traditional sectarian allegiances and towards a more secular outlook. Caste and communal ties became politicised and adjusted to the shifting social context as politics became more competitive.

Caste associations and federations with distinct objectives, a vertical structure of factions spanning caste and social groups, and a dominant elite with a secular orientation were the results of competitive politics. This resulted in a convoluted process of division and integration within society.

By dismantling long-standing caste-based divisions and encouraging overlapping allegiances, politics aided in the secularisation of the social structure. A dynamic foundation of competition and integration replaced the emphasis of the old, static caste system.

The challenge of modernity Is to uphold modern institutions and values rather than to destroy tradition. India should incorporate the new elements of secular democratic politics into its long-term social change policy.

**Conclusion :**

Caste in Indian Politics explores the relationship between traditional society and modern polity within specific community and territorial contexts, challenging the prevalent dichotomy between the two. The analytical framework is provided by Rajni Kothari's critical introduction. Four of the nine studies that follow are based on in-depth analyses of specific caste movements, structures, and the ways in which they have been incorporated into political systems. The other five concentrate on the larger aspects of caste's political participation. Every essay aims to highlight the significant shift in the way that democratic politics and India's historical social structure relate to one another, as well as the new paradigm of social-political behavior.

Overall, the author's viewpoint demonstrates how politics changed the meaning of traditional caste identities, resulting in the creation of new political structures and the social system becoming more secular. The conversation focuses on the nuanced interactions between modernity and tradition in India's political environment.●●

# Pride and Prejudice
## Jane Austen

**Smita Chakraborty**

"Pride and Prejudice is a rarity among great books in being both a trenchant moral tale and the wispiest with fulfillment as unreal as Cinderella"

**THE SUNDAY TIMES :**

The term "novel" is applied to a great variety of writings that have in common only the attribute of being extended works of fiction written in prose according to the 'M.H. Abraham's' *Glossary of Literary Terms*. The novel as a genre came into prominence mainly from the 18th century although if the art of story - telling has been ancient. It is actually that genre which probed into the ordinary quotidian life in realistic settings.




The book which I have embraced for the book critique is the renowned novel *Pride and Prejudice* published in 1813 indicted by Jane Austen. Although the initial work into the novel began at 1797, the novel took more periods to be published and was earlier termed as First Impressions. However, the title was later changed to be the one we see in contemporary time— *Pride and Prejudice.* The plot of the novel is based on 18th century English Society where class and traditions dominated the quotidian lives of individuals and people especially the women who were tied in matrimonial alliances not bound by love but mostly by financial security. But Austen counters this by penning down the love stories of Elizabeth and Darcy who at the end got married not bounded by terms and condition but for love and compatibility. Through the backdrop of real life places in England such as Hertfordshire, Kent. Derbyshire and fictional town of Pemberley aptly sustains the tone of the novel which is love and marriage. A novel which has astonished it readers since ages for its amazing plot, seat binding story-line and magnificent ye simple characters; I have chosen to critique.

Jane Austen is the most favourite since ages to general readers and scholars

alike. Despite revisions in periodic and cultural cannons, yet Austen has retained her position both in academic and popular circles. When Austen began writing fiction, she was extending the tradition of women novelists in the literary space in the is" century. Born on December 15, 1775 at Steventon Parsonage, Hampshire, Austen is world known for other novels like The *Sense and Sensibility (1811), Mansfield Park (1814), and Emma* (1815). brought modest success but little fame in her lifetime. She wrote two other novels—*Northanger Abbey* and *Persuasion*, both published posthumously in 1818-and began another, eventually titled *Sanditon*, but died before its completion. I have been acquainted with the book back in tenth standard and graduation provided me an ample opportunity to probe in detail into it. What is Pride and Prejudice? Whose's pride and whose prejudice does it talk about? Is it a simple love story or much more than it ? Questions as such have always stroked the readers and I have not been anything unusual. Austen's Pride and Prejudice satirizes the issue of marriage and the England society based on class. The novel opens with the Bennet family's reaction to a bit of social news: the nearby Netherfield house has been leased to Mr. Bingley, a wealthy and single young man. Mrs. Bennet expresses the belief that Bingley might fall in love with one of her daughters. Her prediction proves true at the neighbourhood ball, where Bingley and the sweet eldest Bennet daughter, Jane. fall in love at first sight. At the same ball, the strong-willed second daughter Elizabeth Bennet finds herself the object of derision from Bingley's arrogant, antisocial friend Darcy. The main plot of the novel revolves around the relationship between the quick - to - judge yet critical and sentimental Elizabeth Bennet and the haughty, woven with pride Fitzwilliam Darcy, how both mend their errors of judgment, sidelining their "pride" and "prejudice" respectively thenceforth, looking beyond the face values and the typical orthodox social norms. The novel also runs sub-plot of love affairs of Jane and Bingley, and situation weddings such as Charlotte Lucas and Collins as well as Wickham and Lydia. Though

we do not have any direct antagonist in the novel, but characters such as Caroline Bingley, George Wickham, etc play roles as feint only to bring the loves together stronger. Had those episodes would not have taken place Elizabeth and Darcy may not have ended together this stronger and compatible. The novel begins with:

*"It Is A Truth universally acknowledged, that a single man in possession of good fortune. must be in search of a good wife."*

The beginning of the novel sets the ironic concord of the theme and setting of the novel. As mentioned earlier during the 19th century and earlier. the practice of entering a marriage solely for the purpose of moving up in social standing and choosing someone based on their financial status was a customary behaviour. Women of that time sought a wealthy family to marry into, in order to secure a safe lifestyle after marriage. However, in the 19th century, a conflict arose as many people started to question the basis and purpose of authentic and successful marriages. Women like Jane Austen publicly criticized and satirized the marriage tradition of her time and set examples of what she believed to be a perfect couple through her characters, Elizabeth Bennet and Fitzwilliam Darcy, in her novel Pride & Prejudice. So, the beginning marks the ironic nature of Austen. Other ironic elements in the novel include Mr. Bennet and Mrs. Bennet's relationship, how former ignores the latter as a tactic whenever Mr. Bennet unable to manage Mrs. Bennet.

The development of the novel has been

influences by both characters and coincidences alike that influence their character. One of the characters that have really touched the strings of my heart is the character of our female protagonist, Elizabeth Bingley. Austen has drawn Elizabeth beautifully in shadows of characters like 'Beatrice' from Shakespeare's *Much Ado About Nothing* and 'Millament' from William Congreves *Way of the World*, all sharp- witted and intelligent Her personality, her attitudes and her development throughout the novel bring together the story and all the other characters. She is Mr Bennet's favourite daughter and her 'quickness of mind' is made evident in her witty and teasing conversations, where she often adopts striking and independent views. But what makes the character of Elizabeth to us, the readers that she too is prone to make judgments and mistakes, much like an ordinary human, unlike. the characters of many other fictions which appear godly, above committing any crime. She is not faultless. however. and her main fault is her prejudice. As Darcy is Pride, so Elizabeth is the Prejudice of the book's title. The development of Elizabeth throughout the novel, from a good judge of face to a good judge of characters and heart is beautiful. At the end of the novel. Elizabeth is the happy heroine, the centre of everything. She has not only changed herself through her newly found love for Darcy, but she equally has changed Darcy through his love for her. Going through the book, some of the points that have sparked my interest proving them to me the trump card have been: 1} The use of third person narrative and utilization of irony as a means to flash the truth about situation and people without being too harsh yet aptly showcasing the reality. 2}Secondly, the use of female narrator was the best decision of Austen for it not only gave the book a fresh perspective in the male dominated Victorian England but also aided in the nurture process to the growing seeds of feminism. 3} Thirdly, and the most favourite is the utilization of "pride" both as a virtue and vices. It was this pride of Darcy that actually helped him find the love of his life, and it is that pride that made Mr. Collins and Lady Catherine de Bourgh detestable and irritating.

However while being hooked in the book, some the points that were striking rough edges for the proving to be disadvantageous are: 1} Due to the use of only ominous narrator Elizabeth, most of the other characters are expressed much through her opinions and lacks a scope for self expression. 2} Secondly, though Austen contrasts the prevalent social customs and unusual devout of the 18th century society, yet the novel never did

really provide and direct solution for the problems. 3} The last drawback is that some characters that had scope for growth and development for a all round happy ending. For an instance, the readers never get to know fully about Collins and Lucas at the end of the novel. Even Caroline Bingley's and Lady Catherine de Bourghs fate was left unknown.

*Pride and Prejudice* has been the best known novel of Jane Austen. It is a perfect mirror for Victorian England. As a reader, I do not possess that audacity to challenge the writing of this bonafide 'writer, however as a student, I can attain more amusement and learn about the society, and intake virtues of love and marriage as prevalent in the novel.●●

# দৈনন্দিন

কল্লোল দত্ত

কেকুঁৰিটো পাৰ হ'লেই অনুভৱ শইকীয়াৰ ঘৰটো। অসম আৰ্হিৰ ঘৰটোৰ পদূলিটোৰ দুয়োফালে ওখ তামোলৰ গছ আৰু সৰুকৈ ফুলৰ অকণমান বাগিচা। ঘৰটোৰ চুকত এজোপা শেৱালি গছ, শেৱালি জোপাতে ঘনচিৰিকা চৰাই কেইটামানে বাহ সাজিছে। ৰাতিপুৱা শুই উঠি অনুভৱ শইকীয়াৰ ল'ৰা নয়নে চৰাই বাহ কেইটলৈ লক্ষ্য কৰিলে— ঘনচিৰিকা কেইটাই কূটা কঢ়িয়াইছে সম্ভৱত পোৱালি জগাবৰ সময় হৈছে। এইবোৰ লক্ষ্য কৰি থাকোতেই মাকে ভিতৰৰ পৰা মাতিলে— "বাবা আহ চাহ খাই ল'। নয়নে ভিতৰলৈ সোমাব খোজোতেই দেখিলে পদূলিয়েদি দেউতাক আৰু ওচৰৰ ব্ৰজেন খুড়া সোমাই আহিছে। মাকে তিনিওকে ভিতৰলৈ মাতি চাহ দিলে।

অনুভৱ শইকীয়া পেছাত এজন শিক্ষক। নয়ন তেখেতৰ একমাত্ৰ ল'ৰা। নয়ন আৰু মাকক প্ৰয়োজনীয় সামগ্ৰীসমূহ সামৰ্থ অনুসৰি দিবলৈ যত্ন কৰে শইকীয়া। কিন্তু নিজৰ কথালৈ আহিলে শইকীয়াই খৰচ কথাই কৰিবলৈ বিচাৰে, তেওঁৰ সাজ-পাৰত ইমান বিচাৰ নাই। সেয়েহে তেখেতৰ কাপোৰ আঙুলিৰ মূৰত গণিব পৰা। অনুভৱ আৰু মাকে ইমান কয়— নিজৰ কাৰণে কিবা লওক, নাই নুশুনে। তেওঁ কয়— "হ'ব হে তোমালোকে লৈ লোৱাচোন মই পাছে-পৰে লৈ থাকিম।" ইয়াকে লৈ অনুভৱ শইকীয়া আৰু শইকীয়ানীৰ মাজত তৰ্কা-তৰ্কি লাগে। এযোৰ চাৰ্ট-পেণ্ট ল'লে তেওঁ পাহৰি যায়গৈ কেতিয়া লৈছিল। ল'ব নোৱাৰে এনে নহয়, সৰুৰে পৰা অভাৱত চলাৰ বাবেই হয়তো এনে পৰিস্থিতি হৈছে, তাক নুই কৰিব নোৱাৰি।

যোৱা মাঘ বিহুৰ কথা শইকীয়াৰ ভনীয়েক আহিছে মঙলদৈৰ পৰা। বিহুৰে সংক্ৰান্তিয়ে ভনীয়েকজনীয়ে ককায়েকৰ ওচৰলৈ এপাক নহাকৈ নাথাকে, মাক ঢুকোৱাৰ পাছত নিজৰ বুলিবলৈ কেৱল ককায়েকটোৱেই আছে। সেয়েহে কাম-কাজ থাকিলেও অনুভৱৰ ভনীয়েক সিহঁতৰ ঘৰলৈ আহে। গিৰিয়েক ONGCৰ চাকৰিয়াল মোটা দৰমহা সেয়েহে প্ৰত্যেকৰ কাৰণে কিবা নহয় কিবা লৈ আহে।

সেইবাৰ শইকীয়াৰ কাৰণে এযোৰ ভাল কাপোৰ লৈ আহিছে ভনীয়েকে, একমাত্ৰ ভনীয়েকে দিয়া কাপোৰ শইকীয়াই দেখুৱাই স্ফূৰ্তিও কৰা নাই যদিও অন্তৰৰ পৰা ভীষণ ভাল পাইছে।

এতিয়া আকৌ ব'হাগ পাবহি হ'ল, শইকীয়াই নতুন কাপোৰ লোৱা নাই পুৰণিবোৰকে আজুৰি পিন্ধি আছে।

সেইদিনা নয়নে দেউতাকক দুহেজাৰ টকা খুজিলে এযোৰ জোতা লয়হেনো। শইকীয়াই ক'লে— "তোৰ দেখোন জোতা আছেই আকৌ কেলেই লাগে।" "আগৰ কেইযোৰ পুৰণি হ'ল লগৰ ল'ৰাসকলোৱে লৈছে নতুনকৈ, গতিকে মোকো লাগে।" নয়নে অভিমানৰ সুৰত ক'লে। শইকীয়াই ক'ব খোজে— আনে যি কৰে সেইটোকে অনুসৰণ কৰিব নালাগে। নাই একো নকয় তেওঁ, তেখেতৰ মজে মাজে ভয়ো লাগে আৰু খঙো উঠে। নয়ন এতিয়া ডাঙৰ হৈ আহিছে তাৰ প্ৰয়োজন সমূহো বাঢ়ি গৈছে, মিলাই চলিব নাজানিলে সি কেনেকৈ খাব।

শইকীয়াই ভিতৰলৈ গৈ পোন্ধৰশ টকা আনি তাৰ হাতত গুজি দি ক'লে— "বৰ্তমান দুহেজাৰ টকা মোৰ হাতত নাই এইটোৰে হ'বনে?" নয়নে বিৰক্তিৰ সুৰত ক'লে "হ'ব আৰু...।"

মাহটোৰ শেষত বাকীৰ দোকানত আৰু অলপ পইচা দি ঘৰলৈ আহি থাকোঁতে জেপত থকা পইচাকেইটা হিচাপ কৰি শইকীয়াই ভাবিলে এইকেইটাৰে কোনোমতে মাহটো জোৰাব লাগিব। ভৰিৰ গাঠিলৈকে কোচাই থোৱা পেণ্টটো মুকলাই ধূলিবোৰ জোকাৰি লওঁতে শইকীয়াই দেখিলে কোচাই থোৱা ঠাইখিনি ওৰলি ফাটি গৈছে। মনতে ভাবিলে অহা মাহত

দৰমহা সোমালে লংপেণ্ট এটা লৈয়ে ল'ব লাগিব।

আজি পাঁচ তাৰিখ দৰমহা সোমাল। শইকীয়ানীয়েও আজিৰ তাৰিখৰ বাবেই ৰৈ আছিল। ওচৰৰ পূৰ্ণিমা বাইদেউৱে এযোৰ ভাল কাপোৰ দেখুৱাইছে টকা চাৰে চাৰিহাজাৰ লাগে তেওঁক। শইকীয়ানীয়েও ল'ম বুলি কথা দি থৈ আহিছে। সন্মানৰো কথা আছে তেওঁ ল'ব নোৱাৰিলে বেলেগ কাৰোবাক পূৰ্ণিমা বাইদেউৱে বিক্ৰী কৰিব। তাৰ পাছত আৰু কি? শইকীয়ানীয়ে অনুভৱ শইকীয়াক আহি কুটুৰী আছে, আনফালে আজি দৰমহাও সোমাইছে গতিকে নিদিয়াৰ প্ৰশ্নই নাহে। শইকীয়াই ক'লে "হেৰা এই যোৰ এতিয়া নল'লে নহয়নে?" শইকীয়ানীয়ে খঙৰে ক'লে— "পূৰ্ণিমা বাইদেউক মই কথা দি আহিছো" আৰু পোন্ধৰ তাৰিখে পাহীৰ বিয়া নহয়, তালৈ যাবলৈটো কাপোৰ লাগিব। পাহী শইকীয়ানীৰ ভতিজী পোন্ধৰ তাৰিখে তাইৰ বিয়া গতিকে তাইটো যাবই লাগিব। শইকীয়াই আৰু একো নক'লে টকাটো নয়নৰ মাকৰ হাতত গুজি দিলে।



কাইলৈ থাকি পৰশিলৈ বিয়া গতিকে আজিয়েই গৈ বিয়াৰ প্ৰেজেণ্ট আৰু কিবা-কিবি লাগতীয়াল বস্তু কিছুমান কিনিব লাগিব।

শইকীয়াই ভাবিলে মানে এই মাহতো ভলেমান পইচা ভাঙিব লাগিব।

নয়ন আৰু মাকে বজাৰলৈ গৈছে। চিনাকি দোকানখনতে সোমাই বজাৰ কৰিব। দূৰৰ পৰা শইকীয়ানী আৰু নয়নক দেখিয়েই দোকানীজনে চিঞৰি মাতিলে— "আহক আহক বাইদেউ ইমানদিন দেখা-দেখিয়েই নাই যে?" —"নাই এইফালে দুদিনমান অহা হোৱা নাই।" এটি স্বাভাৱিক হাঁহিৰে শইকীয়ানীয়ে উত্তৰ দিলে।

...এতিয়া আকৌ ব'হাগ পাবহি হ'ল, শইকীয়াই নতুন কাপোৰ লোৱা নাই পুৰণিবোৰকে আজুৰি পিন্ধি আছে।...

সকলো লৈ হৈ গ'ল। বিয়াৰ প্ৰেজেণ্ট, নয়নৰ কাপোৰ, লওঁতে ভালেমান খৰচ হ'লগৈ। দোকানৰ পৰা ওলাই আহিব লওঁতেই নয়নৰ এটা কূৰ্তা চকুত পৰিল, সাংঘাটিক ভাল লাগিছে। মাকক ক'লে, মাকেও তাক বাধা নিদিলে। শেষত কূৰ্তাটো পেকিং কৰি থাকোতেই নয়নৰ দেউতাকৰ কথা মনলৈ আহিল। দেউতাকে কেতিয়া কাপোৰ লৈছিল তাৰ মনতেই পৰা নাই। এইবাৰ সি মাকক নিজেই ক'লে— "মা এই কূৰ্তাটো আৰু নলও, এইবাৰ দেউতাক এযোৰ ভাল কাপোৰ ল'বলৈ ক'ম। নল'লে মইয়েই জোৰ কৰি লোৱাম।"

অনুভৱৰ মাকৰ চকুত তেতিয়া ক'ৰবাৰ পৰা কেইটোপাল মান চকুপানী গোট খাইছিলহি।●●

# কলেজ এড্‌মিচন

নয়নজ্যোতি কুৰ্মি



বুলবুলে তাৰ সম্বন্ধীয় দাদা কিৰণে পঢ়া মহাবিদ্যালয়তে নামভৰ্তি কৰিলে বুলি শুনিছিলো। কিন্তু আজি শুনিছো তাৰ নামভৰ্তি হোৱাই নাই। ঘৰত দেউতাকে বকি আছে তাক। "নিজৰ এড্‌মিচনটো কি হৈছে সেইটো নাজানে।" আজি স্কলাৰশ্বীপ এটা আৱেদনৰ বাবে ৰচিদখন ডাউনলড্ কৰাত নোহোৱাত বুজিলে তাৰ এড্‌মিচন সম্পূৰ্ণ হোৱা নাই। লগে লগে বুলবুলে কিৰণক ফোন কৰিলে—

—"হেল্ল' কিৰণদা, কি কৰিছে।" মোৰ কলেজ এড্‌মিচনটো হোৱাই নাই চাগে। ৰিচিপ্টখন ওলোৱাই নাই। এবাৰ চাই দিয়কচোন।

ক'ল নকটাকৈ বুলবুলে কিৰণক, ইউজাৰ আৰু পাছৱৰ্ডটো দিলে।

—"তই পইচাটো কিহত পে' কৰিছিল, তোৰ এড্‌মিচন হোৱাই নাই বুজিছ।"

"কি!"

দাদাইতো Gogole Pay যোগেদি পইচা পঠিয়াইছিল আৰু মোবাইলত যোৱা দেখাইছে।

—"হয়তো তোৰ পইচা ফছি গৈছে বা বেক আহিলে তই চেক কৰিছিলি নেকি?"

— নাই নাই, নাই কৰা।

—"পৰিশৰপৰা শ্ৰেণী অনুষ্ঠিত হ'ব। প্ৰথমতে তোৰ এড্‌মিচনটো কৰিব লাগিব। তই কালি কলেজ যা, নাম্বাৰ এটা দিছো ফোন কৰিবি মইও কথা পাতিম।"

তৎক্ষণাত বুলবুলে কলেজ গৈ পালে, লগে লগে ফোন লগালে।

—"হেল্ল' প্ৰবাল দা, মই বুলবুলে ক'লো, দাদাই মোৰ কথাটো কৈছে চাগে, মই কিৰণৰ ভাই।"

প্ৰবাল হৈছে ইউনিয়নৰ মেম্বাৰ। এই কথা শুনি সি ক'লে,— "অ মই ইউনিয়ন অফিচত আছো। তুমি আহাচোন 1st Floor ত দেই।"

—"ঠিক আছে।"

—"অ' আহিলা।"

কলেজ ৱেবচাইটটো অপেন কৰাচোন।

—"অ' তোমাৰ এড্‌মিচন হোৱাই নাইচোন, এতিয়াতো প্ৰায় সকলো চিট শেষ হ'লেই চাগে, তোমাৰ পলিটিকেল ডিপাৰ্টমেণ্টত বা চিট আছে নাই বাৰু, ৰ'বা এতিয়া প্ৰেচিডেণ্ট ৰোহিত দাৰ লগত কথা পাতি চাওঁ।"

ৰোহিত ছাত্ৰ একতা সভাৰ সভাপতি সি বুলবুলক দেখা পালে আৰু ক'লে— "অ' তুমি কিৰণৰ ভাই ন, কিৰণে কৈছিলে মোক তোমাৰ কথা, ব'লা শৈক্ষিক সমন্বয়ক ছাৰৰ ওচৰত গৈ আহো।"

ৰোহিত আৰু বুলবুল ছাৰৰ অফিচলৈ গ'ল।

—"ছাৰ এই বুলবুলৰ এড্‌মিচনটো হোৱা নাই কি হৈছে চাই দিয়ক চোন।"

শৈক্ষিক সমন্বয়ক ছাৰে বুলবুলক সুধিলে—

—"কি হ'ল তোমাৰ।"

বুলবুলেও লগে লগে উত্তৰ দিলে—

—"ছাৰ যোৱা কেইবাদিন আগতেই মই মহাবিদ্যালয়ত আহি ৰাজনীতি বিজ্ঞান সন্মানৰ বিষয়লৈ নামভৰ্তিৰ বাবে আবেদন কৰিছিলো। মই নিৰ্বাচিত হৈছিলো। এড্‌মিচনৰ পইচা জমা কৰিবলৈ মেচেজ আহিছিল। সেইসময়ত দেউতাৰ ইনকম চাৰ্টিফিকেটটো ওলোৱা নাছিল বাবে APK ৰ যোগেদি যোৱা পইচা দাদাই Googole Pay কৰি দিছিল। পইচা যোৱা দেখি মই এড্‌মিচন হোৱা বুলি ভাবিলো। কিন্তু বেংকৰ ষ্টেটমেণ্ট ওলোৱাতহে দেখিছো ১৫ দিন পিচত পইচা বেক হৈছে।"

বুলবুলে ছাৰক সকলো কথা কোৱাত ছাৰে ক'লে —

"তোৰ পাৰ্চেণ্টিজটোতো ঠিকেই আছে। এতিয়া এড্‌মিচন কৰিবলৈ আগৰদৰেই পইচা পে কৰিবলৈ মেচেজ যাব মোবাইলত, এড্‌মিচনটো হৈ যাব বাৰু, এইবাৰ ইন্‌কাম চাৰ্টিফিকেটখন আনিছ ন' BPL ত কৰি দিম ৰ'। এই কথা কৈছে শৈক্ষিক ছাৰে, ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰফেচাৰ বিৰাজ ছাৰক ফোন কৰি বুলবুলৰ এড্‌মিচনটো কৰি দিবলৈ ক'লে, লগতে নিজৰ প-পত্ৰসমূহলৈ বিৰাজ ছাৰৰ ওচৰলৈ যাব ক'লে তাক। বুলবুলে বিৰাজ ছাৰৰ অনুমতি লৈ ছাৰৰ অফিচত প্ৰৱেশ কৰিলে—

—"গছপুলি ৰোপণ কৰা ফটো, তোৰ ফটো আৰু কাগজবোৰ আনিছ নাই।" বিৰাজ ছাৰে বুলবুলক শুধিলে।

—"আনিছো ছাৰ"।

—"অ"।

—"এইছ.এছ ক'ত পঢ়িছিলি।"

—"ছাৰ আৰ.ডি. উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডিগবৈ।

—"অ, তই আৰ.ডি. পাৰ্টিৰ মানে।"

—"হয় ছাৰ।"

—"ডিব্ৰুগড় আহি হাৱা লগাই নল'বি দেই, এতিয়া ইউনিফৰ্ম ক'ত চিলাবি।"

—" অ', ছাৰ যিহেতু মই আগতেই এড্‌মিচনটো হৈ গ'ল বুলি ভাবিছিলোতো, আগতেই ডিব্ৰুগড়ৰ পৰা কিনি লৈছিলো।"

—"অ, ঠিক আছে। তোৰ ৰাজনীতি বিজ্ঞান সন্মানৰ বিষয় Day Shift কৰি দিছো, জেনেৰিকটো দৰ্শন। অলপ পাছত মেচেজ এটা যাব ১২৫০ মান টকা, এইবাৰ কিন্তু গুগোল পে নকৰিবি, নেট বেংকিং কৰি দিবি, এড্‌মিচন হৈ যাব, গুগোল পেটোত কেতিয়াবা প্ৰব্লেম হয়।"

—"ঠিক আছে ছাৰ ধন্যবাদ ছাৰ।"●●

# অত্যাচাৰ

নিয়ৰ বৰা

নিহাৰিকাই কথাবোৰ ভালকৈ ধৰিব নোৱাৰে। মানুহেও মানুহক ইমান নিষ্ঠুৰভাৱে অত্যাচাৰ কৰিব পাৰেনে? সৰুৰে পৰা তাই দেখি আহিছে ওচৰেৰে বৌৱেক জনীয়ে কেনেকৈ অত্যাচাৰ নীৰৱে সহি আহিছে। গিৰিয়েকে নিষ্পাপ শিশুকেইটাৰ মুখলৈ এবাৰো নাচায়। তাইৰ মনত হাজাৰটা প্ৰশ্নই খেলা কৰিলে। তেনেতে বৌৱেকৰ চিঞৰত তাই বাহিৰলৈ ওলাই আহিল।

— কি হ'ল বৌ।

—দাদাই মোক হাতখনত কাটি দিলে।

—বৌ... চাওঁ এইপিনে আহা ইমানকৈ তেজ ওলাইছে।

—চোৱাচোন মই একোৱেই কৰা নাছিলো। কেনেকৈ...।

—তুমি সদায় সদায় আমাৰ ঘৰলৈ কিয় আহি দিয়া বাৰু? মাহঁতৰ ঘৰলৈ যাবা। কিবা এটা হ'লে মই অকলে কি কৰিম। যি হ'লেও তেওঁলোক তোমাৰ নিজৰ ঘৰৰ মানুহ— নিহাৰিকাৰ মাকে কৈ উঠিল।



—মা বৌক একো নক'বা। দেখিছা নাই ইমানকৈ তেজ পৰিছে। কিবা এখন কাপোৰ আনা।

হাতখন কিবাকিবি লগাই কাপোৰ বান্ধি দিয়াৰ পিছত বৌৱেকক শাহুৱেকৰ ঘৰত থৈ আহিলগৈ। ঘৰলৈ আহি দেখিছে তাহাতৰ তুলসী তল গোটেই তেজেৰে ৰঙা হৈ আছে। নিহাৰিকাৰ তেজ দেখি গাতো কিবা লাগি গ'ল। ইফালে সৰু ল'ৰা-ছোৱালীকেইটাই ঘৰত কান্দি আছে। তাহাতকো কিবা কৰিব বুলি ভাবি তাই মাকৰ ওচৰত খৰখেদাকৈ দৌৰি গ'ল।

কেইদিনমানৰ পিছত আকৌ এটা ঘটনা ঘটিল। গিৰিয়েকে বৌৱেকক মূৰতে মাৰি দিলে। বৌৱেকজনী জপনা মুখলৈ দৌৰি আহিছিল কিন্তু তাই আৰু মূৰৰ আঘাতত উঠিব নোৱাৰিলে। তাইক হস্পিটেললৈ লৈ গ'ল। ল'ৰা-ছোৱালীকেইটাক শাহুৱেকৰ লগত নিহাৰিকাৰ মাকে চোৱাচিতা কৰিলে। গাঁৱৰ মানুহে যেতিয়া গিৰিয়েকক ঘৈণীয়েকৰ কিবা হ'লে তাকো শাস্তি দিয়া হ'ব বুলি ক'লে। তেতিয়া ইখনৰ পিছত সিখন মেডিকেললৈ নিলে।

বৌৱেক মৃত্যুৰ মুখৰ পৰা বাচি আহিলে হয় কিন্তু লাহে লাহে তেওঁ মানসিক ৰোগী হৈ পৰিল। গিৰিয়েকে শেষত কথাবোৰ অনুশোচনা কৰিলে। গিৰিয়েকৰ অত্যাচাৰৰ বাবেই আজি ওচৰৰ বৌৱেকজনী মানসিক ৰোগী হৈ পৰিল।●●

# এটা সাহসী বীজৰ অঙ্কুৰণ...

ভাৰতী কলিতা

সপোন দেখিছিল

চকুলো বাগৰিছিল তাইৰ। নিজক লৈ ঘৃণা উপজিছিল ...এটা ধুনীয়া জীৱন আছিল তাইৰ নিজ ইচ্ছা অনুসৰি তেজপুৰলৈ গৈ নঘটা ঘটনা ঘটিল তাইৰ লগত। কোন দিশৰ পৰা ধুমুহা আহি মহতিয়াই লৈ গ'ল তাইৰ ৰঙীন সপোনবোৰ, চাৰিওফালে বিষাদৰ গুণগুণনি। চিঞৰি দিবলৈ মন গৈছিল, কান্দিব মন গৈছিল তাইৰ কিন্তু, সাহস আৰু শক্তি তাইৰ মাৰি দিব খোজা নাছিল।

হিমালয়ৰ দৰে ওখ আশাবোৰ ভাঙি গৈছিল।

নিজৰ বাবে নহ'লেও মাক-দেউতাক, খুৰাক, বৰতাকহঁতৰ বাবে সকলোবোৰ তাইনকৈ সজাব লাগিব। পুনৰ, গজি উঠিব লাগিব সাহসৰ গোলাপ ... শক্তিৰ সৰু পৃথিৱীখন তাই আকৌ সজাই তুলিব লাগিব পৰিয়ালৰ বাবে। এইবাৰ তাইৰ কান্দোনেৰে নহয় হাঁহিৰে গৰজি উঠিব লাগিব পৃথিৱী।

জীয়াই থাকিব লাগিব তাইজনী ...। আগৰ ৰাধাজনীতকৈ অধিক শক্তিশালী কৰি গঢ় দিব লাগিব বৰ্তমানৰ ৰাধাক ...

সপোন সপোন লগা এটি ক্ষণ, বহু বিষাদৰ আবেলিৰ পিছত এটা সপোনভৰা আবেলিৰ আগমন তাইৰ জীৱনত। জীৱনটো সঁচাকৈয়ে বৰ কঠিন কিন্তু, তাক সুখ শান্তিৰে চলাই নিব পাৰিলে সঁচাকৈয়ে মধুৰ ... যদিহে তাক সঠিক ৰূপত সজাই নিব পৰা।

কলীয়া ডাৱৰ ফালি নামি আহিছে বহু বিৰতিৰ পাছত স্বপ্নসম্ভৱা বৰষুণ এছাটি। নিজ ইচ্ছা অনুসৰি সজাই তুলিছে সেউজীয়াবোৰক, আলিংগন কৰিছে ভিজা মাটিৰ লগত ...। কোমলকৈ সৰকি পৰিছে বৰষুণৰ টোপালবোৰ। তাইজনীৰ খুবেই প্ৰিয় অবতৰীয়া বৰষুণজাক ...। এক ব্যস্ততাৰ মাজতো তাই জীপাল কৰে বৰষুণৰ পৰশত উচ্ছল শৰীৰটো।

সেউজীয়াবোৰৰ বাবে তাই মৰিবলৈও সাজু।

সাংঘাতিক ভালপোৱা তাইৰ ... পাহৰি পেলাই সেই পৰিৱেশৰ মাজত নিজকে।

কলেজৰ বাবে ৰাস্তাৰ পকা আলি বাটেৰে ৰাধা সদায় অহা-যোৱা কৰে। তাইক দেখি বহু ডেকাই আগভেটি ধৰে। কিন্তু, ৰাধাই সকলোবোৰ আওকাণ কৰে ...।

নকৰিবনো কিয়? নিজ ভৱিষ্যত গঢ় দিবলৈ তাই তেজপুৰলৈ আহিছে ...। বাজে কথাবোৰত তাই কাণ নিদিয়ে।

সেইদিনা গধূলি তাইক অচিনাকি নম্বৰ এটাই দমক দিলে— "তুমি যদি মোৰ নোহোৱা ৰাধা, নিজকে হেৰুৱাবা ...। এতিয়া তোমাৰ ইচ্ছা মোৰ হ'ব খোজে নে আন কাৰোবাৰ?"

মই অন্য ল'ৰাৰ দৰে কেৱল ফোনত ধমক দি পাহৰি নাযাওঁ বাস্তৱত কৰি দেখুৱাই দিম। Understand ... বহুত খং উঠিছিল তাইৰ ল'ৰাজনক ওপৰত। গালিও পাৰিছিল কিন্তু, তাৰ স্বভাৱত পৰিৱৰ্তন ঘটা নাছিল। কথাষাৰ সেইদিনাই দেউতাকক ক'লে—দেউতাকে "মাজনী ভয় কৰিব নালাগে বুলি কৈ ফোন থ'লে"।

হঠাৎ, ধুমুহা তেনেকৈয়ে নামে ...। ৰাধাৰ জীৱনলৈও সৰকি পৰিল। মৰিম বুলিও ভাবিও পৰিয়ালৰ কথা ভাবি তেনে কৰিব নোৱাৰিলে। সকলোবোৰ কথা দেউতাকক ক'লে, দেউতাকে বিয়াত বহিবলৈ বাধ্য কৰোৱালে ...। তাইও হয়ভৰ দিলে, সন্মানৰ বাবে ...।

কথাবোৰ গাঁৱৰ দুই এজনে গম পালে। সেইকেইজনক টকা দি মনে মনে থাকিবলৈ বাধ্য কৰোৱালে।

ঘৰখনৰ সকলোৰে চিন্তা তাইক লৈ, বিবাহৰ দিন কাষ

চাপিছে। ঘৰখনত আনন্দৰ লগতে বিষাদে মিতিৰালি পাতিছে।

যৌথ পৰিয়ালৰ একমাত্ৰ জীয়াৰী ৰাধা। তাইক লৈ সহপৰিয়ালে কত যে কি সপোন ৰচনা কৰিছিল তাৰ সীমা নাই। আজিচোন সকলো ডুবি গ'ল।

আচলতে, কথাতে কয় "ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিদ্ধি" ... সেই একেষাৰে ঘটিছিল বৰুৱা পৰিয়ালটোৰ লগত।

পৰিয়ালৰ প্ৰতিজন ব্যক্তিয়ে তাইক খুব মৰম কৰিছিল, তাইক লৈ বিৰাট হাবিয়াস তেওঁলোকৰ।

ইতিমধ্যে, ইমান ভয়ংকৰ ঘটনা এটা ঘটাৰ পিছত তাইক সমাজৰ পৰা বাহিৰ কৰাৰ সিদ্ধান্ত লৈছিল গাঁৱৰ সমাজখনে। কিন্তু, ৰাধাৰ দেউতাক এখন সমাজৰ শিক্ষিত তথা বিশিষ্ট ব্যক্তি হোৱা হেতুকে কথাবোৰ লুকুৱাই ৰাখিছিল নিজ জীয়াৰীৰ।

সম্পৰ্কীয় সকলো এমাহমান আগতেই আহিল, কইনা ৰাধাক বহোৱা ঠাইখিনি কেনেকৈ সজোৱা হ'ব? মূল প্ৰৱেশৰ স্থান কেনেকৈ ডিজাইন কৰা হ'ব? সকলোৱে ৰাধাৰ লগত ঘটা ঘটনাবোৰ পাহৰি এটি সুখৰ উশাহ লৈছে।

মাক অনুৰাধাই গাঁৱৰে মহিলাসকলৰ লগত কথাৰ মহলা মাৰিছে, দেউতাক ডিম্বেশ্বৰে নিজ সমবয়সীয়াৰ লগত মিলি ওখ-ওখকৈ দম কৰি থোৱা চকীবোৰ নিয়াৰিকৈ সজাইছে, বহু বিৰতিৰ পিছত তেওঁৰ মুখমণ্ডলত এটি হাঁহি উপচি পৰিছে ...।

গাঁৱৰ বয়সীয়াল মহিলাসকলে বিহু গীত, বিয়া নাম জুৰিছে, সৰল মানুহবোৰ, সৰল মনবোৰ। বহু দুখ থকাৰ পিছতো উপলব্ধি হ'ব দিয়া নাই তেওঁলোকে। ভিতৰত ৰাধাক কেইজনীমান ছোৱালীয়ে মেহেন্দিৰ প্ৰলেপ সানিছে, কামৰ মাজতে তাইক ধেমালি কৰিছে আটাইকেইজনীয়ে ...।

হাঁহি ধৰি ৰখাব পৰা নাই ৰাংধালী কেইজনীয়ে,
কথাৰ মাজতে মধুমালাই ধেমালিতে কয়
আহিব দে, তোৰ ৰামচন্দ্ৰ হৰধনু ভাঙি ...।

আমাৰ হে কোনো ৰামচন্দ্ৰ নাই ৰাৱণো নাই, কেঁচা কলিজাখন বৰ বিষাই অ'

মধুমালাৰ কথাৰ মাজতে মিনতিয়ে তপৰাই কয়

ঃ মোৰ আকৌ, এইড়াল চেহেৰাত্ত কোনেও কেৰাহিকৈ নাচায় ...। মোৰ 'ফিগাৰ' সেইবাবেইটো আজি মই নাই নাই মই সীতা হ'ব নোৱাৰো। মই এগৰাকী সমাজৰ কু-নাম কঢ়োৱা ছোৱালী, আৰু আয়তীসকল আপোনালোকে কিয়? বাৰে বাৰে মোক সীতা দেৱীৰ লগত ৰিজাই বিয়ানাম জুৰিছে?
সীতা দেৱীৰ লগত এগৰাকী ৰাক্ষসীক কিয় তুলনা কৰিছে?
ভগৱান আৰু দানৱৰ মাজত পাৰ্থক্য আছে।

সম্পূৰ্ণ Single ...

বহুদিনৰ পিছত গোটেইকেইজনী শৈশৱৰ বান্ধৱী একেলগে লগ হৈছে আজি ... ৰাধাৰ বিয়াৰ বাবেই আজি একত্ৰিত হ'ল গোটেইকেইজনী।

অনামিকা, মাধুৰীহঁতে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ভাল লগা, ধেমালি আদিবোৰ হাঁহি হাঁহি কৈ গৈ থাকিল। ৰাধা ... নামটোতেই মৰম লগা ভাব এটা আছে যাৰ বাবে তাইক বহুতে মৰম কৰিছিল। নিয়ম অনুসৰি এইকেইদিন ৰাধা লঘোন দি আছে, স্বাস্থ্যৰ প্ৰতি চকু ৰাখি কেঁচা ফল-মূল খাইছে তাই নহ'লে বিয়াৰ দিনা দুৰ্বল হৈ পৰিব তাই।

ইমান গৰমত আ-অলংকাৰ, পাটমুগাৰ সাজ পিন্ধি 'কইনা' হোৱাটো বৰ কষ্টকৰ!

তামোল-পাণৰ বটাটো লৈ ওচৰৰ খুৰীকেইজনীৰ ওচৰত গ'ল ৰাধা ...।

আইমণি খুৰীয়ে ইতিকিং সুৰত ক'লে।

ঃ সেউজীয়া পাটৰ কাপোৰযোৰ ধুনীয়া লাগিছে, কিন্তু তোমাৰ লগত খাপ খোৱা নাই।

যাৰ কোনো চৰিত্ৰ এ নাই তাৰ চৰিত্ৰ ধুনীয়া কাপোৰযোৰে লুকুৱাই ৰাখিব নোৱাৰে।

ক্ৰমাগতভাৱে খং উঠিছিল চমক লগা সেউজীয়া পাটৰ সাজত, ডিঙিৰ সোণৰ গহনাবোৰৰ ওপৰত মেৰিয়াই ধৰা ভাবনাবোৰে শুহি পেলাইছিল ৰাধাক। হেৰাই গৈছিল তাই

নিজৰ মাজতো। কাৰ কিমান কথা শুনিব? সকলোবোৰ পাহৰি নতুনত্বক আকোঁৱালি লৈছিল তাই, কিন্তু তাইৰ জানো সেয়া ভুল আছিল?

তাইতো কাকো কোৱা নাছিল মোক ধৰ্ষণ কৰা বুলি। ভুলবশতঃ তেনে ঘটিল আৰু নঘটা ঘটনা কিন্তু সেই বুলি তাইক এনেকৈ মানসিক অত্যাচাৰ কৰিব পায় জানো?

এটা সময়ত সেই ৰাধাজনীয়ে আছিল সেই ঠাইডোখৰৰ গৌৰৱ। আৰু আজি? ক্ৰমাৎ গধুৰ লৈ আহিল তাইৰ মনটো।

তাই ভালদৰে জানে স্বামীয়ে তাইৰ এইবোৰ কথা জানি হয়তো, তাইক আকোঁৱালি ল'ব কিন্তু, তেওঁৰ পৰিয়ালে?

সমাজখনে? তাইক আকোঁৱালি ল'বনে?

গোপিনীসকলে জাত জাত বিয়ানামবোৰ জুৰিছে।

ৰামচন্দ্ৰৰ দৰে জোঁৱাই বুলি গাইছে।

কিন্তু, পংকজ বৰা হয়তো ৰামচন্দ্ৰ হ'ব পাৰে কিন্তু মইতো সৎ যুৱতী সীতা দেৱী নহয়। অগ্নি পৰীক্ষা দিলেও মই জয়ী হ'ব কদাপি নোৱাৰিম। মই ৰামচন্দ্ৰৰ পত্নী সীতা হ'ব কেতিয়াও নোৱাৰো অথবা, জনক-নন্দনী সৎ যুৱতী সীতা হ'ব নোৱাৰো।

বিয়ানামবোৰে তাইৰ মনটোত অশান্তিৰ জোৱাৰ নমাইছে।

তাইৰ চিঞৰি ক'ব মন গৈছে—

'নাগাবিচোন, এইবোৰ বিয়ানাম বন্ধ কৰ সকলো থাকিম দে, মোক অকলশৰে।

ৰাধাৰ মনৰ মাজতে ভাবে কথাবোৰ। কাৰোৰে আগত তাই কথাবোৰ ব্যক্ত কৰিব নোৱৰা অৱস্থা। মান-সন্মান, জীৱন আৰু সমাজ এইবোৰৰ ভয়ত তাইজনী নিমাত, আজি ৰাধা নিজৰ মাজত হাৰি যোৱাৰ ভয় নাই অযোধ্যা ৰামে যেতিয়া তাইৰ প্ৰকৃত ৰূপ দেখিব হয়তো হাৰি যাব।

হয়তো তাইক ঘৃণা কৰিব। অগ্নিৰ পৰীক্ষা ল'ব।

হয়তো তেওঁৰ বাবে তাই সকলো কৰিব।

কিন্তু তাই ৰামচন্দ্ৰক সমাজৰ ওচৰত লাঞ্চিত হ'ব নিদিয়ে।

এপদ, এপদকৈ পিন্ধাই দিছে তাইক বিবাহৰ বাবে পোছাকযোৰ। জাত জাত বিয়ানামৰ ধ্বনি সুৰে তাইক মনত বিষাদৰ ৰাঙলী সজাইছে।

সকলোবোৰ ইতিমধ্যে হ'লগৈ বিদায় বেলা। পৰিয়ালৰ লোকৰ মাজত কান্দোনৰ ৰোল। আজি সীতা নিজ ৰামৰ পদাংক অনুকৰণ কৰি ৰামৰ লগত অযোধ্যালৈ যাব ওলাইছে।

ৰাধাই এনেকৈ চকুৰ আগত এজন ভাল মানুহৰ জীৱন ধ্বংস হ'বলৈ নিদিয়ে। যি আকৌ ছোৱালীয়ে নিজে নাখায় আনক দিয়ে তাইনো কেনেকৈ নিজৰ স্বাৰ্থৰ বাবে আনৰ জীৱন নষ্ট কৰিব। ঘনিষ্ঠ মানুহবোৰৰ কথা ভাবি মই বহু সময় একো মতা নাছিলো এতিয়া আৰু নহ'ব, মই মাত দিবই লাগিব।

চিঞৰি উঠিল তাই।

ঃ নাই নাই মই সীতা হ'ব নোৱাৰো। মই এগৰাকী সমাজৰ কু-নাম কঢ়োৱা ছোৱালী, আৰু আয়তীসকল আপোনালোকে কিয়? বাৰে বাৰে মোক সীতা দেৱীৰ লগত ৰিজাই বিয়ানাম জুৰিছে?

সীতা দেৱীৰ লগত এগৰাকী ৰাক্ষসীক কিয় তুলনা কৰিছে?

ভগৱান আৰু দানৱৰ মাজত পাৰ্থক্য আছে।

আৰু মা-দেউতা, বৰমা-বৰতা, পেহী-পেহা।

খুৰা-খুৰী মই জানো আপোনালোকে মোক বহুত মৰম কৰে কিন্তু, সেইবুলি আনৰ জীৱন ধ্বংস নকৰিব। পংকজ বৰা এজন ভাল ব্যক্তি তেওঁৰ হাতত মোক গতাই কিয় মোক মোৰ নিজৰ চকুৰ আগত অপৰাধী সজাইছে?

বিয়াই যে শ্ৰেষ্ঠ সেয়া নহয়। মোৰ বাবে আনৰ জীৱন ধ্বংস হ'বলৈ মই বাঞ্ছা নকৰো। প্ৰকৃত মানুহ সেইজন যিয়ে আনৰ সুখত সুখী আৰু আনৰ দুখত দুখী হয়।

মোক যদি সঁচাকৈ এ ইমান ভালপায় থাকিব দিয়ক মোক এনেকৈয়ে। পাৰিম সজাই তুলিবনে নিজকে।

যুঁজ দিম মোক আজি এই ঠাইত অনাসকলক কথা দিছোঁ মোৰ দৰে আন কাৰো লগত নহওক। এটি জীৱন নষ্ট কৰা সকলক ক্ষমা নকৰো কদাপি, মোক শেষ দাবী বধিম এটা এটা কৰি।

মোৰ দৰে কিমান জয়ী ৰাধাৰ তেজ খাব সিহঁতে? অকলে পাৰিম সিহঁতৰ হতে যুঁজ দিবলে।●●

# তোমালৈ মোৰ প্ৰথমখন চিঠি

নিশিতা কোঁৱৰ

ভালপোৱা উফ্!! কি যে এক অনুভৱ আৰু জানানে এই অনুভৱবোৰ মোৰ সদায় প্ৰিয়। কিন্তু এই অনুভৱবোৰ যে ল'বলৈ আজি তুমি মোৰ ওচৰত নাই। হয়তো এই দূৰত্বই আজি আমাক এক হ'বলৈ দিয়া নাই।

তুমি!! হয়তো এই 'তুমি' শব্দটো আপুনি বুলি কোৱা জনৰ পৰাই হ'ল। দিনটোৰ ব্যস্ততাৰ অন্তত এই মাজনিশা উলিয়াই লৈছোঁ এটি উকা পৃষ্ঠা তোমালৈ কিছু কথা লিখোঁ বুলি। তুমি জানানে তোমলৈ চিঠি এখন লিখাৰ হেঁপাহ সদায়ে থাকে, কিন্তু বৈ যাওঁ এই ভাবি মোৰ চিঠিয়ে তোমাৰ হৃদয় জানো জোৰাব পাৰিম!



সকলোৱে কয় যে দূৰত থকা প্ৰেম বেছিদিনলৈ থাকে আৰু এই প্ৰেমত বেছি কাজিয়া নহয়। কিন্তু এনে প্ৰেম কৰাজনেহে বুজি উঠে সঁচাৰ্থত তোমাৰ মোৰ ভালপোৱাৰ আজি এটা বছৰেই সম্পূৰ্ণ হ'ল আৰু সেই দিনটোত কিমান যে সুধিবলগীয়া মোৰ প্ৰশ্ন আছিল কিন্তু মই নোৱাৰিলোঁ। হ'ব পাৰো মই বহুত চঞ্চল। কিন্তু প্ৰেমত মোৰ দুৰ্বলতা আছে আৰু তেনেকৈয়ে তোমাৰ মুখখনিও মোৰ বাবে এক দুৰ্বলতা।

বা আৰু দাদায়ে চিনাকি কৰি দিয়া ল'ৰাজনে আজি মোৰ জীৱনৰ সাহস, ভালপোৱা, হয়তো মই কেতিয়াও ভবা নাছিলো যে এদিন আমি একেটা ৰাস্তা (পথৰ) লগৰী হ'ম। সঁচাকৈয়ে ভালপোৱা ক'ত কেনেকৈ হৈ যায় কোনেও নাজানে। এই অনুভৱবোৰ মই সদায়ে হৃদয়ত সাঁচি থম আৰু আমাৰ ভালপোৱা সদায়েই যাতে এনেকৈ থাকে!!

দূৰত্ব, এই শব্দটো শুনিবলৈ সহজ হ'লেও ইয়াৰ সৈতে যুঁজিবলৈ বৰ কঠিন জানা। হেঁপাহৰ অন্তত দেখা তোমাৰ মুখখনি আৰু এটি মিচিকীয়া হাঁহিৰে আদৰা আমাৰ মৰমবোৰ মোৰ সদায়েই প্ৰিয়। দূৰত্বৰ সৈতে যুঁজিবলৈ মই সদায়েই সাঁজু। কিয়নো মোৰ বাবে এতিয়া এই দূৰত্ব এক অভ্যাসলৈ ৰূপান্তৰ হ'ল। কিন্তু যেতিয়া তুমি বুজিও কথাবোৰ নোবোজাৰ দৰে ভাও ধৰা তেতিয়া জানো মই শান্তিত থাকিব পাৰো? এনেকৈয়ে থাকা মোৰ লগত সদায় মোৰ প্ৰতিটো সুখ-দুখত আৰু প্ৰতিটো ক্ষণত। আঁতৰি নাযাবা কেতিয়াও। কিয়নো তোমাৰ মৰমবোৰে মোক সদায় জীপাল কৰি তোলে।

তোমাৰ প্ৰেয়সী (সোণ)●●

# ন-বোৱাৰী

বৰষা ঠাকুৰ

ৰাতিপুৱা আঠ বজাত বিছনা এৰা ছোৱালীজনী আজি ৰাতিপুৱা পাঁচ বজাতে সাৰ পাইছে। দায়িত্ব বাঢ়িল। আগতে মাকৰ ঘৰত একো নকৰা তাইজনী এতিয়া অকলশৰে সকলো কৰিব লগীয়া হৈছে।

চৈধ্যদিন হৈছে আজি বিয়া সোমোৱা। নীতি-নিয়ম সকলো শেষ হ'ল। বিয়াৰ বাবে অহা আলহী-দুলহীও ঘৰা-ঘৰি হ'ল। এতিয়া ঘৰত মাক-দেউতাকৰ সৈতে তাই অকলে। মানুহজনে অৰ্থাৎ সমীৰ কৰ্মসূত্ৰে আকৌ কাশ্মীৰ যাব লগা হ'ল। সমীৰ পেচাত এজন আৰ্মি অফিচাৰ। বছৰেকত দুবাৰ ছুটি পায়। এইবাৰ বন্ধত আহোঁতে বিয়াখন পাতি গ'ল। ছোৱালী নিহাৰীকাক ঘৰৰ মানুহে চাই দিছিল। দুয়োখন ঘৰৰ সন্মতিত সমীৰ আৰু নিহাৰীকাৰ অনুমতিত বিয়াখন পতা হৈছিল।

—বোৱাৰী অ' বোৱাৰী।

—অ' মা ৰ'ব আহিছো।

—সোনকালে কৰা।.তোমাক চাবলৈ ওচৰৰে ৰীণা খুড়ী আহিছে। (বুলি কৈ কৈ মাক অৰ্থাৎ মালা শইকীয়া ভিতৰলৈ সোমাই আহিল।) অ' তুমি শুই আছিলা। একো নাই কাপোৰযোৰ ঠিক-থাক কৰি লোৱা। অলপ প্ৰসাধনো সানি ল'বা। ধুনীয়া দেখি।

—হ'ব মা। আপুনি ৰীণা খুড়ীৰ লগতে বহকগৈ। মই চাহখিনি কৰি গৈ আছো।

—তুমি নালাগে। ওচৰৰে বৰুৱানীও আহিছে। ৰীণা খুড়ীক তেওঁৰ লগতে কথা পাতিবলৈ দিছো। মই চাহখিনি বনাই সাজু কৰিছো। তুমি দিবাগৈ।

—নালাগে মা আপুনি কথা পাতক মই বনাই ল'ম। আপুনি মিছাতে কষ্ট কৰিব নালাগে।

—কষ্টনো কি আৰু? এইখিনিক কষ্ট বুলি কয়নে? তুমি ওলোৱা।

—হ'ব মা।

শইকীয়ানীয়ে নিহাৰীকাক নিজৰ ছোৱালীৰ দৰে ৰাখিছে। সমীৰৰ জন্মৰ পাঁচবছৰৰ পাছতে মিষ্টাৰ শইকীয়া আৰু শইকীয়ানীয়ে এজনী কণমানি ছোৱালী এডপ্ট (Adopt) কৰিম বুলি ঘৰত কথাটো আলোচনা কৰিছিল। কিন্তু পুৰণিকলীয়া চিন্তাধাৰাৰ আইতাক মালতীয়ে সকলো গণ্ডগোল লগাই দিলে। বোলো নিজৰ তেজ নহ'লে নালাগে। শইকীয়ানীয়ে সমীৰৰ জন্মৰ পাছতে সন্তান জন্ম আৰু দিব নোৱৰাৰ খবৰটো শইকীয়ানীৰ বাদে সকলোৰে জানিছিল। প্ৰথম পুত্ৰ সন্তান হোৱা দেখি মালতীৰ সুখে নভৰা হৈছিল। ঘৰত বংশ ৰক্ষা কৰিবলৈ কোনোবা আহিল।

মিষ্টাৰ শইকীয়া আৰু শইকীয়ানীৰ কন্যা সন্তানৰ হেঁপাহটোত এলান্ধু বান্ধিছিল। সমীৰৰ বিয়াৰ পাছত সেই হেঁপাহ আকৌ সজীৱ হৈছিল। শইকীয়ানীয়ে বহুত মৰম আদৰেৰে নিহাৰীকাক ছোৱালী কৰি ৰাখিছিল।

আজি এবছৰ দিন পাৰ হ'ল। সমীৰ ঘৰলৈ নহা। দুদিনৰ পাছত ছুটি পাব দুমাহৰ। ঘৰলৈ আহিব। নিহাৰীকা, শইকীয়া, শইকীয়ানীৰ গাত ত'তেই নাই। এইটো ৰান্ধিব, এইবোৰ পিন্ধিবলৈ দিব, ভালপোৱা সকলো ৰান্ধি খোৱাব। এতিয়া মাত্ৰ আহি পোৱাৰহে দেৰি। চাওঁতে চাওঁতে সময়বোৰ পাৰ হ'ল। আজি সন্ধিয়া ছয় বজাত ট্ৰেইনত আহি পাব। ঘৰৰ পৰা ষ্টেচন বৰ বেছি দূৰ নহয়। আধা কিলোমিটাৰ দূৰত্ব মাত্ৰ। সেয়ে শইকীয়াই আনিবলৈ অকলে গৈছে। নিহাৰীকা আৰু মিছেচ শইকীয়ানীয়ে ঘৰৰ পদূলি মুখতে ৰৈ বাট চাইছে।

চাৰে ছয় বজাত সিহঁত আহি পালে। সমীৰে মাকৰ ভৰি স্পৰ্শ কৰি সেৱা ল'লে। শইকীয়াই অনা মাংসৰ টোপোলাটো শইকীয়ানীৰ হাতত দি সিহঁত ভিতৰলৈ সোমাই গ'ল। সমীৰে ওচৰত কোনো নথকাত সন্ধিয়াৰ সুযোগতে

নিহাৰীকৰ গালত টপ্‌কৈ চুমা এটি আঁকি দিয়াত তাই লাজতে ৰঙা-চিঙা পৰিল। বন্ধৰ দিনবোৰ সুন্দৰভাৱে পৰিয়ালৰ সৈতে উপভোগ কৰিলে সমীৰে। স-পৰিয়ালে বহুতো ঠাই ভ্ৰমণ কৰিলে সিহঁতে। সময়বোৰ সিহঁতৰ পক্ষে আছিল। সমীৰে ভালপোৱা সকলো বস্তুৰেই মাক মালা আৰু নিহাৰীকাই বনাই বনাই বিধে বিধে খোৱালে।

সময়বোৰ পাৰ হ'বলৈ বেছি পৰ নালাগে চাওঁতে চাওঁতে সমীৰৰ ছুটিৰ দিনো শেষ হৈ আহিল। আৰু তিনি দিনৰ পাছত সমীৰ যাবগৈ। যোৱাৰ আগতে নিহাৰীকাৰ সৈতে এনেয়ে গাড়ীখন লৈ ঘৰৰ পৰা ওলাই আহিছিল সমীৰ। দুয়ো দুয়োকে সময় দিয়াৰ উদ্দেশ্য নতুনকৈ খোলা ৰেষ্টুৰেণ্ট এখনলৈ। উভতি যোৱাৰ পথত সিহঁতৰ গাড়ীখন তীব্ৰবেগী ট্ৰাক এখনে বৰ বেয়াকৈ খুন্দিয়ালে। স্থানীয় ৰাইজে লগে লগে সমীৰ আৰু নিহাৰীকাক আঘাত প্ৰাপ্ত অৱস্থাতে মেডিকেললৈ নিলে, যদিও মাজ ৰাস্তাতে মূৰত দুখ পোৱাৰ বাবে অতিপাত তেজ ওলাই সমীৰৰ মৃত্যু হয়। মেডিকেলত সম্পূৰ্ণ এদিনৰ পাছত সাৰ পোৱা নিহাৰীকাই যেতিয়া নিজকে মেডিকেলৰ বিছনাত উদ্ধাৰ কৰিলে তেতিয়া তাই চিঞৰি চিঞৰি সমীৰক মাতিবলৈ ধৰিলে। কিন্তু কোনো পধ্য সমীৰক বিচাৰি নাপালে। শইকীয়াই নিহাৰীকাক বুজাবলৈ চেষ্টা কৰিছিল। তাই নুবুজিলে। চিঞৰি চিঞৰি আকৌ কান্দিবলৈ ধৰিলে। নাই এইবোৰ সঁচা হ'ব নোৱাৰে। এইবোৰ মিছা। কিন্তু নিয়তিৰ খেলা, কোনে বাধা দিব পাৰে। নিহাৰীকক বহু কষ্টৰে বুজাই-বঢ়াই শইকীয়াই ঘৰলৈ আনিলে। পদূলি মুখতে তাইৰ হিয়াভঙা কান্দোন শুনি উপস্থিত সকলোৰে চকুলো টুকিবলৈ ধৰিলে।

শেষবাৰৰ বাবে সমীৰৰ সৈতে ওলাই যাওঁতে সমীৰে মৰমতে যিকণ সেন্দূৰ দিছিল। আজিও তাৰ কিছু অংশ নিহাৰীকাৰ কপালত উজ্বলি উঠিছে। ঘৰত সোমাবলৈ লৈ তাই থমকি ৰৈছে। প্ৰথম দিনা ন-কইনাৰ সাজত এইখন ঘৰত সোমোৱা প্ৰতিটো ক্ষণে তাইৰ চকুত আগত ধৰা দিছে। তাই নিজকে সংযত কৰিব নোৱৰাকৈ ভাঙি পৰিছে। সমীৰৰ মিচিকিয়াই হাঁহি থকা ফটো এখনত মালা এডাল উলমি আছে। কিদৰে বাৰু চম্ভালে নিজকে। নীতি-নিয়মৰ মাজেৰে তাইক সমাজৰ আগত বগা কাপোৰ এযোৰ পিন্ধোৱা হ'ল। আজিৰ পৰাই নাম পালে বিধৱা। বিধাতাৰ কি যে নিষ্ঠুৰ নিয়ম। আজি সাত বছৰত ভৰি দিলে এই ঘটনাই। শইকীয়া-শইকীয়ানীয়ে একমাত্ৰ বোৱাৰীৰ বাবেই যেন উশাহটো লৈ আছে। শেষ আশা সিহঁতৰ কেৱল নিহাৰীকাই। নিহাৰীকাও এতিয়া পাঁচ বছৰে হ'ল সৰুকৈ স্কুল এখন খুলিছে 'Kids Play' সমীৰৰ নামত। তাতে যে তাই ব্যস্ত।

শইকীয়াই আজি নিহাৰীকাক কথা এষাৰ ক'বলৈ গৈ ৰৈ গৈছে। বাৰে বাৰে তাইৰ আগে পাছে হৈ আছে যদিও ক'ব পৰাকৈ সাহস গোটাব পৰা নাই। এবাৰ শইকীয়ানীক ক'বলৈ জোৰ কৰে পিছ মুহূৰ্ততে নিজে নিহাৰীকৰ ওচৰ চাপি আহে। নিহাৰীকাই লক্ষ্য কৰি আছিল সকলো। তাই দেউতাকক ক'বলৈ ধৰিলে—

—কিবা ক'বলৈ আছিল নি দেউতা?

—নাই মানে মই কিবা এটা ভাবিছিলো। মানে মায়েও ভাবিছিল। কি বুলি আৰম্ভ কৰো।

—ক'কচোন বাৰু।

—নহয় মানে তুমি আমাৰ ছোৱালীৰ দৰেই। কোনো দিন তোমাক বোৱাৰী বুলি ভবা নাই (তাৰ পিছত শইকীয়া মৌন হৈ পৰিল।)

—ক'ক নোকোৱাকৈ কেনেকৈ বুজিম বাৰু দেউতা?

—মানে তুমি আমাৰ ছোৱালী। এনেকৈ তোমাৰ জীৱনটো ধ্বংস হোৱা কেনেকৈ দেখো। তোমাৰ গোটেই জীৱনটোৱে বাকী আছে।

—দেউতা মই এইবোৰ ভবা নাই। আৰু নাভাবো যি হ'ল সেয়া মোৰ কপালৰ লিখন বুলিয়ে ক'ব পাৰি।

শইকীয়ানীয়ে মাজতে আহি পৰিস্থিতি চম্ভালি ল'লে। শইকীয়ানীয়ে নিহাৰীকক মৰমতে বুজাই পুনৰ বিয়াৰ বাবে মান্তি কৰালে। বহুত সময় লাগিল কিন্তু শইকীয়ানীয়ে পাৰিলে। কাৰণ ছোৱালীজনীৰ গোটেই জীৱনটোৱে বাকী আছে।

আজি তাইক ন-বোৱাৰী ৰূপে আকৌ ওলাই দিছে। আন এখন ঘৰলৈ। সমাজে বহুত ধৰণে কথা কৈছে। শইকীয়া-শইকীয়ানীয়ে কাৰো কথা গুৰুত্ব দিয়া নাই। কিয়নো নিজৰ ছোৱালীৰ ক্ষেত্ৰত ইমান কম বয়সতে এনে হোৱা হ'লে সকলোৱে হয়তো এইটো কৰিলেহেঁতেন বা হোৱাটো বিচাৰিলেহেঁতেন। কিন্তু বোৱাৰী এজনীক ছোৱালী কৰি আকৌ বিয়া দিয়াটো আমাৰ এই শিক্ষিত সমাজৰ বাবে এতিয়াও সহজ নহয়। হয়তো ভৱিষ্যতেও।●●

# সংগ্ৰাম জীৱনৰ মূলমন্ত্ৰ

শতাব্দী শইকীয়া

মই সেইদিনা বহুত সুখী হৈছিলো। যিদিনা আইয়ে মোক আনৰ পুৰণি চাইকেল এখন আনি দিছিল। স্ফূৰ্তিত মই আত্মহাৰা হৈছিলো। কিমান দিনৰ অপেক্ষাৰ মূৰত যে চাইকেলখন পাইছিলো। পুৰণি হ'লেও সেইখন মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ উপহাৰ আছিল। মোৰ এই সুখকণ চাবলৈয়ে আইয়ে কিমান কষ্টেৰে গোটোৱা ধনেৰে মোক উপহাৰ দিছে। আইৰ শেঁতাপৰা মুখমণ্ডল সেই কষ্টৰ প্ৰমাণ।

মই নৰৰূপ বৰুৱা শিৱসাগৰৰ এখন সৰু গাঁৱৰ বাসিন্দা। গাঁৱৰ সকলোৱে মোক ৰূপ বুলি মাতে যদিও আইয়ে মোক সোণ বুলিহে কয়। মই সৰু থাকোতেই পিতাই ঢুকাল। বেমাৰত পৰি। টকা-পইচা নাইকিয়া মানুহ কোনেও ঘূৰিয়ে নাচায়। পইচা নথকা মানুহক হেনো ডাক্তৰেও নাচায়। তেনেকৈয়ে পিতাই গুছি গ'ল। আইয়ে কয় প্ৰায়েই পিতাইৰ কথা। কিন্তু মোৰ পিতাইৰ চেহেৰাটো একেবাৰেই মনত নাই, তেতিয়া মোৰ দুবছৰ হৈছিলহে বোলে।

মই তৃতীয় শ্ৰেণীত থাকোঁতে, আমাক শিক্ষামূলক ভ্ৰমণলৈ নিয়াৰ কথা। সকলোকে ১০০ টকাকৈ আনিবলৈ কোৱা হ'ল। মই আইক কথটো ক'লোহি। আইয়ে আকৌ ওলোটাই ছাৰহঁতক গালিহে পাৰিলে। "কিহৰ ইমান সৰু ল'ৰা-ছোৱালীখিনিক ভ্ৰমণলৈ নিব লাগে, ইমান পইচা তুলি। নালাগে ইমান দূৰলৈ যাব।" কিন্তু মই জিদ্ ধৰিলো লগৰ সকলো যাব বুলি কান্দিলো, জিতৰ সৈতে মই বাছত লগতে বহি যাম বুলি কান্দিলো, জিতৰ সৈতে মই বাছত লগতে বহি যাম আৰু বহুত কিবাকিবি পৰিকল্পনা কৰিছিলো। আইয়ে নামানিলে মোৰ কথা। মই পৰি পৰি কান্দিলো। কিয় তই নিদিয়, ছাৰহঁত বেয়া নহয়, তইয়ে বেয়া। আইক দোষী দোষী বহুত কান্দিলো। ৰাতি আইয়ে ভাত খাবলৈ মাতিলতো উঠি নগ'লো। মোৰ এনে কাণ্ডত আইয়ে বৰ দুখ পালে। আই আহি মোৰ কাষত বহিলে আৰু মোক খঙেৰে ক'লে, "এতিয়াই উঠ বিছনাৰ পৰা আৰু ভাত খাই ল'বি ব'ল।" মই ক'লো নুঠো বিছনাৰ পৰা ভাতো নাখাওঁ। এইবাৰ দেখিলো আইৰ চকু দুটি সেমেকি উঠিছে। লগালগ মই বিছনাৰ পৰা উঠি বহিলো। "ব'ল আই ভাত খাওঁগৈ।" আইয়ে মোক সাবটি হুকহুকাই কান্দিবলৈ ধৰিলে। আইক কন্দা দেখি মই ৰ'ব নোৱাৰিলো। মই আইক ক'লো, "কিয় কান্দিছ আই? মই তাহাঁতৰ লগত নাযাওঁ ভ্ৰমণলৈ, ইমান দূৰলৈ নাযাওঁ আই তই নাকান্দিবি।" তাৰ মানে আইয়ে বিচাৰিছিল মই যোৱাটো কিন্তু বিচাৰিলেই জানো হ'ব? আইয়ে ঘৰতে পাচলিৰ খেতি কৰে সৰুকৈ আৰু অলপ বিক্ৰী কৰে অলপ খাওঁ। সাঁচতীয়া ধন বুলিবলৈ আমাৰ বিশেষ নাই। তাৰেই যদি ১০০ টকা মোক দিয়ে তেনেহ'লে পাছৰ দিনকেইটা আমি খাবলৈ পাম নে নাই ঠিকনা নাই। সেইকথা ভাবিহে আইয়ে মোক নেলাগে কৈছে। পিতৃ-মাতৃয়ে নিজৰ দুখ সন্তানক কেতিয়াও নেদেখাই। তেওঁলোকে নিজ সন্তানক সকলো আনন্দই দিব বিচাৰে কিন্তু বিচাৰিলেই জানো হ'ব? আইৰ দুখখিনি মোৰ জনা নজনা মনটোৱে বুজি পাইছিল। মনতে ভাবিলো আজিৰ পৰা আৰু আইৰ মনত দুখ নিদিওঁ। ব'ল আই ভাত খাওঁগৈ বুলি কোৱাত আইৰ মনটো পাতলিল আৰু দুয়োৱে ভাত খাই বিছনাত পৰিলো। দুখে কুটি কুটি কোঙা কৰা দৈন্যতাৰ ৰূপ সঁচাই বিভৎস।

আইজনী মোৰ বৰ মৰমৰ। পিতাই নথকা ঘৰখন আইয়ে বৰ কষ্টেৰে ধৰি ৰাখিছে। কোঠালী বুলিবলৈ আমাৰ তিনিটা। আলহী বহা কোঠাটোত পিতাইৰ দিনৰে চকী তিনিখন, ৰং নাইকীয়া কাঠৰ সৰু টেবুল এখন আৰু পিতায়ে

নিজেই বনোৱা বাঁহৰ বিছনাখন। আমাৰ শুৱা কোঠালীটোত এখন হেলেক পেলেক পালেং। পালেঙত শুলে ওপৰৰ চালৰ ফুটাৰে আকাশ দেখি পায়। বৰষুণ দিলে পানী পৰে। সৰুকৈ পাকঘৰ এটি, চৌখাৰ কাষতেই চৰু-কেৰাহী আদিবোৰ আছে। আই আৰু মোৰ বাবে পীৰা দুখন। সম্পত্তি বুলিবলৈ আমাৰ এইখিনি আৰু পাচলিৰ বাৰীখন।

পৰহিলৈ শাওণৰ ১০ তাৰিখ, মোৰ জন্মদিন। এদিন মোৰ পৰা মুকুৱে মাৰ্বলগুটি কাঢ়ি লৈ মোক গতিয়াই পেলাই দিছিল, কিলাকুটিতো শিলত ঘহনি খাই অলপ তেজ ওলাইছিল। আইৰ বুকুৰ ধন মোক এনে কৰা গম পাই আইয়ে দুখ পাইছিল আৰু মোক কৈ থৈছিল জন্মদিনৰ দিনা মাৰ্বলগুটি দহটা আনি দিব বুলি। সেইকাৰণে মই বৰ হেঁপাহেৰে এই দিনটোলৈ বৈ আছিলো। লগৰবোৰক দেখিছো জন্মদিনত মাকহঁতে চোলা কিনি দিয়ে। ময়ো আইক সুধিলো, "অ' আই মোক তই চোলা এটা আনি দিবি নে? আগৰ চোলাটোচোন বেয়া হৈ গ'ল।" আইয়ে ক'লে, "হ'ব সোণ বজাৰত যদি মই পাওঁ লৈ আহিম দেই।" বজাৰতটো চোলাৰ নাটনি কেতিয়াও নহয়, আইৰ হাতত পইচা নথকাৰ বাবেই তেনেকৈ কৈছিল কিন্তু মোৰ সৰলমতি মনটোৱে সেই কথা উপলব্ধি কৰিব পৰা নাছিল। আইক আকৌ ক'লো, "আৰু মাৰ্বলগুটি দিবিনে আই?" আইয়ে দিম বুলিয়ে ক'লে। অলপ পিছতেই আই পাচলি লৈ বজাৰলৈ গ'ল। গৰমৰ বন্ধৰ দিনকেইটা মোৰ খুউব ধুনীয়াকৈ পাৰ হৈছে। পুৱা ভাত খাই আইৰ লগতেই ঘৰৰ পৰা উলাই মইনা, পাখি, পিকু, ৰঘু, মুকুহঁতৰ লগত ওচৰৰ খেলপথাৰলৈ যাওঁ।



তাতেই আমি মাৰ্বল খেলো, ধৰা-ধৰি খেলো, ওচৰৰ পুখুৰীত বৰশী টুপাও, ৰাজেনকাইহঁতৰ বাৰীলৈ যাওঁ। আহাৰ শাওণ মাহত তাত আম, কঁঠাল, লিচু, জামুকেৰে ভৰপূৰ হৈ থকে। বৰশী টুপাই হোৱাৰ পিছত পুখুৰীত সকলোৱে মিলি সাঁতুৰো। সন্ধিয়া আই অহাৰ আগতেই আহি ভৰি হাত ধুই চাফ-চিকুণ হওঁ। পাকঘৰৰ কাষতেই সৰুকৈ থাপনাখনত দুয়োৱে প্ৰাৰ্থনা কৰো। প্ৰাৰ্থনা কৰি উঠি পঢ়াত বহো কিন্তু সেই সময়খিনিত দিনটোৰ সকলো ভাগৰে মোক হেঁচা মাৰি ধৰে। বহুদিন এচাৰিৰ কোবও খাইছো।

আনদিনাৰ দৰে আজিও মই লগৰীয়াৰ সৈতে খেলিবলৈ গ'লো। গ'লো যদিও মোৰ মনটো উচ্‌পিচাই আছিল কিয়নো আজি আইয়ে মোলৈ চোলা আনিব। সোনকালে ঘৰলৈ আহি মই পদূলিতে আইলৈ বৈ থাকিলো। সময়ত আই আহিল কিন্তু হাতত কোনোধৰণৰ টোপোলা নাই। "আই মোলৈ চোলা আনিছনে?" আইয়ে ক'লে, "নাই অ' আজি নানিলো, তোৰ জন্মদিন পৰহিলৈহে।" মই ঠেহ ধৰিলো আৰু কিয় নানিলি বুলি কন্দনামুৰা হৈ সুধিলো, "আৰু মাৰ্বল।" আইৰ খং উঠিল ক'লে "উফ্ ৰাম ৰহ চোন মানুহজনী দুখে ভাগৰে সোমাইছোহি, পানী এগিলাচ দিব লাগে সেইয়া নাই আঁতৰ হ' যা।" মই পুনৰায় সুধিলো, "আই কাইলৈ আনি দিবিনে?" এইবাৰ আই একোব ওপৰত খং উঠিলে ক'লে, "দিম বুলি কৈছো নহয় তই কৈ থকিব নালাগে। দিনৰ দিনটো অলৌ-তলৌকৈ ঘুৰি ফুৰিবি, ৰাতি টোপনিয়াবি পঢ়া-শুনা নাই। ভাবিছিলো ল'ৰাটো পঢ়াই-শুনাই ভাল মানুহ কৰিম কিন্তু তোৰ একোতেই মন-কাণ

নাই।" ভয়ত মই লগে লগে পঢ়া টেবুলত বহিলো। পিছদিনা আইয়ে মোক কথামতে কপাহী চোলা এটা আনি দিলে আৰু মাৰ্বল পাঁচটা, আইৰ হাতত ছাগে দহটা মাৰ্বলৰ বাবে টকা নহ'লগৈ। একেইটাতেই মই সুখী হ'লো। মোৰ মুখৰ হাঁহিটিয়ে আইক পিচৰ দিনকেইটা যুঁজিবলৈ শক্তি দিলে। ৰাতি ভাত খাই দুয়ো বিছনাত পৰিলো, টোপনি কাৰো নাহিল। মই দেখিলো ভৱিষ্যতৰ সুখৰ স্বপ্ন আৰু আইয়ে দেখিলে অতীতৰ দুখৰ স্বপ্ন। কাইলৈ নতুন বস্তু সমনীয়াক দেখুৱাই আনন্দত মই বিভোৰ আৰু অতীতত পিতায়ে আইক বহুত সুখত ৰাখিছিল, সেয়া ভাবি চকুলো টুকিলে।

পিছদিনা সকলোকে নতুন চোলা আৰু মাৰ্বল দেখুৱালো। সকলোৱে মোক ধৰিলে যে, "জন্মদিনত আমাক নামাত নেকি? আমি জন্মদিনত পায়স আৰু মিঠাই খুৱাইছিলো, তই খুৱাবিনে ৰূপ।" হাঁহি মুখেৰে মই উত্তৰ দিলো, "খোৱাম আক', কাইলৈ তহঁতি যাবি আমাৰ ঘৰলৈ দেই।" মনতে সৰুকৈ ভয় এটা লাগিল, আইকতো মই সুধা নাই। সন্ধিয়া যথাসময়ত আই আহিল। আইক পদূলিতে গৈ সকলোখিনি ক'লোগৈ। আইৰ খং উঠিল। মোক ক'লে, "কিয় মোক নুসুধাকৈ মাতিলি সকলোকে, খুৱাবি কি য'ত নিজেই খাবলৈয়ে একো এটা নাই। বিপদ সকলোফালৰ পৰা একেলগেই আহে। পাচলিবোৰো শেষ হৈছেগৈ। হাতত টকাও নাই" বুলি আইয়ে মোক গালে পিঠিয়ে কোবাবলৈ ধৰিলে। চৰটো ভুলতে দাঁতে-ওঁঠে লাগি হৰহৰকৈ তেজ উলাবলৈ ধৰিলে। নাই আই ৰোৱা নাই। এইবাৰ এচাৰি এডালেৰে কোবালে। লগে লগে হাত ভৰি পিঠিত সেৰা পাতি ফুলি উঠিল। মই আইক কাঁতৰ অনুৰোধেৰে ক'লো, "আই মোক নামাৰিবি আই, মোক এৰি দে, দুখ পাইছো আই, নালাগে আই মই নাপাতো জন্মদিন। আহ্হ্হ্হ্ দুখ পাইছো এৰি দে।" বুলি ভৰিত পৰি দিলো। তেতিয়াহে আইৰ চেতনা ঘূৰি আহিল, আইৰ মনত বহুদিনৰ পৰা থুপাই থোৱা দুখ-কষ্টবোৰ আজি উজাৰি দিলে। আইয়ে মোক তুলি ধৰি দেখিলে মুখত গোটেই তেজ আৰু গোটেই শৰীৰত এচাৰি দাগ। আইয়ে দৌৰি গৈ পানী অলপ আনি মুখখন ধুৱাই দিলে। দেখিলে ওঁঠটো অলপ কাটিছে। ল'ৰালৰিকৈ গৈ আইয়ে কিবা বনদৰৰ অলপ বুটলি আনি মোৰ দুখ পোৱাবোৰত লগাই দিলে। এইবাৰ আইয়ে মোতকৈ বেছি উচুপিবলৈ ধৰিলে। মোৰ সৰল মনটোৱে আইৰ সমস্ত দুখ বুজি পালে, কেনেকৈ সেয়া নাজানো। হয়তো ঈশ্বৰে মোক শক্তি দিলে। অলপ গহীন মাতেৰে আইক ক'লো, "আই তই নাকান্দিবি, মই সিহঁতক কৈ আহিম মোৰ এইটো জন্মদিন নাপাতো অহা বছৰতটোহে পাতিম। সিহঁতে বেয়া নাপায়।" আইয়ে ক'লে, "সোণ তই মোৰ হিয়াৰ আমঠু অ', তোক মই এনেদৰে মাৰিব নালাগিছিল, মোৰ হাতত এতিয়া একেবাৰে টকা নাই। মোৰো মন যায়। তোক সমনীয়াৰ সৈতে ফুৰাবলৈ পঠাবলে, মোৰো মন যায় তোক এগালমান মাৰ্বল দিবলৈ, এগালমান চোলা দিবলৈ, সকলোকে মাতি জন্মদিন পাতিবলৈ কিন্তু উপায় নাই অ', ভগৱানে আমাক বৰ বেয়া কপাল এখন দি পঠালে।" আইৰ চকুলো মচি মই ক'লো, "হ'ব আই দুখ নকৰিবি মই আছো নহয়। মই ভালকৈ পঢ়িম। ডাঙৰ হৈ চাকৰি কৰিম, ঢেৰ পইচা ঘটিম। তোক সুখত ৰাখিম আই।"

এনেকুৱাই, দুখীয়াৰ জীৱন এনেকুৱাই। উচ্চ খাপৰ মানুহে পাচলিও দুখীয়াৰ পৰা কিনি খাবলৈ বেয়া পায়। এনেকৈয়ে যুঁজি যুঁজি ডাঙৰ হৈছো জীৱনটো। হাজাৰ দুখ-যান্ত্ৰণাৰ মাজত ডাঙৰ হোৱাজনেহে প্ৰকৃত জীৱনৰ অৰ্থ। জীৱন, এক তিতা, মিঠা, জ্বলা সোৱাদৰ সংমিশ্ৰণ। কোনোৱে কৈ গৈছিল, "জীৱন বৰ কঠিন কিন্তু জীয়াই থকাটো তাতোকৈয়ো।" কিন্তু মানুহৰ জীৱনত সদায়ে দুখ নাথাকে। আন্ধাৰ ৰাতিৰ ধুমুহাৰ পিছৰ পুৱাৰ ৰ'দজাক বৰ মধুৰ। সেই ৰ'দজাকৰ দৰেই আমাৰ জীৱনলৈও পোহৰ আহিল। শূন্যৰ পৰা আৰম্ভ কৰা মোৰ জীৱনে কিছু সাফল্যতা পালে কিছু বাকী আছে। শিৱসাগৰ নামজ্বলা এখন কলেজৰ অধ্যাপক মই। সৰুতে যেনেকৈ কথা দিয়ামতে আইয়ে মোৰ আশাবোৰ পূৰ কৰিছিল এতিয়া আইৰ আশা মই পূৰ কৰিলো। আই আৰু মই সুখী এতিয়া কিন্তু আইৰ আকৌ নতুন আপত্তি আহিছে, মই হেনো বিয়া পাতিব লাগে আইক খেলিবলৈ সোনকালে নাতি বা নাতিনী লাগে। বাৰু চাওঁ কি হয়!●●

# ৰহস্যৰ আখলত জীয়া বাস্তৱ

**বৰষা দত্ত**

"সকলা সাঁজু হওক। তেখেত আহি পালেহি।"

এই বাক্যশাৰী শুনাৰ মাত্ৰকেই সকলো সমল ব্যক্তি নিজৰ নিজৰ কৰ্তব্যত নিৰ্জ্জিত হৈ পৰো সভাৰ আসন শুৱনি কৰা সকলো ব্যক্তৰ মাজত প্ৰৱাহমান হৈ থকা মিহি ফুচফুচনিৰ অন্ত পৰো ইয়াৰোপৰি তেওঁলোকৰ মাজত 'তেওঁক' লৈ সৃষ্টি হোৱা 'কৌতুহল' অন্ত পৰাৰ ক্ষণ এয়া। সেয়েহে আনন্দৰ শান্ত ঢৌৱে স্পৰ্শ কৰে প্ৰতিজন সাহিত্য প্ৰেমী ব্যক্তিক।

গাড়ীৰ দুৱাৰ খুলি বিশেষ স্থানলৈ তেখেতে খোজ লয়। দুখোজ আগুৱাই মুক্ত গেটত ভৰি দিয়াৰ মাত্ৰকে এগৰাকী গাভৰুৱে তেওঁৰ ডিঙিত আঁৰি দিয়ে অসমীয়া শিপিনীয়ে নিজ কাটি বৈ উলিওৱা এখন স্বাভিমানৰ গামোচা। হাতত তুলি দিয়ে সতেজ ফুলৰ থোপা। আৰু তেওঁক আতি-পুতিৰে মঞ্চৰ মধ্যভাগলৈ আগবঢ়াই নিয়ে। যিহেতু তেওঁ হৈছে উক্ত সভাৰ মধ্যমণি। কিন্তু! তেওঁক লৈ সৃষ্টি হোৱা কৌতুহল, কৌতুহল হৈয়ে ৰ'ল। অপেক্ষা মাথোঁ পৰৱৰ্তী সময়লৈ...।

'চন্দ্ৰকান্ত সন্দিকৈ ভৱন'ৰ দুৱাৰদলিত ভৰি দিয়াৰ মাত্ৰকে মঞ্চত ঘোষণা কৰা হ'ল— "অপেক্ষাৰ অন্তত আমাৰ মাজত উপস্থিত হৈছে বিশিষ্ট উপন্যাসিকা, নাৰীবাদী কবি, ভাস্কৰ্য শিল্পৰ সাধক তথা "ৰহস্যৰ আখলত জীয়া বাস্তৱ" উপন্যাসৰ স্ৰষ্টা নীলাঞ্জনা সন্দিকৈ। তেখেতক মঞ্চলৈ আগবঢ়াই আনিবলৈ এই অনুষ্ঠানৰ উদ্যোক্তাসকলক বিনম্ৰ অনুৰোধ জনোৱা হ'ল।" অনুষ্ঠানত উপস্থিত থকা প্ৰতিজন ব্যক্তিৰে চকু লয়লাস ভংগীমাৰে মঞ্চলৈ উঠি যোৱা নীলাঞ্জনাৰ ওপৰত। এগৰাকী যৌৱনমতী গাভৰু। দেহত মুগাৰ কাপোৰ (চাদৰ মেখেলা)। কঁকাল পাৰ হোৱা দীঘল চুলিটাৰিক উন্মুক্ত বতাহে কোবাইছে। তেওঁৰ নামটোৰ বাদে সকলোৰে চকুত তেওঁ অপৰিচিত। পৰিচিত মাথোঁ তেওঁৰ নাম আৰু সাহিত্য চৰ্চা। নীলাঞ্জনা অনুৰাগীসকলৰ আজি সৌভাগ্য, তেওঁৰ কায়িক উপস্থিতি উপলব্ধ। কিন্তু ৰহস্যজনক কথা, তেওঁৰ মুখত এখন মাস্ক। হয়তো তেওঁৰ পৰিচয় আজিৰ এই বিশেষ দিনটোত গোপনে ৰখাৰ প্ৰতিশ্ৰুতিত আৱদ্ধ! এক প্ৰশ্নমুখৰ পৰিৱেশ...।

খুব সম্ভৱ পাঁচোটা বছৰ। এই পাঁচটি বসন্ততেই একাগ্ৰতা, প্ৰচুৰ অধ্যৱসায় আৰু সাধনাই নীলাঞ্জনাক লৈ গৈছিল পোহৰমুখী এক বৃহত্তৰ কেঁকুৰিলে। য'ত সাহিত্য সাধনাক মধ্যমণি হিচাপে লৈ তেখেত আজি সাহিত্য জগতৰ এটি উজ্বল তৰা। উৎকৃষ্ট, সবল, যুক্তিপূৰ্ণ আৰু বাস্তৱমুখী লেখনিৰ লগতে জীৱনমুখী উপাদানেৰে সমৃদ্ধ তেওঁৰ সাহিত্য সৃষ্টি। সেয়েহে হয়তো তেওঁৰ পৰিচয় অবিহনেও পাঠক সমাজে আদৰি লয় তেখেতৰ বলিষ্ঠ লেখা। সমজুৱা উন্মোচনীৰ অবিহনেই তেওঁ সাহিত্য সাগৰত মেলি দিয়ে সাহিত্যৰ বৈতৰণী। পাঠক সমাজেও আপোচহীনতাৰে আকোঁৱালি লয়। এয়া বাৰু নীলাঞ্জনাৰ এক ব্যতিক্ৰম সাফল্য নহয়নে...?

লেখকৰ দুআষাৰ নীলাঞ্জনালৈ আগবঢ়াই দিয়া হ'ল মাইক্ৰ'ফোন। কিন্তু সকলোকে আচৰিত কৰি তেওঁ গ্ৰীণ হাউছলৈ নামি গ'ল। পুনতেই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি তাৰপৰাই আৰম্ভ কৰিছে লেখকৰ দুআষাৰ। কিন্তু নিজৰ পৰিচয় লুকুৱাই তেওঁ ব্যক্ত কৰিছিল উপন্যাসৰ বুকুত গজালি মেলা এটি স্তৱক—

"সিদিনা
নিমাতে আছিল গছৰ কুৰুৱাবোৰ,
শ্মশানৰ কায়া নিমাওমাও
ডকা ফুটা ৰাতিৰ নিৰ্জন সপোনত আপুনি আৰু মই।

বোবা এন্ধাৰত জিলিকিছিল, ওঁঠত এটা বিষাদৰ ছাঁ এয়া কি আছিল?

কওঁ শুনক—
ৰুক্মিণীৰ চকুত ধূলি মাৰি
আজিও আপোনাৰ বুকুত ৰাধা (মোৰ) ৰ প্ৰতিমূৰ্তি!"

তাৰপাছত... "অনুভৱৰ গৰ্ভৰ পৰা এটা কাহিনী প্ৰসৱ কৰিবলৈ লেখকজনৰ লগতে কাহিনীৰ নায়িকা বহিব লাগে ৰহস্য, ৰহস্যময় আখলতা পাৰ কৰিব লাগিব অগণন বিনিদ্ৰ ৰজনী। কিন্তু আজি উন্মোচন কৰিবলৈ আগবঢ়া উপন্যাসৰ মূল নায়িকা মই নিজেই। কল্পনাৰ প্ৰলেহহীন এয়া এক জীয়া বাস্তৱ জীৱনৰ কাহিনী। সেয়েহে ময়ো আপোনাসৱৰ আগত সন্ধিয়াৰ ৰহস্যময়ী বেলি।

পৰিৱৰ্তনশীল সময়ৰ গতিশীল চিন্তা। মই জানো মোক লৈ আপোনালোকৰ মনত সৃষ্টি হয় ভিন্নৰঙী প্ৰশ্নৰ অলেখ জোৰাৰ। মনত তোলপাৰ কৰে। নীলাঞ্জনা সন্দিকৈ বাৰু ছদ্মনাম নেকি? কি হ'ব পাৰে নিজৰ পৰিচয় লুকুৱাই ৰখা প্ৰকৃত কাৰণ। এই সকলোবোৰ প্ৰশ্নৰ সঠিক উত্তৰ ক্ষন্তেক পিছতেই প্ৰত্যক্ষভাৱে লাভ কৰিব।"

বক্তব্য শেষ কৰি তেখেতে নিজৰ আসন গ্ৰহণ কৰে। আসন গ্ৰহণ কৰি নিজৰ চকুহালি আপোনা আপুনি কাষতে বহি থকা আন এযোৰ চকুত বিনাসংকোচে এৰি দিয়ে। চকুত চকু পৰাত তেখেতে নৈঃশব্দে এটি হাঁহি উপহাৰ দিয়ে। কিন্তু নীলাঞ্জনাৰ চকুত এটুকুৰা বিৰহৰ তামৰঙী মেঘ উপঙি উঠে। কাষতে বহি থকা ব্যক্তিজন হৈছে বিশিষ্ট কবি অমৰজ্যোতি শইকীয়া। যি নীলাঞ্জনাৰ প্ৰিয় কবি। কবিৰ অজ্ঞাতে কবিতাৰ গাভৰুক নিজৰ লগত নীলাঞ্জনাই তুলনা কৰে। নিমন্ত্ৰণী চিঠিৰ লগতে উল্লেখ কৰিছিল,... "আপুনি মোৰ প্ৰিয় কবি। অনুষ্ঠানত আপোনাৰ পদধূলা মোৰ একান্তই কাম্য। কবিতাৰ ক্ষেত্ৰত আপোনাৰ অজ্ঞাতে আপোনাক মই গুৰুৰ আসনত অধিষ্ঠিত কৰিছোঁ। ইয়াৰোপৰি মই এটি ভাস্কৰ্য শিল্প আপোনাৰ হাতত তুলি দিবলৈ পালে নথৈ আনন্দিত হ'ম। তদুপৰি মোৰ জীৱনৰ এইখন অন্তিমখন উপন্যাস। সেয়েহে মোৰ আকুল হেঁপাহ নিজ হাতেৰে এইখন আপোনাৰ কোলাত তুলি দিয়া! অনুৰোধ, এই প্ৰস্তাৱ আপুনি যাতে নাকচ নকৰে।"



নিজৰ ভাৱনাত বিভোৰ হৈ কাৰ সময়তে, উপন্যাসখন উন্মোচন কৰাৰ সময় আহি পৰিল। ৰঙীন কাগজে মেৰিয়াই ৰখা টোপোলাটো বান্ধি ৰখা ৰঙীন ফিটাডাল কাটি মঞ্চত উপস্থিত থকা প্ৰতিজন ব্যক্তিৰ হাতত একোখনকৈ কিতাপ তুলি দিয়ে। আৰু আনুষ্ঠানিকভাৱে উপন্যাসখন উন্মোচন হোৱা বুলি ঘোষণা কৰি বিশিষ্ট লেখক পদ্মধৰ বৰুৱাই মাইক্ৰ'ফোনটো হাতত তুলি লয়। সকলো স্বণামধন্য ব্যক্তিক সন্মানেৰে সম্বোধন কৰি নীলাঞ্জনাৰ অদ্ভুত আৰু বলিষ্ঠ লেখনিৰ বিষয়ে পাঠক সমাজৰ আগত ব্যক্ত কৰে। পদ্মধৰ বৰুৱাই উপন্যাসখনৰ বিষয়ে দুআষাৰ কোৱাৰ সলনি, বক্তব্য দীঘলীয়া নকৰি শেষান্তৰত তেখেতে পাঠ কৰে উপন্যাসত সন্নিৱিষ্ট সৰু বন্ধনীৰ মাজত উঠি ভাহি ফুৰা

হৃদয়স্পৰ্শী এখনি বিষাদময় শব্দৰ মালা। য'ত কথাখিনিয়ে বহন কৰিছে উপন্যাসৰ গভীৰতম কাহিনী।

'অপ্ৰাপ্তি আৰু অতৃপ্ত বাসনাই জুমুৰি ধৰিলে হৃদয়ৰ উপত্যকাত গজালি মেলা কোমল প্ৰেমৰ কুঞ্জলতা। আপুনিও নিঃশেষ কৰিলে, নিজৰেই অধিকাৰ। নহ'লেনো নোসোধাকৈয়ে থাকেনে, কেনে আছে আপোনাৰ ৰাধা তথাপিও প্ৰশ্নবিহীনতাৰে আপোনালৈ মোৰ উত্তৰ 'আপুনিবিহীন মই বিৰহৰ লুইতত পাখি ভঙা বিহগ'। বিৰহত দগধ বিৰহী বিহংগৰ কল্লোল, কোন ৰাতি কাণ পাতি শুনো নে কৈলাস পৰ্বতৰ বুকুত সতীৰ সন্ধানত অহৰ্নিশে ডম্বৰু বজাই লিখে সতীৰ অলংকাৰেৰে নিতৌ এটি বাখৰুৱা কবিতা? আপুনি আধুনিক কানাই। দুগৰাকী নাৰীকো সজালে আধুনিক ৰাধা আৰু ৰুক্মিণী। আধৰুৱা কাহিনীৰে সংপৃক্ত জীৱনৰ ডায়েৰী। মই ৰাধা হ'ব নোৱৰাৰ দুখত, মৰুভূমিৰ উত্তপ্ত বালিত পেলাই দিয়ে। হৃদয়ৰ প্ৰকৃত প্ৰেমৰ ৰাগী। এই অজুহাতত অভিনয় কৰিছোঁ সুখী হোৱা, সুখৰ মায়াৱী স্বপ্ন। আৰু! আৰু... ৰুক্মিণীও আজি ব্যস্ত, আপোনাক পাহৰাৰ প্ৰস্তুতিত মগ্ন। আপুনিও মোৰ কাষলৈ আহিব নোৱৰাকৈ মই ঘৰ সাজিলো দিহিঙৰ কাষত। কিন্তু ৰুক্মিণী! তাইৰ হৃদয়লৈ যোৱাৰ বাট মসৃণ। সেয়েহে, কৌশল কিম্বা চলেৰে তাইক পুনৰ আপুনি সতী সাজিলে। য'ত আপুনি এতিয়া লিখে... "সতীৰ সন্ধান শিৱা কথাবোৰ তেনেই সহজ নহয়নে? — কৃষ্ণৰ পৰিৱৰ্তে আপুনি শিৱ আৰু ৰুক্মিণী সতী অৰ্থাৎ পাৰ্বতী।'...

কথাখিনি ব্যক্ত কৰি, উপন্যাসখনে পাঠক সমাজক নিৰাশ নকৰাৰ প্ৰতিশ্ৰুতিৰে বাকীখিনি শ্ৰদ্ধাৰ পাঠক সমাজলৈ এৰি তেওঁ উন্মোচনী দুআষাৰ সামৰণি মাৰে।

সূৰ্যোদয়ৰ পাছত সূৰ্যাস্ত। সেইদৰেই আৰম্ভণিৰ শেষত অন্ত। কাৰ্যসূচীৰ নিয়ম অনুসৰি অনুষ্ঠানটোৰ শেষৰ পৰ্যায়ত নীলাঞ্জনা সন্দিকৈৰ দুহাতেৰে তেওঁৰ যাদুকৰী হাতেৰে নিৰ্মিত এটি মাটিৰ মূৰ্তি অমৰজ্যোতি শইকীয়াক প্ৰদান। মঞ্চৰ সোঁমাজলৈ দুয়োকে আদৰি নিয়ে। পেপাৰ কাগজখন খুলি তেওঁৰ দুহাতত মূৰ্তিটো তুলি, হেজাৰ কৌতুহলী মনৰ থৰথৰ অন্ধকাৰ প্ৰহৰ ভাঙি মুখৰ পৰা নিজৰ মাস্কখন আঁতৰাই দিয়ে। এজাউৰি হাতচাপৰিৰ বিপৰীতে নীলাঞ্জনাৰ কাণত প্ৰতিধ্বনিত হয় অমৰজ্যোতিৰ মুখেৰে নিগৰিত হোৱা শব্দ 'ভাস্বতী'। তাৰ পাছতহে কৰ্ণগোচৰ হয়, অনুষ্ঠানত সকলো ব্যক্তিয়ে একেলগে কোৱা... "ড° ভাস্বতী শৰ্মাই মানে নীলাঞ্জনা সন্দিকৈ। অপৰিকল্পিত। কিন্তু কিয়?"

নীলাঞ্জনা সন্দিকৈ, তেনেই এখন চিনাকি মুখ। কিন্তু সাহিত্য সমাজত তেখেত কাব্যৰ ৰাণী হিচাপে পৰিচিত। কি কাৰণ হ'ব পাৰে ড° ভাস্বতী শৰ্মাই আত্মগোপন কৰাৰ প্ৰকৃত কাৰণ?

নীলাঞ্জনা অৰ্থাৎ ড° ভাস্বতী শৰ্মাই প্ৰদান কৰা মাটিৰ মূৰ্তিটো হাতত তুলি শিল পৰা কপৌৰ দৰে জঠৰ হৈ পৰে অমৰজ্যোতি। কৃত্ৰিম লাইটৰ পোহৰত তেওঁৰ হাতত থকা মূৰ্তিটো জিলিকি উঠে— ৰাধা আৰু ৰুক্মিণীক সাবটি মধ্যত সুজান (চতুৰ) কৃষ্ণ। কৃষ্ণৰ মুখত ভুৱন ভুলোৱা হাঁহি। উভঙাত ৰাধা আৰু ৰুক্মিণী নয়নত বিষাদৰ অশ্ৰু। ইয়াৰোপৰি ৰুক্মিণীৰ একাংশ শৰীৰ, সতীৰ ৰূপত। মূৰ্তিটোত প্ৰতিফলিত হৈছে পদ্মধৰ বৰুৱাই ব্যক্ত কৰা উপন্যাসৰ মূল চিত্ৰকল্প। অমৰজ্যোতিৰ দৰেই অস্থিৰ হৈ পৰে এই অনুষ্ঠানৰ ঘোষিকা, নন্দিনী শইকীয়া। যি অমৰজ্যোতিৰ প্ৰেমিকা। তাইৰ বুজিবলৈ বাকী নাথাকিল কিয় ড° ভাস্বতী শৰ্মাই ছদ্মনামত "ৰহস্যৰ আখলত জীয়া বাস্তৱ" উপন্যাস ৰচনা কৰাৰ উপৰিও এই মূৰ্তিটো কেৱল মাত্ৰ অমৰজ্যোতিক ৰাজহুৱাকৈ প্ৰদান কৰে?

ড° ভাস্বতী শৰ্মা যিহেতু এটা পৰিচিত নাম, সেয়েহে তাইৰ বিষয়ে অমৰজ্যোতিও অজ্ঞাত নহয়। ভাস্বতী এগৰাকী কেন্সাৰ ৰোগী। তাইৰ হাতত খুব সম্ভৱতঃ কেইটামান দিন। অমৰজ্যোতিয়ে এতিয়া উপলব্ধি কৰিছে, কিয় সেইদিনা ভাস্বতীয়ে নিমন্ত্ৰণী চিঠিত লিখিছিল— "মোৰ জীৱনৰ এইখন অন্তিমখন উপন্যাস।"●●

# বাস্তৱো এক সপোন

হিমাশ্ৰী গগৈ



কিন্তু সেই সময় আৰু নাথাকিব কাৰণ পোনাকণে চাকৰি কৰিব তাৰ পইচাৰে সিহঁতৰ অভাৱ পূৰণ কৰিব। আগৰ দৰে সমাজৰ আগত সংকোচে বা লাজত নুলাই কিয়নো সমাজৰ বাবে দান-বৰঙনি দিবলৈ সক্ষম হৈছে। এটা চাকৰিয়ে তাৰ জীৱনটো সলাই পেলাইছে।

বসন্ত আহিছে আনন্দ লৈ পৃথিৱীক নিজৰ সৌন্দৰ্যত আপলোড কৰি সকলোৰে হৃদয় জিনিছে। গছ-গছনিয়ে ৰূপ সলাই মতলীয়া হৈছে। কিন্তু সিটো নাজানে আমাৰ দৰে জীয়াই থকা মানুহৰ কথা, মাথোঁ কঢ়িয়াই আনিব জানে সামৰ্থ্য থকা মানুহ আনন্দ। আমাকটো অচিনাকিৰ ভেশেৰে মাথোঁ পাৰ হৈ যাব যিয়ে দি থৈ যাব ভয়, শংকা। সিটো নুবুজে পথাৰৰ মাজত নিজৰ ঘৰটো ঢাকিবলৈ নৰা কটা সময়ৰ কথা। বৰষুণ ধুমুহাৰ তোৰ-মোৰ বুকুৰ বিষাদৰ কথা ওৰে ৰাতিটো চালৰ তলত বহি পানী টোকাৰ কথা। সি নুবুজে আষ্ট!

দীৰ্ঘ হুমুনিয়াহ কাঢ়ি পোনাকণে মাকক ক'লে, "আই মোৰ বৰ ভোক লাগিছে, ভাত কেইটামান থাল এখনত উলিয়াই দে চোন।" মাকে সংকোচে ক'লে, "পিছে শাক নাই নহয় খাৱ যদি ভাতত পানী অলপ ঢালি দিওঁ তাতে পিয়াজ এচকল কাটি ল'। বাৰীৰ চাংখনত দুই-তিনিটা লাউ লাগি আছে সেইকেইটা চিঙিবলৈ যাওঁতে মই বহুত ভাবিলো। বাৰীখনত আৰু অন্য শাক বুলিবলৈ নায়ে। অ' শুনচোন অহা দেওবাৰে তই হাটলৈ লাউকেইটা লৈ যাবি কিবা এটা টকা উপাৰ্জন হ'ব অথচ ঘৰলৈ তেল নিমখকেইটা যুগুত হ'ব।

কিমাননো আৰু ভাষণ দীঘলীয়া কৰিবি হাঁহি মাৰি পোনাকণে ক'লে, "অ' বিহুলৈ বুলি পানীটেঙা থোৱা দেখিছিলো তাৰে অকণ যুতি লৈ চাওঁ দে কেনেকুৱা হৈছে ক'ব পাৰিম।" মাকে চুঙাটোৰ পৰা অলপ উলিয়াই ক'লে, "এইকণ খাই শেষ কৰিব নোৱাৰ, বিহুত আলহী-দুলহী এযোৰ আহিলে মাছ এটাৰ লগত যুতি ধৰিবকে পাৰিম।"

ভাতকেইটা খাই পোনাকণে বাঁহৰ ঠেকা লগা চাংখনতেই অলপ বিশ্ৰাম ল'লে। চাংখনৰো অৱস্থা নাই যেনে-তেনে নিজৰ দুখ সহি আছে।

পুৰাই পোনাকণৰ ঘৰ উদুলি-মুদুলি পৰিৱেশ। গাঁৱৰ মানুহে পোনাকণৰ ঘৰলৈ পোনাকণৰ খবৰ ল'বলৈ আহিছে কিয়নো পোনাকণে নৱনিযুক্তি পাইছে। অত দিনৰ কষ্টৰ সি আজি ফল হিচাপে পাইছে। কিমান যে কষ্ট কৰিছিল, গাঁৱৰ ল'ৰা-ছোৱালীক টিউচন কৰি ঘৰখন চলোৱাৰ উপৰিও গাঁৱৰ দুই এঘৰত কাম কৰি নিজৰ কলেজৰ মাচুলৰ খৰচ উলিয়াই লৈছিল। মাকে হাঁহ-কুকুৰা বেচি আৰু য'ত যি পাইছিল ল'ৰা-ছোৱালী হালৰ লগতে খৰচ কৰিছিল।

পোনাকণে প্ৰথম দৰমহাৰে তাৰ মাকক এযোৰ ভাল চাই কাপোৰ কিনি দিব কাৰণ সি জানে তাৰ মাকৰ পিন্ধিবলৈ বুলি মাথোঁ দুযোৰেই কাপোৰ তাকো তাৰ মাকে সাল-সলনি কৰি সযতনে পিন্ধে। তাৰ মাকে কেতিয়া কাপোৰ লৈছিল তাৰ মনত নপৰে। পইচাৰ টনা-টনিতে মাকে একো লোৱাৰ হেঁপাহ নেদেখুৱাই। কিন্তু সি জানে মাকৰ মনৰ কথা পোনাকণে অনুভৱ কৰিব পাৰে মাকৰ অভাৱবোৰ। ভনীয়েকেয়ো তাৰ আগত ব্যক্ত নকৰে তাৰ প্ৰয়োজনবোৰ। কাৰণ তাই জানে তাৰ প্ৰয়োজন পূৰাবলৈ তাইৰ ঘৰখন বা তাইৰ ককায়েক সক্ষম নহয় আৰ্থিকভাৱে। আজি কিমান দিন হ'ল তাই শুদা ভৰিৰেই স্কুললৈ অহা-যোৱা কৰি আছে। তাৰ নীলা চেণ্ডেল যোৰৰ অৱস্থা কাঢ়িল, চিঙাৰ পাছতো তাঁৰ লগাই তৈয়াৰ কৰি লৈছিল কিন্তু এতিয়া চেণ্ডেযোৰেও লাজহে পাই যে তাৰ অৱস্থা দেখি। সেয়েহে তাই পিন্ধিবলৈয়ে এৰিলে আৰু পিন্ধিলেও তাৰ লগৰ ল'ৰা-ছোৱালীয়ে তাইক শুধি ঠাট্টা কৰে নতুন চেণ্ডেল যোৰ কেতিয়া ল'লা বুলি।

কিন্তু সেই সময় আৰু নাথাকিব কাৰণ পোনাকণে চাকৰি কৰিব তাৰ পইচাৰে সিহঁতৰ অভাৱ পূৰণ কৰিব। আগৰ দৰে সমাজৰ আগত সংকোচে বা লাজত নুলাই কিয়নো সমাজৰ বাবে দান-বৰঙনি দিবলৈ সক্ষম হৈছে। এটা চাকৰিয়ে তাৰ জীৱনটো সলাই পেলাইছে। তাৰ আশা এটা সুন্দৰ ঘৰ সজাৱ। পোনাকণৰ মনলৈ আহিল সি চাকৰিলৈ যাবলৈ তাকটো এখন বাহনৰ প্ৰয়োজন হ'ব; এনেওটো তাৰ বাহন এখন লোৱাৰ ইচ্ছা আছিল তাৰ লগতে মাক-

আজি কিমান দিন হ'ল
তাই শুদা ভৰিৰেই স্কুললৈ
অহা-যোৱা কৰি আছে।
তাৰ নীলা চেণ্ডেল যোৰৰ
অৱস্থা কাঢ়িল, চিঙাৰ
পাছতো তাঁৰ লগাই
তৈয়াৰ কৰি লৈছিল কিন্তু
এতিয়া চেণ্ডেযোৰেও
লাজহে পাই যে তাৰ
অৱস্থা দেখি। সেয়েহে
তাই পিন্ধিবলৈয়ে এৰিলে
আৰু পিন্ধিলেও তাৰ লগৰ
ল'ৰা-ছোৱালীয়ে তাইক
শুধি ঠাট্টা কৰে নতুন
চেণ্ডেল যোৰ কেতিয়া
ল'লা বুলি।

ভনীয়েকহঁতক ফুৰাব পাৰিব। যিহেতু এতিয়া তাৰ চাকৰি হ'ল সি এই আশা নিমিষতে পূৰ্ণ হ'ব। পোনাকণে এই বাস্তৱখিনি সাবটি সি যেন আজি খুব সুখী। আকাশৰ তৰাটো যেন আহি তাৰ কপালত পৰিলহি।

অস্পষ্টভাৱে পোনাকণে কথাৰ গুণগুণনি শুনিবলৈ পালে, ভনীয়েক স্কুলৰ পৰা আহি পালে চাগৈ, পাকঘৰত কাঁহী-বাটিৰ খটং খাটাং কৰা শব্দ। থতমত খাই পোনাকণে এনে অনুভৱ কৰিলে সেই বাস্তৱটো এক সপোন আছিল।●●

# ধনৰ মাক

চিৰঞ্জীৱ সন্দিকৈ

ৰাতি প্ৰায় ন বজাত সকামখন ভাগিল। প্ৰায়বোৰ মানুহেই এতিয়া ঘৰাঘৰি গুচি গৈছে। সৰুঘৰটোত কাৰোবাক থাকিবলৈ ক'বলৈকো অসুবিধা— ক'ত শুব, কি কৰিব? তথাপিও মজিয়াই চজিয়াই শুম বুলিয়েই দুই এজন ঘৰৰ মানুহ ৰৈ গৈছে। সকাম খায়েই আলহীৰ নিচিনাকৈ সিহঁতৰ সত নগ'ল বুঢ়ীজনীক এৰি থৈ যাবলৈ। বুঢ়ী মানে ধনৰ মাকেও গোটেই দিনটো টাকুৰি ঘূৰাদি ঘূৰি এতিয়া দুখে-ভাগৰে বিছনাত পৰিবলৈ ল'লে। এনেতে চেপা উত্তেজনা এটাই সকলোকে সচকিত কৰি তুলিলে, বাহিৰৰ পৰা অশ্লীল শব্দ কিছুমান উফৰি আহি কাণত খুঁট মাৰিলেহি।

"(অশ্লীল), তোৰ আজি বাপেৰ মৰা কেইদিন হ'ল ঐ কুকুৰৰ পোৱালি। (অশ্লীল) আজি দেউতাৰ দহাৰ দিনাও তই এইবোৰ কৰিছ (অশ্লীল)। তই ড্ৰাগছ খাব আহিছ, চিৰিঞ্জ লৈছ। তোক মই। ...শুনক চবেই। শৰত গোস্বামীয়ে ড্ৰাগছ খায় শৰত গোস্বামীয়ে চিৰিঞ্জ লয়। (অশ্লীল) তাৰ দেউতাক ঢুকাল, মাক বিধৱা হৈ গ'ল সি এইবোৰৰ পৰা আহিৰ পোৱা নাই। তোক মই... ওলাই আহ ঐ কুকুৰৰ পুতেক...'

মাতযাৰ নিচেই চিনাকি। ধৰণী মানে বুঢ়ীৰ ডাঙৰ ল'ৰাটোৰ মাত। কথাখিনি শুনি কাৰো বুজিবলৈ বাকী নাথাকিল কি ঘটিছে। শৰত গোস্বামী অৰ্থাৎ ধনে ড্ৰাগছ লৈছে, তাকো সদ্যহতে মৃত্যু হোৱা স্বৰ্গীয় দেউতাকৰ সকামৰ দিনা। কাৰ খং নুঠিব। এক প্ৰচণ্ড বিৰক্তি আৰু ক্ষোভত বিছনাৰ পৰা উঠি পদূলি পালেগৈ। ইতিমধ্যে কাজিয়া হৈছে বুলি দুই এজন মানুহ গোট খাই গৈছিল, কথাটো ডাঙৰ হ'ব বুলি ভাবিয়েই ঘৰৰ আলহী কেইজনে ল'ৰাটোক বুজাই বঢ়াই শান্ত কৰিবলৈ চেষ্টা কৰিলে। বুঢ়ীয়ে বুজিলে আজি ডাঙৰ ল'ৰাটো ইয়াত থাকিলে মাৰপিট এখন হ'বই, সেইকাৰণে বোৱাৰীয়েক-নাতিয়েকক বুজাই মেলি ল'ৰাটোক নিজৰ ঘৰলৈ পঠাই দিলে। কুৰুক্ষেত্ৰ এখন হওঁ নহওঁকৈ বাচি গ'ল।

ধন সদায় এনেকুৱা নাছিল। ধৰণী আৰু শৰত দুয়োটাই ভাল। আনকি ধৰণীতকৈও শৰত পঢ়া-শুনাত মেধাৱী আছিল। কিন্তু হঠাৎ কি হৈ গ'ল কোনেও ধৰিবকে নোৱাৰিলে। মেট্ৰিকত চাৰিখন লেটাৰ পোৱা ল'ৰাটোৱে মদ-ভাঙ খাই নিচা কৰিবলৈ ল'লে আৰু একেবাৰে শেষত চিৰিঞ্জতো হাত দিলে। ধনৰ মাকে তাক এইবোৰৰ পৰা আঁতৰাই আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলে। চাকৰি-বাকৰি নথকা, সকাম আৰু দানৰ ওপৰত চলি থকা ঘৰখনে মাটি-বাৰী বেচিও তাক চিকিৎসা কৰোৱাৰ ব্যৱস্থা কৰিলে। কিন্তু নাই, কোনো ফল নধৰিলে। মাকে ভাবিছিল ল'ৰাটো এদিন আগৰ দৰে হৈ পৰিব, ধনৰ মাকৰ সেই আগৰ ধনটো উভতি আহিব। ইফালে ধনে ড্ৰাগছৰ বাবে ঘৰৰ বস্তু-বাহনি বেচি শেষ কৰিবলৈ ধৰিলে। কাঁহৰ বাচন বৰ্তন, পাট-মুগাৰ কাপোৰ, কাঠৰ আচবাব সকলোবোৰ। নিচাত মাতাল ধনক কোনেও বাধা দিব নোৱাৰিলে। বাধা দিলেই মাক-বাপেকক অশ্ৰাব্য গালি-গালাজ আৰু মাৰপিট কৰিবলৈ ধৰে সি। এদিন সকলো সীমা পাৰ কৰি ধনে গোসাঁই ঘৰত থকা সোণ-ৰূপৰ ফুল আৰু চৰণ পাদুকা যোৰো বিক্ৰী কৰি ড্ৰাগছত উৰুৱাই দিলে। বাপেকে কপাল চপৰিয়াই ক'লে— 'এই ৰাক্ষসটো মৰি নাথাকে কিয়? ই মোৰ চব শেষ কৰিলে।' বাপেকে মৰিব ক'লেও মাকে নোৱাৰে। কিমান কষ্টৰে তুলি-তালি ডাঙৰ কৰিছে, কত সপোন দেখিছে। অবাধ্য হ'ল বুলিয়েই এৰি দিব নেকি, মৰিবলৈ ঠেলি দিব নেকি? সকলো ৰাস্তাই ব্যৱহাৰ কৰি চালে, একো বাকী নাৰাখিলে ধনৰ মাকে। সকলো উদং কৰিও পিছে একো লাভ নহ'ল, ধন সলনি

হ'ল সি আগৰ ধনটো হৈ উভতিব নোৱাৰিলে। দৰিদ্ৰতা, বাৰ্ধক্য, ৰোগ আৰু মানসিক চাপত পৰি ধনৰ দেউতাক ঢুকাল। আজি তেওঁৰ দহা-সকাম আৰু আজিৰ দিনটোতো সি ড্ৰাগছ আৰু চিৰিঞ্জৰ নিচাত বিৱেকহীন আৰু মাতাল হৈ পৰি ৰৈছে পাছ চোতাল। মাকৰ বুকুখন ফাটি যাওঁ, চিটি যাওঁ কৰিল। উফ্ ল'ৰাটোক নিজৰ চকুৰ সন্মুখতে এনেকৈ তিলতিলকৈ শেষ হৈ যোৱাটো কেনেকৈ চাই থাকিব পাৰি। "ঈশ্বৰ মোকো মাৰি নিয়া সোনকালে।" ধনৰ মাকে মনতে ভাবিলে।

পাছদিনা ধৰণী আকৌ আহিল। লগত তাৰ আৰু দুটা মানুহ। মাকৰ লগত ভিতৰত মনে-মনে দুটামান কথা পাতিলে। আজি কিছু সুস্থিৰ যেন লগা ধনে পাকঘৰত সম্বন্ধীয় বায়েক এগৰাকীৰ সৈতে ভাত খাই আছিল। ককায়েকক দেখি তাৰ বুকু কঁপি উঠিল যদিও মনে মনে ভাত খাই থকিল। মাকহঁতে কি কথা পাতিছে শুনিবলৈ চেষ্টা কৰিও শুনা নাপালে। কিন্তু সেয়া জানিবলৈ তাৰ বেছিপৰ নালাগিল। ককায়েকে তাক তেজপুৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিছে, মাকেও সন্মতি দিছে। তাৰ মুঠেও মন নাই, কিন্তু প্ৰতিবাদ কৰিব নোৱাৰে। পৰিস্থিতি মাৰাত্মাক হৈ পৰিব পাৰে। ধন যাবলৈ ওলাল, মাকে কাপোৰ-কানি বান্ধি তাক সেমেকা চকুৰে বিদায় দিলে। আশা এটাই— ধন ভাল হৈ উভতি আহক।

ধন তেজপুৰলৈ যোৱা কেইবা সপ্তাহো হ'ল। মাজে মাজে তাৰ খবৰ আহে, ফোনতো পায়। নিজৰ পেটৰ পোৱালিক বহুদিনলৈ নেদেখিলে কেনে লাগে সেয়া অকল মাকেহে জানে। সৰু ঘৰটোতে ধনৰ মাকে এক অবুজ আশা লৈ অকলশৰে দিন কটাবলৈ ধৰিলে। বুকুত এবোজা দুখ সামৰি দুৰ্বিসহ দিনবোৰ কেনেকৈ পাৰ হৈছে তাই নাজানে। জীৱনৰ বিয়লিবেলাত এনে নিঃসংগতা কোনো মানুহৰে কাম্য নহয়। মানুহক জীয়াই থাকিবলৈ মানুহৰ প্ৰয়োজন আৰু সেই মানুহবোৰ থাকিও নাথাকিলে মানুহ এজন মৰি যায় ভিতৰি ভিতৰি। পাহৰি যায় হাঁহিবলৈ, পাহৰি যায় কান্দিবলৈ— কেৱল এক অব্যক্তি অনুভৱ লৈ জীৱন্ত মৃতদেহ হৈ জীয়াই থাকে এটি একান্ত নিবিড় আশা বুকুত লুকুৱায়।

ধনৰ মাকৰ সেই নিবিড় আশাটো হৈছে, ধন এদিন উভতি আহিব, সি আকৌ উভতি আহিব এজন সুস্থ মানুহ হৈ। সি আহিবই লাগিব। তাৰ বাবেইটো সৰুকৈ হ'লেও এই ঘৰ বান্ধিছে মাকে, তাৰ বাবেইতো বেচি দিলে কঠা কঠাকৈ মাটি। ধনৰ মাক এইকেইদিন বৰ অকলশৰীয়া। বৃদ্ধ মানুহ এজনীৰ ওচৰলৈ কথা পাতিবলৈকো কোনো নাহে, ঘৰৰ মানুহবোৰেও এক উপেক্ষাৰ দৃষ্টিৰে চাই। ধৰণীৰ ব্যস্ততা, মাকতকৈ বেছ গুৰুত্বপূৰ্ণ। আজি ধন থকা হ'লে ভাল আছিল। এৰা সি ড্ৰাগছ-মদত নধৰা হ'লে আজি সি এটা সফল মানুহ হৈ সমাজত জিলিকি থাকিল হয়— এইবোৰকে ভাবি থাকে ধনৰ মাকে। দিনটো ছাগলী দুটা নহ'লে মেকুৰী কেইটাকে কিবাকিবি কৈ থাকে, কথা ক'বলৈকো মানুহৰ অভাৱ। ছাগলীৰ লগত কথা পতা দেখি সৰু ল'ৰামখাই ধনৰ মাকক নতুন নামেই দি পেলালে— ছাগলী বুঢ়ী। ছাগলী বুঢ়ীক লৈ মানুহৰ এতিয়া অনেক কৌতূহল। বহুতে এতিয়া বুঢ়ীৰ মানসিক বিকৃতি ঘটিবলৈ আৰম্ভ কৰিছে বুলিও সন্দেহ কৰিব ধৰিছে। প্ৰায়েই তাই চোতালত বহি থাকি পদূলিলৈ চাই থাকে একেৰাহে, কোনোবাই মাতিলেও ভালকৈ মাত নিদিয়ে। কেতিয়াবা গোটেই দিনটো বৰশী বাই মাছ ধৰে, মেকুৰীকেইটাক কোঁচত লৈ ফুৰে আৰু একো নকৰিলেও পদূলিত ৰৈ থাকি কোনোবা চিনাকি মানুহ পালেই কাগজৰ টুকুৰা এটা দি ফোন লগাবলৈ নাম্বাৰ এটা দিয়ে। কেতিয়াবা লাগে, প্ৰায়েই ফোনটো নালাগে। পদূলিৰ কাকিনী তামোল কেইজোপাৰ তলত এতিয়াও ৰৈ থাকে ধনৰ মাক এক প্ৰাচীন বিধ্বস্ত অশৰীৰি আত্মাৰ দৰে। নিঃসংগতাৰ ভগ্নাৱশেষত তাইৰ বৃদ্ধ শৰীৰ ধ্বংসপ্ৰাপ্ত হৈছে লাহে লাহে; তথাপিও তাইৰ গভীৰ চকুজুৰিত এতিয়াও জীয়াই আছে এটা মাত্ৰ জীয়াই থকাৰ আশা— 'মোৰ ধন আকৌ ভাল হৈ উভতি আহিব।'●●

# বিশ্বাসঘাতক

কিশোৰ বৰ্মন



...বাৰ্বীৰ কোনো কথাই তেওঁৰ কৰ্ণপৰ্দা ছেদন কৰিব পৰা নাছিল। ইমানপৰত ৰাহুলে তাইৰ সোঁহাতখনৰ আঙুলিৰ ফাঁকেৰে নিজৰ বাঁওহাতৰ আঙুলিবোৰ সুমুৱাই দিলে। সিহঁত দুজনৰ সম্পৰ্কটোৱে আজি অন্য এটা ৰূপত পুনৰ জন্ম ল'বলৈ হাবিয়াস কৰিলে। কিছু সময়তে এজনে আনজনক সাবটি ধৰিলে। বাৰ্বীয়ে তেওঁক আজি ধৰা হাত দুখন কেতিয়াও এৰি নিদিবলৈ কাতৰ অনুৰোধ জনালে। ৰাহুলে তাইৰ কপালত ভৰসাদায়ক চুমা এটি খালে।...

বছৰ শেষৰ দিনটো ৰূমমেটসকলে বৰ আড়ম্বৰপূৰ্ণতাৰে কৰা পাৰ্টিটোত বাৰ্বী অলপো আগ্ৰহী নহয়। ডিব্ৰুগড় হোষ্টেলখনত অহাৰে পৰা আজি প্ৰথম এনেধৰণৰ পাৰ্টিৰ সন্মুখীন হৈছে। প্ৰত্যেকে নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছে। কোনোৱে মাংস কটাত, কোনোৱে নহৰু-পিয়াজ আৰু আদাৰ বাকলি এৰুৱাত, কোনোৱে চৌকা বনোৱাত, কোনোৱে আকৌ বয়ফ্ৰেণ্ড/ গাৰ্লফ্ৰেণ্ডৰ সৈতে বৰকৈ কথা পতাত। কিন্তু বাৰ্বীয়ে নীৰৱে অকলশৰে নাতি দূৰত অন্ধকাৰত বহি আকাশৰ অকলশৰীয়া জোনটো চাই আছিল। মনগহণত মেটমৰা বিষাদ, দুচকুত পানী। যেন অপ্ৰত্যাৱৰ্তিত এক সময়ৰ প্ৰতীক্ষাৰে তাই বাট চাই আছে। আজি তাইৰ কাষত কোনো নাই। এসপ্তাহ আগতে তাইৰ জীৱনৰ হীৰাতুল্য তাইৰ পৰা বিচ্ছিন্ন হৈ গৈছে। তাইৰ হৃদয় এতিয়া জোনাক বিহীন আকাশ। এতিয়া সংগী মাথোঁ হাতৰ ম'বাইলটো। দিনে-ৰাতিয়ে ইউটিউব আৰু ফেচবুকতে তাই সময়বোৰ অতিবাহিত কৰিছে।

হঠাতে মেচেঞ্জাৰত অহা মেছেজ এটাই তাইৰ নীৰৱতাক ভাঙি দিলে। ৰাহুল বোলা ল'ৰাজনে প্ৰতিদিনাৰ দৰে আজিও হেল্ল' বুলি মেছেজ দিছে লগতে নতুন বছৰৰ শুভেচ্ছা। অতদিনে গুৰুত্ব নিদিয়া ৰাহুলক আজি তাই আওকাণ নকৰিলে। প্ৰতি শুভেচ্ছা জনোৱাৰ লগতে বাকী খবৰ পাতিও সুধিলে। কিছু কম সময়তে ৰাহুলৰ ধেমেলিয়া আচৰণে তাইৰ মুখত হাঁহি আৰু মনত আনন্দৰ ঢৌ তুলিবলৈ সক্ষম হ'ল। অলপ সময়ৰ ভিতৰতে ফোনৰ যোগাযোগ আৰম্ভ হ'ল। ঘড়ীয়ে বাৰ বজাৰ সংকেত দিলে। গোটেই পৃথিৱীৰ লগতে বাৰ্বীয়ে চিঞৰি উঠিল হেপি নিউ ইয়েৰ বুলি। তেতিয়ালৈ ৰাহুল ফোনতেই আছিল। এসপ্তাহৰ পৰা পাই অহা কষ্টক যেন ৰাহুলৰ বন্ধুত্বই ধৰাশায়ী কৰি দিলে। পুৰণি বছৰটোৰ স'তে পুৰণি স্মৃতিবোৰক কবৰস্থ কৰি তাই নতুন বন্ধুজনৰ পৰা পোৱা আনন্দৰ নিজৰাত অন্য এক নতুন পৃথিৱীৰ ফালে বৈ যাব ধৰিলে।

আজি এমাহ হ'ল ৰাহুলৰ স'তে তাইৰ বন্ধুত্বৰ। তাইৰ মনত আৱেগ কষ্টবোৰ বিলুপ্তপ্ৰায় হ'ব ধৰিছে। এই সকলো সম্ভৱ হৈছে একমাত্ৰ ৰাহুলৰ বাবেই। ইমান কম সময়তে ইমান ভাল এজন বন্ধু পাব বুলি তাই কাহানিও কল্পনা কৰা নাছিল। তাই আজিকালি দোষ কৰা সুযোগেই নাপায়। কেতিয়াবা তেনে কথা ক'লে ৰাহুলে



মুহূৰ্ততে বিলোপন কৰি দিয়ে। ৰাহুল তাইৰ বাবে কেতিয়াবা হিৰো, কেতিয়াবা কমেডিয়ান হয়। ঘণ্টাৰ পিছত ঘণ্টা দুয়ো ভিডিঅ ক'লত সময় অতিক্ৰম কৰিবলৈ ধৰিলে।

ডিব্ৰুগড় মিলন নগৰত থকা ৰাহুলৰ ফাৰ্মাছিখন আৰম্ভ কৰা আজি ছবছৰেই হ'ল। ব্যৱসায় অতি উত্তম নহ'লেও বেয়াও নহয়। ঘৰতে চাৰি ভাই-ককাইৰ তেওঁ সৰু। আৰ্থিক অৱস্থা টনকিয়াল নহয় যদিও এম.এ. পাছ কৰি ফাৰ্মাছি এখনত তিনি বছৰ থাকি "ৰাহুল ড্ৰাগছ" নামেৰে নিজাকৈ এই ফাৰ্মাছিখন দিছিল। স্বভাৱত ভদ্ৰ, নম্ৰ এজন ল'ৰা তেওঁ যদিও মনে মিলা বন্ধুৰ স'তে কথা আৰম্ভ কৰিলে তেওঁ স'তে কথা কৈ কোনেও পাত্তা নাপায়। বাৰ্বী আৰু ৰাহুলৰ সম্পৰ্কৰ কথা হোষ্টেলখনৰ প্ৰতিজনী ছোৱালীয়ে গম পালে। তাইৰ বিষাদৰ সময়ছোৱাত প্ৰতিজনী ক্ৰমমেটে সমভাগী হৈছিল বাবে আজি তাইৰ চেহেৰাও বিৰিঙ ফুৰা আনন্দই সকলোকে সুখ দিব ধৰিলে আৰু সকলোৰে বিবেচনাত বাৰ্বী ৰাহুলৰ জুতিটো শ্ৰেষ্ঠ জুতি হৈ পৰিলে। বাৰ্বীৰ স'তে সকলোৰেই হেঁপাহেৰে বৈ আছে অতি সোনকালেই ৰাহুল আহিব তাইক লগ কৰিবলৈ।



আজি মাৰ্চ মাহৰ এঘাৰ তাৰিখ। বাৰ্বীৰ অনুৰোধ নৎস্যাত কৰিব নোৱাৰি তাইৰ স'তে তাইৰ গাঁৱলৈ যাবলৈ মান্তি হ'ল। আমোলাপট্টি বাছ আস্থানতে আজি প্ৰথমবাৰৰ বাবে লগ ধৰিব আৰু তাইৰ গাঁৱলৈ একেলগে যাব। অতি আগ্ৰহী ৰাহুলে পুৰা ন বজাৰ আধাঘণ্টা আগতেই বাছ আস্থানত উপস্থিত হ'ল আৰু তাইলৈ অপেক্ষা কৰিব ধৰিলে। আজি ঘড়ীৰ কাঁটাডাল যেন বৰকৈ ভোকাতুৰ হৈ পৰিছে। যাৰ বাবেই হয়তো আধা ঘণ্টা সীমা অতিক্ৰম কৰোঁতে চাৰি ঘণ্টা সময় খৰচ হোৱাৰ অনুমান হৈছে তেওঁৰ।। তাই আহিব... ৰাহুলে কোনোবা গাড়ীৰ আঁৰত লুকাই থকিব... পিছফালৰ পৰা হঠাৎ বাৰ্বী বুলি মাতি ছাৰপ্ৰাইজ দিব... কত কি যে কল্পনা!! কিন্তু তেওঁৰ বুকুৰ ধপ্‌ধপনিবোৰৰ উৎপাতত তেওঁৰ দুভৰি কঁপিব ধৰলে।

পিছফালৰ পৰা কোনোবাই চকু দুটা দুই হাতেৰে জপাই ধৰাত ৰাহুলে চমকি উঠিল। নিজৰ দুহাতেৰে অচিনাকি হাত দুখন এৰোৱাব ধৰাত তেওঁৰ নাকত ভাহি আহিল এক নাৰীসুলভ সুবাস, লগতে অন্য এক ব্যতিক্ৰমী সুঘ্ৰাণ। তেওঁ পিছফালে ঘূৰি চালে মাস্ক আৰু দীঘল চুলিৰ আঁৰত এখনি চিনাকি মুখ। এইয়া সপোন হয়, অপেশ্বৰীজনী বাৰ্বীয়েই হয় আৰু সশৰীৰে তেওঁৰ সন্মুখতে।

তাই হাতত ধৰি ৰাহুলক বাছত উঠালে। বাছ ষ্টাৰ্ট হ'ল। আৰম্ভ হ'ল সিহঁতৰ বাৰ্তালাপ। কিন্তু বাৰ্তালাপটো এক পক্ষীয় আছিল কাৰণ ৰাহুলে গালত হাত দি একেলেথাৰিয়ে তাইৰ দুই ওঁঠৰ নাচোনবোৰহে চাই আছিল। বাৰ্বীৰ কোনো কথাই তেওঁৰ কৰ্ণপৰ্দা ছেদন কৰিব পৰা নাছিল। ইমানপৰত ৰাহুলে তাইৰ সোঁহাতখনৰ আঙুলিৰ ফাঁকেৰে নিজৰ বাঁওহাতৰ আঙুলিবোৰ সুমুৱাই দিলে। সিহঁত দুজনৰ সম্পৰ্কটোৱে আজি অন্য এটা ৰূপত পুনৰ জন্ম ল'বলৈ হাবিয়াস কৰিলে। কিছু সময়তে এজনে আনজনক সাবটি ধৰিলে। বাৰ্বীয়ে তেওঁক আজি ধৰা হাত দুখন কেতিয়াও এৰি নিদিবলৈ কাতৰ অনুৰোধ জনালে। ৰাহুলে তাইৰ কপালত

ভৰসাদায়ক চুমা এটি খালে।

হেণ্ডিমেনৰ চিঞৰত দুয়ো সংযত হ'ল। মানে গন্তব্যস্থল পোৱাৰ সংকেত। বাছৰ পৰা সিহঁত নামিল। বেলিয়ে ইতিমধ্যে এন্ধাৰৰ হাতত আত্মসমৰ্পণ কৰিছে। কোনো কাৰো পৰা বিদায় ল'ব পৰা নাই। এক বিষাদময় পৰিৱেশ। ওচৰৰ দোকানৰ পৰা তাই ভালপোৱা ডেইৰী মিল্ক চকলেট লগতে ঘৰৰ কাৰণে এটা মিঠাইৰ টোপোলা কিনি তাইৰ হাতত দিলে। দুয়োৰে মাজতে বিচ্ছেদৰ টৌৱে মৌনতাৰ সৃষ্টি কৰিলে। এনেকৈ কিছু সময়...।। চৌদিশে কোলাহলে সিহঁতৰ মৌনতাক পৰাজিত কৰিব পৰা নাই। তাই ইতিমধ্যে ঘৰ পাই কিছু সময়ৰ বাবে ফোনৰ পৰা বিৰতি হোৱাৰ অনিচ্ছাকৃত অনুমতি মাগিলে। তেওঁৰ সহমত পোৱাত তাই ফোন কাটি কমত সোমালে।

বাৰ্বী-ৰাহুলৰ ভালপোৱাৰ গভীৰতাই আকাশ চুলেগৈ। যিহেতু দুয়ো ডিব্ৰুগড়তে থাকে গতিকে প্ৰতি ৰবিবাৰেই অডিটিঙৰ পৰ্ব থাকেই। এনেদৰেই ছেকেণ্ড, ঘণ্টা, দিন, মাহ, বছৰবোৰ স্ব-গতিত বৈ যাব ধৰিলে। পাৰ হ'ল দুটি বছৰ। মনৰ সম্পৰ্কই দৈহিক সম্পৰ্কৰ দিশে গতি কৰিলে। আজিকালি বাৰ্বীৰ মনত ৰাহুলৰ স'তে বিয়া হোৱাৰ চিন্তাৰ বাহিৰে অইন চিন্তাই স্থান নাপায়। পঢ়া-শুনাৰ প্ৰতি আকৰ্ষণ একেবাৰেই কমি গ'ল। কংকনেও নিজাকৈ মহানগৰীত ঘৰ এটা সজোৱাৰ আশাত বাৰ্বীক বুজাই পৰাই বিয়াৰ বিষয়টো পিছুৱায়। দুয়োৰে মাজতে অনুষ্ঠানিকতাৰ বাদে সকলো ক্ষেত্ৰত পতি-পত্নীৰ সম্পৰ্ক হৈ পৰিল। ক'ব গ'লে সিহঁত এতিয়া সমাজৰ স্বীকৃতিবিহীন এহাল দম্পতি।

সিহঁতৰ সম্পৰ্কই ভৰি দিয়া আজি তিনিবছৰ হ'ল। বাৰ্বী এতিয়া চাৰি মাহৰ গৰ্ভৱতী। কথাষাৰ ৰাহুলক কোৱাত ৰাহুলে অস্বস্তি অনুভৱ কৰিলে। ৰাহুলে বিচৰা নাই তাই সন্তান জন্ম দিয়ক। কিন্তু বাৰ্বীৰ জেদ, সিহঁতৰ বিয়াটো যিহেতু অচিৰেই সম্পন্ন হ'ব গতিকে তাই সন্তান এবুৰ্শ্যন নকৰে।

ডিচেম্বৰ মাহৰ শেষৰটো দিন। নতুন বছৰত উপহাৰ দিয়াৰ বাবে বাৰ্বীয়ে ৰাহুলৰ বাবে ধুনীয়া জোতা এযোৰ কিনিলে। তাই ছাৰপ্ৰাইজ দি বহুত ভাল পাই। সেইবাবে ভাবিলে আজি কংকনক ছাৰপ্ৰাইজ দিব। এই উদ্দেশ্য কল মেছেজ নকৰাকৈয়েই তাই তেওঁৰ ফাৰ্মাছি গৈ পালে। ফাৰ্মাছিত তেওঁ ৰাহুলক নাপালে যদিও মালিকৰ ছিটত সন্তানৰ সৈতে বহি থকা মহিলাজনীক ৰাহুল ক'ত বুলি সুধিলে। মানুহজনীয়ে বাৰ্বীক তাইৰ পৰিচয় সুধিলে, মহিলাজনীয়ে বাৰ্বীক তাইৰ পৰিচয় সুধিলত তাই নিজকে ৰাহুলৰ গাৰ্লফ্ৰেইণ্ড বুলি পৰিচয় দিলে। মহিলাজনীৰ মূৰত যেন আকাশ খহি পৰিল কাৰণ তেওঁ আছিল ৰাহুলৰ পত্নী বিদিশা আৰু লগৰ শিশুটো ৰাহুলৰ একমাত্ৰ সন্তান বিৰ্জু। বাৰ্বীৰ দুচকুত অন্ধকাৰে ছানি ধৰিলে লগতে অজ্ঞান হৈ মজিয়াত পৰি গ'ল। চৌদিশে মানহ চাপি আহি দোকানত ভিৰ কৰিলে। কাষ্টমাৰ ঘৰৰ পৰা ৰাহুল উভতি আহি দোকানত ভিৰ দেখি হতভম্ব হৈ পৰিল। পৰিস্থিতি বুজ ল'বলৈ ভিৰ ফালি ভিতৰত গৈ ঘটনাটো বুজি পালে আৰু বিপাঙত পৰি গ'ল। ইফালে উপস্থিত ৰাইজে বাৰ্বীৰ মূৰত পানী ঢালি তাইক সুস্থ কৰিছিল ইতিমধ্যে। পত্নী আৰু প্ৰেয়সীৰ ক্ষোভিত দৃষ্টিত ৰাহুলৰ যেন বাক্ শক্তি হেৰাই গ'ল। সন্তানৰ কান্দোন আৰু দুয়োৰে মৌন জেৰাত তেওঁ হুকহুকাই কান্দি উঠিল। অৱশেষত বাৰ্বীয়ে দুয়ো হাতেৰে চকুলো মচি মচি সেই ঠাই ত্যাগ কৰি চিধা মেডিকেললৈ গুচি গ'ল।

এবৰ্শ্যন কৰি ঘৰলৈ সোমোৱাৰ সময়ছোৱাতে তাইৰ স'তে কৰা বিশ্বাস ঘাটকতাৰ কথা ভাবি তাই সিদ্ধান্ত ল'লে যে জীয়াই থাকিবলগীয়া দিনকেইটাত "প্ৰেম" আৰু "বিবাহ" এই শব্দ দুটি পাহৰি যাব।●●

# বজ্ৰপাত

চানদ্বীপ গগৈ

আজিও আকাশখনত সেই ঘূৰণীয়া বতাহ জাকৰ চিন দেখিবলৈ পোৱা গৈছে, এনে লাগিছে যেন সকলোবিলাক বিধ্বংস কৰি আকাশখনক শুহিহে পেলাব। নিবিড়ৰিমাই বয়স অনুসৰি বৃদ্ধি নোহোৱা ভৰি দুটাৰে খৰ খোঁজেৰে হাৱাই চেণ্ডেলযোৰ চোঁচৰাই চোঁচৰাই ঘৰৰ দিশে ৰাওনা হ'বলৈ ধৰিছে। আকাশখনত গৰজি থকা ধ্বংসময় ক'লা ডাৱৰৰ আচ্ছাদন তাই সেইদিনাও দেখিছিল, যিদিনা তাইৰ প্ৰাণৰ দেউতাকে দেহ ত্যাগ কৰিছিল। দেউতাকৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালটোক নিবিড়ৰিমাই নিজৰ অক্ষম শৰীৰৰ দুৰ্বল কান্ধত তুলি ল'ব লগীয়া হৈছে। বয়স অনুযায়ী বিকশিত নোহোৱা হাত ভৰিকেইটালৈ তাই আজি কালি আওঁকাণ কৰে। এক প্ৰকাৰৰ পঙ্গুময় জীৱন নিবিড়ৰিমাৰ। ৰোগ বিধৰ সঠিক নাম নাজানে তাই ডাক্তৰে সাধাৰণভাৱে কোৱা মতে ই এক প্ৰকাৰৰ মাস্কুলাৰ ডিষ্ট্ৰফি যিয়ে পেশীৰ ডিষ্ট্ৰফিত অস্বাভাৱিক জিনে সুস্থপেশী গঠন কৰিবলৈ প্ৰয়োজনীয় প্ৰ'টিন উৎপাদনত বাধা দিয়ে, এই ৰোগৰ চিকিৎসা আছে নে নাই তাই নাজানে থাকিলেও তাই কৰিব নিবিচাৰে। ভগৱানে প্ৰদান কৰা শৰীৰত তেনেদৰেই সুখী তাই।

বেগেৰে আহি তাই এডোখৰ ঠাইত বৈ দিলে। বাঁওফাললৈ চাই তাইৰ হিয়াৰ কোণৰ অপ্ৰকাশিত দুখখিনি এবাৰ অনুভৱ কৰি ল'লে। সন্মুখত শুকাই নিৰশ হৈ পৰা বজ্ৰপতিত জৰী গছজোপাৰ দৰেই একেই তাইৰ পৰিয়ালটোৰ জীৱন। বজ্ৰপাতে যেনেদৰে গছজোপাক শুকাই নিৰশ কৰি এক কুৎচিত ৰূপ প্ৰেৰণ কৰিছে ঠিক একে দৰেই নিবিড়ৰিমাৰ পৰিয়ালটোক বজ্ৰপাতেই নিৰশ কৰি এক অপ্ৰীতিকৰ জীৱন প্ৰদান কৰিছে।

সেইদিনাও আকাশত এনেদৰেই ক'লা ডাৱৰৰ ডাঠ আচ্ছাদনৰ মাজেৰে ধীৰে ধীৰে বিজুলীৰ পোহৰসমূহ ভাহি আহি আছিল। কোন সময়ত সেই জিলিকি থকা বিজুলী পোহৰসমূহ বজ্ৰপাতৰ বিধ্বংসময় ফিৰিঙতি ৰূপ লৈ কৰ্ম ক্ষেত্ৰৰ পৰা উভতি অহা নিবিড়ৰিমাৰ দেউতাৰ গাত পৰি তেওঁৰ মৃত্যু প্ৰদান কৰিলে কোনেও গমকে নাপালে। বৰষুণৰ টোপালত ভিজি সোটোৱা পৰা শৰীৰটোত বজ্ৰপাতে এক বেঙুনীয়া আভাৰ সৃষ্টি কৰিছিল। দেউতাকৰ আলাসৰ লাডু নিবিড়ৰিমাৰ বাবে যেন সম্পূৰ্ণ পৃথিৱীখনেই শেষ হৈ পৰিছিল। সেইদিনা শ্বাসবিহীন দেউতাকৰ শৰীৰটোৰ কাষত বাউলি হৈ বহি পৰিছিল তাইৰ মাক।

আজি এবছৰ তিনিমাহ পাৰ হ'ল সেই ঘটনাটোৰ পাছৰে পৰা তাইৰ মাকৰ মুখত আজি পৰ্যন্ত হাঁহি নাই। কাৰো সৈতে বাৰ্তালাপৰো প্ৰয়োজনবোধ নকৰে তেওঁ, খোৱা-বোৱাও ভালদৰে নকৰা হ'ল নিবিড়ৰিমাই জোৰ কৰি খুৱালে খাই। কথাবোৰ চিন্তা কৰি দুখ মনেৰে তাই ঘৰ পালেহি। ঘৰৰ বাৰাণ্ডাত গোমা আকাশলৈ দুখ মনেৰে চাই বহি আছে নিবিড়ৰিমাৰ মাক। চকু গুৰিকেইটা ক'লা পৰি আছে তেওঁৰ, নিশা পুনৰ ভালদৰে নুশুলে চাগে। ঘটনাটো হোৱাৰ পাছৰে পৰা আজিকালি আগৰ দৰে সোনকালে বিছনা পাতৰ পৰা উঠি নাহে তেওঁ। নিবিড়ৰিমাই নিজৰ লগতে মাকলৈ আহাৰ তৈয়াৰ কৰি পুৱাতে কামলৈ উলাই যায়। কিন্তু, প্ৰতিদিনে ওঁঠকেইটা সেমেকি থাকে তেওঁৰ, বিছনাৰ পৰা উঠি অহাটো দূৰৰে কথা পানী এটুপিও গ্ৰহণ নকৰে তেওঁ। নিজকে কষ্ট দি তেখেত যেন এক মৃত্যুময় জীৱন যাপন অতিবাহিত কৰিছে।

মাকৰ এনে কাৰ্যবোৰত নিবিড়ৰিমাৰ খং উঠে। আজিও আনদিনাৰ দৰে একে কাম কৰিলে তেওঁ। নিবিড়ৰিমাই ক'বলৈ আৰম্ভ কৰিলে—

—মা! তই যে ভাতকেইটা আকৌ নাখালি? কিয় কৰি থাক বাৰু এনেকুৱা ক'চোন মা।

—খাবলৈ মন নগ'ল অ' আই।

—কোন দিনাখন যাব বাৰু মা? এনেকৈ নাখাই কি

হ'ম বুলি ভাবিছ তই?

—অকলে কি বুলি খাবি। তই আহিলি নহয় এতিয়া একে লগে খাম। থাকি যোৱাখিনিকে দিবি মোক আকৌ বনাব নালাগে মোৰলৈ। এনেও খাবলৈ মন নাযায়?। তইনো আৰু সেইকেইখন হাতেৰে কিমান কষ্ট কৰি থাকিবি।

—নাখাই নাখাই পেটত আলছাৰ কৰি ল'। বেমাৰত পৰি মোৰ দৰে বিকশিত নোহোৱা হাত-ভৰি থকা ছোৱালী এজনীৰ কান্ধত বোজা হৈ পৰ। এনেও সমাজৰ বাকী মানুহবোৰৰ দৰে তইয়োটো মোক ইতিকিংহে কৰ একো কৰি খোৱাব নোৱাৰো বুলি।

—নহয় অ' মোৰ আই জনী! তেনেকুৱাকে মই একেবাৰে বুজাব যোৱা নাই।

—মই বুজিছো তোৰ কথা, দেউতাৰ দৰে তইয়ো মোৰ নিচিনা অক্ষম এজনীক সোনকালে এৰি যোৱাৰ পৰিকল্পনাই কৰিছ।

কথাষাৰ কৈ নিবিড়ৰিমাই উচুপি উঠিল। মাকৰ যেন মুখৰ মাতহে হেৰাই পৰিল। মাকে এনেকুৱা কথা নিবিড়ৰিমাৰ মুখৰ পৰা কোনো দিনাই শুনা নাছিল মিছাওটো কোৱা নাই তাই মাকৰ যে এইয়াই পৰিকল্পনা। সেইদিনা সেই বজ্ৰপাতে কেৱল তাইৰ দেউতাকৰ মৃত্যু ঘটোৱা নাছিল লগতে নিবিড়ৰিমাৰ সম্পূৰ্ণ পৰিয়ালটোক মৃত্যুৰ এক মৰিশালিলৈ ৰূপান্তৰ কৰি পেলাইছিল। সুখ সমৃদ্ধিৰে ভৰি থকা নিবিড়ৰিমাৰ তিনিজনীয়া পৰিয়ালক এতিয়া যেন দুখৰ এছাতি ক'লা ডাৱৰে আৱৰি গ্ৰাস কৰি পেলাইছেহি যি গ্ৰাসিত দুখৰ গহ্বৰ পৰা এতিয়া সুখৰ ঠিকনা বিচাৰি পোৱাটো যেন দূৰ দিগন্তলৈকে তান।

কিছু সময়ৰ পিছত বৰষুণজাক এৰিল। নিবিড়ৰিমাই নতুনকৈ তৈয়াৰ কৰা আহাৰখিনি মাক-জীয়েক দুয়োগৰাকীয়ে মৌন হৈ গ্ৰহণ কৰিলে। ইমানতে ঘৰৰ কলিং বেলটো বাজি উঠিল। নিবিড়ৰিমাই গৈ দুৱাৰখন খুলি দিয়াৰ লগে লগে এক চিনাকি ভাল লগা গোন্ধয়ে তাইৰ নাসিকা ৰন্ধ্ৰত স্পৰ্শ কৰিলেহি। সন্মুখত তাইৰ ভাল লগা ব্যক্তিজনে মুখত এক সুন্দৰ হাঁহি লৈ তাইলৈ চাই ৰৈ আছে। তেওঁ নিবিড়ৰিমাই শিক্ষকতা কৰা চৰকাৰী বিদ্যালয়খনৰ এজন শিক্ষক নাম অৰূপ গোস্বামী। নিবিড়ৰিমাৰ ভাল লাগে তেওঁৰ ব্যক্তিত্ব এক যেন ধনাত্মক অনুভূতি প্ৰেৰণ হয় তেওঁৰ কথাবোৰৰ পৰা। নিবিড়ৰিমাই আচৰিত হৈ প্ৰশ্ন কৰিলে।

—অৰূপদা আপুনি ইয়াত?

—কিয় অহাৰ কাৰণে বেয়া পাইছা নিকে? তুমিয়ে দেখোন যোৱাবাৰ আহোঁতে কৈছিলা "আহি থাকিব ছাৰ, আপোনাৰ কথাবোৰ শুনি কিছু পৰিমাণে সুখী হোৱা দেখিছিলো মাক" তোমাৰ কথাষাৰ ৰাখিছো। পিছে... বেয়া পাইছা যদি ঘূৰি দিওঁ আৰু ঘৰৰ ফালে। এনেও ইতিহাসৰ teacher যে আমনিয়ে পাই চাগে মানুহবোৰে মনে মনে।

—নাই নাই ছাৰ ক্ষমা কৰিব। হঠাৎ দেখি ভুলতে আপোনাক এনেকুৱা Question কৰি পালো। আহক ভিতৰলৈকে।

—ইমান ধুনীয়া ছোৱালী এজনীয়ে ক্ষমা খুজি নৰকত স্থান নিদিবা দেই মোক। পিছে খুড়ীদেউ ভিতৰতে আছে ছাগে নিশ্চয়?

—ক'তনো উলাই যায় তেখেত, আপুনি আহক ভিতৰলৈ বহ'কহি চাহ একাপ খাব।

—আজি ভিতৰলৈ গৈ চাহ খাবলৈ অহা নাই তোমালোকক ফুৰাবলৈ নিবলৈ আহিছো।

—ফুৰাবলৈ? ক'লৈ ফুৰিবলৈ যাম তাকো এনেকুৱা বতৰত? এইটো সময়ত? নিবিড়ৰিমাই বহু পৰিমাণে আচৰিত হৈ প্ৰশ্নটো কৰিলে।

—ইমান আচৰিত হ'বলৈ কি হ'ল? আজি ওচৰলৈকে নিম দুয়োগৰাকীকে। তুমি সদাই দেখি অহা ঠাই এডোখৰেই, আজি অলপ নতুন ৰূপত দেখুৱাম।

—কিন্তু... মা?

—প্ৰশ্ন কৰি থাকিব নালাগে এতিয়া আৰু... ভিতৰলৈ যোৱা মাক মই Request কৰিছো বুলি কোৱাগৈ।

নিবিড়ৰিমাই ভিতৰলৈ গৈ মাকক অলপ পৰিপাটিকৈ বগা চাদৰ-মেখেলাৰ সাজযোৰ পিন্ধাই উলিয়াই আনিলে। অৰূপে দুয়োগৰাকীকে নিজৰ গাড়ীখনত বহুৱাই ৰাওনা হ'ল। কিছু দূৰ গৈ ঠাই এটোকোৱাত ৰৈ দুয়োগৰাকীকে গাড়ীৰ পৰা নমুৱালে। নিবিড়ৰিমা আচৰিত হ'ল, তাইৰ সন্মুখত বজ্ৰপতিত জৰী গছজোপা। মনত হাজাৰটা প্ৰশ্নৰ সৃষ্টি হৈছে তাইৰ। অৰূপে ক'বলৈ আৰম্ভ কৰিলে—

—নিবিড়ৰিমা তুমি সদায় ৰৈ চাই যোৱা ঠাই টুকুৰা।

—আপুনি কেনেকৈ জানিলে?

—মই গাড়ীয়েদি পাৰ হৈ গ'লে তোমাক ইয়াত সদায়

ৰৈ যোৱা দেখিবলৈ পাওঁ। তুমি চাগে নিজক আৰু মাক এই বজ্ৰপাত পৰা জৰী গছজোপাৰ লগত সম্পৰ্কিত কৰা। (নিবিড়ৰিমাৰ মাকলৈ উদ্দেশ্যি) খুড়ীদেউ মই জানো এই গছজোপাৰ দৰে আপোনাৰ জীৱনৰো নিৰশ... গছজোপাক যেনেদৰে বজ্ৰপাতে শেষ কৰিলে আপোনাৰ জীৱনটোও...

অৰূপে বৈ দীঘলীয়াকৈ শ্বাস এটা এৰিলে

—কিন্তু জানেনে খুড়ীদেউ এই গছজোপাই কিন্তু হাৰ মানি দিয়া নাই আহক মোৰ লগত।

অৰূপে দুয়োগৰাকীকে জৰী গছজোপাৰ পাছফাললৈ লৈ গ'ল। গছজোপাৰ পাছফালৰ এটা কাণ্ডত নতুনকৈ কুঁহিপাত উলাবলৈ আৰম্ভ কৰিছে।

—সেই নতুনকৈ জন্ম হোৱা ডালটো দেখিছে খুড়ীদেউ? বহু মাহৰ মূৰত পুনৰ নতুনকৈ জী উঠিছে গছজোপা। কিমান সংগ্ৰামৰ মাজৰে চাগে জীয়াই থাকিবলৈ অবিৰাম চেষ্টা চলাইছে এই সুন্দৰ ধৰাত জীয়াই থাকি নিজৰ সুন্দৰতাই ধৰণীক দুগুণ সুন্দৰ কৰি তুলিবলৈ। মানুহৰ জীৱন কিয় এনে হ'ব নোৱাৰে। আপোনাৰটো এখন পৃথিৱী আছে য'ত নিবিড়ৰিমা থাকে। জীৱনবোৰ এনেকুৱাই নহয় জানো খুড়ীদেউ কোনোবা আহিব কোনোবা যাব... কোনোবা একেবাৰে গুচি গ'ল বুলি পৃথিৱীখন আৰু তাত থকা জীৱবোৰৰ জীৱনবোৰ জানো ৰৈ যাব। এই বজ্ৰপাত পৰা গছজোপাই জানো জীয়াবলৈ এৰি দিছে? এক মৃত্যুময় জীৱনৰ পাছতো জীয়াই থাকিবলৈ অবিৰামভাৱে সংগ্ৰাম চলাইয়ে আছে। থকাকেইদিনটো জীয়াই থাকিবলৈ সংগ্ৰাম কৰিবয়ে লাগিব, কেৱল মৃত্যুলৈ অপেক্ষা কৰি থাকিলে জানো হ'ব?

"কিন্তু অৰূপ! এখেত যোৱাৰ পাছৰ পৰা আমাৰ দুয়োজনীৰ বাবে সুখী হ'বলৈ একোৰে কাৰণ নোহোৱা হ'ল এনেহেন দুখত বাৰু জীৱন অতিবাহিত কৰিব পাৰিম নে মই? এইৰ মোৰ কাৰণে কৰিব লগীয়া কষ্টবোৰ দেখি দেখিয়ে অন্তৰখন বিষ হয়"— নিবিড়ৰিমাৰ মাকে ক'লে।

"নিবিড়ৰিমা এগৰাকী সাহসী ছোৱালী তাই নিজৰ অক্ষমতাক শক্তি কৰি জীৱন সংগ্ৰামত লিপ্ত হৈছে কেৱল আপোনাৰ বাবে। জীৱনবোৰ এনেকুৱাই খুড়ীদেউ মোৰো মা-দেউতা নাই কিন্তু মোৰ জীৱন জানো ৰৈ গ'ল। অনাথ আশ্ৰমত ডাঙৰ হৈ আজি এজন শিক্ষক হ'লো সকলো সংগ্ৰাম নিজে কৰিলো। সুখ-দুখ বুলি বিশেষ একো নাথাকে... জীৱনবোৰ এনেকুৱাই সুখবোৰৰ মাজত দুখ। দুখ যদি নাথাকেই জীৱনত সুখৰ সঠিক মূল্য জানো বুজি পাব কোনোবাই। আন্ধাৰৰ শেষত যেনেকৈ পোহৰ আহে ঠিক তেনেকৈ দুখৰ শেষত সুখৰ কণমানি, ক্ষীণ পোহৰবোৰে হাত বাউলি আকোঁৱালি ল'বলৈ ৰৈ থাকে... মাত্ৰ সঠিক সময়ৰ বাবে।" অৰূপে কথাষাৰ কৈ মিচিকীয়াই হাঁহি মাৰিলে।

অৰূপৰ প্ৰতিটো শব্দয়ে যেন মাক-জীয়েক দুয়োগৰাকীৰ বুকুত এক নতুন উদ্যমৰ সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছে। এইয়া কি বহু দিনৰ মূৰত নিবিড়ৰিমাই নিজৰ মাকৰ মুখত হাঁহি দেখিবলৈ পালে। মাকে হাঁহি হাঁহি ক'বলৈ ধৰিলে— "দেখিবলেহে ডেকাটো, কিন্তু তোমাৰ কথাবোৰ বয়সীয়াল মানুহৰ নিচিনা।

—সেইকাৰণে Historyত MA কৰি ইতিহাসৰ teacher বনিলো। কথাবোৰ শুনি আমনিয়ে পাই চাগে মানুহবোৰে মনে মনে। নে কি কোৱা নিবিড়ৰিমা?

"একেবাৰে নহয়"— নিবিড়ৰিমাই তপৰাই উত্তৰ দিলে।

"ব'লা এতিয়া বতৰ ভাল হ'লে দুয়োগৰাকীকে দূৰলৈ ফুৰাবলৈ লৈ যাম আৰু খুড়ীদেউ এনেদৰে কামোৰ দি হহুঁৱাই থাকিবলৈ প্ৰায়ে আহিম বেয়া পালেও পাব। পিছে... নিবিড়ৰিমা ব'লা এতিয়া তোমাৰ special গাখীৰ চাহ কাপ খুৱাবা আদা আৰু ইলাইছি দিয়া।" অৰূপে হাঁহি হাঁহি ক'লে।

"বলক।"— নিবিড়ৰিমাইও আপ্লোতময় হাঁহি এটা মাৰি ক'লে।

তিনিওজন গাড়ীত উঠি নিবিড়ৰিমাৰ ঘৰৰ দিশে ৰাওনা হ'বলৈ ধৰিলে। সন্ধিয়াৰ পাতল বতাহ জাকে নিবিড়ৰিমাৰ মনত হাজাৰটা ঢৌৰ সৃষ্টি কৰিবলৈ ধৰিছে। লাহে লাহে জীৱনটোক তাইও ভাল পাবলৈ ধৰিছে। এই নতুন হেঁপাহৰ কাৰণ অৰূপৰ আৰু ধনাত্মক চিন্তা ধাৰা এনেলোকেই জীৱন বাটত হেৰুৱা ব্যক্তিক নতুন পথ দেখুৱাত সহায় কৰে, নিবিড়ৰিমাৰহঁতৰ দৰে জীৱন ব্যৰ্থ লোকসকলক বৰ প্ৰয়োজন এনেলোকৰ। নিবিড়ৰিমাৰ মনলৈ বৰ্তমান নেপোলেয় বোনেপাৰ্টে কোৱা এটি মহৎ বাণী ভাহি আহিছে— "জীৱনৰ অন্য নাম সংগ্ৰাম। সংগ্ৰাম অবিহনে জীৱন জীৱনেই হ'ব নোৱাৰে। সংগ্ৰাম বা সংঘাতৰ স'তে যুঁজি যুঁজি মানুহে যি সাহস, মনোবল তথা প্ৰেৰণা লাভ কৰে, সি তেওঁক অসাধ্য সাধন কৰাত শক্তি দিয়ে।"●●

# আধা লিখা সপোনবোৰ

লোপামুদ্ৰা দুৱৰা



...অপৰাজিতা বৰুৱাৰ পৰা হাজৰিকা উপাধিতো কিয় গ্ৰহণ কৰা নাছিলো সকলোৱে মোক হাজাৰ প্ৰশ্ন কৰিছিল কিন্তু মই নিশ্চুপ হৈ ৰওঁ। যিজন মানুহক মই ভগৱানৰ ৰূপ বুলি ভাবিছিলো সেইজন শান্তনু হাজৰিকাৰ ওচৰতো মই সম্পূৰ্ণ নিৰাপত্তা অনুভৱ কৰা নাছিলো। কোনোখিনিত যেন তেওঁৰ দেউতাৰ দৰেই মিল আছিল সেয়ে মই তেওঁৰ পৰা একো আশা বা বহু পৰিমাণে ভালপোৱা আশাও কৰা নাছিলো। মাথোঁ সমাজক বিবাহিত বুলি চিনাকি দিবলৈ উকা কপালখনত সেন্দূৰ আঁকি লওঁ।...

'দেউতাৰ বিষয়ে আপুনি কি ক'ব?' —সভাখনত মাইকটোৰ সন্মুখত সভাৰ আঁত ধৰোতা জনপ্ৰিয় গায়িকা সুৰভী শইকীয়াই মোক প্ৰশ্ন কৰিলে। এই পৰিস্থিতিটোৰ খাপ খাবলৈ মই অপ্ৰস্তুত আছিলোঁ।

ভিৰৰ মাজত যাচি দিয়া সন্মানকণটো ল'বই লাগিব বুলি ভাবি উঠি গ'লো দুআষাৰ ক'ম বুলি। কিন্তু আচৰিত কথা মোৰ মুখৰ পৰা তেওঁৰ বিষয়ে দুশাৰী বাক্যৰ বাহিৰে আৰু একো নোলালে। মোৰ দেউতা প্ৰয়াত মৃনালকান্ত বৰুৱা এজন খুব ভাল মানুহ আছিল আৰু শিক্ষক হিচাপেও এজন কৃতি শিক্ষক আছিল। তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতিৰ প্ৰাৰ্থনা কৰি মোৰ দুআষাৰ চমু বক্তব্য সামৰিলোঁ।

উফ্! ৰক্ষা নৰকৰ পৰা যেন মই বাচি আহিলো। বুকুৰ ভিতৰত ৰৈ থকা ক্ষোভখিনি উজাৰি দিব পৰা হ'লে!!!

মোৰ এই অৱস্থাৰ পিছত মঞ্চৰ কাষত ৰৈ থকা দৰ্শকসকলে কি ভাবিলে সেয়া চাবলৈও মই তাত এটা মুহূৰ্তত ৰৈ থাকিব নোৱাৰিলো। কোবাকোবিকৈ ঘৰ গুচি আহিলো একেবাৰে। আজি মোৰ মনটোত অতীতটোৱে আকৌ দোলা দিবলৈ ধৰিল। নাভাৱো বুলি ভাবিলেও কিছুমান কথা মনৰ

পৰা কেতিয়াও মচিব নোৱাৰি। ‘মোৰ দেউতা এজন খুবেই জনপ্ৰিয় ব্যক্তি আছিল। এখন হাইস্কুলৰ প্ৰধান শিক্ষক তথা সমাজ সেৱক ব্যক্তি আছিল। দেউতাই ছাত্ৰ-ছাত্ৰীৰ পৰা সমাজৰ প্ৰত্যেকজন ব্যক্তিক ভাল পাইছিল আৰু যিকোনো মুহূৰ্ততে সহায় কৰিছিল। কিন্তু সকলোৰে ভালপোৱা ব্যক্তিজনক মোৰ কিয় অপ্ৰিয় হৈছিল?

মোৰ বয়স তেতিয়া প্ৰায় পাঁচ-ছয়বছৰ হৈছিল। ভাল, বেয়াৰ ব্যৱধান একো জনাই নাছিলো মই। ‘দুখ-বেদনা প্ৰত্যেকৰে জীৱনত থাকে।’

কিন্তু জীৱনৰ দুখবোৰৰ সৈতে যেন খুব সোনকালেই চিনাকি হৈ পৰিছিলো। দিনটোৰ ব্যস্ততাৰ পিছত যেতিয়া দেউতা ঘূৰি আহিছিল।

দেউতাৰ এটা আন ৰূপ দেখিবলৈ পাইছিলো প্ৰতিদিনে। তেখেতৰ সেই সহজ-সৰল মানুহজনৰ আঁৰত এজন খিংখিঙীয়া মানুহ লুকাই আছিল। দেউতাই মাক প্ৰায়ে সৰু সৰু কথাত খং কৰিছিল আৰু অশ্লীল শব্দ ব্যৱহাৰ কৰি মাৰ-ধৰো কৰিছিল।

প্ৰেম-বিবাহ! মা আৰু দেউতাৰ দুয়োজনৰে দুই বছৰ ভালপোৱাৰ শেষত বিবাহ হৈছিল। মই প্ৰায়ে লুকাই-লুকাই তেওঁলোকৰ কাজিয়াসমূহ চাইছিলো। মোৰ সন্মুখত দেউতাই কোনোদিন মাক বেয়া ব্যৱহাৰ কৰা নাছিল কিয়নো সেই মুখা পিন্ধা ব্যক্তিজনে ছয়বছৰীয়া অপৰাজিতা বৰুৱাৰ সন্মুখত সৰু হ'ব বিচৰা নাছিল। মোৰ সৰু কণমানি মগজুটোত এইবোৰ কথাই বৰ বেয়াকৈ ক্ৰিয়া কৰিছিল যাৰ বাবে মই দেউতাৰ পৰা দূৰে দূৰে আছিলো।

কোঠাটোত সোমাই নিজকে খুব অকলশৰীয়া অনুভৱ কৰিছিলো। আৰু কিতাপৰ মাজত নিজকে ডুব খুৱাই ৰাখিছিলো। মই পঢ়াতো খুব ভাল আছিলো আৰু যথেষ্ট পৰিমাণে কষ্ট কৰিছিলো নিজক ব্যস্ত ৰাখিবলৈ চেষ্টা কৰিছিলো।

মায়ে মোক কোনোদিনে দেউতাৰ পৰা দূৰত থাকিবলৈ কোৱা নাছিল। কিন্তু সেইদিনা মিটিঙত একো নোকোৱাৰ বাবেও মাই একো কোৱা নাছিল। মানুহজনীক কিয় জানো বুজাতো বৰ কঠিন! তেখেতক দেখিলেই জীৱনটোত জীয়াই থকাৰ মহৌষধকণ বিচাৰি পাওঁ। এই মানুহজনীয়ে এদিন মোক মোৰ স্বামী শান্তনু হাজৰিকাৰ লগত চিনাকি কৰাই দিছিল আৰু জীৱনটোত নতুন সপোন ছটিয়াই দিছিল।

অপৰাজিতা বৰুৱাৰ পৰা হাজৰিকা উপাধিতো কিয় গ্ৰহণ কৰা নাছিলো সকলোৱে মোক হাজাৰ প্ৰশ্ন কৰিছিল কিন্তু মই নিশ্চুপ হৈ ৰওঁ। যিজন মানুহক মই ভগৱানৰ ৰূপ বুলি ভাবিছিলো সেইজন শান্তনু হাজৰিকাৰ ওচৰতো মই সম্পূৰ্ণ নিৰাপত্তা অনুভৱ কৰা নাছিলো। কোনোখিনিত যেন তেওঁৰ দেউতাৰ দৰেই মিল আছিল সেয়ে মই তেওঁৰ পৰা একো আশা বা বহু পৰিমাণে ভালপোৱা আশাও কৰা নাছিলো। মাথোঁ সমাজক বিবাহিত বুলি চিনাকি দিবলৈ উকা কপালখনত সেন্দূৰ আঁকি লওঁ।

মায়ে মোক প্ৰায়েই জোঁৱায়েকৰ গুণ-গৰিমাৰ কথা কৈছিল। মইও শুনি ভাবিছো আৰু ৰৈ গৈছিলো দুৰ্ভগীয়া মানুহজনীৰ মুখত অকণমান হাঁহিৰ পৰশ দেখি। তোক বিচাৰি বাহিৰত নীলাভ বৰুৱা আহিছে, অপু! মাৰ মাততহে মই লিখি থকা কাহিনীটোৰ পৰা নিজক আঁতৰাই আনি বৰ্তমানটোৰ সৈতে খাপ খাওঁ। নীলাভ! নীলাভ নামটো শুনাৰ লগে লগেই বুকুখন অজান শংকাত কঁপি উঠিল।

—কিয় বা আহিছে?

—ইমান বছৰৰৰ মূৰত!

তাৰ প্ৰথম কবিতাপুথি ‘সেউজীয়া স্বপ্ন’ প্ৰকাশৰ পিছত বহুবছৰ কোনো শুংসূত্ৰ নায়েই। আজি ইমান বছৰ মূৰত মোৰ ঘৰলৈ আহিছে। উফ্! মোৰ অযুত সপোনবোৰ বন্ধনৰ পৰা খোল খাব দিম তাৰ সন্মুখত। আগুৱাই গ'লো এক নতুন ৰেঙনিৰ বাটেদি মাৰ পিছে পিছে মই ড্ৰয়িং ৰূমলৈ বুলি!●●

# ঘড়ীতো ক'লৈ গ'ল?

কৰিতা কৈৰি

তাই চাৰিওফালে বিচাৰিলে, কিন্তু ঘড়ীটো ক'তো নাপালে। তাইৰ বহুতে চিন্তা হ'বলৈ ধৰিলে কাৰণ সেই ঘড়ীটো তাইক তাৰ দেউতাকে উপহাৰৰূপে দিছিল।

ধ্ৰুৰিকা প্ৰথম ষান্মাসিকৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী। তাইৰ ঘৰ তিনিচুকীয়াত। তাই ডিব্ৰুগড়ৰ বিখ্যাত কলেজত পঢ়ে। ছাত্ৰীনিবাসত থকা ধ্ৰুৰিকা ১০ তাৰিখে শনিবাৰে তাই পেহীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। তাইৰ পেহীয়েকৰ ঘৰ লাহোৱালত। যিহেতু ধ্ৰুৰিকা ডিব্ৰুগড়ত নতুন গতিকে তাইৰ পেহীয়েকৰ ল'ৰা সুৰজ তাক ল'বলৈ আহিছিল। দুয়ো ভাই-ভনী একেলগে ঘৰ পালে। সেইদিনা ধ্ৰুৰিকা বহুত সুখী কিয়নো তাই বহুত দিনৰ মূৰত পেহীয়েকৰ ঘৰলৈ গৈছিল। ঘৰলৈ পায় তাই অলপ পেট পূজা কৰিলে। গধূলি চাহৰ লগত পেহীদেৱে মেগী বনালে ধ্ৰুৰিকাই হেনো মেগী বহুত ভাল পায়।



ৰাতি ভাত-পানী সকলোৱে নিজৰ নিজৰ স্থান ল'লে। ধ্ৰুৰিকাই তাইৰ বাইয়েকৰ লগত শুলে। ৰাতিপুৱা হ'লত তাই চাহ ৰান্ধিলে। তাইৰ পেহীয়ে ৰুটী চব্জী ৰান্ধিলে। খাই বৈ দেওবাৰ দিনটোত যে চাফাইৰ কাম থাকে সেইবোৰ কৰি আজৰি হৈ অলপ আৰাম কৰিলে।

দুপৰীয়া ভাত খাই তাই হোষ্টেললৈ যোৱাৰ যো-জা কৰিলে। কুৰ্তী পিন্ধি তাই ৰেডী হৈ পিন্ধো বুলি বেগৰ পৰা ঘড়ীটো উলিয়াবলৈ গৈ দেখে তাইৰ মৰমৰ ঘড়ীটো নাই। তাই থত্মত খালে। লগে লগে তাই পেহীয়েকক জনালে। পেহীয়েও তাইৰ লগতে ঘড়ীটো বিচাৰিলে কিন্তু কোনেও নাখালে।

ঘড়ী হৈছে এটা ডাঙৰ মূল্যৱান যন্ত্ৰ। কিয়নো আমাক সময়ৰ জ্ঞান কমায়। কোনো কাম যদি ৰাতিপুৱা ৮ টাৰ পৰা আৰম্ভ হ'ব লাগে তেন্তে আমি সময় নোচোৱাকৈ কেনেকৈ বা প্ৰস্তুত হ'ম। আমি সকলোৱে আমাৰ দৈনন্দিন জীৱনত ঘড়ীৰ প্ৰয়োজনীয়তা অনুভৱ কৰোঁ। আগৰ দিনত ঘড়ী নাছিল তেতিয়া মানুহে সূৰ্যৰ গতিৰ দ্বাৰা সময় নিৰ্ধাৰণ কৰিছিল। কুকুৰাই ডাকিলে ৰাতিপুৱা হ'ল বুলি জানিব পাৰিছিল। আজিকালি দেখোন মানুহৰ ঘৰে ঘৰে, হাতে হাতে ঘড়ী দেখা যায়। অৱশ্যে বৰ্তমান বিভিন্ন। ডিজিটেল ঘড়ী-মোবাইলো নোহোৱা নহয়। কাৰোবাৰ আকৌ ঘড়ী পিন্ধাৰ হেঁপাহো থাকে। মই এনেকে এই বাবে কৈছোঁ কাৰণ মোৰ দাদাৰ ল'ৰাটো ঘড়ীৰ বাবে কান্দি কান্দি তাৰ দেউতাকক আমনি কৰিছিল। তাৰ বহুত হেঁপাহৰ আছিল ঘড়ী পিন্ধাৰ। পিছত দাদাই কিনি দিলে বাৰু।

ধ্ৰুৰিকাৰ ঘড়ীটো কোনেও বিচাৰি নোপোৱাত ধ্ৰুৰিকা বহুত দুখী হ'ল আৰু দুখ মনেৰে হোষ্টেললৈ ওলাল। পেহাকৰ লগত বাইকত তাই হোষ্টেল পালেগৈ। হোষ্টেললৈ আহি যিহে ৰুমটোত সোমাই বিছনাখনতে বেগটো থ'লে হঠাৎ তাইৰ চকুতো গাৰুটোলৈ পৰিল। তাই দেখে যে তাইৰ ঘড়ীটো গাৰুতে পৰি আছে। তাই বহুত সুখী হ'ল, সেই ক্ষণটো তাইৰ বাবে চমৎকাৰৰ দৰে আছিল।●●

# দৃষ্টি

চায়া বৰুৱা

ঃ তোমালোকৰ ছাগে বৰ কষ্ট হয় ন?

ঃ মানে কি ক'ব বিচাৰিছে আপুনি?

ঃ ঘৰখনত ল'ৰা সন্তান এটা লাগে বুজিছে নহয় বৰুৱানী।

বৰ গহীনভাৱে কোৱা কথাষাৰ শুনি মোৰ কিবা হাঁহিহে উঠিল। এইষাৰটো কেৱল মই আজি শুনা কিবা নতুন কথা নহয়। আগতেও এনেকুৱা ধৰণৰ কথাবোৰৰ মুখা-মুখি হৈ আহিছো। শাহু মাৰ মুখতো আগতে প্ৰায়ে শুনো "নাতিৰ মুখ আৰু নেদেখাকে সিপুৰীলৈ যাব লাগিব চাগে।" কেতিয়াবা আকৌ ওচৰৰ খুৰীজনীয়ে কয়, "বৃদ্ধ অৱস্থাত কিন্তু তোমালোকৰ বৰ কষ্ট হ'ব দেই।" কেতিয়াবা বিয়াই-সকামে গ'লে কিছুমান মানুহে প্ৰথমে সুধিব "আপোনালোকৰ ল'ৰা-ছোৱালী?" যেতিয়া কওঁ ছোৱালী এজনী আছে তেতিয়া মুখৰ বৰণটোৱে সলনি কৰি পেলাই তেওঁলোকে। সেয়ে এইবোৰ মোৰ কাৰণে কিবা নতুন বিষয় নহয়।

ঃ ইমানকৈ কি ভাবিছা মালবিকা?

—মই ইমানপৰ একো নোকোৱাকৈ মনে মনে থকা দেখি শইকীয়ানীয়ে প্ৰশ্ন কৰে।

ঃ নাই একো নাই।

—ক'বলৈ মন আছিল যদিও নক'লো।

"মা মই আহিলো।"

এনেতে বাহিৰত দৃষ্টিৰ মাত শুনিলো। পদুলিৰ পৰাই চিঞৰি আহিছে তাই। দৃষ্টি মানে মোৰ ছোৱালীৰ নাম। কলেজৰ পৰা এইমাত্ৰ আহি পাইছেহি। তাইৰ হাতত কেইবাটাও টোপোলা দেখি সুধিলো—

ঃ এইবোৰ কি আনিলি দৃষ্টি?

ঃ মা আজি দেউতাৰ অফিচৰ পৰা আহোতে পলম হ'ব। তুমি এই সন্ধিয়াখন দোকানে বজাৰে ঘূৰি ফুৰিব নালাগে বুলিয়ে বজাৰখিনি ময়ে কৰিলো। আঁঠুৰ বিষটো নাই জানো তোমাৰ?

এইবুলি কৈয়ে তাই শইকীয়ানীক মাতষাৰ লগাই ভিতৰলৈ সোমায় যায়। মনতে ভাবিলো মোৰ চিটপখিলীজনী সদায় এনেকৈ থাকক। মোৰ আজিও মনত আছে সেই দিনটো ... যেতিয়া তাইক মই প্ৰথম কোলাত লৈছিলো। মাজতে ভয়ো খাইছিলো। বাৰে বাৰে তেখেতৰ মুখলৈ চাইছিলো। তেওঁ সুখী নে? কিন্তু পিছমুহূৰ্তত তেওঁ মোক আচৰিত কৰি কৈছিল তেওঁ সুখী বহুত সুখী। তেখেতে এবাৰো মোৰ আগত কোৱা নাছিল তেৰোঁ যে কিছুমানৰ দৰে ল'ৰা সন্তানে কামনা কৰে। ল'ৰা আৰু ছোৱালী সন্তানৰ মাজত বাচ-বিচাৰ তেওঁ আজিলৈকে কৰি নাপালে। সদায়ে মৰমেৰে আৱৰি ৰাখে তেওঁ তোমাক।

ঃ তোমাৰ ছোৱালীজনী বৰ ডাঙৰ হ'ল দেখোন। বয়স কিমান মান হ'ল?

ঃ এইবাৰ ২১ ত ভৰি দিছে।

ঃ ইস্ হয় নেকি। তেনেহ'লে ল'ৰা চাবলৈ আৰম্ভ কৰি দিয়া আৰু। ছোৱালী আকৌ কুৰিতে বুঢ়ী নহয় জানো?

আচৰিত ধৰণেৰে তেওঁলৈ চালো। কি কথা ক'ব আহিছে তেওঁ? ইমান সহজে কেনেকৈ কওঁ বুলিয়েই কৈ দিব পাৰে কথাবোৰ তাকো মাকজনীৰ আগত। ল'ৰা হওক বা ছোৱালীয়ে হওক এগৰাকী মাতৃৰ বাবে সকলো সমান আৰু বিয়াৰ বাবে জানো কেৱল বিছ বা একৈছ উপযুক্ত বয়স?

ঃ এইবোৰ ভাবিবলৈ এতিয়া সময় হোৱা নাই শইকীয়ানী। তাই পঢ়ি-শুনি নিজৰ ভৰিত থিয় হৈহে এইবোৰ ভাবিম কৈছে।



ঃ এ থোৰা হে বৰুৱানী। ছোৱালী মানুহে পঢ়ি-শুনিনো কিডাল কৰিব এনেও এটা সময়ত হেতাখনহে ধৰিব লাগিব।

ঃ আপুনি মোৰ কাৰণে ইমান চিন্তা কৰাৰ বাবে ধন্যবাদ খুৰী। সঁচাই বৰ ভাল লাগিল।

আমাৰ কথাবোৰ শুনি এইবাৰ দৃষ্টি ওলাই আহে হাতত চাহৰ ট্ৰেখন লৈ। শইকীয়ানীলৈ চাহৰ কাপটো আগবঢ়াই তাই আকৌ ক'ব ধৰে—

ঃ জানে খুৰী মোৰ যে আপোনালৈ কেতিয়াবা বেয়াই লাগে। আপুনি আমাৰ কথা ইমান চিন্তা কৰে কেতিয়াবা অলপ নিজলৈয়ো কৰিবচোন। আপোনাক দেখিলেই ধৰা পৰে আপুনি যে ভিতৰি ভিতৰি বহুত অসুখী হৈ আছে।

ঃ কিয় তেনেকৈ ক'লা?

ঃ আপুনিয়ে চোন এদিন কৈছিল আপোনাৰ ল'ৰাই কেতিয়াবা আপোনাৰ খবৰ ল'বলৈয়ে পাহৰি যায় বুলি আৰু অলপ আগতে আপুনিয়েটো কৈছিল ছোৱালীবোৰে এনেও এটা সময়ত হেতাখনহে ধৰিব লাগিব। আপোনাৰ মতে তেনেহ'লে ল'ৰাই হেতাখন নধৰে। এটা কথা কওঁ মোক ভুল নুবুজিব ...। মই যদি প্ৰতিদিনে মা-দেউতাৰ খবৰ ৰাখিব পাৰো আপোনাৰ ল'ৰাই কিয় নোৱাৰে? ইমান ব্যস্ত হৈ গ'ল নে যে নিজৰ মাকজনীৰো খবৰ ৰাখিব নোৱাৰে। তাকে বুলি মই এইটো কোৱা নাই যে সকলোবোৰ ল'ৰাই বেয়া বা সকলো ছোৱালীয়ে ভাল। এটা কথা মনত ৰাখিব সময়ে সকলোকে সলনি কৰে আনকি মানুহৰ মনবোৰকো। ঠিক সেইদৰে সময়ৰ লগতে কিছুমান মানসিকতা আমাৰো সলনি কৰিব হোৱা নাইনে? কিয় ভাবি লৈছে যে ঘৰ এখন চলোৱাত কেৱল ল'ৰাৰে হাত থাকে? এই ক্ষেত্ৰত ছোৱালীৰ দায়িত্বও সমান। গতিকে ল'ৰা সন্তান নথকা ঘৰ এখনত এনেকুৱা ধৰণৰ কথাবোৰ কৈ মানসিক অশান্তিৰ সৃষ্টি নকৰিব। কথাখিনি কোৱাৰ বাবে একদম বেয়া নাপাব খুৰী। মনৰ ভাববোৰ ব্যক্ত নকৰাকৈ যে থাকিব নোৱাৰিলো ...।

যি দেখিছো পৰিৱেশটো আগতকৈয়ো বেছি গহীন হে হ'ল। এফালে শইকীয়ানী আনফালে দৃষ্টি। শইকীয়ানীলৈ চাইছো তেওঁৰ মুখখন ৰঙচুৱা বৰণৰ হৈ গৈছে। চাহকাপ খাবলৈ লৈয়ো যেন তেওঁ পাহৰি গ'ল। আনফালে দৃষ্টি ...।

মনতে আজি অনুভৱ হৈছে

মোক কণমানি দৃষ্টিজনী সঁচাই ডাঙৰ হ'ল মাকৰ মন বুজি পোৱা হ'ল।●●

# নিলাঞ্জনা

**গীতাঞ্জলী চেতিয়া**

তাইৰ আজি হোষ্টেলত প্ৰথমটো দিন। সৰুৰ পৰাই মাক-দেউতাকৰ বুকুৰ মাজত ডাঙৰ-দীঘল হোৱা তাই মামাক পেহীয়েকহঁতৰ ঘৰত বিশেষ বন্ধত গৈ দুই এদিন থকাৰ বাহিৰে অন্য ক'তোৱে বেছি সময় থাকি পোৱা নাই। পঢ়া-শুনাও তাই হায়াৰ ছেকেণ্ডাৰীলৈকে ঘৰৰ পৰাই অহা-যোৱা কৰিয়েই উত্তীৰ্ণ হৈ আহিছে। পঢ়া-শুনাতো তাই খুবেই ভাল। মাক-দেউতাকৰ সৈতে ঘৰৰ পৰা গোটেই ৰাস্তাটো দুখ কৰিয়েই তাই হোষ্টেল পালেহি। মাকে তাইৰ কাপোৰ, বস্তু-বাহানিবোৰ গটাই দি বিছনাখন পাৰি দি যাব ওলাইছে। তাইৰ দুচকু এতিয়াও চকু পানীৰে সেমেকি আছে। অলপ সময় কোঠাটোতে মৌন হৈ বহি ৰ'ল তাই, কিয়নো হোষ্টেলৰ নিয়ম-কানুন তাই একোৱে নাজানে, আকৌ ছিনিয়ৰ বাইদেউবোৰ, লগতে ৰুমমেটবোৰ কেনেকুৱা হ'ব, কিজানি তাই গালিয়ে খাই নেকি, তাক লৈ বহুত ভয়. মুখখনো হেঁতা পৰি আহিছে।

হোষ্টেললৈ অহাৰ পাছদিনা অৰ্থাৎ ০৬।০৭।২০০৪ ... আজি তাইৰ কলেজৰ প্ৰথমটো দিন। তাই ৰাতিপুৱা সোনকালে উঠিয়ে গা-মুখ ধুই কিবা এটা খাই কলেজলৈ বুলি খৰখেদাকৈ উলাইছে। কলেজলৈ আহিয়ে তাইৰ মনটো গধুৰ হৈ আহিছে। নিজৰ ডিপাৰ্টমেণ্টটো বিচাৰি উলিয়াব নোৱৰাত তাইৰ আজি ক্লাচত অলপ পলমো হ'ল। তেনেতে তাই আহি দেখিলে যে ছাৰজনে সোমাই সকলোৰে ৰেজিষ্টাৰ বহিত নাম (Attendance) লৈ আছে, ছাৰজনৰ অনুমতি লৈ তাই ক্লাচ ৰুমত বহিল। তেনেতে ছাৰজনে ১০৮ নম্বৰটো মাতোতে তাই আৰু ল'ৰা এজন একে লগত উঠিছে। দুয়োজনে কি হৈছে, একো তলকিবই পৰা নাই, মাথোঁ এজনে আনজনলৈ চাই আছে। আচলতে ছাৰজনে নিলাঞ্জনকহে মাতিছিল—তাই নিলাঞ্জনা শুনাত একে সুৰত "Yes Sir" বুলি কৈ উঠিল। পাছত, তাই গোটেইজনী একেবাৰে লাজতে ৰঙা-ছিঙা হৈ পৰিল। তাইৰ দিনবোৰ তেনেকৈয়ে অতিবাহিত হ'বলৈ ধৰিছে। সেই ৰোল নাম্বাৰ মাতোতে দুয়োজনৰ চকুৰে চকুৰ মিলন হোৱাৰ দিনৰে পৰা নিলাঞ্জনে নিলাঞ্জনাৰ সৈতে চিনাকি হ'বলৈ খুবেই চেষ্টা কৰি আছিল। কিন্তু সেই দিনটোৰ আজি অন্ত পৰিল। দুয়োজনে ইজনে সিজনৰ লগত চিনাকি হৈ গ'ম পালে যে সিহঁতৰ G.E.AECC$_2$ বিষয় দুটাও একে হয়।

আজিকালি হোষ্টেল আৰু কলেজৰ চৌপাশটো তাইৰ বাবে বহুত ভাল লগা হৈ আহিছে। কিয়নো কলেজৰ চৌপাশৰ সৈতে প্ৰেমত পৰাৰ উপৰিও নিলাঞ্জনৰ সৈতে তাইৰ এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠিছে। নিলাঞ্জনৰো তাইৰ বাহিৰে কোনো বিশেষ বান্ধৱী নাই, সেয়েহে দুয়োটাই এজনে আনজনৰ লগত সকলো কথা ভাগ-বতৰা কৰে। সিহঁতৰ তেনেদৰে হাঁহি-ফূৰ্তি মাজেৰে কলেজীয়া জীৱনটো পাৰ হৈছে। তাইৰ জ্বৰ বা বিশেষ কাৰণত কলেজলৈ যাব নোৱাৰিলে। নিলাঞ্জনে বিশেষ অকলশৰীয়া অনুভৱ কৰে আৰু গোটেই দিনটো তাইৰ অনুপস্থিতিত মন মাৰি থাকে ঠিক সেইদৰে তাইৰ জীৱনত ও নিলাঞ্জনৰ প্ৰভাৱ বহুত আশা কৰে। চাওঁতে চাওঁতে সিহঁতৰ তিনি বছৰীয়া ডিগ্ৰী শেষ হ'বৰ হ'ল। অহা কালি, অৰ্থাৎ ১০।০৫।২০০৬ তাৰিখে বিদায় সভা। সেয়েহে, নিলঞ্জনলৈ বুলি তাই এখন চিঠি লিখিছে।



প্ৰতি

মৰমৰ নিলঞ্জন ...

Thank you for everything তুমি মোক জীৱনটো জীয়াবলৈ শিকালা। তোমাৰ বন্ধুৰ বান্ধোনে মোৰ মনটো সাহসী কৰি তুলিলা। ঘৰলৈ মনত পৰি সদায় কান্দি থকা ছোৱালীজনী কলেজৰ বিভিন্ন প্ৰতিযোগিতাবোৰত আগ-ভাগ ল'বলৈ শিকালা। গতিকে, মই এই পত্ৰৰ যোগেদি ক'ব বিচাৰো যে ... আমাৰ সম্পৰ্ক কেৱল ভাল বন্ধুত্বই নাছিল, তাতকৈ বহুত ওপৰত। মই জানো, তুমি ও মোক ভালপোৱা, কিন্তু আমাৰ বন্ধুত্বৰ এনাজৰী শেষ হোৱাৰ ভয়ত কোনোদিনে মোক প্ৰেমৰ প্ৰস্তাৱ নিদিলা। কিন্তী সঁচায়ে নিলঞ্জন, তুমি মোক কি ভাবিবা নাজানো ... মোৰ ওৰেটো জীৱনৰ বাবে সংগী হ'ব পাৰিবানে? হয়তো মই পত্ৰখন তুমি পোৱাৰ পাছত আমাৰ বন্ধুত্বৰ সম্পৰ্ক জীয়াই নাথাকিবও পাৰে। কালিলৈ আমাৰ বিদায় সভাত লগ পাম দিয়া, যদিও বন্ধুত্বতে সীমাবদ্ধ আমাৰ এই সম্পৰ্ক সদায় তোমাৰ মংগলৰ বাবেই প্ৰাৰ্থনা কৰি যাম।

ইতি

তোমাব বান্ধৱী

কিন্তু এই মনটো নিলঞ্জন দাৰ ওচৰত থাকিব লাগিছিল, কুঁৱলীয়ে ডায়েৰীখন পঢ়ি বহু সময় নীৰৱ হৈ ৰ'ল। তাইৰ হোষ্টেলত প্ৰথম দিনা আজি, সেয়েহে মই আহিয়ে কোঠাটো চাফা কৰিবলৈ লওঁতে কোঠাটোৰ একোণতে পৰি থকা পুৰণি ডায়েৰীখন পঢ়ি তাইৰ মনত কৌতূহল হ'ল ... এতিয়া বাৰু নিলাঞ্জনা বা আৰু নিলঞ্জন দা ক'ত আছে, সিহঁতৰ বাৰু আকৌ মিলন হ'ল নে? ...

# Illusion or Gospel

**Smita Chakraborty**

"The dark mist tackles the horizon under its black wings, only ravens to be seen with bats echolocation all around, and hooting filcher flies eying betwixt evergreens. A typical abhors and horror setting for super natural to reside isn't it?"

But what if I say that the verity is antipode and in our every breathe, in every flicker of eyes, dwells some or the other elements of arcane.

Ayaan Sharma was a cinematography student in Satyajit Ray Film and Television Institute, Kolkata. Film-making and direction have been his childhood thirsts, the quest for which brought him to Kolkata, the cultural capital. Yet his calling for his roots were always stronger than everything. After fruition of his academics of cinematography courses, Ayaan was rewarded an opportunity to direct a film to be bank-rolled by renowned production house of the country. It was Ayaan, one step closer to his dream but the lack was of good script. Even after mind numbing toils of several days, Ayaan wasn't able to bell the cat. After several rounds of round-table conferences on various tea-stalls and cafe. with numerous cups of caffeine imbibing, he intuits a radical and marvelous script: thus Ayaan, designed a trip to Ayaan's hometown for a vacation, to scheme for an appropriate shooting location herewith. But little did he know his destiny awaiting would forever change his fate and beliefs.

Dalhousie– was an escape from the din and bustle of daily snobs and sniffles of life. The petrichor of snow, the glittering hails, beer- bottles and bon-fire, a snow clad town in the womb of Dhauladhar ranges, within the cozy pockets of *Trigarta*. Dalhousie was a small hill station, named after erstwhile British Governor general of India- Lord Dalhousie. Consequently, there were many colonial era buildings swarming in the area. Along with that the Cantt Forests and the Dainkund range have been a treat of panorama and pristine for all those souls belonged here. Though it was a voguish hill-station for all the middle-class Indian families and film-makers, It was Ayaans place of birth. It was his *'Ayodhya'*.

The first few days were vacant with pleasures of travel and discoveries and fatigue of journey. Soon Ayaan's search brought him to the renowned "Chowdhary Mansion", an ideal place for shooting his film. Chowdhary Mansion was an imperial site of architecture with splendid works of gem motif and regal British work of designs. It once belonged to Raysahab Kamud Lal Chowdhury in 1870s. an Indian *zamindar* whose title was the tutelage of his trueblue and unco service to her majesty. It was now and eerie and desolated yet well maintained site whose ownership is a matter of judicial parley and descendents.

However no one 3S there around. Nevertheless he was greeted by me. "Welcome to Chowdhary Mansion. sir I'm Oarpan Chowdhary, an honourable or not so honourable neighbour of the mansion. How can I help you?"

"Hello Oarpan. I'm Ayaan Sharma, I was a director. So, I am searching for an ideal location

for my first film ... therefore I carne to look at the mansion for a once as I intend to shoot one movie around it."

"ahh... movie shootings! Long time this place has not witnessed any movie shootings. Shooting parties, tantrum of actors and actresses, long queues of middle class audience, prolonged takes and scripts, sometimes spine-chilling, sometimes boring, sometimes farces, sometimes tragedies and sometimes myths, this building has seen it all through years ... LIGHTS, CAMERA AND ACTION."

"You seem a bit familiar and interested with movie shootings and stuffs, I belief."

"Yes, I have been an avid audience to movie. This place too has witnessed numerous shootings, until that unfortunate ..."

"Mr. Chowdhary will you mind if we go to the upstairs and explore the location." "Sure Ayaan!"



"Ayyan, This place has a vivid cultural and history. It was built by Raysahab Kamud Lal Chowdhury around 1850s. He was one of the well-off *zamindars* of his era and an upright British servant. Kamudlal by wacky. wacko and outlandish services to her majesty was victorious to wangle the title of *Raysahab*. It was as his victory celebration that he decreed for the Chowdhary Mansion's foundation stone to be laid. But long after his favourite Chowdhary Mansion was completed, that once on an occasion to visit to collect feudal taxes from one of his woodland taluks that he lost his life in the hands of the dacoit loot on the way back home. However, there is a widespread folklore that his love for his mansion has bought is endangered soul after his death till date wanders in the mansion. Not only his, but as the folklore goes. there are six more deprived souls residing alongside Kamud Lal; all together seven wandering souls - *the saptaks*. One of them belongs to Zafa Begum, Kamud Lal's beloved mistress who immolated herself in the grief of her beloved. And I wonder who could the other depreciated souls could be!"

"One of them was Britisher Lord Ramsey who had died in Sepoy *Mutiny*. Since he was a dear friend to *Raysahab*, he was invited to reside alongside them as he had no place to live in tranquility. Another belongs to Zubeida Sultana: begum's distant cousin. She was one of the top actresses of her time. However. at the mere age of twenty, she contacted consumption and died. Since Bombay was too crowded and loud, Sultana's drifted spirit began to stay in this mansion along with her cousin.

Around the time when Dalai Lama sought



*saptaks*. One of
Kamud Lal's bel
herself in the grie
who could the oth

"One of the
who had died in
dear friend to *Ra*
alongside them
tranquility. Anoth
begum's distant

protection to India, there were large numbers of Tibetan refugees in Dalhousie. Amongst them belonged many children. One of th m was Dechan, a beautiful and fairy-like 11 year old child. However, her beauty caught the eyes of a rough. That wretch showed no mercy while robbing her of her chastity, seizing her from her parents in the pretext of the mob. The poor child being unable to bear the pain and shame succumbed to her injuries. Her innocent spirit was sought refuge in the mansion as all the others empathized with her and also because that wretch, that monster who molested her was a descendent of the Chowdhari's.

These five lost pneuma had inhabited peacefully till 2003 until they were joined by a couple, a budding mov ie director and his wife. They came to see the location for a movie and were tricked by their producer and were murdered after the producer for the marvelous script they penned. Though the producer was never able to find the one. yet he was never acquitted with his crime and the vengeful spirit of the couple joined the residents of Chowdhary Mansion and they came to be known as the famous *saptak*."

"Wow Ayaan, you are a real sublime, gifted creator. How did you deduce such a spectacular script?"

"It is verity!"

"Stop kidding, will you. I'm also a descendent of the Chowdharyis. I have not known anything such. This mansion has been a judicial debates me and my cousin, and hence I have come here to look through it. It's just an anecdote being spread by my opponent and nothing more.

"It is my reality, my verity! My story, my narration ... wants to see .... 'Clap-clap'".

And in a flash of my eyes appeared *the saptaks*: Raysahab in dhoti - kurta, half burnt Zafa Begum, Lord Ramsey with a touch-up of black smoke, thin and emancipated, snowy Zubeida Sultana, bleeding Dechan, and a wan, bleeding pregnant lady.

"Darpan, presenting to you the saptaks !"

I could not believe my eyes! What was I witnessing? Is it a illusion, or gospel!

"If this is saptak, but there are only six of them?"

"I hope you recognize all there. That wan, bleeding pregnant women is my wife Rhea and before you standing I, film director Ayyan Sharma. The unfortunate incident you were about to recall was mine and Rhea's murder that stirred film shootings to cease. But with time, all our spalpeen culprits have been punished. The saptaks therefore hubs in solace and we really wanted the world to know our tale - The Saptaks..."

I stood their astonished. Before I could speak further, I opened my eyes on the courtyard of the mansion. Thank god it was a dream fragment. I had shifted to Dalhousie yesterday and I came there to probe into my ancestral home, when I fell fast asleep owing to fatigue. My reality was a delusional metamorphosis of mirage for a second. As I was about to move, I saw a heap of old papers laid near my feet with a title - The Saptaks. Near it ascribed an year old newspaper which read headlines as - Famous Producer Found Guilty of Murdering Budding director and wife; 50 year Old Molestation Case Justice Delivered; Actress Zubeida Sultana Rewarded witb Life-time Acbievement Award ; A Road near Dainkund range named as 'Ramsey Road'; "Govt. bas Commissioned Young Arcbaeological groups to Revive Old Mansions in India- includes Dalbousie's Chowdhary Mansion.●●

জী • ৱ • নু • বৃ • ত্ত



# শিক্ষাবিদ ভীমকান্ত কোঁৱৰৰ জীৱনপঞ্জী

সংগ্ৰাহক ঃ লক্ষ্মীপ্ৰিয়া কলিতা

ড° ভীমকান্ত কোঁৱৰ অসমৰ এজন বিখ্যাত লেখত ল'বলগীয়া শিক্ষাবিদ। তেওঁ ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আছিল আৰু শংকৰী সাহিত্য সংস্কৃতিৰ ওপৰত তেওঁৰ বিশেষ পাণ্ডিত্য আছিল। তেওঁৰ জন্ম হৈছিল ১৯৯০ চনত নকটানি চিৰিপুৰীয়া গাঁও, কোঁৱৰপুৰ শিৱসাগৰত ডিচেম্বৰ মাহৰ ২২ তাৰিখে। তেওঁৰ শিক্ষা জীৱনৰ প্ৰাথমিক পৰ্যায় আৰম্ভ হৈছিল নকটানি প্ৰাথমিক বিদ্যালয়, কৈজান, গাঁৱত। মাধ্যমিক শিক্ষা গ্ৰহণ কৰিছিল নকটানি এম.ই স্কুলত আৰু গৌৰীসাগৰ ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউট হাইস্কুল, শিৱসাগৰত উচ্চ মাধ্যমিক শিক্ষা গ্ৰহণ কৰিছিল। ১৯৫৬ চনত তেওঁ মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৬ চনত তেওঁ শিৱসাগৰ কলেজৰ পৰা আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পাছতেই তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. গ্ৰুপ বি পৰীক্ষাত ১৯৬৪ চনত ২য় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। অসমীয়া বিষয়ত সেই বছৰত কোনেও প্ৰথম শ্ৰেণী লাভ কৰা নাছিল। ১৯৬০ চনৰ আগষ্ট পৰ্যন্ত তেওঁ সংস্কৃত আৰু অসমীয়া বিষয়ত কোঁৱৰ হাইস্কুলত শিক্ষকতা কৰে। ১৯৬৪ চনৰ ২৬ আগষ্টৰ পৰা ২০০০ৰ ফেব্ৰুৱাৰী মাহৰ ২৬ তাৰিখ পৰ্যন্ত হনুমানবক্স সুৰজমল কানৈ কলেজত অসমীয়া বিভাগত অধ্যাপনা কৰে। পৰৱৰ্তী সময়ত বিভাগীয় মুৰব্বী অধ্যাপক হোৱাৰ লগতে উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁ মনোহাৰী দেৱী কানৈ মহিলা বিদ্যালয়তো মাজতে পাঠদান কৰিছিল।

১৯৭১ চনত ফেব্ৰুৱাৰী মাহৰ ২১ তাৰিখে শিৱসাগৰৰ চামগুৰি জেহেনিয়া গাঁৱৰ জীয়াৰি ভানু গগৈৰ লগত তেওঁৰ বিবাহ সম্পন্ন হয়। ভানু গগৈয়ে শিৱসাগৰ কলেজৰ শ্ৰেষ্ঠ অভিনেত্ৰী (নাট্য শিল্পী) বঁটা লাভ কৰিছিল। লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ (এন.চি.চি) তেওঁ আগশাৰীৰ কেডেট আছিল। স্কুলত পঢ়ি থকা কালতো তেওঁ অভিনেত্ৰী হিচাপে স্বীকৃতি লাভ কৰিছিল। স্কুল-কলেজৰ ছাত্ৰী অৱস্থাত সমাজ সেৱা কামত বিশেষ অহিৰণা যোগোৱা ভানু গগৈ অসমৰ তেল শোধনাগাৰ আন্দোলনৰ এগৰাকী আগশাৰীৰ স্বেচ্ছাসেৱিকা আছিল। ভীমকান্ত কোঁৱৰৰ চাৰিগৰাকী পুত্ৰ-কন্যা হ'ল ক্ৰমে সুজাতা, শুচিব্ৰতা (এম.এ.এ.চি.এছ), সুব্ৰত ভাৰত (এম.এ.এল.এল. বি) ডাক্তৰ যুথিকা জ্যোতিমল্লিকা এম.ভি.এচ. আৰু ডাক্তৰ দীপাংকৰ দেৱব্ৰত এম.বি.বি.এচ.ডি.এল.অ।

১৯৬১-১৯৬৪ খ্ৰীঃত তেওঁ কোঁৱৰপুৰ শাখা সাহিত্য সভাৰ সম্পাদক আছিল ১৯৫৮-১৯৭২ খ্ৰীঃত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক আছিল। লগতে অবিভক্ত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপসভাপতি আছিল। ডিব্ৰুগড় জিলা মইনা পাৰিজাত প্ৰথম সভাপতিৰূপে ১৯৮২ খ্ৰীঃৰ ২০ চেপ্তেম্বৰত নিৰ্বাচিত হয়। সদৌ অসম মইনা পাৰিজাতৰ সাংগঠনিক সম্পাদকো আছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শ্ৰীমন্ত শংকৰ-মাধৱ প্ৰাথমিক শাখাৰ সভাপতি ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ বিদ্যাপীঠৰ উপ-সভাপতি ৰূপে ১৯৯৯ খ্ৰীঃ পৰ্যন্ত আছিল। ১৯৬১ চনত যুগপুৰুষ বিনোৱাভাৱে অসম ভ্ৰমণ কালত তেখেতৰ লগত দুদিন পদযাত্ৰা কৰিছিল আৰু কোঁৱৰপুৰ হাইস্কুলত তেখেতৰ চাৰিদিনীয়া অৱস্থাত বাহৰৰ কালত বাহৰৰ কৃতকাৰ্যতাৰ বাবে শ্ৰমদান কৰিছিল। ১৯৯২ খ্ৰীঃৰ ১৬-২৫ এপ্ৰিললৈ গুৱাহাটীৰ ৰাষ্ট্ৰীয় গ্ৰাম বিকাশ সন্থাৰদ্বাৰা আয়োজিত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল সদৌ অসম মইনা পাৰিজাতৰ কাৰ্যনিৰ্বাহক

সদস্যৰূপে (Course on project Development and Agency Management for voluntary agencies) ১৯৬৬-৬৭ খ্ৰীঃত ডিব্ৰুগড়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৩৪ তম অধিৱেশন আদৰণী সমিতিৰ আলোচনাচক্ৰ উপসমিতিৰ সম্পাদক। সভাপতি আছিল লক্ষ্মীকান্ত দত্ত, নাট্যকাৰ।

১৯৭০ খ্ৰীঃত অসম সাহিত্য সভাই ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা মৌলবী মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ আদৰণী সমিতিৰ যুটীয়া সম্পাদক আছিল। ১৯৭২ খ্ৰীঃত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঁই বৰুৱা জন্ম শতবাৰ্ষিকী উৎসৱ আদৰণী সমিতিৰ সম্পাদক আছিল।

১৯৭১ খ্ৰীঃত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঁই বৰুৱা জন্ম শতবাৰ্ষিকী উৎসৱৰ ডিব্ৰুগড়ৰ সম্পাদক আছিল।

২০০১ খ্ৰীঃত প্ৰকাশিত আৰু ভৱকান্ত কোঁৱৰ সংকলিত 'ভক্তিমংগল ঘোষা মৌকোঁহ' গ্ৰন্থৰ সম্পাদনা কাৰ্যত বছৰজোৰা পৰিশ্ৰম দান আৰু সাহায্য দান কৰিছিল। ২০০৫ খ্ৰীঃত 'চতুঃশ্লোকী ভাগবত' নামৰ পুস্তিকা ৰচনা কৰিছিল। 'অসমৰ একমাত্ৰ শিশু সংগঠন সদৌ অসম মইনা পাৰিজাত' নামৰ এখন পুস্তিকা ৰচনা কৰিছিল।

ফুল : ক্ষমাহে আইদেউ। মাৰিলেও মাৰক কাটিলেও কাটক কিন্তু এই ৰাতিখন আজলীয়ে মোক যিখিনি ভৰ্ৎসনা মোৰ ধৈৰ্যৰ বান্ধ খুল খাই গ'ল কিয়? কিয় নাচনী ছোৱালী বুলিয়েই জগতৰ সমগ্ৰ অপমান সহ্য কৰিব লাগে আইদেউ। নাচনী বুলিয়ে কি আমাৰ একো মান গৰিমা নাই? হ'ব পাৰো মই নাচনী ছোৱালী কিন্তু মইয়ো এজনী তেজ-মঙহৰ নাৰী। মোৰো দুখ-সুখ, বিৰহ-বেদনা আছে। আন দহজনী নাৰীৰ দৰে মোৰো এটা মন আছে, এটা হৃদয় আছে। নাচনী বুলিয়েই মোৰ হৃদয়খন মূল্য সদায় কম কিয়? আইদেউ জানেনে বাহিৰলৈ ওলাই যাবলৈ বৰ ভয় লাগে, পুৰুষৰ চকুৰ চাৱনিয়ে খেদি ফুৰে। লুভীয়া পুৰুষৰ লোলুপ চাৱনিৰ পৰা নিজকে বচাই ৰাখো প্ৰতিপল। এজাক মুকলি বতাহ, দিখৌ পানী আৰু বেলিৰ পোহৰ বিচাৰি হাহাকাৰ কৰি ওলাই যাওঁ আৰু যেতিয়া ঘূৰি আহো আজলীৰ দৰে বহু নাৰীয়ে মোৰ চৰিত্ৰত প্ৰশ্ন কৰে। মোক পতিতা বুলি, দেহোপজীৱিনী বুলি ঘৃণা কৰে, ভৰ্ৎসনা কৰে। লেংডনৰ শপত আইচু দেউতা দেউলৰ বিগ্ৰহ আৰু স্বৰ্গদেউৰ সমুখতহে মই নাচো আৰু মোৰ বুকুত এজনেই পুৰুষ ৰংমন। কিন্তু কপাল আইদেউতা নাচনীৰ কপাল কেৱল দুখ, দুখ আৰু দুখ।

কুৰংগনয়নী : নাকান্দিবি ফুল নাকান্দিবি। আজলী আইটি তুমিও দেখোন এগৰাকী তিৰোতা, তুমিতো বহু কথাই বুজা। কিন্তু এগৰাকী নাৰী হৈ নাৰীৰ মন কিয় নাই বুজা আজলী আইটি। এই আপদৰ কালতো এই ছোৱালীজনীক তুমি কিয় আজি কালি ল'ব পৰা নাই? তোমাৰ হৃদয়খন ইমান কাঠচিত নে?

আজলী : মোক ক্ষমা কৰক আইদেউ।

কুৰংগনয়নী : তুমি মোক নহয় ফুলমতীক ক্ষমা খোজা আইটি।

আজলী : ফুল। আই অ' নাকান্দিবি। তই যে নিজৰ বুকুৰ মাজত ইমান দুখ-বেদনা লৈ ফুৰিছ মই এজনী তিৰোতা হৈয়ো বুজিব নোৱাৰিলো। মোক ক্ষমা কৰ আই, মোক ক্ষমা কৰ।

কুৰংগনয়নী : নাৰীৰ জীৱনত দুখ অন্ত নাই অ'। কিন্তু দুখ আৰু ত্যাগৰ প্ৰৱল অগ্নিত জ্বলি জ্বলিয়েই সোণ হৈ জিলিকিব লাগিব, জগতত নিজৰ চিন থৈ যাব লাগিব। সীতা, দ্ৰৌপদী এই নাৰীবিলাকেও জীৱনত কত কি সহিলে এজনী পাতাল পালেগৈ আনজনীক পুৰুষৰ সভাতে উলংগ কৰিবলৈ কি বীভৎস চেষ্টা চলোৱা হ'ল। তথাপি সাহস আৰু কৰ্মেৰে দুয়ো যুগ-যুগান্তলৈ জিলিকি ৰ'ল। ফুল তই নাচনী আৰু মই পাটৰাণী, কিন্তু নাৰী হিচাপে আমাৰ জীৱনৰ কোনো পাৰ্থক্য নাই অ' আই। মানৰ আক্ৰমণত নিজ দেশ, নিজ মাতৃভূমি এৰি প্ৰাণ-মান বচাই কছাৰীৰ ৰাজ্যত শৰণ ল'লোৱেই। মানৰ পৰা দেশ ৰাখিবলৈ পিতাদেৱে আহোমৰ সহায় ল'লৈ—সেই বাবে দেশৰ কাৰণে সন্ধিৰ বিবাহ কৰিলো। সকলোবোৰকে নিয়তিৰ বিধান বুলি মানি লৈ স্বৰ্গদেউক মন-প্ৰাণ অৰ্পণ কৰি ভাল পাবলৈ লৈছিলোঁহে এদিন হঠাৎ স্বৰ্গদেউ ঈশ্বৰে মোক নিঠৰুৱা কৰি অজান দেশলৈ গুচি গ'ল। তাৰ পাছত নতুন স্বৰ্গদেৱে মোক পুনৰ বিবাহ কৰোৱালে মই দেশ আৰু প্ৰজাৰ স্বাৰ্থত ইয়াকো মানি ল'লো। আক্ষেপ থাকিও নাই ক্ষোভো নাই, অশ্ৰুও নাই আৰু আজি

আকৌ গৃহবন্দী হ'লো এজন ৰাজ বিদ্ৰোহীৰ ঘৰত। জীৱন ফুলমতী, এয়াই জীৱন। কাহানিও দুখৰ অন্ত নপৰা তিৰোতাৰ জীৱন।
(নেপথ্য গীত-অ' জীৱন ৰে অ' জীৱন ছাড়িয়া যাস না মোৰে, তুই জীৱন দাড়িয়া গেলে মানুযে কইবে মৰা জীৱনৰে)
চোতালৰ পৰা মাত ভাহি আছে)

**ৰামধন** ঃ আইচু দেউতা। আইচু দেউতা।

**ভাদৈ** ঃ আইচু দেউতা চোতাললৈ ওলাই আহকচোন।

**তগৰ** ঃ আইচু, দেউতা এই ৰাতিবেলা কোন আহিল?

**কাঞ্চন** ঃ মাতযাৰ চিনাকি যেন লগা নাই, কোন হ'ব পাৰে বাৰু?

**তগৰ** ঃ আইচু দেউতা দুৱাৰখন খুলি দিও জানো?

**কুৰংগনয়নী** ঃ ৰ'চোন। কোনোবা তিৰোতা মানুহৰ মাত যেনেই লাগিছে। কিবা বিপদত পৰিও এইখিনি পাবহি পাৰে। যা খুলি দেগৈ।

**কাঞ্চন** ঃ কোনোবা যখিনী-ডাইনীও হ'ব পাৰে আইচুদেউতা, খুলি নিদিয়াই ভাল হ'ব নেকি?

**আজলী** ঃ অ' আইদেউ মোৰো ভয়হে লাগিছে। এই এন্ধাৰ পৰত মানুহেই নে দেৱতাই মাত লগাইছে কেনেকৈ জানিব?

**কুৰংগনয়নী** ঃ চাকিটো দে। হাতে হাতে যি পাইছ' লৈ ল'। মই দুৱাৰ খুলি দিওঁগৈ। (চোতালৰ পৰা ভাদৈ-ৰামধন ফুকন সোমাই আহে)

**ৰামধন** ঃ আইচুদেউতা, সেৱাহে।

**আজলী** ঃ শ্ৰীবিষ্ণু শ্ৰীবিষ্ণু। ৰামধন তুমি তাকো তিৰোতাৰ ৱেশত। আৰু এইজনী।

**ভাদৈ** ঃ অ' বোলো মই হে। এইযোৰ মানে ইমান জোট-পোট খাই ধৰিছে অ'।

**তগৰ** ঃ ভাদৈ। তই, তই কুশলে আছ'

**ভাদৈ** ঃ অ'তো। তোক বিয়া নপতাকৈ মই এনেও নমৰোঁ। সেইকাৰণেই কুশলে আছো অ'।

**তগৰ** ঃ যা এইডাল।

**ভাদৈ** ঃ হিঃ হিঃ। লাজ কৰিছে।

**ৰামধন** ঃ আইচুদেউতা আপুনি কোৱাৰ মতেই সকলো ঠিক-ঠাক কৰা হৈ গৈছে। আহোমৰ ডা-ডাঙৰীয়া সকলো ইতিমধ্যে সাজু।

**কুৰংগনয়নী** ঃ সজ কথা ফুকন সকলো সাজু হৈছেই যেতিয়া, অনতি পলমে আমি কামত আগবাঢ়িব লাগে। আহোমৰ পাখি লগা শিং বৰ বেছিদিন বান্ধোনত থাকিব নোৱাৰে।

**ৰামধন** ঃ হয় দেউতা ঈশ্বৰ। এইফালে ৰাঘৰ মৰাণ ফাগুত পৰিলেই আমি মোৱামৰীয়াক ভেটিব পাৰিম। এতিয়া শেষৰটো পাশা পেলাবলৈহে বাকী।

**কুৰংগনয়নী** ঃ ঠিক আছে। পিছে মই কোৱা বস্তুবোৰ আনিবানে?

**ৰামধন** ঃ আনিছো আইচু দেউতা। এইয়া চাওঁক।

**কুৰংগনয়নী** ঃ চ'তৰ বিহুৰ কাম ফেৰা কৰা হ'ব। ৰাঘুৱা বৰালিৰে ৰাইজে ভোজ-ভাত খাবলৈ যো-জা কৰিবা, জয়দেউলত বিগ্ৰহক পূজা কৰি লক্ষ্মীনাৰায়ণৰ সেৱা ল'বা। এতিয়া তোমালোক যোৱা চাবা কোনো চোৰাংচোৰাৰ চকুত নপৰা যাতে সাৱধান হ'বা। ব'হাগৰ বিহুৰ শুভেচ্ছা সকলোকে দিবা এইডাল লোৱা, ক'বা আইদেউৱে বিজয় তিলক দিছে।

**ৰামধন** ঃ আমি বিজয়ী হ'মেই আইদেউ। এতিয়া সেৱাহে, ৰাতিলৈ আমি পুনৰ হুঁচৰি গাবলৈ আহিম। আপোনালোক সাজু হৈ থাকিব। আমি আহিলো।

(ৰামধন, ভাদৈ যায়গৈ)

**আজলী** ঃ আইদেউ, আপোনালোকে কি কামৰ কথা ক'লে একো ভূকে নাপালোঁ যে।

**তগৰ** ঃ অ' আইদেউ ঈশ্বৰ, কি কামনো? পিঠা-পনা, চাদৰ গামোচা এইবোৰ দেখোন

আমিয়ে কৰিম, এই দাকেইখনো কেলেই আৰু এওঁলোক চাদৰ-মেখেলা পিন্ধি ইয়াত কিয়? মই একোৱে বুজা নাই।

কুৰংগনয়নী ঃ নহয় অ' তগৰ। পিঠা-পনা, চাদৰ-গামোচা নহয়। বৰ ডাঙৰ কাম এফেৰা আছে। আৰু ইহঁতি যদি চাদৰ- মেখেলা পিন্ধি লুকাই চুৰকৈ নাহে তেতিয়া দেখোন মোৱামৰীয়াই ধৰি ইহঁতক নচচা হুলত দিব। তেতিয়া ভাদেয়ে তোক কেনেকৈ পলুৱাই নিব? চাওঁ গোটেইকেইজনী ওচৰলৈ আহ। ... এতিয়া বুজিলিনে?

আজলী ঃ বুজিলো আইদেউ

কুৰংগনয়নী ঃ তহঁতে কিন্তু মোক লগ দিব লাগিব। মই অকলে কৰিব নোৱাৰোঁ এই কাম। ক মোক সহায় কৰিবিনে?

সকলোৱে সমস্বৰে ঃ কৰিম আইদেউ। আমি কৰিম।

ফুল ঃ অ' আইদেউ যদি প্ৰাণো যায়গৈ আপত্তি নাই। কিন্তু এই ফুলমতী নাচনীয়ে নিজকে প্ৰমাণ কৰাৰ সুযোগ অথলে যাব নিদিওঁ। মই সাজু আইদেউ। মই সাজু।

কাঞ্চন ঃ আহোমৰ তিৰোতা যে পুতাপুতকৈও কম নহয় সেই কথা আমি প্ৰমাণ কৰিম আইদেউ। ইমানদিনে আমাক গৃহবন্দী কৰি থোৱা, আমাক নিজক ঘৈণী চপাব খোজা ৰাঘৰৰ ওচৰত পুতেক তুলিম আমি। আহোমৰ বিজয় পতাকা আকৌ উৰিব কাৰেং ঘৰৰ শিখৰত। আমি আপোনাৰ লগত আছোঁ আইদেউ।

কুৰংগনয়নী ঃ তেন্তে তোমালোকে সাজু হোৱাগৈ। নিজৰ নিজৰ অস্ত্ৰত শান দি জিলিকাই তোলা। শৰাই সঁফুৰা, তামোল-পাণ, নৱ বস্ত্ৰ সাজু কৰা আহোম বাহিনীক আদৰিবলৈ। ঈশ্বৰ এইবাৰ আমাৰ সাৰথি, এইবাৰ জয় আমাৰ পক্ষত।

সকলোৱে ঃ হয় আইদেউ, আপোনাৰ আদেশ শিৰোধাৰ্য। (সকলোৱে প্ৰস্থান)

কুৰংগনয়নী ঃ পিতাদেৱ আজি তোমালৈ বৰকৈ মনত পৰিছে, তোমাৰ শ্ৰী খোলৰ তালত কত ঈশ্বৰ বন্দনা কৰিলো, বসন্ত ৰাস কৰিলোঁ ঠিক নাই। কিন্তু চোৱা আজি পূজাৰ থাল লৈ নৃত্য কৰা হাতত তীক্ষ্ণ অস্ত্ৰ তুলি লৈছোঁ মাটি-ভেটি ৰক্ষা কৰিবলৈ। বঙৰদেউ আপুনি য'তেই আছে কুশলে থাকক, মই চকলঙৰ আপোনাৰ দেশখনক ভালে ৰখাৰ শপত খাইছিলো। মই সেই কথা ৰাখিবই লাগিব, ৰাখিবই লাগিব। (ৰাঘৰ মৰাণ মঞ্চলৈ আহে)

ৰাঘৰ মৰাণ ঃ কি ৰাখিব লাগিব কুঁৱৰী।

কুৰংগনয়নী ঃ অহ ৰাঘৰ দেও। আহক, আজি হঠাৎ ওলালহি যে?

ৰাঘৰ ঃ ক'তনো হঠাৎ আহিলোঁ, তোমাৰ লগ পাবলৈ দেখোন আহিয়েই থাকোঁ। তুমিহে আমাক মন কাণ নিদিয়া।

কুৰংগনয়নী ঃ ৰাঘৰ দেউ ক্ষমাহে। নজনাকৈ কিবা যদি ভুল কৰিছোঁ যদি দায় দোষ নধৰিব। আমি নিচেই সৰু মানুহ।

ৰাঘৰ ঃ হাঃ সৰু মানুহ। তুমি সৰু মানুহ নোহোৱা কুঁৱৰী, তুমি মোৰ বুকুৰ কুটুম। তোমাকলৈ কিমান সপোন ৰচিছোঁ, তুমি কেনেকৈ বুজিবা।

কুৰংগনয়নী ঃ কি?

ৰাঘৰ ঃ নাই একো নহয়। তুমি কি কৰিব লাগিব বুলি কৈ আছিলা?

কুৰংগনয়নী ঃ ব'হাগৰ বিহুত সকলো মতলীয়া, বছৰেকৰ বিহুটিত মানুহবোৰ মানুহবোৰ ৰং ৰহৈচত উটি-ভাহি গৈছে। পিছে আমিহে এতিয়ালৈকে হুঁচৰি এযোৰৰ ওচৰত সেৱা লোৱা নাই।
ৰাঘৰ দেও নতুন বছৰত ৰাইজৰ ওচৰত আঁঠুকাঢ়ি সেৱা লৈ তাৰ পাছতেই আপোনাৰসতে একেলগে ৰাইজৰ কাম কৰিব খুজিছোঁ, আপোনাৰ লগত চকলংত...

**ৰাঘৰ** : হাঃ কি ক'লা কুঁৱৰী। তুমি সঁচাকৈ মোৰ স'তে চকলং কৰিবা। চাওঁ এইফালে চোৱা। কুঁৱৰী? কুঁৱৰী, চাওঁ এইফালে চোৱা।

(বাহিৰত হঠাৎ হুঁচৰিৰ মাত ভাহি আহে)
কৃষ্ণাই মূৰতে বকুল ফুল-এলাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম।

**কুৰংগনয়নী** : ৰাঘৰ দেউ হুঁচৰি আহিছে।
(দেউতাৰ পদূলিত গোন্ধাইছে মালতী
কেতেকী মলেমলাই ঐ গোবিন্দাই ৰাম)

**ৰাঘৰ** : অ' কুঁৱৰী। তোমাৰ মনৰ আশা আজিয়েই পূৰণ হ'ব। যোৱা ৰাইজৰ সেৱা ধৰাৰ ব্যৱস্থা কৰা।

**কুৰংগনয়নী** : হয় ৰাঘৰদেউ। কাঞ্চন, তগৰ, কোন ক'ত আছ বেগেতে আহ। শৰাই তামোল-পাণ, চেলেং-গামোচা য'ত যি আছে সাজু কৰ। ৰাঘৰদেউ আপুনি বহকচোন। আজলী আইটি। সোনকালে আহা, ৰাইজ আহিলেই।

(ফুলমতী আহি চোতালত পানী ছটিয়াই। চোতালত বিহুৱাৰ বেশত ৰামধন, ভাদৈ আদি আহোম)

**ৰামধন** : অ' গৃহস্থ ৰাইজক সেৱা ধৰকহি। হুঁচৰিযোৱাক আদাৰি বিহুনাম জুৰিবলৈ অনুমতি দিয়ক।

**ৰাঘৰ** : ব'লা কুঁৱৰী। আমি ৰাইজৰ ওচৰত সেৱা লওঁগৈ।

**কুৰংগনয়নী** : ব'লক ৰাঘৰ দেউ। পিছে দেউ ৰাইজৰ ওচৰত অস্ত্ৰ ধৰি সেৱা কৰিব?

**ৰাঘৰ** : নাই নাই। এয়া ধৰা। (তৰোৱালখন কুঁৱৰীক দি দিয়ে)
কৃষ্ণ অ' হৰি অ' ৰাম (সেৱা ল'বলৈ চোতালত আঁঠু লয় আৰু সেই মুহূৰ্ততে কুঁৱৰীয়ে তৰোৱালেৰে আঘাত কৰি ৰাঘৰক বধ কৰে।

**নেপথ্য কথন** : ন ব'হাগৰ সেই দিনটোত কুৰংগনয়নী আৰু আহোমৰ অন্যান্য দুঃসাহসী নাৰীয়ে কালৰাত্ৰিৰ ৰূপ লৈ ৰাঘৰ মৰাণৰ মৃত্যু ঘটালে। ৰাঘৰ মৰাণ অবিহনে নেতৃত্বহীন আৰু দুৰ্বল হৈ পৰা মোৱামৰীয়া বিদ্ৰোহীক সহজেই উৎখাত কৰিবলৈ সক্ষম হ'ল আৰু স্বৰ্গদেউ লক্ষ্মীসিংহই স-সন্মানে জয়দৌলৰ পৰা মুক্ত হৈ পুনৰ সিংহাসনত আৰোহণ কৰিলে। যাৰ সাহস, বীৰত্ব আৰু দৃঢ়বিশ্বাসৰ বাবে উভতি আহিল আহোমৰ হেৰুৱা গৌৰৱ আৰু সলনি হ'ল ইতিহাস পৃষ্ঠা। সেই মহীয়সীৰ নাম চাংৰুং ফুকনে লিখি থ'লে সোণালী আখৰেৰে দিখৌৰ কুঁৱৰী তেখাও লেইমা।●●

# যুৱ মহোৎসৱলৈ গৈছিলোঁ

পংকজ দত্ত

'কামৰ সৰু বৰ নাই'
জ্ঞানী লোকে কৈছিল।

আচলতে যিকোনো কামৰ মাজত যেতিয়া সুখ দিব পৰা কিবা এটা বিচাৰি পোৱা যায় তেতিয়া কৰ্মবোৰ সুন্দৰ আৰু মনবোৰ ধুনীয়া হৈ পৰে।

আমিও মহাবিদ্যালয়ৰ ছাত্ৰাৱস্থাৰ এটি সুখদায়ক কাম সংক্ষেপে আঁত ধৰিছোঁ। নিশ্চয় পাঠকে সোৱাদ পাব। আগতে শুনিছিলোঁ, মহাবিদ্যালয়বোৰৰ মাজত আটাইতকৈ বহুলভাৱে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাবোৰৰ ভিতৰত Youth festival, মানে যুৱ মহোৎসৱেই ডাঙৰ সাংস্কৃতিক অনুষ্ঠান। সংস্কৃতিৰ দৰে বিশাল বায়ুমণ্ডলত ধূলিকণাৰ দৰে জড়িত যেতিয়া, মন যাবে দিয়কচোন তেনেকুৱা অনুষ্ঠানবোৰলৈ যাবলৈ। প্ৰথম ষাণ্মাসিকৰ এজন ছাত্ৰ হিচাপে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগলৈ আহিলোঁ। সৰু এখন গাঁৱৰ পৰা আহি ইয়াৰ চাৰিবেৰৰ মাজত ঘপককৈ মিলিব নোৱৰাটো স্বাভাৱিক। দিন বাগৰিল, কিছুমান সপোন যেনে অধ্যক্ষৰ সৈতে সাক্ষাৎ হোৱা, অধ্যাপক অধ্যাপিকাসকলৰ বিশ্বাসী হ'ব পৰা, দাদা বা তথা বন্ধুসকলৰ লগত মিলা-প্ৰীতিৰ মাজত সাঙোৰ খোৱা, প্ৰেক্ষাগৃহৰ মঞ্চত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা... এইবোৰ কামনাপূৰ্ণ হৈছিল ধীৰে ধীৰে। লাহেকৈ আহিল যুৱ মহোৎসৱৰ বাবে ছাত্ৰ-ছাত্ৰী বাচনি অনুষ্ঠান। বাচনি অনুষ্ঠানলৈ যোৱাৰ মাত্ৰেই এটাই ভাৱ ইমানখিনি মানুহ, ক'তনো মই যাব পাম। তথাপিও বাচনি অনুষ্ঠানত আমাৰ বিভাগৰ পৰিৱেশ্য কলা বিভাগৰ প্ৰতিনিধি বিদিশা মলিয়া বাই দিয়া সাহসক আওকাণ নকৰি অংশ ল'লো। প্ৰিয়ংগনা মিলি বা তেতিয়া সাংস্কৃতিক সম্পাদিকা। খুউব নিকা নিৰ্বাচন। দুদিন মানৰ পাছত গম পালোঁ যুৱ মহোৎসৱলৈ যাবলৈ মইও নিৰ্বাচিত হৈছো। সুখী...।

মিলি বাৰ নেতৃত্বত DKD মহাবিদ্যালয়ত বিভিন্ন প্ৰতিযোগিতাত আমি অংশগ্ৰহণ কৰিলোঁ। মুঠতে ৮ টা পুৰস্কাৰ লাভ কৰি আমিও সেই সময়ত গৌৰৱ কঢ়িয়াই আনিছিলোঁ দেৰগাঁৱৰ পৰা। তেনেদৰেই জ্যেষ্ঠসকলৰ লগত ঘনিষ্ঠতা হৈছিল। সৃষ্টি হৈছিল এক অন্তৰংগৰ মিল থকা পৰিয়ালৰ। যুৱ মহোৎসৱৰ সকলোবোৰ দিশ বুজি পালোঁ অলপকৈ হ'লেও। যুৱ মহোৎসৱৰ অভিজ্ঞতা বুটলি পুনৰ এটা বছৰলে তাক সামৰি থ'লোঁ।

এটা বছৰৰ পাছত, আকৌ যুৱ মহোৎসৱ ২০২৩। Youth fest মানেই যেন এক শক্তিৰ উৎস। ২০২৩ ত যুৱ মহোৎসৱ ডিগবৈ মহিলা মহাবিদ্যালয়ত। এইবাৰ পিছে অলপ বেলেগকৈ যাব লগা হ'ল। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জ্যেষ্ঠসকলৰ অনুপ্ৰেৰণাত সাংস্কৃতিক সম্পাদক পদটিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। কানৈয়ানৰ বিশ্বাসত বিপুল ভোটত জয়ী হ'লো। পদটি গ্ৰহণ কৰাৰ পাছতেই পুনতে যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰিব লগা হৈছিল। পদটি গ্ৰহণ কৰাৰ প্ৰায় ২০ দিন মানৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ বাচনি প্ৰক্ৰিয়া আৰম্ভ কৰিলোঁ। যদিও যুৱ মহোৎসৱ ফেব্ৰুৱাৰীত হৈছিল তথাপি তাৰ মাজতে মহাবিদ্যালয়ৰ পৰীক্ষা হোৱাৰ হেতুকে আগতীয়াকৈ বাচনি অনুষ্ঠান অনুষ্ঠিত কৰিব লগীয়া হ'ল।

বাচনি প্ৰক্ৰিয়াত ভাবিব নোৱৰাকৈ অংশগ্ৰহণ কৰিলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। আৰম্ভণিতে কিবা এটা ধনাত্মক শক্তি পালোঁ। বিচাৰক হিচাপে কেইজনমান ব্যৱহাৰিকভাৱে উৎকৃষ্ট ব্যক্তি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলোচনা কৰি



মাতিলোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ Youthfest comittee ৰ তত্ত্বাৱধানতা নুই কৰিব নোৱাৰি।

এক সু-বাচনি কৰি আমি মুঠতে ২৯ জনীয়া দল এটি যাবলৈ সিদ্ধান্ত ল'লো। পৰীক্ষা আৰম্ভ হ'ল। পৰীক্ষাৰ পাছতে আমি অনুশীলন আৰম্ভ কৰিব ল'লো। অনুশীলনৰ সময় উলিওৱা, ২৫ গৰাকী ছাত্ৰ-ছাত্ৰী লগ হোৱা, আহঃ কিমান যে কষ্টকৰ। তথাপি প্ৰায় আগবঢ়ালোঁ, সকলোৱে নিজে নিজকে। মুঠতে সকলোৰে সময় মিলাই আগবাঢ়িলোঁ। দিন বাগৰি সেই মূল দিনটো আহিল। ৩১ জানুৱাৰী যাত্ৰা— ডিগবৈ মহিলা মহাবিদ্যালয়। মানৱ বৰগোহাঁই ছাৰৰ তত্ত্বাৱধানত আমি ওলালোঁ। বাছ আহিল। ৰাতিপুৱা ৯ মান বজাত। মইহে সেই ৰাতিপুৱাটো বহুত বেছি ব্যস্ত হৈ পৰিছিলোঁ। যেনেকে আছিলোঁ তেনেকৈয়ে গাড়ীত উঠি দিলোঁ। ছাত্ৰীসকলৰ তত্ত্বাৱধানত আছিল লিজা বা আৰু ছাত্ৰসকলৰ তত্ত্বাৱধানত মন্মথ দা। আনন্দময় পৰিৱেশ। প্ৰায় ডিগবৈ পাওঁ পাওঁ হোৱাৰ আগতে হোটেল এখনত সবে মিলি পেট পূজা কৰিলোঁ।

অৱশেষত পালোঁগৈ ডিগবৈ। যুৱ মহোৎসৱৰ সময়তে আমাৰ ছাত্ৰ একতা সভাৰ অন্য এটা গধুৰ দায়িত্ব আহি পৰিল। মহাবিদ্যালয়লৈ আহিল NAAC, তাতো সাংস্কৃতিক দিশ চোৱাৰ দায়িত্ব ল'ব লগা হ'ল। দুফালে দুটা দায়িত্ব। তথাপি NAAC ৰ লগত জড়িত হ'ব ভালদৰে নোৱাৰিলোঁ।

NAAC ৰ বাবে ছাত্ৰ একতা সভাৰ অন্য কেইজনমানক দায়িত্ব দি আমি ৰাওনা হ'ব লগা হৈছিল ডিগবৈলৈ। ডিগবৈ মহাবিদ্যালয়ৰ পৰা আমি ল'ৰাখিনি ১ কিঃমিঃ মান দূৰত আছিলো আৰু ছোৱালীখিনি মহাবিদ্যালয়ৰ ওপৰত থকা শ্ৰেণী কোঠা এটাত আছিল। মানৱ ছাৰ আৰু মই ছাত্ৰ-ছাত্ৰীসকলৰ নাম ৰেজিষ্ট্ৰেচন কৰি নিজৰ নিজৰ অতিথি শালাত গৈ



জিৰণি ল'লোঁগৈ। চিৰঞ্জীৱ, চাণক্য দা, লিজা বা, মন্মথ দা, দ্বিপজ্যোতি, দৰ্শনা, স্বপ্ননীল, লক্ষ্মীপ্ৰিয়া, প্ৰিন্সিপিয়া, বিশাল, কৌস্তুভ, অনন্যা, জ্যোতিশিখা, অংশুমান, পৰাঙ্গম, বল্লভ, অনুৰাগ, গৌৰৱ দা, ৰিকি দা, গায়ত্ৰী বা, দেৱাস্মিতা, নিহাৰ, জ্ঞানী, তানজিম, পাৰ্থ দা, দীপাংকৰ আদিৰ সকলোৰে অপাৰ ব্যস্ততা। প্ৰথম দিনাই মোৰ বাবে এটা বিশেষ প্ৰত্যাহ্বানৰ দিন, লিখনিতে সত্যতাটো প্ৰকাশ কৰিছোঁ। দলটোৰ মনবোৰ সেমেকি নুঠিবলৈকে মই এটা মিছা কথাৰ আশ্ৰয় ল'ব লগা হৈছিল। যিহেতু মই ভাওনা কৰোঁ অসমৰ বিভিন্ন দলৰ লগত বিভিন্ন প্ৰান্তত, সেইবাবে প্ৰায় দুটা মান মাহৰ আগতেই অৰ্থাৎ যুৱ মহোৎসৱৰ তাৰিখ নোলোৱাৰ আগতে এটা দলৰ লগত প্ৰতিযোগিতা ভাওনা এখন কৰাৰ বন্দবস্ত হৈছিলো, চৰিত্ৰটি নতুন আছিল। কেৱল মইয়ে সেই চৰিত্ৰটি কৰিছিলোঁ, যাৰ বাবে ঘপ্‌কৈকে বেলেগক দিব পৰা নাছিলোঁ। এতিয়া কথা হ'ল যাব লাগে। মানৱ ছাৰ,পাৰ্থ দা আৰু চিৰঞ্জীৱক কথাটো জনাই, আলোচনা কৰি সেই দিনটোত "NAAC" ৰ কামত কলেজলৈ আহিব লগীয়া হৈছে বুলি কৈ সমস্ত দায়িত্ব জ্যেষ্ঠসকলক দি ভগৱানকে চিন্তি দোকমোকালিতে মোৰ বাবে ৰৈ থকা গাড়ীত উঠি দুলীয়াজানলৈ আহিলোঁ। আকৌ দুলীয়াজানৰ পৰা দলটিৰ সৈতে যোৰহাটলৈ গ'লো। প্ৰতিযোগিতা কৰি পুনৰ ৰাতিপুৱাই ডিগবৈ পালোহি। ১ মান বজাত মোৰ আছিল শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতা, অংশ ল'লো।

বাকীবোৰ ব্যস্ত নিজৰ নিজৰ প্ৰতিযোগিতাত। ৰাতিপুৱা মানৱ ছাৰৰ ধমকি খায় কাহি-পাদি, ভৰ টোপনি চকুত লৈ যেতিয়া ঝাৰু মাৰি চাফাই কৰিছিলোঁ, কৈছোঁ নহয় মানুহবোৰৰ মুখবোৰ চাব লগা আছিল।

খোৱা-বোৱাবোৰ ঠিকেই আছিল বাৰু। পিছে হাগনি বেমাৰটো কেইজনমানৰ নাই হোৱা বুলি ক'লে ভুল কৰা হ'ব। মাজতে কুইজৰ ফলাফল আহিল, আমাৰ দুটাই মানে চিৰো আৰু পৰাঙ্গমে পালে দ্বিতীয়, বাঃ কিযে উল্লাস! বাৰু যিকি নহওক সকলোবোৰতে সুন্দৰভাৱে অংশ ল'লো। শেষৰ দিনা শোভাযাত্ৰা হ'ল। আমি মণিপুৰৰ সংস্কৃতি লৈছিলোঁ, খুউব ভাল লাগিছিল। অৱশেষত সেই চিৰস্মৰণীয় নিশাটো আহিল, অৰ্থাৎ ফলাফল। মোৰ বুকু দুৰু দুৰু কপিব ধৰিলে। মাথোঁ এটাই চিন্তা, প্ৰিয়াংগনা বাৰ সাংস্কৃতিক সম্পাদিকাৰ নেতৃত্বত থাকোঁতে মহাবিদ্যালয়লৈ অহা পুৰস্কাৰৰ তালিকাতকৈ যেন এইবাৰ কম নাহে। ধাৰাটো যেন অক্ষুণ্ণ থাকে। সেইদৰে ফলাফল ঘোষণা হ'ল। ভাবিব নোৱাৰাকৈ আমি মুঠ ৯ টা একক পুৰস্কাৰ পালোঁ। আমি সুখী হৈ আৰু একো আশা নকৰি ওলাই আহোঁতেই ঘোষণা কৰিলে নহয় তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়... D.H.S. Kanoi College.

আমি হতভম্ব হৈ ৰ'লো। ইটোৱে সিটোৰ মুখলৈ চাই এনেকুৱা পাগলৰ দৰে হৈ পৰিছিলোঁ মাত্ৰ সেই মুহূৰ্তত থকা কেইজনেহে উপলব্ধি কৰিব পাৰিছিলোঁ, আনন্দৰ চকুপানীও উলাই আহিছিল দুচকুত। বঁটা ল'লো, কা...নৈ, কা...নৈ ধ্বনিয়ে প্ৰেক্ষাগৃহ মুখৰিত হৈ পৰিছিল। দ্বিতীয় হ'ল উত্তৰ লক্ষীমপুৰ, প্ৰথম হ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়। তদুপৰি শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ ধাৰাটো অক্ষুণ্ণ থাকিল। একেদিনাই মোৰ বাবে আৰু এটা ভাল খবৰ আহিল, যোৰহাটত কৰা সদৌ অসম ভাওনা প্ৰতিযোগিতাত মই শ্ৰেষ্ঠ পাৰ্শ্ব অভিনেতা পাবলৈ সক্ষম হ'লো। খুব সুখী হ'লো।

থিকেই গ'ল, এতিয়া উভতনি যাত্ৰা। বহুত বন্ধু-বান্ধৱীৰ লগত চিনাকি হ'লো, সকলোৰে পৰা বিদায় মাগিলোঁ। ৰৈ থকা বাছত নিজৰ সামগ্ৰী তুলি লৈ 'যৌৱন যৌৱন সৃষ্টিৰ মৌৱন'ৰ গৰাকী ডিগবৈ মহিলা মহাবিদ্যালয়ক সেৱা এভাগ জনাই ৰাওনা হ'লো নিজৰ মন্দিৰলৈ। ৰাতিৰ যাত্ৰা সকলোকে নিজৰ নিজৰ সুবিধা অনুযায়ী থোৱাৰ ব্যৱস্থা কৰি আমিও ঘৰমুৱা হ'লো। এটা দীঘলীয়া হুমুনিয়াহ মাৰি নিজৰ বিছনাখনত পৰি গোটেই পৰিক্ৰমাটোৰ দীৰ্ঘ অৱসাদখিনি দূৰ কৰিলোঁ। পিছৰ দিনা পুৰস্কাৰসমূহ অধ্যক্ষক গটালোগৈ। উৎফুল্লিত মনেৰে পিতৃসম অধ্যক্ষই আমাক আশীৰ্বাদ দিলে আগন্তুক ভৱিষ্যতবোৰলৈ। এইয়াই প্ৰাপ্তি...

যাত্ৰাৰ অন্তৰালত আমাৰ লগত বহু লোকৰ হাত আছিল, নাম উল্লেখিত কৰিব থাকি গ'লেও ছাত্ৰ একতা সভাৰ সদস্য হিচাপে ধন্যবাদ দিছোঁ আপোনালোককো। এনোৱা যাত্ৰা হওক সুদূৰ প্ৰসাৰি। তাকে ভাবি গুণি কলমটি জপাব লৈছোঁ এই যাত্ৰাৰ পৰা, আশা ৰাখিম আমাৰ সৰুকৈ উপস্থাপন কৰা এই যাত্ৰাৰ সমভাগি হ'ব পাৰিব।●●

*সাক্ষাৎকাৰ*

# বিশিষ্ট সত্ৰীয়া শিল্পী তথা গৱেষক শ্ৰীযুতা মীনাক্ষী গগৈৰ সৈতে এক চমু বাৰ্তালাপ

সাক্ষাৎকাৰ গ্ৰহণকৰোঁতা ঃ চিৰঞ্জীৱ সন্দিকৈ

**চিৰঞ্জীৱ সন্দিকৈ ঃ** নমস্কাৰ বাইদেউ। পোনপ্ৰথমেই আপুনি সদ্যহতে লাভ কৰা কৰা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ Junior Research Felloshipৰ বাবে আপোনাক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু আপুনি ইমান ব্যস্ততাৰ মাজতো আমাক কিছু সময় দিয়াৰ বাবে অশেষ কৃতজ্ঞতা জনালোঁ। বাইদেউ প্ৰথমতেই আপোনাৰ পৰা আপোনাৰ চমু পৰিচয় জানিব বিচাৰিছোঁ আৰু আপুনি কেনেদৰে সত্ৰীয়া কলাৰ জগতখনত প্ৰৱেশ কৰিলে, তাৰ নেপথ্যত অনুপ্ৰেৰণা কোন আছিল?




**মীনাক্ষী গগৈ ঃ** হয় ধন্যবাদ চিৰঞ্জীৱ। মোৰ জন্ম স্থান হৈছে ডিব্ৰুগড় জিলাৰ মাজমজিয়াতে, মানকটা খনীয়া গাঁৱত। মোৰ প্ৰাথমিক শিক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা ডিব্ৰুগড়তে সমাপন হয়। তাৰ পাছত মই কলেজীয়া শিক্ষাৰ বাবে কানৈ কলেজত নামভৰ্তি কৰোঁ, কিন্তু ইয়াত ডিগ্ৰী শেষ নকৰাকৈ মই যোৰহাটত সত্ৰীয়াৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিবলৈ যাওঁ। তাৰ পৰাই স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে মই অধ্যাপক ক্ষীৰেশ্বৰ হাজৰিকা বায়নদেৱৰ তত্ত্বাৱধানত সংগীত সত্ৰৰ পৰা নৰ্তন আৰু বায়ন কলাত বিশাৰদ সন্মান লাভ কৰোঁ। পৰৱৰ্তী কালত মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰোঁ আৰু বৰ্তমান মই মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ এগৰাকী গৱেষক। ইয়াৰ লগতে মই ডিব্ৰুগড় সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰৰ মই প্ৰাক্তন অধ্যক্ষ আৰু নুপূৰ কলা একাডেমিৰ সঞ্চালক তথা প্ৰধান শিক্ষয়িত্ৰী। সত্ৰীয়া নৃত্যৰ জগতখনৰ সৈতে মোক নিবিড়ভাৱে পৰিচয় কৰাই দিয়া মহান ব্যক্তিকেইজন আছিল মোৰ গুৰু ক্ৰমে— হৰি শইকীয়া বায়ন, জগন্নাথ মহন্ত আৰু ৰামেশ্বৰ খাটনিয়াৰ বৰবায়ন। উল্লেখ্য যে স্বৰ্গীয় ৰামেশ্বৰ খাটনিয়াৰ বৰবায়ন অধ্যাপকৰ তত্ত্বাৱধানতে মই পোনপ্ৰথমবাৰৰ বাবে অসমৰ বাহিৰত ৰাজধানী দিল্লীত ২০০৬ চনতে গণতন্ত্ৰ দিৱস উপলক্ষে সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰিবলৈ সুযোগ লাভ কৰিছিলোঁ আৰু ভাৰত চৰকাৰৰ যুৱশিল্পী ছাত্ৰবৃত্তি লাভ কৰিছিলোঁ। যদিও প্ৰথম অৱস্থাত মোৰ ঘৰত নৃত্য-গীতৰ বাবে এটা সক্ৰিয় পৰিৱেশ নাছিল কিন্তু পৰৱৰ্তী কালত মই মোৰ পৰিয়াল বৰ্গৰ পৰা যথেষ্ট সহযোগ লাভ কৰিছিলোঁ আৰু এই ক্ষেত্ৰত মোৰ মাতৃৰ অৱদানক মই নুই কৰিব নোৱাৰোঁ।



**চিৰঞ্জীৱ সন্দিকৈ ঃ** বাইদেউ আপুনি এগৰাকী নৃত্যশিল্পী, গৱেষক হোৱাৰ লগতে এগৰাকী শিক্ষয়িত্ৰী, এগৰাকী মাতৃ আৰু পত্নী। আপোনাৰ পৰা জানিব বিচাৰিছো আপুনি কেনেকৈ এই সকলোবোৰ দায়িত্ব একেলগে অতি কুশলতাৰে পালন কৰি গৈছে, ইয়াৰ আঁৰত কিবা মূলমন্ত্ৰ আছে নেকি?

**মীনাক্ষী গগৈ ঃ** আচলতে মূলমন্ত্ৰ এটাই— সেয়া হৈছে নিজৰ কামৰ প্ৰতি ভালপোৱা আৰু সমৰ্পণৰ ভাৱ। তদুপৰি মই ভাৱো এগৰাকী নাৰী সম্পূৰ্ণ হৈ উঠে মাতৃত্ব আৰু স্বাৱলম্বিতাৰে। গতিকে মাতৃ বা পত্নী হিচাপে মোৰ দায়িত্ব বাঢ়ি যায় যদিও এই দুয়োটা অনুভৱে মোক বিশেষত্ব প্ৰদান। ইয়াৰ লগতে মোৰ অসংখ্য ছাত্ৰ-ছাত্ৰীও মোৰ বাবে সন্তানৰ দৰেই, তেওঁলোকৰ মৰম, সহযোগ আৰু কৃতিত্বই মোক অহৰহ সাধনাত ব্ৰতী হ'বলৈ অনুপ্ৰেৰণা যোগায়।

**চিৰঞ্জীৱ সন্দিকৈ ঃ** বাইদেউ যিহেতু নাৰীৰ দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে প্ৰথম অৱস্থাত সত্ৰীয়া কলাত নাৰীসকলৰ অংশগ্ৰহণ যথেষ্ট কম আছিল আৰু জনসমাজতো এই কলাৰ প্ৰচাৰ-প্ৰসাৰ তেনেই কম আছিল। গতিকে বৰ্তমান সময়ত সেই সময়ৰ তুলনাত আপুনি কেনেধৰনৰ পৰিৱৰ্তন দেখিবলৈ পাইছে?

**মীনাক্ষী গগৈ ঃ** হয় এটা সময়ত ই পুৰুষ প্ৰধান নৃত্যকলা আছিল আৰু জনসমাজতো ই ইমান জনপ্ৰিয় নাছিল। কিন্তু এতিয়াৰ সময়ত ছবিখন সম্পূৰ্ণ সলনি হৈ গৈছে বুলি ক'লেও ভুল নহ'ব, কিয়নো মহিলাসকল বৰ্তমান ওতপ্ৰোতভাৱে ইয়াৰ লগত জড়িত হৈ পৰিছে আৰু বহুতো মহিলা শিল্পীয়ে ৰাষ্ট্ৰীয় সন্মানো আজুৰি আনিছে। আমি স্বৰ্গীয়া গৰিমা হাজৰিকা, অনিতা শৰ্মা আদিৰ কথাকে উল্লেখ কৰিব পাৰো। ৰাইজৰ মাজতো এই নৃত্যৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পোৱাৰ লগতে ইয়াক শিকিবৰ বাবে নৱপ্ৰজন্মৰ মাজত এক হাবিয়াস দেখা পোৱা গৈছে যি অসমীয়া সংস্কৃতিৰ বাবে এক শুভ লক্ষণ। তদুপৰি অনা-অসমীয়া তথা বহুতো বিদেশীলোকো আমাৰ এই সুন্দৰ কলাৰ প্ৰতি আকৃষ্ট হৈ ইয়াৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছে।

**চিৰঞ্জীৱ সন্দিকৈ ঃ** হয় বাইদেউ, এয়া আমাৰ বাবে এক আশাৰ বতৰা । বাইদেউ এতিয়া আপোনাৰ অন্য এটি লেখত ল'বলগীয়া কাম আহাৰ্য প্ৰডাকচনৰ বিষয়ে কিছু কথা জানিব বিচাৰিছোঁ। আপুনিনো কেনেকৈ ইয়াক আৰম্ভ কৰিছিল আৰু কেনেধৰণে ই আগবাঢ়ি গৈছিল?

**মীনাক্ষী গগৈ ঃ** শাস্ত্ৰীয় নৃত্যত তাল, মান , ভংগীমা, ৰস-ভাৱ আদিৰ গুৰুত্ব যিমান, সিমানে গুৰুত্ব আছে আহাৰ্য্য বা সাজপাৰ আৰু অংগৰচনা বা মেকআপৰ। সকলোবোৰ বিষয়েই শাস্ত্ৰীয় নীতি-নিয়ম আৰু গুৰু বা আতাসকলে দেখুৱাই থৈ যোৱাৰ নিয়ম অনুসাৰেই হয়। প্ৰথমাৱস্থাত মই মন কৰিছিলো যে ডিব্ৰুগড় বা উজনি অসমৰ ফালে আহাৰ্য্যৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল কিন্তু গুৱাহাটীৰ ফালে ইয়াৰ ওপৰত কিছু গুৰুত্ব দিয়া হৈছিল। সেয়েহে মই পোনপ্ৰথমবাৰৰ বাবে পৰীক্ষামূলকভাৱে আৰু প্ৰয়োজনমৰ্মে নিজৰ কেইগৰাকীমান ছাত্ৰীক আহাৰ্য্য প্ৰস্তুত কৰি দিও আৰু সেই আহাৰ্য্য পৰিধান কৰি তেওঁলোকে দূৰদৰ্শনৰ মজিয়াত নৃত্য প্ৰদৰ্শন কৰে। ইয়াৰ পাছতেই প্ৰয়োজন অনুযায়ী মই ওচৰ-পাজৰৰ ব্যক্তিসকলৰ বাবে সাজপাৰ চিলাবলৈ আৰম্ভ কৰিলোঁ। মাননীয় ভৱানন্দ বৰবায়নদেৱে যেতিয়া মোৰ এই সাজপাৰসমূহ দেখিলে তেতিয়া তেওঁ মোক ইয়াক এক ব্যৱসায়িক পৰ্যায়লৈ লৈ যোৱাৰ পৰামৰ্শ আগবঢ়ালে। সেইমতেই মই অৱশেষত Aharya- Ethos of Dance এই সৰু অনুষ্ঠানটোৰ জন্ম দিলোঁ। আহাৰ্য্যই প্ৰস্তুত কৰি দিয়া সাজপাৰ অসমৰ বাহিৰৰ ৰাজ্য আৰু বিদেশলৈও ৰপ্তানি কৰা হৈছে। আনহাতে আমাৰ এই প্ৰডাকচনে প্ৰস্তুত কৰা সাজপাৰ দিল্লীত প্ৰদৰ্শিত কেলিগোপাল নাট, মহাপুৰুষ শংকৰদেৱৰ জীৱনীমূলক নাট আদিত ব্যৱহৃত হোৱাৰ লগতে মাজুলীৰ বিখ্যাত সত্ৰসমূহৰ ৰাস মহোৎসৱতো ব্যৱহাৰ কৰা হৈছে। খনীয়া গাঁৱৰ স্থানীয় কেইগৰাকীমান মহিলা আহাৰ্য্যৰ কাম-কাজত নিয়োজিত হৈ আছে আৰু সক্ৰিয়তাৰে আমাৰ এই প্ৰডাকচনটো চলি আছে। মই সেইসময়ত কল্পনাই কৰা নাছিলোঁ যে মোৰ এই ক্ষুদ্ৰ প্ৰয়াসে এটা সময়ত এনে সমাদৰ আৰু প্ৰসিদ্ধি লাভ কৰিব, কিন্তু ৰাইজৰ আশীৰ্বাদ তথা শুভাকাংক্ষাই আজি আমাক এই পৰ্যায় প্ৰদান কৰিলে।

**চিৰঞ্জীৱ সন্দিকৈ ঃ** সঁচাকৈয়ে এয়া অতি আনন্দৰ কথা। আপুনি এক সাংস্কৃতিক ঐতিহ্যৰ ধাৰা অব্যাহত ৰখাৰ লগতে ইয়াক এক ব্যৱসায়িক পৰ্যায়লৈ লৈ গৈছে। যাৰ জৰিয়তে আপুনি কিছু সংখ্যক মহিলাক স্বাৱলম্বিতাৰ বাট দেখুৱাবলৈ সক্ষম



হৈছে। আচলতে এয়াই প্ৰকৃত নাৰী সৰলীকৰণ আৰু নাৰীবাদ। বাইদেউ আপুনি এতিয়া মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অধীনত এগৰাকী গৱেষিকা। আপোনাৰ গৱেষণাৰ বিষয়ে আমাক সম্যক আভাস দিলে আমি নিশ্চয় সুখী হ'ম।

**মীনাক্ষী গগৈ ঃ** মোৰ গৱেষণাৰ বিষয় হৈছে— সত্ৰীয়া নৃত্যত ব্যৱহৃত সাজপাৰৰ অধ্যয়ন। ইয়াৰ যোগেদি মই সত্ৰীয়া নৃত্যত ব্যৱহৃত সাজপাৰসমূহৰ ঐতিহ্য আৰু ইয়াৰ অন্তৰ্নিহিত দৰ্শনৰ অনুসন্ধান কৰিবলৈ চেষ্টা কৰিম। আমাৰ নৃত্যত ব্যৱহৃত বিভিন্ন সাজপাৰ যেনে— অংগমালা, মোগলাই পাগ আদি বৰ্তমান বিলুপ্তিৰ পৰ্যায়ত আৰু কিছুমান সম্পূৰ্ণ বিলুপ্ত। এই বিলুপ্তপ্ৰায় বস্তুসমূহৰো এক বৈজ্ঞানিক অনুসন্ধান মই মোৰ গৱেষণাৰ জৰিয়তে কৰিবলৈ চেষ্টা কৰিম। সত্ৰীয়া সাজপাৰ বুলি ক'লে এক বিশাল পৰিসৰ সাঙোৰ খাই পৰে, গতিকে মই নৃত্যৰ দিশটোক আগতলৈহে গৱেষণা আগবঢ়াই নিয়াৰ কথা ভাবিছোঁ। আশা কৰিছোঁ এই প্ৰচেষ্টাত মই কিছু তথ্য উদঘাটন কৰিবলৈ মই সক্ষম হ'ম।

**চিৰঞ্জীৱ সন্দিকৈ ঃ** বাইদেউ আপোনালৈ আমাৰ অলেখ শুভেচ্ছা থাকিল। আমি সকলোৱে জানো গৱেষণা কিমান দুৰূহ আৰু সময় খৰচী কাম। গতিকে আমি আশা কৰিম আপুনি এই কামত সফল হৈ সত্ৰীয়া কলাৰ জগতখনক আৰু অধিক সমৃদ্ধ কৰি তুলিব। বাইদেউ আপোনালৈ মোৰ শেষৰটো প্ৰশ্ন— নৱপ্ৰজন্মৰ সত্ৰীয়া নৃত্যৰ শিকাৰুসকললৈ আপুনি কি পৰামৰ্শ আগবঢ়াব বিচাৰিব?

**মীনাক্ষী গগৈ ঃ** ন-শিকাৰুসকললৈ মোৰ এটাই অনুৰোধ তোমালোকেই এই নৃত্যধাৰাটোক আগবঢ়াই লৈ যাব লাগিব। গতিকে এই নৃত্যটোক খৰচী মাৰি শিকিবলৈ যত্ন কৰা। ইয়াৰ আধ্যাত্মিক দৰ্শনক বুজিবলৈ চেষ্টা কৰা তেতিয়াহে তোমালোকৰ নৃত্যত ভাৱ-ৰস, ভংগীমা সকলোবোৰ সুন্দৰ ৰূপত ফুটি উঠিব। গুৰুজনাই আমাক যি উদ্দেশ্যেৰে এই সম্পদ দি থৈ গৈছে সেই উদ্দেশ্যক আমি সফল কৰিব লাগিব। সত্ৰীয়া নৃত্য-গীত কেৱল পৰিৱেশ্য কলা বা মনোৰঞ্জনৰ মাধ্যম কেতিয়াও হ'ব নোৱাৰে এই কথা সদায় মনত ৰাখিব লাগিব আৰু ছ'চিয়েল মিডিয়াৰ যুগত ইয়াক বিকৃতকৰণৰ পৰা বচাই ৰাখিবই লাগিব আৰু এই গধুৰ দায়িত্ব আমাৰ সকলোৰে।

**চিৰঞ্জীৱ সন্দিকৈ ঃ** নিশ্চয় বাইদেউ, আশা কৰিছোঁ আপোনাৰ এই মূল্যৱান কথাকেইটাই নৱপ্ৰজন্মক উপকৃত কৰিব আৰু তেওঁলোকক অনুপ্ৰাণিত কৰিব সংস্কৃতিৰ পথাৰখন সাৰুৱা কৰিবলৈ। শেষত পুনৰবাৰ বাইদেউলৈ ধন্যবাদ জনালোঁ আৰু অনাগত সময়ত আকৌ লগ পোৱাৰ আশা ৰাখিলোঁ। ধন্যবাদ।●●

# নীলা খামৰ চিঠি



প্ৰিন্সী কলিতা

মৰমৰ জীউ,

দুঃসময়ৰ পদূলিৰ গছকি বুকুত শিপাই থকা এজাৰবুলীয়া মৰমবোৰেৰে আপোনালৈ বুলি একলম। মোৰ বন্ধুৰ লেখনি নিছিগা তালিকাখনৰ প্ৰথম ব্যক্তি আপুনি। মৰমৰ যিমান ভাগ-বতৰা হ'লেও, হৃদয়ৰ নিভৃতকোণত আপোনালৈ সযতনে সাঁচি থ'ম মৰম, শ্ৰদ্ধাৰ লগতে ভালপোৱাৰ এটি অমৃত টোপোলা। আপোনাক এৰি অহা আজি দুটি বছৰ পাৰ হ'ল। দিনটোৰ শেষত চেলফোনত ভাহি অহা আপোনাৰ এষাৰ আশাভৰা মাত আৰু মোৰ দিনটোৰ ঘটনাৰ খতিয়ান। তাৰ মাজতো নোকোৱাকৈ বহুত থাকি যায়, মৰমবোৰ প্ৰকাশ কৰিবলৈ মোৰ সংকোচ হয় যে! সেয়েহে ডাকোৱালৰ মোনাতেই কঢ়িয়াই নিব পৰাকৈ আঁকি দিছো মৰমৰ কিছু ডুখুৰীয়া অনুভৱ।

ভাল-বেয়াৰ খবৰনো কি ল'ম? যিমান বেয়া পৰিস্থিতি আহিলেওচোন আপুনি ভালেই থাকে। ৰাতিবোৰ আজিকালি বৰ দীঘল হৈ পৰিছে। ফুট গধূলিতে শুই দেউতাৰ চিৰপৰিচিত কথাকেইষাৰ নুশুনালৈকে বিছনাৰ পৰা নুঠা মই আজিকালি ৰাতি পৰে পৰে সাৰ পাওঁ। মোৰ কঁকালত মেৰাই ধৰি বুকুলৈ চপাই নিয়া হাতকেইখনৰ নিৰাপত্তাহীনতাতেই চাগে মোৰ টোপনি নাহে আৰু বিছনাত উঠাৰ পাছত নাপাওঁ যে আপোনাৰ গাৰপৰা ওলোৱা হালধি-পিঁয়াজ মিশ্ৰিত সেই চিনাকি সুবাসটো

তথাপি স্থিৰ হ'বলৈ হ'বলৈ শিকিছোঁ। আপুনি দেখুওৱা সপোনবোৰৰ আঁত ধৰিয়েই শেতেলীৰ শিতানৰ খিৰিকীয়েদি যৌৱন অহা নাছিল। মোৰ যৌৱন আহিছিল, সেই আঁচলৰ তলেৰে, যাৰ তলত সোমাই মই ক্ষুধা নিবাৰণ কৰিছিলো, যি আঁচলত ধৰি মই শৈশৱ পাৰ কৰিলো, চেগাছোৰোকাকৈ যৌৱনো।

মই জানো, যিমান ক'লেও আপুনি নিজৰ দেউতাকো স্বাস্থ্যৰ যত্ন ল'বলৈ ক'ব। বয়সৰ ওচৰত আপোনালোকে কেতিয়াও হাৰ নামানিব। কাৰণ যি পিতৃ-মাতৃ ডিঙিত ওলমি খেলিবলৈ শিকিছিলো সেই ডিঙিত যে বয়সৰ চাপ পৰিব সেয়া মোৰ বাবে বৰ অসহনীয়। মোৰ কাৰণে চিন্তা নকৰিব। আপোনালোকৰ আশীৰ্বাদেৰে মই সদায় ভালে থাকিম সুখ-দুখৰ মুহূৰ্তবোৰত মুঠি মাৰি ধৰিব পৰাকৈ উষ্ম হাতখনিৰ কামনাৰে...

ইতি

আপোনাৰ মৰমৰ

**আইজনী**



অভিলাষা বৰা

মৰমৰ

সৰা পাতে পাতে ফাগুন আহি যাবৰে হ'ল তথাপিও আজিলৈকে তোমালৈ একলম লিখিম বুলি মনৰ কথা মনতেই মৰহি গ'ল। হৃদয়ৰ তাগিদাত আজি কলমৰ চিঞৰঁহী আৰু লাজুকী বগা কাগজখিলাও ব্যাকুল। ডালিমগুটীয়া দাঁতৰ ফাঁকেৰে নিগৰি অহা সলৰ্জ্জ হাঁহিটি চকুত পৰাৰে পৰা হৃদয়ত জ্বলি থকা জুইকুৰা নুমুৱাবলৈ বুলি তোমালৈ একলম লিখাৰ প্ৰয়াসেৰে ...

শীতৰ কুঁৱলী আঁতৰাই ফাগুনে পাৰি দিয়া সৰাপাত দলিচাত খোজ পেলাওতেই বুকুত এক অনামি শিহৰণ জাগি উঠিছিল। জোনাক প্ৰথম দেখাৰ দিনটোলৈ মনত পৰিছিল। জীৱন পৰিক্ৰমাত অগ্ৰসৰ হোৱা মই তোমাক চোৱাৰ হেঁপাহেৰে থমকি ৰৈছিলোঁ। মোৰ বুকুত যেন বসন্ত নামি আহিছিল। কিন্তু মই যে জনাই নাছিলোঁ তোমাৰ অভিব্যক্তি। বৰ্তমানলৈকে মোৰ সত্তাক আৱৰি তুমি মোহাচ্ছন্ন কৰি ৰাখিছা। তোমাৰ অনুভৱৰ নিৰ্জনতাত বিলুপ্ত মই আজি। নিৰ্জনতাইও যেন তোমাৰ মুখৰ হাঁহিটিকেই জিলিকাই তোলে।

মৰম, জানানে, পথৰ দাঁতিত ফুলি ৰোৱা সোণাৰু কেইজোপাইও যেন তোমাৰ নামতেই গানৰ সুৰ তোলে। মোৰ সেই আধৰুৱা সপোনবোৰ আকৌ এবাৰ জীপাল কৰি তোলে। স্বপ্নলোকৰ বাসিন্দাৰ সহস্ৰজনৰ মাজত তুমি ক'লা ৰঙৰ পোচাকেৰে মোৰ চকুত জিলিকি ৰৈছিলা। মেঘাচ্ছন্ন আকাশৰ ক'লা ডাৱৰৰ খেলাত মোৰ মনটোৱেও নাচি উঠিছিল। শীতত ঠেৰেঙা লগা আঙুলিকেইটাও যেন নতুনকৈ প্ৰাণ পাই উঠিছিল, তোমাক দেখি। শীতৰ নিশাৰ খিৰিকীৰ ফাঁকেৰে সোমাই অহা বতাহজাকক নেওচি কোমলসনা মমডালিৰ 'শিখা'জনীৰো কি আপ্ৰাণ চেষ্টা, তোমালৈ লিখা চিঠিখনি যেন এতিয়াই শেষ কৰিব। এপদ এপদকৈ গহনাৰে কইনাক সজোৱাৰ দৰে আখৰকেইটিকো সজাবলৈ মই আজি বদ্ধ পৰিকৰ।

প্ৰিতয়তমা, তুমি ভবাৰ দৰে মই আৱেগ সৰ্বস্ব ল'ৰা নহওঁ। তথাপিতো আজি হৃদয়ৰ আৱেগবোৰ উথলি উঠিছে। তোমাৰ প্ৰতি। তোমাক নিজৰ কৰাৰ হেঁপাহ দুগুণে বাঢ়িছে। নিজকে পতিয়ন নিয়াইছিলোঁ। যি অচিন, যাৰ বিষয়ে মই একোৱেই নাজানো, তেওঁৰ লগত মোৰ কি ভৱিষ্যত? ধেৎ মইও যে আৰু! ভৱিষ্যত নথকা এটি সম্পৰ্কৰ বিষয়ে কল্পনা কৰি আছোঁ। আচলতে কি জানা? কেতিয়াবা কিছুমান কথা ভাবিও ভাল লাগে। কাৰণ কল্পনা বাস্তৱতকৈও মধুৰ যে।

প্ৰিয়তমা, তুমি মোৰ জীৱনলৈ জোনাক হৈ আহিছিলা, ঠিক পাপনদাই যেনেকৈ কৈছিল, তোমাৰ কথা ভাবিলেই জানা জোনাক উপচি পৰে। আন্ধাৰ আৱৰি ৰখা জীৱনটোত জোনাক সিঁচি দিলাহি। কি বুলি যে ধন্যবাদ দিম তোমাক। মৰম ... এটি আধৰুৱা সপোনৰ পম খেদি পুনৰ এবাৰৰ বাবে মোৰ কলমটো জীপাল হৈ উঠিল, একমাত্ৰ তোমাৰ বাবেই। অপেক্ষাৰ প্ৰতিটো ক্ষণত উলমি থকা তোমাৰ অনুভৱবোৰেৰে জীপাল আবেলিবোৰ আকৌ এবাৰ মোহনীয়া হৈছিল। হয়তো তুমি ইয়াৰ উমানকে নাপালা। হ'ব দিয়া, পলাশৰ ৰঙা ৰঙৰ মাজতে লুকাই থাকক মোৰ গোপন ভালপোৱা। হৃদয়ত থকা গৰাকী যে বাস্তৱত থাকিব লাগিব তাৰটো একো নিশ্চয়তা নাই। নাজানো তোমাৰ প্ৰতিশ্ৰুতিয়ে বা কি?

শেষত আজীৱন প্ৰেম, ভালপোৱাৰ প্ৰতিশ্ৰুতিৰে মৰমৰ... ।●●



স্নেহা কলিতা

মৰমৰ জাহ্নু,

ক'ৰপৰা বাৰু আৰম্ভণি কৰিলে ভাল হ'ব। সেই বছৰৰ দ্বিতীয় দিনটোত আপুনি যে দাদাৰ বাইকৰ পাছত উঠি আহিছিল মনত আছেনে? আপোনাৰ ক'ত মনত পৰিব, টোপনিৰ বাহিৰে আপুনি জানো কিবা চিনি পায়। সেইদিনৰ পৰা মোৰ বুকুত জেঠৰ মাহতো ফাগুনৰ ফুল ফুলিছিল জানা! প্ৰেমৰ প্ৰথম আৰম্ভণি বোলে চকুহালৰ পৰাই হয়। মোৰো কিবা এনেকুৱাই লাগে অ'। নিজকে বহুতবাৰ আইনাখনত সুধিছো তই প্ৰেমত পৰিছ নেকি অ'? কিন্তু মই ধৰিবই পৰা নাই অ' কি যে হৈছে। দ্বিতীয়বাৰ আপোনাক অফিচৰ সন্মুখত দেখিছিলো। মনত আছে নে আপুনি যে মোক সুধিছিল ফুচকা খাবা নেকি বুলি? আকৌ এবাৰ প্ৰেমত পৰিলো অ' মই। সেইদিনা এটা কথা ঠিৰাং কৰিলো জানা তোমাক এবাৰ দেখা পাবলৈ মই সদায় তোমাৰ অফিচৰ আগত ৰৈ থাকিম। কথাৰ মতে কাম। আবেলি কলেজৰ পৰা আমি তিনি বজাৰৰ লগে লগে দৌৰো আপোনাক এবাৰ দেখাৰ স্বাৰ্থত। আপুনি জানে আপোনালোকৰ অফিচৰ সন্মুখত যে ফুচকা দোকানীজন বহে। তেখেতৰ পৰা গম পালো আপোনাৰ নামটো। জাহ্নু গগৈ। আৰু দোকানীজনে মোক কৈছিল আপুনি হেনো খালী ফুচকা পুৰিত পানী দি খুব ভাল পোৱা। তোমাৰ প্ৰেমত তোমাৰ অনুৰাগী হৈ মইও খালো বিনা আলু দিয়া ফুচকা। ফুচকাৱালাজনেও গম পালে মই যে তোমাৰ প্ৰেমত পৰিছো।

মাজতে তিনিদিন আপোনাৰ কি হৈছিল অ'। অহা নাছিল যে মই যে সদায় গৈ ৰয় থাকো আপুনি এবাৰো মন নকৰে নে! কিমান কষ্টত দিন ৰাতি পাৰ কৰিছিলো আপুনি জানো জানে? নোৱাৰো আৰু মই ধৈৰ্য ধৰি ৰাখিব নোৱাৰো। আপোনাক মনৰ কথাখিনি কম বুলিয়েই চিঠিখন লিখিলো। সন্মুখত ক'বলৈ মোৰ টিলমানো সাহস নাই। সেয়ে চিঠিৰ সহায়তে জনাইছোঁ মই আপোনাৰ প্ৰেমত পৰিছো। জাহ্নু দা মই আপোনাক ভাল পাওঁ। আপুনিও ভাল পাব নে? হৃদয়ত থকা নিভাঁজ মৰমবোৰ মোক দিবনে? আজি নহয় সদায়ৰ বাবে সুধিবনে ফুচকা খাবা বুলি? মই আপোনাৰ বাবে আজীৱন কেৱল আপোনাৰ বাবে জীয়াই থাকিব বিচাৰোঁ। প্ৰশ্নটিৰ উত্তৰ জনাবা। বহুত আশাৰে বাট চাম। নহ'লে অফিচৰ আগতে বাট চাম সদায়ৰ দৰে তিনি বজাৰ পাছত। হোৱাইট চাৰ্টৰ কলা ফুট থকা সেইটো পিন্ধি আহিব হা। আকৌ আপোনালৈ বাট চাম।

ইতি

আপোনাৰ মৰমৰ

জানমণি



দৰ্শনা বড়া

প্ৰতি
মৰমৰ

আশাকৰো আপুনি কুশলে আছে। পত্ৰৰ দ্বাৰা মোৰ হিয়াভৰা মৰম গ্ৰহণ কৰিব। বহুদিনেই হ'ল আমাৰ ভালদৰে সাক্ষাৎ নোহোৱা আপোনাৰ ব্যস্ততাবোৰ যে মোক অভিমানী কৰি তোলে, জানে।

এতিয়া বাহিৰত জোনাক চাই আছোঁ। আৰু, তৰাবোৰে, ... তৰাবোৰে মোক জোকাই জানেনে? কাৰণ আপুনি যে মোৰ কাষত নাথাকে। তথাপিও, প্ৰভাতী পুৱাৰ ক্ষন্তেকীয়া বৰষুণজাকৰ দৰেই মোৰ অভিমানবোৰ ... ক্ষন্তেকীয়া। কিয় জানো; ভাল লাগে আপোনাক। আপোনাৰ সজল চকুযুৰি; সুঠাম চেহেৰা আৰু যে আপোনাৰ মৰমলগা মুখখনে বাৰুকৈয়ে আমনি কৰে মোক।

জানে? ফাগুনৰ ৰঙা মদাৰবোৰে আপোনাৰ কথাকেই কয়, আৰু যে বসন্তৰ সেউজীয়াবোৰে, সিহঁতেও যেন আপোনাকেই সোঁৱৰায়। আজি বৰষুণজাকেও দি যায় আপোনাৰেই বতৰা। বেলেগতকৈ বেলেগ আপুনি। আপোনাৰ স্পৰ্শত যেন মই কুঁৱলীৰ দৰে সেমেকি উঠো জানে। কেতিয়াবা মন যায়, চিঞৰি চিঞৰি ক'বলৈ, "ভাল পাব খোজো আকৌ এবাৰ।" কাৰণ আপোনাৰ প্ৰেমত যে মই বাৰে বাৰে পৰো, প্ৰতিবাৰেই নতুনত্বৰ সুবাসেৰে। মৰমবোৰ মৰম হৈয়ে থাকক, এনেদৰেই থাকক আপুনি, আপুনি হৈ। ভাল লাগে। মাত্ৰ ব্যস্ততাবোৰ সামৰি আহিবচোন কেতিয়াবা কৃষ্ণচূড়াজোপাৰ তললৈ, লগ পাম নিৰলে। অপেক্ষা কৰিম আপোনালৈ ...।

ইতি
আপোনাৰ 'মৰমৰ প্ৰিয়া'



লিজা খনিকৰ

মৰমৰ প্ৰিয়তম

দিনটোৰ ব্যস্ততাৰ শেষত আপোনালৈ বুলি চিঠি এখন লিখিবলৈ লৈছো, কাৰণ বিশেষ, কওঁ শুনক। সেইদিন ধৰি আজিলৈকে আপোনাক কম বুলি ভবা কথাবোৰ সুযোগ আৰু শব্দৰ অভাৱত মনতে ৰৈ গৈ মৰহা ফুল হৈছে কিন্তু আজি মোৰ মনৰ দেৱাল ভাঙি শব্দবোৰ উলাই আহিব ধৰিছে, নহ'লে যে সময় হাতত কম। মোক 'মই' কৰি ৰখাৰ বাটত এনে লাগে এইবোৰৰ পৰা আঁতৰি থকাটোৱেই শ্ৰেয়, কিন্তু মৰম, ভালপোৱাবোৰ জানো ভৱিষ্যতৰ হেঙাৰ হ'ব পাৰে। আপোনাৰ সেই প্ৰস্ফুটিত হাঁহিটোৰ ওচৰত যেন মই বাৰে বাৰে হাৰি যাওঁ আৰু সেই নীলা ছাৰ্টটো নিপিন্ধিব অ' ... বুকুৰ উকমুকনি বাঢ়িব ধৰে সেই ছাৰ্টটোৰ সৈতে দেখিলে। প্ৰেম হৈ যায় বুলি শুনিছিলো, কিন্তু মোৰো যে এই প্ৰেমে ৰাতিৰ টোপনি কাঢ়িব সেই কথা কল্পনাৰো অতীত আছিল। মোৰ বাৰু ধৈৰ্যবোৰ ক'ৰবাত হেৰাই গৈছে নি ? উঁহো নাই যোৱা কাৰণ প্ৰেম এনেকোৱাই হয়তো। ভয় লাগে অ' কিজানি মোৰ মনৰ বতৰাবোৰ পাই আপুনি মোৰ দূৰে দূৰে ৰয়, আজি এই নিশাটোত এই সকলোবোৰ ভয়, শংকা এহাতে ৰাখি মনৰ বতৰাবোৰ লিখিবলৈ শব্দৰ অভিধান খুচৰিছো। এইখিনিতে এটা গানৰ কলি বৰকৈ মনলৈ আহিছে। গানটো কি জানে ? শুনক, "মলয়াৰ দুপাখিত মোৰ মনৰ বতৰা পঠিয়ালো তোমালৈ, তুমি আদৰি ল'বা" সঁচাকৈ বাৰু এই গীতটিৰ দৰে মোৰ মনৰ বতৰাবোৰ আদৰি ল'বনে। সম্পৰ্কবোৰ হেনো ভাঙে, ঠেহ পাতে, আমাৰ মুখেৰে শুনিছো সেয়েহে ভালপোৱাৰ সম্পৰ্ক গঢ়াৰ পৰা দূৰত আছিলো, কিন্তু মনটো আজি অবুজন হৈ পৰিছে, আপোনাৰ হাতত ধৰি ষ্ট্ৰীট লাইটৰ পোহৰত সন্ধিয়াৰ সময়কণ অতিবাহিত কৰাৰ দুৰ্বাৰ হেঁপাহ জাগিছে।

চিঠিখন অলপ বেছি দীঘল হৈ গ'লে হয়তো আপোনাৰ পঢ়ি চাবলৈ সময়ৰ অভাৱ হ'ব কাৰণ আপোনাৰ ব্যস্ততাবোৰ দেখিছো।

শেষত, মোৰ ভালপোৱাৰ এই প্ৰস্তাৱটোৰ কথা অলপ সময় ভাবি চাবলৈ অনুৰোধ জনালোঁ। কুশলে থাকক, সময়বোৰে আপোনাক লগ দিয়ক, উন্নতিৰ জখলাত ৰৈ যাব লগা যাতে নহয় তাৰেই কামনাৰে আজিলৈ সামৰিছো।

ইতি
আপোনাৰ এগৰাকী
গভীৰতম অনুৰাগী



অনন্যা দত্ত

মৰমৰ জোন

মৰম ল'বা। আশা কৰোঁ তোমাৰ ভাল। চিঠিখন পালে চাগৈ তুমি প্ৰথমে ভাবিবা, আজি ইমানদিনৰ মূৰত মোৰ তোমালৈ কি মনত পৰিল। আচলতে সদায় মনত পৰে তোমালৈ, প্ৰতিদিনেই তোমাৰ স্মৃতিয়ে মোক আমনি কৰেহি। মনৰ কথাবোৰ তোমাৰ আগত প্ৰকাশ কৰিম বুলি কলমটো হাতত তুলি লওঁ। কিন্তু লিখি থকাৰ মাজতেই চকুপানীয়ে তিয়াই দিয়ে প্ৰতিটো পৃষ্ঠা। আৱেগৰ আগত হাৰ মানি থমকি ৰয় মোৰ হাত। আজি বহুত সাহস কৰি মনৰ কথাখিনি এই পৃষ্ঠাত আবদ্ধ কৰিব পাৰিছো।

জানা, মনত এতিয়াও এসাগৰমান কথা ভৰি আছে। কিন্তু কাষত বহি শুনিবলৈ তুমি যে আৰু নাই। অভ্যাসত পৰিণত হোৱাৰ পাছত অভ্যাসতো এৰাবলৈ বৰ কষ্টকৰ জানা। মোৰ লগতো ঠিকে একেই হ'ল। মনৰ কথাবোৰ মনৰ মাজতেই ৰাখি থোৱা মইজনীৰ তুমি শ্ৰোতা হ'ব খুজিলা। তেতিয়াই যদি ভাবি চালাহেঁতেন যে প্ৰতিটো কথা তোমাক কৈ দিয়াতো যদি মোৰ অভ্যাসত পৰিণত হয়, তুমি এৰি গ'লে মোৰ কি অৱস্থা হ'ব। মনৰ এসাগৰ কথাত সাঁতুৰিব নজনা মইজনী এদিন এনেকৈয়ে হাত-ভৰি মাৰিব নোৱৰাকৈ দুৰ্বল হৈ ডুবি মৰিম যেন লাগে। মৰিবলৈ কিন্তু ভয় নাই। আধামৰা হৈ জীয়াই থকাতকৈ মৰি যোৱাটোৱেই ভাল। আৰু আধামৰা কিহে কৰিছে জানা? অতীতে। তুমি থকালৈকে শান্ত হৈ থকা ধুমুহাজাক তুমি আজি নোহোৱাৰে পৰা বৰ ভয়াবহ ৰূপ লৈছে। এই ধুমুহাই কেতিয়া মোৰ জীৱনতো চাহি-মুহি থৈ যায় মই নাজানো। বচাবলৈ তুমি জানো আহিবা? নাহা চাগৈ, কাৰণ মইটো এতিয়া তোমাৰ কোনো নহয়। তোমাৰ মনত কেতিয়াবাই তুমি মোৰ নামৰ চিতা জ্বলালা। এই জুইত ছাই হৈ ৰ'ল মোৰ অস্তিত্ব। এই ছাইৰ কোনো মূল্য নাই। পৰি ৰ'ব এনেকৈয়েই মাটিত মিলি নোযোৱালৈকে।

কথাবোৰ শুনিলে ভাবিবা চাগৈ তোমাক খুব ঘৃণা কৰোঁ মই। কিন্তু এনে একেবাৰেই নহয়। এতিয়াও নিজতকৈ বেছি ভাল পাওঁ তোমাক। এতিয়াও নিজক আনৰ কৰিব পৰা নাই। কথাবোৰ কোৱাৰ দৰে বেয়া নাপাবা। পাৰিলে মোৰ মনতো অলপ হ'লেও বুজি চাবা। বাৰু দিয়া। ইয়াতেই সামৰিলোঁ। ভগৱানে তোমাক যেন কুশলে ৰাখে।

ইতি

তোমাৰ জাহ্নৱী

অতিথি লেখকৰ একলম

# মানৱতা, সংহতি আৰু সুস্থ চেতনাৰ প্ৰতীক হাচান ছৰিফ আহমদ

ড° বিনোদ চন্দ্ৰ বড়া

**অৱতৰণিকা ঃ**

মানুহৰ স্বভাৱজাত প্ৰবৃত্তি অনুসৰিয়েই ময়ো মোৰ অৱচেতন মনৰ কোনোবা কোণত এখিনি ঈৰ্ষা অনবৰতে কঢ়িয়াই লৈ ফুৰো। স্বভাৱতে সেই ঈৰ্ষা আনৰ প্ৰাপ্তিক লৈ, আনৰ আভিজাত্যক লৈ অথবা আনৰ আভিজাত্যই আনি দিয়া সন্তুষ্টিক লৈ। অৱশ্যেই সেই নিষ্পাপ ঈৰ্ষা কাৰোবাৰ বৈষয়িক ঐশ্বৰ্য বা সফলতাৰ চৰম প্ৰাপ্তিক লৈ নহয়; বৰং অতিশয় সাৰল্য, ত্যাগ আৰু মানুহৰ প্ৰতি ভালপোৱাৰ সুদীপ্ত চেতনাৰে অভিজাত ব্যক্তিত্বকলৈহে। এনেকৈ অনবৰতে ঈৰ্ষাকাতৰ হৈ মনত কঢ়িয়াই লৈ ফুৰিও আজিও আত্মস্থ কৰিব নোৱাৰিলো বুদ্ধ, অথবা গান্ধীৰ চেতনাক; সেই একেদৰে নিচেই কাষতে পায়ো দূৰৈৰ তৰাৰ দৰে যেন পৰশিব নোৱাৰিলো হাচান ছৰিফ আহমদ বৰদেউতাৰ পৱিত্ৰ আতমাক। কিমান অসীম হ'লে আকাশ নীলা হয়, কিমান বিশাল হ'লে জলাধাৰ সমুদ্ৰ হয়, সেই প্ৰশ্নৰ উত্তৰ বিচাৰি ফুৰাৰ দৰে মই আজিও নিজকে সুধিছো— মানুহ কিমান উদাৰ হ'লে, ভালপোৱা কিমান প্ৰগাঢ় হ'লে, জীৱন কিমান বিশাল হ'লে হাচান শ্বৰিফ বৰদেউতাৰ দৰে ত্যাগ, সৰলতা আৰু মানুহ আৰু সমাজৰ প্ৰতি নিঃচৰ্ত দায়বদ্ধতাৰে অভিজাত হয়। দিনলিপিৰ অধিকাংশ সময়েই বৈষয়িক পংকত লেটি লৈ থকা আমিবোৰ এই আভিজাত্যৰ প্ৰোজ্জ্বলতাত বৰ নিঃকিন আৰু হীনমন্য অনুভৱ কৰোঁ আৰু বৰদেউতাৰ দৰে চিনাকি আৰু আপোন বুলি বুকুৰ খোৰোঙতে সুমাই থকা পোৱালিকেইটা হৈয়ো নিজকে চিনি পোৱাত ব্যৰ্থ হওঁ। মূল্যবোধ আৰু নিস্বাৰ্থ গণচেতনাৰ দুৰ্ভিক্ষত ভোগা একবিংশ শতিকাৰ এই সময়ৰ প্ৰেক্ষাপটত হাচান ছৰিফ আহমদৰ দৰে হেলাৰঙে মানুহক ভাল পাই দিব পৰা, মানুহৰ বাবে নিঃচৰ্ত সেৱা আগবঢ়াবলৈ সৰ্বদা সাজু থকা ব্যক্তিক মূল্যায়ন কৰি তুলি ধৰাটো অসম্ভৱৰে নামান্তৰ মাথোন।



(১) ল'ৰালিকালৰে পৰাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ, বিপ্লৱী শিল্পী বিষ্ণুপ্ৰসাদ আদি যুগস্ৰষ্টাৰ নিবিড় সান্নিধ্যত জীৱনৰ আদিপাঠ লোৱা হাচান ছৰিফ আহমদৰ জন্ম হৈছিল ১৯৩৩ চনত তাহানিৰ কলিকতা চহৰত। মাতৃ চালেহা চুলতানাৰ গৰ্ভত জন্ম গ্ৰহণ কৰা আহমদদেৱৰ মাতৃ আছিল মধ্যযুগীয়

অসমৰ ইতিহাসপ্ৰসিদ্ধ ফাৰ্চীপৰীয়া বংশৰ। পিতৃ শিক্ষাবিদ দিয়ান উদ্দিন আহমদ আছিল গৌৰৱময় শৰাইঘটীয়া ৰণৰ জাতীয় বীৰ বাঘ হাজৰিকাৰ উত্তৰ পুৰুষ। সেই বংশতে পৰৱৰ্তী কেইটামান পুৰুষৰ পাছত জন্ম হৈছিল 'জ্ঞানমালিনীৰ কবি' মফিজুদ্দিন আহমদ হাজৰিকাৰ। অসমৰ সামাজিক- সাংস্কৃতিক জীৱনৰ প্ৰতি দৃঢ়তাৰে দায়বদ্ধ হাচান ছৰিফ আহমদদেৱৰ জীৱন চৰ্যাতো এই সম্ভ্ৰান্ত ৰক্তপ্ৰৱাহৰ সুস্পষ্ট প্ৰতিফলন আমি গভীৰ শ্ৰদ্ধাৰে অনুধাৱন কৰিছিলোঁ।

মানুহ আৰু শিল্পৰ পাৰস্পৰিক সম্পৰ্ক আৰু এই সম্পৰ্কই সৃষ্টি কৰিব পৰা একোখন সংস্কৃতিবান সমাজৰ বাবে কাম কৰাৰ সংকল্প আহমদদেৱৰ ব্যক্তিত্বত ল'ৰালিৰ পৰাই ধৰা দিছিল। শিল্পী জীৱনৰ সূত্ৰপাত ঘটিছিল এঘাৰ বছৰ বয়সতে 'বান ৰংগমঞ্চ'ত গীতৰ মাজেৰে। পিতৃৰ চাকৰিসূত্ৰে তেজপুৰৰ কটোৱা শৈশৱৰ কালছোৱাতে সান্নিধ্য লাভ কৰিছিল ফণী শৰ্মাৰ 'চিৰাজ' বোলছবিৰ যুটীয়া সংগীত পৰিচালক শিৱপ্ৰসাদ ভট্টাচাৰ্যৰ। সেই সময়তে দেউতাকে কিনি দিয়া আৰু এতিয়াও সযতনে সংৰক্ষিত হৈ থকা হাৰমণিয়ামখন বোলে ভট্টাচাৰ্যদেৱেই চাই-চিতি দিছিল, যিখন হাৰমণিয়ামত পৰৱৰ্তী সময়ত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতিপ্ৰসাদ বৰুৱা, ভূপেন হাজৰিকা, হেমাংগ বিশ্বাস, জয়ন্ত হাজৰিকা, পুলক বেনাৰ্জী, লোকনাথ গোস্বামী, জুবিন গাৰ্গ আদি বৰেণ্য ব্যক্তিয়ে হাত বুলাই অপৰূপ সুৰৰ লহৰ তুলিছিল। ডিব্ৰুগড়লৈ অহাৰ পাছত ১৯৪৭ চনত 'ৰত্ন সংঘ'ৰ প্ৰযোজনাত জ্যোতিপ্ৰসাদৰ পৰিচালনাত 'ৰূপকোঁৱৰ'ত নামভূমিকাত কৰা অভিনয় আছিল আহমদদেৱৰ শিল্পী জীৱনৰ এক অনন্য কৃতিত্ব। ১৯৪৯ চনৰ পৰা ডিব্ৰুগড়ৰ 'আমোলাপট্টি নাট্য মন্দিৰ'ৰ স'তে ঘনিষ্ঠভাৱে জড়িত হৈ পৰাৰ পাছত তেখেতৰ সাংস্কৃতিক জীৱন অধিক সক্ৰিয় হৈ উঠে দণ্ডিনাথ কলিতা, নিজামুদ্দিন আহমদ হাজৰিকা, ভৰত বৰপূজাৰী, নিৰ্মল চক্ৰৱৰ্তী, তিলক দুৱৰা, নগেন কাকতি, ফণী দাস আদি আগৰণুৱা সামাজিক-সাংস্কৃতিক সংগঠকৰ সান্নিধ্যত।

এইখিনিতে উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে— হাচান ছৰিফ আহমদদেৱৰ এই সাহিত্য-সংস্কৃতি প্ৰীতি বুৰ্জোৱা বা অৰ্ধ-বুৰ্জোৱা মধ্যবিত্তৰ অৱসৰ বিলাস, বিনোদন বা চখৰ বাবে নাছিল। অসমৰ সংস্কৃতি জগতৰ অক্লান্ত কৰ্মীসকলৰ স'তে সমদল কৰি মানুহৰ জয়গান গাবলৈ আহিলা স্বৰূপে লৈছিল শিল্প আৰু সাহিত্য সাধনাক। মানুহৰ প্ৰতি সম্পূৰ্ণ দায়বদ্ধতা আৰু সচেতনতাৰে তেখেতৰ প্ৰতিটো পলৰ কৃচ্ছ সাধনা আছিল এখন শান্তি, সমভাৱাপন্ন, আটোমটোকাৰী সমাজৰ বাবে। অসমৰ অসংগঠিত অপেছাদাৰী নাট্যকৰ্মীসকলক সংগঠিত কৰি নাট্য চৰ্চাক এক সাংস্কৃতিক আন্দোলনৰূপে গঢ়ি তুলিবলৈ আহমদদেৱে গুৰি ধৰিছিল অসম নাট্য সন্মিলনৰ; মধ্যবিত্ত অভিজাতৰ পৰা সংস্কৃতি গোসাঁনিক মুক্ত কৰিবলৈ সমগ্ৰ ভাৰততে আৰম্ভ হোৱা ভাৰতীয় গণ নাট্য সংঘৰ তেখেত আছিল অগ্ৰণী কৰ্মী। এই সকলোবোৰ কামতে তেখেতে সপোন দেখিছিল— শিল্পই খাটি খোৱা মানুহৰ কথা কওক, সাহিত্যই ৰ'দে পোৱা জীৱনবোৰ তুলি ধৰক। শিল্পৰ পৰা, সাহিত্যৰ পৰা শোষিতৰ আত্মাধিকাৰৰ চেতনা জাগ্ৰত হওক, শোষকৰ বোধোদয়।

১৯৪৯ চনত ভাৰত চৰকাৰে কমিউনিষ্ট ভাৱধাৰাৰ ৰাজনৈতিক মতাদৰ্শ থকা দল বা সংগঠনক নিষিদ্ধপ্ৰায় কৰাৰ পাচত গণনাট্য সংঘৰ সমতাভিমুখী, জনচেতনাৰ ধাৰাটোক বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে আগবঢ়াই নিবলৈ যত্ন কৰা হৈছিল 'ৰত্ন সংঘ'ৰ জৰিয়তে। ১৯৫০ চনত অপ্ৰত্যাশিত বৰভূইকঁপে অসমখনকে তচনচ কৰি পেলোৱাৰ পাচত ভূতৰ ওপৰত দানহ পৰাদি সৰ্বত্ৰ গড়া-খহনীয়াই জন-জীৱন বিপৰ্যস্ত কৰি তুলিছিল। সেই পৰিস্থিতিত জটিল প্ৰত্যাহ্বানৰ মাজতে 'ৰত্ন সংঘ'ই 'সুৰ-বাহিনী' গঠন কৰি জনসাধাৰণক সহায় কৰিব বিচাৰিছিল আৰু বিপদৰ বিৰুদ্ধে যুঁজিবলৈ সাহস যোগাইছিল। আব্দুল মালিক ৰচিত 'ভুমিকম্প চিৰিজ'ৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপে আহমদদেৱৰ ভূমিকা আছিল অতিকে উল্লেখনীয়। ১৯৫২ চনত যেতিয়া 'গণনাট্য সংঘ'ৰ নিষিদ্ধকৰণ প্ৰত্যাহাৰ কৰা হ'ল, হাচান শ্বৰীফ আহমদ জড়িত হৈ পৰিল গণনাট্যৰ সাংস্কৃতিক আন্দোলনৰ এগৰাকী আপোচবিহীন কৰ্মীস্বৰূপে। ১৯৫৩ চনত Student Federation of India সদস্য হিচাপে ড° ভূপেন হাজৰিকাৰ নিয়মীয়া সান্নিধ্যলৈ আহিল আৰু জনতাক সুন্দৰৰ অভিমুখে নিৰ্ভিকভাৱে আগবাঢ়ি আহিবলৈ একেলগে বহু মঞ্চত গালে— 'নামি আহাঁ সুন্দৰৰে সেনা শিল্পীদল' আদি বহু যুগজয়ী গীত। আদৰ্শ, চেতনা, শিল্পীসত্বা আৰু সৰ্বতোপৰি আত্মোসৰ্গাৰ ১৯৫৪ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা 'গণনাট্য সংঘ'ৰ অভিৱৰ্তনৰ জৰিয়তে পৰৱৰ্তী সময়ত আহমদদেৱ ক্ৰমাৎ অধিক ঘনিষ্ঠ হৈ পৰিল বৰাকৰ হেমাংগ বিশ্বাসৰ উপৰিও

কলিকতাৰ মণ্টু ঘোষ, শম্ভু ভট্টাচাৰ্য, বিষ্ণুপ্ৰসাদ ৰাভা, ব্ৰজেন বৰুৱা, হিৰেন চৌধুৰী,, নৰহৰি বুঢ়াভকত, মঘাই ওজা, বলৰাজ চাহনী, সলিল চৌধুৰী, সুচিত্ৰা মিত্ৰ আদি বৰেণ্য ব্যক্তিত্বৰ।

(২) ১৯৫৬ চনত হাচান ছৰিফ আহমদ ডাঙৰীয়া শিৱসাগৰলৈ আহিল কলেজীয়া শিক্ষাৰ বাবে। তাতে লগ পালে অসমৰ সংস্কৃতি জগতৰ তিনি মহাকাণ্ডাৰী— পদ্মধৰ চলিহা, পৰাগধৰ চলিহা আৰু ড° ভবেন্দ্ৰনাথ শইকীয়াক। তেখেতসকলৰ সৈতে একেলগে সংগীত-চৰ্চা, মঞ্চাভিনয় আদি অনুশীলনে তৰুণ হাচান শ্বৰীফক সাংস্কৃতিক গণ-চেতনাৰ বাবে কাম কৰি যাবলৈ অধিক উদ্যমী আৰু পৰিপক্ক কৰি তুলিলে। পিচে পিচৰ বছৰটোতে অৰ্থাৎ ১৯৫৭ চনত হাচান শ্বৰীফ পুনৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ উভতি আহিছিল আৰু সেই বছৰতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হৈ ছাত্ৰ নেতৃত্বৰ দায়িত্ব গ্ৰহণ কৰিছিল। অৱশ্যে আন কেইবাটাও দিশৰ পৰা হাচান শ্বৰীফ আহমদৰ বাবে এই বছৰটো আছিল উল্লেখনীয়। 'ভাৰতীয় কমিউনিষ্ট পাৰ্টি'ৰ সদস্যপদ গ্ৰহণ, 'গণনাট্য সংঘ'ৰ লেথাৰি-নিচিগা কাৰ্যসূচী, ড° ভূপেন হাজৰিকাৰ উৎসাহত 'মঞ্চৰূপা' গঠন, কানৈ মহাবিদ্যালয়ৰ ইতিহাসত শিক্ষাৰ্থী-শিক্ষক-কৰ্মচাৰীৰ যৌথ প্ৰচেষ্টাত নাট মঞ্চস্থ, তেল শোধনাগাৰ আন্দোলন, 'ডিব্ৰুগড় ছাত্ৰ-ছাত্ৰী কৰ্ম পৰিষদ' গঠন আৰু উপ-সভাপতিৰ দায়িত্ব আৰু ইয়াৰ জৰিয়তে 'সুৰ-বাহিনী' গঠন আদি নানা দায়িত্বৰে হাচান ছৰিফ আহমদ ইতিমধ্যেই ৰাইজৰ মানুহ হিচাপে জনমানসত পৰিচিত হৈছিল।

১৯৫৮ চনত নতুন দিল্লীত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত অসমৰ পৰা নাট পৰিচালনা কৰি কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা দপ্তৰৰ পৰা বিশেষ প্ৰশংসা লাভ কৰা হাচান শ্বৰীফ আহমদক এইবাৰ নতুনকৈ আমনি কৰিলে আন এক চিন্তাই। অসমৰ নাট্যক্ষেত্ৰখনক পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে আগবঢ়াই নিবলৈ কোনো পৰিশীলিত ব্যৱস্থা তেতিয়ালৈকে নাছিল। সেই চিন্তাৰ আঁত ধৰিয়েই ১৯৫৯ চনত জন্মলাভ কৰিলে 'সদৌ অসম একাংক নাট সন্মিলন'এ পৰৱৰ্তী সময়ত যি অনুষ্ঠান 'অসম নাট্য সন্মিলন' নামেৰে খ্যাত হৈ পৰিল। হাচান ছৰিফ আহমদ আছিল এই অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সম্পাদক।

হাচান ছৰিফ আহমদদেৱৰ শিল্প সাধনাৰ বৰ্ণিল পৰিক্ৰমাটোত 'মঞ্চৰূপা' অনুষ্ঠানটোৰ স্থান অতিকে গুৰুত্বপূৰ্ণ। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়। অসমীয়া ভাষালৈ অপ্ৰত্যাশিতভাৱে নামি অহা অশনি সংকেত ওফৰাই পেলাবলৈ অসম আকৌ এবাৰ জাতীয়তাবাদী চেতনাৰে সৰৱ হৈ উঠিছিল। 'মঞ্চৰূপা'ই এই সংগ্ৰামক অনুপ্ৰেৰণা দিবলৈকে 'সুৰ-বাহিনী'ৰ জৰিয়তে বাটে-ঘাটে পৰিৱেশন কৰিছিল মানুহৰ গানবোৰ। ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ সময়তো 'মঞ্চৰূপা'ৰ 'সুৰ-বাহিনী' আছিল সষ্টম জাতীয়তাবাদী চেতনা আৰু অদমনীয় স্বদেশপ্ৰেমেৰে উদ্বুদ্ধ এক স্বতঃস্ফূৰ্ত প্ৰেৰণাময়ী শক্তি। ডিগবৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত 'গণ-সংগীত' পৰিৱেশন, কহিমাত অনুষ্ঠিত সাংস্কৃতিক অভিৱৰ্তনত অসমত প্ৰতিনিধিত্ব, ১৯৬৫ চনত ড° ভূপেন হাজৰিকাৰ 'প্ৰতিধ্বনি' বোলছবি নিৰ্মাণৰ বাবে দহহাজাৰ টকাৰ বৰঙনি, ১৯৬৭ চনত 'অসম আৰ্টিষ্ট মিট' আয়োজন আদি আছিল 'মঞ্চৰূপা' বৰ্ণাঢ্য কাৰ্যসূচীৰ উদাহৰণচেৰেক আৰু এই সকলো উদ্যোগতে হাচান ছৰিফ আহমদ আছিল এক অপৰিহাৰ্য উপাদান। ১৯৭০ চনৰ পিচত 'মঞ্চৰূপা'ৰ কাম-কাজ কিছু মন্থৰ হৈ পৰিলেও আহমদদেৱৰ ব্যক্তিগত উৎসাহৰ অকণো হীন-ডেৰি হোৱা নাছিল। ১৯৭৪ চনত 'মঞ্চৰূপা'ৰ প্ৰযোজনাত আকাশবাণী ডিব্ৰুগড়ত প্ৰথমখন নাটক বাণীবদ্ধ হৈছিল আহমদদেৱৰ পৰিচালনাত। সেয়া আছিল ফণী শৰ্মাৰ ৰচিত নাট— 'হে যুদ্ধ বিদায়'। ভাৰত আৰু পূৰ্বৰ ছোভিয়েট ৰাচিয়াৰ মৈত্ৰী চুক্তি উদ্‌যাপনৰ উদ্দেশ্যে ডিব্ৰুগড়ত ১৯৭৩ চনত অনুষ্ঠিত হোৱা সাংস্কৃতিক সমাৰোহখনি আয়োজন কৰিছিল Indo-Soviet Cultural Society য়ে, যাৰ সম্পাদকৰ দায়িত্বত আছিল হাচান চৰিফ আহমেদদেৱ। তেখেতৰ ৰচনাৰে সমাৰোহত পৰিৱেশিত 'গঙ্গাৰ বুকুৰ গভীৰতাৰ দৰে! মনৰ গভীৰতাৰে, ভলগাৰ বুকুৰ অবিৰম গতিৰ দৰে! চিৰস্থায়ী হওক ভাৰত-ছোভিয়েট মুক্তি' গীতটোৱে সকলোকে এক বিশেষ ভাৱাবেশেৰে সন্মোহিত কৰি ৰাখিছিল। ২০১১ চনত 'মঞ্চৰূপা'ৰ পুনৰ গঠন, নটসূৰ্য ফণী শৰ্মা বঁটা গ্ৰহণ আৰু নানা বঁটা বা উপাধিৰে স্বীকৃতি লাভ আদি দিশবোৰো হাচন শ্বৰীফ আহমদদেৱৰ প্ৰতি সমাজৰ বিভিন্ন স্তৰত কাম কৰি থকা মানুহখিনিৰ আন্তৰিক স্বীকৃতি প্ৰদান। ১৯৮১ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হয় 'ডিব্ৰুগড় বোলছবি মহোৎসৱ'। হাচান ছৰিফ আহমদে সভাপতি হৈ পৰিচালনা কৰা এই মহোৎসৱেই সম্ভৱতঃ অসমৰ সাংস্কৃতিক ইতিহাসত প্ৰথমটো ঘটনা।

আইদেউ সন্দিকৈ, মোহিনী ৰাজকুমাৰী, ইভা আচাও, কমল নাৰায়ণ চৌধুৰী আদি স্বনামধন্য শিল্পীসকলে অংশগ্ৰহণ কৰা এই মহোৎসৱক অসমৰ বোলছবি অধ্যয়ন আৰু চৰ্চাৰ ক্ষেত্ৰ আৰু পৰিৱেশ ৰচনাৰ এক পৰিশীলিত প্ৰয়াস আছিল বুলি ক'ব পাৰি।

১৯৬৭ চনত ডিব্ৰুগড়ত 'বিচিত্ৰা' নামেৰে আন এক সাংস্কৃতিক গোষ্ঠীৰ জন্ম হৈছিল আৰু আহমদদেৱ আছিল এই অনুষ্ঠানৰো প্ৰতিষ্ঠাপক সম্পাদক। এই 'বিচিত্ৰা'ই ১৯৬৭ চনত ড° ভূপেন হাজৰিকাক 'অসম গৌৰৱ' উপাধি প্ৰদান কৰিছিল আৰু সম্ভৱতঃ ভূপেন হাজৰিকাদেৱে লাভ কৰা ৰাজহুৱা উপাধিবোৰৰ ভিতৰত ইয়েই আছিল প্ৰথম।

অসমৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনক মন্থৰপ্ৰায় কৰি তোলা জটিল সময় আছিল ১৯৮২- ৮৩ চনৰ সময়চোৱা। অসমৰ বিদেশী খেদা আন্দোলন, সাধাৰণ নিৰ্বাচনৰ প্ৰতি অনীহা, নতুন আশা আৰু আশা ভংগ আদি পৰিৱেশৰ প্ৰেক্ষাপটত গীত-মাতৰ জৰিয়তে মানুহক একতা, সম্প্ৰীতি আৰু শান্তিৰ বাবে উদ্বুদ্ধ কৰাৰ চেষ্টাত ভাৰতীয় গণনাট্য সংঘ হৈ পৰিল এক ব্যতিক্ৰমী অনুষ্ঠান। ১৯৮৬ চনত হায়দৰাবাদত অনুষ্ঠিত গণনাট্যৰ ৰাষ্ট্ৰীয় অভিৱৰ্তনত আব্দুল মালিক, নগেন কাকতি, কেশৱ মহন্ত আদিৰ স'তে একেলগে অনুষ্ঠান পৰিৱেশন, A.K Hangel, Dina Pathak, Kaifi Azmi, Farooq Sheikh আদিৰ সান্নিধ্যই আহমদদেৱৰ দৃষ্টিভংগীক আৰু অধিক বিস্তৃত আৰু পৰিপক্ক কৰি তুলিলে। আহমদদেৱৰ সৰল অথচ অভিজাত ব্যক্তিত্ব ক্ৰমাৎ ডিব্ৰুগড়ৰ পুৰণি ঐতিহ্যৰ এক অনন্য উপাদান হৈ পৰিছিল।

(৩) হাচান ছৰিফ আহমদৰ জীৱন আৰু কৃতি বিভিন্ন দিশৰ পৰা আলোচিত হ'ব পাৰে। এগৰাকী নিপুণ অভিনয় শিল্পী, আবৃত্তিকাৰ, নাট্যকাৰ, নাট্য সংগঠক, সমাজ সংগঠক আদি বিভিন্ন বিশেষণেৰে। এগৰাকী ভৱিষ্যদ্ৰষ্টা আধুনিক ডিব্ৰুগড়ৰ ৰূপকাৰৰ ৰূপতো আহমদদেৱৰ অৱদানখিনি বিচাৰ কৰিবলগীয়া। ৰুচিবান, সংস্কৃতিবান নাগৰিক জীৱনৰ বাবে সকলোকে অনুপ্ৰাণিত কৰি ডিব্ৰুগড়ৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠানতে তেখেতৰ অংশগ্ৰহণ আছিল নিঃচৰ্ত। উত্তৰ-জ্যোতিপ্ৰসাদ যুগৰ ডিব্ৰুগড়ৰ যিসকল প্ৰবীণ শিল্পী-সংগঠক, যেনে— ভৰত বৰপূজাৰী, নিৰ্মল চক্ৰৱৰ্তী আদিৰ পৰা পৰৱৰ্তী কালৰ ডিব্ৰুগড়ৰ শিল্পী সমাজে তেখেতৰ অলিখিত অভিভাৱকত্ব স্বীকাৰ কৰি লৈছিল বিনাদ্বিধাই। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠাকালৰ পৰাই বিভিন্ন শিল্পীৰ সৈতে সংপৃক্ত হৈ পৰিছিল গাঁৱে-ভূঞে ৰুচিবান শ্ৰোতাৰ সৃষ্টিত। বিভিন্ন অনুষ্ঠান বা সংঘৰ ভেটিত বেলেগে বেলেগে সংগঠিত হৈ থকা ডিব্ৰুগড়ৰ সমাজ-হিতৈষী শিল্পী সমাজৰ বাবে উমৈহতীয়া পৰামৰ্শদাতা আছিল আহমদদেৱ। আনকি বিভিন্ন মাংগলিক কাৰ্যতো ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সংকীৰ্ণতাবিহীন এখন হৃদয় হিচাপে তেখেতৰ স্থান আছিল সমুখৰ আসনত। নিৰ্ভেজাল স্বদেশ প্ৰেম, অসমীয়া হিচাপে সুদৃঢ় স্বাভিমান আৰু সত্যনিষ্ঠাৰ কঠোৰ সংকল্পেৰে বলীয়ান আহমদদেৱ আছিল স্বাভিমান আৰু গৌৰৱৰ প্ৰতীক।

**উপসংহাৰ ঃ**

হাচান ছৰিফ আহমদদেৱে জীৱনটো যাপন কৰিলে নিজকে সজাই লোৱাৰ দৰেই। ক্ষুদ্ৰ সংকীৰ্ণতাৰ পৰা উদাৰতাৰ মহান চানেকি হৈ, স্বাৰ্থান্বেষী সম্পৰ্কৰ পৰা নিঃচৰ্ত ভালপোৱাৰ গৰাকী হৈ, সকলোৰে অমল প্ৰেৰণাৰ উৎস হৈ এগৰাকী যোগীৰূপে ইহ সংসাৰৰ পাৰ্থিৱ দায়িত্ব সামৰিলে। মানুহজনে আদৰ্শ আৰু নিজ জীৱনৰ সংকল্পত হীৰাসদৃশ দৃঢ় হৈ থাকিও আলফুল সৰলতাৰ ভূষণেৰে সজাই ল'লে সমগ্ৰ সত্বা আৰু ব্যক্তিত্ব। মানুহৰ কল্যাণৰ বাবে আগবাঢ়ি অহা প্ৰতিটো প্ৰচেষ্টা বা অনুষ্ঠানৰ বাবে তেখেত আছিল প্ৰেৰণাময় অভিভাৱক। 'মানুহবোৰ ভাল হওক, মানুহৰ ভাল হওক' এয়াই আছিল তেখেতৰ জীৱনৰ একমাত্ৰ প্ৰাৰ্থনা। হতাশাত ভাগি পৰা দু:স্থজনক তুলি ধৰিবলৈ অনবৰতে সক্ষম হৈ আছিল তেখেতৰ শীৰ্ণ তৰ্জনী।

এই সকলোখিনিৰ পাচতো বোধহয় তেখেতৰ ক'বলৈ থাকি গ'ল কিছু। বোধহয় তৰাং ব্যস্ততাৰ অজুহাতত তেখেতৰ বহু কথা শুনিবলৈ থাকি গ'ল আমাৰো। প্ৰকাশিত লেখাবোৰ, অপ্ৰকাশিত ৰচনাবোৰ, তেখেতৰ প্ৰাপ্তি-অপ্ৰাপ্তিবোৰ, সান্নিধ্যৰ সোঁৱৰণবোৰ আমাৰ উত্তৰ প্ৰজন্মৰ বাবে সাঁচি ৰাখিব লাগিব। যি জীৱনে আনৰ বাটেদি নগৈ নতুন বাট কাটি যায়, সেই জীৱনৰ এটা খোজো সভ্যতাৰ বাবে অমূল্য সম্পদ। তেখেতে উত্তৰ-স্বাধীনকালৰ অসমৰ সমাজ-সংস্কৃতি গঢ়াৰ অতি জটিল সময়চোৱাতে ৰূপান্তৰৰ সৈনিক শিল্পী হৈ বহুদূৰ বাট কাটি দিলে। তাৰ প্ৰণালীবদ্ধ মূল্যায়নেহে আহমদদেৱৰ প্ৰতি থকা আমাৰ সামূহিক শ্ৰদ্ধাঞ্জলিৰ প্ৰাসংগিকতাৰ ভৱিষ্যত নিৰ্মাণ কৰিব।●

# কবিতা শিক্ষাদান ঃ লক্ষ্য-উদ্দেশ্য আৰু শিক্ষণ পদ্ধতি সম্পৰ্কে যৎকিঞ্চিত আলোচনা

বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই

**কবিতাৰ সংজ্ঞা আৰু ধাৰণা ঃ**

কবিতা এক সূক্ষ্মতম কলা। কবিতা সকলো কলাৰ মাতৃস্বৰূপা । সাহিত্যৰ যিমানবোৰ ভাগ আছে, যিমানবোৰ বিধা আছে তাৰ ভিতৰত কবিতাই আটাইতকৈ আকৰ্ষণীয় আৰু ৰহস্যময় । কবিতা যেন ভাৱ আৰু ভাষাৰ সমাহিত বিজুলিসদৃশ। ভাৱত আছে- আৱেগ, অনুভূতি, কল্পনা, অভিজ্ঞতা আদি আৰু ভাষাত থাকিব - সুৰ, লয়, ছন্দ, ৰূপক, উপমা, ধ্বনি, বিন্যাস, অলংকাৰ আদি। অলংকাৰ কবিতাৰ দৈহিক সৌন্দৰ্যবিশেষ আংগিকস্বৰূপ। আজিলৈকে কবিতাৰ কোনো এটা নিৰ্দ্ধাৰিত সংজ্ঞা অথবা ধাৰণা কোনেও আগবঢ়াব পৰা নাই। যদিও কবিতাৰ বিষয়ে বিভিন্ন পাশ্চাত্যৰ কবি তথা সমালোচকে আগবঢ়োৱা সংজ্ঞাৰ কথাএইখিনিতে প্ৰণিধানযোগ্য— ক'লৰিজৰ মতে, 'সুন্দৰ শব্দচয়নৰ সুশৃংখলিত বিন্যাসেই কবিতা' (Best words in the best order)। ওৱৰ্ডচৱাৰ্থ-এ কবিতা তীব্ৰ অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ বুলি অভিহিত কৰিছে (Poetry is the spontaneous overflow of powerful feelings)। ডব্লিউ ডিন্টন (W. Deenton)-এ কৈছে যে,' প্ৰকৃত কবিতা হৈছে মানুহৰ মনৰ অনুভূতি আৰু ৰসধ্বনিত বাস্তৱ আৰু শিল্পসৌন্দৰ্যৰ অভিব্যক্তি' (Absolute poetry is the concrete and artistic expression of human mind in the emotional and rhythmic language)। জনছনৰ মতে—' কবিতা হ'ল এক ছন্দোৱদ্ধ ৰচনা'। শ্যেলীৰ মতে—'কবিতা হ'ল কল্পনাৰ প্ৰকাশ। কাৰ্লাহি'লৰ মতে, কবিতা হ'ল সাংগীতিক চিন্তা'।

*সাহিত্যৰ গতিপথ*ত তাৰণীকান্ত ভট্টাচাৰ্যই লিখিছে, 'কবিতা চিত্ৰময়ী ভাষা। ইয়াত ভাষাৰ প্ৰাচুৰ্য্য নাথাকে; থাকে চিত্ৰৰ। উত্তম কবিতাৰ প্ৰায় প্ৰত্যেকটো শব্দই পাঠকৰ মনত একোটা চিত্ৰৰ উদয় ঘটায়। এনে চিত্ৰ উদয় ঘটোৱাৰ কাৰ্য্যত ধ্বনিশীলতা অৱশ্যেই আহি পৰে। চিত্ৰহীন কবিতা, কবিতাই নহয়। চিত্ৰেৰে ভৰি থাকে দেখিয়েই কবিতা মানে কি বুজাই দিব নোৱাৰি, নিজে নিজে বুজিব লাগে। কবিতা ব্যাখ্যা কৰা কথাটো কবিতাৰ পক্ষে আত্মঘাতী কথা।'

উল্লিখিত ইমানবিলাক সংজ্ঞাৰ পাছতো কবিতাৰ নিৰ্ধাৰিত সংজ্ঞা দিয়াত অসুবিধা আছে। সেয়াই কবিতাৰ তাৎপৰ্য্য। কবিতাৰ পৰিধি ইমান বিস্তৃত যে ইয়াক কোনো এটা সংজ্ঞাৰ মাজত সীমাৱদ্ধ কৰি ৰাখিব নোৱাৰি। কিজানিবা কবিতাৰ এনে বিচিত্ৰতা তথা বিশালতাৰ কথা উপলব্ধি কৰিয়েই ছেন্ট আগষ্টানে কৈছিল— 'যাৰ বিষয়ে নুসুধিলে বহুত কিবাকিবি ক'ব পাৰি, সুধিলে একো ক'ব নোৱাৰি সিয়েই কবিতা।'

**কবিতা শিক্ষণ ঃ**

কবিতা শিক্ষণ সাহিত্যৰ আন বিধাৰ শিক্ষণতকৈ কিছু পৃথক আৰু এক জটিল শিক্ষণ কাৰ্য। কবিতা যিহেতু মানৱীয় ভাৱ-অনুভূতিৰ শিল্পৰূপ আৰু সেয়ে তাক ছাত্ৰ-ছাত্ৰীসকলৰ মন গহন আৰু চিন্তনত অনুভৱ উপলব্ধি কৰোৱাব পাৰিব লাগে। কবিতা উপলব্ধি নিৰ্ভৰ কলা। কবিতাৰে যুক্তি, তথ্য চিন্তা কৰাৰ বিপৰীতে অনুভৱ, উপলব্ধি আৰু অনুধাৱন কৰাতহে গুৰুত্ব দিয়া হয়। পাঠে কবিতালৈ পূৰ্ণতা আনে। সেয়ে কবিতা শিক্ষণত পঠনত অত্যধিক গুৰুত্ব দিব লাগে। পঠন কৰোঁতে কিছুমান বিশেষ দিশৰ প্ৰতি সচেতন হ'ব লাগে। যেনে—

১) পঠন কৰোঁতে শব্দ বাক্যৰ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণত গুৰুত্ব প্ৰদান কৰা।

২) যতি, বিৰাম চিহ্ন অনুসৰি সঠিক/যথাযথ তাৰ ব্যৱহাৰ আৰু প্ৰয়োগত গুৰুত্ব প্ৰদান কৰা আৰু অনুধাৱন কৰাতহে গুৰুত্ব প্ৰদান কৰা।

৩) কবিতাটোৰ ভাৱাৰ্থ ছাত্ৰ-ছাত্ৰীসকলে অনুভৱ-অনুধাৱন কৰিব পৰাকৈ তাৰ পৃষ্ঠভূমি আৰু প্ৰসংগ অনুষংগৰ লগত পৰিচয় কৰাই দিয়া।

৪) ছাত্ৰ-ছত্ৰীসকলকো কবিতাটো সৰৱে পঠন কৰিব দিয়া। বাৰম্বাৰ পঠন কৰিব দিলেহে কবিতাৰ প্ৰাণৰ কাষ পোৱাৰ অথবা ওচৰ চপাৰ সম্ভাৱনা থাকে।

৫) কবিতাত যতি, বিৰামেও অনেক অৰ্থ বহন কৰে। কবিতা শিক্ষণত শিক্ষকে লুকাই থকা এনে অৰ্থ ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত দাঙি ধৰিব পাৰিব লাগে।

৬) কবিতাত ভাষাৰ সৃষ্টিশীল আৰু কল্পনাঘন ৰূপ দেখা যায়। কবিতা শিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীলতা আৰু কল্পনাপ্ৰৱণতাক জগাব পাৰিব লাগে।

৭) কবিতাত প্ৰতিটো শাৰী আৰু স্তৱকৰ অৰ্ন্তভাগত লুকাই থকা আৱেগ-অনুভূতিক ছাত্ৰ-ছাত্ৰীৰ আগত শিক্ষকে দাঙি ধৰিব পাৰিব লাগে।

৮) কবিতা শিক্ষণ কৰোঁতে মন কৰিবলগীয়া আন এটা দিশ হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ সৌন্দৰ্যবোধৰ বিকাশ সাধন কৰা। কবিতাই নান্দনিক সৌন্দৰ্যবোধ জগাই তোলাত সহায় কৰাৰ লগতে সুস্থ ৰুচিবোধৰো জন্ম দিয়ে।

৯) কবিতা শিক্ষাদানত শিক্ষকে কবিতাটোৰ আদৰ্শ পঠন কৰি দিব লাগে। প্ৰয়োজন একাধিকবাৰ পঠন কৰিব লাগে। পঠনেহে কবিতাৰ প্ৰাণক ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত প্ৰতিষ্ঠা কৰিব পাৰে।

**কবিতা শিক্ষণৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

কবিতা শিক্ষণ কৰিবলৈ যাওঁতে কিছুমান বিশেষ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি সজাগ হ'ব লাগে। অন্যথাই কবিতা শিক্ষণ এক নিৰস আৰু অৰ্থহীন কাৰ্য হিচাপে পৰিগণিত হ'ব। কবিতা শিক্ষণৰ প্ৰাথমিক চৰ্ত হ'ল প্ৰথমতে এটা পৰিৱেশ গঢ়ি তোলা। কবিতা অনুকূল এটা পৰিৱেশ গঢ়ি তোলা। এই পৰিৱেশ শিক্ষকৰ দ্বাৰা পৰিকল্পিত আৰু সুনিয়ন্ত্ৰিত হ'ব লাগে।

১) কবিতা শিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ প্ৰত্যক্ষ স্বৰূপ উপলব্ধি কৰোৱা। যাতে কবিতা পঠনৰ জৰিয়তে ছাত্ৰ -ছাত্ৰীসকলে কবিৰ জীৱন দৰ্শনৰ লগত পৰিচিত হ'ব পাৰে। কবিয়ে যিহেতু মানৱ জীৱনৰ পৰাই কবিতাৰ সমল লাভ কৰে।

২) কবিতাৰ জগতখন হৈছে এক অভূতপূৰ্ব আৱেগ আৰু মায়াৰ জগত। কবিয়ে কল্পনা আৰু ভাৱনাৰ চিত্ৰপটক উপযুক্ত শব্দ বিন্যাসেৰে পাঠকৰ আগত আন এখন জগতৰ সন্ধান দিয়ে। কবিয়ে পাৰ্থিৱ জগতখনত যি নাপায় কবিতাৰ অপাৰ্থিৱ জগতখনত তাক পোৱাৰ আশা-আকাংক্ষা কৰে। বিমূৰ্ত বস্তু এটাকো কবিয়ে কবিতাত মূৰ্ত কৰিব খোজে।
গতিকে কবিতা শিক্ষণত ছাত্ৰ-ছাত্ৰীক সেই মায়া, বিমূৰ্ত্ত আৰু অপাৰ্থিৱ জগতখনলৈ প্ৰৱেশ কৰাব পাৰিব লাগিব।

৩) বিষয়বস্তুৰ ফালৰপৰা কবিতাতো বৈচিত্ৰতা লক্ষ্য কৰা যায়। সেয়েহে কবিতা শিক্ষণৰ জৰিয়তে বিভিন্ন দিশ যেনে— দেশপ্ৰেম, প্ৰকৃতিপ্ৰেম, মানৱপ্ৰেম আদিৰ লগত ছাত্ৰ-ছাত্ৰীসকলক সম্পৰ্ক ঘটোৱা আৰু এটা গভীৰ সম্পৰ্ক স্থাপনেৰে দেশৰ বীৰ-বীৰাংগনা আৰু প্ৰকৃতি মানৱৰ প্ৰতি অকৃত্ৰিম ভালপোৱা আৰু অনুৰাগ বৃদ্ধি কৰি তোলাত সহায় কৰা।

৪) কবিতা শিক্ষণৰ আন এক গুৰুত্বপূৰ্ণ লক্ষ্য আৰু উদ্দেশ্য হ'ল নিৰ্দিষ্ট ভাষাটোৰ প্ৰখ্যাত কবিসকলৰ সাহিত্য কৰ্ম আৰু জীৱন দৰ্শনৰ লগত ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰোৱা। যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কবি আৰু কবিতাৰ সবিশেষৰ প্ৰতি আগ্ৰহী হ'ব পাৰে।

৫) কবিতা শিক্ষণৰ এক প্ৰধান লক্ষ্য হ'ল কবিতাৰ শ্ৰেণীবিভাজন অথবা বিভাগ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱা। বিষয় অনুসৰি কবিতা এক বহুধাবিভক্ত সাহিত্যৰ বিধা এই কথা ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা।

৬) কবিসকল শব্দৰ খেলুৱৈ। কবিয়ে শব্দেৰে ভাষা এটা ভাঙে-পাতে। নতুনকৈ নিৰ্মাণ কৰে এটা কবিতাৰ ভাষা। কবিয়ে কবিতাত ব্যৱহাৰ কৰা শব্দাংশ, বাক্যাংশ আৰু শব্দাৰ্থ আদিৰ বিষয়ে ছাত্ৰ-

ছাত্ৰীসকলক অৱগত কৰা কবিতা শিক্ষণৰ আন এক বিশেষ উদ্দেশ্য।

৭) কবিতা স্বাদনামূলক পাঠ। কবিতাৰ ভাৱাৰ্থ উপলব্ধি কৰা আৰু কবিতাৰ নান্দনিক সৌন্দৰ্যবোধ উপভোগ কৰাত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰা কবিতা শিক্ষণৰ অন্যতম উদ্দেশ্য।

**কবিতা শিক্ষাদানৰ পদ্ধতি ঃ**

কবিতাৰ বিশিষ্টতা অনুসৰি শিক্ষাদান পদ্ধতি বেলেগ বেলেগ হয়। কবিতা এক প্ৰকাৰৰ শ্ৰব্য কলা। সেয়ে কবিতা শিক্ষাদানত পঠনত অধিক গুৰুত্ব দিব লাগে। যাতে ছাত্ৰ-ছাত্ৰীসকলে কবিতাৰ ৰস-সৌন্দৰ্য অনুভৱ-অনুধাৱন কৰাৰ লগতে কবিতাৰ প্ৰতি এক সুস্থ ৰুচিবোধৰো বিকাশ সাধন কৰিব পাৰে। শিক্ষকৰ কবিতা পঠন আৰু আবৃত্তিৰ ওপৰত এই দিশটো অধিকভাৱে নিৰ্ভৰ কৰে। পাঠ-আবৃত্তি শ্ৰুতি-মধুৰ, সুৰলা, আকৰ্ষণীয় হ'লেহে ছাত্ৰ-ছাত্ৰীৰ কবিতা শিক্ষণৰ প্ৰতি মনোযোগ বাঢ়িব। যিহেতু কবিতা শ্ৰব্য অৰ্থাৎ কাণৰ লগত ইয়াৰ পোনপটীয়া সম্পৰ্ক আছে। প্ৰসংগক্ৰমে অধ্যাপক হেডোৰে কোৱা কথা এষাৰ উল্লেখ কৰিব পাৰি— "Poetry is an art of the ear, not of the eye-in other words, Poetry is sound, not sight."(On the Teaching of poetry) অৰ্থাৎ কবিতা কাণৰ কলা, ই দৃষ্টি নহয়, ধ্বনিহে।

গতিকে, কবিতা শিক্ষাদান কৰিবলৈ যাওঁতে শিক্ষক পঠনাবৃত্তিৰে ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰাৰ লগতে কবিতা এটাৰ কবিজনৰ ভাৱ-অনুভূতিৰ লগত এটা আন্তৰিক উপলব্ধিবোধৰ জন্ম দিব পাৰিব লাগে। যেনে - ৰঘুনাথ চৌধাৰীৰ এটা প্ৰকৃতি বিষয়ক কবিতা অথবা অম্বিকাগিৰীৰ স্বদেশপ্ৰেমমূলক কবিতা পঢ়ুৱাওঁতে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতি আৰু দেশৰ প্ৰতি অকৃত্ৰিম ভালপোৱা শ্ৰদ্ধা সন্মানবোধেৰে অনুপ্ৰাণিত কৰিব পাৰিলেহে কবিতা শিক্ষাদান উদ্দেশ্যপূৰ্ণ আৰু পদ্ধতি সম্পূৰ্ণ হ'ব।

**কবিতা শিক্ষাদানৰ বাবে উপযোগী পদ্ধতিসমূহ ঃ**

বিদ্যালয়ৰ পৰ্যায় অথবা স্তৰ অনুযায়ী আৰু ছাত্ৰ-ছাত্ৰীৰ বয়স, বুদ্ধি চেতনা অনুসৰি কবিতা শিক্ষাদানৰ পদ্ধতি ভিন্ ভিন্। তলত কবিতা শিক্ষাদানৰ উপযোগী আৰু প্ৰায়োগিক পদ্ধতিবোৰৰ সম্পৰ্কে চমুকৈ আলচ-বিলচ কৰা হ'ল—

**১) গীত আৰু অভিনয় পদ্ধতি ঃ**

গীতিধৰ্মীতা অৰ্থাৎ সংগীতধৰ্মিতা কবিতাৰ এক প্ৰধান লক্ষণ। গীত সকলোৰে প্ৰিয়। যি গীত বেয়া পাই সি নহয় দেৱতা নহয় অসুৰ বুলি এষাৰ কথা আছে। গীতিধৰ্মী ছন্দোবদ্ধ কবিতাই সহজেই ছাত্ৰ-ছাত্ৰীৰ মন পুলকিত আৰু আকৰ্ষিত কৰিব পাৰে। গীতি-কবিতাত ভাৱাৰ্থ, শব্দাৰ্থ আদিতকৈ ইয়াৰ ছন্দ আৰু ধ্বনিৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হয়। এই শ্ৰেণীৰ কবিতা প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বেছ উপযোগী। লগতে গীত আৰু অভিনয় পদ্ধতিও প্ৰাথমিক অৰ্থাৎ নিম্ন পৰ্যায়ত শিক্ষাদানৰ বাবেহে উপযোগী। এই পদ্ধতিৰে কবিতা শিক্ষাদান কৰিলে নিম্ন পৰ্যায়ত ফলপ্ৰসূতা অৰ্জন কৰিব পৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ধ্বনিজ্ঞান বাঢ়িব আৰু কবিতা প্ৰীতি ভাৱৰ উদয় হ'ব। কবিতাৰ লহৰে গীত হৈ ছাত্ৰ-ছাত্ৰীৰ অন্তৰ স্পৰ্শ কৰিলে ই মধুৰ আৰু স্থায়ী হৈ পৰে। লক্ষ্যধৰ চৌধুৰীৰ 'মোৰ লক্ষ্য' কবিতাটো এই পদ্ধতিৰে শিক্ষাদান কৰিব পৰাৰ উৎকৃষ্ট উদাহৰণ। কবিতাৰ চৰিত্ৰৰ লগত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সংযোগে কবিতাৰ ভাৱ উপলব্ধিত সহায় কৰে। অভিনয়ৰ জৰিয়তে অভিব্যক্তিৰ স্পষ্ট প্ৰকাশ ঘটে।

গতিকে এই পদ্ধতি মূলতঃ নিম্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেহে উপযুক্ত আৰু ব্যৱহাৰিক।

**২) অৰ্থবোধ পদ্ধতি ঃ**

অৰ্থবোধ পদ্ধতিত শিক্ষকে গদ্য শিক্ষাদানৰ দৰে কবিতা পঠনৰ পাছত কঠিন শব্দৰ অৰ্থ ছাত্ৰ-ছাত্ৰীক কৈ যাব অথবা লিখি দিব। ফলস্বৰূপে কবিতাৰ শব্দাৰ্থ বিচাৰহে হ'ব কবিতাৰ সৌন্দৰ্য, ৰসাস্বাদন নহ'ব। কেৱল কবিতাত কঠিন শব্দৰ অৰ্থ জানিবলৈহে এই পদ্ধতি প্ৰয়োগ কৰা হয় ফলত কবিতাৰ ৰসবোধ সাধনত ই বাধা জন্মায়। কবিতাৰ আন্তৰিক ভাৱ-অনুভূতি উপলব্ধি কৰাত এই পদ্ধতি বাধা হৈ থিয় দিয়ে। ছাত্ৰ-ছাত্ৰীসকলক বঞ্চিত কৰে। গতিকে কবিতা শিক্ষাদানৰ বাবে এই পদ্ধতি উপযোগী নহয়। এই পদ্ধতি অত্যন্ত দোষযুক্ত। শব্দাৰ্থ বিচাৰে কবিতাৰ আক্ষৰিক সৰল অনুবাদহে কৰিব পাৰিব ই কবিতাৰ আন্তৰিক আহ্বান আৰু অনুভূতিক পোহৰাই তুলিব নোৱাৰে। সেয়েহে পৰাপক্ষত কবিতা

শিক্ষাদানৰ বেলিকা অৰ্থবোধ পদ্ধতি প্ৰয়োগৰ পৰা ভাষা-সাহিত্যৰ শিক্ষক সমাজ আঁতৰি থকাই ভাল। এই পদ্ধতিয়ে কবিতাৰ সৌন্দৰ্যক দাঙি ধৰাৰ বিপৰীতে নষ্টহে কৰিব।

### ৩) বিশ্লেষণ পদ্ধতি ঃ

বিশ্লেষণ পদ্ধতি কবিতা শিক্ষাদানৰ বাবে উপযোগী। এই পদ্ধতিত শিক্ষকে বুজাবলগীয়া কবিতাটো ভালদৰে বুজাই দিয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক কবিতাটোৰ অৰ্থ সম্পৰ্কত বিভিন্ন ধৰণৰ প্ৰশ্ন সুধিব আৰু ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয়কৈ শিক্ষকৰ বিশ্লেষণৰ অন্তত উত্থাপন হোৱা যিকোনো প্ৰশ্নৰ উত্তৰ দিবলৈ সমৰ্থবান হ'ব। কবিতাটোৰ অৰ্থ বিশ্লেষণ কৰোঁতে অথবা বুজাওঁতে শিক্ষকে এটা কথা মন কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে কবিতাটোৰ অন্তৰ্ভাগলৈ গৈ তাৰ ৰস গ্ৰহণ কৰিব পাৰে। শিক্ষকে কবিতাটো বুজাওঁতে এনেকৈ বুজাব লাগে কবিতাটোৰ সৌন্দৰ্যত আঘাত নপৰে আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে কবিতাটোৰ অন্তৰ আহ্বান অনুভৱ কৰিব পাৰে। তেতিয়াহে এই পদ্ধতি প্ৰয়োগৰ সাৰ্থকতা হ'ব। এই পদ্ধতি উচ্চ শ্ৰেণীত কবিতা শিক্ষাদানৰ বাবে অত্যন্ত সুবিধাজনক আৰু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক -উভয় পক্ষৰ বাবে বৰ উপযোগী। উচ্চ আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা শিক্ষাদান কৰোঁতে ভাষা-সাহিত্যৰ শিক্ষকে এই পদ্ধতি ফলপ্ৰসূভাৱে প্ৰয়োগ কৰিব পাৰে।

### ৪) ব্যাখ্যা পদ্ধতি ঃ

ব্যাখ্যা পদ্ধতিত শিক্ষকে শিক্ষণীয় কবিতাটো যতি, বিৰাম, চিহ্নৰ সঠিক ব্যৱহাৰেৰে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে শ্ৰেণীকোঠাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে শুনাকৈ সৰৱে কবিতাটো আবৃত্তি কৰি শুনাব। ইয়াকে কবিতা শিক্ষাদানত শিক্ষকৰ আদৰ্শ পঠন বুলি কোৱা হয়। আদৰ্শ পঠনৰ অন্তত শিক্ষকে কবিতাটোৰ প্ৰতিটো শব্দ, শাৰী, স্তৱকে কেনে ভাৱ-চিন্তা প্ৰকাশ কৰিছে তাৰ সঠিক অৰ্থ ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিব কিম্বা ব্যাখ্যা কৰিব। স্তৱকভেদে কবিৰ ভাৱনা কি আৰু কিয় হৈছে তাৰো যথাৰ্থ ব্যাখ্যা শিক্ষকে আগবঢ়াব। কবিতাৰ বিষয়বস্তু অনুসৰি কবিতাৰ ভাৱাৰ্থ বুজাবৰ বাবে শিক্ষকে প্ৰয়োজন অনুসৰি ভৌগোলিক, ঐতিহাসিক, সামাজিক আদি বিভিন্ন দিশ প্ৰাসংগিকভাৱে উত্থাপন কৰিব। ভাৱপ্ৰধান আৰু বিভিন্ন ধৰণৰ স্বৰ লুকাই থকা কবিতা শিক্ষণৰ বাবে এই পদ্ধতি বেছি উপযোগী। কবিৰ ভাৱ চিন্তা-দৰ্শনৰ লগত আন কোনোবা কবিৰ চিন্তা দৰ্শনৰ মিলো থাকিব পাৰে। সেই কথা উদাহৰণৰসহকাৰে এই পদ্ধতিত শিক্ষকে বুজাই দিব লাগে। ব্যাখ্যা পদ্ধতিত শিক্ষকৰ ব্যৱহৃত ভাৱ-ভাষা সহজ সৰল হ'ব লাগে। যাতে ই ছাত্ৰ-ছাত্ৰীৰ কবিতা প্ৰীতি ভাৱৰ উন্মেষ ঘটোৱাৰ লগতে মানসিক অনুকূলতা ৰক্ষা কৰিব পাৰে। সেয়ে শিক্ষকৰ ব্যাখ্যাৰ ভাষা মধুৰ আৰু সবল হ'ব লাগে। প্ৰয়োজন অনুসৰি মাজে মাজে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্নও কৰিব লাগে। যাতে কেৱল শিক্ষককেন্দ্ৰিক হৈ নাথাকি দুয়োপক্ষই সজীৱতা আৰু সক্ৰিয়তা বৰ্তাই ৰাখিব পাৰে। কবিতা শিক্ষাদানৰ বাবে এনে পদ্ধতি উত্তম বুলি বিবেচিত হয়। মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক শ্ৰেণীত এই পদ্ধতিৰে কবিতা শিক্ষাদান কৰা উচিত।

### ৫) কথোপকথন পদ্ধতি ঃ

কবিতা শিক্ষাদানৰ বাবে কথোপকথন পদ্ধতি কেৱল উচ্চ শ্ৰেণীৰ বাবেহে প্ৰযোজ্য। নিম্ন শ্ৰেণীত এই পদ্ধতিৰ প্ৰায়োগিকতা দুৰ্বল আৰু অসুবিধাজনক। কথোপকথন বা আলাপ আলোচনাৰ মাজেৰে মানৱ জীৱনৰ যিকোনো সমস্যাৰ সমাধান সম্ভৱপৰ হৈ উঠে। তেনে ক্ষেত্ৰত শ্ৰেণীত কবিতা শিক্ষাদান কৰিবলৈ যাওঁতেও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা শিক্ষণ বেলিকাত বিভিন্ন ধৰণৰ সন্দেহ-সমস্যাৰ উদয় হ'ব পাৰে। শিক্ষকে ছাত্ৰ-ছাত্ৰী সকলৰ কবিতাপ্ৰীতি মনোভাৱ জগাবৰ বাবে শিক্ষণীয় কবিতাৰ ভাৱ-ভাষা, ৰচনা ৰীতি তথা কবিৰ কাব্য দৰ্শন সম্বন্ধিত কথাবোৰ বহলাই ক'ব লগা হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ মানোযোগ আকৰ্ষণৰ বাবে কথাবাৰ্তাৰ অৱতাৰণা কৰাটো যিকোনো শিক্ষকৰে এটা প্ৰধান দায়িত্ব আৰু কৰ্তব্য হিচাপেই বিবেচিত হয়। গতিকে, কবিতা আৰু কবি সম্পৰ্কীয় যিকোনো ধৰণৰ আলোচনা শ্ৰেণীকোঠাত সম্ভৱপৰ কৰি তুলিব পাৰিব লাগে। অৱশ্যে কথোপকথন কৰিবলৈ হ'লে- তাৰ অৱতাৰণা উপস্থাপন সম্পৰ্কে শিক্ষকৰ এটা সুপৰিকল্পনা লাগিব। বুদ্ধি-চেতনাৰ ফালৰ পৰা উচ্চ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলো কিছু পৰিমাণে অভিজ্ঞ হৈ উঠে।

গতিকে, এনে কথোপকথন আৰু আলোচনাত্মক পদ্ধতিৰে কবিতা শিক্ষাদান কৰিলে কবিতাৰ সবিশেষ জানি বুজি লোৱাৰ অৱকাশ থাকে। সেয়ে এই পদ্ধতি ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অত্যন্ত দৰকাৰী।

### ৬) সমীক্ষা পদ্ধতি ঃ

সমীক্ষা পদ্ধতি অনুসৰি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ৰে কবিতা সম্পৰ্কীয় গভীৰ ধ্যান-ধাৰণা আৰু জ্ঞান থকাটো বাঞ্ছনীয়। কিয়নো এই পদ্ধতিত কবিতাৰ ভাষা, ৰচনা-ৰীতি, বিষয়বস্তু, ভাৱধাৰা, শব্দ-বিন্যাস, ধ্বনি-ব্যঞ্জনা আদি সকলো দিশৰে পুংখানুপুংখ দোষ-গুণ বিচাৰ কৰা হয়। সাধাৰণ অৰ্থত দোষ-গুণ চালি-জাৰি চোৱাই সমীক্ষা। গতিকে, কবিতা এটাৰ সৃষ্টিত কবিজনৰ সফলতা-বিফলতা , ভাৱ-ভাষাৰ কৃতকাৰ্যতা বিচাৰ কৰাই সমীক্ষা পদ্ধতিৰ মূল কাম।

গতিকে, ভাষা-সাহিত্যৰ শিক্ষকৰ ভাষা-জ্ঞান থকাৰ লগতে আন ভাষাৰ কবিতাৰ সন্দৰ্ভতো তেওঁৰ দখল ( যেনে- হিন্দী, বাংলা, ইংৰাজী) থকাটো ভাল। তেতিয়াহে কবিতাৰ সঠিক সমীক্ষা হ'ব। এনে গুৰু-গম্ভীৰ আলোচনা অথবা সমীক্ষা উচ্চ পৰ্যায়তহে সম্ভৱ। ভাৱৰ গাম্ভীৰ্যতা আৰু ছাত্ৰ-ছাত্ৰীক বহল দৃষ্টিভংগী প্ৰদান কৰাৰ লগতে কবিতাক বহল পৰিসৰত চোৱাত সমীক্ষা পদ্ধতিয়ে সুবিধা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু মানসিক উৎকৰ্ষ সাধনত এই পদ্ধতিৰ প্ৰয়োগ অনস্বীকাৰ্য। অৱশ্যে ওপৰ খাপৰ শ্ৰেণীকোঠাৰ কবিতা শিক্ষাদানতহে এই পদ্ধতি সাৰ্থকভাৱে প্ৰয়োগ কৰিব পাৰি। উচ্চ পৰ্যায়ৰ বাবে সমীক্ষাত্মক পদ্ধতি অতি উত্তম।

### ছাত্ৰ-ছাত্ৰীক কবিতাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পৰা কিছু দিশৰ অৱলোকন ঃ

ওপৰৰ আলোচনাত ইতিমধ্যেই কবিতা সম্পৰ্কীয় অনিৰ্ণেয় ধাৰণাৰ লগতে কবিতা শিক্ষাদানৰ লক্ষ্য-উদ্দেশ্য আৰু পদ্ধতি সম্পৰ্কে যৎকিঞ্চিত আলোচনা আগবঢ়োৱা হ'ল। ভাষা-সাহিত্যৰ শিক্ষকে কবিতাৰ ভাৱ-বিষয় অনুসৰি উপযুক্ত পদ্ধতি আৰু সঠিক প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগে। ভাষা-সাহিত্যৰ শিক্ষক হিচাপে ভাষাটোৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল হোৱাৰ উপৰি ভাষাটোত ৰচিত সাহিত্য সম্ভাৰৰ লগত সম্যক পৰিচয় থকাটো ভাল। ছাত্ৰ -ছাত্ৰীসকলক ভাষা-সাহিত্যৰ লগত ভালদৰে পৰিচয় কৰাই দিব পাৰে কেৱল ভাষাৰ শিক্ষকে। গতিকে, ভাষা শিক্ষকৰ দায়িত্ব ব্যাখ্যাতীত।

কবিতা যিহেতু সাহিত্যৰ এক অন্যতম বিধা। সেয়ে কবিতা শিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক কবিতাৰ অনুৰাগী কৰি তুলিব নোৱাৰিলে কবিতা শিক্ষণ কাৰ্যই এক প্ৰকাৰৰ অৰ্থহীন কাৰ্যলৈ পৰিণত হ'ব। ভাষা শিক্ষকৰ কবিতাৰ পৰম্পৰা আৰু ঐতিহ্যৰ লগত সুপৰিচিতি থাকিব লাগিব। লগতে সাম্প্ৰতিক কবিতাৰ প্ৰৱাহৰ লগত থাকিব লাগিব সু-সম্পৰ্ক। তেতিয়াহে কবিতা শিক্ষদানত সাৰ্থকতা আদায় কৰিব পাৰিব।

কবিতা শিক্ষাদান কৰিবলৈ যাওঁতে শিক্ষকে মন কৰিব লগা কিছু দিশ তলত অৱলোকন কৰা হ'ল -

১) শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কবিতা শিক্ষণ কৰিবলৈ যাওঁতে কবিতাৰ প্ৰতি অনুৰাগ, কবিতা সৃষ্টিৰ প্ৰতি অনুৰাগ আৰু কবিৰ প্ৰতি অনুৰাগ বঢ়াব পাৰিব লাগে।

২) শিক্ষকে কবিতাটো শিক্ষণ কৰিবলৈ যাওঁতে প্ৰথমে কবিজনৰ পৰিচয় সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব লাগে। কবিৰ জীৱনপঞ্জী আৰু ৰচনা-সম্ভাৰ সম্পৰ্কে চমু পৰিচয় আগবঢ়াব লাগে। কবিৰ ৰচনা-ৰীতি আৰু জীৱন-দৰ্শনৰ সন্দৰ্ভতো পৰিচিতি আগবঢ়ালে ভাল। শিক্ষকে কবিজনৰ ৰচনাৰাজি অৰ্থাৎ বিভিন্ন কাব্যগ্ৰন্থ ছাত্ৰ-ছাত্ৰীক দেখুৱাব লাগে। চুই চাবলৈ দিব লাগে। এনে কাৰ্যই ছাত্ৰ-ছাত্ৰীক কবিতা আৰু কবিৰ প্ৰতি অনুৰাগী কৰি তোলাৰ লগতে ভৱিষ্যতে অধিক অধ্যয়নৰ বাট মুকলি কৰিব।

৩) কবিজনৰ পৰিচয় পৰ্ব আগবঢ়োৱাৰ অন্তত শিক্ষকে প্ৰয়োজন অনুসৰি কবিজনৰ জীৱন আৰু সাহিত্য কৰ্ম-কৃতি সম্পৰ্কীয় প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে। কবি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান আৰু ধাৰণাৰ ই হ'ব এক প্ৰকাৰৰ মূল্যায়ন।

৪) কবি সম্পৰ্কীয় মূল্যায়নৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সমুখত কবিতাটোৰ আদৰ্শ পঠন কৰিব লাগে। আদৰ্শ পঠন কৰোঁতে সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে কবিতাটো মন দি শুনে তাৰ প্ৰতি সচেতনতা অৱলম্বন কৰিব লাগে আৰু যতি বিৰাম, চিহ্ন, সুৰ, লয়ৰ সঠিক শুদ্ধ উচ্চাৰণৰ প্ৰতি সজাগ হৈ আদৰ্শ পঠন কৰা উচিত।

৫) শিক্ষকে আদৰ্শ পঠন কৰাৰ পাছত শ্ৰেণীকোঠাৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক সৰৱ পঠন কৰিবলৈ দিব লাগে আৰু বাকীসকল ছাত্ৰ-ছাত্ৰীক নীৰৱে অনুসৰণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিব লাগে। ছাত্ৰ-ছাত্ৰীক সৰৱ পঠন কৰিবলৈ দিওঁতে চাব লাগে যাতে শ্ৰেণীকোঠাৰ সকলো শ্ৰেণীৰ মানসিক স্তৰৰ

ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভ কৰে।

৬) ছাত্ৰ-ছাত্ৰীৰ সৰৱ পঠনৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সহযোগত কবিতাটোৰ পৰা জটিল শব্দৰ অৰ্থ অৰ্থাৎ আক্ষৰিক অৰ্থৰ বিপৰীতে শব্দই বহন কৰা অৰ্থৰ বিচাৰ কৰিব। কবিতাত আক্ষৰিক অৰ্থতকৈ অন্তৰ্লীন হৈ থকা অৰ্থই ভাৱ বহন কৰি কবিতাক প্ৰাণময় কৰি ৰাখে। শ্ৰেণীকোঠাৰ পৰ্যায় আৰু কবিতাৰ বিষয়বস্তু, ছাত্ৰ-ছাত্ৰীৰ মানসিক বুদ্ধি-বৃত্তি অনুসৰি শিক্ষকে সঠিক পদ্ধতিৰে কবিতা শিক্ষাদান কাৰ্য আগবঢ়াই নিব।

**কবিতাত ৰুচি জন্মোৱাৰ উপায় ঃ**

কবিতা যিহেতু মানৱ জীৱনৰ প্ৰাচীনতম ভাষা তাৰ পাছতো কবিতা মানুহৰ হৃদয়-মগজুৰপৰা আঁতৰি থকাটো কবিতাৰে নহয় সাহিত্যৰ বাবেও ই দুখজনক। সেয়ে বিদ্যালয়ত ভাষা শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতাৰ প্ৰতি সুস্থ ৰুচিবোধৰ জন্ম দিয়াৰ লগতে কবিতাৰ প্ৰতি অনুৰাগ বঢ়াব পাৰে। তেনে কিছু উপায় তলত আগবঢ়োৱা হ'ল—

১) ভাষাৰ শ্ৰেণীকোঠাৰ দেৱালত প্ৰখ্যাত কবিৰ প্ৰতিচ্ছবিৰ লগতে তেওঁলোকৰ কাব্যজীৱনৰ পৰিক্ৰমাক বগা কাগজত শুদ্ধ আখৰেৰে ডাঙৰকৈ ওলমাই ৰাখিব পাৰে।

২) মানুহৰ মুখৰ উক্তিলৈ পৰিৱৰ্তন হোৱা বিখ্যাত কবিতাৰ শাৰী আৰু স্তৱক দেৱালত লিখি ৰাখিব পাৰে।

৩) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বছা-বছা কবিতা আবৃত্তি কৰিবলৈ দিব পাৰে। মাহেকত এবাৰ/দুবাৰকৈ এনে আবৃত্তিৰ প্ৰতিযোগিতা আয়োজন কৰিব পাৰে। এনে প্ৰতিযোগিতা নিজ বিদ্যালয়ৰ লগতে কাষৰীয়া ভিন ভিন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো জড়িত কৰিব লাগে। এনে আয়োজনে ছাত্ৰ-ছাত্ৰীৰ কবিতাপ্ৰীতি ভাৱ বঢ়াব।

৪) ভাষা শিক্ষকে নিজ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰতিৱেশী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো সাঙুৰি কবি সন্মিলন আয়োজন কৰিব পাৰে আৰু বিভিন্ন ঠাইত অনুষ্ঠিত হৈ থকা কবি সন্মিলনত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰিবলৈ সুবিধা প্ৰদান কৰি দিব লাগে। প্ৰতিষ্ঠিত কবিৰ সংগ সান্নিধ্যত অনুপ্ৰাণিত হৈ ছাত্ৰ-ছাত্ৰীসকলে কবিতা সৃষ্টিত নিজকে গহীনভাৱে নিয়োজন কৰিব পাৰিব। উচ্চ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এনে কাৰ্য লাভজনক।

৫) ভাষা-সাহিত্যৰ শিক্ষকে প্ৰতিষ্ঠিত কবি-সাহিত্যিকক বিদ্যালয়লৈ নিমন্ত্ৰণ জনাই ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰংগ আলাপ কৰোৱাৰ ব্যৱস্থা কৰিব পাৰে। এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কবিতা-সাহিত্যৰ প্ৰতি অনুৰাগ জন্মাব আৰু প্ৰতিষ্ঠিত পৰিচিত কবি লেখকক ওচৰতে আৰু সমুখত পাই উৎসাহিত হ'ব।

৬) ভাষা-সাহিত্যৰ শিক্ষকে বিদ্যালয়ত কবি সাহিত্যিকসকলৰ জন্ম-জয়ন্তী আৰু মৃত্যু-বাৰ্ষিকীৰ উদযাপন কৰিব লাগে। যেনে— শ্ৰীশংকৰদেৱৰ তিথি, লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু-বাৰ্ষিকী, জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম-জয়ন্তী, নৱকান্ত বৰুৱাৰ মৃত্যু তিথি, হীৰেন ভট্টাচাৰ্যৰ জন্ম-মৃত্যুবাৰ্ষিকী উদযাপন আদি। এনে জন্ম-জয়ন্তী আৰু মৃত্যু-বাৰ্ষিকীৰ উদযাপনে কবি-সাহিত্যিকৰ গুৰুত্ব আৰু মহত্ব উপলব্ধি কৰাত সহায় কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক নতুন সৃষ্টিৰ প্ৰতি উৎসাহী কৰি তুলিব।

ছাত্ৰ-ছাত্ৰীৰ সৌন্দৰ্যবোধৰ বিকাশ সাধন আৰু মানসিক উত্তৰণৰ বাবে কবিতা শিক্ষণ যে আকৰ্ষণীয়, অৰ্থবহ, বৈচিত্ৰপূৰ্ণ আৰু একধৰণৰ জটিল কাৰ্য সি নিশ্চিত। সেয়ে শিক্ষকে কবিতা সম্পৰ্কীয় অনেক গ্ৰন্থ অধ্যয়ন কৰাৰ লগতে সমালোচনাত্মক দৃষ্টিভংগীৰে কবিতা শিক্ষাদানৰ বেলিকা ছাত্ৰ-ছাত্ৰীৰ সমুখত নিজকে উপস্থাপন কৰিব লাগে। তেহে ছাত্ৰ-ছাত্ৰীৰ লগতে কবিতা শিক্ষাদানৰ জৰিয়তে স্বকবিতাইও এক ধৰণৰ সাৰ্থকতা লাভ কৰিব পাৰে।●●

# সামাজিক মাধ্যম আৰু যুৱ-প্ৰজন্ম

কৰবী গগৈ

আধুনিক যুগ প্ৰযুক্তিবিদ্যাৰ যুগ। আধুনিক যুগত প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলস্বৰূপে সামাজিক মাধ্যম যোগাযোগৰ ক্ষেত্ৰত এক শক্তিশালী যোগাযোগ মাধ্যমৰূপে পৰিগণিত হৈছে। বৰ্তমান সময়ত বহুল প্ৰচলিত চ'ছিয়েল মিডিয়া বা সামাজিক মাধ্যমৰ প্ৰভাৱ সমাজ ব্যৱস্থাৰ ওপৰত গুৰুত্বভাৱে পৰা দেখা গৈছে। সমাজৰ বহুলোকেই এতিয়া ব্যস্ত হৈ পৰিছে সামাজিক মাধ্যমৰ বিলাসত। সকলোৰে ঘৰে ঘৰে তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰৰ লগে লগে মুহূৰ্ততে বিশ্বৰ সকলো খবৰ লাভ কৰিবলৈ সক্ষম হৈছে। মোবাইল ফোনৰ ইণ্টাৰনেট সেৱাৰ সহজ লভ্যতাৰ সুবিধা লৈ সমাজৰ প্ৰতিটো স্তৰৰ ব্যক্তিয়েই সময় অতিবাহিত কৰিবলৈ লৈছে এই সামাজিক মাধ্যমসমূহত।

পাৰৰ পাখিত চিঠি গাঁঠি দিয়া, পত্ৰবাহকে পত্ৰ কঢ়িয়াই নিয়াৰ দিন কোন কাহানিবাতেই উকলিল। ফেচবুক, হোৱাইট্চ এপ্, টুইটাৰ, গুগ'ল, টেলিগ্ৰাম এনে ধৰণৰ সামাজিক মাধ্যমসমূহে বৰ্তমান সময়ত প্ৰচাৰ আৰু যোগাযোগৰ এক অন্যতম মাধ্যমৰূপে পৰিগণিত হৈছে। এই সামাজিক মাধ্যমক একাষৰীয়া কৰি বৰ্তমানৰ সমাজ এখোজ আগবাঢ়িবলৈ লৈও যেন থমকি ৰ'ব লগা হৈছে।

**সামাজিক মাধ্যম আৰু যুৱ প্ৰজন্ম ঃ**

আধুনিকতাৰ যুগত আমাৰ জীৱনত প্ৰচুৰ পৰিমাণে চাপ পেলোৱা এখন পৃথিৱী হ'ল সামাজিক মাধ্যম। বৰ্তমান সমাজৰ প্ৰতিনিধি আমি যুৱপ্ৰজন্মও এই পৃথিৱীৰে বাসিন্দা। বৰ্তমান যুৱ-প্ৰজন্মই হৈছে এখন দেশ বা সমাজৰ উন্নতিৰ হেতু। সমাজৰ উন্নতিৰ দিশত তেওঁলোকৰ ভূমিকা বৰ্তমান অত্যন্ত গুৰুত্বপূৰ্ণ হৈ আহিছে। সমাজ জীৱনৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে বৰ্তমান সময়ৰ যুৱ-প্ৰজন্ম আৰু তেওঁলোকৰ মানসিকতাৰ ওপৰত। দ্ৰুত গতিত পৰিৱৰ্তিত এই সমাজক সৃষ্টি আৰু যোগাত্মক দিশেৰে আগুৱাই নিবলৈ যুৱ-প্ৰজন্মৰ মন হ'ব লাগিব সুস্থ আৰু সংস্কাৰিত চিন্তা-চেতনাৰে সমৃদ্ধ। কিন্তু, আধুনিকতাৰ পৰশ লাগি আৰু সামাজিক মাধ্যমৰ কোবাল সোঁতত বৰ্তমান যেন উটি-ভাহি যাবলৈ ধৰিছে। যাৰফলত ভোগসৰ্বস্ব জীৱন হৈ পৰিছে যুৱ-প্ৰজন্মৰ স্পৃহাৰ।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সমান্তৰালত বৰ্তমান উঠি অহা একাংশৰ মানসিকতাৰ ওপৰত বিশেষকৈ প্ৰভাৱ পেলোৱা মোবাইল ফোন, ইণ্টাৰনেট, টেলিভিছন আদিয়ে মনটোক গ্ৰাস কৰি পেলাইছে। এইবোৰে তেওঁলোকৰ সুস্থ মানসিকতাক ধ্বংসৰ গৰাহলৈ ঠেলি নিছে। এইবোৰৰ পৰা নিজকে নিয়ন্ত্ৰণ কৰাই হৈছে যুৱ-প্ৰজন্মৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বান।

**সামাজিক মাধ্যম আশীৰ্বাদ বনাম অভিশাপ ঃ**

প্ৰতিটো আৱিষ্কাৰৰ ভাল-বেয়া দুটা দিশ আছে। মাথোঁ আমাৰ নিজৰ জ্ঞান-বিবেক আৰু চেতনাই সঠিক পথেৰে ধাৱমান হোৱাটো প্ৰয়োজন। ঠিক সেইদৰে দেখা যায় সামাজিক মাধ্যমসমূহে যেন আমাক পৰিচালনা কৰিবলৈ চেষ্টা চলাইছে আৰু আমিও নিজকে সঁপি দিছোঁ সামাজিক মাধ্যমৰ ৰঙীন জগতখনত। সামাজিক মাধ্যমসমূহে আমাৰ সকলোৰে জীৱনত যি নতুনত্ব আৰু আধুনিকতা আনিলে, তাতকৈ অধিক প্ৰভাৱ আমাৰ জীৱনত পৰা পৰিলক্ষিত হৈছে। শিক্ষাৰ্থীয়েই হওক, চাকৰিয়াল ব্যক্তিয়েই হওক নাইবা কোনো গৃহিণীয়ে হওক আজিকালি সকলোৱে আজৰি সময়খিনিত নিজকে ফেচবুক, হোৱাইট্চ আপ এইবোৰত ব্যস্ত কৰি ৰাখে। সামাজিক মাধ্যমৰ অত্যাধিক ব্যৱহাৰে আমাৰ সামাজিক অথবা পাৰিবাৰিক জীৱনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। ইয়াৰ অত্যাধিক ব্যৱহাৰে আমাক সামাজিক জীৱন তথা পৰিয়ালৰ পৰা যেন

বহুদূৰ আঁতৰাই আনিছে। বৰ্তমান সময়ত আমি নিজৰ পৰিয়ালৰ লগত সময় অতিবাহিত নকৰি সামাজিক মাধ্যমৰ ৰঙীন জগতখনত বিচৰণ কৰি ফুৰোঁ। কিন্তু আমি উপলব্ধি নকৰোঁ যে, যি আনন্দ, মৰম-স্নেহৰ সান্নিধ্য পৰিয়ালৰ মাজত থাকি পাব পাৰোঁ, সেই আনন্দ আমাক সামাজিক মাধ্যমসমূহে দিব নোৱাৰে। সামাজিক মাধ্যমে আমাৰ পৰিয়ালৰ মাজত এক বৃহৎ ব্যৱধান আনিছে। যাৰ বাবে একাংশ অভিভাৱকে এশ এবুৰি ক্ষোভ লৈ থাকে নিজৰ সন্তানৰ ওপৰত, মুখ খুলি ক'ব নোৱৰাৰ অজুহাতত।

সৃষ্টিৰাজিৰ প্ৰতিটো বস্তুৰে ভাল-বেয়া দুয়োটা দিশ আছে। বোলে, "বহিব জানিলে মাটিয়ে পীৰা, খাব জানিলে চাউলেই চিৰা।" সেয়ে বৰ্তমানৰ যুৱ-প্ৰজন্মই প্ৰতিটো বস্তুৰে যথোপযুক্ত ব্যৱহাৰ কৰি চলিব লাগে। নতুন প্ৰজন্ম যিহেতু দেশৰ ভৱিষ্যত; সেয়ে তেওঁলোকে নিজ চিন্তাকৰ্মৰে দেশ বা সমাজৰ দায়িত্ব মূৰ পাতি লৈ এক সুস্থ বাতাবৰণ গঢ় দিবলৈ যত্ন কৰিব লাগে। সামাজিক মাধ্যম ব্যৱহাৰৰ ফলত আলাউদ্দিনৰ চাকিটোৰ ওচৰত বিচাৰিলেই পোৱাৰ দৰে সকলো হাততে পোৱাত সহজ সাধ্য হৈ পৰিছে আমাৰ জীৱন জীয়াৰ নীতি। সেয়ে আমি সামাজিক মাধ্যমৰ মূল্য বুজি আগুৱাবলৈ যত্ন কৰিব লাগে।

মহামাৰীয়ে গ্ৰাস কৰাৰ সময়খিনিত সামাজিক মাধ্যমৰ উপযুক্ত ব্যৱহাৰৰূপে ডিজিটেল মাধ্যমৰূপে Google meet, zoom app আদিৰ সহায়ত পাঠদান কাৰ্য চলাই নিছিল। যাৰ বাবে আমাৰ শিক্ষাবৰ্ষৰ ক্ষতি হোৱা নাছিল। এনেদৰে সামাজিক মাধ্যমৰ জৰিয়তে দেশ-বিদেশৰ খবৰসমূহ হাততে লাভ কৰি আমি জ্ঞান অৰ্জনত গুৰুত্ব দিব লাগে। কিয়নো সামাজিক মাধ্যমৰ ৰঙীন পৃথিৱীখনৰ মনোৰঞ্জন ক্ষন্তেকীয়া। আমাৰ সজাগতা আৰু ইয়াৰ সঠিক ব্যৱহাৰেহে সামাজিক মাধ্যমৰ প্ৰভাৱ কমাই আনিব পাৰিব। প্ৰয়োজন মাথোঁ যুৱ-প্ৰজন্মৰ সদৃচ্ছাৰ। এইক্ষেত্ৰত সামাজিক মাধ্যমৰ মূল্য নুবুজি সামাজিক মাধ্যমৰ দু-প্ৰয়োগ কৰা নৱ-প্ৰজন্মক মাৰ্গদৰ্শক হিচাপে অভিভাৱকসকলেই গুৰুত্ব প্ৰদান কৰিব লাগিব। কম বয়সত মোবাইল ফোন দিয়াৰ পৰিৱৰ্তে এটা নিৰ্দিষ্ট বয়সত মোবাইল ফোন আনি দি সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিব লাগিব। সামাজিক মাধ্যমৰ সৎ ব্যৱহাৰৰ জ্ঞান প্ৰদান কৰিব লাগিব। কিয়নো বহুলোকে সামাজিক মাধ্যমৰ ভাল দিশটো গ্ৰহণ কৰাৰ পৰিবৰ্তে বেয়া দিশটোৰ প্ৰতিহে আকৰ্ষিত হয়। বহুলোকে সামাজিক মাধ্যমত ভুৱা একাউণ্ট খুলি কাৰোবাক ভাবুকি দিয়া, উৰা বাতৰি বিয়পোৱা এনে কাৰ্য কৰি সমাজত নেতিবাচক প্ৰভাৱ পেলাব। গতিকে সামাজিক মাধ্যম বিলাক ব্যৱহাৰ কৰোঁতে সাৱধানতা অৱলম্বন কৰিব লাগে। বৰ্তমান সময়ত সামাজিক মাধ্যম অবিহনে যেন জীৱনটো অসাৰ হৈ পৰিছে। পুৱা শুই উঠাৰ পৰা বিছনালৈ যোৱালৈকে জীৱনৰ অভিন্ন অংগ হৈ পৰিছে সামাজিক মাধ্যমসমূহ। গতিকে যুৱ-প্ৰজন্মই প্ৰতিখোজ সাৱধানে পেলাই, সামাজিক মাধ্যমৰ ৰঙীন জগতখনত উটি-ভাহি নগৈ বাস্তৱ জীৱনক সংযমী কৰি এক সংস্কাৰিত আৰু কৰ্ম সন্ধানী মন লৈ আগবাঢ়ি গ'লেহে যুৱ-প্ৰজন্মৰ জীৱনলৈ নতুন দিগন্ত আহিব। কিয়নো, সময়ৰ গতিশীলতাৰ লগে লগে তথ্য-প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তন হ'ব, আধুনিকতাই গ্ৰাস কৰিব যুৱ-প্ৰজন্মক। সেই আধুনিকতাৰ পৰশ লাগিও যুৱ প্ৰজন্ম আগুৱাব লাগিব সমাজখনৰ উন্নতিৰ হকে। তেতিয়াহে সামাজিক মাধ্যমসমূহক আশীৰ্বাদস্বৰূপে গ্ৰহণ কৰি যুৱ প্ৰজন্ম আগুৱাব পাৰিব নতুন দিগন্তৰ সন্ধানত।

**সামৰণি ঃ**

যুৱ সমাজে বৰ্তমানৰ চিন্তা-ধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি, সামাজিক মাধ্যমসমূহক আশীৰ্বাদৰূপে লগত লৈ এখন সুন্দৰ সমাজ গঢ়াৰ পণ লৈ আগুৱাই গ'লেহে এক নতুন প্ৰভাতৰ সূচনা হ'ব।

শেষত,
"নতুন প্ৰভাত হ'ব
ন-ন সৃষ্টিৰাজি উজলিব
সামাজিক মাধ্যমসমূহক লগত লৈ
পোহৰ দিশে
আমাৰ নৱ-প্ৰজন্ম আগুৱাব ...।"●●

# Legend, Legitimization and the Varman Dynasty

**Jugal Kishor Gogoi**

In the soul of ancient India, Assam's history unfolded like an epic tale, woven with mystique and tradition. Long centuries before, this enchanting land cradled rich indigenous cultures, where the various dynasties reigned supreme, casting a vibrant fabric of art, literature, and warfare. The mighty Brahmaputra River, a lifeline for its people, witnessed the rise of great kingdoms and the amalgamation of diverse tradition. Like the many other Early kingdoms, the process of state formation in the ancient Assam was a socio-economic procedure with gradual progress. Production of Surplus in the economy, specified territory and population including a royal family together with legitimize power are some requisite for Early State formation. In the Ancient Assam, rulers belonged to different dynasties, and the legitimacy of their rule was often based on their lineage, claiming descent from legendary or divine figures. The prominent Bhauma-Naraka Legend was the most eminent that had legitimize the rule of three kingdoms, accordingly the Varman dynasty, the Mlechchha(Salastambha) dynasty and the pala dynasty. While these legends provide cultural richness, historians rely on a combination of archaeological findings, inscriptions, and other historical records to piece together a more factual account of early Assam rule.

The evidence of ancient states and cultures regarding early Assam dates back over two millennia. One of the earliest historical references to Assam can be found in the early Hindu scripture, the Mahabharata, which mentions the Kamarupa kingdom, corresponding to the region of present-day Assam. Historically, many monarchies and aristocracies justified their power through claims of divine right, asserting that their authority was directly ordained by a higher power. Early Assam was not any different from this. The Bhauma-Naraka Legend contributes an important role in the process legitimizing rule of Pragjyotisa-Kamarupa Kings. After the Danava dynasty, the second legendary dynasty of Pragjyotisha-Kamarupa was Bhauma dynasty. Narakasura was the character who is said to have established this dynasty, and his descendants Bhagadatta and Vajradatta are first mentioned in the two epics Mahabharata and Ramayana. Narakasura's legend is further described in the locally composed; Kalika Purana,one of the eighteen minor Puranas in the Shaktism tradition of Hinduism; and the Yogini Tantra, a tantric text dedicated to the worship of Hindu goddesses Kali and Kamakhya.

The concept of early state formation refers to the process through which human societies transitioned from small, tribal communities to organized states with centralized political authority, defined territories, and formal governance structures. This transformation marked a significant milestone in mankind's history and paved the way for the development of complex societies. Early state formation

typically involved several key factors, among them-

**Agricultural Surplus:** The shift from a nomadic or hunter-gatherer lifestyle to settled agriculture allowed communities to produce surplus food. This surplus enabled population growth and the emergence of specialized roles within the society, leading to the formation of social hierarchies.

**Centralized Authority:** As societies grew in size and complexity, the need for centralized leadership became evident. Leaders or rulers emerged to organize resources, resolve disputes, and provide protection, leading to the establishment of formal governance structures.

**Urban Centers:** The growth of agriculture and trade led to the development of urban centers where economic, political, and social activities concentrated. These urban centers often served as administrative hubs and became the focal points of early states.

**Bureaucracy:** With the expansion of territories and populations, bureaucratic systems were developed to manage various aspects of governance, such as tax collection, law enforcement, and public administration. Specialized officials helped rulers govern more effectively.

**Legal Systems:** Early states developed formal legal systems to maintain order, resolve disputes, and enforce laws. Legal codes and regulations helped establish societal norms and standards of behavior.

**Military Power:** The formation of standing armies or organized military forces allowed states to defend their territories, expand their influence through conquest, and maintain control over their populations.

**Writing and Record-Keeping:** The development of writing systems enabled states to keep records, document laws, and communicate across distances. Writing played a crucial role in the administration of early states.

It's important to note that the process of early state formation varied across different regions and cultures, leading to diverse forms of governance and state structures. Studying early state formation provides valuable insights into the evolution of human societies and the origins of political institutions.

The process of legitimizing a king's rule through legend often involves the creation or embellishment of stories and myths that connect the ruler to a divine or heroic lineage. These legends serve to justify the ruler's authority and reinforce their right to govern. By weaving a narrative that portrays the king as a chosen or favored figure, rulers could strengthen their legitimacy in the eyes of the people, making it easier to maintain social order and control. Such legends might include tales of extraordinary feats, divine blessings, or ancestral connections to revered figures or deities, all of which enhance the king's status and credibility. Over time, these legends become an integral part of the culture, further solidifying the ruler's position



and ensuring the continuity of their dynasty.

The Bhauma Naraka legend in ancient Assam is a significant historical and cultural narrative that has contributed to the legitimization of kings' rule in the region. According to the legend, Naraka, a powerful demon king, ruled over Assam and oppressed its people. Lord Krishna's incarnation, Krishna, defeated Naraka and established a just and righteous rule in the region.This legend served to legitimize the rule of subsequent kings in Assam by associating their lineage with divine or heroic figures, emphasizing their rightful authority to govern. Through storytelling and cultural practices, this mythic narrative helped to create a sense of continuity and legitimacy for the ruling dynasties in ancient Assam, reinforcing the power structures of the time.

Legends have played a significant role in the formation of states throughout history. These stories, often rooted in mythology and folklore, serve as foundational narratives that bind communities together. In the context of state formation, legends often glorify the deeds of heroic figures or mythical ancestors, creating a sense of shared identity and purpose among the people. Legends can inspire unity and solidarity, fostering a common bond among diverse groups within a region. They provide a historical and cultural backdrop, shaping the collective memory of a community. These narratives are frequently used by political leaders and nationalist movements to mobilize support, invoking a sense of pride and patriotism among citizens. Additionally it can also reinforce social norms and values, serving as a moral compass for the society. By preserving and promoting these stories, states reinforce their unique cultural heritage, distinguishing themselves from others.

Pushyavarman was the first historical ruler of Kamarupa in eastern India, who established the Varman dynasty in 350 AD. The dynastic line from Pushyavarman first appear in the 7th century, in Dubi and Nidhanpur copperplate inscriptions issued by his successor Bhaskaravarman, and in the Harshacharita. In these inscriptions Bhaskaravarman claims that he was a descendant of Narakasur, Bhagadatta and Vajradatta. Modern scholars assumed this genealogy was created in the context of Bharkarvarman's alliance with Harshavardhana, to help legitimise his sovereignty. The use of Naraka/Bhagadatta lineage to establish sovereignty continued under the Mlechchha(Salastambha) and the Pala dynasties, a practice which is in keeping with the trend in the post-Gupta period in India.

The idea of early state formation and the Bhauma-Naraka legend provides valuable insights into the complex interplay of historical narratives and political structures. The legend's role as both a cultural artifact and a potential historical source underscores the challenges in interpreting early statehood. While the Bhauma-Naraka legend offers a glimpse into the socio-political dynamics of its time, caution is necessary in reconciling myth with historical reality. Future research should continue to explore these connections, shedding light on the intricate processes that shaped early state formations and the narratives that endure through the ages.●●

**References :**


Bhattacharjje JB, Bhauma-Naraka Legend And State Formation in Pragjyotisha-Kamarupa, Modern Offset, Shillong, 2004

Claessen JM Henri, Skalnik Peter, The Early State, Mouton Publisher,Great Britain,1974

Kulke, Hermann(ed),The State in India (1000-1700),OUP, 1995

www.britannica.com


Picture that appropriate for this article-

Courtesy- Krishna and Satyabhama fighting Naraka's armies - Painting from the Metropolitan Museum.

# Is AI being used ethically?

**Sulangki Gogoi**

Potter Stewart, the former associate Justice of the United States Supreme Court said that, 'Ethics is knowing the difference between what you have a right to do and what is right to do."Now with the rapid advancement of the technologies such as Generative AI, machine learning etc. everybody has got the right and access to use the AI tools as these technologies are easily available all thanks to the ICT tools. Hence such technologies are also subject to malicious activities leading to it's unethical use.

AI is based on algorithms, it works by combining large data sets through complex neuron networks. Algorithmic biases such as privileging one arbitrary group of users over others during AI development can create unfair outcomes. Facial recognition technology which uses AI to match live images against a database of cached faces is one such AI application which is prone to unethical use because even if technology works objectively but the database being used to train AI system can be biased against caste, gender and religion. Now privacy has also come up as one big ethical concerns in using AI.As of now there is no data protection rights nor obligations concerning the development of AI tools. To put it in one line, it is all a game of data. Analyzing our data tells us things about us. The more data the tech companies or governments have about people, the more powerful they will be. This is why we often hear that data has been breached after a cyber attack on some portal. For this reason cyber security is a big issue. Most of us use Google, Facebook, Twitter and Instagram. These are very useful for us. It is also very easy to use them. At the same time, the truth is that we do not know how safe our data is on their portals or apps. Now all this big tech companies are investing billions in developing the AI tools with our data. As there is no regulating authority on how they could or should use our data in AI, the question here comes how ethically are they using our data.




Now with the ever increasing risk of AI and it's ethical use, globally there has been steps taken to regulate AI. The Indian government in 2018 published two road maps to regulate AI. One is by ministry of commerce by constituting AI task force and the second is by NITI Ayog by formulating 'National Strategy for Artificial Intelligence.' Here we need to understand that there is an urgent need to bring regulations in the use of AI but not in the AI in general, so that this technological wonder could be used ethically and with greater responsibility. ●●

প্ৰতিবেদন

# সভাপতিৰ প্ৰতিবেদন

১৯৪৫ চনত প্ৰতিষ্ঠা লাভকৰা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰ হিচাপে কানৈৰ হকে ওলাই অহাটো মোৰ বাবে এক গৌৰৱৰ কথা।

প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধা আৰু সেৱা নিবেদন কৰিছো, সেইসকল মনীষীলৈ যিসকলৰ অক্লান্ত প্ৰচেষ্টাৰে ফলশ্ৰুতিত ১৯৪৫ চনত সাম্প্ৰতিক সময়ৰ অসমৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান হিচাপে ডি.হ.সু. কানৈ মহাবিদ্যালয়ৰ ভেটি প্ৰতিষ্ঠিত হৈছিল সেইসকল মনীষীক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

কানৈ মহাবিদ্যালয়ৰ দৰে এক সন্মানীয় শিক্ষানুষ্ঠানৰ অংশ হ'বলৈ পাই মই সঁচাকৈয়ে ধন্য মানিছোঁ। তাতোকৈ গৌৰৱান্বিত হৈছো এনে এখন বৃহৎ শিক্ষানুষ্ঠানৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ডি.হ.সু. কানৈ মহাবিদ্যালয়ে মৰম দিয়াৰ বাবে সকলোকে ধন্যবাদ জনাইছো। ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণৰ পাছত কলেজৰ স্বাৰ্থ ৰক্ষাৰ্থে কৰা কাৰ্য-কলাপবোৰ সমূহ কানৈয়ানৰ আগত দাঙি ধৰিলোঁ—

ছাত্ৰ একতাৰ সভাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে আন্তঃবিভাগ কুইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতা পাতিবলৈ সক্ষম হওঁ।

আমাৰ সময়তে যুৱ মহোৎসৱ ২০২২-২৩ বৰ্ষতে ৯টাকৈ দলীয় আৰু একক পুৰস্কাৰ পাবলৈ সক্ষম হওঁ, লগতে 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'। তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ খিতাপে আমাক আৰু এখোজ আগুৱাই যোৱাত সহায় কৰিলে।

আমাৰ সময়তে NAAC য়ে A গ্ৰেড পাবলৈ সক্ষম হৈছিলোঁ।

মহাবিদ্যালয়ৰ সৌন্দৰ্য বৰ্দ্ধন কৰিবলৈ সক্ষম হ'লো। কামৰ সৰু-বৰ নাই, এই কথাষাৰ মূলমন্ত্ৰটি আগত লৈ কাম কৰি গৈছিলো। বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ হকে কাম কৰি যাবলৈ সক্ষম হ'লোঁ, বিপদৰ সময়ত সহায়ৰ হাতখন আগবঢ়াই দিয়াটো প্ৰধানতঃ বুলি ভাবিছিলো। সকলো সম্পাদকে নিজৰ বিভাগীয় কামসমূহ কৰি গৈছিল আৰু তেওঁলোকে মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি নিজা নিজা বিভাগত গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল তাৰ বাবে মই সকলো বিভাগৰ সম্পাদকক ধন্যবাদ জ্ঞাপন কৰিলো।

হয়তো মোৰ কাৰ্যকালত বিভিন্ন ভুল-ত্ৰুটি থাকি যাব পাৰে, গতিকে সকলো সদাশয় কানৈয়ানৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। মই আশা কৰিম, মোৰ এই মৰমৰ মহাবিদ্যালয়খনে লুইতৰ দুয়োপাৰ জিলিকাই নিজেও যাউতি যুগীয়া গৌৰৱেৰে জিলিকি থাকিব অনন্তকাললৈ।

ধন্যবাদেৰে—
পাৰ্থ প্ৰতিম গোহাঁই

প্ৰতিবেদন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। সেইসকল মহান মনীষীক যাৰ কঠোৰ শ্ৰম আৰু ত্যাগৰ বাবেই সমগ্ৰ অসমৰ ভিতৰত লেখত ল'বলগীয়া কৃষ্ণচূড়া আৰু দেৱদাৰু নগৰী ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়খনে এক ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে।

প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মোক উৎসাহিত কৰা সমূহ শুভাকাংক্ষীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। তিনি হাজাৰ পাঁচশ পয়সত্তৰজন কানৈয়ানৰ ভিতৰত ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাটো মোৰ বাবে অতিকৈ গৌৰৱৰ বিষয় আছিল। ছাত্ৰ একতা সভাৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণৰ পাছত কলেজৰ স্বাৰ্থ ৰক্ষাৰ্থে কৰা কাৰ্য কলাপবোৰ সমূহ কানৈয়ানৰ আগত দাঙি ধৰিলোঁ।

১। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই ১৭ নৱেম্বৰ ২০২২ তাৰিখে সমূহ কানৈয়াৰ সুবিধাৰ্থে, মহাবিদ্যালয়ৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাবোৰ দূৰ কৰাৰ বাবে এখনি ছাত্ৰ একতা সভাৰ সদস্যসমূহৰ লগত এখনি সাধাৰণ সভা আয়োজন কৰা হৈছিল।

২। ডিগবৈ মহিলা মহাবিদ্যালয়ত আয়োজিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয়ৰ গোটটিয়ে যাতে সফলভাৱে অংশ গ্ৰহণৰ হেতুকে কাম কৰিছিলো। মহাবিদ্যালয়খনে বিভিন্ন পুৰস্কাৰৰ লগতে মহোৎসৱখনিত একেৰাহে তিনিবাৰৰ বাবে 'শ্ৰেষ্ঠ মহাবিদ্যালয়' খিতাপৰ সন্মান বুটলিবলৈ সক্ষম হৈছিল। এয়া আমাৰ মহাবিদ্যালয়ৰ বাবে অতি গৌৰৱৰ কথা।

৩। আমাৰ কাৰ্যকালত "ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যাপণ পৰিষদ" (NAAC)ৰ দলে মহাবিদ্যালয়ত ভ্ৰমণ কৰে। উক্ত ভ্ৰমণৰ বাবে চলোৱা প্ৰস্তুতি আমাৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যই মহাবিদ্যালয়খনৰ স্বাৰ্থত দিন-ৰাতি একাকাৰ কৰি কাম কৰিছিলো। সেয়ে মহাবিদ্যালয়খনে "ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যাপন পৰিষদ"ৰ পৰা 'A' গ্ৰেড লাভ কৰে।

৪। প্ৰতিবছৰৰ দৰে, ডিবৰু উৎসৱ ঃ আমাৰ সকলোৰে হেঁপাহৰ ৭৭ সংখ্যক বাৰ্ষিক গতানুগতিক কাৰ্যসমূহ আমাৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হয়। প্ৰথমদিনাৰ পতাকা উত্তোলনৰ পৰা আৰম্ভণি কৰি শেষ দিনৰ সামৰণি অনুষ্ঠানলৈকে বহুকেইগৰাকী গুণমান্য ব্যক্তি উপস্থিত হয়।

৫। ৮ মে' ২০২৩ তাৰিখে আমাৰ সকলোৰে পৰিচিত ধিং এক্সপ্ৰেছ নামেৰে খ্যাত দৌৰবিদ হিমা দাস আমাৰ মাজত উপস্থিত হয়। উঠি অহা প্ৰজন্মক উৎসাহ জগোৱাৰ উদ্দেশ্যেৰে

বহু বক্তব্য আমাৰ মাজত দাঙি ধৰিছিল। এয়া আমাৰ সমূহ কানৈয়ানৰ বাবে সৌভাগ্যজনক কথা।

৬। "Samarth Portal" নামৰ portalটোৰ জৰিয়তে online attendanceৰ ব্যৱস্থা কৰিছিলো যাতে শিক্ষকসকলে শ্ৰেণীকোঠাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিকৰণ কৰোতে অসুবিধা নহয়।

৭। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা। গোটেই সভাখন আমি ছাত্ৰ একতা সভাই সুচাৰুৰূপে তদাৰক কৰিলো।

৮। ভীমকান্ত কোঁৱৰৰ সোঁৱৰণিত মহাবিদ্যালয়খনত সদৌ অসম ভিত্তিত এখনি তৰ্ক প্ৰতিযোগিতা আয়োজন কৰা হৈছিল।

৯। আমাৰ মহাবিদ্যালয়ৰ সমূহ কানৈয়ানৰ সপোনৰ স্বাৰ্থত প্ৰযুক্তিবিদ্যাৰ বিভিন্ন ধৰণৰ কামবোৰ যেনে—গেটৰ সন্মুখৰ মহৎলোকৰ বাণী থকা ফলককেইখন ডিজিটেল কৰিবলৈ সক্ষম হোৱাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ লগতে আমি একতা সভাই "আই লাভ D.H.S.K. ফলকখন নিৰ্মাণ কৰিলোঁ।

দায়িত্ব গ্ৰহণ কৰাৰ দিনৰে পৰা প্ৰতিটো ক্ষণত ঐক্যবদ্ধৰূপে মোৰ কাৰ্যত সহ অৱস্থান কৰি প্ৰতিটো সমস্যা সমাধানৰ তথা প্ৰতিটো কাৰ্যক্ৰমত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সভাপতি পাৰ্থ প্ৰতিম গোহাঁইকে প্ৰমুখ্যে কৰি মোৰ সহযোগী সম্পাদকসকলক মই আন্তৰিক কৃতজ্ঞতা অৰ্পণ কৰিলো।

মোৰ এবছৰীয়া কাৰ্যকালৰ এই প্ৰতিৱেদনত ভুলবশতঃ কোনো কাৰ্যক্ৰম বাদ পৰিব পাৰে বাবে অন্যান্য ভুল হ'ব পাৰে তাৰে বাবে সকলোৰে ওচৰত মই ক্ষমাপ্ৰাৰ্থী। আপোচবিহীনভাৱে কানৈয়ানৰ স্বাৰ্থত কাম কৰিবলৈ প্ৰতি মুহূৰ্ততে মই চেষ্টা কৰিছিলোঁ আৰু এইক্ষেত্ৰত যদি জ্ঞাতে-অজ্ঞাতে কিবা ভুল ৰৈ গৈছে তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী। সদৌ শেষত পুনৰবাৰ সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

"জয়তু কানৈ মহাবিদ্যালয়।<br>জয়তু কানৈ ছাত্ৰ সমাজ।"

**দিৰাজ বৰুৱা**<br>সাধাৰণ সম্পাদক

প্ৰতিৱেদন

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিৱেদন

সৰ্বোপ্ৰথমে সমূহ কানৈয়ানলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিছোঁ। ঐতিহ্যমণ্ডিত ডি.হ.সু কানৈ মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ আলোচনী "কানৈয়ান"খনিত সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোৰ সংক্ষিপ্ত প্ৰতিৱেদনখনি দাঙি ধৰিব পায় মই গৌৰাবান্বিত। ২০২২ বৰ্ষৰ ১৪ নৱেম্বৰ তাৰিখে কানৈয়ানে মোক এই পদটিত জয়ী কৰোৱাই। পদৰ দ্বায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা নিজৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিসমূহ পূৰ কৰাৰ বাবে নিজকে নিয়োজিত কৰাৰ চেষ্টা কৰিছিলোঁ।

মোৰ প্ৰতিশ্ৰুতিৰ মুখ্য আছিল মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ডিজিটেল উপস্থিতি প্ৰণালীৰ প্ৰৱৰ্তন কৰা। মোৰ সৌভাগ্য যে অধ্যক্ষ মহোদয় উক্ত বিষয়ে অৱগত কৰাৰ পিছতেই তেওঁ এই সম্বন্ধে ব্যৱস্থা লয় আৰু ২০২৩ বৰ্ষৰ জানুৱাৰী মাহৰ পৰা আমাৰ মহাবিদ্যালয়ত ডিজিটেল উপস্থিতিৰ ব্যৱস্থা কাৰ্যকৰী হৈ আহিছে।

মোৰ আন প্ৰতিশ্ৰুতিসমূহো পাৰ্যমানে পূৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ। কিছু পূৰ হৈছিল আৰু কিছু বিভিন্ন অসুবিধাৰ বাবে থাকি গৈছিল। তাৰ বাবে মই কানৈয়ানৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

মোৰ কাৰ্যকালৰ সময়ত পোৱা কিছু সাফল্যৰ কথা নোকোৱাকৈ থাকিলে হয়তো সেয়া সময়ৰ চাকনৈয়াত সকলোৱে পাহৰি পেলাব।

১। NORTH EAST GRADUATE CONGRESS ত কানৈয়ানৰ সাফল্য— ইউ এছ টি এম, মেঘালয়ত অনুষ্ঠিত হোৱা ২০২৩ বৰ্ষৰ NEGC ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিজ প্ৰতিভাৰ চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰিব সক্ষম হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ আকাশ দুৱাৰা আৰু সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰী মৃদুলা চুতীয়াই পাঞ্জা প্ৰতিযোগিতাৰ নিজ নিজ শাখাত বিজয়ী হ'বলৈ সক্ষম হয়। অৰ্থনীতি বিভাগৰ বিশাল তামাং আৰু বৰষা গগৈয়ে শক্তি উত্তোলনৰ নিজ নিজ শাখাত বিজয়ীৰ খিতাপ আজুৰি আনে। উত্তৰ পূব ভিত্তিত কুইজ প্ৰতিযোগিতাত ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ পৰাংগম শৰ্মাৰ সৈতে যুটি বান্ধি মই প্ৰথম ৰানাৰ্চ আপৰ সন্মান লাভ কৰোঁ।

২। বাক্-যুদ্ধ ২.০ - মহাবিদ্যালয়লৈ অহাৰ পিছৰে পৰা মহাবিদ্যালয়ত এখনি অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত নোহোৱাৰ কথা অনুভৱ কৰিছিলোঁ। পিছলৈ গম পাইছিলোঁ যে পূৰ্বৰ ছাত্ৰ একতা সভাৰ দিনত বাক্ যুদ্ধ নামেৰে এখনি তৰ্ক প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। কিন্তু বিভিন্ন কাৰণত যোৱা চাৰি বছৰ ধৰি সেয়া অনুষ্ঠিত নোহোৱাকৈ আছিল। এই প্ৰতিযোগিতা পুনৰজ্জীৱিত কৰাৰ বাবে মই সঁহাৰি পাওঁ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক শ্ৰদ্ধাৰ ভীমকান্ত কোঁৱৰ ছাৰৰ পৰিয়ালবৰ্গৰ পৰা। তেওঁলোকৰ সঁহাৰি আৰু আমাৰ প্ৰচেষ্টাৰে যোৱা ৰ চেপ্তেম্বৰ তাৰিখে সদৌ অসম ভিত্তিত "বাক্- যুদ্ধ ২.০" সফলতাৰে অনুষ্ঠিত হৈ যায়।

সদৌ শেষত এই কামবোৰ কৰি যোৱাত সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন সদস্য, শিক্ষাগুৰু তথা শুভাকাংশীলৈ মোৰ ধন্যবাদ নিবেদিছোঁ। আপোনালোকৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰ অবিহনে মই সফল নহ'লোঁ হয়।

জয়তু কানৈ মহাবিদ্যালয়, জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ সমাজ।

**কৌশিক ৰঞ্জন চেতিয়া**
সহকাৰী সাধাৰণ সম্পাদক

প্ৰতিবেদন

# গুৰু ক্ৰীড়া শাখাৰ প্ৰতিবেদন...

উজনি অসমৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ৰূপে পৰিচিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত এখন আগশাৰীৰ মহাবিদ্যালয় হ'ল Dibrugarh Hanumanbax Surajmall Kanoi মহাবিদ্যালয়। ১৯৪৫ চনৰ ১৫ জুনত স্থাপিত মহাবিদ্যালয়খনিয়ে আঠসত্তৰ বছৰ গৰকিল। এই সফল যাত্ৰাত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ হকে প্ৰতিষ্ঠা কালৰেপৰা বৰ্তমান সময়লৈকে যিসকল মহান ব্যক্তিৰে নিজৰ সকলো ত্যাগ কৰি নিজকে অৰ্পণ কৰিলে তেওঁলোকলৈ সৰ্বপ্ৰথমে প্ৰতিবেদনৰ পাতনিতে সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

বৰ্তমান সময়ত ছাত্ৰ ৰাজনীতি আৰম্ভ হয় বিদ্যালয়, মহাবিদ্যালয় পৰাই। ছাত্ৰ সমাজক আগঢ়াই নিবৰ বাবে ছাত্ৰ সমাজে নিজৰ প্ৰতিনিধি নিজেই আগবঢ়ায়। ছাত্ৰ সমাজৰ হকে কাম কৰা বা ছাত্ৰ সমাজৰ প্ৰতিনিধিত্ব কৰাৰ এটা মন সৰুৰে পৰাই আছিল। এই সুবিধাকণ Dibrugarh Hanumanbax Surajmall Kanoi মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২২-২৩ ৰ গুৰু ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে পাইছিলোঁ। এয়া মোৰ বাবে সৌভাগ্য আছিল। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২২-২৩ বৰ্ষৰ গুৰু ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি, দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোৰে মৰম সহযোগিতা আৰু আশীৰ্বাদত মই নিৰ্বাচিত হোৱাৰ জৰিয়তে সৰুৰে পৰা থকা এক আশাশুধীয়া সপোনৰো বাস্তবায়িত হ'ল। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এই পদটিত অধিষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক সেৱা কৰিবলৈ সাহস, প্ৰেৰণা, উৎসাহ আৰু সহযোগিতা আগবঢ়োৱা জ্যেষ্ঠজনৰ পৰা কনিষ্ঠজনলৈ, শিক্ষাগুৰু, দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

আচলতে মানুহৰ কিমান আশা থাকিলে সফলতাৰ দৌৰত সফল হ'ব পাৰে সেইটো নাজানো; কিন্তু মোৰ ক্ষেত্ৰত ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পোৱাটোকেই মই যথেষ্ট বুলি ভাবিছোঁ। এনেবোৰ সুবিধা সাধাৰণতে বিৰল, সকলোৰে বাবে নাহে। ই এক অলংকাৰহে মাথোঁ। মোৰ কাৰ্যকাল গ্ৰহণ কৰাৰে পৰা অন্তিম সময়লৈকে মহাবিদ্যালয়ত হোৱা প্ৰায়বোৰ অনুষ্ঠানতেই সক্ৰিয়তাৰে সহযোগিতা আগবঢ়াবলৈ চেষ্টা কৰিছিলোঁ।

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক ক্ষেত্ৰত যিমান দক্ষতা আৰু প্ৰতিভা পৰিলক্ষিত হয়, সেই অনুসৰি খেলা-ধূলা ক্ষেত্ৰখনতো কোনো ফালেই কম নাছিল। ইয়াৰ প্ৰমাণ আমাৰ কাৰ্যকালত হোৱা মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত পোৱা গ'ল। এটা সত্য মানিবই লাগিব, যি সংখ্যক ছাত্ৰ-ছাত্ৰী অনুষ্ঠান আৰু প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰে তেওঁলোক সঁচাকৈ দক্ষ আৰু প্ৰতিভাবান।

তাৰিখ ২৬ ফেব্ৰুৱাৰী আৰু ৫, ১২, ১৯, ২১ আৰু ২২ মাৰ্চত আমাৰ মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত হৈছিল। ইয়াত গুৰু ক্ৰীড়া শাখাৰ উদ্যোগত হোৱা প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ—

১। ক্রিকেট (পুৰুষ-মহিলা উভয়তে)
২। ফুটবল (পুৰুষ-মহিলা উভয়তে)
৩। volleyball (পুৰুষ-মহিলা উভয়তে)
৪। কাবাডী (পুৰুষ-মহিলা উভয়তে)
৫। খৌখৌ (পুৰুষ-মহিলা উভয়তে)

ইয়াতেই সকলো খেলুৱৈ শ্ৰেষ্ঠ আছিল। মোৰ কাৰ্যকালৰ সময়তে volleyball মহিলাসকলৰ মাজত পোন প্ৰথমবাৰৰ বাবে উপস্থাপন কৰিছিলোঁ আৰু তাৰে সকলো খেলুৱৈয়ে খেলিবলৈ চেষ্টা আৰু ভাল দৰে যত্ন কৰিছিল। মোৰ কাৰ্যকালৰ সময়তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলোঁ। মেঘালয়ত অনুষ্ঠিত হোৱা উত্তৰ পূৰ্বাঞ্চলৰ ভক্তিত কাবাডী প্ৰতিযোগিতাত আংশ গ্ৰহণ কৰিছিলোঁ, তাৰে কেইবাটাও পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলোঁ। আৰু গোলাঘাটত অনুষ্ঠিত হোৱা kho kho প্ৰতিযোগিতাতো অংশ গ্ৰহণ কৰিছিলোঁ।

কাৰ্যকাল আৰম্ভ হোৱাৰে পৰা শেষ পৰ্যন্ত আমাৰ পৰীক্ষাৰ আৰু পৰীক্ষাৰ মাজেৰে পাৰ হৈ গ'ল। সেয়ে আমি ছাত্ৰ সমাজৰ বৌদ্ধিক, কল্পনাশক্তিৰ আৰু ক্ৰীড়াৰ উন্নতি হকে লোৱা আঁচনিসমূহ আঁচনি হৈ গৈছিল। কিয়নো মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ পাঠ্যক্ৰমৰ ওপৰতহে বেছি গুৰুত্ব দিছিল।

ছাত্ৰ একতা সভাৰ সদস্য হিচাপে যদিও ১২ মহীয়া কাৰ্যকাল অতিবাহিত কৰিলোঁ, ইয়াতেই সম্ভৱ হোৱাখিনি নিখুঁতভাৱে কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। নাজানো কিমান সফল হ'লো। এই সফলতা-বিফলতা সকলো মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ সমাজলৈ এৰিলোঁ। পৰৱৰ্তী সময়বোৰত মহাবিদ্যালয়ৰ গুৰু ক্ৰীড়া শাখাৰ ক্ষেত্ৰখন আগবঢ়াই নিবৰ বাবে ছাত্ৰ একতা সভাৰ সদস্যসকলে সক্ৰিয় সহযোগিতাৰে খেল সভাবোৰ আয়োজন কৰিবলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালৰ প্ৰতিবেদন আধৰুৱা হৈ ৰ'ব, যদিহে এই কথা উল্লেখ নকৰোঁ মোক প্ৰতিটো মুহূৰ্ততে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ কাৰ্যকালৰ মেৰুদণ্ড স্বৰূপ তত্ত্বাৱধায়িকা আৰু ৰসায়ন বিজ্ঞান বিভাগৰ শ্ৰদ্ধাৰ ড° দিপাংকজ গগৈ ছাৰৰ কথা। ছাৰৰ তত্ত্বাৱধানতেই মোৰ কাৰ্যকালৰ কামসমূহ সুচল হৈ পৰিছিল। ছাৰৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাই মোক প্ৰেৰণা যোগাইছিল। ছাৰৰ ব্যস্ততাপূৰ্ণ সময়ৰ মাজতো মোক সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে ছাৰলৈ আন্তৰিক শ্ৰদ্ধা, ভক্তি, কৃতজ্ঞতা নিবেদিছোঁ।

শেষত পুনৰবাৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, ককাই-ভাই, বাই-ভনী আৰু ছাত্ৰ একতা সভাৰ সদস্যসকল তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ থাকিল আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ। অনিচ্ছাকৃতভাৱে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিছোঁ।

জয়তু কানৈ মহাবিদ্যালয় জয়তু কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

**কৃষ্ণ চেত্ৰী**
গুৰু ক্ৰীড়া সম্পাদক
ছাত্ৰ একতা সভা-২০২২-২০২৩

# উপ-সভাপতিৰ প্ৰতিৱেদন

মই অতি আনন্দিত যে আমাৰ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ষষ্ঠ তাৰিখে ২০২২-২৩ বৰ্ষৰ ৭৬ সংখ্যক বাৰ্ষিক আলোচনী "কানৈয়ান" প্ৰকাশ কৰিবলৈ ওলাইছে।

ডি.এইচ.এছ কানৈৰ অংশ হোৱাৰ বাবে আমি কেতিয়াও পাহৰিব নালাগে আৰু অৱজ্ঞা কৰা উচিত নহয় আমাৰ চিনিয়ৰসকলক (এক্স কানৈয়ান) যিসকলে প্ৰায় ৭৮ বছৰ আগতে আমাৰ কানৈ স্থাপনৰ বাবে যুঁজিছিল। তেওঁলোক সকলোৰে প্ৰতি মোৰ সহস্ৰ প্ৰণাম জনাইছোঁ। তেওঁলোকৰ কষ্টৰ অবিহনে আমি কেতিয়াও এই ঠাই নাপালোঁহেতেন।

কানৈ মহাবিদ্যালয়ৰ সকলো নতুন ছাত্ৰ-ছাত্ৰীক মুকলি হৃদয়েৰে আন্তৰিকতাৰে আদৰণি জনাইছোঁ। আৰু আপোনালোক সকলোলৈ মোৰ বাৰ্তা হ'ল কেতিয়াও নিজকে পৃথক কৰি নাৰাখক, কানৈৰ ঐক্যৰ মনোভাৱ বজাই ৰখাৰ দায়িত্ব গ্ৰহণ কৰক। আমি যিমান সময় আমাৰ ৰঙীন কাৰ্যসূচীৰে সফল হৈ ওলাই আহিছোঁ, অনুগ্ৰহ কৰি আমাৰ কানৈৰ সংস্কৃতিক শক্তিশালী কৰাত সহায় কৰক।

আমাৰ কাৰ্যকালৰ সময়ত সৰস্বতী পূজা, মহাবিদ্যালয় সপ্তাহ পতাৰ লগতে youthfest নিলোঁ। প্ৰতিটো মাহত এখনকৈ সাধাৰণ সভাৰ আয়োজন কৰাৰ লগতে প্ৰত্যেক বছৰে প্ৰতিখন ইউনিয়নে ভাওনা পৰিদৰ্শনৰ বাবে এখনি দৰ্খাস্ত দাখিল কৰিলোঁ আৰু প্ৰথমখন ভাওনা পাতিলোঁ আৰু এখনি গ্ৰন্থমেলাও পাতিলোঁ।

আশাকৰোঁ আগন্তুক বছৰবোৰে মহাবিদ্যালয়ৰ অধিক উদ্ভাৱনীমূলক ধাৰণা আৰু অগ্ৰগতি আনিব।

ধন্যবাদ—

**চাণক্য নেওগ**
উপ-সভাপতি, কানৈ মহাবিদ্যালয়

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিৱেদন
## ২০২২-২০২৩

নমস্কাৰ সকলোলৈ,

মই শিৰম সূত্ৰধৰ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক। এই মহাবিদ্যালয়ৰে ভূগোল বিভাগৰ ছাত্ৰ।

মই কেতিয়াও ভবা নাছিলো ময়ো এদিন এই শিক্ষানুষ্ঠানৰ বাবে কাম কৰিবলৈ আৰু ছাত্ৰ একতা সদস্য হিচাপে নিৰ্বাচিত হ'ম বুলি। এইটো মোৰ বাবে এটা সৌভাগ্যৰ কথা যে মই এনে এখন ঐতিহ্যমণ্ডিত মহান শিক্ষানুষ্ঠানৰ বাবে কাম কৰিব পাৰিলো। এই কাম মোৰ বাবে অকলে কৰাটো সম্ভৱ নাছিল কিয়নো মই কেতিয়াও আগতে এনে কাম কৰাৰ কোনো অভিজ্ঞতা পোৱাই নাছিলে। কিন্তু সমূহ কানৈয়ান আৰু মোৰ সহকাৰীসকলৰ সহায় আৰু বিশ্বাসে মোক আগবাঢ়ি কৰি যোৱাত বহুত সহায় কৰিলে।

আজি মই বহুত সুখী, কিয়নো কানৈয়ানে মোক সুযোগ দিলে এনে এটা অভিজ্ঞতা লাভ কৰাৰ। আৰু লগতে বহুতো নজনা বিষয় শিকিবলৈ। ইয়াৰ লগতে মই প্ৰত্যেকজন শিক্ষাগুৰুৰ ওচৰত কৃতজ্ঞ। তেওঁলোকৰ পৰামৰ্শ অবিহনে মই একো এটা কামত সফল প্ৰাপ্ত হ'ব নোৱাৰিলো হয়। তেওঁলোকৰ মৰম আৰু সাহসে আৰু উৎসাহ যোগাইছিল মোক কানৈৰ হকে কাম কৰি যোৱাত।

শেষত সকলোলৈ মোৰ ফালৰ পৰা বহুত বহুত ধন্যবাদ। মই সদায় কানৈয়ানৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম। আৰু এই সময়টো জীৱনত এক চিৰস্মৰণীয় হৈ ৰৈ যাব। ধন্যবাদ আকৌ এবাৰ কানৈয়ানৰ বাবে।

**শিৰম সূত্ৰধৰ**
সম্পাদক, ছাত্ৰ জিৰণি কোঠাৰ

প্ৰতিৱেদন

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিৱেদন

কানৈ আমাৰ আৱেগ, কানৈয়ান আমাৰ সাহস।

প্ৰতিৱেদনৰ আৰম্ভণিতে সকলোকে সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছো। উজনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এক অংশ হোৱাটো মোৰ এক অন্যতম সপোন আছিল। সময়ৰ অগ্ৰগতিত সপোনৰ পিছে পিছে আগবাঢ়ি আহি ২০২১ বৰ্ষত এই মহাবিদ্যালয়ত ভৰি থ'লেহি এগৰাকী সাধাৰণ ছাত্ৰী হিচাপে আৰু পৰিচয় পালো 'কানৈয়ান'। এই কৃষ্ণচূড়া আৰু দেবদাৰুৰ নগৰীৰ সমাজতত্ত্ব বিভাগত ভৰ্তি হৈ বিভাগৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ পৰিলো।

কানৈ মহাবিদ্যালয়লৈ আহি যে ইয়াৰ ছাত্ৰ একতা সভাৰ এগৰাকী সদস্য হ'ম, এই কথা এবাৰলৈও মই ভবা নাছিলো। কিন্তু সকলোৰে, মৰম, শুভাশিস, সাহস আৰু প্ৰেৰণাকে প্ৰমূল্য কৰি বহুমূলীয়া হেঁপাহ বুকুত বান্ধি ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদৰ বাবে নিজৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ালো। আৰু ১৪ নৱেম্বৰ ২০২২ তাৰিখে কানৈ তথা কানৈয়ানে মোক এটি চিৰস্মৰণীয় উপথৰ প্ৰদান কৰিলে কানৈ মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে জয়ী কৰি। জীৱনৰ বহু অভিজ্ঞতাৰ ভিতৰত কানৈ মহাবিদ্যালয়ত পোৱা নেতৃত্বৰ এই যি অভিজ্ঞতা সেয়া মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। সমূহ কানৈয়ানে মোৰ ওপৰত ভৰষা দেখুৱাই মোক কানৈ তথা কানৈয়ানৰ হকে কাম কৰিবলৈ যি সুযোগ প্ৰদান কৰিলে, ইয়াৰ বাবে মই সমূহ কানৈয়ানৰ ওচৰত চিৰকৃতজ্ঞ।

